লক্ষ্যধৰ চৌধুৰী নাট্যাৱলী

লক্ষ্যধৰ চৌধুৰী নাট্যাৱলী

সম্পাদনা : প্ৰফুল্ল কুমাৰ বৰুৱা

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী ৭৮১০২১

LAKSHYADHAR CHAUDHURY NATYAVALI : A collection of Dramas by Shri Lakshyadhar Chaudhury and published by Shri Kumud Goswami, Secretary, Publication Board Assam, Guwahati, Assam, India.

First edition January 1993 Pp 32+344. Price Rs. 150·00

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording, or by any information storago and retrieval system, without the prior permission in writing from Publication Board Assam.

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ, ফটোকপি ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেকট্ৰনিক বা যান্ত্ৰিক উপায়েৰে, অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা কোনো ৰূপতে ব্যৱহাৰ কৰিব নোৱাৰিব ।

প্ৰকাশক

কুমুদ গোস্বামী

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১ ০২১

প্ৰথম প্ৰকাশ জানুৱাৰী ১৯৯৩

মূল্য ১৫০·০০ টকা

মুদ্ৰক

হেমকোষ প্ৰিণ্টাৰ্ছ

গুৱাহাটী ৭৮১ ০০৩

ভূমিকা

আমাৰ ভাষাত নাটকৰ প্ৰচাৰ তথা প্ৰকাশৰ সংখ্যা কম। তথাপি গাঁও-ভূঁই, নগৰ-চহৰ সকলোতে নাট-অভিনয় প্ৰায়-জনপ্ৰিয় ৰূপত চলি আহিছে। সৰ্বজনবিদিত কথা যে কিছুমান নাট কেতিয়াও প্ৰকাশ হৈ নোলায় আৰু সিবোৰ হাতেলিখা অৱস্থাতে হাত-বাগৰি বাগৰি কালত লয় পায়। এক সংখ্যক জনপ্ৰিয়, শ্ৰেষ্ঠ আৰু মঞ্চ-সফল নাটো ইয়াৰ ব্যতিক্ৰম নোহোৱাকৈ থকা নাই।

অসম প্ৰকাশন পৰিষদে নাট্য-সাহিত্যৰ এই ঐতিহ্যসম্পন্ন অথচ ক্ষীণকায় ধাৰাটোৰ বিকাশৰ কাৰণে প্ৰচেষ্টা চলাই আহিছে। পৰিষদৰ তৰফৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱ, জ্যোতিপ্ৰসাদ, পদ্মনাথ গোহাঞিবৰুৱা, ফণী শৰ্মা আদি শ্ৰেষ্ঠ নাট্যকাৰৰ সমস্ত নাটক প্ৰকাশ কৰাৰ উপৰি দুটা খণ্ডৰ অনাতাঁৰ নাট্যাৱলী, শিশু-গীতি নাট্য-সঙ্কলন আৰু দুই-এগৰাকী নাট্যকাৰৰ কেইখন-মান নাট প্ৰকাশ কৰিছে। বিশ্ব নাট্য-সাহিত্যৰ লগত অসমীয়া নাটকক পৰিচিত কৰি দিয়াৰ মানসেৰে কেইখনমান নাটৰ অসমীয়া অভিযোজনাও ইতিমধ্যে আগ বঢ়োৱাটো পৰিষদৰ অন্যতম অৱদান। তদুপৰি পৰিষদৰ শ্ৰেষ্ঠ নাট্যকাৰৰ নাট্যাৱলী ছপোৱাৰ পৰিকল্পনা আছে। লক্ষ্যধৰ চৌধুৰী নাট্যাৱলী এনে পৰিকল্পনা-অন্তৰ্ভুক্ত কৃতি।

লক্ষ্যধৰ চৌধুৰী অসমৰ ভাষা-সাহিত্য-সংস্কৃতি জগতৰ এগৰাকী বৰেণ্য আৰু বিষয়-বিষয়ান্তৰলৈ অনায়াসে পৰিভ্ৰমণ কৰিব পৰা সদাজাগী ব্যক্তি। স্কুলীয়া ছাত্ৰাৱস্থাতে একলব্য নাটেৰে নাট্যকাৰ ৰূপে আত্মপ্ৰকাশ কৰা নাট্যকাৰগৰাকীৰ নাটকীয় বিষয়বস্তু বহুধা আৰু বিচিত্ৰ। নিজেই এগৰাকী নিপুণ শিল্পী, অভিনেতা আৰু নাট-পৰিচালক হোৱা বাবে তেওঁৰ নাটসমূহ অভিনয়োপযোগী আৰু মঞ্চ-সফল হোৱাত সহায়ক হৈছে। সকলোৰে পৰিচিত ৰামায়ণ-মহাভাৰতৰ ক্ষুদ্ৰ কাহিনীৰ আলমত ৰচিত নাট্য-কাহিনীৰ তেওঁ স্বতন্ত্ৰীয়া মৰ্যাদা দিয়াত সফলকাম হৈছে।

তেওঁৰ দুই-চাৰিখন নাটৰ নিৰ্দোষ হাস্য-কৌতুকে দৰ্শক-পাঠকক যেনেদৰে আকৃষ্ট কৰে ঠিক তেনেদৰে প্ৰচ্ছন্ন শ্লেষ-ব্যঙ্গই এশ্ৰেণী লোকক বিমোৰত পেলায়। একেটাইত সামাজিক সমস্যাৰ চিত্ৰায়ণ আৰু সংশ্লিষ্ট ব্যক্তি তাত কিদৰে অপ্ৰয়াস বা ব্যৰ্থ হৈছে তাৰ মনোৰম দৃশ্য-ভাষ্যও নাট্যকাৰে আমাক দিছে। প্ৰতিটো চৰিত্ৰৰ প্ৰতি গভীৰ অনুকম্পা, সমব্যথা আৰু সমদৃষ্টি প্ৰদানেৰে নাট্য-কাহিনীক ৰসায়ন পৰ্যায়ৰ মাজেৰে পৰিণতিলৈ অনাৰ চমৎকাৰিত্ব নাট্যকাৰ লক্ষ্যধৰ চৌধুৰীৰ উল্লেখনীয় বিশেষত্ব। লক্ষ্যধৰ চৌধুৰী নাট্যাৱলী প্ৰকাশ কৰিবলৈ পাই আমি আনন্দ লাভ কৰিছো।

নাট্যাৱলীৰ এটি পাতনি লেখি দিয়াৰ বাবে আমি প্ৰফুল্ল কুমাৰ বৰুৱাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলো। নাট্যাৱলী অসমৰ সাহিত্যিক আৰু শিল্পী-জগতৰ আদৰৰ বস্তু হব বুলি আমি আশা কৰিলো।

কুমুদ গোস্বামী
সচিব
অসম প্ৰকাশন পৰিষদ

গুৱাহাটী
জানুৱাৰী ১৯৯৩

পাতনি

নাট্যকাৰ শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ নাটকসমূহ সম্পাদনা কৰাৰ দায়িত্ব প্ৰকাশন পৰিষদে আমাক অৰ্পণ কৰিছে। অসমীয়া নাটকৰ বিষয়ে এটা অভিমত দাঙি ধৰাটো টান কথা। কাৰণ অসমীয়া সাহিত্যৰ আনবোৰ শাখাৰ যিমান আলোচনা হৈছে নাটকৰ ক্ষেত্ৰত সেই পৰিমাণৰ আলোচনা হোৱা নাই। অন্য বিশ্ববিদ্যালয়ত কেৱল নাটকৰ ওপৰতে ডক্টৰেট ডিগ্ৰী লাভ কৰিব পৰা ব্যৱস্থা আছে। আমাৰ বিশ্ববিদ্যালয় দুখনত নাই। অসমীয়া সাহিত্য নাইবা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লৈ অহা আগ্ৰহীসকলে নাটক সম্পৰ্কে ছেগা-চোৰোকাকৈ আলোচনা আগবঢ়ায়। আমাৰ বিশ্ববিদ্যালয় দুখনত নাট্যশিক্ষা (Drama education) উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱা নাই। অসম নাট্য সন্মিলনৰ পিনৰ পৰা এই বিষয়ে বিশ্ববিদ্যালয় দুখনৰ কৰ্তৃপক্ষক আবেদন-নিবেদন জনাই থকা হৈছে।

ভাৰতবৰ্ষলৈ বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ মানুহ আহি বসবাস কৰিছিল। তেওঁলোকৰ জাতি-বৰ্ণ-ভাষা-সংস্কৃতি বেলেগ বেলেগ। বেলেগ বেলেগ সময়ত অহা বিভিন্ন জনগোষ্ঠীৰ মাজত সামাজিক আৰু সাংস্কৃতিক সমন্বয় সাধন হৈছিল। বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন হৈছিল। বিভিন্ন কাৰণবশতঃ ভাৰতবৰ্ষত আজি উগ্ৰ আঞ্চলিক চিন্তাই গঢ় লৈ উঠিছে। সেই কাৰণে বৈচিত্ৰ্যৰ মাজত ঐক্যৰ স্বৰূপটো বুজাৰ আৰু বুজোৱাৰ নিতান্ত প্ৰয়োজন হৈছে। কাৰণ সমন্বয় সাধনৰ সফল ৰূপায়ণেই ভাৰতবৰ্ষৰ জাতীয় জীৱনৰ মৰ্মবাণী। "মিলিব লাগে মিলাব লাগে" এই দৃষ্টিভঙ্গীৰে অনুপ্ৰাণিত হৈ সকলোৱে বিশাল ভাৰতীয় জাতি গঢ়ি তুলিছে। ভাৰতীয় সংস্কৃতিৰ সমন্বয়ৰ স্বৰূপ ভাৰতীয় নাট্যকলাত, প্ৰাদেশিক নাটকবিলাকত স্পষ্টভাৱে পৰিস্ফুট হৈছে। প্ৰাদেশিক নাটকবিলাকে পৰস্পৰে পৰস্পৰক জনাত সহায় আগবঢ়াইছে। কিন্তু প্ৰাদেশিক নাটক বা বিভিন্ন প্ৰদেশৰ নাট্যকৰ্ম সম্পৰ্কে জানিবলৈ আমাৰ ভাষাত কিতাপ নাই। অসমৰ নাট্যকৰ্ম বা নাটকৰ বিষয়ে জানিবলৈকো নিৰ্ভৰযোগ্য কিতাপ নাই। নাট্য-সাহিত্যৰ সংক্ষিপ্ত ইতিহাসৰ কিতাপ হয়তো আছে কিন্তু নাট্যকলা সম্পৰ্কে গৱেষণামূলক কিতাপ নাই। অসমীয়া লোকনাট্যৰ উৎপত্তি, ক্ৰমবিকাশ, আধুনিক নাটকৰ সৈতে ইয়াৰ সম্পৰ্ক—এনেবোৰ বিষয় সামৰি লৈ লিখা এখন পূৰ্ণাঙ্গ গ্ৰন্থ আমাৰ নাই বুলিয়েই কব পাৰি। অৱশ্যে আধুনিক নাটকৰ ধাৰা সম্পৰ্কে কিছু আলোচনা-বিলোচনা হৈছে। এই ক্ষেত্ৰত শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ এই নাট্য-সঙ্কলনটোৱে কিছু বৰঙণি যোগাব বুলি আশা কৰিব পাৰি। প্ৰতিটো সম্ভাৰ প্ৰতিনিধিত্ব কৰা যেনে—পৌৰাণিক নাটক, ঐতিহাসিক নাটক আৰু আধুনিক নাটকসমূহৰে বিজ্ঞানভিত্তিক আলোচনামূলক পূৰ্ণাঙ্গ গ্ৰন্থ প্ৰকাশ কৰাৰ কথা চিন্তা কৰি চোৱাৰ থল আছে। তেতিয়া হ'লেহে অসমৰ মৰ্মবাণী সঠিকভাৱে উপলব্ধি কৰিব পৰা যাব। কাৰণ সকলো কলাৰ ভিতৰত নাট্যকলাই শ্ৰেষ্ঠ কলা।

লক্ষ্যধৰ চৌধুৰীয়ে নাট্যাৱলীত সন্নিৱিষ্ট নাটৰ উপৰিও অন্যান্য নাটক লেখিছে। আমি নাট্যাৱলীত অন্তৰ্ভুক্ত নাটকেইখনিৰ এটা পৰ্য্যালোচনা আগ বঢ়ালো।

একলব্য ঃ লক্ষ্যধৰ চৌধুৰীৰ "একলব্য" নাটকখনৰ বিষয়ে বিশেষ কবলগীয়া একো নাই। নাটকখন তেখেতে নৱমমান শ্ৰেণীত থাকোতেই লিখা। কলেজিয়েট স্কুলৰ স্কাউটৰ বছেৰেকীয়া উৎসৱত অভিনয় কৰিবলৈ এখন নাটকৰ প্ৰয়োজন হয়। শিক্ষক কামাখ্যানাথ ঠাকুৰে এখন নাটক অভিনয় হোৱাটো বিচাৰিলে। লগৰ স্কাউট ললিত বৰা, জীৱন কুমাৰ দাস আৰু দুৰ্গাধৰ বৰগোহাঁইয়ে লক্ষ্য চৌধুৰীকে নাটক এখন লিখিবলৈ আগবঢ়াই দিলে। শিক্ষক কামাখ্যানাথ ঠাকুৰে স্কুলীয়া ছাত্ৰৰ উপযোগী হিচাপে একলব্যৰ কাহিনীটো বাছি দিলে। "ওপৰে ওপৰে চাই মঞ্চৰ উপযোগী" কৰিও দিলে। লক্ষ্য চৌধুৰীয়ে একলব্যৰ কাহিনীটো যেনেভাৱে মঞ্চৰ কাৰণে সজালে সেই বিষয়ে এটা বিশেষ কথা চকুত পৰে। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কম বয়সৰ পৰাই তেওঁলোকৰ মন-কেমেৰাৰ ছাটাবডাল সমাজৰ সমস্যাৰ প্ৰতি মুকলি কৰি ৰাখে। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামটোও উল্লেখ কৰিব পাৰি। তেখেতেও "শোণিত কুঁৱৰী" নাটকখন কম বয়সতে ৰচনা কৰিছিল। একলব্যৰ কাহিনীটো গুৰু-দক্ষিণাৰ, গুৰু-ভক্তিৰ এটা জনপ্ৰিয় কাহিনী। কিন্তু সেয়ে হ'লেও কাহিনীটোৰ অন্তৰালত কিছুমান তাৎপৰ্যপূৰ্ণ কথা আছে। সেই সময়ৰ সমাজখনত জাত-কুলৰ বিচাৰ আছিল। নীচ জাতৰ কাৰণেই দ্ৰোণই একলব্যক ধনুবিদ্যা শিক্ষা দিবলৈ অমান্তি হৈছিল। সেই একেটা কাৰণতেই কৰ্ণকো ধনুবিদ্যা শিকাবলৈ দ্ৰোণাচাৰ্য অমান্তি হৈছিল। সেইখিনি কথা কিশোৰ নাট্যকাৰে নাটকত ঠাই দিছে। ধনুবিদ্যা শিকিবলৈ গৈ কৰ্ণ দ্ৰোণৰ হাতত লাঞ্ছিত হৈ অহাৰ কথা জানিও একলব্য দ্ৰোণৰ ওচৰলৈ ধনুবিদ্যা শিকিবলৈ অতি আশাৰে গৈছিল। কৰ্ণৰ দৰে একলব্যও বিফল মনোৰথ হৈ উলটি আহিবলগীয়া হৈছিল। প্ৰাণ বিসৰ্জন দিবলগীয়া হ'লেও একলব্যই দ্ৰোণক গুৰু হিচাপে বৰণ কৰিছে। আনহাতেদি নীচ জাতৰ কাৰণেই দ্ৰোণই একলব্যক ধনুবিদ্যা শিকাবলৈ অমান্তি হৈছে। তৃতীয় আৰু পঞ্চম দুয়োটা দৃশ্যতে এইখিনি কথা পৰিস্ফুট কৰিবলৈ নাট্যকাৰ সক্ষম হৈছে। জাত-কুলৰ বিচাৰৰ লগতে দ্ৰোণাচাৰ্য, ভীষ্ম আদিয়ে ন্যস্তস্বাৰ্থৰ কবলৰ পৰাও মুক্ত হব পৰা নাছিল। সেই কথা কুৰুক্ষেত্ৰ যুদ্ধৰ ঠিক আগ মুহূৰ্তত তেওঁলোকে স্বীকাৰ কৰিছিল।[১] নাটকখনত যি কেইটা চৰিত্ৰ সন্নিৱিষ্ট কৰা হৈছে সেইকেইটা লিখকৰ কৈশোৰ অৱস্থা, মঞ্চৰ সীমাবদ্ধতা আদিলৈ লক্ষ্য ৰাখি যথাযথ হৈছে বুলি কব পাৰি। সঙ্গতি, ঔচিত্য, প্ৰয়োজনীয়তা আদিক উপেক্ষা কৰি নাটকত গীত দিয়াটো বাঞ্ছনীয় নহয়। প্ৰকৃত নাটকত ৰস সৃষ্টিৰ কাৰণে গীত দিয়াটো আজিকালি গ্ৰহণযোগ্য নহয়। "একলব্য"ৰ ব্যাধবালকসকলৰ গীত দুটা[২] বৰ অপ্ৰয়োজনীয় যেন লগা নাই। নেপথ্যৰ গীতটোও যথাযথ হৈছে।[৩]

আলিবাবা ঃ "আলিবাবা" নাটকখনৰ কাহিনী আৰব্য উপন্যাসৰ। আলিবাবা আৰু চল্লিশ চোৰৰ কাহিনীটো একালত ইংৰাজী সাহিত্যৰ জৰিয়তে আমাৰ দেশত বৰ জনপ্ৰিয় হৈ পৰিছিল। আমাৰ গুৰু-দুৱৰীয়া ৰাজ্য বঙ্গদেশ আৰু অসমতো এই কাহিনীটোৰ আধাৰত কেইজনমান নাট্যকাৰে নাটক লিখিছিল। শ্ৰীলক্ষ্যধৰ চৌধুৰীও তেনে এজন নাট্যকাৰ। কেইটামান দিশত সাৰ্বজনীনতা থকাৰ কাৰণে এই কাহিনীটো

১ Mahabharata—C. Rajagopalachari : "Yudhishthira seeks benediction."
২ ৪ৰ্থ অংক ১ম দৃশ্য আৰু ৫ম দৃশ্য
৩ ১ম অংক দশম দৃশ্য

আমাৰ ইয়াতো জনপ্ৰিয় হৈ পৰিছিল। দৰিদ্ৰতাৰ দ্বাৰা পীড়িত মানুহে সদায় আশা কৰে যে এটা বিশেষ মুহূৰ্তত তেওঁলোকৰ সকলো অভাৱ নাইকিয়া হৈ যাব। সেই কাৰণে তেওঁলোকৰ কাৰণে "চিচিম ফাঁক" কথাটো বৰ তাৎপৰ্য্যপূৰ্ণ। তদুপৰি এনেচাম মানুহে বিশ্বৰ মাজতে আত্মিকমোচন—কেথাৰচিচ[1] (Catharsis) বিচাৰে। আমাৰ বধ-কাব্যত তেনে এটা কথাই ঘটিছে। খুদখুদ এটাও কিনিব নোৱৰা আলিবাবাৰ ঐশ্বৰ্যপ্ৰাপ্তিত এনে এটা বিকল্প আত্মিকমোচন আছে। পৃথিৱীৰ বেছিভাগ মানুহেই দুখীয়া কাৰণে ধন-সোণৰ গুহাটো তেওঁলোকৰ কাৰণে কৌতূহল আৰু আনন্দৰ বিষয়। আলিবাবাৰ কাহিনীটোৰ অন্যতম আকৰ্ষণ হ'ল বুদ্ধিমত্তা থকা, সততা থকা সাহসী মৰ্জিয়ানা নামৰ হোৱালীজনী। তাই যেন দুখীয়া মানুহৰ মনৰ গোপন আদৰ্শৰ প্ৰতিফলন। ইয়াতো এক প্ৰকাৰৰ কেথাৰচিচ পৰিলক্ষিত হয়। কাচেমৰ পৰিণতি মানুহে আনন্দেৰে গ্ৰহণ কৰে। অত্যাচাৰী মানুহৰ পতন হোৱাটো আৰু শাস্তি হোৱাটো শান্তিপ্ৰিয় সবল মানুহে সদায় বিচাৰে। নানান সীমাবদ্ধতাৰ কাৰণে সেইটো কাম তেওঁলোকে নিজে কৰিব নোৱাৰে। কাচেমৰ পৰিণতিয়ে পৰোক্ষভাৱে তেওঁলোকক এটা সকাহ দিয়ে।

"আলিবাবা" নাটকখনৰ চৰিত্ৰকেইটা সংবেদনশীল চৰিত্ৰ হিচাপে গঢ় লৈ উঠা নাই। সক্ৰিয়তা, অন্তৰ্দ্বন্দ্ব, আবেগধৰ্মিতা আদি গুণবিলাক চৰিত্ৰৰ মাজেদি পৰিস্ফুট হলেহে চৰিত্ৰসমূহ সংবেদনশীল হয়। দৃশ্য সংযোজন নিখুঁত হোৱা নাই। চৰিত্ৰৰ অৱস্থান আৰু অৱস্থাক জনোৱাৰ উপৰিও দৃশ্যই ৰস সৃষ্টিক পৰিপোষণ কৰে। নাটকখনৰ একো একোটা দৃশ্য তেনেই সৰু হোৱাৰ কাৰণে ৰস সৃষ্টিত যতি পৰিছে। এটা দৃশ্যই ৰস সৃষ্টি কৰিবলৈ লওঁতেই আঁৰ-কাপোৰ পৰিছে। অৱশ্যে সেই সময়ত আমাৰ নাটকবোৰ তেনেভাৱেই লিখা হৈছিল। আলিবাবাৰ কাহিনীটোত বাস্তৱ-অবাস্তৱ সানমিহলি হৈ আছে। কাহিনীটো শিশুমনৰ কাৰণে উপযোগী। তথাপি ডাঙৰ মানুহেও এই কাহিনীটোৰ সাহিত্যিক ৰূপ পঢ়ি বা চাই ভাল পায়। কাৰণ প্ৰত্যেক মানুহৰ অন্তৰত এটা কল্পনাপ্ৰিয় শিশুমন লুকাই থাকে। মানুহৰ মনটোৱে জটিল জীৱনৰ সমস্যাৰ পৰা বিৰতি লৈ এনেবোৰ কাহিনী চাই উপভোগ কৰিবলৈ ভাল পায়। ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাই "মৰ্জিয়ানা" নাটকৰ ক্ষেত্ৰত কোৱাৰ দৰে "আলিবাবা" নাটকৰ ক্ষেত্ৰতো কব পাৰি যে এনেবোৰ নাট আস্বাদন কৰিবলৈ যাওঁতে "সন্দেহবাদী যুক্তি বিচাৰমূলক দৃষ্টি পৰিহাৰ কৰিব নোৱাৰিলে পদে পদে উজুটি খোৱাৰ সম্ভাৱনা থাকে।"

"আলিবাবা" নাটকখন কেইবাবাৰো অভিনীত হোৱালৈ চাই ধাৰণা কৰিব পাৰি যে নাটকখন মানুহে চাই ভাল পাইছিল। এইখিনিতে এষাৰ কথা চিন্তা কৰি চোৱাৰ অৱকাশ আছে। নাটকৰ যিবিলাক সূত্ৰ আছে সেইবিলাকৰ মাধ্যমেৰে চালে বহুতো নাটকত সেই সূত্ৰবোৰ সম্পূৰ্ণৰূপে পালন কৰা দেখা নাযাব পাৰে। সেই বুলিয়েই সেইখন নাটক নহ'ল বুলি একে আষাৰে কব পৰা নাযায়। এইখিনিতে Sarcey-ৰ এষাৰ মন্তব্য উল্লেখ কৰিব পাৰি। তেখেতে কৈছে, "We cannot conceive of a play without an audience."[2] দৰ্শকক বাদ দি আমি এখন নাটকৰ কথা ধাৰণা কৰিব নোৱাৰো। বাৰ্ণাড্ শ্বই কৈছিল, "I do not select my methods, they are imposed upon me by a hundred considerations......by the capacity of the spectators for understanding......"[3] "আলিবাবা", "নিমিলা অঙ্ক"ক ধৰি চৌধুৰীৰ আটাইকেইখন

১ পৰেটিক্স—এৰিষ্টটল

২ A theory of Theatre—Sarcey

৩ বাৰ্ণাড্ শ্ব—Quoted from "The Theory of Drama" by Nicoll, Page 33

নাটক যেই সময়ত মঞ্চসফল হৈছিল। সাহিত্যিক মূল্য আৰু মঞ্চসফলতা দুয়োটা গুণ থাকিলে এখন নাটক নিঃসন্দেহে শ্ৰেষ্ঠ নাটক বুলি কব পৰা যাব। কিন্তু দুয়োটাৰ এটা নাথাকিলেই এখন নাটক নাটক নহয় বুলি কব পৰা নহয়। লক্ষ্যধৰ চৌধুৰীৰ নাটকসমূহ এই দৃষ্টিভঙ্গীৰেহে বিচাৰ কৰিব লাগিব। কাৰণ নাটকসমূহৰ ৰচনা-কালৰ ব্যৱধানৰ পটভূমিত তেখেতৰ মানসিক চিন্তাৰ উৎকৰ্ষ বৰ স্পষ্ট নহয়। তদুপৰি ক্ৰমতে তেখেতে নিজে কোৱা এইষাৰ কথাও মনত ৰাখিব লাগিব—"আমাৰ কথা কিন্তু সুকীয়া। আমি আকৌ অভিনয় কৰিম বুলিহে নাট লিখো। নাটক হওক বুলিতো নিলিখো। সেই বুলি ৰহি থাকিবও নোৱাৰি—নাট লিখিবলৈ মন যায়। কানীয়াৰ কানি খোৱাই অভ্যাস, মদাহীয়ে মৰিলেও মদ এবা টান। বাৰ্ণাড্ শ্বই ঠিক কথাকেই কৈছিল, Man is a creature of habit. You cannot write three plays and then stop.*"

বভ্ৰুকুমাৰ: "বভ্ৰু কুমাৰ" এখন পৌৰাণিক নাটক। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিত থকা কাহিনীৰ অৱলম্বনত লিখা নাটককেই পৌৰাণিক নাটক বুলিব পাৰি। অৱশ্যে প্ৰাচীন মহাপুৰুষসকলৰ যেনে বুদ্ধদেৱ, শঙ্কৰাচাৰ্য্যৰ জীৱনক ভেটি কৰি ৰচনা কৰা ভক্তিপ্ৰধান নাটসমূহকো পৌৰাণিক নাটকৰ অন্তৰ্ভুক্ত কৰিব পাৰি।[১] অৱশ্যে কেৱল পুৰণা কাহিনী থাকিলেই পৌৰাণিক নাটক বুলি কব পৰা নাযায়। যিখন নাটকে পৌৰাণিক ভাব আদৰ্শ মূৰ্ত কৰি তুলিব নোৱাৰে সেইখন নাটকক পৌৰাণিক বুলিব নোৱাৰি। পৌৰাণিক কাহিনী কেৱল সংলাপৰ জৰিয়তে প্ৰকাশ কৰি গ'লে সি যাত্ৰাধৰ্মী হ'ব; নাটক নহ'ব। নাটক হবলৈ হ'লে পৌৰাণিক ঘটনাক দ্বন্দ্ব বা সংঘাতৰ যোগেদি চৰিত্ৰসমূহক সতেজভাৱে বিকশিত কৰিব লাগিব। নাটকৰ কেন্দ্ৰিকতা, ঘটনা-বিন্যাস, অঙ্ক আৰু দৃশ্যৰ মাজেদি গৈ নাট্যপৰিণতি দেখুওৱা, বস্তু সংঘাত আদিয়ে পৌৰাণিক নাটকক যাত্ৰাৰ পৰা পৃথক কৰে।

অলৌকিক ঘটনা, দেৱ-দেৱীৰ লীলা, দৈৱশক্তিসম্পন্ন মানুহৰ জীৱন-কাহিনী, সৃষ্টি-তত্ত্বৰ কথা আদি পৌৰাণিক নাটকৰ অন্তৰঙ্গ লক্ষণ। এই শ্ৰেণীৰ নাটকত স্বৰ্গক বাস্তৱ জগত দেখুওৱা হয়। স্বৰ্গ-মৰ্ত্যৰ মাজত ব্যৱধান থাকিলেও স্বৰ্গৰ পৰা মৰ্ত্যলৈ আৰু মৰ্ত্যৰ পৰা স্বৰ্গলৈ অহা-যোৱা কৰাত বাধা নাই। দেৱতাসকলৰ জীৱন-যাত্ৰাৰ সৈতে নৰলোকৰ জীৱন-যাত্ৰাৰ মাজত এটা সম্পৰ্ক ৰক্ষা কৰা হয়। পৌৰাণিক নাটক ৰচনা কৰাৰ ক্ষেত্ৰত নাট্যকাৰে কিছু সুবিধা পায়। তেওঁলোকে প্ৰস্তুত হৈ থকা এটা কাহিনী পায়। মূল কাহিনী বিকৃত নকৰাকৈ কাহিনী-বিন্যাসত কল্পনাক স্থান দিব পাৰে। অলৌকিক কাহিনী প্ৰয়োগ কৰিব পাৰে। অৱশ্যে অলৌকিকতাক "সম্ভাৱনাৰ স্তৰলৈ নমাই আনি বিষয়বস্তু ৰূপ দিব পাৰিলেহে দৰ্শকে সহজে বিষয়বস্তুৰ লগত সহানুভূতি স্থাপন কৰিব পাৰে।" তদুপৰি নাট্যকাৰে সূক্ষ্ম আৰু জটিল ভাব-আবেগৰ সৃষ্টি কৰিব লগীয়া নহয়। সহজাত প্ৰবল আবেগক প্ৰকাশ কৰিলেই হয়। পৌৰাণিক নাটকৰ ভাব-আবেগ প্ৰকাশৰ কাৰণে অমিত্ৰাক্ষৰ ছন্দৰ সংলাপ উপযোগী। কাৰণ শব্দযুক্ত ভাষাৰেহে ভাব-আবেগ উদ্বুদ্ধ কৰা সহজ হয়।[২]

"বভ্ৰুকুমাৰ"ৰ কাহিনীটো ৰামায়ণৰ। নাটকখন সীতা-হৰণত আৰম্ভ হৈছে আৰু তৰণীসেনৰ মৃত্যুত শেষ হৈছে। তৰণীসেনৰ চৰিত্ৰটোৱে নাটকত এটা মুখ্য ভূমিকা গ্ৰহণ কৰিছে। তৰণীসেনৰ চৰিত্ৰটো

---

* অভিনেতা জীৱনৰ কাহিনী—"প্ৰকাশ" অষ্টম বছৰ, দ্বাদশ সংখ্যা, চেপ্তেম্বৰ ১৯৮৩

১ অসমীয়া নাট্য সাহিত্য: ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা

২ অসমীয়া ছন্দশিল্পৰ ভূমিকা: অধ্যাপক নৱকান্ত বৰুৱা

বাল্মীকিৰ সপ্তকাণ্ড ৰামায়ণত নাই। অসমীয়া ৰামায়ণতো নাই। তৰণীসেনৰ চৰিত্ৰটো কৃত্তিবাসী ৰামায়ণত আছে আৰু নাট্যকাৰ চৌধুৰীয়ে চৰিত্ৰটো তাৰ পৰাই লৈছে বুলি ধাৰণা হয়। সেই সময়ত প্ৰচলিত ৰাম-সীতাৰ লোক-কাহিনীৰ ভিত্তিত বাল্মীকিয়ে মূল ৰামায়ণ ৰচনা কৰিছিল। পিছৰ যুগৰ লিখকসকলে তাৰ লগত কাহিনী সংযোগ কৰিছিল। উদাহৰণ স্বৰূপে মূল ৰামায়ণ সীতাক উদ্ধাৰ কৰি ৰাম স্বদেশলৈ ঘূৰি অহাতে শেষ হৈছে। পাতাল-প্ৰৱেশৰ কথা বাল্মীকিৰ ৰামায়ণত নাই। "The poem (Ramayana) seems to me to be essentially a work of imagination probably founded on vague traditions of the kingdom of Kosala and its capital Ayodhya."[৩]

"বভ্ৰুকুমাৰ" নাটকখনত নাট্যকাৰ চৌধুৰীয়ে ৰামায়ণৰ দুটা দিশলৈ লক্ষ্য ৰাখিছে। এটা হ'ল ভক্তিবাদ। আনটো হ'ল দাক্ষিণাত্যত আৰ্যসকলৰ দ্বাৰা আৰ্যীকৰণ। In its historical setting, the Ramayana represents expansion of Aryan culture over the Deccan and south India.[৪] তৰণীসেন আৰু ৰাৱণে ৰামৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছে যদিও ৰামৰ হাতত মৃত্যুবৰণ কৰি মুক্তি লাভ কৰাৰ বাসনা অন্তৰত ৰাখিছে। আত্মমুক্তিৰ আশাতেই সীতাক হৰণ কৰি আনি বৈৰীভাৱে ৰামক প্ৰত্যাহ্বান জনাইছে। নাটকখন পঢ়িলে আৰ্যীকৰণৰ ইংগিতটো অস্পষ্টভাৱে হ'লেও ধৰা পৰে। ইয়াৰ দ্বাৰা নাট্যকাৰে চৰিত্ৰৰ আচৰণৰ অন্তৰালত এটা অভিপ্ৰায় আৰোপ কৰিছে। এইটো এটা নতুন প্ৰচেষ্টা। তৰণীসেন চৰিত্ৰটো সাহসী, কৰ্তব্যপৰায়ণ, দেশপ্ৰেমিক আৰু ৰামভক্ত হিচাপে ৰূপ দিছে। তৃতীয় অংকৰ অশোক কাননৰ দৃশ্যটোত তৰুণীসেনৰ কৰ্তব্যপৰায়ণতাৰ সুন্দৰ প্ৰকাশ হৈছে। ৰাৱণৰ প্ৰতিশোধপৰায়ণতা, দৰ্প, অহংকাৰ, বীৰত্ব আৰু তাৰ অন্তৰালত লুকাই থকা ৰামভক্তিৰ ভাৱটো ফুটাই তোলাত নাট্যকাৰ সফল হৈছে। ৰাম আৰু লক্ষ্মণৰ চৰিত্ৰৰ গতানুগতিক ৰূপটোকে নাট্যকাৰে ৰাখিছে। আমাৰ পৌৰাণিক নাটকবোৰত পুৰাণৰ কিছুমান সৰু সৰু চৰিত্ৰ যেনে কালনেমী, বেদনিধি, শূৰ্পনখা আদি দৰ্শকক হঁহুৱাৰ খোৰাক যোগাবলৈ অৱতাৰণা কৰা হয়। তেনে কৰিলে নাটকৰ গাম্ভীৰ্য আৰু পৰিবেশ হ্ৰাস পায়। "বভ্ৰুকুমাৰ" নাটকতো কালনেমী চৰিত্ৰটোক কেন্দ্ৰ কৰি অৱতাৰণা কৰা দৃশ্যকেইটাই নাটকখনৰ গতিত বাধা জন্মাইছে। নাটকখনৰ সংলাপ মুক্তক ছন্দত ৰচনা কৰা হৈছে। সেই ক্ষেত্ৰত নাট্যকাৰ সফল হৈছে। অৱশ্যে নাটকখনত মঞ্চত সফল আৰু কটকটীয়া গাঁঠনিৰে উপস্থাপন কৰিবলৈ হ'লে দৃশ্যবিন্যাসত আৰু সংলাপৰ ক্ষেত্ৰত সম্পাদনা কৰি লব লাগিব।

নিমিলা অংক: নিমিলা অংক এখন জনপ্ৰিয় নাটক। মঞ্চত অভিনীত হোৱাৰ পিছত নাটকখন বাতৰিকাকতত উচ্চ প্ৰশংসিত হৈছিল। সেই কথা নাট্যকাৰে "প্ৰকাশ" আলোচনীত প্ৰকাশ পোৱা "অভিনেতা জীৱনৰ কাহিনী"ত প্ৰকাশ কৰিছে। নাটকখনৰ কাহিনীটো এটা পৰিয়ালৰ দুৰ্দশাৰ কাহিনী। পৰিয়ালটোৰ জীৱনৰ অংক নিমিলিল। সেইদিনৰ পৰা নাটকখন পাৰিবাৰিক নাটক বুলিব পাৰি। সামাজিক সমস্যাই নাটকখনত ঠাই পোৱা নাই। চৰিত্ৰবোৰ সামাজিক সমস্যাৰ বলি নহয়।

"নিমিলা অংক" নাটকখনত নাটকীয় গতিবেগ (Dramatic action) কম। গতিবেগ নাথাকিলে দৰ্শকৰ কৌতূহল আৰু আগ্ৰহ ধৰি ৰাখিব নোৱাৰি। অৱশ্যে কেৱল গতি থাকিলেই নহ'ব। সেই গতি ঘটিব

৩ V. A. Smith
৪ R. C. Mazumdar

নাটকৰ বৈচিত্ৰ্য আৰু ৰূপান্তৰৰ মাজেদি। তেতিয়াহে দৰ্শকৰ কৌতূহল আৰু আগ্ৰহ বৃদ্ধি পাব। কাৰণ Action is the true enjoyment of life, nay, life itself.[১] নাটকীয় গতি হ'ল বৈচিত্ৰ্য সন্ধানী। কেতিয়াবা কোনো নাটকত আঙ্গিক আৰু বাচিক সঞ্চালনৰ দ্বাৰাও গতিশীলতা অনা দেখা যায়। "নিমিলা অঙ্ক"ত তেনে গতিশীলতা নাথাকিলেও মাজে মাজে দুই-এটা দৃশ্যত নাৰায়ণ আৰু কেশৱৰ চৰিত্ৰৰ জৰিয়তে সেই গতিশীলতা আনিবলৈ যত্ন কৰা হৈছে। নাটকখনৰ এটা সুনিৰ্দিষ্ট কাহিনী আছে। নাটকীয় কাহিনীৰ এটা আৰম্ভ, বিকাশ আৰু পৰিণতি থাকিব লাগিব। এৰিষ্টটলে নাটকৰ যি ছটা অংশৰ কথা কৈছে তাত কাহিনীকেই তেওঁ সৰ্বপ্ৰধান স্থান দিছে। নাট্যশাস্ত্ৰতো কাহিনী-বিন্যাসৰ সুস্পষ্ট নিৰ্দেশ আছে। আজিকালিৰ দিনৰ নাট্যচিন্তাৰ কথা বাদ দিলে দেখা যায় আগৰ দিনত নাটকীয় ঘটনাই পাঁচটা অঙ্কৰ আৰোহণ-অৱৰোহণৰ মাজেদি পৰিণতি লাভ কৰে। Exposition, Growth বা Rising action, Climax বা Crisis, Denouncement বা Falling action আৰু Catastrophe এই পাঁচটা বিভাগত নাটকীয় ঘটনা ভাগ কৰা হয়। এইখিনি বিভাজনৰ নাট্যশাস্ত্ৰৰ আৰম্ভ, প্ৰযত্ন, প্ৰত্যাশা, নিয়তাপ্তি, ফলাগমৰ সৈতে সাদৃশ্য আছে। অৱশ্যে নাটকৰ প্ৰকৃতি অনুযায়ী অঙ্ক-বিভাজন হয়। "নিমিলা অঙ্ক" নাটকখনত তিনিটা অঙ্ক আছে। কাহিনীৰ ব্যাপ্তিলৈ লক্ষ্য ৰাখি অঙ্ক-বিভাজন যথাযথ হৈছে। নাট্যকাৰৰ মঞ্চ-চেতনাই পূৰ্ণতা লাভ কৰিছে। সকলো নাটকতে climax এটা নিৰ্দ্ধাৰিত অঙ্কত নহ'বও পাৰে। তিনটা অঙ্কত লিখা নাটকত প্ৰথম অঙ্কতেই দৰ্শকৰ আগ্ৰহ আৰু প্ৰত্যাশা উদ্ৰেক কৰা হয়। দ্বিতীয় অঙ্কত ঘটনাক জটিলতৰ কৰি দৰ্শকৰ উত্তেজনা তীব্ৰতৰ কৰি তোলা হয়। শেষৰ অঙ্কটো অধিক গুৰুত্বপূৰ্ণ। কাৰণ এই অঙ্কতে সংঘাতবোৰৰ সমস্যা উন্মোচন কৰি সমস্যাৰ পৰিসমাপ্তি হোৱা দেখুওৱা হয়। "নিমিলা অঙ্ক"ত এইখিনি বিধান পালন কৰাৰ আভাস পোৱা গৈছে। নাটকখনত climax তৃতীয় অঙ্কতহে কিছু পৰিমাণে আহিছে। অৱশ্যে পৰিসমাপ্তিৰ পিনে দৃশ্যটো কিছু খৰখেদাকৈ আগবঢ়া যেন লাগিছে। এক্ষোটা অঙ্কত থকা দৃশ্যবোৰৰ মাজেদি নাটকৰ কাহিনীৰ বিচিত্ৰ ধাৰাই আত্মপ্ৰকাশ কৰে। "নিমিলা অঙ্ক" নাটকখনৰ দৃশ্যবোৰে নাটকৰ কাহিনীটোৰ ধাৰাক আগবঢ়োৱা নিয়াত যথোপযুক্তভাৱে সহায় কৰিছে। শেষৰ অঙ্কটোত নাট্যকাৰে নাট্যোৎকণ্ঠা সৃষ্টি কৰাত সক্ষম হৈছে। বোগাৰ্ড পিকৰৰ মতে নাট্যোৎকণ্ঠা নাটকীয় সংঘাততকৈ কোনো কোনো ক্ষেত্ৰত অধিক প্ৰয়োজনীয়: It is commonly held that conflict makes drama but surprise, and particularly tension, are the true symptoms.[২] নাট্যোৎকণ্ঠা সৃষ্টি কৰিবলৈ নাট্যকাৰে দৰ্শকক অলপ কৰ লাগিব, অলপ নোকোৱাকৈ থাকিব লাগিব। হৰকান্তই কি চাকৰি কৰে দৰ্শকে জানে। গতিকে সোণৰ অসুখৰ চিকিৎসাৰ কাৰণে নানান উপায়ে অৰ্থ সংগ্ৰহ কৰিবলৈ যত্ন কৰি বিফল হৈ যেতিয়া "টকা থাকিলে মানুহ নমৰে" বুলি কৈ অফিচলৈ ওলাই গৈছে তেতিয়াই উৎকণ্ঠাৰ সৃষ্টি হৈছে। দৰ্শকে তেতিয়ালৈকে নাজানে অফিচলৈ গৈ হৰকান্তই কি কৰিব। দৰ্শকে যিমান পলমকৈ জানিব সিমানেই নাট্যোৎকণ্ঠা বৃদ্ধি পাব। "নিমিলা অঙ্ক" নাটকখনৰ কাহিনীটো আনুক্ৰমিক অৰ্থাৎ Progressive.

নাটকখনত ভালেমান চৰিত্ৰ আছে। তাৰ ভিতৰত হৰকান্ত, গোপাল, নাৰায়ণ, কেশৱ, পীতমল, বিমলা, সাবিত্ৰী, কদমী এইকেইটাই প্ৰধান। এই আঠাইকেইটা চৰিত্ৰৰ ৰূপ আছে, ৰূপান্তৰ নাই। চৰিত্ৰকেইটা

১ Dramatic Literature—Schlegel

২ পিকৰ—আৰ্ট অৱ ড্ৰামা।

বিকাশধৰ্মী চৰিত্ৰ বুলি ক'ব নোৱাৰি। হৰকান্তৰ চৰিত্ৰটোৰ এটা গুণগত পৰিবৰ্তন দেখা গৈছে যদিও সেই গুণগত পৰিবৰ্তনৰ কাৰণে যিখিনি ক্ৰিয়া-প্ৰতিক্ৰিয়া, ঘাত-সংঘাতৰ প্ৰয়োজন সেইখিনিৰ অভাৱ পৰিলক্ষিত হৈছে। হৰকান্তৰ চৰিত্ৰটো এটা সবল চৰিত্ৰ হিচাপেহে পৰিস্ফুট হৈছে। বিমলা চৰিত্ৰটোত বাস্তৱতাৰ প্ৰক্ষেপ সন্নাত নাট্যকাৰ সফল হৈছে। চৰিত্ৰটোৰ ঔচিত্য ৰক্ষা পৰিছে। নাটকত যিবোৰ চৰিত্ৰ অন্যৰ দ্বাৰা নিৰুপায়ভাৱে চালিত হয় সেইবোৰ চৰিত্ৰক নিশ্চল চৰিত্ৰ বুলি কোৱা হয়। সেইদিনৰ পৰা গোপাল আৰু মাধুৰীৰ চৰিত্ৰ দুটা নিশ্চল চৰিত্ৰ। নাৰায়ণ আৰু কেশৱৰ চৰিত্ৰ দুটা যথাযথ। পীতাম্বৰ আৰু কমলাৰ টাইপ চৰিত্ৰ বুলি ক'ব পাৰি।

নাটকখনৰ সংলাপবোৰ পৰিবেশৰ আৰু চৰিত্ৰৰ সৈতে সঙ্গতি ৰাখি ৰচনা কৰা হৈছে। কোনো গভীৰ জীৱন-দৰ্শন বা জীৱনৰ বেদনা বা ব্যৰ্থতা প্ৰকাশ কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ বাহিৰে নাটকৰ সংলাপ চুটি হোৱাই ভাল। অৱশ্যে চুৰতাৰ সৈতে ক্ষিপ্ৰতাও থাকিব লাগিব। "নিমিলা অঙ্ক" নাটকখনৰ সংলাপত চুৰতা আছে।

ওমলা ঘৰ ঃ "ওমলা ঘৰ" নাটকখন শিশু-নাটক। পশ্চিমৰ দেশবোৰত, কল্লদেশত আৰু ভাৰতত শিশু-নাটকৰ ক্ষেত্ৰত কেনে ধৰণৰ ধাৰাবাহিক প্ৰচেষ্টা গ্ৰহণ কৰা হয় সেই কথা সত্যপ্ৰসাদ বৰুৱাই বহলাই আলোচনা কৰিছে।১ শিশু-নাটক লিখা টান। কাৰণ শিশুৰ মনে কি বিচাৰে আৰু শিশুৱে বিচৰা বস্তু কেনেদৰে কোৱাৰ প্ৰয়োজন সেই কথা নাজানিলে শিশু-সাহিত্য সৃষ্টি কৰিব নোৱাৰি। শিশু সাহিত্যৰ আৰম্ভণি আমাৰ মৌখিক সাহিত্যৰ স্তৰতেই আৰম্ভ হৈছিল। শঙ্কৰী যুগৰ পৰাই শিশু-সাহিত্যৰ সচেতন সৃষ্টি-কাল আৰম্ভ হয়। অৰুণোদয় যুগৰ পৰা আধুনিক শিশু-সাহিত্যৰ ৰচনা-কাল আৰম্ভ হয়।

শিশুৰ একোটা মানসিক স্তৰ থাকে। বয়স হিচাপে শিশু-নাটকৰ বিষয়বস্তু বেলেগ বেলেগ হোৱা বাঞ্ছনীয়। বয়স হিচাপে শিশু-কালক তিনিটা স্তৰত ভগাব পাৰি। যেনে পাঁচৰ পৰা সাত, দহৰ পৰা বাৰ, তেৰৰ পৰা ষোল। শিশুকালৰ প্ৰথম স্তৰত শিশুৱে অসংলগ্ন কল্পনাপ্ৰধান কথাবোৰ চাই ভাল পায়। দ্বিতীয় স্তৰত শিশুৱে কাহিনীমূলক কথা চাই ভাল পায়। তৃতীয় স্তৰৰ শিশুক প্ৰেৰণাদায়ক কাহিনীয়ে আকৰ্ষণ কৰে। যি কি নহওক শিশুৰ নাটক কাহিনীপ্ৰধান হোৱাই ভাল। ডাঙৰ মানুহৰ কাৰণে লিখা নাটকৰ কাহিনীৰ দৰে শিশু-নাটকৰ কাহিনীয়েও সংঘাতৰ মাজেদি গৈ পৰিসমাপ্তি লাভ কৰিব লাগে। নাটকৰ এটা কেন্দ্ৰীয় চৰিত্ৰ থকা প্ৰয়োজন। সেই চৰিত্ৰটোৱে যাতে শিশুদৰ্শকৰ মন আকৰ্ষণ কৰিব পাৰে আৰু চৰিত্ৰটোৰ সৈতে যাতে শিশুৱে আত্মীয়তা স্থাপন কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি চৰিত্ৰটো সজাব লাগে। কাৰণ audienc: identification শিশু-নাটকৰ এটা প্ৰধান বৈশিষ্ট্য। লগতে শিশুৱে বুজিব পৰা এটা ভাবাৰ্থ থকাটো বাঞ্ছনীয়। অৱশ্যে শিশু-নাটকত গধুৰ তথ্য অথবা মনস্তাত্বিক বিশ্লেষণৰ অৱতাৰণা কৰাটো অবাস্তৱ। তদুপৰি শিশু-নাটক কথাপ্ৰধান নহৈ ক্ৰিয়াপ্ৰধান হ'ব লাগে। চৰিত্ৰৰ ক্ৰিয়াই শিশু দৰ্শকৰ মনত কৌতূহল জগাই তুলিব পাৰিব লাগিব। শিশু-নাটক এখন ৰচনা কৰোঁতে সময়ত সদায় মনত ৰাখিব লাগিব যাতে শিশুৱে নাটকখন চাই আমনি নাপায়। নাটক আমনি লগা হ'লে শিশু-দৰ্শকৰ মন আকৰ্ষণ কৰাটো টান হৈ পৰে। নাটক আমনি লগা হোৱাৰ সম্ভাৱনা থাকিলে exercise spot কৌশল প্ৰয়োগ কৰিব লাগে। অৰ্থাৎ নাটকৰ কাহিনীৰ গতিত বাধা নপৰাকৈ এনে কিছুমান কৌশল প্ৰয়োগ কৰিব লাগে যিবোৰ চাই দৰ্শক আনন্দত হাতচাপৰি বজাই উঠে।

---

১ নাটক আৰু অভিনয় প্ৰসঙ্গ—সত্যপ্ৰসাদ বৰুৱা।

শিশু-নাটক কম সময়ৰ ভিতৰতে কৰিব পৰাকৈ একেটা দৃশ্যতে ৰচনা কৰিব পাৰিলে ভাল। "ওমলা ঘৰ"ত শিশু-নাটকৰ এই লক্ষণটো পৰিস্ফুট হৈছে। নাটকখনৰ কাহিনীটো প্ৰেমাসম্বলক। অৱশ্যে নাটকখন কথাপ্ৰধান হৈছে—ক্ৰিয়াপ্ৰধান হোৱা নাই। নাটকখনত এটা adult overtone আছে। অৰ্থাৎ এইখন নাটকে ডাঙৰ-সকলৰো অন্তৰ স্পৰ্শ কৰিব পাৰিছে। শিশু-নাটকত adult overtone থকাটো শোচনীয় নহয়। দুই-এটা আসোঁৱাহ থাকিলেও "ওমলা ঘৰ" শিশুৰ কাৰণে উপযোগী নাটক। অৱশ্যে শিশু-নাটকৰ বিশেষজ্ঞ John Bourne য়ে কৈছে যে শিশুৱে ডাঙৰৰ চৰিত্ৰ অভিনয় কৰিহে আমোদ পায়। The worst acted play by children I have ever seen was one in which all characters were school boys and school girls, the best, surprising as it may seem—was the trial scene from Bernard Shaw's Saint Joan।[২]

দাতা কৰ্ণ: "দাতা কৰ্ণ"খন সৰু আকাৰৰ নাটক। সেই কাৰণে এই নাটকখনক নাটিকাহে বুলিব পাৰি। তিনি অঙ্কৰ কম আৰু এক অঙ্কৰ বেছি নাটকক নাটিকা বোলা হয়। অৱশ্যে ক্ষুদ্ৰতাই নাটিকাৰ লক্ষণ। কৰ্ণ এখন অপূৰ্ণাঙ্গ নাটক। আনহাতেদি কৰ্ণ এখন একাঙ্কিকাও নহয়। কাৰণ এটা অঙ্কত লিখা হৈছে যদিও একাঙ্কিকাৰ লক্ষণ নাটকখনত পৰিস্ফুট হোৱা নাই।

"কৰ্ণ" নাটিকাৰ কাহিনী পৌৰাণিক। পৌৰাণিক নাটকৰ প্ৰধান লক্ষণসমূহ "ৰজকুমাৰ" নাটকৰ সম্পৰ্কত আলোচনা কৰা হৈছে। কৰ্ণ মহাভাৰতৰ এটা উজ্জ্বল চৰিত্ৰ। কুন্তীৰ গৰ্ভত দেৱতাৰ-ঔৰসজাত সন্তান কৰ্ণ। দেৱতাৰ প্ৰতি কৰ্ণৰ ভক্তি নোহোৱা নহয়। তথাপি অৰ্জুনক যুদ্ধত পৰাস্ত কৰি আত্মপ্ৰতিষ্ঠা কৰাৰ ইচ্ছা কৰ্ণৰ প্ৰবল আছিল। পৌৰুষ আৰু সংগ্ৰামশীলতা কৰ্ণৰ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট্য। জীৱনত কোনো দিন কৰ্ণই আপোচ কৰা নাই। প্ৰতিকূল পৰিস্থিতিৰ বিৰুদ্ধে কৰ্ণই মূৰ তুলি যুঁজ কৰি গৈছে। সূতপুত্ৰ বুলি কৰ্ণক দ্ৰোণাচাৰ্য্যই অস্ত্ৰ-শিক্ষা দিবলৈ অস্বীকাৰ কৰিলে, কৰ্ণই পৰশুৰামৰ পৰা অস্ত্ৰ-শিক্ষা লাভ কৰিলে যদিও সময়ত শৰ পাহৰিব বুলি অভিশাপো পালে। দৈৱ-বিপাকত যুদ্ধৰ সময়ত "মেদিনীয়ে তেওঁৰ ৰথ গ্ৰাস কৰিব" বুলিও অভিশাপ লব লগীয়া হ'ল। আত্মৰক্ষাৰ একমাত্ৰ বিশাট অস্ত্ৰ ইন্দ্ৰৰ পৰা তেওঁ লাভ কৰিছিল সেই পাট অস্ত্ৰও দৈৱ-বিপাকত তেওঁ ঘটোৎকচৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব লগা হ'ল। আনহাতেদি কৰ্ণ মহান দাতা। ব্ৰাহ্মণৰূপী ইন্দ্ৰক তেওঁ অমোঘ কৱচ দান কৰিলে। ভোকাতুৰ ব্ৰাহ্মণক সন্তুষ্ট কৰিবলৈ তেওঁ পুতেক বৃষকেতুকো বলি দিবলৈ উদ্যত হ'ল। কৰ্ণৰ কাহিনী বিষাদময় কাহিনী। কৰ্ণৰ কাহিনীক লৈ ট্ৰেজেডি নাটক ৰচনা হব পাৰে। অৱশ্যে পৌৰাণিক কাহিনীক অৱলম্বন কৰি ট্ৰেজেডি ৰচনা হব পাৰে নে নোৱাৰে সেই প্ৰশ্নটো বিতৰ্কমূলক। পৌৰাণিক নাটকত সাধাৰণতে নায়কে শেষত ঐশ্বৰিক শক্তিৰ ওচৰত আত্ম-সমৰ্পণ কৰে। কিন্তু ট্ৰেজেডিত নায়কে প্ৰতিকূল শক্তিৰ ওচৰত আত্মসমৰ্পণ নকৰে। কৰ্ণই প্ৰতিকূল শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰা নাই, প্ৰতিকূল পৰিস্থিতিৰ লগত যুঁজ কৰিয়েই গৈছে। গতিকে যি ক্ষেত্ৰত কৰ্ণৰ জীৱনৰ শোচনীয় পৰিণামক লৈ এখন ট্ৰেজেডি নাটক ৰচনা কৰিব পৰা থল আছিল সেই ক্ষেত্ৰত চৌধুৰীৰ কৰ্ণ নাটকত কৰ্ণৰ চৰিত্ৰৰ সফল অংকন হৈছে বুলি কব নোৱাৰি। কৰ্ণ চৰিত্ৰৰ দানশীলতাৰ ওপৰত নাট্যকাৰে মনোনিবেশ কৰিছে যদিও কৰ্ণ চৰিত্ৰৰ দ্বন্দ্ব-সংঘাত আদিৰ জৰিয়তে চৰিত্ৰটোৰ বিকাশ হোৱা নাই, চৰিত্ৰটোৰ প্ৰকাশহে হৈছে।[২]

২ Theatre and stage—"Children Theatre" by John Bourne

এনিশাৰ অতিথি ঃ "এনিশাৰ অতিথি" নাটকখনৰ পটভূমি ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়। নাটকখনৰ মূল বিষয়বস্তু (root idea) নাটকৰ এটা চৰিত্ৰ আৰতিৰ সংলাপৰ জৰিয়তে প্ৰকাশ পাইছে। সেইটো হ'ল—"দেশৰ কাৰণে··· স্বাধীনতাৰ কাৰণে এনেদৰে আন্দোলন চলিব। কোনেও যুগে যুগে বাধা দিব নোৱাৰে।" ভাৰতৰ স্বাধীনতা আন্দোলনৰ এটা হিংসাত্মক দিশ আছিল। ঠায়ে ঠায়ে হিংসাত্মক বিপ্লৱী সংগঠন গঢ় লৈ উঠিছিল। বাহিৰৰ ৰাষ্ট্ৰই সেই বিপ্লৱী সংগঠনবোৰক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰি সহায় কৰিছিল।১ হিংসাৰ পথ শুদ্ধ নে অশুদ্ধ সেইটো এটা সুকীয়া প্ৰশ্ন। কিন্তু ভাৰতৰ স্বাধীনতাৰ কাৰণেই হিংসাৰ পথেৰে বিপ্লৱীসকলে জীৱন আহুতি দিছিল। মৃত্যুক আঁকোৱালি লৈছিল। আমাৰ বুৰঞ্জীবোৰত সেইখিনি কথাৰ স্বীকৃতি দিয়া হোৱা নাই বুলিয়েই কব পাৰি।

"এনিশাৰ অতিথি" মৃদুলক এটা বিপ্লৱী চৰিত্ৰ হিচাপে দেখুওৱা হৈছে। অৱশ্যে তেওঁ হিংসাত্মক পথৰ বিশ্বাসী বিপ্লৱী নে অহিংস পথৰ বিশ্বাসী বিপ্লৱী সেই কথা বৰ স্পষ্ট নহয় যদিও দৃশ্যটোৰ শেষৰ পিনে অৱতাৰণা কৰা পৰিবেশলৈ চাই মৃদুল গান্ধীজীৰ অনুগামী। মৃদুলক গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু পুলিচৰ চকুত ধূলি মাৰি মৃদুল পলাই আহি আৰতিৰ ঘৰত সোমাল। কিন্তু আৰতিৰ ঘৰেই হৈছে পুলিচ বিষয়া ডি এচ পি যোগেন্দ্ৰ বৰাৰ ঘৰ। আৰতি যোগেন্দ্ৰ বৰাৰ ছোৱালী। আৰতিয়ে প্ৰথমে অচিনাকি মৃদুল কাকতিক ওলাই যাবলৈ কৈছিল যদিও পৰিচয় নোপোৱাৰ আগতেই কৈছে "আপুনি যাব নোৱাৰে"। তাৰ পিছত মৃদুলৰ পৰিচয় পাই মৃদুলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। কাৰণ মৃদুল সমগ্ৰ অসমবাসীৰ কাৰণে ভাৰত ত্যাগ আন্দোলনৰ এজন জনপ্ৰিয় হোতা। মৃদুলক আৰতিয়ে আশ্ৰয় দি লুকুৱাই ৰাখিছে। মৃদুলক প্ৰণৱ চলিহা ত'বলৈ বুদ্ধি দিছে। প্ৰণৱ চলিহাৰ সৈতে ডি এচ পি বৰাৰ পৰিয়ালৰ বৈবাহিক সম্পৰ্ক স্থাপন হোৱাৰ কথা আছে। অৰ্থাৎ প্ৰণৱ চলিহাই আৰতিক বিয়া কৰোৱাৰ কথা আছে। মৃদুলে ভাবী জোঁৱাই প্ৰণৱ চলিহাৰ ভাও ধৰি বৰানীৰ লগত কথা পাতি আছে। অথচ বৰানীয়ে ভাবী জোঁৱাইক চিনি পোৱা নাই। ডি, এচ, পি, বৰায়ো ভাবী জোঁৱায়ে জিৰণি লৈছে বুলি ক'লত লগ পাবৰ ইচ্ছা নকৰিলে। আৰতিয়ে ৰাতি মৃদুলৰ চিঠি লৈ ওলাই গৈছে। এইবোৰ ঘটনাত নাটকীয়ত্ব আছে। নাটকত আকস্মিক, অপ্ৰত্যাশিত, অপ্ৰচলিত আৰু অদ্ভুত ঘটনা সংযোজনাৰ দ্বাৰা নাটকীয়ত্ব অনাৰ প্ৰয়োজনীয়তা আছে নে নাই সেই বিষয়ে মতভেদ আছে। নাট্য-সমালোচক অধ্যাপক নিকলে এইখিনিৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰিছে। আনহাতেদি বাৰ্ণাড শ্ব, মুনৰ' আদি সমালোচকসকলে এইখিনিৰ প্ৰয়োজন নাই বুলিছে। বাৰ্ণাড শ্বৰ মতে আধুনিক নাটকৰ নাটকীয়ত্ব অসাধাৰণ বা আকস্মিক পৰিস্থিতি, অপ্ৰত্যাশিত ঘটনা আদিৰ ওপৰত নিৰ্ভৰ নকৰে। তেওঁ মন্তব্য কৰি কৈছে যে ইবচেনৰ আগতে মানুহে ভাবিছিল অদ্ভুত পৰিস্থিতি যিমানেই বেছি হয় সিমানেই নাটক ভাল নহয়। কিন্তু ইবচেনে দেখুৱালে যে নাটকৰ পৰিস্থিতি যিমানেই পৰিচিত হ'ব সিমানেই নাটক চিত্তাকৰ্ষক হ'ব ঃ the more familiar the situation the more interesting the play. সমালোচক মুনৰইও কৈছে যে কৌতূহল বঢ়াবৰ কাৰণে অদ্ভুত আৰু আকস্মিক ঘটনাৰ প্ৰয়োগ কৰাৰ প্ৰয়োজন নাই। সহজ, সতেজ জীৱনৰ আচৰণৰ দ্বাৰাহে দৰ্শকচিত্ত আকৰ্ষণ কৰা উচিত। অভিনয় বাদ দি নাটকৰ নাটকীয়ত্ব বিচাৰ কৰা টান। সেইপিনৰ পৰাও "এনিশাৰ অতিথি" নাটকখন আবেগ-উদ্দীপক অথবা দৰ্শকৰ চিত্তৰঞ্জন কৰিব পৰা হৈছে বুলি কব নোৱাৰি।

নাটকখনক নাট্যকাৰ চৌধুৰীয়ে একাঙ্কিকা বুলিছে আৰু হেম বৰুৱাৰ হাতত একাঙ্কিকাখন অৰ্পণ

১ নিৰ্বাসিত সাহিত্য—হিৰণ্ময় ভট্টাচাৰ্য

কৰিছে। একাঙ্কিকা হিচাপে নাটকখনৰ গাঁঠনি শিথিল হৈছে। কাহিনীৰ অবিচ্ছিন্নতা, স্থান-ঐক্য, কাল-ঐক্য, কাৰ্য-ঐক্যৰ সুসমন্বয় আৰু এটা দৃশ্যতে উপস্থাপন কৰিব পৰা—এই কেইটাই একাঙ্কিকাৰ প্ৰধান লক্ষণ। কম সময়ৰ ভিতৰত অভিনয় কৰিব পৰাটোও একাঙ্কিকাৰ আন এটা লক্ষণ। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়। Monkey's Paw নাটকখনত একাঙ্কিকাৰ লক্ষণৰ ব্যতিক্ৰম ঘটিছে। গতিকে Monkey's Paw খন আদৰ্শ একাঙ্কিকা নহয়। আন এখন নাটক Riders to the Seaত স্থান-ঐক্য ৰক্ষা পৰিছে যদিও ঘটনাৰ কাল-মাত্ৰা আৰু উপস্থাপনাৰ কাল-মাত্ৰাৰ সুস্থ সংযোগ ঘটা নাই। গতিকেই Rising of the Moonৰ দৰে Riders to the Sea খন আদৰ্শ একাঙ্কিকা নহয়। আদৰ্শ একাঙ্কিকা কেনে হোৱা উচিত সেই বিষয়ে দুগৰাকী প্ৰখ্যাত সমালোচকৰ মন্তব্য উল্লেখ কৰিলে একাঙ্কিকা নাটক হিচাপে "এনিশাৰ অতিথি"ৰ দুৰ্বলতা কোনখিনিত সেইটো ধৰিব পৰা যাব ঃ

"The division of one act play into two or more scenes is risky. It tends to create.......... hinders the making of atmosphere and breaks dramatic continuity......... Genearally speaking those authors who write one-act play in a number of scenes have missed their province, they ought to be writing for the screen. ২

আনটো মন্তব্য হ'ল ঃ

"The ideal one-act-play is a concise unbroken expression of a simple idea.......... by side issues and unnecessary elaboration........ But when the curtain falls the audience must be sure that what they have seen is complete and not a mere chapter of something else."৩ আদৰ্শ একাঙ্ক হৈছে অবান্তৰ ঘটনা আৰু অনাৱশ্যক বিস্তাৰৰ দ্বাৰা ভাৰাক্ৰান্ত নোহোৱা একক আৰু সৰল ভাৱৰ সংহত আৰু অবিচ্ছিন্ন অভিব্যক্তি।------কিন্তু যৱনিকা পতনৰ পিছত দৰ্শকৰ মনলৈ এই ভাৱটো অহা প্ৰয়োজন যে তেওঁলোকে যি দেখিলে সেইয়া স্বয়ংসম্পূৰ্ণ----কিহবাৰ অংশমাত্ৰ নহয়।

আৰতিৰ মনৰ এটা মুহূৰ্তৰ ভাৱ-আৱেগৰ দ্বাৰা সৃষ্ট ৰসকেন্দ্ৰিক এটা আইডিয়াৰ কেন্দ্ৰলৈ লৈ যোৱাৰ সুবিধা নাটকখনৰ কাহিনীত আছিল।

পথাৰ ঃ লক্ষ্যধৰ চৌধুৰীৰ "পথাৰ" এখন সামাজিক নাটক। সমাজৰ জ্বলন্ত সমস্যা নাটকখনৰ পটভূমি হিচাপে আছে। নাটকখনৰ এটা বক্তব্যও আছে। আজিকালিৰ বহুত নাটকত ৰখাৰ দৰে টেক-নিকে বক্তব্যক ঢাকি ৰখা নাই। নাটকখনৰ জৰিয়তে নাট্যকাৰ চৌধুৰীৰ পৈণত সমাজ চিন্তা প্ৰকাশ পাইছে। ব্যক্তিৰ সৃষ্টিক সমালোচনা কৰিবলৈ যাওঁতে ব্যক্তিজনৰ সৃষ্টিৰ সময় আৰু ব্যক্তিজনৰ দৃষ্টি-ভঙ্গীৰ এটা ধাৰণা কৰি লোৱাটোৰ আৱশ্যকতা থাকে। লক্ষ্যধৰ চৌধুৰী সমাজবাদত বিশ্বাসী এগৰাকী ৰাজনীতিজ্ঞ। আমি সাধাৰণতে ৰাজনীতি শব্দৰ অৰ্থ অতি ঠেক গণ্ডীত বিচাৰ কৰো। সেইটো ভুল। ৰাজনীতি শব্দৰ অৰ্থ ব্যাপক। জীৱনৰ প্ৰতিটো অঙ্গ ৰাজনীতিৰ সৈতে জড়িত হৈ থাকে। শিল্পী-সাহিত্যিকৰ দৰে ৰাজনীতিজ্ঞয়ো দেশখন গঢ় দিয়ে। সেই ক্ষেত্ৰত লক্ষ্যধৰ চৌধুৰীৰ এটা সুবিধা আছে। চৌধুৰী

২ Theatre and stage.

৩ জন বোৰ্ণ

এগৰাকী ৰাজনীতিজ্ঞ। লগতে তেখেত এগৰাকী নাট্যকাৰ শিল্পীও। নাটকৰ জৰিয়তে তেখেতে তেখেতৰ বক্তব্যক অধিক জনৰ কাষলৈ লৈ যাব পাৰে। কাৰণ নাটকে জনতাৰ যিমান কাষ চাপিব পাৰে সাহিত্যৰ অন্য অঙ্গই সিমান নোৱাৰে।

"পথাৰ" নাটকখনত আমাৰ গাঁৱলীয়া জীৱনৰ এটি ছবি স্পষ্ট ৰূপত পৰিস্ফুট হৈছে। খেতিয়কক মহাজনে সদায়েই শোষণ কৰি আহিছে। অজ্ঞতা আৰু অন্ধতাৰ বশৱৰ্তী হৈ গাঁৱলীয়া সমাজে সেইবোৰ কথাৰ একো প্ৰতিবাদো কৰিব পৰা নাই। আমাৰ সমাজৰ আৰু এটা মাৰাত্মক শত্ৰু হ'ল ন্যস্ত স্বাৰ্থ। দুৰ্নীতি আঁতৰ কৰিব পাৰিলেও ন্যস্ত স্বাৰ্থ আঁতৰ কৰাটো টান। কাৰণ মহাভাৰতৰ দিনৰ পৰা ই আমাৰ মজ্জাগত। নাটকখনত গাঁওবুঢ়া আৰু মহাজনৰ মাজৰ ন্যস্ত স্বাৰ্থৰ স্বৰূপটো সুন্দৰভাৱে প্ৰকাশ পাইছে। শেষৰ দৃশ্যত ৰাইজৰ মেলত উত্থাপন কৰিবলৈ গাঁও উন্নয়নৰ কিছুমান কথা নাওকণে যুগুতাই আনিছে। যিখিনি কথা নাওকণে যুগুতাই আনিছে সেইখিনি নাট্যকাৰৰো কথা। সেইখিনি কথা কবলৈকে নাট্যকাৰে কিছুমান দৃশ্যৰ আৰু কিছুমান চৰিত্ৰৰ সৃষ্টি কৰিছে। কিন্তু সেই বুলি "পথাৰ" নাটকখন চৰিত্ৰপ্ৰধান নাটক নহয়। যিবোৰ নাটকত চৰিত্ৰৰ ৰহস্য বা মাহাত্ম্য দেখুওৱাটো মুখ্য উদ্দেশ্য, যিবোৰ নাটকত ঘটনা, ৰস, তত্ত্ব আদি গৌণ সেইবোৰেই চৰিত্ৰপ্ৰধান নাটক। "পথাৰ" নাটকখনত চৰিত্ৰৰ মাহাত্ম্য নাই। কিন্তু কম-বেছি পৰিমাণে চৰিত্ৰৰ বিশ্লেষণ আছে। চৰিত্ৰবোৰ প্ৰকৃতি আৰু শক্তি অনুসৰি সজোৱাটো গ্ৰহণযোগ্য হৈছে। নাটকখনত Pivotal character নাই। মহাজনৰ জৰিয়তে এটা বৈপৰীত্য উপস্থাপন কৰা হৈছে যদিও শক্তি দুটাৰ মাজত সংঘাত প্ৰকট নহয়। নাওকণৰ চৰিত্ৰটো আদৰ্শ আৰু সবল চৰিত্ৰ। নাটকত দৃশ্য-সংযোজনাৰ প্ৰতি চৌধুৰীৰ কিছু দুৰ্বলতা আছে। পৰিৱেশ সৃষ্টি কৰিবলৈ দৃশ্যৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। বৰঞ্চ দৃশ্য-যোজনা নাটকৰ ক্ষেত্ৰত অপৰিহাৰ্য। কিন্তু তথাপি দৃশ্যই মুখ্য স্থান অধিকাৰ কৰাটো বাঞ্ছনীয় নহয়। পঞ্চম দৃশ্যটো সংকোচন কৰি সংকুচিত কথাখিনি ষষ্ঠ দৃশ্যত দিব পৰা থল আছিল। তেনেকৈ ২য় দৃশ্যটো নিদি নাওকণে গম পোৱা কথাটো শেষৰ দৃশ্যটোত দিব পৰা সুবিধা আছিল। নাটকখনৰ সংলাপ দীঘলীয়া।

যৱনিকাৰ আঁৰে আঁৰেঃ চৌধুৰীৰ "যৱনিকাৰ আঁৰে আঁৰে"খনত এটা নিটোল কাহিনী নাই। নাটকত কিছুমান চৰিত্ৰ আছে। চৰিত্ৰবোৰো বৰ শক্তিশালী চৰিত্ৰ নহয়। নাটকৰ এটা চৰিত্ৰ মহিমে ১ম অঙ্কৰ ১ম দৃশ্যত কৈছে----"বুজিছ অনিল। কলা-সংস্কৃতিৰেহে মানুহে পৃথিবীত নাম ৰখাব পাৰে।" এই ভাৱটোক কেন্দ্ৰ কৰিয়েই চৰিত্ৰবোৰ কাহিনীটোত যেন সংযুক্ত হৈ পৰিছে। নাটকখন এটা জীৱনবৃত্ত ৰচনা কৰাৰ উদ্দেশ্যেৰে ৰচনা কৰা হোৱা নাই যেতিয়া নাটকখনত কোনো ধৰণৰ সংঘাত নাই। ঘনকান্ত ১ আৰু অনিলৰ মোমায়েকৰ জৰিয়তে সামান্য ২ সংঘাত আনিবলৈ যত্ন কৰা হৈছে যদিও সেইয়া উল্লেখযোগ্য নহয়। প্ৰত্যেক শিল্পৰে একোটা উদ্দেশ্য থাকে। নাট্য-শিল্পৰো এটা উদ্দেশ্য থাকে। সেই কাৰণে নাট্যকাৰে নাটক লিখিবৰ সময়ত এটা উদ্দেশ্য লৈয়েই নাটক ৰচনা কৰে। সেই উদ্দেশ্যক সমালোচক-সকলে "goal", "theme", "root icea", "basic emotion", "premise" আদি আখ্যা দিছে। নাট্যশাস্ত্ৰত সেই উদ্দেশ্যক "স্থায়ীভাৱ" বোলা হৈছে। অৱশ্যে নাটকৰ সেই "premise" বাছি উলিওৱাত নাট্য-সমালোচকসকল একমত নহবও পাৰে। উদাহৰণ স্বৰূপে "মেকবেথ" নাটকৰ জৰিয়তে নাট্যকাৰ

১ প্ৰথম অঙ্ক চতুৰ্থ দৃশ্য। দ্বিতীয় অঙ্ক প্ৰথম দৃশ্য

২ দ্বিতীয় অঙ্ক দ্বিতীয় দৃশ্য

শ্বেক্সপীয়েৰে কি উদ্দেশ্য উত্তাসিত কৰিব খুজিছিল সেই বিষয়ে নাট্য-সমালোচকসকলে ভিন্ন মত পোষণ কৰিছে। কোনোৱে কৈছে "মেকবেথ" নাটকৰ উদ্দেশ্য ট্ৰেজেডিৰ ৰস সৃষ্টি কৰা, কোনোৱে কৈছে উচ্চাকাঙ্খাৰ শোচনীয় পৰিণতি দেখুওৱা। "যৱনিকাৰ আঁৰে আঁৰে" নাটকখনৰ প্ৰোপোজিচনটো[৩] চালে হাস্যৰস সৃষ্টি কৰাই নাট্যকাৰৰ উদ্দেশ্য যেন ধাৰণা হয়। নাটকখনত আবেগৰ আবেদন আছে। সেই কাৰণে নাটকখন ৰসমুখ্য হৈ পৰিছে। নাটকখনত বহুতো দৃশ্যৰ অৱতাৰণা কৰা হৈছে। তাৰে দুই-এটা দৃশ্য প্ৰয়োজনীয় বুলি ভাবিব নোৱাৰি। উদাহৰণ স্বৰূপে ২য় অঙ্কৰ চতুৰ্থ দৃশ্য আৰু ৩য় অঙ্কৰ দ্বিতীয় দৃশ্যৰ কথা কব পাৰি। নাটকখনৰ সংলাপ চৰিত্ৰ অনুযায়ী যথাযথ হৈছে। ইমানখিনি আগ্ৰহেৰে সকলোৱে নাট এখন কৰিবলৈ উঠি-পৰি লাগিছিল যদিও শেষত নাটকখন নহ'লগৈ। মহিম আহি নোপোৱাত মহিমৰ পাৰ্টটো হঠাতে হলৰ পৰা ধৰি আনি বলিনক দিয়া হ'ল। কিন্তু বলিনো সময়ৰ মূৰকত মূৰ্চ্ছা গৈ পৰি যোৱাত অভিনয় বন্ধ হৈ গ'ল। মহিম নহাৰ কোনো কাৰণ প্ৰদৰ্শন কৰা হোৱা নাই। তথাপি যুতিকাৰ সৈতে প্ৰেমপাশত আৱদ্ধ হৈ বিহাৰ্ছেল কৰি আছে বুলিয়েই ধৰিব পাৰি। কিন্তু ৩য় অঙ্কৰ ১ম দৃশ্যৰ পিছত পটখন পৰাৰ কাৰণে তেনেভাৱে ভাবিবলৈকো অসুবিধা হৈছে।

যি কি নহওক এই গোটেইখিনি ঘটনা ঘটি গ'ল "যৱনিকা"ৰ আঁৰে আঁৰে। আমি মনেৰে যিটো বিচাৰো আৰু দৰাচলতে আমি যিটো পাওঁ তাৰ মাজত সদায়েই এখন যৱনিকা থাকি যায়। বিষয়বস্তু সবল নহলেও চৌধুৰীৰ এই নাটকখনত সামান্যভাৱে হ'লেও পিৰেনডেল্লোৰ চিন্তাৰ সৈতে সাদৃশ্য দেখা যায়। পিৰেনডেল্লোৰ চিন্তাত মনস্তাত্বিক বাস্তৱতা সমাজৰ আগত স্বাভাৱিক ৰূপ আৰু কৰ্মৰ আঁৰত লুকাই থাকে। তেওঁৰ এখন নাটকৰ এটা চৰিত্ৰই কৈছে ঃ "That is my way of laughting and my laughters hurts me more than any one else."[৪] এইটো পিৰেনডেল্লোৰ হিউমাৰিজম। "যৱনিকাৰ আঁৰে আঁৰে"ৰ প্ৰতিটো চৰিত্ৰই যেন তেনে এষাৰ কথাই কব বিচাৰিছে।

বিষ্ণু শৰ্মাৰ বিচাৰ ঃ "বিষ্ণু শৰ্মাৰ বিচাৰ" নাটকখন সামাজিক নাটক নাইবা পৌৰাণিক নাটক কোনো এটা পৰ্যায়তে পেলাব নোৱাৰি। নাটকখনৰ কিছুমান ঘটনা ঘটিছে মৰ্ত্যত, কিছুমান ঘটনা ঘটিছে স্বৰ্গত — যমৰ পুৰীত। যমপুৰীৰ পৰা যমদূত মৰ্ত লৈ আহিছে। তেনেকৈ বিষ্ণু শৰ্মা, হলিৰাম আদি মৰ্ত্যৰ পৰা স্বৰ্গলৈ গৈছে। পৌৰাণিক নাটকত স্বৰ্গও মৰ্ত্যৰ দৰে বাস্তৱ ৰূপত ৰূপায়িত হয়। স্বৰ্গ আৰু মৰ্ত্যৰ পাৰ্থক্য থাকিলেও স্বৰ্গৰ পৰা মৰ্ত্যলৈ বা মৰ্ত্যৰ পৰা স্বৰ্গলৈ অহা-যোৱাত বাধা কম। তাৰ কাৰণে নাটকখনৰ প্ৰতিপাদ্য বিষয় পৌৰাণিক হব লাগিব। "বিষ্ণু শৰ্মাৰ বিচাৰ" নাটকখন সেইপিনৰ পৰা পৌৰাণিক নহয়। গতিকে দেখাত নাটকখনত ভৰতৰ নাট্যশাস্ত্ৰত, এৰিষ্টটলৰ পয়েটিক্সত উল্লেখ কৰা স্থান-ঐক্য, কাল-ঐক্য ৰক্ষা পৰা নাই। অৱশ্যে নাটকীয় ঐক্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে সকলো সমালোচক একমত নহয়। "বিষ্ণু শৰ্মাৰ বিচাৰ" নাটকখনৰ নাট্যকাৰ চৌধুৰী নাটকীয় ঐক্যৰ সপক্ষে নে বিপক্ষে সেইটো সুকীয়া কথা। কিন্তু এইখন নাটকত তেখেতে Ogier এ কোৱা কথাষাৰ মানি চলিছে যেন ধাৰণা হয়। Ogier য়ে কৈছিল "গ্ৰীক নাটকত ঐক্য মানি চলিছিল বুলিয়ে আমিও যে মানি চলিব লাগিব তাৰ কোনো অৰ্থ নাই।" তেখেতৰ মতে নাটক ৰচনা কৰা হয় only for pleasure and amusement.

---

৩ A dramatic proposition is the logical statement of that which has to be demonstrated by the complete action.

৪ Each in His own way.

নাটকীয় দোষ-ত্ৰুটি ভালেমান থাকিলেও "বিষ্ণু শৰ্মাৰ বিচাৰ" নাটকখন বেছ আমোদদায়ক।

"বিষ্ণু শৰ্মাৰ বিচাৰ" এখন কমেডি। কমেডিৰ লক্ষণ, এৰিষ্টটলৰ মতে, বিশুদ্ধ হাস্যৰস আৰু তাৰ আত্মা হ'ল আনন্দ। অধ্যাপক নিকলৰ মতেও ১ কমেডিত কৃত্ৰিম পৰিস্থিতি কল্পনা কৰি আমোদ সৃষ্টি কৰাৰ চেষ্টা কৰা হয়। সেয়ে হ'লেও কমেডিত চৰিত্ৰবোৰ সমাজৰ প্ৰতিনিধি হোৱাটো বাঞ্ছনীয়। মানৱ সমাজৰ ৰূপ কমেডিত থকাটো প্ৰয়োজনীয়। কমেডি concerned with human society and effects its purpose by filling its stage with society's representatives. "বিষ্ণু শৰ্মাৰ বিচাৰ"ত সেইখিনি পালন কৰা হোৱা নাই। নাটকখন ব্যংগাত্মক বুলি ক'ব পাৰি। ব্যংগাত্মক ব্যক্তিক বা সমাজক ব্যঙ্গ কৰা হয়। উইট্ বা হিউমাৰৰ জৰিয়তে হেটাৰামত হাঁহিৰ উদ্ৰেক কৰা হয়। "বিষ্ণু শৰ্মাৰ বিচাৰ" নাটকত যমপুৰী আৰু হৰিৰামৰ স্বৰ্গৰ দৃশ্য দেখুওৱা দৃশ্যকেইটাত মৰ্ত্যৰ সমাজৰ কিছুমান সমস্যা লৈ ব্যঙ্গ কৰা হৈছে। কিন্তু সেই ক্ষেত্ৰটো কিছু বিসঙ্গতিয়ে দেখা দিছে। নাট্যকাৰে নাটকখনৰ ৰচনা-কাল ১৯৩৯ চন বুলিছে। কিন্তু কিছুমান কথাৰ অন্তৰ্ভুক্তি নাট্যকাৰে পিছত কৰা যেন ধাৰণা হয়। উদাহৰণ স্বৰূপে ২য় অঙ্কৰ ৬ষ্ঠ দৃশ্যত কম্পিউটাৰৰ ভুলক ব্যঙ্গ কৰিবলৈ স্বৰ্গীয় বেজবৰুৱা উকীলে মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ক্ষেত্ৰত কম্পিউটাৰে কৰা ভুলৰ কথা কৈছে। তেনেকৈ ৩য় অঙ্কৰ ৪ৰ্থ দৃশ্যত অমৰাৱতীৰ একাংশত বৈজ্ঞানিক-বিভ্ৰাটিৰ কাৰণে পানী ঘোলা হোৱাত বৰুণে সেই পানী অসমৰ লোকেল বৰ্ড আৰু মিউনিচিপেল বৰ্ডলৈ পঠিয়াই দিবলৈ নিৰ্দেশ দিছে। সেইদৰে ৩য় অঙ্কৰ ৫ম দৃশ্যত এজন দেশনেতাক বান্দৰৰ মুখা পিন্ধাই উলিওৱা হৈছে। হৰিৰামে প্ৰশ্ন কৰাত প্ৰথম যমদূতে কৈছে যে সেইজন দেশনেতা। ঘনাই নীতি সলনি কৰা আৰু দল বাগৰাৰ কাৰণে তেওঁকে এই বেশ দিয়া হৈছে। যি কি নহওক "বিষ্ণু শৰ্মাৰ বিচাৰ" নাটকখনত প্ৰহসনৰ (farce) লক্ষণ ফুটি উঠিছে। ফাৰ্চ পৰিস্থিতিপ্ৰধান। ই পৰিস্থিতিসৰ্বস্ব হাস্যৰসাত্মক নাটক। প্ৰহসনৰ সেই পৰিস্থিতিও কৃত্ৰিম হয়। আতিশয্যপূৰ্ণ অসম্ভৱ কিবা এটা দেখুওৱা ফাৰ্চ নাটকৰ উদ্দেশ্য হয়। চৰিত্ৰ সৃষ্টি বা সংলাপৰ প্ৰতি ফাৰ্চ নাটকত মনোনিবেশ কৰা নহয়।

ঠিকনা : "ঠিকনা" নাটকখন লক্ষ্মী চৌধুৰীৰ শেহতীয়া ৰচনা। ৰচনা-কাল ১৯৭৬ চন। নাটকখন নগাঁৱত অভিনীত হোৱাৰ সময়ত চোৱাৰ সুবিধা হৈছিল। মঞ্চ-সফলতাৰ লগতে নাটকখনৰ সাহিত্যিক মূল্যও আছে। ভৰতৰ নাট্য-শাস্ত্ৰত আধিকাৰিক কাহিনীৰ (main plot) সৈতে অপ্ৰধান (sub plot) কাহিনী সংযুক্ত কৰিব পাৰে বুলি নিৰ্দেশ আছে। তথাপি অপ্ৰধান কাহিনীয়ে আধিকাৰিক কাহিনীৰ দ্বাৰা ৰস সৃষ্টি কৰাত অন্তৰায় যাতে নহয় তাৰ কাৰণে নাট্যশাস্ত্ৰত নিৰ্দেশ দিয়া আছে। "ঠিকনা"ৰ কাহিনীত এককতা আছে। সেই কাৰণে কাহিনীটো নাটকৰ কাৰণে উপযোগী হৈছে। অধিক দৃশ্যসজ্জা যোজনা কৰাৰ প্ৰৱণতা নাট্যকাৰে কমাই অনাত নাটকখনৰ গাঁঠনি শিথিল নহৈ সবল হৈছে। কাহিনীৰ ব্যাপকতা কমাই অনাত স্থান-ঐক্য, কাল-ঐক্য ৰক্ষা কৰাত সুবিধা হৈছে। নাটকীয় মূল্য ৰক্ষা পৰিছে। কাহিনী একক আৰু সবল হৈছে।

"ঠিকনা"ত গজানন হাজৰিকাৰ ব্যক্তিত্ব সুন্দৰভাৱে প্ৰকাশ কৰা হৈছে। ব্যক্তিত্ব হ'ল ব্যক্তিৰ পৰিৱেশৰ সৈতে বিশেষ ধৰণৰ সংগতিপূৰ্ণ উপযোজন —It is defined as an individual's typical

---

১ The theatre and dramatic theory—Nicoll

or consistent adjustment to his environment. ১ আত্মচেতনা আৰু আত্মনিয়ন্ত্ৰণৰ ক্ষমতাই ব্যক্তিত্বৰ মূল ভেটি। পাৰিপাৰ্শ্বিকতাৰ সৈতে উপযোজনৰ (adaptation) কাৰণে ব্যক্তিৰ যি আচৰণ সি ব্যক্তিত্বৰ এটা উল্লেখযোগ্য অংশ। ব্যক্তিত্বৰ সংলক্ষণক মনোবৈজ্ঞানিক ক্যাটেলে দুটা ভাগত বিভক্ত কৰিছে।২ তাকে উডওয়াৰ্থ, মাৰ ফুইচ আদি মনোবৈজ্ঞানিকসকলে মুখ্য সংলক্ষণ আৰু গৌণ সংলক্ষণ এই দুভাগত ভগাইছে। আভ্যন্তৰীণ সংলক্ষণ (source traits) বাহ্যিক লক্ষণৰ দ্বাৰা প্ৰকাশ পায়। গজানন হাজৰিকাৰ আভ্যন্তৰীণ সংলক্ষণ হ'ল নিৰাপত্তাৰ অভাৱবোধ। সেই সংলক্ষণটো অনুভূতিপ্ৰৱণতা আৰু অভিমানী বাহ্যিক লক্ষণৰ দ্বাৰা প্ৰকাশ কৰাত নাট্যকাৰ সফল হৈছে। নাটকখনক কিছু পৰিমাণে ভাৱপ্ৰধান নাটক আখ্যা দিব পাৰি। ভাৱপ্ৰধান নাটকত বিশেষ পৰিস্থিতিত পাত্ৰ-পাত্ৰীৰ ভাৱ দ্বন্দ্ব প্ৰকাশ পায়। নাটকখন চালে এটা কথা মনলৈ আহে। সেইটো হ'ল after all it is the moment, not the story that is dramatic. ৩ গজানন হাজৰিকাৰ ভাৱ-আৱেগৰ দ্বাৰা নাটকখনত ক্ৰিয়াপ্ৰাণতা (action) ৰক্ষা পৰিছে। ভাৱ-আবেগৰ জৰিয়তে হৃদয়ৰ আৰু মনৰ ক্ৰিয়া পৰিলক্ষিত হৈছে। নাটকখনত এটা inwardness আছে। এইখিনিতে মেটাৰলিঙ্কৰ এষাৰ কথা প্ৰণিধানযোগ্য। তেওঁ কৈছিল, Indeed when I go to a theatre, I feel as though I were spending a few hours with my ancestors. ৪ "ঠিকনা" চাই থাকোতে আমাৰ মনলৈ তেনে এটি ভাৱেই আহে। নাটকখনৰ সংলাপ যথাযথ হৈছে।

শিৱসাগৰ কলেজ

প্ৰফুল্ল কুমাৰ বৰুৱা

---

১ Foundation of Psychology---Boring
২ মনোবিদ্যা—ত্ৰিবাৰ্ষিক স্নাতক শ্ৰেণীৰ পাঠ্য---অধ্যাপক প্ৰমোদবন্ধু সেনগুপ্ত
৩ Paul Landis.
৪ Maeterlinck.

সূচীপত্র

একলব্য	১-১৩
আলিবাবা	১৫-৪৬
ৰক্ষকুমাৰ	৪৭-১০৯
নিমিলা অঙ্ক	১১১-১৬০
ওমলা ঘৰ	১৬১-১৬৯
দাতা কৰ্ণ	১৭১-১৮৯
এনিশাৰ অতিথি	১৯১-২১০
পথাৰ	২১১-২৪৪
যৱনিকাৰ আঁৰে আঁৰে	২৪৫-২৮১
বিষ্ণু শৰ্মাৰ বিচাৰ	২৮৩-৩১৬
ঠিকনা	৩১৭-৩৪৪

একলব্য

আগকথা

'কিতাপখন হাতত ললেই মনত পৰে কলেজিয়েট স্কুলৰ স্কাউট মাষ্টৰ বৰ্তমান ডিষ্ট্ৰিক্ট স্কাউট মাষ্টৰ শ্ৰীযুত কামাখ্যা নাথ ঠাকুৰ বি-এ, বি-টি ডাঙৰীয়ালৈ আৰু কলেজিয়েট স্কাউট ট্ৰুপলৈ (১৯৩২)। এদিন কথা প্ৰসঙ্গতে শ্ৰীযুত ঠাকুৰে স্কাউটৰ বছৰেকীয়া উৎসৱ উপলক্ষে আমাক এখনি নাটৰ অভিনয়ৰ যোগাৰ কৰিবলৈ কয়। স্কুলীয়া জীৱনত অভিনয়ৰ হেঁপাহ বোধ কৰোঁ ছাত্ৰ মাত্ৰয়ে অনুভৱ নকৰি নোৱাৰে। আমি (স্কাউটসকলে) অভিনয়ৰ কাৰণে উত্ৰাৱল হ'লোঁ। দিনে-ৰাতিয়ে ঘৰে ঘৰে নাটক বিচাৰি ফুৰিলো। কিন্তু নাটক বাছনি যে কেনে কঠিন কাম তাক বোধ কৰোঁ অভিনয়ত ৰাপ থকা সকলোৱে জানে। নানা তৰহৰ নাটক বিচাৰি উলিয়ালো, কিন্তু অভিনয়ৰ উপযোগী বিশেষকৈ স্কুলীয়া ছাত্ৰৰ উপযোগী নাটক এখনিও আমাৰ ভাগ্যত নোলাল। শ্ৰীযুত ঠাকুৰে আমাৰ ভিতৰৰে এজনক একলব্য উপাখ্যানটিৰ পৰা এখন নাটক লেখিবলৈ কয়। স্কাউট ভাইসকলে বিশেষকৈ ভাই শ্ৰীললিত বৰা, জীৱন কুমাৰ দাস আৰু দুৰ্গাধৰ বৰগোঁহায়ে মোক এই কামৰ নিমিত্তে আগবঢ়াই দিয়ে। ময়ো ভাইসকলৰ অনুৰোধ এৰাব নোৱাৰি শ্ৰীযুত ঠাকুৰৰ নিৰ্দেশ মতে একলব্য নাটখনি লিখি উলিয়াওঁ। শ্ৰীযুত ঠাকুৰে ওপৰে ওপৰে চাই নাটকখনি অভিনয়ৰ উপযোগী কৰি দিয়ে। আৰু স্কাউটৰ বছৰেকীয়া উৎসৱ উপলক্ষে (১৯৩২) নাটখনি অভিনয় হৈ যায়। তাৰ বাবে ওপৰত উল্লেখ কৰা সকলোলৈকে মোৰ কৃতজ্ঞতা জনালো।

কিতাপখন ছপা কৰি উলিয়াবৰ সময়ত বহুত বন্ধু-বান্ধৱে মোক সহায় আৰু উৎসাহ দি বাধিত কৰে। তাৰ ভিতৰত ভাই শ্ৰীললিত বৰা আৰু ভাই জীৱন কুমাৰ দাসৰ নাম উল্লেখ নকৰি নোৱাৰি। তাৰ উপৰিও সৰু মামা শ্ৰীযুত সুৰেন্দ্ৰনাথ দাস আৰু ভাই শ্ৰীমান ৰোমেশ্বৰ বৰগোহাঁই (লৰি) আদিয়ে মোক নানা ৰূপে সহায় কৰি মৰমৰ বান্ধোন আৰু দৃঢ় কৰি তোলে।

সবাতো শেহত প্ৰেহলৈ পঠোৱা কপিটো ভনীটি শ্ৰীমতী অৰুণিয়ে লিখি দিয়া বাবে এইখিনিতে আশীৰ্বাদ একাকিৰে কৰকায়েকৰ ধাৰ সুজিলো।

নাটকখনিয়ে যদি সৰু সৰু ল'ৰা-ছোৱালীবিলাকৰ অভিনয় শিক্ষাত অলপমানো সহায় কৰিব পাৰে তেন্তে লিখকে ধন্য মানিব আৰু আগলৈ এনে কাম হাতত লবলৈ উৎসাহ পাব। ইতি —

উজান বজাৰ, গুৱাহাটী
১৯৩৫ চন।

ৰাইজৰ আশীৰ্বাদ ভিখাৰী
শ্ৰীলক্ষ্যধৰ চৌধুৰী

অৰ্পণ

পূজনীয় দেউতা,

শ্ৰীযুত ভুধৰ চৌধাৰী

আৰু

পূজনীয়া মা

শ্ৰীযুতা উমা চৌধাৰীৰ

শ্ৰীচৰণত অবোধৰ ভক্তি

ফুলৰ আঁজলি।

ইতি

“ধন”

চরিত্র

একলব্য
দ্রোণাচার্য
কর্ণ
অর্জুন
ভীম
অশ্বত্থামা
একলব্যের মাতা
ব্যাধ বালক
শিষ্য

একলব্য

১ম অঙ্ক

১ম দৃশ্য

(হাবি । একলব্য আৰু বালকগণৰ গীত গাই গাই প্ৰবেশ)

গীত

বল, বল, বল
বল, লবি বল ।
(সৌ) বেলি যাব গ'ল
(আজি) একোকে নহ'ল
বল লবি বল ।
(হাতৰ) কাঁড় হাতত ৰ'ল
দিনটো মিছা হ'ল ।

১ম ব্যাঃ বাঃ—(ছিঃ ছিঃ) তেনেহ মিছা হ'ল
২য় ব্যাঃ বাঃ—(আজি) শুদা হাতে যাব
৩য় ব্যাঃ বাঃ—(এঃ) বৰ বেয়া হ'ল
বল, বল, বল ।
১ম ব্যাঃ বাঃ—ঐ সৌ এটা চৰাই
২য় ব্যাঃ বাঃ—ৰ' মই দিওঁ বগৰাই
৩য় ব্যাঃ বাঃ—(নেলাগে) মই যে মাৰোঁ ভাই
(সেই সময়ত আকৌ চৰাই পলাল)
বল, বল, বল
বল লবি বল ।

একলব্য—[illegible]

কোৱাচোন, কোনে কেনেকুৱা ধৰণৰ খেলা দেখুৱাব পাৰিবা ।

১ম ব্যাঃ বাঃ—মই একেপাট শৰতে সৌ পখি থকা আমটো পাৰি আনি দিব পাৰিম ।

২য় ব্যাঃ বাঃ—মই ? সৌ উৰি যোৱা চৰাইটো একেপাট শৰতে ডেউকা ভাঙি মাটিত বগৰাই দিব পাৰিম ।

৩য় ব্যাঃ বাঃ—মই সৌ যে হৰিণা পোৱালিটো দেখিছা তাক একে শৰে একে ঠাইতে বান্ধি থব পাৰিম ।

একলব্য—বাৰু তুমি আমটো আগৰদৰে গছত লগাই দিব পাৰিবানে ?

১ম ব্যাঃ বাঃ—কি কথা কৈছা, আকৌ কেনেকৈ লগাম ।

একলব্য—তুমি চৰাইটোৰ ডেউকা ভাল কৰি আগৰদৰে উৰাই পঠিয়াব পাৰিবানে ?

২য় ব্যাঃ বাঃ—নাই কেতিয়াও নোৱাৰোঁ ।

একলব্য—তুমি হৰিণাটিক আকৌ দৌৰাই পঠিয়াব পাৰিবানে ?

৩য় ব্যাঃ বাঃ—ওঁহো—মই নোৱাৰিম ভাই ।

একলব্য—তেনেহলে তোমালোকৰ ধনুৰ্বিদ্যাক মই প্ৰশংসা কৰিব নোৱাৰিলোঁ । এজনৰ ধনুৰ্বিদ্যা মানে এক নিৰপৰাধী নিৰীহ প্ৰাণীৰ প্ৰাণনাশ ? ছিঃ ছিঃ এনে ধনুৰ্বিদ্যাত কি গৌৰৱ থাকিব । তাইহঁত কোৱাচোন এনে ধনুৰ্বিদ্যা শিকি কি লাভ ?

১ম ব্যাঃ বাঃ—কিয় ? এনে ধনুৰ্বিদ্যা শিকিলে কত মানুহে বীৰ নাম লাভ কৰে ।

একলব্য—[illegible] তেওঁলোক বীৰ নহয়, তেওঁলোক হৃদয়হীন পিশাচ । [illegible]

প্ৰাণীৰ প্ৰাণ নাশ কৰে তেওঁ বীৰ? ছিঃ ছিঃ এনে বীৰত্ব পৃথিৱীত লুপ্ত হৈ যাওক। তাইহঁত যদি এনে ধনুৰ্বিদ্যা শিকিব পাৰোঁ। যাতে খি প্ৰাণীক আঘাত কৰোঁ। তাৰ যেন বজ্ৰপাত পৰ্য্যন্তও নহয়, তেতিয়াহে বীৰ বুলি গৌৰৱ কৰিম। নহলে বীৰ নামত পদাঘাত কৰোঁ।

২য় ব্যাঃ বাঃ—তোমাৰ মনোবাঞ্ছা পূৰ্ণ হওক একলব্য।

একলব্য—কোনচোন কাৰ ওচৰত এনে ধনুৰ্বিদ্যা শিকিব পাৰিম।

৩য় ব্যাঃ বাঃ—শুনিছোঁ। হস্তিনাপুৰত, হেনো ধনুৰ্বিদ্যা শিকোৱা এজন আচাৰ্য্য আছে। তেওঁৰ ওচৰলৈ গ'লে কিজানি এনে ধনুৰ্বিদ্যা শিকিব পাৰিবা।

একলব্য—অ' ঠিক কথাটিকে মনত পেলাই দিছা। শুনিছোঁ। সকলো সেই আচাৰ্য্যৰ কথা। তাইহঁত মই হস্তিনাপুৰলৈকে যাম। শিকিম সকলো কথা আচাৰ্য্যৰ পৰা। যদিহে নোৱাৰোঁ। শিকিব নুলটিম জানিবা ধ্ৰুৱ। তাইহঁত যোৱা ঘৰাঘৰি লৈ আহোঁ। আইৰ আদেশ। (প্ৰস্থান)

(আনফালে গীত গাই গাই ব্যাধ বালকসকলৰ প্ৰস্থান)

২য় দৃশ্য

(হিৰণ্য ধনুৰ ঘৰ। একলব্যৰ মাক)

একঃ মাক—ধনুৰ্বিদ্যাৰ নামত বাছা মোৰ তেনেই বলিয়া, দিনৰে দিনটো ধনু-শৰ লৈ ফুৰি ফুৰে হাবিৰ মাজত। প্ৰভু! তেনে মতি কিয় দিলা তাক? নহয়—পুৰুষ জনম লৈ পুৰুষৰ কাম শিকিবই লাগিব নিশ্চয়। কৰা তাক অদ্বিতীয় বীৰ। নিচেই অজলা [illegible]য়া তাক শুভমতি প্ৰভু।

একলব্য—(ভিতৰত) আই! আই!

একঃ মাক—একলব্য আহিছে সেইয়া। আহ বাছা।

(একলব্যৰ লৰি প্ৰবেশ)

আই ঐ দেখিছ, বাছা মোৰ—খামি-জামি ৰ'দৰ তাপত একেবাৰে ক'লা পৰি গ'ল।

একলব্য—আই মোক আশীৰ্বাদ দিয়া আৰু বিদায় দিয়া আই।

একঃ মাক—বিদায়? কিয় বাছা আহিছ মাথোন এই।

একলব্য—নহয়—আই মোক আশীৰ্বাদ দিয়া।

একঃ মাক—আশীৰ্বাদ কৰিছোঁ, তোৰ যেন মনোবাঞ্ছা পূৰ্ণ হয়, তই যেন জগতত অদ্বিতীয় বীৰ হব।

একলব্য—তেন্তে এতিয়া মোক বিদায় দিয়া আই।

একঃ মাক—ব' বাছা আহিছ মাথোন খেলি যাবি বাৰু আকৌ পাছত।

একলব্য—কোৱা আই এটি মাত্ৰ অনুৰোধ তোমাৰ পূৰণ ৰাখিবানে নকৰি পলম?

একঃ মাক—নিশ্চয় ৰাখিম সোণ, ক'চোন কিবা অনুৰোধ।

একলব্য—যদিহে নিদিয়া আই?

একঃ মাক—দিম বাৰু বুলিছো নহয়।

একলব্য—নালাগে মুখৰ কথা, সত্য কৰি কোৱা আই।

একঃ মাক—সঁচাকৈয়ে কৈছোঁ। সোণাই দিম তোক যি লাগে নিশ্চয়। তই মোৰ দুখুনীৰ আঁচলৰ ধন, তই কৰা এটি অনুৰোধ নাৰাখোঁ। যদিহে—কাৰ বাৰু ৰাখিব সোণাই। নাজাননে সোণ তয়ে মোৰ জীৱন সৰ্বস্ব।

একলব্য—কওঁ তেন্তে শুনা আই, নকৰিবা একো ভয়, নভাবিবা অমঙ্গল ভাত দিয়া আই আদেশ এবাৰ যাওঁ মই হস্তিনাত শিকি আহোঁ। ধনুৰ্বিদ্যা আচাৰ্য্য দ্ৰোণৰ পৰা। ৰাখা, ৰাখা আই অনুৰোধ মোৰ।

একঃ মাক—কিয় বাছা এনি এই দুখুনী মাৰক এৰি তই হস্তিনাক ? আৰু যাবও যদিহে মোৰ নিশিকেতো ধনুশিক্ষা তোক অহংকাৰী দ্ৰোণাচাৰ্য্যই ।

একলব্য—কিয় আই নিশিকাব মোক ? কতজনে শিকিছে ধনুবিদ্যা তেওঁৰে তলত মোক বাৰু নিশিকাব কিয় ? কি দোষ কৰিছোঁ মই ?

একঃ মাক—নাই কৰা দোষ তই সঁচায়ে সোণাই কিন্তু—জন্মৰ পৰাই এটি দোষ আছে তোৰ গাত, জন্মিলি যে নীচ এই চণ্ডাল কুলত সেয়ে বাছা অপৰাধ তোৰ, সেয়ে বাছা দোষ তোৰ।

একলব্য— কি ? কি ?

জনমিলো বুলি হীন চণ্ডাল কুলত

জগতে বৰ্জ্জিব মোক !

হায় ভগৱান! এয়ে নেকি সৃষ্টি তোমাৰ?

নাই—মনে মোৰ নামানে প্ৰবোধ,

দিয়া আই আদেশ এবাৰ

চাই আহোঁ আচাৰ্য্যক বাৰু

লৈ আহোঁ পদধূলি তেওঁৰ ।

একঃ মাক—বাছা, নহবযে লাভ তোৰ

কত শত শিষ্যৰ আগত

নীচ বুলি ঘৃণাৰ চকুৰে

ওভতাই দিব যেতিয়া তোক,

ভাগি যাব কোমল হৃদয়,

দাৰুণ আঘাত বাছা পাবি হৃদয়ত।

একলব্য—জাতিৰ কাৰণে মোক চাই যদি ঘৃণাৰ চকুৰে

নাই মোৰ অলপো আক্ষেপ—

কিন্তু আই, এটিমাত্ৰ আশীষ বচন

পাওঁ যদি আচাৰ্য্যৰ পৰা পাম মই

দুগুণে উৎসাহ ।

দিয়া আই আদেশ যাওঁন ।

একঃ মাক—নাজানো যাবলৈ বাছা

মিছাতে তালৈ গৈ, কিয় বাৰু পাব অপমান ?

একলব্য—কিয় আই সত্যক আৱৰি ভুমি সত্যৰ কাৰণে কি বুলিব ইনেক।

একঃ মাক—কিয় বাছা অনৰ্থক কৰিছ পণ, আগৰ লাগিছে তোৰ মহি জিৰণি ।

একলব্য-কিয় আই গাহৰাৰ খোজা মোক এনে কথা কৈ।

কথা গাহৰাই নহব তোমাৰ লাভ ।

কৰিছোঁ প্ৰতিজ্ঞা যাম মই হস্তিনাপুৰত

শিকিম নতুন এক ধনুবিদ্যা তাত।

আই—নাভাঙিবা প্ৰতিজ্ঞা ৰাখিতে

দিয়া মাত্ৰ আদেশ এবাৰ ।

একঃ মাক—দৃঢ় প্ৰতিজ্ঞ যদি যাবি যাক বাছা

নলগাওঁ বিঘিনি বাটত ।

একলব্য—কৰা তেন্তে আশীৰ্বাদ মোক ।

একঃ মাক—মনোবাঞ্ছা সিদ্ধি হওক তোৰ ।

একলব্য—মাতৃৰ আদেশ পাই ধন্য হলো মই—লগে লগে ধন্য হলো আশীৰ্বাদ পাই । আনন্দ মনেৰে যাম মই হস্তিনাপুৰত । নাজানো কিয়নো আই আনন্দত নাচিছে শৰীৰ । সৌৱা চোৱা আই গছপাতে লৰি লৰি আশীৰ্বাদ কৰিছে মোকেই ! পখিয়ে ডালত পৰি গীত গাই গাই শুভমনে মোকো বিদায় দিছে। ভগৱান। ভগৱান! মোক আশীৰ্বাদ কৰা মোৰ যেন মনোবাঞ্ছা পূৰ্ণ হয়! গুৰুদেৱ, গুৰুদেৱ ! আই, আই !

(মাকক সেৱা কৰি লৰ মাৰে)

একঃ মাক—গ'ল চাই থাকোতেই বাছা লৰি গুচি গ'ল । হায় ! আহিয়েই সি আকৌ লৰ ধৰিলে । ধনুবিদ্যাৰ নামত সি একেবাৰে বলিয়া হ'ল। ভগৱান! নাজানো বাছাক কিয় এনে মতি দিলা। নহয়, মহয় আকৌ তাক মাতি আনো । একলব্য, একলব্য ! নাই পালেগৈ বহুত দূৰ। নাই—যাওকেই সি । যদি পাবে তাৰ কল্পিত ধনুবিদ্যা লাভ কৰককগৈ। নহলেতো তাৰ ইহজনমত সুখ নহব। ভগৱান ! দুখুনী মাতৃয়ে তাৰ চুলি ছিঙি কাকুতি কৰিছোঁ তাৰ মনোবাঞ্ছা পূৰ্ণ কৰা ।

৩য় দৃশ্য

(কুটীৰৰ সন্মুখৰ উদ্যান। দ্ৰোণাচাৰ্য আৰু কৰ্ণ)

দ্ৰোণ—বালক, ইয়াত তোমাৰ প্ৰয়োজন ?

কৰ্ণ—দেৱ ! তোমাৰ ওচৰত মই ধনুৰ্বিদ্যা শিক্ষা কৰিবলৈ আহিছো ! মোক তোমাৰ শিষ্যৰূপে গ্ৰহণ কৰা ।

দ্ৰোণ—কোন তুমি বালক, কিয়া জাতি কিবা নাম কাৰবা তনয় শীঘ্ৰে তাৰ দিয়া পৰিচয় । পৰিচয় পালে চাম বাৰু কি পাৰোঁ কৰিব।

কৰ্ণ—দেৱ। সূতপুত্ৰ কৰ্ণ মই ৰাধাৰ নন্দন, আহিছোঁ ভকতি ভৰে কৰা মোক শিষ্য তোমাৰ ।

দ্ৰোণ—কি? কি ? নীচ সেই ৰাধাৰ নন্দন হৈ পাৰ খোজ দ্ৰোণক গুৰুৰূপে তোৰ ? আঁতৰ ইয়াৰ পৰা, ঠাই তোৰ নহয় ইয়াত । নাজাননে, ব্ৰাহ্মণ ক্ষত্ৰিয় বাদে আন বালকক, নকৰে দ্ৰোণই শিষ্য, নিদিয়ে যে অস্ত্ৰশিক্ষা তাক ?

কৰ্ণ—কিয় দেৱ ! ভক্তিভৰে আহিছিলোঁ মই— নহ'বনে তথাপিও ঠাই ।

দ্ৰোণ—ভক্তিত তোৰ কৰোঁ পদাঘাত, আঁতৰ আঁতৰ ইয়াৰ পৰা । নাপাবি, নিদিওঁ তোক শিষ্যৰূপে ঠাই, নালাগেনে লাজ তোৰ নীচ কুলোদ্ভৱ হৈ পাব খোজ উচ্চ আসন ?

কৰ্ণ—হে ভগবান। ওপৰৰ পৰা চাই লোৱা তোমাৰ ৰাজ্যত আজি কেনে অঘটন, মানুহেই ঘিণ কৰে ভাই মানুহক ।

দ্ৰোণ—আঁতৰ, আঁতৰ ইয়াৰ পৰা, নীচ তই ৰাধাৰ নন্দন, দেখিলেও পাপ লাগে তোক, ভালৰে আঁতৰ যদি পাবি তেনে বৃথা অপমান । উঠিয়াই দিম তোক পদাঘাত কৰি ।

কৰ্ণ—হে ভগবান। তুমি সঁচাকৈ আছানে ? আছা যদি বজ্ৰাঘাতে শেষ কৰি মোক তোমাৰ অস্তিত্ব প্ৰমাণ কৰা। দেৱ যাওঁ বাৰু নকৰোঁ পলম কৰা যত্ন আশীৰ্বাদ মোক। (সেৱা কৰে)

দ্ৰোণ—কুশল হওক ।

কৰ্ণ—ধন্য হলো ইয়াতেই পাই—এতিয়া তেন্তে বিদায় গুৰুদেৱ । (প্ৰস্থান)

দ্ৰোণ—নীচ সেই ৰাধাৰ নন্দনে পাব খোজে গুৰু-ৰূপে মোক—ইমান সাহ। অ' সৌৱা ভীম আৰু অৰ্জুন আহিছে।

(ভীমাৰ্জুনৰ প্ৰৱেশ)

ভীমাৰ্জুন—প্ৰণাম গুৰুদেৱ ।

দ্ৰোণ—তোমালোকৰ জয় হওক ।

অৰ্জুন—কিয় দেৱ, কৰিছা পলম? নিদিয়ানে ধনু-শিক্ষা আজি? বৈ আছে সকলো শিষ্যই, আহা দেৱ । নকৰিবা মিছাতে পলম ।

দ্ৰোণ—কিয় বোপা, বিশেষ কামৰ বাবে হ'ল আজি অলপ পলম—তাতেইনো ইয়ালৈ আহিলা কেলেই ? যোৱা তোমালোক, আগেয়ে শিকোৱা শৰকে কৰাগৈ দুনাই অভ্যাস ময়ো বাৰু লৈছোঁ পাছতে ।

অৰ্জুন—ভাল গুৰুদেৱ ! আহা দাদা ।

ভীম—কিয়। গুৰুদেৱ আমাৰ লগত নাযায় নেকি? অ' দেখিছো গুৰুদেৱে লাহে লাহে আমাৰ ফালে পিঠি দিয়া হৈছে । আমাক ভালকৈ নিশিকায়, অকল নিজ পুত্ৰ অশ্বত্থামাকেহে শিকাব খোজে ।

দ্ৰোণ—নহয় ভীম, যাম ময়ো অলপ পাছতে, তোমালোক যোৱা আগবাঢ়ি। লৈ যাওঁ ধনু-শৰ মোৰ ।

ভীম—ভাল গুৰুদেৱ । (ভীমাৰ্জুনৰ প্ৰস্থান)

দ্ৰোণ—সঁচাকৈয়ে বহু শিষ্য হ'লহি মোৰ । সময়ৰ অভাৱত নিজ পুত্ৰ অশ্বত্থামাকেই ভালদৰে শিক্ষা দিব পৰা নাই । সকলোকে তুষ্ট কৰাৰ পাৰোঁ, নোৱাৰোঁ অৰ্জুনক মাথোঁ । এইবাৰ বাৰু এটা বুদ্ধি কৰি চোৱা যাওক । (প্ৰস্থান)

৪ৰ্থ দৃশ্য

(নদীৰ পাৰ, কৰ্ণ)

কৰ্ণ—মিছা মোৰ মানৱ জীৱন ।

হায় ! পৰিছে মনত সেই আচাৰ্যৰ বাণী

কান্দি উঠে প্ৰাণ মোৰ,
উস্ বাৰে বাৰে একে কথা ক'লে
"নীচ নীচ তই ৰাধাৰ নন্দন।"
ব্যৰ্থ! ব্যৰ্থ মোৰ জনম ধৰাত।
ভগৱান—ভগৱান অভিশাপ দিয়া, পুৰি ছাই
হৈ যাওঁ,
শেষ হওক ব্যৰ্থ জীৱন।

(একলব্যৰ প্ৰবেশ)

একলব্য—গুৰুদেৱ! গুৰুদেৱ! আৰু বাৰু কিমান দূৰত তুমি?

কৰ্ণ—কোন এওঁ? কাক মাতে গুৰুদেৱ বুলি? এৰোঁ বাৰু দুৰ্ভগীয়া নেকি মোৰ দৰে? এৰোঁ নেকি নীচ কুলোত্তৱ? সোধা যাওক পৰিচয় বাৰু। কোন তুমি ভাই, কিবা প্ৰয়োজনে গুৰুদেৱ গুৰুদেৱ বুলি চিঞৰি উঠিলা?

একলব্য—কি দিম পৰিচয়। অতি হীন অতি নীচ নিষাদ-পুত্ৰ একলব্য মই। ধনুবিদ্যা শিকিবৰ মনে আহিছোঁ দ্ৰোণাচাৰ্যৰ গুৰিত। কোৱা ভাই পাম নে গুৰুবাপে তেওঁক?

কৰ্ণ—এৰোঁ সেই দুৰ্ভগীয়া মোৰেই নিচিনা। ভাই কিনো ক'ম আৰু অহঙ্কাৰী আচাৰ্যৰ কথা।

একলব্য—কিয় ভাই অহঙ্কাৰী বুলিলা দ্ৰোণক, আছেনে কাৰণ তাৰ? আছে যদি কোৱা মোকো ভাই।

কৰ্ণ—কেনেকৈ কওঁ মোৰ ঘৃণনীয় জীৱনৰ কথা। ভাই এটি মাত্ৰ কথাৰ কাৰণে অহঙ্কাৰী বুলিলো দ্ৰোণক।

একলব্য—কোৱাচোন কিনো কথা বাৰু, নাই যদি বিশেষ কাৰণ নুলুকাবা একো ভাই।

কৰ্ণ—ভাই দুৰ্ভগীয়া অতি মই,
তোমাৰ দৰেই অস্ত্ৰ শিক্ষা শিকিবৰ মনে গৈছিলো শুনিলে তেওঁৰ কিন্তু ভাই····
নকৰিলে শিষ্য মোক।

একলব্য—কিয় ভাই ধনুশিক্ষা নিদিলে তোমাক?

কৰ্ণ—ভাই ক'লে মোক "নীচ তই ৰাধাৰ নন্দন,
নহয় ইয়াত তোৰ ঠাই।
আঁতৰ আঁতৰ ইয়াৰ পৰা।" শুনি মই আহিলোঁ বেগাই। উস্ বৃথা মোৰ মানৱ জীৱন।

একলব্য—কি? কি?
জন্ম নজাতিলো বুলি উচ্চ বংশত সকলোৱে ঘিণাব আমাক? ভাই সঁচাকৈয়ে তোমাৰ দুখত দুখী হলো মই। কিন্তু ভাই মোৰো একে দশা—অতি হীন অতি নীচ। তোমাতোকে মই অতি নীচ ব্যৱহাৰে খেদাব নিশ্চয়। তথাপিও ভাই—আজন্মৰ বাসনা পূৰাব চাই লগ দ্ৰোণক এবাৰ।
ভাই বিদায় এতিয়া তেন্তে—
পামনে তোমাক বাৰু লগ ক'ৰবাত?

কৰ্ণ—নাই বন্ধু নাপাবা বোধ হয়। ক'ত যাওঁ ক'ত লওঁ আশ্ৰয় তাক মই নাজানো নিজেই। যোৱা তুমি নিৰ্দিষ্ট স্থানক যাওঁ মই লক্ষ্যহীনভাৱে!

(দুয়োৰো দুফালে প্ৰস্থান)

৫ম দৃশ্য

(উপবন। শিষ্যসকল)

১ম শিষ্য—আজি কিয় গুৰুদেৱ ইমান পৰলৈ অহা নাই। বাৰু ভাইহঁত আজি আমাৰ ধনু-বিদ্যাৰ পৰীক্ষা কৰা যাওক। বাৰু সেই পকি থকা ফলটো কোনে একেশৰে মাটিত পেলাব পাৰিবা। মযে বাৰু প্ৰথমতে চেষ্টা কৰি চাওঁ (শৰ মাৰে)
ছিঃ ছিঃ অলপৰ কাৰণে লক্ষ্য ভ্ৰষ্ট হ'ল।

২য় শিষ্য—মই ঠিক মাৰিম চাবা! (শৰ মাৰে)
ছিঃ মোৰ অলপৰ কাৰণেহে নালাগিল।

১ম শিষ্য—অ' সৌৱা ভীম আৰু অৰ্জুন আহিছে! কি ভাই গুৰুদেৱ নাহেনেকি আজি?

(ভীমাৰ্জুনৰ প্ৰবেশ)

অৰ্জুন—অলপতে আহিব। আমাক আগেয়ে শিকোৱা শৰকে দুনাই অভ্যাস কৰিবলৈ কৈছে। বাৰু সৌ পকি থকা ফলটোলৈ শৰ মাৰোচোন। কাৰ কিমান লক্ষ্য ঠিক হৈছে দেখা যাওক।

২য় শিষ্য—আমি চেষ্টা কৰিছিলোঁ, পিছে কোনেও নোৱাৰিলো। মোৰ দৃঢ় বিশ্বাস তোমাৰ বাহিৰে আন কোনোৱে নোৱাৰে।

ভীম—মূৰ্খ! ময়ে পাৰিম। চা বাৰু। (শৰ মাৰে) ছিঃ অলপ পাৰ্শ্বৰ পৰাহে নালাগিল, নহলে ফলটো ছিঁডি এতিয়াই মাটিত পৰিল-হেঁতেন।

অৰ্জুন—তেন্তে এইবাৰ মই চেষ্টা কৰি চাওঁ। (শৰ মাৰে) সৌৱা চোৱা ফল একেশৰে মাটিত পৰিল।

(দ্ৰোণাচাৰ্যৰ প্ৰৱেশ। সকলোৱে প্ৰণাম কৰে)

দ্ৰোণ—কি শৰ শিকিছা শিষ্যগণ।

অৰ্জুন—গুৰুদেৱ! মই সৌ ফলটো একে শৰে মাটিত পেলালোঁ। আন কোনোৱে নোৱাৰিলে।

ভীম—নহয়। মই ভালকৈ চেষ্টা কৰা নাছিলোঁ গুৰুদেৱ। ভালকৈ চেষ্টা কৰাহলে নিশ্চয় পাৰিলোহেঁতেন। ধনুৰ লগত মাথোঁ পাতে যেৰ সকলোৱে কিন্তু গদাৰ লগত হলে কোনোৱে নাহে। মোৰ গদাৰ লগতহে বেছি সম্বন্ধ, ধনুৰ্বিদ্যা কেঁচুৱা ল'ৰাৰ খেল।

দ্ৰোণ—ওঁ—ময়ো কওঁ তুমি নিশ্চয় পাৰিলাহেঁতেন।

অৰ্জুন—আজি আমাক নতুন শিক্ষা নিদিয়ে নেকি গুৰুদেৱ?

দ্ৰোণ—দিম বৎস, আগেয়ে পৰীক্ষা কৰা যাওক। বাৰু সেই গছৰ ওপৰত পৰি থকা চৰাইটো কোনে মাৰিব পাৰিবা?

১ম শিষ্য—মই বাৰু চেষ্টা কৰি চাওঁ। (শৰ মাৰে) নাই নোৱাৰিলোঁ গুৰুদেৱ।

২য় শিষ্য—বাৰু এইবাৰ মই চেষ্টা কৰি চাওঁ। (শৰ মাৰে) নাই নোৱাৰিলোঁ গুৰুদেৱ।

দ্ৰোণ—বাৰু এইবাৰ তুমি চেষ্টা কৰা ভীম।

ভীম—ভাল গুৰুদেৱ। (শৰ মাৰে। চৰাইটো উৰি যায়) গুৰুদেৱ গুৰুদেৱ চৰাইটো উৰি গ'ল। নহলে মই তাক একে শৰে বগৰাই দিলোহেঁতেন।

অৰ্জুন—মোকো এবাৰ পৰীক্ষা কৰি চাওক গুৰুদেৱ।

দ্ৰোণ—উদ্বিগ্ন নহবা অৰ্জুন, সময় আহিলে তোমাকো পৰীক্ষা কৰি চাম। বাৰু (প্ৰথম শিষ্যৰ প্ৰতি) এইজোপা গছত পৰি থকা চৰাইটোৰ শিৰশ্চেছদ কৰি পেলোৱাচোন।

১ম শিষ্য—ভাল গুৰুদেৱ (শৰ মাৰে)

দ্ৰোণ—ৰ'বা, তুমি এতিয়া কি দেখিছা বৎস?

১ম শিষ্য—গুৰুদেৱ! মই চৰাইটো, গছজোপা আৰু ই ডাল-সিডালৰ গছবোৰ দেখিছোঁ।

দ্ৰোণ—তুমি অলপ অপেক্ষা কৰা। (২য় শিষ্যক) তুমি বাৰু চেষ্টা কৰাচোন।

২য় শিষ্য—ভাল গুৰুদেৱ। (শৰ জোৰে)

দ্ৰোণ—ৰ'বা। তুমি এতিয়া কি দেখিছা বৎস?

২য় শিষ্য—মই তেওঁ দেখা বস্তুবিলাকৰ বাহিৰেও দূৰণিত এটি চৰাই উৰি যোৱা দেখিছোঁ।

দ্ৰোণ—বাৰু তুমি অলপ অপেক্ষা কৰা। এইবাৰ তুমি চেষ্টা কৰা ভীম।

ভীম—ভাল গুৰুদেৱ। (শৰ জোৰে)

দ্ৰোণ—তুমি বাৰু কি দেখিছা বৎস?

ভীম—সকলো দেখিছোঁ। মোৰ কিবা চকু নাইকিয়া হ'লনেকি? মই চৰাইটো দেখিছোঁ, গছবিলাক দেখিছোঁ, সেই উৰি যোৱা চৰাইবিলাক দেখিছোঁ, আপোনাক দেখিছোঁ, অৰ্জুনক দেখিছোঁ, আন আন ভাইসকলক দেখিছোঁ আৰু অলপ অলপ মোকো দেখিছোঁ।

দ্ৰোণ—ৰ'বা। অৰ্জুন তুমি বাৰু চেষ্টা কৰাচোন।

অৰ্জুন—উত্তম। গুৰুদেৱ আশীৰ্বাদ কৰা যেন লক্ষ্যভেদ কৰিবলৈ সক্ষম হওঁ। (শৰ জোৰে)

দ্ৰোণ—তুমি কি দেখিছা অৰ্জুন ?

অৰ্জুন—মই চৰাইটোৰ মুৰটোৰ বাহিৰে আন একো দেখা নাই ।

দ্ৰোণ—কিয়, গছজোপা, চৰাইটো পৰি থকা ঠানিটো দেখা নাইনে ?

অৰ্জুন—নাই আৰু মই একো দেখা নাই ।

দ্ৰোণ—তেন্তে তুমি পাৰিবা অৰ্জুন, তুমি পাৰিবা। নালাগে কৰিব লক্ষ্যভেদ, মই মাত্ৰ কৰিলোঁ পৰীক্ষা । আৰু আজিলৈ ইয়াতে স্থগিত ৰখা হওক । সকলোৱে যোৱা ঘৰাঘৰি কালি বাৰু শিকাম নতুন শৰ । (দ্ৰোণাচাৰ্যৰ বাহিৰে সকলো যায়) আচৰিত । আচৰিত বুদ্ধি অৰ্জুনৰ। (একলব্যৰ প্ৰৱেশ)

একলব্য—গুৰুদেৱ! চৰণে প্ৰণাম তোমাৰ ।

দ্ৰোণ—কোন তুমি বালক, কিবা জাতি, কিবা নাম কাৰবা তনয় শীঘ্ৰে তাৰ দিয়া পৰিচয় । আৰু কি কাৰণে ইয়ালৈ আহিলা সকলো খুলি কোৱা ।

একলব্য—গুৰুদেৱ! মই নিষাদৰাজ হিৰণ্যধনুৰ পুত্ৰ, মোৰ নাম একলব্য। তোমাৰ ওচৰত ধনুৰ্বিদ্যা শিকিবৰ মনেৰে আহিছোঁ । দয়া কৰি মোক শিষ্যৰূপে গ্ৰহণ কৰা । তোমাৰ চৰণ সেৱা কৰি কৃতাৰ্থ হওঁ ।

দ্ৰোণ—নিষাদ-পুত্ৰ তই? অতি নীচ অতি হীন জাতি, তোক চুলেও পাপ হয় । কি সাহৰে তই মোৰ শিষ্য হব খুজিছ। দুৰাকাংক্ষী চণ্ডাল ভালে ভালে এতিয়াই ইয়াৰ পৰা আঁতৰ হ।

একলব্য—কিয় দেৱ! বহু কষ্ট কৰি আহিছিলোঁ মই নহবনে একো লাভ তাৰ ? নালাগে চুবলৈ মোক যদি হয় পাপ, নীচভাৱে কৰিব ব্যৱহাৰ । তথাপিও দেৱ এটি মাত্ৰ আশীষ বচনে শিষ্য বুলি কৰা সম্বোধন। নিলগতে পূজি বাৰু তোমাৰ চৰণ তুষ্ট হ'ম মই । কৰা দেৱ উচিত যি হয়।

দ্ৰোণ—তই এক অস্পৃশ্য চণ্ডাল, যদি কৰোঁ শিষ্য বুলি তোক সম্বোধন ওখ মূৰ নত হ'ব মোৰ। জগতে হাঁহিব দ্ৰোণাচাৰ্য চণ্ডালৰ গুৰু । নাই নহব একোকে । তোৰ ই বৃথা অভিলাষ ।

একলব্য ভগৱান ! পৰ্বত প্ৰান্তৰ ভেদি আহিছিলোঁ যিহেতু বেগাই তাৰে নেকি এই প্ৰতিদান ? চণ্ডালৰ পুত্ৰ বুলি জগতে বৰ্জিব মোক । কিয় তেন্তে চণ্ডালৰ কৰিলা সৃজন ?

দ্ৰোণ ভালে ভালে আঁতৰ ইয়াৰ পৰা অস্পৃশ্য চণ্ডাল তোৰ ইমান সাহ ।

একলব্য ভগৱান ! ভগৱান ! অভিশাপ দিয়া অস্পৃশ্য ঘৃণিত নাম দূৰ হ'ক পৃথিৱীৰ পৰা । শেষ ওক সকলো অস্পৃশ্য লগে লগে শেষ হওক একলব্য নাম ।

দ্ৰোণ—মিছাতে চণ্ডাল তই কিয় বাৰু কৰিছ পলম। গুচি যা গুচি যা তই গৃহাভিমুখে ।

একলব্য—যোৱাৰ আগতে দেৱ কৰা আশীৰ্বাদ পাৰোঁ যেন মনোবাঞ্ছা কৰিব পূৰণ ।

দ্ৰোণ—অধম চণ্ডাল বুজিছোঁ কথাৰ পাক । নোৱাৰ ঠগাব মোক । ভালে ভালে আঁতৰ ইয়াৰ পৰা । নহলে- - - -

একলব্য—নহলে কি কৰিবা গুৰুদেৱ ? কৰা যদি শৰ নিক্ষেপ হাঁহি মুখে পাতি দিম বুকু । গুৰুৰ হাতত মৰি স্বৰ্গবাসী হ'ম । দিয়া দেৱ শাস্তি দিয়া মোক ।

দ্ৰোণ --সঁচাকৈয়ে উচ্চাকাংক্ষী তই। মৰিব খুজিছ তই দ্ৰোণাচাৰ্যৰ হাতত । সিও তোৰ বৃথা অভিলাষ। নিদিওঁ সি হেন শাস্তি। জাননে চণ্ডাল নাযাৰ ভাজৰে যদি উলিয়াই দিম তোক পদাঘাত কৰি ।

একলব্য- সিও তেন্তে আশীৰ্বাদ মোৰ । দেৱ ! পদাঘাত কৰা যদি তোমাৰ সেই পুণ্য পদ-ধূলি পৰিব যে শৰীৰত মোৰ ।

দ্ৰোণ—বৃথা তৰ্ক নকৰিবা আৰু, ঘৃণাৰ আধাৰ তই অধম চণ্ডাল তোৰ সৈতে কথা কোৱাও মোৰ পাপ। আঁতৰ, আঁতৰ ইয়াৰ পৰা।

একলব্য—হে পৰম পিতা পৰমেশ্বৰ এবাৰ মূৰ তুলি চোৱা। জনমিলো বুলি হীন চণ্ডাল কুলত কেনে আজি তীব্ৰ অপমান। আই! আখৰে আখৰে সত্য তোমাৰ বচন। চোৱা আহি পুত্ৰক তোমাৰ। কৰ্ণ! একে দশা মোৰো আজি ভাই! নীচ বুলি দিলে আঁতৰাই। তথাপিও তথাপিও, দেৱ, তুমি মোৰ গুৰু। চন্দ্ৰ সূৰ্য সাক্ষী থাকিবা, দেৱগণ সাক্ষী থাকিবা, আজিও মই মুক্ত কণ্ঠে কওঁ দ্ৰোণাচাৰ্য গুৰুদেৱ মোৰ। আলাই-আথানি হ'ম যেবে বিপদত পৰি গুৰু বুলি সম্বোধি তোমাক পাম মই প্ৰাণত আৰাম। নালাগে নালাগে দেৱ শিষ্যৰূপে কৰিব গ্ৰহণ, অলক্ষিতে পূজিম তোমাক। হয় হব প্ৰতিজ্ঞা পূৰণ, নতু কিন্তু প্ৰাণ বিসৰ্জন। (দ্ৰোণক সেৱা কৰি প্ৰস্থান)

দ্ৰোণ—সঁচাকৈয়ে একলব্য অতি ভক্তিমান অলক্ষিতে কৰোঁ আশীৰ্বাদ। শুভ ইচ্ছা সিদ্ধি হ'ক তাৰ। (প্ৰস্থান)

৬ষ্ঠ দৃশ্য

(নদীৰ পাৰ, একলব্য)

একলব্য—সঁচাকৈয়ে আইৰ কথা আখৰে আখৰে সত্য। যাক প্ৰাণতকৈও ভক্তি কৰিছিলোঁ যাৰ দৰ্শনৰ নিমিত্তে ইমান কষ্ট কৰি আহিছিলোঁ, তেওঁৰেই শেহত এনে ব্যৱহাৰ। ধন্য মানৱ! ধন্য সংসাৰ! ধন্য তোমালোকৰ জাতিভেদ প্ৰথা। গুৰুদেৱ! তোমাক যে মই কিমান ভক্তি কৰিছিলোঁ তথাপি তুমি মোক পুতৌ নকৰিলা।

হে দেৱতাসকল! হে মেঘমালা! তোমালোকে কোৱা—মোৰ কি দোষ। কৰ্ণ! এবাৰ তোমাক লগ পোৱা হলে হৃদয়ৰ গধুৰ বোজা পাতলাব পাৰিলো-হেঁতেন—

নাই দ্ৰোণ মোৰ তথাপিও গুৰু। নিদিলে নালাগে তেওঁ আশ্ৰয় কাষত। তথাপিও তেওঁৰ এটি মূৰ্তি নিৰ্মাণ কৰি তাকে গুৰু বুলি পূজা কৰিম। কত শত মহামুনিয়ে তপৰ বলেৰে অসাধ্যও কৰিলে সাধন, অসম্ভৱ কৰিলে সম্ভৱ, ময়ো তেন্তে মহাযোগী ৰূপে দ্ৰোণাচাৰ্যক পূজা কৰি বীৰ নাম লম জগতত, দেখিম এই নিঃকিনৰ পূজাত তেওঁ হয় নে নহয় তুষ্ট। যাওঁ শীঘ্ৰে এক দ্ৰোণ-মূৰ্তি নিৰ্মাণ কৰোগে। (প্ৰস্থান)

৭ম দৃশ্য

(হাবি। গীত গাই গাই ব্যাধবালকগণৰ প্ৰৱেশ)

গীত

ভয় কি আমাৰ চিকাৰী ব্যাধ
হাতত ধনু-বাণ,
বাঘ, ঘোং, বৰা পালেই
নাচি উঠে প্ৰাণ।
আকাশ আমাৰ ঘৰৰ চাল
মাটি ঘৰৰ ভেটি,
হাবি আমাৰ ঘৰৰ বেৰ
হাবি আমাৰ খেতি।
ভোকত খাওঁ গছৰ গুটি
পিয়াহত সৌ পানী
কিহৰ চিন্তা কিহৰ ভয়
গাই ফুৰোঁ গান।
নাজানো ভাই আপোন পৰ
সকলো সমান,
নাজানো ভাই হিংসা দ্বেষ
নাজানো যে ঘিণ॥

বনত আমাৰ জনম ভাই
বনতেই মৰণ,
বনৰ ব্যাধৰ ল'ৰা যে আমি
চিৰকাল স্বাধীন।

(প্ৰস্থান)

৮ম দৃশ্য

(একলব্যৰ পৰ্ণ কুটীৰ।
কাষেদি এখন নদী বৈ গৈছে।
(সন্মুখত দ্ৰোণ-মূৰ্তি 'ল একলব্যই পূজা কৰি থাকে

একলব্য হাঁহি হাঁহি তুমি সকলোকে অস্ত্ৰশিক্ষা দিছা। সকলো শিষ্যকে মৰম চকুৰে চাইছা। আজি এই নিঃকিনেও তোমাৰ সেৱাৰ ক্ষুদ্ৰ আয়োজন কৰিছে। নিজ গুণে অবোধৰ শত অপৰাধ মাৰ্জনা কৰিবা দেৱ। তোমাৰ কৃপাতে বীৰ নাম পালে কতজনে। কৰা দেৱ আশীবাদ তোমাৰ এই নিচলা শিষ্যয়ো পাবে যেন কৰিব সিদ্ধি মনোবাঞ্ছা তাৰ।

(ফুল দিয়ে)

গুৰুদেৱ! এই শৰ কৰিলে নিক্ষেপ পাৰিম নে লৰা পাত থিৰেৰে ৰাখিব। (শৰ মাৰে) ধন্য! ধন্য তপ মোৰ যিহৰ কাৰণে শৰ মই কৰিলোঁ নিক্ষেপ তাতে মই হলো কৃতকাৰ্য। এটি পাতো লৰা নাই আৰু সকলোবোৰ থিৰেৰে বৈছে। নাই আৰু একশৰ মাৰি দিওঁ তাক আগৰ শকতি। (শৰ মাৰে) হাঃ হাঃ হাঃ তাতো মই হলো কৃতকাৰ্য। (আকৌ পূজা কৰে) দেৱ! এইবাৰ যেন সৰি থকা পাত এটি নি শৰৰ বলেৰে পাৰোঁগৈ লগাব গছত (শৰ মাৰে) হাঃ হাঃ তাতো মই হলো কৃতকাৰ্য। দেৱ নিশ্চয়েই তুষ্ট হৈছা তুমি, লগে লগে ভাগ্য-লক্ষ্মী মোৰ হৈছে উদয়। (কাষত শৰ মাৰে) কোন এই অবোধ মানৱ কৰিব খুজিছে মোৰ গাত শৰ-বৰিষণ? ক্ষন্তেক অপেক্ষা কৰ, দিম তাৰ যোগ্য পুৰস্কাৰ। (শৰ জোৰে) এই শৰে সেই মানৱৰ হাত-ভৰি কৰাগৈ বন্ধন। (শৰ মাৰে)

ব্যাধ বালকগণ (ভিতৰত) ৰক্ষা কৰা। ৰক্ষা কৰা।

একলব্য বুজিছোঁ সকলো। চিকাৰী কোনোবা আজি আহিছে বনত। যাওঁ নিজে লওঁ পৰিচয়। (যায়)

(অলপ পিছত ব্যাধবালকগণৰ লগত একলব্যৰ পুন প্ৰৱেশ)

একলব্য—ভাইহঁত ক্ষমিবা সকলো দোষ। নাজানি কৰিলোঁ এনে কাম।

১ম ব্যাঃ বালক—কিয় ভাই বুলি কৰা সম্বোধন। মহাযোগী তুমি, আমি কিন্তু অতি নীচ ব্যাধ।

একলব্য—ভাইহঁত! ময়ো নীচ নিষাদ-তনয়। প্ৰতিজ্ঞা পালন হেতু ললোঁ এই তপস্বীৰ বেশ।

২য় ব্যাঃ বালক—নিষাদ-পুত্ৰ তুমি? কোন বাক দিয়া পৰিচয়।

একলব্য—পুত্ৰ মই হিৰণ্যধনুৰ। প্ৰতিজ্ঞা কৰিছো শিকিম নতুন এক ধনুবিদ্যা মই। তাৰ বাবে আজি এই তপস্বীৰ বেশ।

১ম ব্যাঃ বালক পুত্ৰ তুমি হিৰণ্যধনুৰ? হাঃ হাঃ আগেয়ে নোকোৱা কিয়? একলব্য এনেদৰে আছাহি বনত? ব'লা যাওঁ ঘৰলৈ আমি। আয়েৰে তোমাকে ভাবি কটাইছে দুখত দিন। চিনি পোৱা নাইনে আমাক, লগৰীয়া আছিলো এদিন।

একলব্য—ভাইহঁত! এতিয়াও পূৰ্ণশিক্ষা হোৱা নাই মোৰ। ক'বাগৈ আইক অলপতে একলব্য আহিব উলটি।

১ম ব্যাঃ বালক—তেন্তে আমি এতিয়া আহোঁহে একলব্য ।

একলব্য খ'লা ভাইহঁত । ময়ো বাৰু আগবঢ়াই থওঁ । (প্ৰস্থান)

নৱম দৃশ্য

(উদ্যান । ভীম, অৰ্জুন আৰু অশ্বত্থামা)

অৰ্জুন—মাজু দাদা। মৃগয়া কৰিবলৈ তোমাৰ ভাল নালাগেনে ? মোৰ হলে বৰ ভাল লাগে ।

ভীম —মোৰ নো কিয় ভাল নালাগিব । কিন্তু — যেতিয়াই তেতিয়াই যাৰে তাৰে লগত, বিশেষকৈ গুৰুদেৱৰ লগত মৃগয়ালৈ যাব ভাল নালাগে ।

অৰ্জুন —কিয় মাজু দাদা ?

ভীম —নজনাই হলি। ধনুবিদ্যাত গুৰুদেৱে তোক অতিকৈ প্ৰশংসা কৰে কিন্তু আমাক হলে নকৰে, সেই কাৰণে; গুৰুদেৱৰ লগত মৃগয়ালৈ যাব ভাল নালাগে।

অৰ্জুন —মিছা কথা। গুৰুদেৱে যেয়ে পৰীক্ষা কৰিবলে পাৰে তাকে ভাল বোলে । সিদিনা অশ্বত্থামাকোতো তেওঁ প্ৰশংসা কৰিছিল।

ভীম —কৰিছিল শুতেক বুলিহে । কৰা হলে লক্ষ্যভেদ মই নকৰিলেহেঁতেন প্ৰশংসা ।

অশ্বত্থামা— দাদা কিয় ভুল বুজিছা পিতাক। তেওঁ দেখো, সকলোকে সমভাৱে ব্যৱহাৰ কৰে।

ভীম— মিছা কথা ।

অৰ্জুন বাৰু মিছাই হওক । গুৰুদেৱ আহিলে এইবাৰ কম তেওঁক এই কথা ভালভাৱে চাই যেন তোমাক ।

ভীম —সাৱধান, সাৱধান বুলিছোঁ অৰ্জুন নলবি জোকাই মোক ।

অশ্বত্থামা—কিয় দাদা ভুলতে পিতাই বোধ হয় এনেদৰে ব্যৱহাৰ কৰিছে তোমাক । যদি ভুল সোঁৱৰাই দিওঁ, নিশ্চয় কৰিব তেওঁ তাৰ প্ৰতিকাৰ ।

ভীম —নালাগে, নালাগে ভুল সোঁৱৰাই দিব । তইঁতেই হ প্ৰিয় তেওঁৰ । ভাবিছ হবলা ভয় কৰি হাক দিছোঁ বুলি কিন্তু যদি কৰও সকলো ভয় মই নকৰোঁ জানিবি । যদি ইচ্ছা আছে কৰি তাকে ।

অৰ্জুন —নকওঁ তেন্তে বাৰু। পিছে দাদা, গুৰুদেৱ আহিলে এতিয়া ক'মনে তেওঁক মৃগয়াৰ কথা ।

ভীম —ক'বি যি ভাল দেখ । নাই মোৰ আপত্তি একেবাৰে । ধনুখেলা মোৰ সমুজি ভাল নালাগে, তথাপি তইঁতে ধৰিলি যেতিয়া যাম বাৰু ।

অৰ্জুন তেন্তে দাদা সেয়ে হওক । অ' সৌৱা গুৰুদেৱ আহিছেই ।

(দ্ৰোণাচাৰ্যৰ প্ৰৱেশ সকলোৱে প্ৰণাম কৰে)।

দ্ৰোণ —উঠা বোপাহঁত । কোৱা বাৰু কি কৰিব অভিলাষ আজি ?

অৰ্জুন —গুৰুদেৱ ! কৰিছোঁ যুক্তি আমি যাম আজি মৃগয়ালৈ । বহুদিন নকৰি মৃগয়া বৰ বেয়া লাগিছে মনত ।

দ্ৰোণ —সেয়ে নেকি মত সকলোৰে ।

অশ্বত্থামা —হয় পিতা যাব খোজো মৃগয়াক আজি । তাৰ বাবে সকলো প্ৰস্তুত আমি ।

দ্ৰোণ —ভীম ! তুমি কি কোৱা, তোমাৰ কিবা আপত্তি আছেনেকি ?

ভীম —আপত্তিৰ একো কাৰণ নাই গুৰুদেৱ ।

দ্ৰোণ তেন্তে সেয়ে হওক । যোৱা বাছা অশ্বত্থামা ৰথ আদি কৰাগৈ প্ৰস্তুত । ভীম তুমিও যোৱা অশ্বত্থামাক সহায় কৰাগৈ ।

অশ্বত্থামা—ভাল পিতা । (অশ্বত্থামা আৰু ভীম যায়)

অর্জুন—গুৰুদেৱ ! আদেশ দিয়া ময়ো ৰথ-সজ্জা কৰোঁগৈ ।

দ্রোণ—ব'বা বোপা। কন্তেকৰ বাবে কথা পাতো তোমাৰ লগত। তুমি মোৰ অতি প্ৰিয় শিষ্য। অৰ্জুন কৰিছোঁ মন্ত্রণা মই তোমাক আৰু অশ্বত্থামাক ধনুৰ্বিদ্যাত সু-শিক্ষিত কৰিম। তোমাৰ বুদ্ধি দেখি মই স্তম্ভিত হৈছোঁ। তুমি ভৱিষ্যতৰ্ত মহাবীৰ বুলি প্ৰখ্যাত হ'বা, আৰু তোমাৰ সহায়েৰে মই বৃদ্ধ হয়ো বহুত কাম সমাধা কৰিব পাৰিম ।

(অশ্বত্থামাৰ প্ৰৱেশ)

অশ্বত্থামা -পিতা ৰথ আদি সকলো প্ৰস্তুত হৈ আছে ।

দ্রোণ -ব'লা তেন্তে। আহাঁ অৰ্জুন। (প্ৰস্থান)

১০ম দৃশ্য

একলব্যৰ কুটীৰ

(সন্মুখত দ্রোণ-মূৰ্ত্তি লৈ একলব্যই পূজা কৰি থাকে। নেপথ্যত গীত।)

গীত

আহাহে সাধক আহাহে সাধক
আহাহে ভক্ত আকুল প্ৰাণ,
তোমাৰ বন্দনে সউ চোৱা কেনে
গৌৰৱময় সিদ্ধি স্থান ।
নহবা নিৰাশ নকৰিবা খেদ
নিষাদ ক্ষত্ৰিয়ৰ নাই প্ৰভেদ
শুনাহে পূজাৰী শুনা কি মধুৰ
নিষাদৰ জয়গান। নিষাদৰ জয়গান।

একলব্য—কোনে গায় স্বৰ্গীয় অমিয়া সুমত নিষাদৰ বিজয়ৰ গান ? প্ৰতিতালে কই যাই তাৰ মানুহৰ উচ্চ-নীচ নাই। সঁচা যদি দেৱ থাকা সি গুৰুদেৱ শিষ্যভাবে জোৰা মোকো।

(দূৰণিত কুকুৰৰ ভুকভুকনি শুনা যায়)

গুৰুদেৱ ! অতি ভক্তিৰে অতি আশা কৰি থাপিছোঁ তোমাক তুমি আহা ।

দেৱ ! অতি প্ৰিয় তুমি মোৰ মাতিছোঁ বিনয়ে তুমি আহা ।

দেৱ ! অতি ভক্তিভাৱে থৈছো আসন পাতি তুমি আহা, পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে বিৰাজ কৰাহি। দেৱ ! লোৱা লোৱা এই সেৱকৰ ভক্তি পুষ্পাঞ্জলি ।

(আকৌ কুকুৰৰ ভুকভুকনি)

কাৰনো কুকুৰ সেইয়া, বাৰে বাৰে তপ ভঙ্গ কৰে আহি মোৰ। কন্তেক অপেক্ষা কৰ দিম তাৰ যোগ্য পুৰস্কাৰ। (শৰ মাৰে)

যা এই শৰ আবাৰ কৰা কুকুৰৰ বিনা ৰক্ত-পাতে আৰু বিনা আঘাতে ৰে কৰাগৈ মুখ বন্ধ তাৰ। (শৰ মাৰে)

অৰ্জুন -(ভিতৰত) আচৰিত ! আচৰিত ! অশ্বত্থামা অশ্বত্থামা ! মাতৃ দাদা ! মাতৃ দাদা ! আহা আগবাঢ়ি চোৱাহি এক আচৰিত দৃশ্য। বিনা ৰক্তপাতে আৰু বিনা আঘাতৰে চিকাৰী কুকুৰসবৰ মুখ বন্ধ কৰে কোনোবাই ।

একলব্য কি ? কি ? কাৰনো চিঞৰ। সেইয়া বোধ কৰো কোনোবা চিকাৰী দেখি এনে শৰ ভয় খাই ধৰিছে চিঞৰ। ভয় নাই, ভয় নাই চিকাৰী মণ্ডলী কাৰো একো নহব বিপদ। সময়ত মুক্ত কৰি দিম কুকুৰক। আহাচোন আগবাঢ়ি কোন তোমালোক ।

(ভীম, অৰ্জুন আৰু অশ্বত্থামাৰ বেগেৰে প্ৰৱেশ)

অৰ্জুন—কোন তুমি তপস্বীৰ বেশ ধৰি ধনুৰ্বিদ্যা শিকিছা অদ্ভুত ।

একলব্য প্ৰথমতে কোৱা কোন তোমালোক । যদিহে উচিত দেখো দিম মই মোৰ পৰিচয় ।

অৰ্জুন—তপস্বী ! আমি ৰাজপুত্ৰ হস্তিনাপুৰৰ । আহিছিলোঁ মৃগয়া কৰিব । কোৱাচোন কোন তুমি কিবা তপোবনে অসম্ভৱ কৰিছা সম্ভৱ ।

একলব্য - অতি হীন অতি হেয় ঘৃণাৰ আধাৰ মই নিষাদ-তনয় একলব্য নাম মোৰ শিষ্য মই দ্ৰোণাচাৰ্যৰ ।

অশ্বত্থামা ছিঃ শিষ্য তুমি তেওঁৰ । মিছা কথা কেতিয়াও নহয় বিশ্বাস ।

অৰ্জুন —বুজিছোঁ সকলো, ভাল পাওঁ ভাল পাওঁ বুলি গুৰুদেৱে ভুলালে আমাক ।

ভীম অৰ্জুন । ভাবিছিলি হবলা তয়ে মাত্ৰ শিষ্য তেওঁৰ । কিন্তু মিছা তোৰ সেই ভাব । আগেয়েই কৈছিলোঁ নহয় ।

অশ্বত্থামা মিছা কথা ক'লে তপস্বীয়ে । জানো মই নিদিয়ে পিতাই শিক্ষা কেতিয়াও হীন চণ্ডালক ।

ভীম জান যদি তাৰে এই পৰিণাম ভোগ কৰ।

অশ্বত্থামা দাদা ! কিয় ভুল বুজিছা পিতাৰ্কে? নহয় তেনেতো পিতা চণ্ডালক দিব অস্ত্ৰ-শিক্ষা ।

ভীম মূৰ্খ অশ্বত্থামা, পিতৃ তোৰ মহা স্বাৰ্থপৰ, কত কথা জানো । মই নকওঁ সকলো কালেই পৰিবি লাজত ।

অশ্বত্থামা কিয় দাদা কোৱা তেনে কথা। জনাম সকলো বাৰু পিতৃৰ গুৰিত, চাম বাৰু কিনো কয় তেওঁ । মোৰ মনে মিছা কথা ক'লে তপস্বীয়ে ।

একলব্য নহয় বীৰ । মিছা কথা কোৱা নাই মই। কৰবলৈয়ো নাই স্বাৰ্থ মোৰ। এতিয়াও মুক্ত কণ্ঠে কওঁ দ্ৰোণাচাৰ্য গুৰুদেৱ মোৰ । তেৱেঁ মোক দিলে ধনু শিক্ষা। তাতো যদি কৰা অবিশ্বাস নোৱাৰিম বিশ্বাস কৰাব ।

অশ্বত্থামা জানো মই মিছা কথা। এনে আচৰিত কথা কদাপিও নহয় বিশ্বাস ।

একলব্য কিয় বীৰ এতিয়াও কৰা অবিশ্বাস?

অশ্বত্থামা অবিশ্বাসী সকলো মানৱ । কিনো দৰে চণ্ডালক কৰিম বিশ্বাস ।

একলব্য -কি, কি, হীন চণ্ডাল বুলি অবিশ্বাস কৰিব জগতে । মোৰ মনে অবিশ্বাসী উচ্চ জাতি-বোৰ। উচ্চ জাতি উচ্চ জাতি বুলি তেওঁ-লোক অভিমানী হয়। নীচ জাতিক ঘিণায় সততে । ইজনক ছুলে সিজনৰ জাতি যায় । এয়ে হ'ল উচ্চ জাতিৰ নিয়ম । আৰু জানানে উচ্চবংশী বীৰ চণ্ডালৰ নিয়ম ধৰম যদি কোৱা এটি মাত্ৰ অসত্য বচন তাতে তাৰ বহু পাপ হয় । এয়ে মাত্ৰ ভেদ হীন আৰু উচ্চৰ মাজত ।

অৰ্জুন আৰু তৰ্ক নকৰিবা ভাইহঁত। বুজিছোঁ সকলো মই। গুৰুদেৱে ফাঁকি দিলে মোক।

(দ্ৰোণাচাৰ্যৰ প্ৰবেশ)

দ্ৰোণ নাই দিয়া একো ফাঁকি মই। কোৱা বোপা, কিয় বাৰু ব্যথিত পৰাণ। দুখমনে কিয় আছা তুমি? আহিছিলা মৃগয়া কৰিব কিয় বাৰু মিছা কথা ভাবি অনৰ্থক কৰিছা পলম?

একলব্য আজি মোৰ শুভ আশা হ'ল সমাপন, গুৰুদেৱ । গুৰুদেৱ । (সেৱা কৰে)

দ্ৰোণ কোন তুমি তপস্বী বালক? গুৰুদেৱ গুৰুদেৱ বুলি কৰিছাহি সম্বোধন মোক।

অৰ্জুন নিচিনাই হ'লানে এতিয়া। তোমাৰেই প্ৰিয় শিষ্য তেওঁ ।

একলব্য মই তোমাৰেই শিষ্য গুৰুদেৱ ।

দ্ৰোণ কেমন তুমি? নপৰে মনত দেখো তোমাক অস্ত্ৰশিক্ষা দিয়া। বোধ কৰো ক'ৰবাৰ কথা কাৰবাক কৈছাহি তুমি ।

একলব্য ঠিক ঠিক সেই গতি। তুমি তুমিয়েই গুৰু মোৰ। ধনুশিক্ষা দিছা তুমি মোক।

দ্ৰোণ দেখা নাই কোনো দিন। মিছাতে কিয়নো বাৰু গুৰু বুলি কৰা সম্বোধন! বাৰু স্থিৰ হৈ পৰিচয় দিয়া !

একলব্য একলব্য নাম মোৰ নিষাদ-তনয়। এদিন তোমাৰ গুৰিত অস্ত্ৰশিক্ষা কৰিবৰ মনে গৈছিলোঁ উলাহেৰে মই । কিন্তু দেৱ নীচ জাতি বুলি নকৰিলে শিষ্য মোক । তথাপিও দেৱ তোমাৰ কাৰণে বহু ভক্তি

আছিল প্ৰাণত তোমাৰ মূৰ্তিকে আঁকি দিনে
ৰাতি পূজিছিলোঁ মই ।

দ্ৰোণ বাৰু তাৰ পৰা কিনো শিক্ষা শিকিলা ধনুৰ ?

একলব্য পৰীক্ষা কৰি চাওক দেৱ ।

অৰ্জুন কিয় দেৱ ! অতি অদ্ভুত অতি আচৰিত
ধনু শিক্ষা দিছা তুমি তেওঁক । যি শবৰ
নাম আদিকেই শুনা নাই আমি কোনো
জনে, শিকাই দিছা তেনেকুৱা শৰ । দেৱ !
আমাৰ চিকাৰী কুকুৰে কুকে দেখি ভীষণ
আৰাৱ, মাৰি একশৰ বিনা ৰক্তপাতে আৰু
বিনা আঘাতৰে মুখ বন্ধ কৰিলে এইতোমাৰ
শিষ্যই । দেৱ ! এনে শৰৰ কথাতো আমাৰ
আগত কেতিয়াও কোৱা নাই ।

দ্ৰোণ কি কৰিব কোৱা মোক অৰ্জুন, ওপৰ বলত
এওঁ পালে এনে শিক্ষা ।

অৰ্জুন কিয় দেৱ কৰিছিলা নহয় প্ৰতিজ্ঞা, নিদিওঁ
কোনো শিষ্যকে মোতকৈ বেছি শিক্ষা বুলি।
কিয় তেন্তে পণ তুমি নাৰাখিলা দেৱ ।
ৰাখিব প্ৰতিজ্ঞা তোমাৰ কৰা তাৰ উচিত
বিধান ।

দ্ৰোণ বুজিছোঁ কথাৰ পাক তোমাৰ অৰ্জুন ।
তাকে বাৰু চেষ্টা কৰি চাওঁ ।
সঁচা নেকি ময়ে তোমাৰ শিক্ষাগুৰু ?

একলব্য--সঁচা দেৱ ! তুমি তুমিয়েই শিক্ষাগুৰু মোৰ।

দ্ৰোণ ভাবি চোৱা ভালদৰে ।

একলব্য -ঠিক, ঠিক সেই মতি । এইয়া চোৱা
গুৰুদেৱ তোমাৰ মূৰ্তিকে মাথোঁ ইমদিনে
পূজিছিলোঁ মই । কিন্তু তোমাৰ দৰ্শন পাই
ধন্য হলোঁ আজি !

দ্ৰোণ সেয়ে যদি হয়, একলব্য নিদিয়ানে গুৰুৰ
দক্ষিণা মোক ? দক্ষিণা দি প্ৰিয় শিষ্য চোৱা।

একলব্য কি দেৱ দক্ষিণা মোৰ কৰিবা গ্ৰহণ ।
কোৱা কোৱা শীঘ্ৰে কিনো দিলে তুষ্ট হবা তুমি
কিনো পালে ঘুচিব অভয় । অতিকৈ দুখীয়া
মই, নাই মোৰ দিবলৈ ধন-সোণ আদি,
কিন্তু এই ভক্তিভৰা চিত চিৰদিন সাজু
আছোঁ তোমাক সন্তুষ্ট কৰিব । কোৱা
দেৱ, কি লাগে তোমাক । প্ৰাণ বলি দিও
ইপ্সিত দক্ষিণা তোমাৰ দিবলৈ সাজু আছোঁ
মই । কোৱা কিনো কৰিবা গ্ৰহণ ।

দ্ৰোণ নালাগে বিশেষ একো । প্ৰাণ বলি দিবলৈ
নালাগে মিছাতে যদি দিয়া------স্থিৰ হ
প্ৰাণ । বিচলিত হব খোজ কিয় ।

একলব্য কোৱা দেৱ নকৰিবা অলপো সন্দেহ,
হৃদয়ৰ ৰক্ত দিও সাজু আছোঁ পূজিব
তোমাক ।

দ্ৰোণ দিয়া তেন্তে তোমাৰ সেই সোঁহাতৰ বুঢ়া
আঙুলিটো । তাকে পালে তুষ্ট হ'ম মই ।

একলব্য সামান্য বুঢ়া আঙুলিটো পালে যদি তুষ্ট
হোৱা তুমি নাই মোৰ একো কথা তাত ।
ল'বা ল'বা দেৱ (আঙুলি কাটি) এয়ে সেই
ইপ্সিত দক্ষিণা । (সেৱা কৰে)

দ্ৰোণ (দক্ষিণা লৈ) ধন্য, ধন্য তুমি । নোহোৱা
তুমি সামান্য চণ্ডাল । একলব্য তুমি দেৱ-
তুল্য । মানুহ হৈ মানুহকে ঘিণ কৰি মই
মহাপাপ কৰিছিলোঁ কিন্তু আজি ভালদৰে
বুজি পালো । মানুহৰ উচ্চ-নীচ নাই ।
যিয়ে গুণী তেৱেঁ পূজনীয় ।
সৌৱা চোৱা একলব্য, ওপৰৰ পৰা
দেৱতাসকলে পুষ্প বৰিষণ কৰিছে ।
তোমাৰ একলব্য নাম গুৰু-ভক্তিৰ চিন
স্বৰূপেহে জগতত চিৰদিন থাকিব উজলি ।
তোমাৰ যেন শুভ ইচ্ছা পূৰ্ণ হয় । তোমাৰ
জীৱন যেন মধুময় মঙ্গলময় হয় ।
প্ৰিয় শিষ্যৰ কাৰণে কৰিলোঁ যি
দোষ ক্ষমিবা ক্ষমিবা প্ৰভু ।

(আঁৰ-কাপোৰ)

আলিবাবা

অর্পণ

যি জনাৰ উৎসাহ আৰু উদগণিত এই নিঃকিনে
এনেবোৰ কামনৈ আগবাঢ়িবলৈ
সাহ কৰিছে
সেই
অসমৰ বিখ্যাত কংগ্ৰেছ কৰ্মী, অল ইণ্ডিয়া
মেডিকেল কাউন্সিলৰ মেম্বৰ, সৰ্ব্বৰহী
ডাক্তৰ, ডেকাসকলৰ আদৰ্শ
স্বৰূপ, পূজনীয়
মহাদেউ —
ডাঃ শ্ৰীযুত ভুবনেশ্বৰ বৰুৱা এম্-বি (কলিকতা)
দেৱৰ শ্ৰীচৰণত এই ক্ষুদ্ৰ পুথিখনি
অৰ্পণ কৰিলো
ইতি —

১৯৩৯ চন
গুৱাহাটী

—লক্ষ্য

চৰিত্ৰ —

মুনিহ

আলিবাবা প্ৰথমতে গৰীব, পিছত আৰবৰ ধনী সদাগৰ
কাছিম -আলিবাবাৰ ভায়েক, ধনী সদাগৰ
মহম্মদ- -আলিবাবাৰ পুতেক
আবদাল্লা } —কাছিমৰ ভৃত্য
সোৰহা
ৰহমান
মঙ্গলচাঁদ —দস্যু চৰ্দাৰ
মোস্তাফাঁ —এজন মুচিয়াৰ
নুৰ মহম্মদ -সদাগৰ আবুবেনৰ ধনভঁৰালী।
দস্যুবিলাক, মুছাফিৰ, খৰিকটীয়া, মানুহবিলাক, বাজনাদাৰসকল ইত্যাদি

তিৰোতা

সালিমা — আলিবাবাৰ ঘৈণীয়েক
মেলিনা কাছিমৰ ঘৈণীয়েক
আমিনা (সৰু ছোৱালী) আলিবাবাৰ জীয়েক
মজিয়ানা —আলিবাবাৰ লিগিৰী

আলিবাবা

প্ৰথম অঙ্ক

১ম দৃশ্য

(আলিবাবাৰ কুটীৰৰ ভিতৰ ফাল—ক'ত কি বস্তু আছে তাৰ থানথিত নাই। এখন চালপীৰাত বহি আলিবাবাই কোৰাণ পঢ়ি থাকে। চালিমা সোমাই আহে)

সালিমা—অ' আই ! কি মস্কিল। এইদৰে হাত সাবটি বহি থাকিলে হবনে ? ঘৰত খুদকণ এটি নাই, এতিয়া ল'ৰা-ছোৱালী কেইটাই আমনি কৰিলে কি দিম ? নাযায় কিয় ?

আলিবাবা -সালিমা ! খোদাৰ যে কি বিচিত্ৰ সৃষ্টি। এজনে ধন দৌলতৰ দুনিয়াৰ গোটেই ঐশ্বৰ্যৰ অধিকাৰী হৈ মহাসুখে জীৱন ধাৰণ কৰিছে আৰু থিক তাৰেই দৰে এজনে এমুঠি অন্নৰ কাৰণে দুৱাৰে দুৱাৰে হাহাকাৰ কৰি ফুৰিব লগাত পৰিছে। এজনে আকৌ নিজৰ আনন্দ তামচাত দুনিয়া গুলজাৰ কৰি দিছে আৰু ঠিক তাৰেই নিচিনা এজনে আকৌ শোকত থাকিব নোৱাৰি বুকু ভুকুৱাই বেজাৰৰ হুমুনিয়াহ পেলাইছে। তথাপি-তথাপিতো দুনিয়া খুব ঠিকে আছে।

সালিমা—সেইবোৰ ভাবনা এৰক। পাৰেনে এমুঠি খাদ্যৰ যোগাৰ 'কৰক। ল'ৰাইতে এতিয়াই আমনি কৰিবহি।

আলিবাবা—খাদ্য—খাদ্য খোদাই দিব সালিমা ! আজি বহুত বছৰ দুখ-দৈন্যতাৰ লগত যুঁজ কৰিলো—আৰু দিলে সহ্য নকৰে। কিমান ঐশ্বৰ্য, কিমান ধন, সোণ ৰূপা একে-দিনাইতে সেইবোৰ শেষ হৈ গ'ল। ভোঁজবাজী ! সালিমা এই দুনিয়াখনেই এখন পাক্কা ভোঁজবাজী।

(আমিনা ভিতৰত "আম্মাজান ! আম্মাজান" কৰি সোমাই আহে)

আমিনা আম্মাজান ! আম্মাজান ! ভোক লাগিছে।

সালিমা---বাছা ! (সাৱটি ধৰি চকুপানী মচে)

আমিনা -আম্মাজান !

সালিমা -বাছা ! (চকুপানী মচি কান্দে)

আলিবাবা—হায়ৰে দুনিয়া।

আমিনা -বাবাজান !

আলিবাবা -তিৰোতাৰ চকুপানী সন্তানৰ ক্ষুধাতুৰ কণ্ঠৰ আৰ্তনাদ, দুনিয়াৰ দুখ-দৈন্যতাৰ এই গধুৰ বোজা কি মই ইমান সহজে বহন কৰিব পাৰিম খোদা ? নহয় নহয় খোদা। ভূমিকম্পৰ সৃষ্টি কৰা, সকলো ৰসাতলে যাওক। মোক ছাই কৰি দিয়া নহলে—নহলে মই তোমাৰ এই আদেশ পালন কৰিব নোৱাৰিম। মই তোমাৰ প্ৰধান ভক্তও নহলে তোমাৰ অবাধ্য হব লগাত পৰিম। তোমাৰ বিপক্ষে বিদ্ৰোহ কৰি উঠিম। খোদা —খোদা (কোলাৰ লগে লগে চকুপানী ৰৈ যায়)

আমিনা -বাবাজান ! তুমি এইবোৰ কি কৈছা ? মোৰ ভয় লাগে।

আলিবাবা—ভয় লাগে ? ভয় লাগে—বাপেকক দেখি সন্তানৰ ভয় লাগে—কি আচৰ্য ? নহয় লাগিবইতো। মই তোতাইৰ বাপেক নহওঁ মই পিশাচ ! বাপেক হোৱাহেঁতেন মই জানো তাইৰ এই ৰুৰুণ দৃশ্য নিজ চকুৰে চাই থাকিব পাৰিলোহেঁতেন ? যা আমিনা আঁতৰি

যা। এই পিশাচৰ সন্মুখত নেথাকিবি। ক'ৰবাত সি তোক নষ্ট কৰি পেলাব। যা আঁতৰি যা।

আমিনা আম্মাজান! বাবাজানে এইবোৰ কি কৈছে? মোক একো খাবলৈ নিদিয়ানেকি?

সালিমা -বাছা! মোৰ সোণ! (চকুপানী মচে)

আমিনা -(কান্দি) তোমালোকে যদি একো নিদিয়া মই যাওঁ, চাচীক খুজি কিবা খাওঁগৈ।

আলি নহয় আমিনা! মই তোক খাদ্য দিম।

আমিনা খাদ্য -কি খাদ্য দিবা বাবাজান ?

আলি যি খাদ্যৰ কথা কোনেও কাহানিও কল্পনাত আনা নাই, যি খাদ্য কোনো বাপেকীয়ে ভোকত কলমলাই থকা সন্তানক কাহানিও কেতিয়াও যাচা নাই। যি খাদ্য ৰজা-মহাৰজাৰো অগোচৰ সেই খাদ্য সেই খাদ্য দিম বাছা তোক।

আমিনা দিয়া বাবাজান! মোৰ আৰু অসহ্য হৈ উঠিছে। সোনকালে দিয়া।

আলি -(আমিনাক কোলাত লৈ দুয়োগালে দুটা চুমা খায়) এই খাদ্য তোৰ জানো তৃপ্তি পলোৱা নাই? যা বাছা খেলা কৰগৈ যা। (আমিনাক নোযোৱা দেখি) যা আৰু নাই। ভাণ্ডাৰ সুদা কৰি দিছো যা। (আমিনা দুখ মনে গুচি যায়) সালিমা!

সালিমা -এতিয়াওনো আপুনি অল'ৰনে! যাওক ক'ৰবাত পাৰেনে এমুঠি অন্নৰ যোগাৰ কৰকগৈ।

আলি - কিয়? কোনো বাপেকীয়ে ক্ষুধাতুৰ সন্তানে 'খাদ্য দে খাদ্য দে' বুলি যেতিয়া হেপা মাৰি আহে তেতিয়া - তেতিয়া জানো এনে খাদ্য কোনোবাই যাচিছিল সালিমা? কি চমৎকাৰ। (ভিতৰত "চোৰ চোৰ মাৰ মাৰ" শব্দ হয়। আমিনাই "আম্মাজান আম্মাজান" কৈ চিঞৰে -"মাৰ মাৰ বেগম চাহেবাৰ বস্তু খাব আহিছে" কাছিমৰ বৈণীয়েক—"ঐ কি চাই আছ মাৰ। চাবুকৰ কোব সোধা।" আমিনা - "আম্মাজান! অম্মাজান! মাৰিলে ঔ।" কান্দোন শুনাৰ লগে লগে আলিবাবা আৰু সালিমা ব্যগ্র হৈ উঠে।)

সালিমা কি হৈছে কি হৈছে আমিনা! আমিনা!!
(আমিনাক মাৰি কোবাই লৈ এটা দাৰোৱান। আমিনাৰ গালত চেকনীৰ কোব লাগি গাল ফাটি তেজ বব লাগিছে)

স্যোৰছা এই বেগম চাহেবাৰ খোৱাবস্তু চুৰ কৰি খাবলৈ ধৰিছিল। ভাল মজা দিছো যা।
(মাৰ শোধায়। আমিনাই "আম্মাজান আম্মাজান" কৈ কান্দে। সালিমাই "বাছা বাছা"কৈ সাবটি লয়। সোৰছা যায়)

আলি -(এটা হুমুনিয়াহ কাঢ়ি) হায়ৰে খোদা!

সালিমা —কি হৈছিল সোণ? তই কেলেই তালৈ গৈছিলি? মই মানা কৰিছিলো নহয়?

আমিনা নহয় আম্মাজান! চাচীয়ে বহুত বস্তু খাব ধৰিছিল। মই খোজাত মোক নিদিলে। আধা খোৱা কিবা এটি চাচীয়ে খাই পেলাই দিয়াত মই খাবলৈ বুটলি লোৱাত মোক চাচীয়ে দাৰোৱান লগাই মৰাইছে চাচী বৰ দুষ্ট নহয়নে আম্মাজান ?

সালিমা নাপাই বাছা। চাচীক দুষ্ট বুলিব নাপায়। তই সেইবোৰ খাব নাপাই বুলিহে তোক সেইবোৰ খাবলৈ হাক দিছে। তই আজিৰ পৰা তালৈ নেযাবি সোণ!
(গালৰ ঘাৰ তেজ মচি দিয়ে)

আলি —কাছিম ভাই মোৰ তাৰ পৰিবাৰে মোৰ সন্তানক দাৰোৱানৰ হতুৱাই এটি সামান্য খাদ্যৰ কাৰণে চাবুকেৰে কোবায় - এয়েতো দুনিয়া। গৰীবৰ ওপৰত ৰজা-মহাৰজাৰ অত্যাচাৰ।

সালিমা -আপুনি যাওক। পাৰেনে ক'ৰবাত এটিমান পইছাৰ যোগাৰ কৰকগৈ। নহলে পেটৰ

পোৱালিক আজি খাব নিদি শুকাই মাৰিব লাগিব। আহ বাছা আমিনা ভিতৰলৈ যাওঁ। বাবাজানে তোক খাবলৈ পিছত আনি দিব।

(সালিমা আৰু আমিনা যাব)

আজি—ক'লৈ যাম ? ক'ত গ'লে ভিক্ষা পাম ? নিজৰ বোৱাৰী হৈ সন্তানৰ ওপৰত যি অত্যাচাৰ কৰিছে তাক চাই জানো এই দুনিয়াত মানুহৰ পৰা কিবা আশা কৰিব পাৰি ? খোদা—খোদা তোমাৰ সন্তানক তুমিয়েই পথ দেখুৱাই লৈ বলা। নহয় কাছিম-কাছিম-কাছিম মোৰ ভাই সহোদৰ। সিতো কেতিয়াও ঈমান নিদয় হব নোৱাৰে তাৰ অগোচৰত নিশ্চয় তাৰ পৰিবাৰে এই কাম কৰিছে। তাৰ ওচৰত মোৰ এই দুখৰ কথা কলে নিশ্চয় তাৰ হিয়া গলি যাব। সি নিশ্চয় মোক এই বিপদত সহায় কৰিব। তাৰ ওচৰলৈকে যাওঁ।

(ভাবি ভাবি প্ৰস্থান)

২য় দৃশ্য

বাৰাণ্ডা

(ঝাক লৈ নাচি নাচি গীত গাই মৰ্জিয়ানা)

গীত

(আজি) উদুলি মুদুলি অই,
 কাৰ পদুলি,
চকুৱে চকুৱে কোনে
 খেলে বিজুলি।
(মই) ঝাক দি নাচি নাচি
 হাঁহি জালি,
মিচিকি মিচিকি হাঁহি
 ফুৰোঁ উমলি।
পৰাণে পৰাণে প্ৰেম
 মদিৰা ঢালি,
ধুনীয়া দুনিয়া কৰোঁ
 ৰঙে ৰঙিলী।

(হঠাৎ ৰৈ)

মৰ্জি অ' সৌৱা আবদাল্লা লুকাই থাকিব লাগিল।

(লুকায়। আবদাল্লা লৰি আহে)

আব - অ' ক'ত লুকালা। মৰ্জেনা! মৰ্জেনা!

মৰ্জি (গপ লগাৰ ঠেওৰে আহি থিয় হয়)

আব পূৰ্ণিমাৰ চাঁদত আজি কিয় এনে মলিনতা মৰ্জেনা ?

মৰ্জি কালাচাঁদ (হুমুনিয়াহ কাঢ়ি) তই জানো মোৰ আপোন।

আব কি কথা কৈছা মোৰ জান ? মই তোমাৰ আপোনৰো আপোন নহৈ কোন কাহানিৰ পৰ হলোহে ?

মৰ্জি পৰ নহলেনো মোৰ মালিকৰ ছোৱালীক তহঁতে এনেদৰে মাৰধৰখন কৰিব পাৰনে ?

আব—ক'ৰ মাৰ ধৰ অ'। আল্লাৰ কসম মই ক'তো মাৰধৰ কৰা নাই মৰ্জেনা বিশেষকৈ তোৰ মালিকৰ লগত।

মৰ্জি—কিন্তু তোৰ তলতীয়া কৰ্মচাৰীয়েতো কৰিছে।

আব —কোনে কৰিছে মৰ্জেনা ?

মৰ্জি—কিয় স্যেৰছাই। চা বাৰু, সি বেগম চাহে-বাই আদেশ দিলে বুলিয়েই আমিনাক এনে-দৰে মাৰকিলখন কৰিব পাইনে ? তই জানো তাৰ কিবা প্ৰতিকাৰ কৰিবি ?

আব—নিশ্চয় কৰিম মোৰ জান। আজিয়েই জোনাবক মিছা কথা লগাই তাক কামৰ পৰা বৰখাস্ত কৰিম। এতিয়া ক তই মোক ভাল পাব।

(মৰ্জিয়ানাই ইঙ্গিতেৰে এটি চুমা খাটি লৰ মাৰে)

আৰ—হায়ৰে মোৰ প্যাৰী (কুমা যাছে) হেঃ হেঃ হেঃ। (পিছে পিছে যায়)

৩য় দৃশ্য

কাছিমৰ ভিতৰ কোঠা

(কাছিম আৰু মেজিনা বেগম)

কাছিম—প্যাৰী! জগতৰ সৰ্ব্বোৎকৃষ্ট মুকুতাৰে তৈয়াৰী এই হাৰ, ইয়ো তোমাৰ নিমিত্তেই। দুনিয়াৰ সকলো ঐশ্বৰ্য্যৰ অধিকাৰী, আৰবৰ সবাতোকৈ ধনী সদাগৰ এই কাছিম তোমাৰ ৰূপত মুগ্ধ। তুমি দুনিয়া বিজিতা নাৰী, তোমাৰ আকৌ শঙ্কা কি প্ৰিয়ে?

মেজিনা—ভয় আকৌ কি? আপুনি বেপাৰ-বাণিজ্য কৰি কত দেশ, কত প্ৰদেশ ঘূৰি ফুৰে—কিজানি কাহানিবা এই দাসীক পাহৰি যায়, কিজানি কাহানিবা আপুনি আন সৌন্দৰ্য্যত মুগ্ধ হৈ ...।

কাছিম—তোমাক পাহৰি যাম—সপোন সপোন প্ৰিয়ে ই তোমাৰ সপোনৰ কথা। সিতো আৰু দিঠকত ফলিয়াব নোৱাৰে প্ৰিয়া।

মেজিনা—সিও আপোনাৰ মহৎ হৃদয়ৰ পৰিচায়ক। নহলেনো এই দাসীৰ প্ৰতি আনো এনে চেনেহ হব পাৰে? (ভিতৰত পদশব্দ হয়)

কাছিম—কোন হ্যায়?

ৰহমান—(ভিতৰত) নবাব চাহেবৰ আজ্ঞাবাহ ৰহমান।

কাছিম—কি সংবাদ?

ৰহমান—(ভিতৰত) দুৱাৰত নবাব চাহেবৰ দৰ্শনপ্ৰাৰ্থী সেখ আলিবাবা।

কাছিম—আলিবাবা?

মেজিনা—আলিবাবাইবা নবাবৰ কি হয়।

কাছিম—দাৰোৱান। আৰু খাব ক।

মেজিনা—আলিবাবা—আলিবাবা এহনো আপোনাৰ ভাই—হাঁহি উঠে। ৰজা-মহাৰজাৰ লগত আকৌ দীন দৰিদ্ৰৰ সম্বন্ধ কি?

(পদ শব্দ)

কাছিম—কি সংবাদ?

ৰহমান—আলিবাবাই একান্তই আপোনাৰ দৰ্শন ইচ্ছা কৰে।

মেজিনা—কৈ দিবি নবাব চাহেবে এতিয়া দেখা কৰিব নোৱাৰে।

ৰহমান—যি আদেশ বেগম চাহেবা।

আলি—(ভিতৰত) নবাব কাছিম—কাছিম।

কাছিম—তুমি অলপ যোৱা প্যাৰী। মই বাৰু তেওঁক মাতি আনো—কিবা খবৰ আনিব পাৰে।

মেজিনা—বাৰু যাওঁ। চাব আকৌ আতুৰেহত যেন পৰি নাযায়। (গুচি যায়)

কাছিম—(দাৰোৱানক) যা আহিব ক। (দাৰোৱান যায়) কি যে মক্কিল।

(আলিবাবা আহে)

আলি—ভাই কাছিম।

কাছিম—(গম্ভীৰ হৈ) কোন? (খঙেৰে) ৰজা-মহাৰজাক সম্মান কৰিবলৈকো ধন-ঐশ্বৰ্য্যৰ লগতে সকলো পাহৰি গলি নহয়নে?

আলি—ভুল হৈছে ভাই ক্ষমা কৰিবি। আচলাম আলেইকুম্ জোনাব।

কাছিম—কি সংবাদ কৈ পেলা।

আলি—ভাই তোৰ ওচৰত এটি অনুৰোধ আছে। ভাই—এটি পইছা, এটি—এটি মাথোঁ পইছা দে। আজি দুদিন একো খোৱা নাই, তথাপি ভিক্ষা কৰা নাছিলো। নিজৰ নিমিত্তে কোনো চিন্তা নাই। কিন্তু আমিনা, তায়ো যে আজি দুদিন একো খোৱা নাই। এটি পইছা দে ভাই। তাইক কিবা খাব কিনি দিম।

কাছিম—(মুখ বিকতাই) হু পইছা লাগে। খুজিলেই মানুহে ধন পোৱাহেঁতেন দুনিয়াত পৰিশ্ৰমৰ কোনো মূল্যই নাথাকিলহেঁতেন। যা অন্য ঠাইত খুজি লগে।

আলি—আন কোনে দিব ভাই। তই—তই সক কালিৰ ইমান মৰম-চেনেহ সকলো পাহৰি গলি। দে ভাই দে এটি পইছা দে মই এতিয়াই কোনো ওজৰ-আপত্তি নকৰি ইয়াৰ পৰা বাহিৰ হৈ যাম। দে এটি পইছা দে।

কাছিম—হু পইছা বোলোতেই পইছা। যা ই দাতব্য চেৰাই নহয় -ই সদাগৰ কাছিমৰ ঘৰ। কোনো ভিক্ষাৰীৰ ইয়াত ঠাই নাই। যা আঁতৰি যা।

আলি—যাম ভাই এটি মাত্ৰ পইছা দে, এতিয়াই বাহিৰ হৈ যাম।

কাছিম—ভালেৰে নেযাব ? ৰ' তেন্তে। এ্যাঁয় কোন আছ।

(ৰহমান চেলাম কৰি হাজিৰ হয়)

কাছিম—যা ইয়াক এতিয়াই গলত ধৰি বাহিৰ কৰি দে।

ৰহমান—হজুৰ! ইয়ে আপনাৰ··(আলিবাবালৈ চায়।)

কাছিম—কোনো প্ৰশ্ন নকৰিবি ? দে ইয়াক গলত ধৰি বাহিৰ কৰি দে।

(ৰহমানে আলিবাবাৰ ফালে চাই যেন এই আদেশ পালিবলৈ অক্ষম হৈ পৰিল)

ৰহমান—মোক ক্ষমা কৰিব নবাব চাহেব। মই এই আদেশ পালিবলৈ অক্ষম। (পাগুৰি খুলি) লওক—আজি আজীৱন সেৱা কৰি যি মূল্য পাইছিলো সেই সকলোবোৰ যেন সৌ আলিবাবাৰ চকুৰ দৃষ্টিত জয় পৰি গ'ল। নাজানিছিলো যে ৰজা-মহাৰজাৰ তলত চাকৰি কৰিলে মানুহে মনুষ্যত্বখিনিও তেওঁলোকৰ চৰণত বিক্ৰী কৰি দিব লাগে। মই নিজ ইচ্ছাৰে আপোনাৰ চাকৰিৰ পৰা অব্যাহতি ললো। (গুচি যায়)

কাছিম—(ঘূৰি পৰি) নহয়, আৰু কোন আছ ?

আলি—নালাগে নালাগে মোক ভিক্ষা নালাগে। দাৰোৱান মাতিবও নালাগে। মই নিজেই যাম। দুনিয়াত কাকো আমনি নকৰো (যাব খোজে আকৌ ফিৰি আহে।) কিন্তু ভাই তয়ো মোক ইমান সোনকালে পাহৰি গলি ?

কাছিম—তই কোন ? মোৰ ভাই আলিবাবা নাই, সি মৰি গৈছে।

আলি—অৱশ্যেই মৰি গৈছে। আলিবাবা অৱশ্যেই মৰি গৈছে। আলিবাবা জীয়াই থকা হ'লে আজিতো তাক নিজ সহোদৰে দাৰোৱান লগাই গলত ধৰি বাহিৰ কৰি দিব কেতিয়াও নিবিচাৰিলেহেঁতেন। আলিবাবা মৰি গৈছে। দুনিয়া--দুনিয়া—দুনিয়া। (গুচি যায়।)

কাছিম কি অন্যায় ? এই ধূৰ্তবোৰক সহায় কৰা মানে পাপক প্ৰশ্ৰয় দিয়া মাথোন। কিন্তু আলিবাবা····

মেলিনা –(সোমাই আহে) নবাবৰ ৰঙৰ কাৰণে ৰংমহলত সকলো সাজু হৈ আছে।

কাছিম -ব'লা প্যাৰী। (দুয়ো যায়)

আগত পট পৰিব

৪ৰ্থ দৃশ্য

ৰাজ আলি

(আলিবাবা সোমাই আহে)

আলি—দুনিয়াত কোনো কাৰো নহয়। যিজনৰেই আপোন আপোন বুলি কাষ চাপি যাওঁ সিজনেই চেগ বুজি সুদা বুকুত শেল বহুৱাই দিয়ে। ফাঁকি, জুৱা চুৰি, মতলবী দুনিয়া।

কোনো কাৰো নহয়। সংসাৰত ৰক্ত-মাংসৰ সম্বন্ধও এখানি মানো সত্য হোৱাহেঁতেন মোৰ আজি কেতিয়াও এই দশা নহলহেঁতেন। কিন্তু এটি পইছা

(এজন এজনকৈ মানুহ যাব। আলিবাবাই সকলোকে পইছা খুজিব, কোনোবাই বা এটি ভগনীয়া পইছা নেপাই নিদি গুচি যাব। এনেতে এভাৰ খৰি লৈ খৰিকটীয়া এটা আহিব।)

আলি—এটি পইছা দে ভাই।

খৰিক-গুচ্ গুচ্ ইমানটো মানুহ হৈ পইছা খুজিবলৈ আহিছ। কাম কৰি খাব নোৱাৰ?

আলি- কাম? কি কাম ভাই? ক' তোৰ কি কাম আছে কৰি দিওঁ। মোক এটি পইছা দে।

খৰিক- মোক আকৌ কাম কৰিবলৈ চাকৰ ভাণ্ডাৰী লাগিছেনে? দিনটো খৰি লুৰি এইখিনি খৰি আনিছো তাকে বজাৰত বেচিলে আজিৰ দুয়ো সন্ধ্যা ওলাব।

আলি - খৰি কাটিলে খাদ্য পাই -তেন্তে ময়ো খৰি কাটিম। এবোজাৰ ঠাইত দুবোজা কাটিম। তেতিয়া, তেতিয়া হ'লে দুদিন দুসন্ধ্যা খাদ্য পাম - নহয়নে?

খৰিক—এৰা! খৰি কাটি বজাৰত বেচিলেই হ'ল।

আলি তেন্তে সেয়ে হ'ব। কিন্তু খৰি কাটিলেতো ভায়েকে ককায়েকক দাৰোৱানৰ হতুৱাই গলত ধৰি বাহিৰ কৰি নিদিয়ে?

খৰিক কি কয় পগলানেকি?

আলি -পগলা পগলা, বেছ অনুমান কৰিছা। দুনিয়াৰ সকলো পগলা হৈ যাওক। নহলে ভায়ে ভায়ে গল তিপাতিপি কৰি ধুনীয়া দুনিয়াত এক মস্ত হুলস্থুলৰ সৃষ্টি কৰিব। যোৱা ভাই যোৱা পলম হ'ব। মোৰ খৰি কাটিব আছে। (লৰ মাৰে)

খৰিক --ক'ৰবাৰ বলিয়া। কথাৰ ঠিক নাই। দেখাত হলে বেছ ডাঙৰ বংশৰ যেন লাগে দেই। (প্ৰস্থান)

৫ম দৃশ্য

(পৰ্বতীয়া হাবি। একোণত এটি ডাঙৰ গুহা কাষেদি এটি নিজৰা বৈ গৈছে। আলিবাবাই খৰি কাটিব ধৰিছে—দুপালেদি ঘাম বাগৰিব ধৰিছে—কামত এটি সাধ—মাজে মাজে দীঘল উশাহ লৈ ভাগৰ জুৰায়। ভিতৰত অশ্বাৰোহীৰ শব্দ শুনি ফিৰি চায়। দূৰত কিবা দেখি আলিবাবাই জিভা মেলি দিয়ে, ততালিকে যেন কিবা বুধি উলিয়াই গাধটো টানি লুকাই থয় আৰু নিজে গছৰ ওপৰত উঠি ডকাইতৰ দলৰ গতিবিধি লক্ষ্য কৰি থাকে। দস্যু আৰু দস্যু দলপতিৰ ঘোঁৰাৰ পদশব্দ নিচেই ওচৰতে শুনা যায়। ঘোঁৰাৰ পৰা নামা যেন কৰি চৰ্দাৰ আৰু তাৰ পাছত আন দস্যুবিলাক সোমাই আহে। কিছুমানৰ কান্ধত টোপোলা।)

চৰ্দাৰ- (আঠুকাঢ়ি) চিচেম্ ফাঁক্।

(দুৱাৰ মেল খায় -সকলোবোৰ সোমাই গহ্বৰত লুটপাতৰ বস্তু থৈ আকৌ ওলাই আহে)

চৰ্দাৰ-- সহকাৰীসকল! এইবাৰ মিচ'ৰৰ সদাগৰ। যদি তোমালোক সঁচাকৈয়ে মঙ্গলচাঁদ দস্যু দলপতিৰ সহচৰ হোৱা, প্ৰতিজ্ঞা কৰা যে চিকাৰ—মিচ'ৰৰ সদাগৰ।

সকলোৱে মিচ'ৰৰ সদাগৰ।

চৰ্দাৰ - উত্তম। ওলোৱা মনত ৰাখিবা মঙ্গলচাঁদৰ অজেয় বাহিনীৰ কেতিয়াও পৰাজয় নাই। মিচ'ৰৰ দাম্ভিক সদাগৰৰ লুণ্ঠনৰ পাছতহে আমাৰ বিশ্ৰাম। আমাৰ নিদ্ৰা তাৰ আগেয়ে নহয়। ব'লা।

(সকলোবোৰ যায়। চৰ্দাৰে যোৱাৰ আগেয়ে "চিচেম্ বন্ধ" বুলি দুৱাৰ বন্ধ কৰি থৈ যায়। ভীষণ জয়ধ্বনিৰে দস্যুদল গুচি যায়। আলিবাবা গছৰ পৰা নামি আহি দুৱাৰ সন্মুখত থিয় হয়।)

আলি -চিচেম্ ফাঁক্ (দুৱাৰ মেল খায় সন্মুখলৈ গৈ চক খাই উঠে) হে আল্লা! এইবাৰ দুনিয়াৰ সকলো ঐশ্বৰ্য। হাঃ হাঃ হাঃ। হাঃ হাঃ হাঃ। হাঃ হাঃ হাঃ।

আগত আঁৰকাপোৰ

২য় অঙ্ক

১ম দৃশ্য

(কাছিমৰ ভিতৰকোঠা—মেলিনা বেগম আউলী বাউলী চুলিৰে মাটিত পৰি আছে। কাছিম সোমাই আহি মেলিনা বেগমক সেই অৱস্থাত দেখি আচৰিত হৈ)

কাছিম —ই কি প্ৰিয়ে ? ই কি তোমাৰ অভিমান ? আৰবৰ শ্ৰেষ্ঠ সদাগৰৰ পত্নী হৈ, দুনিয়াৰ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰিণী হৈ সুবৰ্ণখচিত বিছনাৰ পৰিবৰ্তে আজি এই ভূমিত শয়ন কৰা জানো তোমাৰ পক্ষে সমীচীন হৈছে প্ৰিয়ে ? (ধৰি তুলি দি) কোৱা প্ৰিয়ে কি আদেশ তোমাৰ ?

মেলিনা দুনিয়াৰ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰিণী বুলি আৰু মোক লাজ নিদিব। এতিয়াহে বুজিছোঁ মোতকৈ গৰীব আৰু কোনো নাই ।

কাছিম—আৰবৰ শ্ৰেষ্ঠ সদাগৰ, দুনিয়াৰ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰী কাছিমছাৰ পত্নী হৈ তুমি কোৱা তোমাতকৈ দুখীয়া আৰু কোনো নাই—ইয়াৰ অৰ্থ কি মোৰ জান ?

মেলিনা –অৰ্থ অতি সহজ, অতি সৰল। মইতো আৰবৰ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰিণী নহয়। মোতকৈও যে আৰবত ঐশ্বৰ্যশালিনী নাৰী বহুত আছে ।

কাছিম –প্ৰিয়ে কৈ দিয়া কোন সেই দাম্ভীকা মিথ্যা-বাদিনী নাৰী যে তাই কাছিমৰ পত্নী স্বয়ং মেলিনা বেগমৰ ধন-দৌলতৰ লগত নিজ ধন-দৌলত তুলনা কৰে ।

মেলিনা—আপুনি হয়তো সেই শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধি-কাৰীৰ নাম শুনিলে নিজেই চমকি উঠিব। যাৰ নাম আপুনি সপোনতো ভাবা নাই। যাৰ ধন-দৌলতৰ কথা শুনিলে হয়তো আপুনি ইতিকিং কৰি উৰুৱাই দিব। সেই গৰীবৰো গৰীবতকৈ আজি আমি গৰীব। সিহঁতৰ ধন-দৌলতৰ তুলনাত আমাৰ ধন-দৌলত চাঁদৰ আগত চাকিৰ পোহৰৰ যেন ম্ৰিয়মান ।

কাছিম –কোন তেওঁ ?

মেলিনা –আপোনাৰেই সহোদৰ –যি দুৱাৰে দুৱাৰে এটি পইছাৰ কাৰণে হাতপাতি ফুৰে সেই আলিবাবা ।

কাছিম—আলিবাবা ? হাঃ হাঃ হাঃ । তোমাৰ হিয়াতো বেছ ৰসিকতা আছে প্ৰিয়ে! দুনিয়াৰ অনাদৃত, অবহেলিত ভিক্ষাৰী, যি এমুঠি অন্নৰ কাৰণে দুৱাৰে দুৱাৰে ভিক্ষা কৰি ফুৰে সেই ঘৃণাৰ আধাৰ আলিবাবা আৰু তাৰ পত্নী, কাছিমচাহ আৰু কাছিম পত্নী মেলিনা বেগমতকৈ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰী। হাঃ হাঃ হাঃ ।

মেলিনা--মোৰ কথা ইমান সহজে হাঁহি উৰুৱাই নিদিব। ই যে অতি সত্য। আলিবাবাৰ ঐশ্বৰ্যৰ আগত আমাৰ ঐশ্বৰ্যৰ ৰিজনিয়েই হব নোৱাৰে। আলিবাবাই তৰ্জুৰে তাৰ মোহৰ গণনা কৰে, সোণৰ পালেঙত নিদ্ৰা যায়, সোণৰ থালত নিতে নতুন বস্তু খায়। ইতো সপোন কাহিনী নহয়, ইযে সম্পূৰ্ণ সত্য!

কাছিম –সম্পূৰ্ণ সত্য? আলিবাবা! আলিবাবা! ভিক্ষাৰী আলিবাবা আজি আৰবৰ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰী। ছমাহৰ ভিতৰতে ইমান পৰিৱৰ্তন ।

মেলিনা—(হাৰ খুলি) নিয়ক! এইয়া মোৰ হাৰ নিয়ক। আজি আৰু দুনিয়াৰ শ্ৰেষ্ঠ ঐশ্বৰ্যৰ অধিকাৰিণী বুলি গৌৰব কৰিবলৈ মোৰ শক্তি নাই। নিয়ক, মই আজি গৰীবৰো গৰীব দুনিয়াৰ ভিক্ষাৰিণী ।

কাছিম – প্ৰিয়ে ! অভিমান এৰা । মই বুজিব পাৰিছো, আলিবাবাই চুৰ কৰি এই ধন ঐশ্বৰ্য্যৰ অধিকাৰী হৈছে । মই তাৰ উচিত প্ৰতিকাৰ কৰিম । সম্ৰাটক জনাই সেই দস্যুক বন্দী কৰাই থ'ম । তাৰ সকলো সম্পত্তি হস্তগত কৰিম । কোনো চিন্তা নকৰিবা কাছিমে তাৰ প্ৰতিকাৰ কৰিব । মই আজি এতিয়াই আলিবাবাৰ ওচৰলৈ যাম আৰু এই বিষয়ে কথা হ'ম ।

মেলিনা যাওক, সম্ৰাটক জনাব যে আৰবত দস্যু আৰু চোৰৰ কাৰণে স্থান নাই ।

কাছিম তুমি কোনো চিন্তা নকৰিবা প্ৰিয়ে ! মই এতিয়াই তাৰ প্ৰতিকাৰ কৰিম ।

(গুচি যাব)

২য় দৃশ্য

(কাছিমৰ ঘৰৰ সন্মুখ । আবদাল্লাই গীত গাব । ভিতৰত মজিয়ানাই ধৰিব । মাজতে বৈ আবদাল্লাই "মজেনা মজেনা বুলি মাতিব । ভিতৰত মজিয়ানাই "মোৰ জান" বুলি চিঞৰি উত্তৰ দিব । আকৌ গীত চলিব ।)

গীত

আবদাল্লা – দিল হায়ৰান্
কোনে মাৰে ৰূপৰ বান ।
মজিয়ানা ই যে মোৰ ৰূপ মদিৰা
সপোনৰ প্ৰেম সঁফুৰা
কোনে বিচাৰে কোৰবান্ ।
আব—মই যে হায় চাহাবাৰ গুল
দিবলৈ নাই ৰূপৰ তুল
মজি মই যে হায় যাব পাৰো
কন্দুৱাই থৈ প্ৰাণ । দাস

(গীত শেষ হোৱাৰ লগে লগে মজিয়ানাই খটখটিৰে হাঁহি নামি আহিব ।)

আব—তই ক'ত লুকাই আছিলি মোৰ জান ?

মজি –(চকুৰে ইঙ্গিত দি) সৌ তাত ।

আব – ক'ত ? ক'ত মোৰ জান ?

মজি সৌ তোৰ দিলত । (হাঁহিব)

আব (ধৰি) মৰ্জেনা ! মোৰ ভয় হয়—কিজানি তই · ·

মজি কি ভয় হয় মোৰ কালাচাঁদ ?

আব – বাৰু তই সেই বেপাৰী চাহাববোৰৰ লগত কিয় কথা পাত ? সিহঁত বৰ বেয়া মানুহ ।

মজি কিয় ? কথা পাতিলে কি হয়, তই বেয়া পাৱনেকি ? অ' মোৰ জান ! তই যে মোক ৰূপ কেইটকা দিছিলি হো নে । মোৰ আজিকালি খৰচ খাবলৈ বেছ্ পইছা আছে ।

আব তেনেহলে তই মোক ভাল নাপাৱ ?

মজি অ' আই ! তোকনো আকৌ মই ভাল নাপাওঁ বুলি কেতিয়া কলো মোৰ জান । তোকনো মই বেয়া পাব পাৰোনে ?

আব (হাঁহি) মই ধেমালিহে কৰিছো মোৰ জান ! তই বেয়া নাপাবি দেই ?

মজি -তোক বেয়া পাইনো মই কাক ভাল পাম মোৰ কালাচাঁদ ।

আব তেন্তে তইযে নাচিম বুলিছিলি আজি নাচিবই লাগিব ! আজি মোৰ খুব স্ফুৰ্তি হৈছে । আজি জোনাব বাণিজ্যৰ পৰা ফিৰি আহিছে নহয়—নাচিবিনে ? তোক কাবৌ কৰিছো নাচিবিনে ?

মজি—তই জানো গীত গাবি ?

আব -অলবট্ গাম ।

গীত

আব - দিল হাইৰান
কোনে মাৰে ৰূপৰ বান ।—ইত্যাদি ।

* * *

(নাচি নাচি হঠাৎ মৰ্জিয়ানা ওচি যায়। আবদাল্লাই গমকে নাপালে। ঘূৰি চাই মৰ্জিয়ানাক নেদেখি।)

আব—হোঁ চাঁদ আকৌ কোন ডাৱৰত লুকাল। (ওচি যায়)

৩য় দৃশ্য

আলিবাবাৰ দালানৰ ভিতৰ কক্ষ

(সুসজ্জিত চালপীৰাত আলিবাবা—গুৰ্ গুৰি হুপি বহি আছে। এনেতে এটি দাৰোৱান আহি কুর্নিচ কৰে)

আলি—কোন ? কি খবৰ আছে ?

দাৰো—মৌলবী কাছিম ছাই আপোনাৰ সাক্ষাৎ হব খোজে।

আলি—কাছিম ? কাছিম আহিছে ? মোৰ ভাই কাছিম আহিছে ? যা সসম্মানে ইয়ালৈ লৈ আহগৈ। কাছিম দৰ্শনৰ নিমিত্তে আহিছে, তই আকৌ আদেশ লবলৈ আহিছ ? (দাৰোৱান যাব) কাছিম, ভাই কাছিম মোৰ ঘৰলৈ আহিছে। আনন্দ কৰ আলি-বাবা—আনন্দ কৰ। দুনিয়া গুলজাৰ কৰি দে। কাছিম আজি কতদিন তোক মই বুকুত সাবটি লব পৰা নাই—আজি মোৰ সেই তৃষ্ণাও দূৰ হ'ব। (কাছিম আহে) আহ ভাই আহ। এবাৰ প্ৰাণভৰি আলি-ঙ্গন কৰো আহ। (অ।কোৱালি ধৰিব যায়—কাছিমে অলপ গম্ভীৰ হৈ অনিচ্ছা দেখুৱাই চকু পকাই থিয় হয়)

আলি—কি ভাই খং উঠিছে ? তোক আজি ইমান দিনে মৰম নকৰাই তোৰ মোৰ ওপৰত খং উঠিছে—নহয় ? ভাই খং নকৰিবি। দোষ হলেতো ক্ষমা কৰিব পাৰ। আহ ভাই আহ।

কাছিম—কোন তোৰ ভাই। দস্যু চোৰ। তোৰ লগত মোৰ সম্বন্ধ কি ?

আলি—সম্বন্ধ কি ? মই যে তোৰ সহোদৰ। চোৰ হওঁ দস্যু হওঁ আৰু যিয়েই নহওঁ মই যে তোৰ সহোদৰ। তোৰ মোৰ যে চিৰদিনেই এই সম্বন্ধ থাকি যাব ভাই।

কাছিম—তই পৰদ্ৰব্য অপহৰণ কৰি মোৰ পবিত্ৰ বংশত কলঙ্ক আনিলি ? বাবাজানৰ উচ্চ শিৰ নত কৰিলি ? ইমানখিনি কৰিও তোৰ তৃপ্তি পলোৱা নাই ?

আলি—কি কৈছ ভাই ? মইতো কোনো পাপ কাম কৰা নাই।

কাছিম—পাপ কাম কৰা নাই—যেহেতুলৈ মানৰ বাট পণ্যাবে মুকলি কৰি থৈছ নহয়নে ? চুৰ কৰি আজি এই ঐশ্বৰ্য্যৰ অধিকাৰী হৈছ আকৌ কব কোনো পাপ কাম কৰা নাই।

আলি—আহচোন ভাই বহ। তোক মই সকলো কম। তই মোৰ সহোদৰ, তোৰ ওচৰত জানো মই কিবা লুকাব পাৰো ? তোক সকলো কম। আহচোন প্ৰথমতে বহিলঁ। কত কথা আছে ভাই—কওঁ কওঁ বুলি আজি অতদিনে কবলৈ সুযোগ পোৱা নাই। আহ ভাই। (চানি নি বহুৱাই)। ক কি খাবি ভাই ? তই যি ভাল পাৱ ক। মই তোক ভাকে খাবলৈ দিম। আজি কতদিন দুয়ো একেলগে খোৱা নাই।

কাছিম—ওঁহো মই সত্য কথা উদ্ঘাটন নকৰালৈকে মই ইয়াত কোনো খাদ্যকে খাব নোৱাৰো। মোৰ পবিত্ৰ দেহত পাপ সিচিব নোৱাৰো।

আলি—কোনো শঙ্কা নকৰিবি ভাই—মই কোনো পাপ কাম কৰা নাই। নিজৰ দিজেবে এই ধন-ঐশ্বৰ্য আহৰণ কৰিছো। ভয় নকৰিবি মই কোনো চয়তানী কৰি এই ধন-দৌলত আহৰণ কৰা নাই। ক' কি খাবি ভাই ?

দুয়ো আজি একেলগে একেখন বাটনতে থাম। ক' কি খাবিবে ?

কাছিম—ওঁহো বিশ্বাস নাই। দুনিয়াত কাৰো বিশ্বাস নাই। নিজ বাহুবলেৰে মুঠেই হুমাহৰ ভিতৰতে ইমান ধন-দৌলতৰ অধিকাৰী হোৱা একেবাৰে অসম্ভৱ।

আলি—অসম্ভৱ—অসম্ভৱ নহয় ভাই—একো অসম্ভৱ নহয়। হুমাহ কিয়, এদিন এবেলাৰ ভিতৰতে মই এই ঐশ্বৰ্য আহৰণ কৰিছো। হুমাহ সময় ললে গোটেই দুনিয়া মই ধন-দৌলতেৰে কিনি পেলাব পাৰো। ইয়াৰো উপায় আছে।

কাছিম—কি উপায় আছে- মোৰ বিশ্বাস চুৰি নহয়নে ? জুৱা চুৰি ?

আলি—অৱশ্যে চুৰিয়েই হয়, কিন্তু সেই চুৰিৰ পৰা কাৰো কোনো অপকাৰ নহয়।

কাছিম—অ' চুৰি। মই আগেয়ে ভাবিছিলো। (উঠি) মই আহিলো চোৰৰ লগত মোৰ কোনো সম্বন্ধ নাই।

আলি—আৰে বহৰে বহ। শুনি যা, মই কওঁ স্থিৰ হৈ শুনি যা। (কাছিম বহে)

কাছিম—কি ?

আলি—শুন উতলা নহবি। লাহে-ধীৰে শুন। আমাৰ নগৰৰ উত্তৰ-পূব সীমাত যি পৰ্বতীয়া জংঘল আছে তাৰ সোঁমাজত এটি ঝৰনা আছে। সেই ঝৰনাৰ পাৰত এটি ভয়ঙ্কৰ গুহা- সি ডকাইতৰ বাসস্থান। বৰ দুৰ্গম ভাই বৰ ভয়ঙ্কৰ। গুহাৰ সন্মুখত এখনি শিলৰ দুৱাৰ। দুৱাৰৰ সন্মুখত থিয় হৈ যদি "চিচেম্ ফাঁক্" বুলি কৱ, দুৱাৰ আপোনা-আপুনিয়েই মেল খায় যায়। ভিতৰত তাৰ দুনিয়াৰ সকলো ঐশ্বৰ্য জমা কৰি থৈছে। কত সোণ, কত মোহৰ তাৰ সীমা সংখ্যা নাই। এদিন খৰি কাটি কাটি সেই হাবি পালোগৈ। শুনিলো অশ্বাৰোহীৰ শব্দ।

কাছিম—অশ্বাৰোহী ?

আলি—ওঁ, ঘূৰি চাই দেখো ডকাইতৰ দল। এটি নহয় দুটি নহয় পূৰা দুকুৰি ডকাইত। গছৰ ডালত বহি সকলো লক্ষ্য কৰি আছিলো। সিহঁত আটায়ে গহ্বৰৰ মুখলৈ আহি দুৱাৰ মুকলি কৰি ধন-সোণ থৈ আকৌ গুচি গ'ল। মই নামি আহি দুৱাৰ-মুখত থিয় হৈ সেই-দৰেই দুৱাৰ খুলি সেই অজস্ৰ সম্পত্তিৰ সামান্য মাথোন গাধৰ পিঠিত তুলি লৈ আহিলো। কত ধন-সোণ ভাই, কত মোহৰ, কিন্তু বৰ দুৰ্গম ভাই, বৰ ভয়ঙ্কৰ। তই কিন্তু অকলে নাযাবি ভাই—ভয় খাবি। যদি ইচ্ছা আছে ময়ে তোক লৈ যাম।

কাছিম—(আঙুলি কামুৰি) হু মোৰ সেই ধনৰ স্পৃহা নাই। ই অন্যায়ৰ ধন-দৌলত। বাৰু মই এতিয়া যাওঁ।

আলি—নহয় বহ ভাই। দুয়ো একেলগে বহি কিবা অলপ খাওঁ।

কাছিম—নালাগে মোৰ এতিয়া ইচ্ছা নাই। আন এদিন দুয়ো একেলগে খাম বাৰু। মই এতিয়া আহোঁহে (যাব খোজে)

আলি—ব'ল ময়ো তোক আগবঢ়াই থওঁ।

(দুয়ো যায়)

পট পৰিব

৪ৰ্থ দৃশ্য

মহম্মদৰ কোঠা

মহম্মদ—মৰ্জিয়ানা —মৰ্জিয়ানা মোৰ কি হয় ? তাইলৈ এনে ভাবৰ উদয় হ'ল কিয় ? যেন দুনিয়াৰ সকলো ধন-দৌলত কাটি কৰি থৈ মই

মজিয়ানাক বৰণ কৰি লম। মজিয়ানা! নহয় তাই পৰী, তাইৰ মই পূজাৰী। ৰূপৰ পূজা কৰিম, গুণৰ পূজা কৰিম। অ' সেইজনী মজিয়ানা - মজিয়ানা (মাতে)।

মজি—(ভিতৰত) কি চাহ্‌জাদা ?

মহম্মদ—এইফালে আহি যাচোন ?

মজি—(আহি) কি চাহ্‌জাদা! (মহম্মদে মুখৰ ফালে চাই থাকে কিন্তু একো কব নোৱাৰে হিয়া যেন ফাটি যায় তথাপি মুখ ফাটি কথা নোলায়)

মহম্মদ—(হুমুনিয়াহ কাঢ়ি) নহয় বাৰু যা (মজিয়ানা) (যাব খোজে) বাৰু শুনচোন শুন্ (মজিয়ানা আহে)।

মজি—কি ? (মহম্মদে মুখৰ ফালে চাই থাকে)

মহম্মদ—নহয়—বাৰু যা (মজিয়ানা যায়) কওঁ কওঁ বুলিও কব নোৱাৰো। দিল ফাটিলেও যেন মুখ নুফুটে। মজিয়ানা! তই মজিয়ানা হৈ উপজিলি কিয় ? (ওচি যায়)

পট পৰিব

৫ম দৃশ্য

বাৰাণ্ডা

(একালে মজিয়ানা, তাইৰ পিছে পিছে আবদাল্লা আহে)

আব—সেইয়া মই ইফালে তাইক ঘৰত বিচাৰি পাত পাত কৰিছো, ইফালে তাই চকৰি ঘূৰাদি ঘূৰি ফুৰিছে। নাই মিছা—মিছা।

মজি—কি মিছা মোৰ "দিল কা লাড্ডু"।

আব—এই যে মৰম-চেনেহদাল চেলাইছা সেইবোৰ সকলো মিছা, একেবাৰেই মিছা।

মজি—কেলেই মিছা হব মোৰ জান!

আব—মিছা নহলেনো মই হাবাথুৰি খাই ফুৰিলেও তই এনেদৰে পিঠি দি ফুৰিব পাৰনে?

মজি—(কান্দোনৰ সুৰে) তয়ো তেন্তে মোক দেখিব নোৱাৰ—ভাল নাপাব ? (চকুপানী মোছে)

আব—কান্দিছ ? মোৰ কথাত বেয়া পালি ? নাকান্দিবি তোৰ চকুত পানী দেখিলে মোৰ দিল ফাটি যায়। নাকান্দিবি মোৰ জান! তই কান্দিলে ময়ো কান্দিম। মই ফেঁকুৰি ফেঁকুৰি কান্দিব নাজানো, আতাহ পাৰি পাৰি কান্দিম। চিঞৰি চিঞৰি কান্দিম।

মজি—তই জানো মোক ভাল পাব ?

আব—অ' আই! কি কথা কোৱাহে মোৰ জান, তুমি বাৰু সেই বছোৰাৰ গোলাপ, মই ভোমোৰা তোমাৰ ৰসপান কৰিবলৈ মই উৰি উৰি আহিছো।

মজি—তই ভোমোৰা, কিন্তু তই হ'লে ভোঁ ভোঁ শব্দ কৰি নাহিবি দেই। মোৰ ভয় লাগে।

আব—ইস্ ভোমোৰা হ'লো বুলিনো ভোঁ-ভোঁৱাই আহিমনে ? মই এনেকৈ আহিম (গুহৰি মাৰি) পচন্ হৈছে নে মোৰ প্যাৰী ?

মজি—অল্‌বাৎ হৈছে। মই এতিয়া যাওঁ দেই, কাম আছে।

আব- এই শুনচোন শুন্। আজি আমাৰ জোনাব চাহেব ৰাতি ঘৰত নাথাকে, ক'ৰবালৈ অকলে যাব। তই আহিবি দেই, নাচ-গান কৰিম।

মজি—বাৰু আহিম দে।

আব—(গুহৰিয়াই) এনে কৰিলেই ওলাই আহিবি দেই। (মজিয়ানাই মুখ দুপিয়াই যায়। আবদাল্লা আনফালে যায়)

৬ষ্ঠ দৃশ্য

হাবি গহ্বৰ

(১ম অঙ্ক ৫ম দৃশ্যৰ দৰে সকলো থাকিব)

কাছিম—এয়ে সেই নিধাবা। অ' সৌৱা গহ্বৰৰ

দুৱোৰ। কি দুৰ্গম—কি দুৰ্ভেদ্য—কিন্তু কত ধন-সোণ। নহয় সেই সকলো হাত কৰিব লাগিব। এই গোটেই দুনিয়া মোৰ ধন-দৌলতেৰে কিনিব পৰা কৰিব লাগিব। কিন্তু কিয় শংকা হয়? এই নিৰ্জন বনত সহায় দুনিয়াতো কোনো ক'তো নাই। নহয় মিছা ভয় দিয়া মনিৰাৰীকণ। আজি দুনিয়াৰ সকলো ঐশ্বৰ্য হস্তগত কৰিম। (আঠুকাঢ়ি)"চিচেম্ ফাঁক্" ।

(ভীষণ শব্দ কৰি দুৱাৰ মেল খায়—কাছিমে ভয় আৰু আচৰিত হৈ চাই থাকে—অৰূপ শিহৃত গহ্বৰ দুৱাৰ মে আত্মপ্ৰকাশ হয়) এইয়া এইয়া যে গোটেই দুনিয়াৰ ধন-দৌলত মোৰ সন্মুখত। হাঃ হাঃ হাঃ। (ভিতৰ সোমাই) "চিচেম্ বন্ধ" (দুৱাৰ বন্ধ হয়)।

(অৰূণ সময় বনমক নিস্তব্ধ—এটি সুৰ বাজি থাকিব। দস্যুদলপতি আৰু দস্যুসকলৰ জয়ধ্বনি শুনা যায়। ঘোঁৰাৰ শব্দ নৰমি সোমাই আহে।)

চৰ্দাৰ—সহকাৰী সকল! খুব হচিয়াৰ। আজি আমাৰ এই অৰণ্যত কোনোবা সোমাইছেহি। শত্ৰু হব পাৰে নহয়তো আমাৰেই চিকাৰ হব পাৰে। কিন্তু খুব হচিয়াৰ। (এজনক) তুমি যোৱা—সেইজাই কিছুৰণ কৰা ঘোঁৰা আটক কৰি ৰাখাগৈ। (যায়)। তোমালোক দুজন যোৱা পশ্চিমফালে চকু ৰাখিবা। (দুজন যায়) তোমালোক আৰু মই গহ্বৰৰ সন্মান ৰক্ষা কৰিম (আঠু কাঢ়ি)। "চিচেম্ ফাঁক্" (দুৱাৰ খোলা যায় দস্যুবোৰ এজন এজনকৈ সোমায়। চৰ্দাৰ খোলা তৰোৱালেৰে গহ্বৰৰ সন্মুখত থিয় হৈ থাকে। ভিতৰত "চোৰ চোৰ" শব্দ হয়। কাছিম ওলাই লৰ মাৰে)

চৰ্দাৰ—কলৈ পলাবি বোৱামান। (ঘাপ মাৰে—কাছিম পৰি যায়) হাঃ হাঃ হাঃ শত্ৰু বধ কৰিলো—শত্ৰু বধ কৰিলোঁ। হাঃ হাঃ হাঃ।

(দস্যুসকল আহি কাছিমৰ মৰাশ দেখি ধৰে আৰু লগে লগে পট পৰে)

আঁৰ কাপোৰ

৩য় অঙ্ক

১ম দৃশ্য

গহ্বৰ

(সন্মুখত কাছিমৰ ছিন্নভিন্ন হাত-ভৰি টুকুৰা-টুকুৰীকৈ ওলোমাই থোৱা আছে। আলিবাবা লাহে লাহে সোমাই আহে)

আলি—ক'তা তাকতো ক'তো লগ নাপালো—সি জানো ইয়ালৈ আহিছিল? মেজিনাই ক'লে সি হেনো ধন-ঐশ্বৰ্য আহৰণৰ কাৰণে নিশা বাহিৰ হৈ আহিছিল। ইয়ালৈ অহাৰতো কোনো চিন-চাব নাই। লগত অনা ঘোঁৰা তাৰো যে ক'তো চিন নাই। নহলে আন ক'ৰবালৈকে গ'লনেকি? (গহ্বৰৰ ওচৰলৈ যায় কোনোবা আছেনে শুনে) ক'তা কোনো নাই যেন তো অনুমান হয়। (ওপৰলৈ চাই কাছিমক দেখি)। ই কি? কাছিম ভাই মোৰ, পাষণ্ডহঁতে তোৰ এই দশা কৰিলে। উস্ খোদা কি সমস্যাত পেলালাহি। মই গৈ এই সংবাদ মেজিনাক কেনেকৈ দিওঁ? কাছিম কি কৰিলি ভাই। মই যে তোক ইয়ালৈ আহিবলৈ মানা কৰি দিছিলোঁ—নুশুনিলি। কথায়েৰৰ কথা অৱজ্ঞা কৰিলি। কিন্তু কাছিম। তোৰ এই বাৰ্তা লৈ মই কেনেকৈ ঘৰলৈ উভতি যাওঁ। উস্ কি কৰিলি ভাই। (পৰি যায়)

পট পৰিল

২য় দৃশ্য

আলিবাবাৰ বাৰাণ্ডা

(মৰ্জিয়ানা আছে। পিছফালৰ পৰা আবদাল্লা)

আব—মৰ্জেনা ! হাৰেমত এইবোৰ কিহৰ কান্দা কান্দি অ'।

মজি—এতিয়াও গমকে পোৱা নাই অকৰা ! আমাৰ মালিকৰ বৰ বিপদ। নবাব কাছিম দস্যুৰ হাতত কটা গৈছে। বৰ জোনাব চাহেবে সেই কটা-ছিঙা লাচটো ঘৰলৈ আনিছে। হাৰেমতহে চকুপানীনে ? গোটেই দুনিয়াই যে কান্দিছে– তই হবলা কন্দা নাই ?

আব—তই জানো কান্দিছ ?

মজি—কান্দিছোতো।

আব—তেনে ময়ো কান্দিম। কাছিম চাহেব আৰু জীয়াই নাই তেন্তে আমাৰ বিলৈ কি হ'ব ? (কান্দে)

মজি—চোৱা -এতিয়াহে তাৰ কান্দোনৰ জাউৰি উঠিল। এই মনে মনে থাকা। আমাৰ মালিকৰ আগত শত্ৰু, পিছত শত্ৰু, (আবদাল্লাই ঘূৰি ঘূৰি চাই) সকলোতে শত্ৰু। খুব হুচিয়াৰ থাকিবি। নিশা ভালকৈ উজাগৰে থাকিবি। ঘৰত এই বিপদ—ময়ো ঘৰত ৰাতি নাথাকিম।

আবদাল্লা– তই নিশা ঘৰত নাথাক। তই যদি নাথাক ময়ো নাথাকো। তই যলৈকে যা ময়ো তলৈকে যাম।

মজিয়ানা—হেৰ' নহয়। মই ৰাতি মুছিয়াৰ বিচাৰি যাম! তই ঘৰত ভালদৰে পহৰা দি থাকিবি। আন দাৰোৱানবিলাক বৰ ফাঁকিদাৰ।

আব—তই ৰাতি অকলে যাবি। তোৰ জানো ভয় নাই। মুছিয়াৰ কি কৰিবি।

মজি—ভয় কৰিলে যে মালিকৰ সম্মান নৰয়। মৰাশ কবৰ দিব লাগিব। টুকুৰা-টুকুৰী কটা শ কবৰ দিব নাপাই নহয়। আগেয়ে চিলাই কৰাব লাগিব তাৰ পিছতহে কবৰ দিব পাৰিব। সেই কাৰণে মুছিয়াৰ বিচাৰি যাম।

আব—মুছিয়াৰ ? ৰাতি মুছিয়াৰ ক'ত পাবি ? তই জানো মুছিয়াৰৰ ঘৰ চিনি পাব ?

মজি—মইনো নগৰৰ কাকো নিচিনো অ'—বাবা মোস্তাফাঁক মাতি আনিম। ধনৰ লোভ দেখিলে সি লৰি আহিব নহয়। বাৰু তই যা পহৰাৱালাবিলাকক ভালদৰে পহৰা দিব কবি। মই আৰু অলপ ৰাতি হলেই বাবা মোস্তাফাৰ তালৈ যাম।

আব—বাৰু তই কোনো ভয় নকৰিবি। মই সকলো কৰিম। কিন্তু তাৰ বিনিময়ত তই মোক ভাল পাবি দেই মোৰ জান ?

(মৰ্জিয়ানাই মিচিকি হাঁহি মাৰি ওচি যায়)

আব– ইমান সিয়ান এইজনী। মগজত কি খেলাই ততকে ধৰিব নোৱাৰি। মানুহে কয় মানুহৰ ভিতৰত নাপিত সিয়ান, কিন্তু মোৰ মনে হলে সি নহয়। মানুহৰ ভিতৰত সিয়ান এই তিৰোতা জাতি। (ওচি যায়)

পট উঠিব

৩য় দৃশ্য

গহস্বৰৰ সম্মুখ

(দস্যুবিলাকে স্ফুৰ্তি কৰিব ধৰিছে। মাজত এটি মদৰ কলহ। কিছুমানে সুৰাপান কৰিব ধৰিছে—এজনে গীত গাই আৰু সকলোবিলাকে তাল দিয়ে। কোনোৱে নাচে, কোনোৱে চিৎকাৰ কৰে, কোনো কোনোৱে ছুৰি খেলে, ইত্যাদি)

গীত

পিয়া পিয়া এই লাল চিৰাজী
গোৰা ৰঙৰ গান,
দিল দৰিয়াত বক হৰদম্
প্ৰেমৰে তুফান ।
আঙুৰ ৰসৰ গোলাপী সুৰা
(দিল) কৰে হায়ৰান,
মন মঞ্চ মোৰ হয় মছগুল
নাচি উঠে প্ৰাণ ।

(গীত শেষ হোৱাৰ লগে লগেই চৰ্দাৰ সোমাই আহে । চৰ্দাৰ অহাৰ লগে লগে সকলো থিয় হয় ।)

চৰ্দাৰ—সহকাৰীসকল! এতিয়া আমাৰ আনন্দ কৰিবৰ সময় নহয় । আমাৰ ঘৰত শত্ৰু সোমাইছে । এই কণ্টক দূৰ কৰিব নোৱাৰালৈকে আমাৰ আনন্দ-উৎসৱ সকলো বন্ধ ৰখাৰ প্ৰয়োজন । ক'তা সেই শত্ৰুৰ কিবা সন্ধান পালানেকি ?

৩য় দস্যু—চৰ্দাৰজী! শত্ৰু অন্বেষণ কৰি ভাইহঁত দেখো এতিয়াও উলটি অহা নাই ।

চৰ্দাৰ—উলটি কিজানি আৰু সিহঁত নাহিবই । সিহঁতে যি প্ৰতিজ্ঞা কৰি বাহিৰ হৈছে সি বৰ ভয়ঙ্কৰ । পাৰিলে মোৰ সহকাৰী পদত নিযুক্ত হব নহলে সিহঁতৰ পুৰস্কাৰ প্ৰাণদণ্ড—তাৰ অন্যথা নাই । কিন্তু নাহিয়েই বা সাৰিব ক'ত প্ৰত্যেক গাঁৱে-ভূঞে, নগৰে-নগৰে, সিহঁতক বিচাৰি পাত পাত কৰিম । সিহঁতৰ ৰক্তেৰে মোৰ অন্তৰৰ দাবানল নিৰ্বাপিত কৰিম ।

(প্ৰথম দস্যু আহি চৰ্দাৰৰ ওচৰত কুৰ্ণিচ কৰি থিয় হয়)

চৰ্দাৰ—কি সংবাদ ? শত্ৰুৰ সম্ভেদ পালানে ?

১ম দস্যু—চৰ্দাৰজী । মাফ্ কৰিব । আৱৰৰ প্ৰত্যেক নগৰে নগৰে বিচাৰি পাত পাত কৰিলো কিন্তু শত্ৰুৰ সম্ভেদ নাপালো ।

চৰ্দাৰ—কি সম্ভেদ নাই । সম্ভেদ নাই—শত্ৰুৰ সম্ভেদ নাই । সেই বাতৰি তই স্ফীতবক্ষে আহি মোৰ সম্মুখত দাণ্ডি ধৰিছহি ।—ব্যেইমান ।

(তৰোৱালেৰে ঘাপ মাৰে—আনবোৰ দস্যু ভয়ত অস্থিৰ হয়)

এয়ে তৃপ্তি; হাঃ হাঃ হাঃ শত্ৰুৰ সম্ভেদ নাই আকৌ ক্ষমা —ক্ষমা নাই —ক্ষমা নাই । যাৰ যাবান ঠিক নাই সেই ব্যেইমানক দস্যু দলপতিয়ে ঘৃণা কৰে (মৰাশৰ ফালে) কি পৰিহাস কৰিছে—মোৰ ফালে চাই দাঁত বিকতাই বিদ্ৰূপৰ হাঁহি মাৰি উঠিছ । সহকাৰীসকল! ওলোৱা ওলোৱা সকলো ওলোৱা, শত্ৰু অন্বেষণৰ কাৰণে সকলো সাজু হোৱা । যি শয়-তানে আমি চল্লিশজন দস্যুৰ চকুত ধূলি মাৰি আমাৰ জয়ৰ নিদৰ্শন সেই কটা মূৰ আৰু হাত-ভৰি লৈ গৈ আমাক বিদ্ৰোপ কৰিছে—যি শত্ৰুই মোৰ স্বৰ্ণহাৰ—যি হাৰ মোৰ প্ৰিয়াই মোক মৰণ কালত দি গৈছিল, যি জনৰ কৰুণ হত্যাৰ কাৰণে আজি মই এই দস্যুবৃত্তি অবলম্বন কৰিছো—সেই প্ৰিয়াৰ স্মৃতি মোৰ স্বৰ্ণহাৰ অপহৰণকাৰী, আমাৰ শত-সহস্ৰ ধনদৌলত অপহৰণকাৰী, সেই দস্যু, সেই ব্যেইমানৰ অন্বেষণ আজি আমাৰ সকলোৰে জীৱনৰ ব্ৰত । সাজু হোৱা—সাজু হোৱা—সকলো সাজু হোৱা ।

২য় দস্যু—আমি সকলো প্ৰস্তুত চৰ্দাৰজী !

চৰ্দাৰ—ব'লা হয় শত্ৰুজয় নহয় গোটেই অধঃপতন ।

(জয়ধ্বনি কৰি ওলাই যায়)

৪র্থ দৃশ্য

মোস্তাফ্‌াৰ ঘৰৰ সন্মুখ

(সময় নিশা। হাতত সাৰে ভৰিত সাৰে মৰ্জ্জিয়ানা সোমাই আহে—ভিতৰলৈ ভুমুকিয়াই মাতে)

মৰ্জি—বাবা মোস্তাফ্‌া। বাবা মোস্তাফ্‌া।

মোস্তাফ্‌া—(ভিতৰত লেহেতীয়াই) কোন কোন অ'?

মৰ্জি মেহেৰবাণী কৰি এই ফালে আহা জোনাব।

মোস্তাফ্‌া কোন অ' এই ৰাতি।

মৰ্জি মই জোনাব। মেহৰবানী কৰি এবাৰ দুৱাৰ খোলাচোন।

মোস্তাফ্‌া (হামিয়াই ওলায় আহে) কোন? কোন অ'। এই—এইয়া যে কোনোবা তিৰোতা মানুহ।

মৰ্জি কোনো ভয় নাই জোনাব—অলপ জৰুৰি কাম আছে। তুমি এতিয়াই মোৰ লগত যাব লাগে।

মোস্তাফ্‌া—যাব লাগে ক'ত যাব লাগে? এই নিশা মোক মাফ কৰিবা বেগম চাহেবা।

মৰ্জি—নহয় যাবই লাগিব। মই নহলে নেৰো। বাবা মোস্তাফ্‌া তোমাৰ লগত যে মোৰ প্ৰেম কৰিবৰে ইচ্ছা হয়। (হাতত ধৰে)

মোস্তাফ্‌া—কি কৰা বেগম চাহেবা - কোনোবাই দেখিব। (হাত এৰুৱায়)

মৰ্জি তুমি কিন্তু যাব লাগিব বাবা মোস্তাফ্‌া! মই নহলে নেৰো। (আকৌ ধৰে)

মোস্তাফ্‌া বাৰু যাম মোক এৰি দিয়া বেগম চাহেবা কিন্তু এই নিশা·

মৰ্জি—কোনো ভয় নাই। বহুত আচ্ছা পুৰস্কাৰ পাবা জোনাব। (এটা মোহৰ দিয়ে) কাম শেষ হৈ গলে পাঁচোটাকৈ মোহৰ পুৰস্কাৰ।

মোস্তাফ্‌া—পাঁচোটাকৈ মোহৰ। বাৰু মই··।

মৰ্জি যাবই লাগিব। কিন্তু এনেদৰে নহয়। বাটত যাওঁতে তোমাৰ চকু দুটি বান্ধি লৈ যাম দেই। তেনেকৰি মোৰ বৰ ভাল লাগে। সেই ধেমালিখিনি মোক কৰিব দিবা দেই জোনাব, তাৰ বাবে এইটি মোহৰ তোমাক পুৰস্কাৰ দিলো।

মোস্তাফ্‌া—পুৰস্কাৰ নিশা তাতে আকৌ চকু বান্ধা থাকিব।

মৰ্জি বাবা কোনো ভয় নাই এইখিনি মোৰ ধেমালি। পিছত মোৰ কামখিনি কৰি দিলেই তোমাৰ পুৰস্কাৰ আটাইখিনি পাবা। চাওঁ বহাচোন জোনাব - মই তোমাৰ চকু দুটি বান্ধি দিওঁ।

মোস্তাফ্‌া ৰ'ব মোৰ সৰঞ্জামখিনি লৈ আহো।

(যায় মুচিয়াৰী সৰঞ্জামখিনি লৈ আহে। মৰ্জিয়ানাই চকু বান্ধি দিয়ে)

মৰ্জি উঠা জোনাব (উঠাই ঘৰাই দিয়ে) এতিয়া ব'লা জোনাব।

মোস্তাফ্‌া ব'লা মই এটা গীত ধৰোঁ। তুমি তালে তালে নাচি যাবা দেই—এইখিনি হলে মোৰ ধেমালি বিবি চাহেবা।

মৰ্জি - কোনো কথা নাই।

(মোস্তাফ্‌াই গীত ধৰে মৰ্জ্জিয়ানাই চাৰিওফালে ঘূৰি পকি নাচি-বাগি যায়)

গীত

বুঢ়া হলো দুনিয়াত মই, নুবুজিলো প্ৰেমৰ মোল,
নুবুজিলো গুল বাগিচাত ভৰিত কিয় সোমায় হুল।
নুবুজিলো পিয়াৰীয়ে দিল কিয় কৰে মছগুল,
নুবুজিলো দিল যে মোৰ এই;
দিল্ল পিয়াৰীৰ মৰ্য়েই বুল বুল। —দাস

(মোস্তাফ্‌াই গীত গায় আৰু মৰ্জ্জিয়ানাই নাচি নাচি প্ৰস্থান)

পট পৰিবৰ্ত্তন

ৰাজআলি

(চকু বন্ধা অৱস্থাৰে মোস্তাফাঁই গীত গায় আৰু মৰ্জিয়ানাই নাচি নাচি আছে।)

(মাজতে বৈ)

মোস্তাফাঁ—আৰু কিমান দূৰ বিবি চাহেবা।

মৰ্জিয়ানা—আগতে পিচতে এই তেনেই ওচৰতে আৰু বেছি দূৰ নাই—ব'লা।

(মোস্তাফাঁই আকৌ গীত ধৰে—মৰ্জিয়ানাই নাচি নাচি প্ৰস্থান)

৫ম দৃশ্য

কবৰখানা

(কবৰৰ ওপৰত দুলায়মান মমবাতি জ্বলোৱা আছে—মেলিনাই কবৰত মূৰ পেলাই পৰি আছে—কাষত মহম্মদ)

(আলিবাবা সোমাই আছে)

আলি—(হুমুনিয়াহ কাঢ়ি) শেষত এই দৃশ্যও চাব লগা হ'ল। ভাইৰ কবৰৰ ওপৰত পৰি ভাইবোৱাৰীয়ে বুকু ভুকুৱাই কান্দিব ধৰিছে। কি নিদাৰুণ—কি কৰুণ! আই! নাকান্দিবি। উঠ—নচিবত যি আছিল সেয়ে হ'ল। উঠ—শোক কৰি কাছিমৰ বেহেস্তৰ বাটত হুল নাচাঁচিবি। তোৰ চকুত যে চকুপানী দেখিলে মোৰ অসহ্য হৈ উঠে। মই যে তাক থিৰেৰে চাই থাকিব নোৱাৰো। উঠ আই নাকান্দিবি। নুঠ কিয়? উঠ। সি তো আৰু নাহে। সি বৰ অভিমানী—সি অভিমান কৰিছে—সি তোৰ ওপৰত, মোৰ ওপৰত, নহয় দুনিয়াৰ সকলোৰে ওপৰত অভিমান কৰিছে—সি আৰু নাহে আই। প্ৰাৰ্থনা কৰ। খোদাৰ ওচৰত বিশ্বমল্লাৰ ওচৰত তাৰ বেহেস্তবাসৰ কাৰণে প্ৰাৰ্থনা কৰ।

মহম্মদ—উঠা চাচী! আৰু শোক নকৰিবা। উঠা ঘৰলৈ যাওঁ পলম হ'ল।

আলি—মহম্মদ! মোৰ আইক লৈ যা। মোৰ আইৰ চকুপানী দেখিলে মোৰ মন উতলা হৈ উঠে। লৈ যা—যা আই! আমাৰ ঘৰলৈকে যা। তাতে খোদাৰ চিন্তাত, বিশ্বমল্লাৰ চিন্তাত দিন কটাবি যা আই।

মেলিনা—ক'লৈ যাম? মোৰ দিল পিয়াৰাক এৰি মই ক'লৈ যাম?

আলি—(হুমুনিয়াহ কাঢ়ি) ইয়াত থাকিলে জানো সি আৰু আহিব আই? সি নিজ ইচ্ছাৰে গৈছে—সি আৰু নাহে। যা আই মোৰ ঘৰলৈকে যা। মোৰ ঘৰতে তই থাকিবি। তইঁতৰ বাহিৰেনো মোৰ কোন আছে। মহম্মদ! মোৰ আইক লৈ যা। চাবি ক'ৰবাত কিবা কষ্ট পাব।

মহম্মদ—উঠা ঘৰলৈ যাওঁ—ইমান কান্দিব নাপায় নহয়? (উঠাই দিয়ে)

মেলিনা—খোদা—তোমাৰ ওচৰত মোৰ সৰ্বস্ব এৰিলো। মোৰ দিল ভাঙি দিলপিয়াৰা গুচি গ'ল। তুমি—তুমি খোদা—তুমি তেওঁৰ যোগান ধৰিবা। মোৰ সেৱা আৰু তেওঁ নিবিচাৰে।

মহম্মদ—উঠা চাচী! এনেবোৰ কথা কৈ শোক কৰিব নাপায় নহয়। (উঠাই লৈ যায়)

আলি—ময়ো যাওঁ। কিন্তু কাছিম! তোক যে আজি ইয়াত অকলে এৰি থৈ যাব ওলাইছো, তোৰতো দুনিয়াত সঙ্গৰ আকাল নাছিল। ভাই ল'ৰালি কালৰ কত কথা আজি মনত পৰিছেহি। অভিমানী তই, অভিমান কৰিয়েই গুচি গলি। মোৰ দোষতেই—একমাত্ৰ মোৰ দোষতেই তই আজি এই দুনিয়া এৰি যাব লগা হ'ল। মোক অভিশাপ দে ভাই। মই যদি তোক সেই কথা নকলোহেঁতেন,

মই যদি সেই সকলোবোৰ গোপনে ৰাখিব পাৰিলোহেঁতেন তেন্তে, তেন্তেতো তোৰ এই দশা কেতিয়াও নহ'লহেঁতেন। দোষ মোৰ মই ভাতৃবধ পাপ কৰিছো মোক অভিশাপ দে। নতয় কাছিম তই উলটি আহ মোক এই ধন-দৌলত একো নালাগে —তই উলটি আহ। তোক লগত লৈ মই দুৱাৰে দুৱাৰে ভিক্ষা কৰি বাকী কাল কটাম। আহ তই উলটি আহ। কাছিম —কাছিম· ·

(কবৰৰ সন্মুখত পৰি যায়)

৬ষ্ঠ দৃশ্য

ৰাজআলি

(মোস্তাফাঁ টকা গণি গণি সোমাই আহে)

মোস্তাফাঁ —এনিশা এটি কাম কৰি পুৰস্কাৰ পঞ্চাশটা সোণৰ মোহৰ। (গণনা কৰে) এক, দুই, তিনি, চাৰি (ভুল লাগে) আহাহা ১, ২, ৫ আহাহা, (গণি গণি যায় —পাছে পাছে দস্যুদলপতি ছদ্মবেশেৰ সোমাই আহে।)

চৰ্দাৰ —এইয়া যে আমাৰেই চাব থকা মোহৰ। এইবাৰ ছিদ্ৰ পাইছো। ইয়াক অনুসৰণ কৰিব লাগিল।

(পিছে পিছে যায়)

পট পৰিবৰ্ত্তন

মোস্তাফাঁৰ ঘৰৰ সন্মুখ

মোস্তাফাঁ দুনিয়াত মুছিয়াৰী বিদ্যাওতো কম নহয় এনিশা এটি মৰাশ চিলাই কৰি পঞ্চাশটা সোণৰ মোহৰ হাঃ হাঃ হাঃ এক, দুই, তিনি, চাৰি, আহাহা—ঘৰত সোমাই খুব হুচিয়াৰ হৈ গণিব লাগিব।

(পিছে পিছে দস্যুদলপতি সোমাই আহে)

চৰ্দাৰ মুছিয়াৰ তেন্তে (ছুৰীৰে জোতা ফালে)

(ভিতৰত—এক, দুই, তিনি)

মিস্ত্ৰি চাহেব !

মোস্তাফাঁ কোন ?

চৰ্দাৰ মেহেৰবাণী কৰি এইফালে আহা মিস্ত্ৰি চাহেব।

মোস্তাফাঁ কোন ? কি লাগে ? (ওলাই আহে)

চৰ্দাৰ মোৰ জোতাযোৰ চিলাই কৰি দিব লাগে।

মোস্তাফাঁ জোতা চিলাই ?

চৰ্দাৰ —এৰা মিস্ত্ৰা চাহেব আজিকালি কাৰবাৰ কেনে ?

মোস্তাফাঁ কাৰবাৰ হেঃ হেঃ হেঃ। বৰ খাৰাপ জোনাব—বৰ খাৰাপ। এটি কাম কৰি এনিশাৰ ভিতৰত পঞ্চাশটা মাথোন সোণৰ মোহৰ পায়।

চৰ্দাৰ ময়ো তেন্তে এই ব্যৱসায়কে শিকিম। তুমি শিকাবানে মিস্ত্ৰা চাহেব ?

মোস্তাফাঁ পাৰিবা জোনাব মানুহ চিলাই। আবাবা, (মুখত হাত দিয়ে)

চৰ্দাৰ মানুহ চিলাই হো।

মোস্তাফাঁ মাফ কৰিবা একো নহয়। (চৰ্দাৰে এটি মোহৰ দিয়ে)

চৰ্দাৰ মানুহ চিলাই মিস্ত্ৰি চাহেব।

মোস্তাফাঁ হয় মানুহ চিলাই সময়ত তাকো লাগে জোনাব। ৰবা জোনাব মই মোৰ সৰঞ্জামবোৰ লৈ আহো। (যায়)

চৰ্দাৰ এইবাৰ সকলো ধৰা পৰিছে। মৰাশ আনি ইয়াৰ হতুৱাই চিলাই কৰাইছে। ক্ষন্তেকতে সকলো গম পাম।

(মোস্তাফাঁই চিলাইৰ বস্তু আনি চিলাই কৰে)

বাৰু মিঞা চাহেব ! তুমি জোতা বেছ চিলাই কৰিব পাৰা, কিন্তু মানুহ চিলাই ভালদৰে কৰিব পাৰানে ?

মোস্তাফা --খুব আচ্ছা পাৰো --খুব বঢ়িয়া পাৰো। মানুহ চিলাই কৰি পুৰস্কাৰ পাওঁ ৫০ টা সোণৰ মোহৰ ।

চৰ্দাৰ মোৰ বিশ্বাস তুমি নোৱাৰা মানুহ চিলাই কৰিব নোৱাৰা ।

মোস্তাফা --খুব পাৰো --খুব পাৰো জোনাব ।

চৰ্দাৰ -মোৰ বিশ্বাস নহয় ।

মোস্তাফা আৰে কি মস্কিল --মই যে খুব ভাল মানুহ চিলাই কৰি এইমাত্ৰ পঞ্চাশটা মোহৰ পুৰস্কাৰ পাইছো ।

চৰ্দাৰ বাৰু কোন ঘৰ মানুহেনো মানুহ চিলাই কৰিছে দেখুৱাই দিব পাৰিবা ? পাৰা যদি তোমাক মই এইয়া আৰু এটি মোহৰ পুৰস্কাৰ দিম (মোহৰ দেখুৱায়)

মোস্তাফা ঘৰ চিনি পাওঁ --কিন্তু বাট চিনি নাপাওঁ জোনাব ।

চৰ্দাৰ-- ই আকৌ কি কথা বাট নিচিনাকৈ আকৌ ঘৰ চিনি পালা কেনেকৈ ?

মোস্তাফা কথা আছে মোৰ চকুত কাপোৰ বান্ধি লৈ গৈছিল । তুমি যদি মোৰ চকু বান্ধি নগৰলৈ লৈ যাব পাৰা, মই নিশ্চয় ঘৰটো উলিয়াই দিব পাৰিম !

চৰ্দাৰ (জোতা পিন্ধি) বাৰু মই তোমাৰ চকু বান্ধি দি লৈ যাওঁ ।

মোস্তাফা -বান্ধা - বান্ধা জোনাব । (চকু বান্ধে) বেছ হৈছে। বেছ চমৎকাৰ হৈছে। যোৱাৰ আগতে মোক এনেকৈ ঘূৰাই দিছিল (ঘূৰি দেখুৱাই) ব'লা মোক হাতত ধৰি ধৰি লৈ ব'লা -মই খোজ গণি গণি সেইখিনি ওলামগৈ ।

চৰ্দাৰ---ব'লা - - -

মোস্তাফা--আৰু মই এনেদৰে গীত গাই গাই গৈছিলো জোনাব । (গীত আৰম্ভ কৰে "বুঢ়া হলো····ইত্যাদি আৰু প্ৰস্থান)

৭ম দৃশ্য

আলিবাবাৰ দালান

(খটখটিয়েদি মজিয়ানা নামি আহে --পিছে পিছে আবদাল্লা। অহাৰ লগে লগে আবদাল্লাই কথা আৰম্ভ কৰে। নেপথ্যত মোস্তাফাৰ "বুঢ়া হলো দুনিয়াত--- ইত্যাদি শুনা যায়)

আব --আৰু কিমান দিন মৰ্জেনা, মই আৰু তোৰ পিছে পিছে ঘূৰি হাইৰাণ হৈছো । তই জানো -(মজিয়ানা দৰৈত কিবা দেখি থমকি ৰয় আৰু কথা কবলৈ মানা কৰে)

আব-- কিয় ? কোন ? ৰ'লি কিয় ?

মজি -চুপ্
(আকৌ দুয়ো খটখটিয়েদি উঠি যায় --মজিয়ানাই ওপৰৰ পৰা জুমি চাই থাকে। মোস্তাফা আৰু চৰ্দাৰ আহে)

মোস্তাফা -সাতত্ৰিছ-আঠত্ৰিছ-উনচল্লিছ-চল্লিছ--এই পৰা চল্লিছ কদম । এই চল্লিছ কদমতেই সেই ঘৰ (বান্ধ খুলি) ঠিক এইটোৱেই হয়।

চৰ্দাৰ --ওঁ (মোহৰ দি) । লোৱা মিঞাচাহেব তোমাৰ অন্ধানুসৰণত মই মুগ্ধ । এইয়া তোমাক মই দিব লগা পুৰস্কাৰ। (মোহৰ দিয়ে) ।

মোস্তাফা -বহুত আচ্ছা জোনাব --মই এতিয়া আহোহে তেন্তে জোনাব। ব'ল মোস্তাফা, তোৰ নছিব খুলিছে। এইবাৰ এইবাৰ তোৰ মক্কা যাত্ৰা। (গুচি যায়)

চৰ্দাৰ ---শত্ৰুৰ ঘৰ বিচাৰি পাইছো -উপযুক্ত শাস্তি দিম। আজি নিশা এই চিহ্ন চাই শত্ৰুৰ শিবিৰ

আক্রমণ কৰিম। (মুৰি চাই চিন দি গুচি যায়)

(মৰ্জিয়ানা আক আবদাল্লা আহে)

মৰ্জি—এইয়া দেখিছ ?

আব—কি মোৰ জান।

মৰ্জি—এই চিন।

আব—আলবৎ দেখিছো—মোৰতো দুয়োটা চকু আছে—থিক দেখিছো। (চকু দুটা মোহাৰি লয়)

মৰ্জি—যা তই এইফালৰ সকলোবোৰ দালানতে এনে চিন দি আহগৈ—পাৰিবি নহয় ?

আব—পাৰিম—পাৰিম—নিশ্চয় পাৰিম—কিন্তু তই ক'লৈ যাবি মোৰ জান ?

মৰ্জি—মই সৌ ফালৰ ঘৰবোৰত এই দাগ দি আহি আকৌ দুয়ো নাচ-গান কৰিম।

আব—অ'-অ' (লৰ মাৰে)।

মৰ্জি—এই আৰু শুন (উলটি আহে)—খুব হচিয়াৰ সকলোবোৰ দাগ যেন একে হয়।

আব—মিবা আজ্ঞা বেগম চাহেবা। (চেলাম কৰি যায়)

মৰ্জি—কি বিপদ। মালিকৰ যে চাৰিওপিনে শত্ৰু। এই বিপদৰ পৰা ৰক্ষা কৰা খোদা। মই তোমাৰ নামে দুডাল মম বাটি সৈছোঁ। (যায়)

আঁৰ কাপোৰ

৪ৰ্থ অঙ্ক

১ম দৃশ্য

গহ্বৰৰ সান্নিধ্য—আনফালে পৰ্বতৰ ডাঙৰ ডাঙৰ শিল। শিলৰ কাষেদি পৰ্বতীয়া নিজৰা এটি বৈ আহিছে। নিজৰাৰ ঝৰ ঝৰ শব্দৰে নিনাদিত। এটি বৰ ডাঙৰ শিলত বাঘাছলা আছোৱে চৰ্দাৰজী বহি আছে। আঁৰ কাপোৰ তোলাৰ লগে লগে নিজৰাৰ শব্দ ভেদ কৰি ধীৰে গম্ভীৰে চৰ্দাৰে কথলৈ আৰম্ভ কৰিলে।

চৰ্দাৰ পৰাজয়—পৰাজয় আজি মঙ্গলচাঁদ দস্যু-দলপতিৰ সামান্য এজন নাগৰিকৰ হাতত পৰাজয়। সেই চয়তানৰ ঘৰ বিচাৰি উলিয়াই চিহ্ন দি আহিলো, কিন্তু ক'তা সেই চিহ্নতো নগৰৰ প্ৰায়বোৰ ঘৰতেই হৈ পৰিল। যাদুকৰ যাদুকৰ নহলে মঙ্গলচাঁদৰ পৰাজয় অসম্ভৱ। কিন্তু সেই চোৰ সেই চয়তানক বিচাৰি যে উলিয়াবই লাগিব। দুনিয়া ছাৰখাৰ কৰিম। গাঁৱে গাঁৱে, নগৰে নগৰে, তাৰ অনুসন্ধান কৰিম। ক'তা সহকাৰী সকলতো এতিয়াও উলটি নাহিল। কোনে জানে আকৌ বা কি অমঙ্গল। এবাৰ পৰাজিত হৈছো যেতিয়া পৰাজয়ৰতো আৰু ভয় নাই। হয় হক মঙ্গলচাঁদ দস্যু চৰ্দাৰৰ তেওঁৰ চল্লিছজন সহকাৰীৰে সৈতে একেদিনে একেলগে অধঃপতন-----কিন্তু ইমান তললৈ- - - -

(ভিতৰত নুৰ মহম্মদ—"আৰু নামাৰিবি ঔ আৰু নামাৰিবি ঔ")

কোন কাৰ আৰ্তনাদ ?

(ভিতৰত আকৌ "আৰু নামাৰিবি ঔ---নামাৰিবি ঔ") চোৰ নিশ্চয় ধৰা পৰিছে নহ'লে সিহঁতে ইমান গুলজাৰকৈ নাহিলহেঁতেন। শাস্তি দিম। চয়তানৰ উপযুক্ত শাস্তি দিম। যি শাস্তিৰ নাম শুনিলে দুনিয়াৰ সকলো চয়তানৰ ভবিষ্যতেও দিল কঁপি উঠে সেই শাস্তি দিম।

(জয়ধ্বনি কৰি দস্যুবিলাকে নুৰ মহম্মদক ধৰি আনে)

কি চিকাৰ সহকাৰীসকল ! আমাৰ ঘোৰ শত্ৰু ধৰা পৰিছেনে ?

এজন দস্যু—চৰ্দাৰজী !

চৰ্দাৰ—নিমাত কিয় ? কৈ দিয়া। তোমালোকৰ আত্মহাৰা জয়ধ্বনিৰ কাৰণ কি ? সেই চিৰশত্ৰু ধৰা পৰিছেনে ?

এজন দস্যু—চৰ্দাৰজী ? চিৰশত্ৰু আমাৰ ধৰা নপৰিব পাৰে কিন্তু----

চৰ্দাৰ--কিন্তু আৰু কি ? ধৰি আনিম। সাৱধান প্ৰতিজ্ঞা নকৰিবা। কাপুৰুষ তোমালোক। তোমালোকে তেনে প্ৰতিজ্ঞা নকৰিবা। তোমালোকে প্ৰতিজ্ঞা কৰা যে তোমালোকৰ দলপতিৰ ছিন্নমুৰ তোমালোকৰ কাপুৰুষতাৰ চিহ্নৰূপে সেই ঘোৰ শত্ৰুৰ হাতত অৰ্পণ কৰিবা। কৰা সেই প্ৰতিজ্ঞা কৰা। এজন বৃদ্ধক বন্দী কৰি আনি আকৌ এই জয়ধ্বনি। কাপুৰুষ মুক্ত কৰি দিয়া, সেই বৃদ্ধক মুক্ত কৰি দিয়া।

(এজনে মুক্ত কৰি দিয়ে)

এজন দস্যু চৰ্দাৰজী! আমি মঙ্গলচাঁদ দস্যু-দলপতিৰ সহকাৰী হৈ কেতিয়াও কাপুৰুষ নহওঁ।

চৰ্দাৰ হাঃ হাঃ হাঃ। কাপুৰুষ নহৱ ? বীৰ বীৰ তহঁত ? তহঁত যদি বীৰ হলিহেঁতেন দুনিয়াত বীৰৰ সমাদৰ কাহানিবাই লুপ্ত হ'লহেঁতেন। এজন বুঢ়াক আশ্ৰয়হীন পাই বন্দী কৰি আনি আকৌ নিজ বীৰত্বৰ পৰিচয় দিবলৈ আহিছ ?

এজন দস্যু আমাক পৰিহাস নকৰিব। আমি সেই শত্ৰুৰ সন্ধেদ পাবৰ এই বুঢ়াৰ গাত ছিদ্ৰ পাইছো।

চৰ্দাৰ ছিদ্ৰ --কি ছিদ্ৰ পাইছা ?

এজন দস্যু --চৰ্দাৰজী! এই বুঢ়া এজন সদাগৰৰ ধনভঁৰালী। সেই সদাগৰক দলেবলে হত্যা কৰিবলৈ গৈ দেখো যে এইবোৰ আমাৰ গহ্বৰত জমা থোৱা মোহৰ। সেই কাৰণে এই বুঢ়াক প্ৰাণে নামাৰি আপোনাৰ ওচৰলৈ লৈ আহিছো। চাওক, এইবোৰ যে আমাৰেই চাব থকা মোহৰ। (মোহৰ দেখুৱায়)

চৰ্দাৰ সঁচা কথা। এইবোৰ যে আমাৰেই চাব থকা মোহৰ। বৃদ্ধ! তুমি এই মোহৰ ক'ত পালা ? আৰু তোমাৰ পৰিচয় ?

নুৰ মহম্মদ --সকলো পৰিচয় দিম চৰ্দাৰজী; প্ৰথমতে মেহেৰবাণী কৰি মোক এটুপি পানী পিবলৈ দিয়া। বৰ তৃষ্ণা--এটুপি পানী পিবলৈ দিয়া।

চৰ্দাৰ --পানী--বাৰু সৌৱা পানী আছে। নিজে গৈ যিমান ইচ্ছা পান কৰা।

(নুৰ মহম্মদ গৈ নিজৰাৰ পৰা বৈ অহা পানী পান কৰে)

নুৰ--বহুত ধন্যবাদ চৰ্দাৰজী! শুনক চৰ্দাৰজী --মই সদাগৰ আবুবেনৰ ধনভঁৰালী আছিলো। বৰ্তমান আমি সৌ নগৰৰ ওচৰত বাণিজ্যৰ কাৰণে বাহৰ পাতিছিলোঁ। তাতে আমাক আপোনাৰ সৈন্যবাহিনীয়ে লগ পাই সকলোকে হত্যা কৰি মাথোন এই বুঢ়াক জীয়াতু ভোগাই ইয়ালৈ লৈ আহিছে। এই মোহৰ আমি নগৰৰ সেখ আলিবাবাক আমাৰ বাণিজ্যবস্তু বিক্ৰী কৰি লাভ কৰিছিলো।

চৰ্দাৰ আলিবাবা ? আ-লি-বা-বা।

নুৰ হয় চৰ্দাৰজী! আলিবাবা।

চৰ্দাৰ- উত্তম। তুমি বৃদ্ধ --আমাক সেই আলি-বাবাৰ ঘৰ চিনাই দিব লাগিব। তেতিয়া হলে তোমাৰ মুক্তি। বৰ্তমান সেই আলি-বাবাৰ ঘৰ আমাক দেখুৱাই নিদিয়ালৈকে তুমি আমাৰ লগত থাকিব লাগিব। তাৰ পিছত তোমাৰ মুক্তি। যোৱা তুমি এতিয়া বৰ ক্লান্ত অলপ বিশ্ৰাম কৰাগৈ। (এজন দস্যুক) যোৱা তুমি এওঁক লৈ যোৱা-- আমাৰ শয়ন কক্ষত বিশ্ৰাম কৰিব দিয়াগৈ।

নুৰ--মুক্তি----কিন্তু।

চৰ্দাৰ --কিন্তু আকৌ কি ?

নুৰ--একো নহয় চৰ্দাৰজী! ভ্ৰম। শুষ্ক মস্তিষ্কৰ পৰা ওলোৱা শত সহস্ৰ ভুলৰ মাজত ইয়ো এটা ভুল--কিন্তু তাক ধৰিব লগীয়া নহয়।

চৰ্দাৰ - বাৰু যোৱা বিশ্ৰাম কৰাগৈ ।

(নুৰ মহম্মদ আৰু এজন দস্যু যায়)

সহকাৰী সকল ! এইবাৰ এই বুঢ়াৰ সহায় লৈ আমি সকলোৱে সেই বেটাইমানৰ সন্ধান লম । সাৱধান যাতে এইবাৰ আৰু সি সাৰি যাব নোৱাৰে । কিন্তু- - - - ঠিক । মই তেলৰ সদাগৰ ৰূপে তোমালোকক তেলৰ কলহত সুমুৱাই বিক্ৰী কৰিবৰ চলেৰে সেই আলিবাবাৰ ঘৰত সোমাম । নিশা বিশ্ৰামৰ কাৰণে তেওঁৰ আতিথ্য প্ৰাৰ্থনা কৰিম । তাৰ পিছত ইমান দিন অন্তৰত জ্বলি থকা জুইৰে আলিবাবাক দগ্ধ কৰি পেলালে ।- -যোৱা বিশ্ৰাম কৰাগৈ - কালিলৈ -আলিবাবা ।

(একালে যায় আনবোৰ আনফালে যায়)

পট পৰিব

২য় দৃশ্য

ফুলনি

(ফুল চাই আমিনা আৰু মেলিনা সোমাই আহে-- মেলিনাৰ চকুত চকুলো বোৱাৰ চিন- আমিনাৰ হাতত দুটা আপেল)

আমিনা—চাঁচী তুমি কিয় কান্দি থাকা ? ফুল চাই তোমাৰ ভাল নেলাগেনেকি ?

মেলিনা -কিয় ভাল নেলাগিব সোণ ? তুমি খেলা-কৰা দেখিলে মই বৰ ৰং পাওঁ ।

আমিনা--তেন্তে তুমি কান্দি থাকা কেলেই ? তোমাৰ ভোক লাগিছে যদি এইটো খোৱা । (এটা আপেল দিয়ে) ।

মেলিনা—নালাগে সোণ ! মোৰতো ভোক লগা নাই । তুমি খোৱা তোমাৰহে ভোক লাগিছে ।

আমিনা—মই খাইছো নহয়—তুমি এইটো খোৱা ।

(মহম্মদৰ প্ৰবেশ)

মহম্মদ চাঁচী তুমি ইয়াত ? মোৰ চেলাম লবা ।

আমিনা কাকাজান । চাঁচীয়ে মোৰ লগত ধেমালি নকৰে । অকলে কান্দি থাকে । মই যেতিয়া পখিলাবোৰ খেদি দূৰলৈ যাওঁ চাঁচীয়ে তেতিয়াই চল পাই কান্দে ।

মহম্মদ চাঁচী ! তোমাৰ চকুপানীয়ে যে আমাৰ দিল কন্দুৱাই তোলে । আমি জানো তোমাৰ পৰ ? তুমি যে আমাৰ লগত থাকি অকলে কান্দি থাকা ?

মেলিনা নহয় মহম্মদ ! আমিনাই মিছা কৈছে-- মই কান্দা নাই । বাৰু কোৱাচোন মই ক'ত কান্দিছো ?

মহম্মদ -কান্দোন- -কান্দোন তোমাৰ মুখৰ ফালে চালেই যে তোমাৰ দিলত কি যান্ত্ৰণা তাক বেছ বুজিব পাৰি । জোৰ কৰি হাঁহিবলৈ কৰা চেষ্টাৰ জিলিঙনিৰ মাজেদি বৈ আছে, অন্তৰ ব্যথাৰে পৰিপূৰ্ণ দুধাৰি চকুলো । চাঁচী তুমি আৰু আমাক কান্দিবলৈ উদগাই নিদিবা ।

মেলিনা -মহম্মদ ! তোমালোক থকাত আৰু মোৰ কি দুখ আছে ?

আলি (ভিতৰত) মহম্মদ !

মহম্মদ—বাবাজান !

আলি (সোমাই অহাৰ লগে লগে) মোৰ আই মেলিনা ক'ত ? অ' তই এনেদৰে কান্দি নাথাকিবি আই ! এনেদৰে শোক কৰি নাথাকিবি । তোৰ চকুত পানী দেখিলে যে এই বুঢ়াৰ শুষ্ক দিল ফাটি চকুলোৰে নৈ বৈ যায় । মোক আৰৌ বলিয়া কৰি নুতুলিবি । মোৰ সকলো গৈছে—সালিমা গৈছে—কাছিম গৈছে—তথাপি আক্ষেপ নাই, যিহেতু তই আছ— মহম্মদ আছে, আমিনা আছে । কিন্তু তই

আকৌ এনেদৰে উমাই উমাই জ্বলি থকা জুইত ঘিউ ঢালি দপ্‌দপাই জ্বলাই নুতুলিবি। ব'ল হাৰেমলৈ ব'ল ।

(এনেতে মৰ্জিয়ানা আহে)

আলি কি সংবাদ ?

মৰ্জি সদাগৰ মিৰ্জাখাঁই আপোনাৰ দৰ্শন ইচ্ছা কৰে ।

আলি বাৰু, বিশ্ৰামকক্ষত বহিবলৈ কৈছতো ?

মৰ্জি হয় জোনাব।

আলি বাৰু মহম্মদ! যা তহঁতৰ চাঁচীয়েৰক লৈ হাৰেমলৈ যা। মই বিশ্ৰামকক্ষৰ পৰা অলপ আহো ।

(একাষে আলিবাবা আৰু আনকাষে মৰ্জিয়ানাৰ বাহিৰে অন্যবোৰ যায়)

মৰ্জি মহম্মদ! তোমাক পাবৰ আশা মোৰ নাই। তথাপি তোমাক ইমান ভাল লাগে কিয়? দিল দি দিল পাবলৈ হলে তুমি মোৰ মহম্মদ । (যায়)

৩য় দৃশ্য

আলিবাবাৰ অতিথিশালা

চন্দ্ৰবেশী চৰ্দাৰ বহি আছে —দুজনমান ভৃত্যই সেৱা শুশ্ৰূষা কৰিব ধৰিছে। লাহে লাহে আলিবাবা সোমাই আহে। আলিবাবাক দেখি চৰ্দাৰে অভিবাদন জনাই থিয় হয় ।

চৰ্দাৰ আচ্ছালাম্ আলেইকুম্ ।

আলি—আলেইকুম চেলাম ।

চৰ্দাৰ—আজি আপোনাৰ দৰ্শন পাই এই নিঃকিন সদাগৰ মিৰ্জাখাৰ প্ৰাণ আনন্দত নাচি উঠিছে।

আলি—আপোনাৰ পদধূলিৰে এই নিঃকিনৰ পঁজা পবিত্ৰ কৰাৰ কাৰণে নিঃকিনে শত শত ধন্যবাদ জনাইছে ।

চৰ্দাৰ তদুপৰি জোনাব,—এই নিঃকিনৰো নিঃকিনে আপোনাৰ ওচৰত আজি নিশাৰ কাৰণে আতিথ্য আশা কৰিছে ।

আলি—আপোনাক অতিথি ৰূপে পাই মই নিজেই গৌৰবান্বিত। কওক আপোনাৰ কি সেৱাৰ আৱশ্যক ? এই নিঃকিনে তাকে কৰিবলৈ যত্নবান হব ।

চৰ্দাৰ—আপোনাৰ কথাত মই অতিশয় আনন্দ পাইছো। মোক আন একো নালাগে জোনাব, কেৱল আজি নিশাৰ কাৰণে মোক আৰু মোৰ সামান্য বাণিজ্য বস্তুখিনি আপোনাৰ আশ্ৰয়ত থাকিব দিলেই মই ধন্য হম ।

আলি আপুনি কোনো চিন্তা নকৰিব। মই অতিথি শুশ্ৰূষাৰ কোনো ত্ৰুটি নকৰো। কিন্তু দোষ হলে ক্ষমা কৰিব মাথোন। এঁঁাই কোন আছ ?

(আবদাল্লা আহি থিয় হয়)

যা আজি নিশা সদাগৰ মিৰ্জাখাঁৰ সন্মানাৰ্থে এটি ভোজৰ যোগাৰ কৰিব দে।

(আবদাল্লা যায়)

জোনাব আপোনাৰ বাণিজ্য-বস্তুবোৰ ক'ত ?

চৰ্দাৰ —কেইটিমান কলহ মাথোন সকলো প্ৰস্তুত আছে আপুনি আনিবলৈ আদেশ দিলেই হ'ল।

আলি উত্তম মই মানুহ পঠিয়াই সকলোবোৰ মোৰ মাজ মজিয়াত থৈ দিয়াম —যাতে তাৰ একো নষ্ট হব নোৱাৰে । আপুনি চিন্তা নকৰিব ।

চৰ্দাৰ কিন্তু এটা কথা জোনাব ।

আলি —কি কথা কওক জোনাব ।

চৰ্দাৰ মই আকৌ মোৰ খাদ্যত নিমখ একেবাৰেই নাখাওঁ – আপোনাৰ বা কিবা অসুবিধা হয় ?

আলি—এ নহয়—নহয়, কোনো চিন্তা নকৰিব ।
মজিয়ানা । মজিয়ানা !

(মজিয়ানাই চেলাম কৰি হাজিৰ হয়)

আজি নিশা ভোজৰ যি খাদ্য তৈয়াৰ হব তাত যেন নিমখ দিয়া নহয় । আমাৰ অতিথিয়ে নিমখ নাখায়, যা কৈ দিবি ।

মজি—(স্বগতঃ) নিমখ্‌ নাখায় ? -ইনো আকৌ কি কথা। (ফুটাই) বাৰু হুজুৰ । (গুচি যায়)

আলি—বলক সদাগৰ চাহেব ! আপুনি বৰ ক্লান্ত অলপ বিশ্ৰাম লওকহি । পিছত দুয়ো আকৌ কথা হম ।

চৰ্দাৰ—ই আপোনাৰ মেহৰবাণী জোনাব ?

(দুয়োবো প্ৰস্থান)

৪ৰ্থ দৃশ্য

আলিবাবাৰ বাৰাণ্ডা

(গীত গাই গাই মহম্মদৰ প্ৰৱেশ)

গীত

(মোৰ) গুল্ল বাগিচাত, কৰে বুলবুল তই, গাৱ
নিতে প্ৰেমৰে গান,
দিল চাহাৰা, কৰি গুলজাৰ, বয় হৰ দম
প্ৰেম তুফান ।
কোন সুদূৰৰ অ' বুলবুল তই
কিয় শিকাৰ ভাল পাবলই,
কিয় মোৰ দিলত; লগাৱ চমক, কোন ৰূপহীৰ
মাৰি ৰূপৰ বান ?

(গীতান্তে)

মহম্মদ—আৰু কিমান দিন ? মজিয়ানা ! তোক যিমানেই আঁতৰে আঁতৰে ৰাখিবলৈ চেষ্টা কৰিছো সিমানেই যে তোৰ মোৰ সম্বন্ধ বেছি দৃঢ় হৈ আহিছে । তোৰ বিনিময়ত যে মোৰ এই ৰঙিলী দুনিয়া মৰুভূমিতুল্য।

ক' তই মোৰ হবি ? ক' তই মোৰ দুবাহুৰ মাজত ধৰা দি মোক আসমানবাসৰ সোৱাদ লবলৈ দিবি ? মজিয়ানা ! তই মোৰ দাসী — কিন্তু তই নাজান মোৰ দিলত তোৰ স্থান ক'ত ? মজিয়ানা মজিয়ানা —মোক তোৰ হবলৈ দে। (ভাব ভাবি গুচি যায়)

৫ম দৃশ্য

(আলিবাবাৰ কোঠা শাৰী শাৰী কলহ সজোৱা আছে মজিয়ানা আৰু আবদাল্লা দাবাখেলিবলৈ সেইফালে যায়— মৰ্জিয়ানাৰ চকু হঠাৎ কলহৰ ফালে যায় এটি কলহৰ মুখেদি এখন ছুৰী ওলাই আহা দেখা যায় । মজিয়ানাই থমকি ৰয় -চাই পিছুৱাই যায় । আবদাল্লাকো টানি লৈ যায় —কলহৰ মুখেদি এজন বুঢ়া মানুহ (নুৰ মহম্মদ) ওলাই আহে —তাকে দেখি আবদাল্লাই চিঞৰিব খোজে মৰ্জিয়ানাই মুখ টিপি মানা কৰে—বুঢ়াই ঘূৰি চাই মজিয়ানাইতক দেখি মনে মনে থাকিবলৈ আৰু তাৰ লগত আগবাঢ়ি যাবলৈ ইঙ্গিত কৰে মজিয়ানা আৰু আবদাল্লাই তাকে কৰে আৰু গৈ কাষকোঠাত প্ৰৱেশ কৰেগৈ ।

পট পৰিবৰ্তন

আলিবাবাৰ দালানৰ আন এটি কক্ষ

(মজিয়ানা, আবদাল্লা আৰু নুৰ মহম্মদ)

নুৰ—(ফুচফুচাই) তোমালোকৰ মহলত দস্যু সোমায়ছেহি । সাৱধান এইবোৰ কলহবোৰ দেখিছা ইতো তেলৰ কলহ নহয় প্ৰত্যেকতে

এজোকন দস্যু আৰু সদাগৰ নিজে দস্যু চৰ্দাৰ আজি তোমালোকৰ মালিকৰ ধ্বংসৰ কাৰণে এই মহলত সোমাইছেহি ।

মৰ্জি (আবদাল্লাক) এই মনে মনে যা—মহম্মদ চাহেবক ইয়ালৈ মাতি আনগৈ। (আবদাল্লা যায়)

আব—(আকৌ উলটি আহি মন খজুৱাই) কাক মাতিব কৈছিলি ?

মৰ্জি -মহম্মদ চাহেবক যা ।

আব (যায় —আকৌ ঘূৰি আহি) তই কলৈ যাবি ?

মৰ্জি মই যতে নাযাওঁ তই মহম্মদ চাহেবক ইয়ালৈ মাতি আনগৈ যা নহলে তোক বেয়া পাম ।

আব নাপাবি বেয়া নাপাবি মোৰ জান, মই এতিয়াই মাতি আনিম (ঘূৰি যায় মৰ্জিয়ানাৰ বুকুৰ চাই থাকে)

নুৰ কি বিশ্বাস তোৱা নাইনেকি তিনি চাহেবা ?

মৰ্জি -বিশ্বাস আকৌ নহব কিয় জোনাব ? মই ইয়াৰ উপায়হে ভাবিছো। (মহম্মদ আৰু আবদাল্লা সোমাই আহে)

মহম্মদ কি মৰ্জিয়ানা! মোক ইয়ালৈ কিয় মাতি-ছিলি ?

মৰ্জি -কথা আছে জোনাব ! আমাৰ ঘৰত দস্যু সোমাইছেহি । এই যে সদাগৰ আহিছে, তেওঁ সদাগৰ নহয়, তেওঁ দস্যু চৰ্দাৰ আৰু কলহবোৰত একো একোজনকৈ দস্যু । এই বৃদ্ধ তাৰে পৰা ওলাই আহি আমাক সকলো কৈছেহি ।

মহম্মদ তুমি কোন ?

নুৰ—মোৰ পৰিচয় পাছত পাবা । বৰ্তমান মোক বন্দী কৰি থোৱা নহলে সি আকৌ কিবা অন্যায় কৰিব পাৰে ।

মহম্মদ—তোমাক –তোমাক বন্দী কৰিম কিয় ? তুমি আমাৰ মহামিত্ৰ মৰ্জিয়ানা ইয়াৰ উপায় ?

মৰ্জি -উপায় আছে জোনাব –ডাঙৰ চৰুত তেল গৰম কৰি এই কলহবোৰ তাত পেলাই দিয়া হওক । তেনে কৰিলে সকলোবোৰ শেষ হব ।

মহম্মদ –বাৰু তাকে কৰা যাব । ব’ল পলম নকৰিবি । আহহঁক ।

(সকলো বেগেৰে যায়)

পট উঠিব

৬ষ্ঠ দৃশ্য

আলিবাবাৰ ৰংমহল

(ৰাজনাদাৰবোৰ মাজমাতে বহি আছে -অনগনী মানুহবোৰ ঠায়ে ঠায়ে বহি আছে—এখন চাল-পীৰাৰ ওপৰত বহি আলিবাবা আৰু দস্যু চৰ্দাৰ । —কাষত বাদাম পেস্তা, আপেল আদিৰ ঠাল। আগত এটি ডাঙৰ মদৰ কলহ। এজন ওস্তাদে গান গাইছে-- কোনোৱে কথা পাতিছে---কোনোৱে গান শুনিছে। আলিবাবা আৰু চৰ্দাৰৰ আগত দীঘল গুৰ গুৰি। গীত বাদ্যৰ হৈ থাকিব মহম্মদ আৰু আবদাল্লা আহিব।)

মহম্মদ সদাগৰ চাহেব ! আমাৰ ব্যায়দপি মাফ কৰিব । বিশেষ কামত মই এতিয়াও উৎ-সৱত যোগ দিব পৰা নাছিলো ।

চৰ্দাৰ--কোনো কথা নাই । আহা ভাই ওচৰলৈ আহা ।

(ওচৰলৈ গৈ বহে)

আলি—আবদাল্লা ! মৰ্জিয়ানাক নাচিবলৈ মাত ।

(আবদাল্লা যায়)

(বাদ্য বাজি উঠে—মজিয়ানাই নাচি নাচি সোমাই আহে। ছুৰীৰেই সকলোকে অভিবাদন জনায়—লাহে লাহে নাচিবলৈ আৰম্ভ কৰে দস্যু চৰ্দাৰৰ ওচৰলৈ গৈ ছুৰী দেখুৱায়—প্ৰথমতে চৰ্দাৰে ভয় খাই উঠে, আনকো তেনে কৰে- -কিন্তু শেষৰবাৰ চৰ্দাৰৰ বুকুত ছুৰী বহুৱাই দিয়ে। হুলস্থূল লাগি পৰে --চৰ্দাৰে নিজৰ ছুৰী উলিয়াই মজিয়ানাক খেদি যায়। এনেতে পিছফালৰ পৰা মহম্মদে ছুৰী মাৰি চৰ্দাৰক বহুৱাই দিয়ে। আলিবাবাই আচৰিত হৈ চাই থাকে।)

আলি—কি কৰিলি ? কি কৰিলি ? অতিথিক।

মহম্মদ অতিথি নহয় বাবাজান! দস্যু চৰ্দাৰ দস্যুবোৰ কলহৰ ভিতৰত--সিহঁতৰো প্ৰাণ বধ কৰা হৈছে। মজিয়ানাৰ কাৰণেই আমি এইবাৰ ৰক্ষা পৰিছো।

আলি দস্যু চৰ্দাৰ--দস্যু সকলোবোৰ শেষ। মজিয়ানা-মজিয়ানা তই-তইতো মোৰ বান্দী নহৱ। তই-তই-তই মোৰ বোৱাৰী। (মহম্মদৰ হাতৰ লগত মজিয়ানাৰ হাত লগাই) আমিন-আমিন-আমিন।

(লগে লগে পট পৰে)

আঁৰ কাপোৰ

৫ম অঙ্ক

১ম দৃশ্য

আলিবাবাৰ পদুলিমুখ

(আলিবাবা, আবদাল্লা, মজিয়ানা আৰু মহম্মদ)

আলি আই মজিয়ানা--বাছা মহম্মদ --আজি তহঁতক এই ঘৰ গতালোঁ। তাৰ সম্মান ৰক্ষা কৰিবি। মই বুঢ়া হলো মোৰ আৰু ইয়াত থকা উচিত নহয়। সেইখাকে আজি মই মক্কালৈ ওলালো। মক্কাত সেই পবিত্ৰ আত্মা মহম্মদৰ জন্মস্থানৰ এটি পদধূলা লৈ মৰিব পালে মোৰ কাম আৰু শেষ হয়। তহঁতে বেজাৰ নকৰিবি। মোক ৰঙমনে বিদায় দে। কাছিম গ'ল --সালিমা গ'ল শেষত মেলিনায়ো মোক এৰি থৈ গ'ল। সিহঁতৰ আত্মাৰ সদগতিৰ কাৰণেও মক্কাৰ মছজিদত দুভালমান মমবাতি জ্বলাব লাগে।

মজি বাবাজান! আমাক নিৰাশ্ৰয় কৰি আপুনি---

আলি বেজাৰ নকৰিবি আই! আনন্দ কৰ. দুনিয়া গুলজাৰ কৰি দে। মোৰ আজি জীৱন জয়যাত্ৰা হওক। চকুপানী চকুপানী টুকি আৰু মোক উত্ৰাৱল নকৰিবি মায়াৰে নাবান্ধিবি। মহম্মদ -এই মৰুভূমিৰ পাৰিজাত পাহিক তোক গতাইছো চাবি তই যেন তাক নষ্ট কৰি নেপালাব।

মহম্মদ - বাবাজান! আপুনি কোনো চিন্তা নকৰিব। মই বেছ বুজি পাওঁ যে মোৰ জীৱনৰ মূল্যতকৈ মজিয়ানাৰ জীৱনৰ মূল্য বহুত।

আলি আবদাল্লা তয়ো মোৰ বৰ বিশ্বাসী আছিলি মোক যেনেদৰে তই সহায় কৰিছিলি ঠিক তেনেদৰে ইহঁতকো সহায় কৰিবি দেই। তইতো মোৰ সকলো মৰম পাহৰি যাব নোৱাৰ।

আব বাবাজান! এই বন্দীৰনো আৰু কি সুকীয়া জীৱন আছে।

আলি মই আৰু নিচিন্ত-----বেছ তহঁত থাক, মই আছিলো -তহঁতে বেজাৰ নকৰিবি।

মজি বাবাজান----

(মহম্মদ আৰু মজিয়ানাই পদধূলা লয় আবদাল্লাই দীঘল হৈ প্ৰণাম জনায়)

আলি -আল্লাই তহঁতক কুশলে ৰাখক। যাওঁ--

মায়াৰ খাজোন—আৰো যাক নাখাবি ।

(যায়গৈ)

(মজিয়ানা আৰু মহম্মদে অলপ চাই থাকি আন-ফালে খটখটিবে ভিতৰলৈ যায়- -আবদাল্লাই ভেবা লাগি চাই থাকে--- মজিয়ানাই এবাৰ ভলৈ ঘূৰি আবদাল্লালৈ চাই যায় -তাৰ যেন তাতে শান্তি) --

আব যা মৰ্জেনা । তোৰ আজি এই সুখ দেখি মোৰ দিল আনন্দে নধৰা হৈছে। তই যা---- তই যোগ্যজনে যোগ্যজন পাইছ । তোৰ মোৰ লগত কোনো সম্বন্ধ হব নোৱাৰে তই যা । তই তো মোক ভাল পাবলৈ নালাগে কেৱল মোক ভাল পাবলৈ দে ! -তোৰ সেৱা কৰিবলৈ দে । মৰ্জেনা --মৰ্জেনা - -তইতো মোৰ হব নোৱাৰ ।

(গুচি যায়)

২য় দৃশ্য

মক্কাৰ পথ

(এজন মুছাফিৰৰ গীত গাই গাই প্ৰৱেশ)

গীত

দুদিন দুনিয়া, এৰি থৈ বলিয়া; ওলা বিচাৰি প্ৰেম দুনিয়া আৰু নিপিবি, মায়া মদিৰা, উতলাই তোৰ দিল দৰিয়া ।

এই যে দুনিয়া হেপাহ নপলোৱা
সপোন পুৰীৰ -ছায়া মায়া
যা পেলাই থৈ খোজ তোৰ বলিয়া পাহৰি এই
মায়া দুনিয়া । ---দাস

(গীত গাই গাই প্ৰস্থান)

৩য় দৃশ্য

মক্কাৰ মছজিদ

শাৰী শাৰী মমবাতি জ্বলিব ধৰিছে, শই শই মোল্লা বহি আছে -এজন মৌলবীয়ে কোৰাণ পঢ়িছে, সকলোৱে তাক শুনিছে -এনেতে আলিবাবা গৈ দুভালমান মমবাতি জ্বলাই দি মোল্লাৰ শাৰীত বহেগৈ ।—মৃদু সুৰ এটি বাজি থাকিব- -আৰু লগে লগে আঁৰ কাপোৰ ।

শেষ

ৰক্ষ কুমাৰ

পাঁচ অঙ্কীয়া পৌৰাণিক নাট

আগকথা

১৯৪০ চনতে এই নাটখনি লিখা হৈছিল। নাটখন লেখি উলিওৱাৰ লগে লগেই উত্তৰ গুৱাহাটী নাট্য সমিতিৰ জৰিয়তে 'লক্ষ্মীনাথ নাট্য মন্দিৰ'ৰ সাহায্যৰ অৰ্থে সেই বছৰৰে ২২ ডিচেম্বৰ তাৰিখে সুখ্যাতিৰে প্ৰথম অভিনয় হয়। তাৰ পিছত গুৱাহাটী সন্ধিয়া সন্মিলনীৰ সভ্যসকলে কামৰূপ নাট্য মন্দিৰত নাটখনি অভিনীত কৰে। '৪২ৰ গণ-আন্দোলনৰ সময়ত আন আন কাগজ-পত্ৰৰ লগতে নাটখনো পুলিচৰ হাতলৈ যায়। '৪৬ চনত আন্দোলন শাম কটাৰ পিছত মোৰ প্ৰিয় ছাত্ৰ শ্ৰীমান পূৰ্ণচন্দ্ৰ বৰুৱাৰ পৰা নাটখনিৰ এটি নকল পাওঁ। '৪৬ চনৰ দুৰ্গা পূজা উপলক্ষে নৱমী নিশা কামৰূপ নাট্য সমিতিৰ জৰিয়তে কুমাৰ ভাস্কৰ নাট্য-মন্দিৰত মহা সমাৰোহেৰে নাটখনি অভিনীত হয়। হাতেলিখা অৱস্থাতে ধুবুৰীৰ পৰা পাছিঘাটলৈ প্ৰায় সকলো নাটঘৰতে নাটখনি অভিনীত হোৱাৰ বাতৰি আমি পাওঁ। বন্ধুবৰ শ্ৰীকমলনাৰায়ণ চৌধুৰীৰ পৰিচালনাত এইচ এম ভি কোম্পানীৰ যোগেদি এই নাটখনি ৰেকৰ্ড নাট্য-ৰূপেও প্ৰকাশ পায়।

আজি বহুদিনৰ পৰা কেইজনমান বন্ধুৱে নাটখনি ছপা কৰিবলৈ বৰকৈ আমনি কৰাত নাটখনি ছপা কৰি উলিয়াবলৈ মন মেলো। শেষত কামৰূপ প্ৰেছৰ খনিকৰ শ্ৰীপ্ৰতাপ তালুকদাৰে নাটখনি ছপা কৰি উলিওৱাত নানা প্ৰকাৰে সহায় কৰাৰ কাৰণেহে নাটখনি ছপা কৰি ৰাইজৰ আগত দাঙি ধৰিবলৈ সক্ষম হওঁ। এই সকলোলৈকে আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

নাটখনিয়ে নাট্যামোদীসকলৰ এধানমানো অভাৱ দূৰ কৰিব পাৰিলেই আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। ইতি

উজান বজাৰ
গুৱাহাটী
১৯৫২

বিনীত
লক্ষ্য চৌধুৰী

উচ্ছৰ্গা

পূজনীয়া খুৰীদেউ

শ্ৰীযুতা চন্দ্ৰবালা চৌধুৰীৰ

কৰকমলত ।

—লক্ষ্য

চৰিত্ৰ

ৰাম
লক্ষ্মণ
ৰাৱণ
বিভীষণ
ইন্দ্ৰজিৎ
তৰণীসেন
সুগ্ৰীৱ
মাল্যৱন্ত
মাণ্ডব্য
কালনেমী
ব্ৰাহ্মণবেশী ইন্দ্ৰ
সীতা
সৰমা
বক্ৰনাশা
দ্বাৰৰক্ষী
অন্যান্য

ৰক্ষ কুমাৰ

প্ৰস্তাৱনা

পঞ্চবটী আশ্ৰমৰ একাংশ

(পঞ্চবটীৰ পৰ্ণকুটীৰ। কুটীৰৰ সন্মুখৰ শিলাসিত ৰামৰ আঁঠুত মূৰ থৈ সীতা শুই আছে—ৰামে পদুম পাতেৰে আলফুলকৈ সীতাক বিচি থাকে। দূৰণিত এডাল গছত আঁউজি সুদূৰলৈ মুখ কাৰ লক্ষ্মণক খিয় হৈ থকা দেখা যায়।)

সময় ৰাতি আৰু পুৱাৰ সন্ধিক্ষণ। পট উঠাৰ লগে লগে সুদূৰৰ পৰা সঙ্গীতৰ ধ্বনি ভাহি আহে।

গীত

"এ জয় ৰঘুৰ নন্দন হে ৰাঘৱ
ৰামে জয় ৰঘুৰ নন্দন !!
হৰি হৰি হৰি লৈলো, শৰণ ই বেলি
জয় ৰঘুৰ নন্দন !!
.. .. ..
মোক কিনা কিনা হৰি এ মোক কিনা কিনা
জয় ৰাঘৱ
আন ধন নালাগয় এ নাম ধন বিনা
জয় ৰঘুৰ নন্দন !!"

(গীত শেষ হোৱাৰ লগে লগে সীতাই কিবা এটি সপোন দেখি চক খাই উঠে)।

সীতা—আৰ্য্যপুত্ৰ !
ৰাম—প্ৰিয়তমে।
সীতা—সন্মুখত পাইছো তোমাক
কোৱা প্ৰিয়তম—ক'ত সেই ঠাকুৰ লক্ষ্মণ ?
ৰাম -কিয় প্ৰিয়তমে
আচম্বিতে এনে প্ৰশ্ন আজি ?
ধীৰ স্থিৰ নয়ন তোমাৰ
কিয় আজি ইমান চঞ্চল ?
সীতা জনাম সকলো বাৰু
কোৱা প্ৰথমতে
ক'ত সেই ঠাকুৰ লক্ষ্মণ ?
ৰাম লক্ষ্মণ ! লক্ষ্মণ !
(লক্ষ্মণ লৰি আহি সন্মুখত প্ৰণাম কৰি খিয় হয়।)
লক্ষ্মণ আদেশ শুনোৱা ৰঘুমণি !
ৰাম চোৱা সীতা
সন্মুখত ব্ৰহ্মচাৰী সোদৰ লক্ষ্মণ
বই আছে পালিব আদেশ।
সীতা -এতিয়াহে লভিছো সান্ত্বনা।
ৰঘুমণি ! দেখিলো সপোন
প্ৰলয়ৰ ঘনঘোৰে আবৰি ধৰণী
কঁপালে আকাশ কঁপালে মেদিনী
নেদেখিলো কোন কেনি গ'ল,
আঁতৰিলা তুমি ক'ৰবাত
তুমি নাই
নাই তাত ঠাকুৰ লক্ষ্মণ,
চিঞৰিলো 'ৰাম ৰাম' বুলি
সাৰ পালো এনে সময়তে।
ৰাম সঁচাকৈয়ে অদ্ভুত সপোন।
কিন্তু সীতা
হৰধনু ভঙ্গ কৰি
যি ৰত্ন লভিলো সেই জনক সভাত
কাৰ সাধ্য কাঢ়ি নিব -
ৰাঘৱৰ হৃদয়ৰ পৰা।
লক্ষ্মণ—দেৱী !
থাকোতে জীয়াই এই অবোধ লক্ষ্মণ
কাৰ সাধ্য কাঢ়ি নিব ৰামৰ জানকী।
সীতা সঁচাকৈয়ে ভাগ্যৱতী মই।
নালাগে দুনাই একো

এয়ে মোৰ মহা তীৰ্থস্থান ।

লক্ষ্মণ দাদা !

ৰাম লক্ষ্মণ !

লক্ষ্মণ জানকীৰ প্ৰভাতৰ পূজা
এতিয়াও বাকী আছে মোৰ ।
অনুমতি দিয়া দাদা
যতনাই আনি মোৰ পূজাৰ সম্ভাৰ
জানকীৰ বাকী পূজা কৰো সম্পূৰণ ।

ৰাম মোৰা ভাই দিছো অনুমতি । (লক্ষ্মণৰ প্ৰস্থান)
সীতা !

সীতা প্ৰিয়তম ।

ৰাম সীতা !
মিথিলাৰ আদৰৰ লাড়ু
জনক দুহিতা সীতা
তুমিওতো মোৰেই কাৰণে
নিৰ্যাতিত নিপীড়িতা আজি !
আৰু এই ঠাকুৰৰ লক্ষ্মণ
কাৰেওত গৰি থৈ চেনেহী তিৰোতা
আজীৱন ব্ৰহ্মচাৰী হৈ
অনাহাৰ অনিদ্ৰাই যাপিছে জীৱন
একমাত্ৰ মোৰেই কাৰণে ।
নুবুজো তথাপি
অভিশপ্ত ৰামৰ শিৰত
বজ্ৰাঘাত নপৰে কি হেতু !

সীতা আযপুত্ৰ.
অকস্মাৎ ম্লান কিয় বদন তোমাৰ
ম্লান কিয় জ্যোতিময় আভা ?
কোনে কয় নিপীড়িতা সীতা,
কোনে কয় নিৰ্যাতিত ঠাকুৰ লক্ষ্মণ ?
নাজানানে প্ৰিয়তম,
শ্ৰীৰামৰ চৰণ সেৱাই
একমাত্ৰ ধ্যান জানকীৰ
একমাত্ৰ ধ্যান লক্ষ্মণৰ ?
(থুৰা পাতত কিছুমান ফলমূল লৈ লক্ষ্মণৰ প্ৰবেশ)।

লক্ষ্মণ লোৱা দেৱী
লক্ষ্মণৰ ভক্তি উপহাৰ ।

সীতা সাদৰেৰে কৰিছো গ্ৰহণ । (লৈ ভিতৰলৈ যায়)

ৰাম লক্ষ্মণ !

লক্ষ্মণ দাদা !

ৰাম যিমান সঁহিছ ভাই
অনাহক দুৰ্ভগীয়া ৰামৰ কাৰণে
কিৰূপে কৰিম তাৰ ঋণ পৰিশোধ ।
নুবুজো কিদৰে
ত্যাগ কৰি যৌৱনৰ সোণালী গৰিমা
উৰ্মিলাৰ অকৃত্ৰিম প্ৰেম
মেৰিয়াই ললি তই গেৰুৱা বসন ।
কোন দায়ী তাৰ বাবে কোন অপৰাধী
নহয়নে দুৰ্ভগীয়া ৰাম ?

লক্ষ্মণ কিয় দাদা
এনে কথা তোমাৰ মুখত ?
যিদিনাই জ্ঞান চক্ষু মেলি
বুজি পালো অনিত্য সংসাৰ
সিদিনাই লেখি ললো হিয়াৰ মাজত
ৰাম সীতা দুজনৰ চৰণ সেৱাই
একমাত্ৰ ধ্যান লক্ষ্মণৰ।
কোনে কয় বনবাসী ভিক্ষাৰী লক্ষ্মণ
স্বেচ্ছাই ত্যজিছো মই ৰাজ আভৰণ
স্ব-ইচ্ছাই পিন্ধি ললো গেৰুৱা বসন ।
বুজক জগতে
য'তে ৰাম সেয়ে মোৰ মহা তীৰ্থস্থান ।
তাৰেই কাৰণে দাদা
বনবাস স্বৰ্গবাস আজি লক্ষ্মণৰ ।

ৰাম —সঁচাকৈয়ে ধন্য আজি ৰাম ।
ভাই মোৰ জীউ মোৰ---
নহয়‥নহয়
তথাপিও কিয় চিন্তা হয় ?

লক্ষ্মণ দাদা
নুবুজিলো চিন্তাৰ কাৰণ ।

মুক্তকণ্ঠ, মুক্তপায়ী বনবাসী আমি
নাই য'ত সংসাৰৰ কুটিল চাতুৰী
নাই য'ত বিমাতৃ কৈকেয়ী
সেই এই
পঞ্চবটী বনৰ মাজত
নুবুজিলো ৰাঘৱৰ চিন্তাৰ কাৰণ ।

ৰাম ' লক্ষ্মণ !
কি বুজিবি চিন্তাৰ কাৰণ
অভিশপ্ত জীৱনত মোৰ
কোনে জানে কিবা লেখা আছে ।
যৌৱনৰ প্ৰথম পুৱাতে
হেৰুৱালো জন্মদাতা পিতা
হেৰুৱালো মাতৃৰ মৰম,
যদি সেই দুৰ্ভগীয়া ৰামে
হেৰুৱাও পঞ্চবটী বনৰ মাজত
অযত্নে পালিতা সীতা জনক দুহিতা
আৰু যদি হেৰুৱাও তোক··
লক্ষ্মণ ! লক্ষ্মণ---- (আৰু কব নোৱাৰে।
বুকুত যেন কিহবাই খুন্দিয়াই ধৰিলে)

লক্ষ্মণ ৰঘুমণি !
লক্ষ্মণ থাকোতে জীয়াই
কাৰ সাধ্য কাঢ়ি নিব ৰামৰ জানকী ?
কাৰ সাধ্য লক্ষ্মণৰ সতে
শ্ৰীৰামৰ ঘটাব বিচ্ছেদ ?
(বেগেৰে সীতাৰ প্ৰৱেশ)

সীতা --ৰঘুমণি !
চোৱাচোন সুদূৰত সেই হৰিণাটি
সুৱৰ্ণ খটোৱা গাত
বন কৰা মণি মুকুতাৰে ।

ৰাম --সঁচাকৈয়ে সুন্দৰ হৰিণা ।

সীতা ধৰি আনি দিয়া নাথ ।

ৰাম --লক্ষ্মণ !

লক্ষ্মণ দাদা !
নুবুজিলো কাৰ ইনো মায়াৰ ছলনা।
সোণৰ হৰিণা শুনা নাই কেতিয়াও
দেখা নাই কাহানিও বনৰ মাজতো,
কিন্তু আজি প্ৰত্যক্ষ দেখিছো
তথাপিও ভ্ৰম যেন লাগিছে সকলো ।
সন্মুখত থিয় হৈ
লক্ষ্মণৰ চিৰ সত্য
'ৰাম সীতা' যুগল মৰতি
আৰু তাৰে সন্মুখত
কোন এই মায়াকৰে খেলিছে চাতুৰী ?
নহে দাদা
স্বৰ্ণ মৃগ মায়াৰ ছলনা ।

ৰাম লক্ষ্মণ !
সঁচাকৈয়ে মায়া সকলোৱে ।
তথাপিও জানকীৰ ইচ্ছা পূৰ্ণ কৰিব লাগিব
(কুটীৰৰ বেৰত আঁৰি থোৱা ধনুশৰ লৈ)
লক্ষ্মণ !
সাৱধানে ৰাখিবা দুৱাৰ
প্ৰাণান্তেও জানকীক নেৰিবা অকলে ।

লক্ষ্মণ শিৰোধাৰ্য প্ৰভুৰ আদেশ।

ৰাম সীতা !
ক্ষন্তেক অপেক্ষা কৰা
আনি দিম স্বেচ্ছিত হৰিণা।
(ৰামৰ প্ৰস্থান)
(সীতাই ৰাম যোৱাৰ ফালে থৰ লাগি চাই থাকে)

সীতা লক্ষ্মণ !
চোৱা সৌৱা
হৰিণাৰ পিছে পিছে লৰি
বহুদূৰ পালেগৈ ৰাঘৱ
লুকাল ক'ৰবাত সৌ কুঞ্জ কাননত ।
কি হব উপায় লক্ষ্মণ ?

লক্ষ্মণ --দেৱী !
নাই কোনো চিন্তাৰ কাৰণ
তুৰন্তে ৰাঘৱ নিজে আহিব উলটি।
(সীতাই কুটীৰৰ ভিতৰ সোমায়)

ৰাম—(নেপথ্যত) ৰক্ষা কৰা ! ৰক্ষা কৰা !

সীতা—(ওলাই আহি)

সেইয়া—সেইয়া লক্ষ্মণ

ৰাঘৱৰ আৰ্তনাদ

যোৱা তুমি ধনুশৰ লই ।

লক্ষ্মণ—দেৱী !

নকৰিবা তেনে অনুৰোধ ।

মায়াৰে আবৰা এই পঞ্চবটী বন

ৰাক্ষসৰ মায়া মৃগ মায়া চাতুৰীত

নষ্টলিব লক্ষ্মণৰ প্ৰাণ ।

দেৱী ! নকৰিবা অলপো সন্দেহ

ৰাঘৱৰ গতিৰোধ কৰা

নাই কোনো এই পৃথিবীত ।

ৰাম—(নেপথ্যত) ৰক্ষা কৰা !

ভাই লক্ষ্মণ ৰক্ষা কৰা ।

সীতা—সেইয়া—সেইয়া

ৰাঘৱৰ কণ্ঠস্বৰ, ৰাঘৱৰ আৰ্তনাদ ।

লক্ষ্মণ যোৱা তুমি

ৰাঘৱৰ হোৱাগৈ সহায় ।

লক্ষ্মণ—দেৱী !

নহয় ৰাঘৱ সেইয়া

সকলোৱে ৰাক্ষসৰ মায়াৰ ছলনা ।

পূৰ্ণ ব্ৰহ্ম ৰামচন্দ্ৰ সত্য অৱতাৰ

কাৰ সাধ্য সিজনাৰ ঘটাব অনায় ।

সীতা—পাপমতি দুৰাত্মা লক্ষ্মণ

বুজিছো সকলো আজি

কি আশা বুকুত লই

এৰি থৈ কাৰেঙত নিজৰ তিৰোতা

বনবাসী অনুচৰ হলি ৰাঘৱৰ ।

ধিক্ শত ধিক্ তোৰ প্ৰতি ।

লক্ষ্মণ—দেৱী !

সীতা—শুচ্ শুচ্ কুলাঙ্গাৰ

দেখিলে কাচিতো তোৰ কলঙ্কিত মুখ

প্ৰায়শ্চিত্ত হব লাগে সাধ্বী তিৰোতাই ।

যি জনাৰ প্ৰেম আশা কৰি

পশিলি পামৰ তই পঞ্চবটী বন

জনক নন্দিনী সেই ৰামৰ সীতাই

পদাঘাতে আজি তোক দিছে আঁতৰাই ।

লক্ষ্মণ—স্তব্ধ হোৱা—স্তব্ধ হোৱা দেৱী,

নকৰিবা তেনে কথা পুনু উচ্চাৰণ

পৃথিবীৰ বিষ বাষ্প উঠিব উথলি

লয় হব ধৰ্মৰ মহিমা।

সীতা ধৰ্ম ধৰ্ম নালাগে শিকাব

বুজিছো সকলো আজি

কিন্তু হেৰ' নীচমতি অবোধ লক্ষ্মণ

নাভাবিবি ভুলতেও কাচিতো এদিন

শ্ৰীৰামৰ ধৰ্মপত্নী এই জানকীয়ে

প্ৰাণান্তেও পতি বুলি-----

লক্ষ্মণ জানকী ! জানকী ! (ভৰিত পাৰ যায়)

চন্দ্ৰ সূৰ্য দেৱতা সকল !

কিবা দৰে শুনি আছা মৰ্মাহত বাণী ।

বজ্ৰপাণি -দয়াল্ দেৱতা

বজ্ৰাঘাতে শেষ কৰি মোক

ধৰ্মৰ মহিমা কিয় নকৰা প্ৰকাশ ?

দেৱী !

ওলাল লক্ষ্মণ এই

ৰাঘৱৰ সহায়ৰ বাবে ।

জীৱনত এয়েই প্ৰথম

উলঙ্ঘি ৰামৰ আজ্ঞা

অকলে এৰিলো আজি দেৱী জানকীক ।

দেৱী !

দেৱ দ্বিজ সাক্ষী কৰি

এই তিনি চিহ্ন মই কৰিলো অঙ্কণ

পাৰ হৈ নাহিবা কদাপি

এয়ে হব বিপদত ৰক্ষাৰ কৱচ ।

(প্ৰণাম কৰি প্ৰস্থান)

সীতা—সঁচাকৈয়ে দাৰুণ আঘাত দিলোঁ

আজি লক্ষ্মণক । (কুটীৰৰ ভিতৰত সোমায়)

(এটি মৃদু সুৰ বাজি থাকে অলপ পিছত ব্ৰাহ্মণবেশী ৰাৱণৰ প্ৰৱেশ)

ব্ৰাঃ ৰাৱণ—কোন আছা ভিতৰত ?

সীতা—(ভিতৰৰ পৰা) কোন ?

ব্ৰাঃ ৰাৱণ—ক্ষুধাৰ্ত ব্ৰাহ্মণ এক
অনাহাৰ অনিদ্ৰাই জৰ্জৰিত প্ৰাণ
দয়া কৰি ৰক্ষা কৰা
মৰণৰ কবলৰ পৰা ।

সীতা—ক্ষন্তেক অপেক্ষা কৰা
অলপতে আহিব ৰাঘৱ
ভক্তি ভৰে কোষা অৰ্ঘ লই
পূজিবহি—তোমাৰ চৰণ ।

ব্ৰাঃ ৰাৱণ—বিলম্ব ? নসহে পুনৰ আই
ৰক্ষা কৰা জীৱন বৃদ্ধৰ
নহলে ঘটিব আজি মহা অঘটন
চকুৰ আগতে আহি—বৃদ্ধ ব্ৰাহ্মণে
অনাহাৰে ত্যজিব জীৱন ।

সীতা—সঁচাকৈয়ে অতিকৈ আতুৰ
ক্ষন্তেক অপেক্ষা কৰা
আনি দিম ফলমূল মই ।

(সীতা ভিতৰ সোমায়)

ব্ৰাঃ ৰাৱণ—জ্বলি উঠ অন্তৰৰ দুৰ্দান্ত ৰাক্ষস
সীতা নিৰ্যাতন সীতা প্ৰপীড়ন
আজি তোৰ একমাত্ৰ ব্ৰত ।

(এটি পাত্ৰত ফলমূল লৈ সীতা দুৱাৰমুখত থিয় হয়হি ।)

সীতা—আগবাঢ়ি আহি দেৱ লোৱা ভিক্ষাঞ্জলি ৰক্ষা
কৰা নিজ প্ৰাণ, ৰক্ষা কৰা গাৰ্হস্থ ধৰম ।

ব্ৰাঃ ৰাৱণ—আগবাঢ়ি যাব
কি শক্তি আছে ব্ৰাহ্মণৰ ?
ভোকত আতুৰ পিয়াহত প্ৰাণ যাওঁ যাওঁ
নোৱাৰো লৰিব আৰু
অহা মাতৃ আগবাঢ়ি আহি নিজ
ৰক্ষা কৰা সন্তানৰ প্ৰাণ ।

সীতা—ৰঘুমণি—ঠাকুৰ লক্ষ্মণ
নধৰিবা দোষ জানকীৰ
ব্ৰাহ্মণৰ প্ৰাণ ৰক্ষা হেতু
জানকীয়ে ধৰ্ম বাক্য কৰিছে লঙ্ঘন ।
(কাষ চাপি) লোৱা দেৱ—
লোৱা মোৰ এই ক্ষুদ্ৰ দান ।

ব্ৰাঃ ৰাৱণ—হাঃ হাঃ হাঃ
নালাগে ই ক্ষুদ্ৰ দান
বিধাতাৰ শ্ৰেষ্ঠ দান তুমি জানকীয়ে
তাকে লই তুষ্ট হব আজি লঙ্কেশ্বৰ
হাঃ হাঃ হাঃ । (কোলাত তুলি লয়)

(ৰঙ্গমঞ্চ হঠাৎ অন্ধকাৰ হৈ পৰে । বিজুলী চেৰেকনি মাৰিবলৈ ধৰে । প্ৰবল ধুমুহা বয় । আকাশৰ ওপৰত ৰাৱণৰ অট্টহাস্য আৰু সীতাৰ 'ৰাম' 'ৰাম' চিঞৰ শুনা যায় । ক্ষন্তেকৰ পিছত বতৰে সাম্য মূৰ্তি ধৰে । ৰঙ্গমঞ্চত ক্ষীণ পোহৰ দেখা যায় এটি মৃদু করুণ সুৰ বাজিবলৈ ধৰে ।)

(ৰাম আৰু লক্ষ্মণৰ প্ৰৱেশ । অহাৰ লগে লগে ৰামে দূৰণিৰ পৰাই 'সীতা' 'সীতা' বুলি চিঞৰি আহে ।)

ৰাম—সীতা—সীতা ।

(ঘৰৰ ভিতৰে বাহিৰে বিচাৰি চায় । লক্ষ্মণৰ মুখত উদ্বিগ্নতাৰ চিন ।)

লক্ষ্মণ ! লক্ষ্মণ !

লক্ষ্মণ—দাদা ! দাদা !

ৰাম—লক্ষ্মণ !
শূণ্য কৰি পঞ্চবটী বন
শূণ্য কৰি ৰামৰ হৃদয়
জনক দুহিতা সীতা—
কেনি গ'ল—কোনে দিব সঠিক সন্ধান ?

লক্ষ্মণ—ৰামাজ্ঞা লঙ্ঘন কৰি অধম লক্ষ্মণে
যি পাপ কৰিলে অৰ্জন
তাৰেই কাৰণে আজি জানকী হৰণ ।
দাদা !
পদাঘাতে শেষ কৰি মোক
কলঙ্কিত লক্ষ্মণৰ নাম
শেষ কৰি দিয়া এই ধৰণীৰ পৰা ।

ৰাম—নহে ভাই -
এককমাত্ৰ ময়ে অপৰাধী
অভিশপ্ত ৰামৰ কাৰণে
পৃথিৱীত এনে অঘটন ।
লক্ষ্মণ ! লক্ষ্মণ ।

(ৰাম চলি পৰে লক্ষ্মণে ধৰিব যাওঁতে সীতাৰ অলংকাৰ পৰি থকা দেখে ।)

লক্ষ্মণ —দাদা ! দাদা !
এয়ে সেই ৰত্নহাৰ দেৱী জানকীৰ ।
দাদা ! দাদা !

ৰাম -লক্ষ্মণ ।

লক্ষ্মণ -চোৱা দাদা
এয়ে সেই ৰত্নহাৰ দেৱী জানকীৰ
চতুৰ্দিকে সিঁচৰতি হই
নিৰ্যাতিতা জানকীৰ কথা
দিছে সোঁৱৰাই ।
বলা দাদা !
এই পথে আগবাঢ়ি গলে
অৱশ্যেই জানকীৰ মিলিব সন্ধান ।

ৰাম -সঁচা কথা !
এয়ে সেই ৰত্নহাৰ
সুকোমল দেৱীৰ কণ্ঠত
আদৰেৰে দিছিলো পিন্ধাই ।
লক্ষ্মণ ! লক্ষ্মণ !
দিয়া মোৰ ধনুশৰ ।

(লক্ষ্মণে ধনুশৰ তুলি দিয়ে)

ভলোৱা ভলোৱা লক্ষ্মণ
স্বৰ্গ মৰ্ত্য পাতাল প্ৰৱেশি
প্ৰলয়ৰ ৰুদ্ৰ ৰূপ ধৰি
উদ্ধাৰি আনিম মই প্ৰাণ প্ৰতিমাক ।

(বেগে প্ৰস্থান)

লক্ষ্মণ দাদা ! দাদা ! (পিছে পিছে যায়)

আঁৰ কাপোৰ

১ম অঙ্ক

১ম দৃশ্য

বিভীষণৰ গুপ্ত মন্দিৰ

(সন্মুখত ৰাম মূৰ্তি আগত বিভীষণ পূজাত মগ্ন। সহস্ৰ বন্তি জ্বলি আছে। ধূপ ধুনা আদি সুগন্ধিয়ে কোঠাটো পবিত্ৰ কৰি তুলিছে। আঁৰকাপোৰ উঠাৰ লগে লগে। শঙ্খ ঘণ্টা, কাঁহ আদি মাঙ্গলিক বাদ্য বাজিব ধৰে।)

বিভীষণ ৰামায় ৰামচন্দ্ৰায় ৰামভদ্ৰায় বেধসে ।
নাথায় ৰঘুনাথায় সীতয়া পতয়ে নমঃ নমঃ ॥

(পুষ্পাঞ্জলি দি ধ্যানমগ্ন হয়। মাঙ্গলিক বাদ্য [illegible]। [illegible] পৰা জীৱন্ত ৰাম মূৰ্তি আবিৰ্ভাব হয় বিভীষণ [illegible])

ৰাম (স্নেহেৰে) বিভীষণ তুষ্ট মই তোমাৰ পূজাত
অবিলম্বে পাবা তুমি মোৰ দৰশন ।

(অন্তৰ্দ্ধান)

বিভীষণ (ধ্যান ভাঙি [illegible]) দেৱতা দেৱতা !
সেইয়া সেইয়া
জ্যোতিৰ্ময় ৰূপ ধৰি দেৱতাই মোৰ
দেখা দিছে ভক্তৰ আগত
আহা কিমান সুন্দৰ ৰূপ কিমান উজ্জ্বল ।
ধন্য ধন্য বিভীষণ
আহিব দেৱতা নিজে দিব দৰশন ।
সৰমা সৰমা

সৰমা (বেগে প্ৰৱেশ) নাথ নাথ ।

বিভীষণ বজোৱা বিজয় বাদ্য বজোৱা দুন্দুভি
বজোৱা বজোৱা দেৱী
দেৱতাৰ শঙ্খ ঘণ্টা মেদিনী কঁপাই ।

সৰমা —নাথ ! নুবুজিলো দাসীয়ে একোকে
কিহৰ কাৰণে আজি
আনন্দত উত্ৰাৱল তুমি ।

বিভীষণ —সৰমা
জীৱনৰ জয়যাত্ৰা হল আৰম্ভণ
দেৱতাৰ লৰিছে আসন
নিজে তেওঁ কই গ'ল সন্মুখত আহি
অচিৰতে দিব দৰশন
লঙ্কাৰ আনন্দ আজি
ভাগ্যৱতী পুণ্যৱতী সৰমা সুন্দৰী
তুমিও আনন্দ কৰা ।

সৰমা সঁচাকৈয়ে আহিবনে দেৱতা প্ৰাণৰ ?
আহিবনে নিজৰূপ লই
পৃথিৱীৰ উপেক্ষিত ৰক্ষ সমাজক
বিলাবনে নিজে আহি চেনেহ নিৰ্মালি
কোৱা নাথ
কেতিয়া মিলিব বাৰু সেই শুভ দিন ?

বিভীষণ —সৰমা !
শুভদিন পালেহি ওচৰ
ৰক্ষৰ উদ্ধাৰ হেতু মুক্তি হেতু সুৰ্ণ লঙ্কাৰ
ভগৱান আহিব নিজেই ।
ধন্য আজি বিভীষণ ধন্য তুমি সৰমা সুন্দৰী
ধন্য আজি লঙ্কাৰ প্ৰতি ধূলি কণা ।

(তৰণীসেনৰ প্ৰৱেশ)

তৰণী লগে লগে ধন্য পিতা
জননী লঙ্কাৰ এই নিঃকিন সন্তানো ।

বিভীষণ কোন ? পুত্ৰ ?
আহিছ তৰণী তয়ো ঠিক সময়ত
ভাবিলিনে দেৱতাক বাৰু
কৰিলিনে দেৱতাৰ নাম উচ্চাৰণ ?

তৰণী দেৱতা দেৱতা
বহুত শুনিছো পিতা স্বাৰ্থপৰ দেৱতাৰ কথা।
শুনা পিতা
কলঙ্কিত দেৱতা সমাজে
নীচ ভাৱে অমৰত্ব লভি
এনায় বৰৰ বুলি লঙ্কাৰ সন্তান
চিৰকাল কৰে উপহাস ।
আৰু মই লঙ্কাৰ সন্তানে
দেৱতাৰ পূজা পাত্ৰ লই
দেৱতাৰ নাম যদি কৰো উচ্চাৰণ
উচ্চ শিৰ হেঁট হব মোৰ
ধ্বংস হব জননীৰ পূজা ।
তৰণীৰ নৰকৰ পথ
চিৰদিন মুকলি থাকিব ।

বিভীষণ অবোধ বালক !
নহয় দেৱতা মোৰ এনে স্বাৰ্থপৰ ।
পূজ যদি ভক্তিভৰে দেৱতাৰ ৰাতুল চৰণ
তুষ্ট যদি হয় ভগৱান
ধন্য হবি নিজে তই
ধন্য হব যত মানে লঙ্কাৰ সন্তান,
লঙ্কাৰ মুক্তিৰ পথ পাবি অচিৰতে ।
পুত্ৰ ! দেৱতাৰ পূজা --

তৰণী নলবা দনাই পিতা দেৱতাৰ নাম ।
কলঙ্কিত দেৱতা সমাজ
নাই আজি ৰসাতলৈ গৈ
স্বৰগতকৈও শ্ৰেষ্ঠ জন্মদাতা পিতা তুমি মোৰ
তুমি ধৰ্ম তুমি স্বৰ্গ তৰণীসেনৰ
আৰু সৌ সন্মুখত জন্মদাত্ৰী জননী সৰমা
দুয়োজন তৰণীৰ-জ্যোতিময় জীৱন্ত দেৱতা
আতা দুয়ো কাষ চাপি দিয়া পদধূলি
ধন্য হওঁক পুত্ৰৰ জীৱন । (সেৱা কৰে)

সৰমা উঠ বাছা
তুষ্ট হলো তোৰ কথা শুনি ।
তোৰ দৰে পুত্ৰ ৰত্ন পাই
সঁচাকৈয়ে ভাগ্যৱতী মই ।
কিন্তু বাছা পিতাৰৰ আৰাধ্য দেৱতা
ৰামচন্দ্ৰ পূজনীয় জগতৰ তেওঁ ।

তৰণী ৰামচন্দ্ৰ ! ৰামচন্দ্ৰ !
আই শুনালা কি অমিয়া বচন
ৰাম -ৰাম ৰাম ।
স্বৰ্গীয় অমিয়া সনা ৰাম নাম কৰি উচ্চাৰণ

ধন্য হ'ল আজি এই লঙ্কাৰ সন্তান ।
কোৱা আই
কোন তেওঁ কিবা পৰিচয়
কত গলে পাই দৰশন শ্ৰীৰামৰ যুগল চৰণ ?

সৰমা -ৰামচন্দ্ৰ জগতৰ পিতা
আৰাধ্য দেৱতা তেওঁ
জন্মদাতা পিতাৰৰ তোৰ

তৰণী কোৱা পিতা !
কোন সেই ৰামচন্দ্ৰ ?
যাৰ নাম শ্ৰৱণ কীৰ্তনে
ৰোমাঞ্চিত কৰি হিয়া মোৰ
জান দিলে সুদূৰৰ সুন্দৰ দেশৰ ।
দিয়া পিতা শ্ৰীৰামৰ সত্য পৰিচয় ।"

বিভীষণ- পূৰ্ণব্ৰহ্ম ৰামচন্দ্ৰ সত্য অৱতাৰ
সত্যসিন্ধু মহাবাহু নৰৰূপী ৰাম নাৰায়ণ
জগতৰ কল্যাণৰ হেতু পৃথিবীত ধৰিছে জনম ।

তৰণী -ভালদৰে আজি পিতা
নেদেখিও দেখিছো ৰামক
নিচিনিও চিনিছো ৰামক
শুনা পিতা শুনা আই
আজি হন্তে শৰীৰৰ প্ৰতি অঙ্গ প্ৰতি ধমনিতে
লেখি ললো ৰাম নাম তৰণীসেনৰ ।
যতে আছা গোৱা ৰাম দেৱতা প্ৰাণৰ
দূৰণিৰ পৰা আজি ভক্তিভৰে যাচিছো প্ৰণাম ।

বিভীষণ চোৱা চোৱা
কোন ক'ত আছা ।
পিতা পুত্ৰ জননীয়ে একেলগে আজি
দেৱতাৰ পূজিছে চৰণ ।
আহা আজি জগতৰ যক্ষ ৰক্ষ মানৱ দানৱ
স কলোৱে আহা আগবাঢ়ি
বিশ্বৰ কল্যাণ যদি কৰিছা কামনা
গোৱা আজি শত মুখে -ৰাম সীতা নাম ।
(ৰাম মূৰ্ত্তিৰ আগত আঁঠু লয় সৰমা আৰু তৰণীয়েও তেনে কৰে আৰু তিনিও পুষ্পাঞ্জলি লৈ গায়---)

।কলোৱে---ৰামায় ৰামচন্দ্ৰায় ৰাম ভদ্ৰায় বেধসে
নাথায় ৰঘুনাথায় সীতা পতয়ে নমঃ নমঃ ।

আগত পট পৰে

২য় দৃশ্য

বিশাল অৰণ্যৰ একাংশ

(ৰাম আৰু লক্ষ্মণৰ প্ৰবেশ)

ৰাম --ভাই লক্ষ্মণ
হেৰুৱালো অন্বেষিত পথ ।
দুৰ্গম অৰণ্য এই
ক'ত আদি ক'ত অন্ত নোৱাৰি ধৰিব ।
দুৰাত্মা ৰাক্ষস সেই লঙ্কাৰ ৰাৱণে
কোন পথে হৰি নিলে সীতা
নোৱাৰি চিনিব আৰু
লক্ষ্মণ !
যিমান সহিছ এই
দুৰ্ভগীয়া ৰামৰ কাৰণে
তাৰ বাবে নিজে মই অতিকে লাঞ্ছিত ।
নালাগে দুনাই আৰু
থাকক জানকী মোৰ লঙ্কাৰ বুকুতে ।
তথাপিও---তথাপিও মই
সুমিত্ৰা জননীৰ আশাসৰ লাডু
উৰ্মিলাৰ বুকুৰ বান্ধৱ
আলসুৱা তোৰ পৰাণত
নোৱাৰো নিদিওঁ আৰু নিদানৰ তাপ ।

লক্ষ্মণ- দাদা !
নুবুজিবা ভুল লক্ষ্মণক
আলসুৱা নহয় লক্ষ্মণ

বজ্ৰ সম কৰি হিয়া অবোধ লক্ষ্মণে
ত্যাগ কৰি অযোধ্যাৰ ৰাজ আভৰণ
ত্যাগ কৰি পিতৃ মাতৃ স্বজাতি স্বজন
যিদিনাই আহিল আঁতৰি-
সিদিনাই শেষ হ'ল আলসুৱা লক্ষ্মণৰ প্ৰাণ,
জন্ম হ'ল ভক্ত লক্ষ্মণৰ।
ৰাম সীতা দুজনৰ চৰণ সেৱাই
একমাত্ৰ মহা ধৰ্ম বুলি
পালিছে লক্ষ্মণে দাদা সিদিনাৰে পৰা।
কিন্তু আজি সেই পূজা অসম্পূৰ্ণ কৰি
সৃষ্টিৰ কলঙ্ক সেই দুৰাত্মা ৰাৱণে
হৰি নিলে জানকী গোসানী।
শুনা দাদা--
ধ্বংস কৰি স্বৰ্ণ লঙ্কা
ধ্বংস কৰি অৰাতি ৰামৰ
উদ্ধাৰি আনিম সীতা
সম্পূৰ্ণ কৰিম মোৰ --অসম্পূৰ্ণ দেৱী পূজাভাগ।

ৰাম —লক্ষ্মণ!
নানিবি মনত আৰু জানকীৰ উদ্ধাৰৰ কথা।
ৰাক্ষসৰে হল জয়—পৰাজিত দাশৰথি ৰাম।
চা ভাবি —অটৱী অৰণ্য এই অতিক্ৰম কৰি
সাগৰ বেষ্টিত সেই লঙ্কা নগৰীত
কিবা দৰে প্ৰৱেশিবি গই?

লক্ষ্মণ--নকৰিবা ছলনা দাসক।
দিয়া দাদা অনুমতি
ৰাম নাম কৰি উচ্চাৰণ
সকলো দুৰ্গম পথ কৰিম সুগম।
দাদা! আছিছে কোনোবা সৌ তাপস প্ৰধান
সোধা যাওক পথৰ সন্ধান।

(মাণ্ডব্য মুনিৰ প্ৰৱেশ)

কোন তুমি তাপস প্ৰধান?
মাণ্ডব্য—প্ৰথমতে কোৱা বাৰু কোন তোমালোক?
(স্বগত) নব ঘনশ্যাম ৰূপ লই
কোন এই বালক যুগল।

ৰাম —মুনিবৰ! অযোধ্যাৰ ৰাজপুত্ৰ আমি
ৰাম মই---আৰু এওঁ অনুজ লক্ষ্মণ।
পিতৃ সত্য পালনৰ হেতু
আজি এই ভিক্ষাৰীৰ বেশ।

মাণ্ডব্য -কি? কি? ৰামচন্দ্ৰ?
আজীৱন যাৰ নাম কৰি আছো ধ্যান
সেই ৰাম -কমললোচন
নিজে আজি সন্মুখত মোৰ।
লোৱা প্ৰভু -সেৱকৰ ভক্তি পুষ্পাঞ্জলি।

ৰাম (বাধা দি) দেৱ।
অপৰাধী নকৰিবা মোক।
মৰ্ত্যৰ মানৱ মই নহওঁ দেৱতা
এনেদৰে অপৰাধী কৰি
নৰকৰ পথ মোৰ নকৰা মুকলি।
কোৱা দেৱ!
বিবাহিতা পত্নী মোৰ জনক দুহিতা
অপহৃতা ৰাৱণৰ দ্বাৰা
পোৱা জানো কিবা সমাচাৰ
পাৰিবানে দিব বাৰু পথৰ সন্ধান?

মাণ্ডব্য--জানকী হৰণ প্ৰভু-----
ৰাম -নামাতি থাকিলা কিয়
কোৱা দেৱ --যিবা জানা তুমি।

মাণ্ডব্য -আছিল সিদিনা প্ৰভু একাদশী তিথি
স্নান কৰি সায়াহ্নৰ বেলা
আছিলো নিমগ্ন মই গভীৰ ধ্যানত
এনে সময়তে—
সুদূৰত "ৰাম ৰাম" শুনিলো চিঞৰ
ভগ্ন হল ধ্যান মোৰ
দেখিলো দূৰত ৰাৱণে হৰিছে সীতা
পুষ্পক ৰথত।

লক্ষ্মণ—দাদা! দাদা!
ৰাম—উদ্বিগ্ন নহবি ভাই

স্থিৰ হৈ শুন সমাচাৰ ।
কিবা হ'ল তাৰ পিছে কোৱা মুনিবৰ ?
মাণ্ডব্য - প্ৰভু ! বহুবাৰ কৰিলো প্ৰয়াস
নোৱাৰিলো বাধা দিব তাক
প্ৰবেশিল লঙ্কাৰ ভিতৰ ।
আহিছে যেতিয়া ৰাম
অনিবাৰ্য সীতাৰ উদ্ধাৰ
ধ্বংস হব স্বৰ্গ লঙ্কাপুৰী ।
লক্ষ্মণ মুনিবৰ— দিয়া সেই পথৰ সন্ধান
তুৰন্তে বিদীৰ্ণ কৰি লঙ্কাৰ হৃদয়
উদ্ধাৰি আনিম মই ৰামৰ জানকী ।
মাণ্ডব্য -মাণ্ডব্যও যাব নিজে
জননীৰ উদ্ধাৰৰ হেতু ।
কিন্তু প্ৰভু যোৱাৰ আগতে
সবিনয়ে মাতিছো দুয়োকে
মাণ্ডব্যৰ জীৰ্ণ পঁজা আছে অদূৰতে
কৃপা কৰি দিয়া পদধূলি
ভিক্ষাৰীৰ জীৰ্ণ পঁজা -
হ'ক এক মহা তীৰ্থস্থান ।
লক্ষ্মণ মুনিবৰ ! নসহে পলম আৰু
প্ৰথমতে জানকী উদ্ধাৰ
তাৰ পিছে লভিম বিশ্ৰাম ।
ৰাম -ভাই লক্ষ্মণ !
সবিনয়ে মাতিছে মুনিয়ে
ক্ষন্তেক বিশ্ৰাম লই কৰ্তব্যত হম অগ্ৰসৰ।
মাণ্ডব্য -আহা প্ৰভু !
আহা হেৰা ঠাকুৰ লক্ষ্মণ
কিষ্কিন্ধ্যাৰ ৰাজ ভ্ৰাতা বীৰ সুগ্ৰীৱেও
অপেক্ষিছে তোমালোকলৈ
সকলোটি লগ হৈ নৰ ও বানৰ
প্ৰৱেশিম লঙ্কাৰ ভিতৰ ।
আহা এবে প্ৰভু !
ৰাম --বলা মুনিবৰ
আহা ভাই ঠাকুৰ লক্ষ্মণ ।
লক্ষ্মণ বলা দাদা ।

(তিনিওৰে প্ৰস্থান)

পট উঠিব

৩য় দৃশ্য

সাগৰৰ তীৰ

(সুগ্ৰীৱ আৰু লক্ষ্মণৰ প্ৰৱেশ)

সুগ্ৰীৱ চোৱা বীৰবৰ
পালো আহি সাগৰ সকুল ।
অকুল সাগৰ এই—
সুদূৰত তাৰেই বুকুত
লঙ্কাপুৰী ৰাক্ষসৰ নিবাস ।
আৰুতো শকতি নাই হীন সুগ্ৰীৱৰ
নিৰ্দ্ধাৰণ কৰি দিব পথ
ভগৱান অংশী দুয়ো —শ্ৰীৰাম লক্ষ্মণ
তোমালোকে ইচ্ছা কৰা যদি
অৱশ্যেই পাৰ হব পাৰিবা সাগৰ ।
লক্ষ্মণ—নকৰিবা চিন্তা বীৰবৰ
পালিলা তোমাৰ কাৰ্য তুমি ভালদৰে
অকৃতজ্ঞ নহয় ৰাঘৱ
কৰিব তোমাৰ বন্ধু যোগ্য সমাদৰ ।
সাগৰ !
অযোধ্যাৰ শিৰোমণি জগত বৰেণ্য ৰাম
তেওঁৰেই প্ৰিয় ভাৰ্যা সীতা
নিৰ্যাতিতা নিপীড়িতা লঙ্কাৰ বুকুত
জানকীৰ উদ্ধাৰৰ বাবে
আহিছে নিজেই তেওঁ —নৰৰূপী ৰাম নাৰায়ণ
আহিছে লগত -
অসংখ্য সেনানী তেওঁৰ

নৰ ও বানৰ।
হাঁহিমুখে এৰি দিয়া পথ।
সুগ্ৰীৱ—গৰ্বিত সাগৰে আজি
ধৰ্মাধৰ্ম সকলো পাহৰি
নিজে বাছি লয় চোৱা নৰকৰ পথ।
লক্ষ্মণ বীৰবৰ!
ৰাঘৱৰ অনুমতি লই
অগ্নিবাণ কৰি সংযোজনা
শুকুৱাম অটল সাগৰ। (ৰামৰ প্ৰবেশ)
ৰাম—বন্ধুবৰ! ও ই লক্ষ্মণ!
লক্ষ্মণ চোৱা দাদা
সন্মুখত গৰ্বিত সাগৰে
পাহৰি ধৰ্মৰ লীলা
বাৰম্বাৰ কৰে অহঙ্কাৰ।
দিয়া দাদা অনুমতি অগ্নিবাণ এৰি
মৰুভূমি সৃষ্টি কৰো সাগৰ বক্ষত।
ৰাম—সাগৰৰ কিবা অপৰাধ?
সৃষ্টিৰ নগণ্য এই বিশ্বৰ মানৱে
জগতৰ শ্ৰেষ্ঠ প্ৰাণী বুলি
কৰে যদি অহঙ্কাৰ নিজত্ব পাহৰি
তেন্তে এই বিশাল সাগৰে
পাৰাপাৰ নেদেখা সাগৰে
বাধাহীন উৰ্মিমালা লই
নকৰিব কিয় অহঙ্কাৰ?
লক্ষ্মণ—অহঙ্কাৰ অলঙ্কাৰ পিন্ধি
থাকক সাগৰ নিজে মদগৰ্বী হই
কিন্তু দাদা দিয়া অনুমতি
তুৰন্তে বিদীৰ্ণ কৰি সাগৰৰ বুকু
সীতা উদ্ধাৰৰ পথ লওঁ উলিয়াই।
ৰাম—সিদৰে নহয় ভাই
জনম ভিক্ষাৰী ৰামে ভিক্ষা পাত্ৰ লই
সাগৰক পথ ভিক্ষা কৰিব বিনয়ে।
লক্ষ্মণ—যদিহে নিদিয়ে ভিক্ষা গৰ্বিত সাগৰে
নহবনে অৰাতি নিধন
নহবনে জানকী উদ্ধাৰ?
ৰঘুমণি সেই ধৰ্ম পালিবা কিদৰে?
ৰাম অৱশ্যেই সেই ধৰ্ম পালিব লাগিব।
যদিহে নিদিয়ে ভিক্ষা তথাপি সাগৰে
বুজি লম নিজৰ কৰ্ত্তব্য।
ক্ষন্তেক অপেক্ষা কৰা।
(সাগৰৰ কাষ চাপি যায়)
ৰাম সাগৰ!
ৰাঘৱৰ প্ৰিয় ভাৰ্য্যা সীতা
অপহৃতা লঙ্কাৰ বুকুত।
আহিছে ভিক্ষাৰী ৰাম ভিক্ষা পাত্ৰ লই
পথ ভিক্ষা হেতু।
দিয়া মোক পথ মোকলাই
জানকী উদ্ধাৰ কৰি
ৰক্ষা কৰা ধৰ্মৰ মহিমা।
সাগৰ! সাগৰ! সাগৰ!
লক্ষ্মণ---লক্ষ্মণ
দিয়া মোৰ ধনুশৰ
বন্ধুবৰ! বন্ধ কৰা উত্তৰৰ পথ
লক্ষ্মণ থাকিবা তুমি নিজে দক্ষিণত
আৰু মই সন্মুখত থাকি
অগ্নিবাণ কৰিম নিক্ষেপ।
(শৰ জোৰে সাগৰৰ বুকুত খলকনি লাগে - ঢৌ ফালি সাগৰৰ আবিৰ্ভাব হয়)
সাগৰ সম্বৰা সম্বৰা বাণ
ৰাম নাৰায়ণ
তুমি নিজে ক্ৰোধান্বিত হই
নঘটাবা সৃষ্টিৰ প্ৰলয়।
পাৰৰ মুকুতা আনি
আনি শিল কষতি পাথৰ
বান্ধা সেতু সাগৰ বক্ষত
সাগৰেও কৰিব সহায়।
ৰাম চোৱা চোৱা সকলোৱে

সাগৰো সহায় মোৰ
মোৰা বন্ধুবৰ—মোৰা ভাই লক্ষ্মণ
সকলোকে শুনোৱা আদেশ
সাগৰত সেতু বান্ধি
নৰ ও বানৰে
উদ্ধাৰি আনিব আজি জানকী প্ৰতিমা।

(বেগে ওলাই যায়—পিছে পিছে লক্ষ্মণ আৰু সুগ্ৰীৱৰ প্ৰস্থান)

আঁৰ কাপোৰ

২য় অঙ্ক

১ম দৃশ্য

ৰাৱণৰ চিত্ৰশালা

(সুন্দৰকৈ সজোৱা—মাজত স্ফটিক স্তম্ভ। মাজে মাজে বহিবলৈ পাতি থোৱা আসন। আঁতৰত বন্দিনী সীতা। কাষত ডাঙৰ ডাঙৰ শৰাইত ধূপ, ধুনা, দীপ আৰু পূজাৰ সম্ভাৰ। সীতাৰ ওচৰত কেইজনীমান সহচৰী।

পট উঠাৰ অলপ পিছত গহীন-গম্ভীৰ খোজে ৰাৱণৰ প্ৰৱেশ—কিছু সময় দূৰতে থিয় হৈ থাকি বজ্ৰ কঠোৰ স্বৰে মাত লগালে।)

ৰাৱণ—সীতা!

(সহচৰীবোৰে যথাৰীতি ৰাৱণকত অভিবাদন জনালে। সীতাই লাজ আৰু ঘৃণাত নিজৰ ওৰণি আগতকৈ টানি ললে। ৰাৱণে সহচৰীবোৰক আঁতৰি যাবলৈ আঙুলিৰে ইঙ্গিত কৰিলে। লগে লগে সকলোবোৰ আঁতৰি গ'ল। ৰাৱণে আৰু অলপ কাষ চাপি আগতকৈ অলপ কোমল স্বৰে সীতাক সম্বোধন কৰিলে।)

ৰাৱণ—সীতা!

(ক্ষন্তেক সময়ৰ কাৰণে সকলো নিস্তব্ধ। সীতাক নিমাত দেখি অতি ভক্তিভাৱে আৰু কোমল স্বৰে আকৌ মাতিলে।)

ৰাৱণ—সীতা।

সীতা—কোন?
নিজে তুমি ৰজা লঙ্কেশ্বৰ
আহিছানে জানকীৰ নিৰ্যাতন হেতু?
আহা আহা কাষ চাপি
পাৰা মানে কৰা নিৰ্যাতন
ৰমণীৰ চকুৰ পানীয়ে
দেৱতাৰ লৰাব আসন।

ৰাৱণ—সীতা! অহা নাই মই আজি লঙ্কেশ্বৰ ৰূপে
অহা নাই ৰাক্ষস ৰাৱণ
আহিছো পূজাৰী মই পূজা-পাত্ৰ লই
লঙ্কাৰ গোসানী জানকীৰ পূজাৰ কাৰণে।

সীতা—আঁতৰ ৰাক্ষস
নকৰ দুনাই আৰু মায়াৰ ছলনা
দূৰতেই ত্যাগ কৰ মায়া আভৰণ।
ভাবিছনে পাহৰিছে ৰামৰ সীতাই
ভিক্ষাৰীৰ বেশ ধৰি পঞ্চবটী বনৰ মাজত
কৰিলি যি পাপ আচৰণ
আহিছ দুনাই আজি পূজাৰীৰ বেশে
নেজানো ৰাক্ষস আজি
ঘটে কিনো ঘোৰ অঘটন।

ৰাৱণ—নকৰিবা সন্দেহ জানকী
ৰাৱণৰ জীৱনৰ জয়লক্ষ্মী তুমি
তাৰেই কাৰণে
নদ-নদী পৰ্বত লঙ্ঘি
পাৰ হৈ অপাৰ সাগৰ
নিজ হাতে তুমি আনি আৰাধ্যা গোসানী
প্ৰতিষ্ঠা কৰিছো এই লঙ্কাৰ বুকুত।
আৰু এই পূজা ক্ষণ চাই
জ্বলাই সহস্ৰ বন্তি উদ্ভাসিত কৰি লঙ্কাপুৰী
ধূপ ধুনা হোম অগ্নি জ্বালি
নন্দনৰ পাৰিজাত কৰি আহৰণ
আহিছে ৰাৱণ
জানকীৰ পূজা অৰ্ঘ্য লই।

সীতা —অন্তৰত পাপ আশা পোষি
ধাৰ্মিকৰ মুখা পিন্ধি
নোৱাৰ ছলিব আৰু ৰামৰ সীতাক ।

ৰাৱণ—সুৰাসুৰ নাগ যক্ষ মানৱ দানব
নুবুজে কোনেও সীতা
কি ধাতুৰে গঢ়া এই ৰাৱণৰ প্ৰাণ,
মোৰেই দুৰ্ভাগ্য• হেতু
নুবুজিলা তুমিও জানকী।
বাহিৰত দেখি এই দুৰ্দান্ত ৰাক্ষস
সৃষ্টিৰ বিনাশ প্ৰলয়ৰ ধূমকেতু ৰূপ
বিশ্বৰ মানবে সীতা
অনাৰ্য বৰ্বৰ বুলি ৰাৱণক কৰে তিৰস্কাৰ
দেৱতাই কৰে উপহাস ।
কিন্তু নুবুজে কোনেও দেৱী
কিদৰে ৰাৱণে
অত্যাচাৰ অনাচাৰ অলঙ্ঘ্য দেৱালে ঘেৰা
শূন্য কৰি এই মোৰ হিয়াৰ মন্দিৰ
নিকা কৰি নিতে নিতে প্ৰেম গঙ্গা জলে
বিনয় চন্দন লেপি
ভকতিৰ ধূপ ধূনা জ্বালি
ৰাখিছো সজাই বেদী
অনাহুত দেৱতাৰ পূজাৰ কাৰণে
নহয় নহয় দেৱী!
পূজা ক্ষণ যাই পাৰ হই
এটিবাৰ দয়া কৰি লঙ্কাৰ গোসানী
সাম্যৰূপে থিয় দিয়া মোৰ সন্মুখত
ৰাৱণৰ ভক্তিৰ শৰাই
দিওঁ ঢালি জানকীৰ চৰণ তলত।

সীতা —সন্মুখত ৰাক্ষসৰ মায়াৰ পৰীক্ষা
হেৰুৱালো হিতাহিত জ্ঞান
আহা —আহা ৰঘুমণি
ৰক্ষা কৰা সতীৰ মহিমা
ৰক্ষা কৰা সীতাক তোমাৰ ।

ৰাৱণ - মাতা—মাতা সীতা
উচ্চস্বৰে মুক্তকণ্ঠে মাতা ৰাঘৱক
আহক দেৱতা মোৰ লঙ্কাৰ ৰাজত
উলাহেৰে ধূপ ধুনা লই
আদৰি আনিম মই নিজে লঙ্কেশ্বৰে ।

সীতা শুন হেৰ অবোধ ৰাক্ষস
নাহিব ৰাঘৱ ৰাক্ষসৰ পূজা লবলাই ।
আহিব ৰাঘৱ নিজে জানকীৰ উদ্ধাৰৰ হেতু
আহিব ৰাঘৱ মৃত্যুদণ্ড দিব ৰাৱণক ।

ৰাৱণ মৃত্যু ? মৃত্যু ?
নকৰিবা মহাভ্ৰম তুমি
মৃত্যুতো নহয় সীতা
মুক্তি—মুক্তি
ৰাৱণৰ মুক্তি হেতু আহিব ৰাঘৱ ।

সীতা —ৰাক্ষসৰ মুক্তি হেতু আহিব ৰাঘৱ ?
নোৱাৰো বুজিব একো
কিন্তু এই কথা জানিবি ধ্ৰুৱৰূপ
ধ্বংস হব স্বৰ্ণ লঙ্কা
শেষ হব ৰাক্ষসৰ দল ।

ৰাৱণ—হাঃ হাঃ হাঃ
ৰহস্য—ৰহস্য সীতা
ৰাৱণৰ স্বৰ্ণ লঙ্কা
ৰাৱণৰ জন্ম মৃত্যু সকলো ৰহস্য ।
শুনা সীতা !
তোমাৰ উদ্ধাৰ হেতু
নাহে সেই বনবাসী ভিক্ষাৰী ৰাঘৱ
কিন্তু সৃষ্টিৰ কল্যাণ হেতু
জগতৰ মঙ্গলৰ বাবে
ৰাৱণৰ মুক্তিৰ কাৰণে
আহিব লঙ্কাত সেই নৰৰূপী ৰাম নাৰায়ণ
নহয়—নহয়
পূজাৰ ক্ষণ চাপিল ওচৰ
সন্মুখত থিয় হই তুমি

আছা নিজে ৰাৱণৰ আৰাধ্যা গোসানী
পূজিছে বিনয়ে আজি নিজে লঙ্কেশ্বৰে
লোৱা দেৱী কৃপা কৰি ভক্তিৰ অঞ্জলি।

সীতা—গুচ গুচ কুলাঙ্গাৰ
কাষ চাপি নাহিবি সীতাৰ
পাপমতি ৰাক্ষসৰ পূজাৰ মায়াত
নটলিব জানকীৰ প্ৰাণ।
চা হেৰ বৰ্বৰ ৰাৱণ
তোৰ এই পাপ পূজা ভাগ
পদাঘাতে দিছো আঁতৰাই।

ৰাৱণ—ক্ষান্ত হোৱা জানকী গোসানী
নলবা জগাই পুনু
ৰাৱণৰ সুপ্ত ৰাক্ষসক
নকৰিবা প্ৰলয়ৰ পুনৰ সূচনা

সীতা—সৃষ্টি কৰা মত্ত প্ৰলয়ৰ
তাৰ বাবে ভয় আৰু নাই জানকীৰ
পৰস্ত্ৰী হৰণ নাৰী নিৰ্যাতন
যেতিয়াই হয় আৰম্ভণ
তেতিয়াই যুগে যুগে জাগে ভগবান।

ৰাৱণ—তেনেহলে ৰাৱণেও কৰিব তাকেই
"পৰস্ত্ৰী হৰণ" পূজা হ'ল সমাপন
বাকী আছে নাৰী নিৰ্যাতন।
অচিৰতে সেই পূজা হব আয়োজন।
হেই -কোন আছ ?

(সহচৰীৰ পৰেশ)

লই যোৱা গৰ্বিতা নাৰীক
লঙ্কাৰ বন্দিনী কৰি
ৰাখাগৈ অশোক বনত।

(সহচৰীয়ে সীতাক লৈ যায়)

নাহে মানে ৰাৱণৰ দেৱতা প্ৰাণৰ
লঙ্কাৰ বন্দিনী হই থাকিব জানকী
ৰাৱণৰ আৰাধ্যা গোসানী।
যিদিনা আহিব এই লঙ্কাৰ বুকুত
নৰৰূপী ৰাম নাৰায়ণ
ৰামসীতা মিলিব দুনাই
সিদিনাই শেষ হ'ব ৰাৱণৰ পূজা
মহান যজ্ঞত সেই দিন মোৰ শেষৰ আহুতি।
(ভিতৰত কাঁহ বজাই) যুৱৰাজ ইন্দ্ৰজিৎ।

(ইন্দ্ৰজিতৰ প্ৰৱেশ)

ইন্দ্ৰজিৎ কৰিবা গ্ৰহণ এই দাসৰ প্ৰণাম।

ৰাৱণ—উঠা পুত্ৰ !
কোৱা মোক কিবা সমাচাৰ ?

ইন্দ্ৰজিৎ -অসংখ্য সেনানী লই শ্ৰীৰাম-লক্ষ্মণ
প্ৰবেশিছে লঙ্কাৰ দ্বাৰত।

ৰাৱণ—কি ? কি ?
আহিছে শ্ৰীৰাম নিজে লঙ্কাৰ দ্বাৰত ?
ইন্দ্ৰজিৎ !
যতনাই দিয়া মোক
কোষা অৰ্ঘ্য পূজাৰ সম্ভাৰ
নিজে মই গই লঙ্কেশ্বৰে
আদৰি আনিম মোৰ যজ্ঞৰ দেৱতা

ইন্দ্ৰজিৎ -পিতা।
নবুজিলে দাসে চৰণৰ
কাৰ বাবে পূজা এই হ'ব আয়োজন।

ৰাৱণ দেৱতাৰ পূজা পুত্ৰ
দেৱতাৰ পূজা আগে
তাঁৰ পিচে যুদ্ধ যাত্ৰা হ'ব ৰাৱণৰ।

ইন্দ্ৰজিৎ নহয় নহয় পিতা
ইন্দ্ৰজিৎ বীৰবাহু কুম্ভকৰ্ণ আদি
যত মানে লঙ্কাৰ সন্তান
এতিয়াও জীৱিত ধৰাত,
এতিয়াও ৰক্ষ শূন্য নহয় পৃথিবী।
তেনেহলে কিয় তুমি
ৰাক্ষসৰ ভাগ্য বিধাতাই
বনবাসী ভিক্ষাৰী ৰামৰে
নিজে আজি কৰিবা সমৰ ?
দিয়া পিতা অনুমতি দাসক তোমাৰ
লই মোৰ ব্যোমযান

ৰণক্ষেত্ৰ প্ৰবেশি অকলে
তুৰন্তে বিদূৰ কৰো ভিক্ষাৰী ৰামক।

ৰাৱণ --যোৱা পুত্ৰ
সজোৱা তুৰন্তে মোৰ ৰক্ষ বাহিনীক
তুমি নিজে লই ব্যোমযান
বাধা দিয়া ভিক্ষাৰী ৰামক।

ইন্দ্ৰজিৎ --কৰা পিতা আশীৰ্বাদ মোক।

ৰাৱণ --আশীৰ্বাদ কৰিছে ৰাৱণে
ধৰ্মজয়ী হোৱা পুত্ৰ মোৰ।

ইন্দ্ৰজিৎ পিতা!
যোৱা তুমি কৰাগৈ সুখেৰে বিশ্ৰাম
ইন্দ্ৰজিৎ ওলাল নিজেই
তুৰন্তে বিদীৰ্ণ কৰি ৰাঘৱৰ বুকু
শত্ৰু শূন্য কৰিম লঙ্কাৰ। (প্ৰস্থান)

ৰাৱণ লঙ্কাৰ আনন্দ আজি
মহানন্দ নিখিল বিশ্বৰ।
ভোলানাথ!
মিলিছে তোমাৰ আজি পূত আশীৰ্বাদ
শঙ্খ, চক্ৰ, গদা, পদ্ম কৰি পৰিহাৰ
ৰাৱণৰ প্ৰতিদ্বন্দ্বীৰূপে
আহিছে লঙ্কাত আজি নৰৰূপী ৰাম নাৰায়ণ।
(পুনৰ কাঁহ বজাই) কুমাৰ তৰণীসেন।
(তৰণীসেনৰ প্ৰৱেশ)

তৰণী লঙ্কেশ্বৰ।
তৰণীৰ ভক্তিৰ শৰাই
ঢালি দিছো ৰাজ চৰণত।

ৰাৱণ উঠ বাছা!
লঙ্কাৰ প্ৰদীপ তই
তোৰ মুখ কৰিলে দৰ্শন
ৰাৱণে পাহৰে নিজে ৰাক্ষস জনম।
আহ বাছা কাষ চাপি আহ।
(বুকুত সুমুৱাই মৰম কৰে)

তৰণী লঙ্কেশ্বৰ, আচম্বিতে শুনিলো বাৰ্তাৰি
অযোধ্যাৰ ৰাজলক্ষ্মী, ৰাঘৱৰ প্ৰিয় ভাৰ্যা সীতা
নিৰ্যাতিতা অশোক বনত।
সঁচা জানো এই সমাচাৰ?

ৰাৱণ --অকল নহয় সেয়ে
ৰাক্ষসৰ মহাশত্ৰু লঙ্কাৰ কণ্টক
অনাচাৰী ৰাঘৱৰ গৰ্বিতা কুঁৱৰী সীতা
বন্দিনী লঙ্কাৰ সঁচা নিজ কৰ্মফলে।

তৰণী লঙ্কেশ্বৰ!
জনাবানে দাসক তোমাৰ
কিবা দোষে অপৰাধী ৰাম
কিবা দোষে অপৰাধী ৰাঘৱৰ সীতা?

ৰাৱণ শুন হেৰ' বালক তৰণী
ৰাৱণৰ প্ৰিয় ভগ্নী
শূপনখা ৰক্ষ কুঁৱৰীৰ
ৰামৰ আদেশ মতে
নাক কাণ কাটি সেই দুমতি লক্ষ্মণে
ৰাৱণক কৰে অপমান
উপহাস কৰিছে লঙ্কাক।
তাৰেই কাৰণে আজি জানকী হৰণ
সীতা নিৰ্যাতন।

তৰণী -বুজিলো সকলো
সঁচাকৈয়ে মহাশত্ৰু ৰাঘৱ লঙ্কাৰ
কিন্তু কোন ৰীতি কোন নীতি মতে
অপৰাধী ৰাঘৱৰ বাবে
সতী নাৰী কৰি নিৰ্যাতন
লঙ্কেশ্বৰে কৰিছে অধৰ্ম।

ৰাৱণ বালক! হাঁহি উঠে তোৰ কথা শুনি
ভাবিছ হবলা তই
ৰাজধৰ্ম অতিকৈ সহজ।
সময়ত পাবি তয়ো তাৰ পৰিচয়।

তৰণী ৰাজধৰ্ম ৰাজনীতি নুবুজাই ভাল।
কিন্তু লঙ্কেশ্বৰ
লঙ্কাৰ কল্যাণ হেতু
মুক্তি দিয়া দেৱী জানকীক

বন্দী কৰি আনা গই
ৰাক্ষসৰ মহাশত্ৰু
বনবাসী ভিক্ষাৰী ৰামক ।

ৰাৱণ —তৰণী ।
জানকীৰ মুক্তিৰ কাৰণে
অসংখ্য সেনানী লই লঙ্কাৰ বুকুত
নিজে আজি আহিছে ৰাঘৱ ।

তৰণী—তৰণীৰ জীৱনৰ আৰাধ্য দেৱতা
নৰৰূপী ৰাম নাৰায়ণ
শত্ৰুৰূপে আহিছে লঙ্কাৰ ?
জননীৰ শত্ৰু যদি তুমিহে ৰাঘৱ
মহাশত্ৰু তৰণীসেনৰো ।
অনুমতি দিয়া লঙ্কেশ্বৰ
তুৰন্তে প্ৰবেশ কৰি ৰণ প্ৰাঙ্গণত
কৰোঁগৈ অৰাতি নিধন ।

ৰাৱণ—সময়ত যাবি বাৰু তয়ো
বৰ্তমান আছে তোৰো কৰ্তব্য নিজৰ ।

তৰণী—কোৱা কোৱা লঙ্কেশ্বৰ
কিদৰে পালিম মই কৰ্তব্য নিজৰ
কিদৰে পূজিম বাৰু জননী লঙ্কাক ?

ৰাৱণ —সুৰক্ষিত কৰি সেই অশোক কানন
ৰাখিব লাগিব সীতা বন্দিনী লঙ্কাৰ ।
আজি হন্তে কানন দুৱাৰত
থাকিবি তৰণী তই দ্বাৰৰক্ষী ৰূপে ।
আহে যদি শত্ৰু কোনো জননী লঙ্কাৰ
আহে যদি শত্ৰু জানকীৰ
বাধা দিবি প্ৰৱেশৰ পথ ।

তৰণী —যিবা আজ্ঞা দিছা তুমি
তৰণীয়ে পালিব নিশ্চয় ।
পিতৃ মাতৃ দুজনৰ প্ৰণামি চৰণ
পশিম তুৰন্তে গই অশোক কানন ।
লঙ্কেশ্বৰ ! আহো তেনে মই । (প্ৰস্থান)

ৰাৱণ —আহিছে ৰাঘৱ নিজে
জানকীৰ মুক্তিৰ কাৰণে ।
নিজে মুক্তি দিওঁ যদি দেৱী জানকীক
ৰাৱণৰ চিৰ মুক্তি নহব কদাপি
ৰাক্ষসৰ নহব উদ্ধাৰ ।
(চিন্তান্বিত হৈ লাহে লাহে আঁতৰি যায়)
(কাঁহ বজায়) ৰাজভ্ৰাতা বিভীষণ ।
(বিভীষণৰ বেগে প্ৰবেশ)

বিভীষণ —লঙ্কেশ্বৰ ! লঙ্কেশ্বৰ !
সৌৱা—সৌৱা
জননী বিপন্না কৰি
লঙ্কেশ্বৰ চিন্তাত আকুল ।
লঙ্কেশ্বৰ ! লঙ্কেশ্বৰ !

ৰাৱণ—(ভিতৰৰ পৰা) কোন ?
(ধীৰে সোমাই আহে। অহাৰ লগে লগে বিভীষণে পদধূলি লয়)
ৰাজভ্ৰাতা বিভীষণ
ৰাৱণৰ সোঁহাত স্বৰূপ
ইমান আতুৰ হই আহিলি কি হেতু
কচোন কিবা সমাচাৰ ?

বিভীষণ দাদা !
মিলিছে প্ৰলয় আজি সুবৰ্ণ লঙ্কাৰ
তুমি মাথো ত্ৰাণকৰ্তা তাৰ ।
আহিছে ৰাঘৱ নিজে
জানকীৰ উদ্ধাৰৰ বাবে ।
নিজে যদি গৈ লঙ্কেশ্বৰে
প্ৰদানা ৰামৰ সীতা ৰামক দুনাই
ৰক্ষা হব স্বৰ্ণ লঙ্কা—ৰক্ষা পাব ৰাক্ষস সমাজ ।

ৰাৱণ—বিভীষণ !
এনে মতি কোনে দিলে তোক ?
লঙ্কাৰ সন্তান হই
ভীৰুতাৰ লই আভৰণ
পূজিব খুজিছ তই জননীৰ যুগল চৰণ ?

সেই পূজা জননীয়ে নকৰে গ্ৰহণ ।

বিভীষণ—নহে দাদা

ৰক্ষৰ কল্যাণ হেতু

সন্ধি কৰা ৰামৰৰ সতে ।

সেই পথ লোৱা যদি তুমি

ৰক্ষ বংশ ৰক্ষা পাব

জননীৰো বাঢ়িব সন্মান ।

ৰাৱণ—তোৰ দৰে ভীৰু পুত্ৰ বুকুত সাৱতি

নেজানো কিদৰে

জননীৰ বাঢ়িব সন্মান ।

বিভীষণ !

ত্ৰিভুবন জয়ী এই ৰজা লঙ্কেশ্বৰে

ভিক্ষাৰী ৰামৰ ভয়ে কৰিব মিত্ৰতা ?

তেনে কথা কেতিয়াও নহব সম্ভৱ ।

বীৰৰ সন্তান মই বীৰৰ পালক

আৰম্ভোই বীৰ ধৰ্ম পালিব লাগিব ।

শুন হেৰ' ভীৰু বিভীষণ

অৰাতি নিধন কিম্বা ৰক্ষৰ মৰণ

সেয়ে আজি ব্ৰত ৰাৱণৰ ।

বিভীষণ—নহয় নহয় লঙ্কেশ্বৰ

বন্ধ কৰা এই আয়োজন

নহলে----

ৰাৱণ—নহলে কি হব বিভীষণ ?

মৃত্যু ? মৃত্যু ? হাঃ হাঃ হাঃ

তাৰ বাবে লঙ্কেশ্বৰে নকৰে আক্ষেপ ।

তথাপি ভিক্ষাৰী ৰামৰে

নিজে গই লঙ্কাৰ সন্তানে

কদাপি নকৰে মিত্ৰতা ।

বিভীষণ—লঙ্কেশ্বৰ ! লঙ্কাৰ দুৰ্ভাগ্য হেতু

নিচিনিলা তুমিও ৰামক ।

সত্যসিন্ধু জিতেন্দ্ৰিয় মহাবাহু ৰাম

জগতৰ মঙ্গলৰ বাবে নৰৰূপে ধৰিছে জনম।

ৰাৱণ—বিভীষণ।

শত্ৰুৰ প্ৰশংসা নকৰিবি মোৰ সন্মুখত ।

তোৰ দৰে ভীৰু পুত্ৰ বুকুত সাৱতি

কলুষিতা হব মোৰ লঙ্কা জন্মভূমি ।

বিভীষণ, লঙ্কাৰ কলঙ্ক তই

বধ কৰি তোক জননীৰ মঙ্গল সাধিম।

(ক্ৰুদ্ধত আঁৰি খোৱা তৰোৱাল লৈ বিভীষণক কাটিবলৈ উদ্যত হয়)

বিভীষণ—দিয়া দাদা

যিবা শাস্তি দিয়া তুমি

বিভীষণে লব শিৰ পাতি ।

ৰাৱণ—নহয় নহয়

ক্লীবত্ব ভীৰুত্ব যাৰ মুখ্য অলঙ্কাৰ

বধ কৰি সেই দুৰাত্মাক

কলুষিত নহয় ৰাৱণ ।

বিভীষণ ! ত্যাগ কৰ স্বৰ্ণ লঙ্কা মোৰ

লঙ্কেশ্বৰে আজি তোক দিছে নিৰ্বাসন ।

বিভীষণ—নিৰ্বাসন ? নিৰ্বাসন ?

যিবা শাস্তি দিছা দাদা

বিভীষণে ললে শিৰ পাতি ।

কিন্তু দাদা !

অন্তিমৰ এটি অনুৰোধ

ৰাখিবানে ভাতৃৰ তোমাৰ ?

ৰাৱণ—ভাতৃ ! ভাতৃ !

ৰাজভ্ৰাতা বিভীষণ মৰিছে আগেয়ে ।

ভাতৃৰ প্ৰেতাত্মা তই—দূৰ হ সন্মুখৰ পৰা।

বিভীষণ—লঙ্কেশ্বৰ !

দেশদ্ৰোহী বিভীষণ

লঙ্কাৰ বুকৰ পৰা গুচি যাব দূৰ দূৰলৈ

কিন্তু যোৱাৰ আগতে

কই যাওঁ এটি কথা মই

বন্ধ কৰা এই আয়োজন

ৰামৰক্ষ শত্ৰুৰূপে নকৰা আহবান

নহলে—নহলে লঙ্কেশ্বৰ

লঙ্কাৰ মিলিব প্ৰলয়
ধ্বংস হব ৰাক্ষসৰ দল ।
দাদা ! পূৰ্ণ কৰা এই অনুৰোধ ।

(ভৰিত পৰি কাকুতি কৰে)

ৰাৱণ --দূৰ হ পিশাচ (পদাঘাত কৰে)
বিভীষণ ! অনা নাই ৰাঘৱক
জানকীৰ চকুৰ পানীয়ে
অনা নাই ৰামভক্ত ভীৰু বিভীষণ
অত্যাচাৰ অনাচাৰ মন্ত্ৰৰ বলেৰে
আনিছে ৰামক মাতি
দুৰ্দান্ত ৰাৱণে ৰাৱণৰ মুক্তিৰ কাৰণে ।
(বেগে ওলাই যায়—যোৱাৰ লগে লগে আগত পট পৰে।)

২য় দৃশ্য

বিভীষণৰ প্ৰাসাদৰ সন্মুখ

(শোকত বিয়াকুল হৈ বিভীষণৰ প্ৰৱেশ)

বিভীষণ সৰমা- - -সৰমা ।

(সৰমাৰ বেগে প্ৰৱেশ)

সৰমা --নাথ -নাথ
ই কি ? ই কি ? প্ৰিয়তম
সন্মুখত ই কি মূৰ্তি দেখিছো তোমাৰ ?
কোৱা কোৱা প্ৰভু
কিয় আজি চিন্তান্বিত তুমি
কিয় আজি শোকত আকুল ।
বিভীষণ সৰমা !
পাৰিবানে নীৰৱে শুনিব
কিয় আজি বিভীষণ-----
সৰমা--নকবা নকবা প্ৰিয়তম
ক্ষন্তেক অপেক্ষা কৰা
স্থিৰ হৈ লব দিয়া দাসীক তোমাৰ !
প্ৰিয়তম ! প্ৰাণসম পুত্ৰ তৰণীৰ ।
ঘটিছেনে কিবা অমঙ্গল ?
তৰণী ! তৰণী !
বিভীষণ—নেমাতিবা তৰণীক মোৰ সন্মুখত
আঁতৰাই দিয়া সেই মায়াৰ বান্ধোন ।
সৰমা -বুজিছো সকলো
সৰমাৰ আলাসৰ লাড়ু
তোমাৰেই কুলৰ প্ৰদীপ
তৰণীৰ অমঙ্গল হেতু
তুমি আজি ইমান চঞ্চল ।
বিভীষণ সৰমা ! ঘটা নাই অমঙ্গল তৰণীৰ মোৰ
অমঙ্গল ঘটিছে লঙ্কাৰ ।
সৰমা ! শুনা স্থিৰ হই
ৰাজদ্ৰোহী দেশদ্ৰোহী মই
নাই স্থান মোৰ বাবে সুবৰ্ণ লঙ্কাত ।
তাৰেই কাৰণে আজি
নিৰ্বাসন দণ্ড মোক দিছে লঙ্কেশ্বৰে ।
সৰমা নিৰ্বাসন ! নিৰ্বাসন ?
বিভীষণ ওঁ নিৰ্বাসন
দেশদ্ৰোহী বিভীষণ জাতিদ্ৰোহী বিভীষণ
নিৰ্বাসিত জননীৰ হৃদয়ৰ পৰা ।
আঁতৰা আঁতৰা দেৱী !
নেথাকিবা পাপাত্মাৰ সন্মুখত আৰু
শত্ৰু তুমি, শত্ৰু মোৰ প্ৰাণৰ তৰণী
শত্ৰু আজি নিজে লঙ্কেশ্বৰ ।
লঙ্কাৰ কু-পুত্ৰ প্ৰহেলিকা ৰক্ষ জনমৰ
মহাশত্ৰু আজি মই নীচ বিভীষণ ।
সৰমা শত্ৰু হোৱা মিত্ৰ হোৱা জননী লঙ্কাৰ
সৰমাই সেই কথা নকৰে বিচাৰ ।
যিয়েই নোহোৱা তুমি
সৰমাৰ তুমি মাথো
একমাত্ৰ আৰাধ্য দেৱতা ।
নিৰ্বাসিত যদি তুমি নাথ
সৰমাও যাব আজি তোমাৰ লগতে ।
বিভীষণ—নহয় —নহয় দেৱী !

লঙ্কাৰ জীয়ৰী তুমি—লঙ্কাৰ বোৱাৰী
কিয় যাবা এৰি থই চেনেহী লঙ্কাক ?
নির্বাসিত মই, তুমিতো নোহোৱা আজি
নির্বাসিতা দেৱী ?

সৰমা—অযোধ্যাৰ ৰজা দশৰথে
নির্বাসন দণ্ড মাথো দিলে ৰাঘৱক
কিন্তু নাথ—
শ্রীৰামৰ ধর্মপত্নী দেৱী জানকীয়ে
আপোন ইচ্ছাৰে
হাঁহি হাঁহি সেই দণ্ড কৰিলে গ্রহণ।
সেই ভাগ্য সৰমাৰো
উপযাচি মিলিছে যেতিয়া
দিয়া প্রভু অনুমতি দাসীক তোমাৰ
মহান আদর্শ সেই সন্মুখত ৰাখি
বাছি লওঁ কর্তব্য নিজৰ।

বিভীষণ—তোমাৰ কথাত দেৱী!
পৰাজিত আজি বিভীষণ।
পথভ্রষ্ট পথিকক তুমি
দিছা আজি পথ দেখুৱাই।
মিলিছে মাহেন্দ্র ক্ষণ
যোৱা তুমি লঙ্কাৰ বুকুত থাকি
পূজাগে দেৱী জানকীক
আৰু নিজে মই শত্রুপক্ষ লই
ৰাঘৱৰ পূজিম চৰণ।
যিদিনাই লঙ্কাৰ বুকুত
ৰাম সীতা মিলিব দুনাই
সিদিনাই শেষ হব
বিভীষণ-সৰমাৰ ভকতিৰ পূজা।

(ভিতৰত তৰণী—আই। আই)

(তৰণীৰ প্রবেশ)

তৰণী—আই! আই!
দুয়োজন আজ্ঞা ইয়াতেই
শুনা পিতা—শুনা আই
লঙ্কেশ্বৰে কৰিছে আদেশ
প্রবেশি অশোক বন ৰাৰৰক্ষীৰূপে
জানকী ৰক্ষাৰ ভাৰ কৰিব গ্রহণ।

বিভীষণ—(কঁপা মাতেৰে) পুত্র।

তৰণী—ই কি পিতা
ই কি ? মূর্তি দেখিছো তোমাৰ
আই—আই
শোকত আতুৰ কিয় জনকৰ প্রাণ ?
ই কি ? তুমিয়োতো কান্দিছা জননী!
আই—আই!

সৰমা—পুত্র মোৰ আচলৰ ধন।

(চকুলো টোকে আৰু তৰণীক বুকুত সুমুৱাই লয়)

তৰণী—নুটুকিবা চকুলো জননী
পিতৃ মাতৃ দুজনাৰ চকুৰ পানীৰে
নকৰিবা সৃষ্টি এক
মোৰ বাবে নতুন নৰক।

বিভীষণ—পুত্র! এটি বাৰ কাষ চাপি আহ
চাই লওঁ আজি তোক শেষ বাৰলই।

তৰণী—কোৱা পিতা
কিয় তুমি চিন্তাত আকুল ?

বিভীষণ—পুত্র! ৰাজদ্রোহী মই
তাৰেই কাৰণে
নির্বাসন দণ্ড মোক দিছে লঙ্কেশ্বৰে।

তৰণী—নির্বাসন ? লঙ্কেশ্বৰে দিছে নির্বাসন ?
অৰণ্যে পালিবা তুমি লঙ্কাৰ সন্তানে।
ওলোৱা—ওলোৱা পিতা
তুমিও ওলোৱা জননী
লগতে ওলাব এই দাস তৰণীও।
পিতা পুত্র জননীয়ে
ত্যাগ কৰি স্বর্ণ লঙ্কাপুৰী
আজীৱন হম বনবাসী।

বিভীষণ—মহৎ—মহৎ পুত্র!
নেলাগে যাবলৈ তই
থাকক জননী তোৰ লঙ্কাৰ বুকুতে।

দুয়ো মিলি ভকতিৰ ধূপ ধূনা জ্বালি
জানকীৰ পূজিবি চৰণ ।
আৰু মই দেশদ্ৰোহী নীচ বিভীষণে
শত্ৰুপক্ষ কৰি সমৰ্থন
ৰাঘৱৰ কৰিম বন্দনা ।

তৰণী—লঙ্কাৰ সন্তান হই
কিৰূপে কৰিবা তুমি
ৰাঘৱৰ পক্ষ সমৰ্থন ?
হব পাৰে দেৱতা ৰাঘৱ
হব পাৰে নৰৰূপী ৰাম নাৰায়ণ ।
কিন্তু পিতা ! সেইৰূপ লই
অহা নাই ৰামচন্দ্ৰ লঙ্কাৰ বুকুত ।
শত্ৰুৰূপে আহিছে ৰাঘৱ
জননী লঙ্কাৰ এই নিঃকিন সন্তানে
শত্ৰুৰূপে বাধা দিব আজি ৰাঘৱক ।

বিভীষণ—পুত্ৰ ! লঙ্কাৰ কল্যাণ হেতু বিভীষণে
মহা ধৰ্ম পালিব নিজৰ ।

তৰণী—স্বদেশক এৰি দিয়া শত্ৰুৰ হাতত
হয় যদি মহাধৰ্ম পিতা
ধৰ্মৰ নামত আজি
তৰণীয়ে কৰে পদাঘাত ।
বিদায় এতিয়া পিতা
শত্ৰুৰূপে আহিবা যিদিনা
লঙ্কাৰ ৰণ প্ৰাঙ্গণত
শত্ৰুৰূপে পিতৃ মূৰ্তি কৰিম বন্দনা । (প্ৰস্থান)

বিভীষণ—সৰমা ! এনেহেন পুত্ৰৰত্ন লই
সঁচাকৈয়ে ভাগ্যৱতী তুমি ।
(বুকুৰ পৰা শৰ উলিয়াই)
লোৱা দেৱী ।
তৰণীৰ মৃত্যুবাণ আজি এতদিনে
ৰাখিছিলো যতনেৰে মই
আজি হন্তে তাত মোৰ নাই অধিকাৰ ।
লোৱা দেৱী ! সযতনে ৰাখিবা লুকাই ।

সৰমা—তৰণীৰ অমঙ্গল নাথ
তুমিওতো নকৰা কামনা ।
তৰণীৰ মৃত্যুবাণ
থাকে যদি তোমাৰ জগত
নিচিন্তে থাকিব প্ৰভু
অভাগিনী সৰমা তোমাৰ ।

বিভীষণ—হিয়াৰ মাজত দেৱী
সযতনে এই বাণ
বিভীষণে ৰাখিব লুকাই ।

সৰমা—প্ৰিয়তম !

বিভীষণ—বিদায় এতিয়া তেন্তে –

সৰমা—যোৱা নাথ ! হাঁহিমুখে যাচিছো বিদায় ।

বিভীষণ—সৰমা !

সৰমা—প্ৰিয়তম !

বিভীষণ—বিদায়—বিদায়

(প্ৰস্থান। সৰমা অধীৰ হৈ পোনতে সেই পথেই আগবাঢ়ে, কিন্তু পিছত প্ৰকৃতিস্থ হৈ আনফালে প্ৰস্থান)

৩য় দৃশ্য

কালনেমীৰ ঘৰৰ সন্মুখ

(কালনেমী হাঁহি হাঁহি সোমাই আহে)

কালনেমী—হেঃ হেঃ হেঃ । অ' বোলো শুনিছানে গৃহিণী, অ' বোলো শুনিছা ?

(বক্ৰনাশাৰ প্ৰৱেশ)

বক্ৰনাশা—কি হ'ল ? কি হ'ল ?

কালনেমী—বোলো শুনিছানে ? হেঃ হেঃ হেঃ---

বক্ৰনাশা—কি হৈছে নকয় কেলেই ? দেশত যিখন হে মহাৰণ লাগিছে, তাৰ কাৰণে গোটেই লঙ্কাই কাহ পৰি জীণ যোৱাৰ দৰে হৈ আছে । আপোনাৰ যেতিয়া ইমান আনন্দ হৈছে নিশ্চয় বুজিছে আমাৰ ৰজা লঙ্কেশ্বৰৰ জয় হৈছে ।

কালনেমী—হেঃ হেঃ । তুমি—তুমিও এই স্বয়ং কালনেমীৰ পৰিবাৰ হৈ একেবাৰে এটা ডাঙৰ ভুল কৰি পেলালাহে । বোলো লঙ্কেশ্বৰৰ জয় নহয়, জয় তোমাৰ হৃদয়েশ্বৰ কালনেমীৰহে ।

বক্ৰনাশা—এ থওক—থওক । এনেদৰে পেংলাই নকৰিব । আমাৰ জয় হব । কণা বিধাতাৰ চকু ফুটিব ।

(কোৰাৰ লগে লগে কান্দি পেলায়)

কালনেমী—ঔ আই । ই আকৌ হ'ল কি ? বোলো কান্দিছা কেলেই ? কোৱা বোলো তোমাৰ হ'ল কি ? এতিয়া কেনেকৈ মৰা মৰা । মই ইফালে আনন্দত অধীৰ হৈ পৰিছো—তেওঁ সিফালে চকুপানী—টুকি দিছে অমঙ্গলখন চুছি । সেই কাৰণেইতো কৈছো বোলো ! হেৰা তোমাৰ লগত আৰু মই নোৱাৰো । হয় তুমি মোৰ পৰা আঁতৰা নহয় মোক তোমাৰ পৰা আঁতৰি থাকিবলৈ দিয়া । এনেদৰে মনে নিমিলা তিৰোতাৰে সংসাৰ কৰিব নোৱাৰ দেও ।

বক্ৰনাশা—অ' আই ! মনে মনে নিমিলে যদি এজনী মন খোৱা চাই আনি নলয় কিয় ? কোনেনো আকৌ আপোনাক বাধা দিছে । এনেদৰে অমূলীক জোকাই নলব আকৌ ।

কালনেমী—হেইয়া চিঙিচ কৰে খং উঠে । বোলো মই তোমাৰ লগত ধেমালিহে কৰিছো । তোমাৰ দৰে ৰূপে-গুণে বিভূষিতা সতী নাৰী থাকোতে মই ভুলতেও আনৰ কথা ভাবিম বুলি তুমি ভাবিছানে ?

বক্ৰনাশা—বোলো ধেমালি মই নুবুজো । কওক কিহৰ কাৰণে আপুনি আনন্দত ইমান অধীৰ হৈছে ?

কালনেমী—নিশ্চয় কম—এশ বাৰ কম । নোহোৱা কথাও সাজি সাজি কম । বোলো সুন্দৰী ! কওঁ শুনা । এই যে ৰাম-ৰাৱণৰ মহাৰণখন লাগিছে—সেই বিষয়ে বিভীষণ আৰু লঙ্কেশ্বৰৰ মাজত এখন তৰ্কযুদ্ধ হয় । বিভীষণে কয় এই যুদ্ধ বন্ধ কৰিব লাগে, লঙ্কেশ্বৰে কয় এই যুদ্ধ প্ৰবল বেগে চলিব লাগে ।

বক্ৰনাশা—পিচে ?

কালনেমী পিচে আৰু কি হব । দুটা বাট দুফালে গ'লে ক'ত লগ হোৱা দেখিছা ? শেষত সেই তৰ্কযুদ্ধই এখন মহাযুদ্ধত পৰিণত হ'ল, আৰু লঙ্কেশ্বৰে খঙতে থাকিব নোৱাৰি ৰাজভ্ৰাতা বিভীষণক, তোমাৰ বা মোৰ ভাগিন বিভীষণক নিৰ্বাসন দণ্ড দিছে ।

বক্ৰনাশা—বিভীষণক নিৰ্বাসন দণ্ড দিছে ? অ' আই সেয়েহে হবলা আকৌ আনন্দ কৰিবৰ কাৰণ হ'ল ?

কালনেমী—হেঃ হেঃ তুমিও নুবুজিলা । বিভীষণ, মেঘনাদ, লঙ্কেশ্বৰ আনকি ৰাজবংশৰ প্ৰায় সকলোৱেই এই কালনেমীৰ লঙ্কাৰ সিংহাসন অধিকাৰ কৰাৰ পথত একো একোটা প্ৰকাণ্ড বাধা । কিন্তু পাৰ হব নোৱৰা ই চাৰিটা বাধাৰ যেতিয়া এটি বিনা কষ্টে ভাঙি পৰিছে—তাতকৈনো আৰু আনন্দৰ কথা কি আছে ?

বক্ৰনাশা—অ' আই মোৰ মতা গোসাঁই । সেইটোহে শেষত হ'লগৈ আপোনাৰ আনন্দৰ কাৰণ ।

কালনেমী—হেৰা তুমি কথাটো একেবাৰে দলিয়াই নেপেলাবাচোন ! অলপ দৰে ভাবি চাবা । এজন জ্যোতিষীয়ে কৈছে অলপতে হেনো মই ৰজা হব লাগে—আৰু তুমি বক্ৰনাশা ৰাজৰাণী হব লাগে !

বক্ৰনাশা—হয়নে ?

কালনেমী—এৰা, ৰাজধৰ্ম পালন কৰিবলৈ বুলি এই কেইদিন মোক অলপ ভালদৰে খুৱাই-ধুৱাই শক্তিমন্ত কৰি তোলাচোন। তোমাৰ সেইবোৰ কোনো চিন্তা নাই কেৱল ভুকুতে কলটো পৰিব লাগে ।

বক্ৰনাশা—মইনো আপোনাৰ কি কৰা নাই ? সিদিনা দেখোন------

কালনেমী—হৈছে, হৈছে । এতিয়া বাৰু সেইবোৰ নালাগে । অলপ ভিতৰতে বহোগৈ বলা ।

বক্ৰনাশা—আহক । (দুয়ো ভিতৰলৈ যায়)

লগে লগে পট উঠিব

৪ৰ্থ দৃশ্য

ৰামৰ শিবিৰৰ সন্মুখ

(এটা গছৰ মুঢ়াত বহি লক্ষ্মণ আৰু অলপ দূৰত এজোপা গছত আউজি থিয় হৈ সুগ্ৰীৱ)

লক্ষ্মণ—বন্ধুবৰ !

ধ্যানত নিমগ্ন ৰঘুমণি
শেষ হলে ৰাঘৱৰ পূজা
ৰাঘৱৰ পদধূলি লই—
পুনৰায় যুদ্ধযাত্ৰা কৰিব লাগিব ।

সুগ্ৰীৱ—বীৰবৰ !

তালৈকে সুগ্ৰীৱেও কৰিছে অপেক্ষা ।
কিন্তু হেৰা ঠাকুৰ লক্ষ্মণ !
কালিৰ ৰণত ৰাক্ষসৰ পৰাজয় দেখি
লঙ্কেশ্বৰ জ্বলিব ভীষণ ।
সেইবাবে আজিৰ ৰণত
লক্ষ লক্ষ ৰক্ষ সেনা কৰিব প্ৰয়োগ ।

লক্ষ্মণ—আহক ৰণৰ বাবে
লঙ্কাবাসী সমগ্ৰ ৰাক্ষস
আহক নিজেই তেওঁ—ৰজা লঙ্কেশ্বৰ
তাৰ বাবে ৰামানুজ কিঙ্কৰ লক্ষ্মণ
কেতিয়াও নহয় চঞ্চল ।

সুগ্ৰীৱ—বীৰবৰ !

নুবুজিবা ভুল সুগ্ৰীৱক ।
ৰাম নাম ৰক্ষাৰ কৱচ
আঁকি লই হিয়াৰ মাজত
সুগ্ৰীৱেও পাহৰিলে ভয় কাক বোলে ।
কৰে যদি ৰাঘৱে আদেশ
তুমি যদি দিয়া অনুমতি
সুগ্ৰীৱে অকলে গৈ লঙ্কাৰ ৰণত
বাধা দিব সমগ্ৰ ৰাক্ষস ॥

লক্ষ্মণ—বীৰবৰ !

লক্ষ্মণৰ পৰিচিত বীৰত্ব তোমাৰ ।
তোমাৰে মিত্ৰতা কৰি
ধন্য আজি শ্ৰীৰাম-লক্ষ্মণ ।

বিভীষণ—(ভিতৰ) ৰাম ! ৰাম !

লক্ষ্মণ—বন্ধুবৰ । আহিছে কোনোবা সৌৱা
ৰাম নাম কৰি উচ্চাৰণ
চোৱাচোন পৰিচিত যেন দেখো
নালাগে আমাৰ !

সুগ্ৰীৱ—সঁচা কথা
পৰিচিত নহয় আমাৰ ।
আহি পালে নিচেই ওচৰ
সোধাচোন পৰিচয় বাৰু ।

বিভীষণ—ৰাম ! ৰাম !

ক'ত তুমি প্ৰাণৰ দেৱতা ? (বিভীষণৰ প্ৰৱেশ)

লক্ষ্মণ—কোন তুমি ?

ৰাম নাম কৰি উচ্চাৰণ
কাক তুমি কৰিছা সন্ধান ?

বিভীষণ—কোৱা বাৰু কোন তোমালোক ?

লক্ষ্মণ—শুনা তেন্তে

ময়ে সেই ৰামানুজ কিঙ্কৰ লক্ষ্মণ
আৰু তেওঁ—

শ্ৰীৰামৰ মহামিত্ৰ কিষ্কিন্ধ্যাৰ প্ৰজাপালক
মহাবীৰ সুগ্ৰীৱ সুজন ।
বিভীষণ--তুমি সেই ঠাকুৰ লক্ষ্মণ ?
লক্ষ্মণ—নকৰা পলম
কোৱা শীঘ্ৰে কোন তুমি
কিবা প্ৰয়োজন ?
বিভীষণ—কোন মই ?
লঙ্কাৰ কুপুত্ৰ ৰাজভ্ৰাতা মই বিভীষণ
লঙ্কাৰ অৰাতি আজি, শ্ৰীৰামৰ দাস চৰণৰ।
দিয়া—দিয়া পথ এৰি
ভকতিৰে হিয়া ওপচাই
পূজোগে ৰাঘৱৰ ৰাতুল চৰণ ।
লক্ষ্মণ—লঙ্কাৰ ৰাক্ষস হই—
আহিছনে ৰাঘৱৰ পূজা আশা কৰি ?
দূৰ হ' অবোধ ৰাক্ষস
মায়া কৰি হৰিলি জানকী
ভাবিছনে পুনৰায় মায়াৰ বলেৰে
থাকোতে লক্ষ্মণ এই শ্ৰীৰামৰ দাস
নিৰ্বিঘ্নে সাধিবি কিবা অনিষ্ট ৰামৰ ?
বিভীষণ—অহা নাই তেনে আশা লই—
ৰাঘৱৰ পদ সেৱা একমাত্ৰ ধ্যান
তাৰেই কাৰণে—
বিনা বাক্যে বিনা প্ৰতিবাদ
স্বেচ্ছাই আদৰি ললো দেশদ্ৰোহী নাম ।
সুগ্ৰীৱ—সেই আশা নহব পূৰণ।
মৃত্যু বাঞ্ছা নাই যদি হৃদয়ত তোৰ
মুহূৰ্ততে ত্যাগ কৰ এই পূণ্য স্থান।
বিভীষণ—ৰাঘৱৰ পূজাৰ নিৰ্মালি
মৃত্যু যদি হয় বীৰবৰ
তাৰ বাবে বিভীষণ নহয় কুণ্ঠিত ।
কিন্তু এটিবাৰ—মাথো এটিবাৰ
দয়া কৰি দিয়া দেখুৱাই
ক'ত সেই নৰৰূপী ৰাম নাৰায়ণ
ক'ত সেই অধমৰ প্ৰাণৰ দেৱতা !
লক্ষ্মণ--দেৱতাৰে দাস এই ঠাকুৰ লক্ষ্মণ
জ্বলন্ত কৃতান্ত ৰূপে আছে থিয় হই ।
দেৱতাৰ দৰশন হোৱাৰ আগতে
হব লাগে প্ৰায়শ্চিত্ত তই ।
বিভীষণ—তাকো তেন্তে বিভীষণে অৱশ্যে পালিব।
দিয়া বীৰ মৃত্যু দণ্ড
হৃদয়ৰ তপ্ত ৰক্ত ভক্তি অঞ্জলিৰে
দেৱতাৰ পূজিম চৰণ ।
লক্ষ্মণ বীৰবৰ !
সুগ্ৰীৱ -ৰাক্ষসব মায়া চাতুৰীত
নাযাবা পাহৰি তুমি নিজৰ কৰ্তব্য ।
বধ কৰি দুৰ্দান্ত ৰাক্ষস
শত্ৰুশূন্য কৰা ৰাঘৱৰ ।
লক্ষ্মণ—সেয়ে তেন্তে হ'ক। (শৰ যোৰে। ৰামৰ প্ৰৱেশ)
ৰাম—লক্ষ্মণ ! লক্ষ্মণ !
অতিথিৰ হিয়াৰ তেজেৰে
নকৰিবি কলুষিত ৰামৰ শিবিৰ ।
লক্ষ্মণ --অতিথি নহয় দাদা ।
দুৰাত্মা ৰাক্ষস ।
ৰাম—(হাতেৰে স্থিৰ হবলৈ কয়)
কোন তুমি বীৰবৰ ?
ৰাঘৱৰ ওচৰত
আছে জানো কিবা প্ৰয়োজন ?
বিভীষণ—দেৱতা !
সম্মুখত থিয় হই—
অন্তৰ্যামী তুমি ভগৱান
জানা তুমি মোৰ প্ৰয়োজন ।
প্ৰভু ! দয়া কৰি সম্মুখত আহিছা যেতিয়া
এখন্তেক বোৱা স্থিৰ হই
চাই লওঁ সতৃষ্ণ নয়নে
নৱ ঘনশ্যাম ৰূপ—জ্যোতিৰ্ময় মূৰতি মধুৰ।
ৰাম—মৰ্ত্যৰ মানুহ মই—নহওঁ দেৱতা
তেনেদৰে অপৰাধী নকৰিবা মোক
কোৱা বাক্য কোন তুমি কিবা পৰিচয় ?

বিভীষণ—অতি হীন, অতি হেয়, সৃষ্টিৰ কলঙ্ক
ৰাক্ষসৰ ৰাজভ্ৰাতা মই বিভীষণ
ৰাঘৱৰ পূজাৰ কাৰণে
নিৰ্বাসিত পুত্ৰ আজি জননী লঙ্কাৰ ।
ৰাম—ৰাক্ষসৰ ৰাজভ্ৰাতা তুমি?
নহয় তোমাৰ স্থান চৰণ তলত
আহা বীৰ ! (আঁকোৱালি ধৰিবলৈ যায়)
লক্ষ্মণ—দাদা ! দাদা !
সুগ্ৰীৱ—প্ৰভু ! ৰাক্ষসক নকৰা বিশ্বাস
সৃষ্টিৰ কলঙ্ক এই ঘৃণিত ৰাক্ষসে
নুবুজিব ৰাঘৱৰ যোগ্য সমাদৰ ।
ৰাম—মিত্ৰবৰ ! ভাই লক্ষ্মণ !
নকৰিবা তেনে অনুৰোধ
নিৰাশ্ৰিতে আহে যদি আশ্ৰয় বিচাৰি
অৱশ্যেই সেই ধৰ্ম পালিব লাগিব
আহা বন্ধু ! দিয়া আলিঙ্গন ।
বিভীষণ—নহয় নহয় প্ৰভু !
অপৰাধী নকৰা দাসক
বিশ্বৰ অস্পৃশ্য আমি—অনাৰ্য ৰাক্ষস
কৰো যদি দেৱতাৰ অঙ্গ পৰশন
ধৰ্মাধৰ্ম যাব ৰসাতলে ।
ৰাম—বীৰবৰ !
বাহিৰৰ আভৰণে
নুবুজায় অন্তৰৰ আচল স্বৰূপ
জন্মগত শ্ৰেষ্ঠতাৰ পক্ষপাতী নহয় ৰাঘৱ ।
যিয়ে গুণী তেৱেঁ পূজনীয়
দেৱতাৰ আভৰণ পিন্ধি
আৰ্যৰ সমাজে যদি
পাপ কাৰ্য্য কৰে সমৰ্থন
হেৰাব দেৱত্ব—লয় হ'ব আৰ্যৰ গৌৰৱ ।
কিন্তু বীৰ ! তোমাৰ চকুত
অন্তৰৰ নিভৃত কোণত
নাই দেখা একো মই পাপ অভিলাষ ।
আহিছা যেতিয়া তুমি অতিথিৰ বেশে—
অতিথিৰ ৰূপে পূজা কৰিব ৰাঘৱে ।
আহা বন্ধু ! এতিবাৰ দিয়া আলিঙ্গন ।
বিভীষণ—ধন্য হ'ল বিভীষণ—
ধন্য হ'ল আজি তাৰ ৰাক্ষস জনম ।
চাই লোৱা ভালদৰে কোন ক'ত আছা
অস্পৃশ্যতা মানুহৰ নিজৰ সৃজন
দেৱতাই সেই কাৰ্য সমৰ্থন নকৰে কদাপি ।
(ৰাম আৰু বিভীষণৰ আলিঙ্গন)

আঁৰকাপোৰ

৩য় অঙ্ক

১ম দৃশ্য

লঙ্কাৰ প্ৰাসাদৰ সন্মুখ

(চিন্তান্বিত ৰাৱণ)

ৰাৱণ—ভোলানাথ !
লঙ্কেশ্বৰ আজি কিন্তু অতিকৈ দুৰ্বল
সুৰাসুৰ নাগ যক্ষ মানৱ দানৱ
পৰাজিত ৰাৱণৰ ৰণ কৌশলত
আজি কিন্তু-
নৰ ও বানৰে কৰা যুদ্ধৰ নামত
লঙ্কেশ্বৰে গণিছে প্ৰমাদ ।
(বেগে দ্বাৰৰক্ষীৰ প্ৰৱেশ)
দ্বাৰৰক্ষী—লঙ্কেশ্বৰ !
গুপ্তচৰে জনালে বাতৰি
জানকীক আহাৰ যোগাব
প্ৰবেশিছে দেৱৰাজ অশোক কানন ।
ৰাৱণ—কি ? কি ষড়যন্ত্ৰ ?
দেৱতাৰ ষড়যন্ত্ৰ ?

কলঙ্কিত দেৱতা সমাজে
ন্যায় যুদ্ধে পৰাজিত হই
চিৰকাল ৰক্ষৰ হাতত,
নীচভাৱে হীনভাৱে
ষড়যন্ত্ৰ কৰে এই--
ৰাক্ষসৰ ধ্বংসৰ কাৰণে ।
দ্বাৰৰক্ষী ! আনা মোৰ তৰোৱাল ।

(দ্বাৰৰক্ষীৰ প্ৰস্থান আৰু তৰোৱাল লৈ প্ৰৱেশ তৰোৱাল দিয়ে)

দ্বাৰৰক্ষী ! যোৱা তুমি
বন্ধ কৰা কাননৰ পথ ।
আৰু মই নিজে লঙ্কেশ্বৰে
দেৱতাৰ ষড়যন্ত্ৰ ধূলিত মিহলি কৰি
উৰাব লাগিব ৰাক্ষসৰ বিজয় পতাকা ।

(বেগে প্ৰস্থান)

পট-পৰিবৰ্তন

পট-পৰিবৰ্তন

অশোক কানন

(সীতা। কাষত অলপ আঁতৰত খাদ্য-দ্ৰব্য লৈ ব্ৰাহ্মণবেশী ইন্দ্ৰ।)

ব্ৰাঃ ইন্দ্ৰ—নকৰিবা চিন্তা দেৱী !
তোমাৰ কাৰণে আজি
দেৱতাৰ ভক্তিভৰা এই উপহাৰ ।
তুষ্ট হই কৰিলে গ্ৰহণ
সুখী হব দেৱতা সকল
ৰক্ষা হব সৃষ্টিৰ মহিমা ।

সীতা—দেৱৰাজ !
নকৰা দুনাই—নকৰিবা তেনে অনুৰোধ ।
স্বামীক অকলে এৰি বনৰ মাজত
কিবা দৰে সতী ৰমণীয়ে
দেৱতাৰ এই দান কৰিব গ্ৰহণ ?

ব্ৰাঃ ইন্দ্ৰ—দেৱী !
নকৰিবা চিন্তা তাৰ বাবে ।
হব পাৰে বনবাসী আৰ্য
হব পাৰে ভিখাৰী ৰাঘৱ
কিন্তু স্ব-ইচ্ছাই ভ্ৰমিছে যেতিয়া
স্ব-ইচ্ছাৰে খাদ্য দ্ৰব্য কৰিব সংগ্ৰহ ।

সৰমা—দেৱী !
আপত্তিৰ নেদেখো কাৰণ ।
কৰিলে গ্ৰহণ এই দেৱতাৰ দান
ৰক্ষা হব নিজ প্ৰাণ
ৰক্ষা হব ধৰ্মৰ সন্মান

সীতা—সৰমা !
নাই আৰু ভোগ লিপ্সা মোৰ
নাই আৰু মমতা প্ৰাণৰ ।
শ্ৰীৰামৰ পদধূলি লই
হাঁহি হাঁহি সুখৰ মৰণ
ইচ্ছা মোৰ কৰিব বৰণ ।

ব্ৰাঃ ইন্দ্ৰ—জীৱাত্মাক কষ্ট দিয়া মহাপাপ আই ।
তেনে ইচ্ছা নকৰিবা তুমি ।
ত্ৰিজগত পূজ্য ৰাম--
তেওঁৰেই প্ৰিয় ভাৰ্যা সীতা তুমি জনক দুহিতা
পাপ কাৰ্য কৰি সমৰ্থন
নঘটাবা সৃষ্টিৰ প্ৰলয় ।
তোমাৰেই তুষ্টিৰ কাৰণে
দেৱ-দেৱী সকলোৱে মিলি
যতনাই দিছে এই পূজাৰ সম্ভাৰ
দেৱৰাজ ইন্দ্ৰ মই
ভকতিৰে যাচিছো তোমাক
দেৱতাৰ পূজা উপচাৰ
লোৱা দেৱী ! নকৰি সন্দেহ ।

(আগবঢ়াই দিয়ে।

(ভিতৰত বাৰণ। অহাৰ লগে লগে চিঞৰি আছে)

ৰাৱণ—ক'ত সেই তৃপ্তিৰ কলঙ্ক
স্বাৰ্থপৰ নিলাজ দেৱতা ? (প্ৰৱেশ)
(ৰাৱণ অহাৰ গম পাই ইন্দ্ৰ অ ভাৰি পলাব খোজে,
ৰাৱণ আহি সন্মুখত থিয় হয়।)
হাঃ হাঃ হাঃ
কলৈ পলাবি হেৰ অমৰ দেৱতা !
দেৱতাৰ ত্ৰাস—তৃপ্তিৰ বিনাশ
সন্মুখত তোৰ এই দুৰ্দান্ত ৰাৱণ।
ব্ৰাঃ ইন্দ্ৰ—লঙ্কেশ্বৰ !
এৰি দিয়া পথ মোৰ
বিজ্ঞ তুমি, ধৰ্মাধৰ্ম বুজা ভালদৰে।
ৰাৱণ—ৰাক্ষসৰ নিজ ধৰ্ম
ভালদৰে বুজে লঙ্কেশ্বৰে ।
তহঁতৰ ধৰ্মাধৰ্ম নিবিচাৰে বুজিবৰ ৰাৱণে ।
শুন হেৰ, স্বেচ্ছাচাৰী নিলাজ দেৱতা
কোন ধৰ্ম কোন ৰীতি মতে
চোৰৰ নিচিনা আহি প্ৰৱেশি কানন
ৰাৱণৰ ইচ্ছাৰ বিৰুদ্ধে
লঙ্কাৰ বন্দিনী এই পবিত্ৰা সীতাক
যতনাই দিছ আহি ভোগৰ সম্ভাৰ ?
ভাবিছনে লঙ্কেশ্বৰ দুখীয়া ইমান
ভিক্ষাৰী ৰামৰ পত্নী বন্দিনী সীতাক
শূন্য কৰি লঙ্কাৰ ভাণ্ডাৰ
নোৱাৰিব তুষিব ৰাৱণে ?
ব্ৰাঃ ইন্দ্ৰ—অৱশ্যেই লঙ্কেশ্বৰ
একেবাৰেই নহয় দুখীয়া
তথাপি বিশ্বৰ কল্যাণ হেতু
ৰক্ষা হেতু জানকীৰ প্ৰাণ
দেৱতাৰ এই আয়োজন ।
ৰাৱণ--দেৱতাৰ এই আয়োজন
ৰক্ষা হেতু জানকীৰ প্ৰাণ ?
শুন হেৰ, ঘৃণিত দেৱতা ।
অমৰ তহঁত—
নহলে—নহলে আজি
জানকীৰ প্ৰাণ বিনিময়ে
বধ কৰি দেৱতাৰ প্ৰাণ
লঙ্কেশ্বৰে চিৰ শান্তি লভিলেহেঁতেন ।
তথাপি নাভাবিবি এই
মুঠিৰ চিকাৰ—
বিনা দণ্ডে কিম্বা প্ৰতিকাৰে
এৰি দিব আজি লঙ্কেশ্বৰে ।
সীতা—নহয়—নহয় লঙ্কেশ্বৰ
দেৱতাৰ নাই অপৰাধ
যতমানে অপৰাধ অভাগিনী জানকীৰ মাথো।
বধ কৰি মোৰ প্ৰাণ
নিষ্কণ্টক কৰা লঙ্কাপুৰী ।
ৰাৱণ—হাঃ হাঃ হাঃ
সীতা ! নকৰিবা অনুৰোধ মোক
লঙ্কেশ্বৰ একোতেই নহব চঞ্চল ।
সৰমা—লঙ্কেশ্বৰ ।
সবিনয়ে অনুৰোধ কৰিছে দাসীয়ে
মুক্তি দিয়া দেৱতাক
মুক্তি দিয়া দেৱী জানকীক ।
ৰাৱণ—সৰমা !
লঙ্কাৰ জিয়াৰী তই ৰক্ষৰ বোৱাৰী
নকৰিবি এনে অনুৰোধ !
'দেৱৰাজ—নিলাজ দেৱতা !
প্ৰস্তুত হ' দণ্ড লবলৈ ।
ব্ৰাঃ ইন্দ্ৰ—লঙ্কেশ্বৰ !
শাস্তিৰ নামত
দেৱতাৰ নকপে হৃদয় ।
কিন্তু ভালদৰে জানিবা তুমিও
ৰাৱণৰ এই অহঙ্কাৰ
লুপ্ত হব অচিৰতে ধৰাৰ বুকুত ।
ৰাৱণ—ৰাৱণৰ গৌৰৱৰ গিৰি হিমাচল
লুপ্ত হ'ক ধৰাৰ গৰ্ভত,
তাৰ বাবে লঙ্কেশ্বৰে নকৰে আক্ষেপ ।
কিন্তু বিশ্বৰ দলিত এই ৰাৱণৰ জীৱন কালত

দেৱতাৰ দাসত্বৰ কথা
হেৰাবনে স্মৃতিৰ বুকুত ?
ব্ৰাঃ ইন্দ্ৰ—ধৰ্মৰ কাৰণে আজি দেৱতা সমাজে
ৰাৱণৰ দাসত্বকে কৰিছে স্বীকাৰ ।
ৰাৱণ—ৰাৱণেও দিব তেন্তে
দাসত্বৰ যোগ্য পুৰস্কাৰ ।
ৰাৱণৰ দাস হৈ দেৱতা সমাজে
ৰাৱণকে কৰে উপহাস
তাৰ বাবে পুৰস্কাৰ পাব দেৱতাই ।
(চুলিত ধৰে)
ব্ৰাঃ ইন্দ্ৰ—লঙ্কেশ্বৰ ! লঙ্কেশ্বৰ !
ৰাৱণ—স্তব্ধ হ পিশাচ
ক' কাৰ অনুমতি লই
প্ৰবেশিলি অশোক কানন ?
(তৰণীৰ বেগে প্ৰবেশ)
তৰণী -ক্ষান্ত হোৱা লঙ্কেশ্বৰ
তৰণীৰ অনুমতি লই
প্ৰৱেশিছে দেৱৰাজ অশোক কানন ।
তাৰ বাবে অপৰাধী নহয় দেৱতা ।
ৰাৱণ—কোন ? তৰণী ?
তই ? তই নিজে দিছ অনুমতি ?
তৰণী—লঙ্কেশ্বৰ !
দ্বাৰৰক্ষী তৰণীয়ে
মুক্ত কৰি দিছে নিজে প্ৰৱেশৰ পথ ।
তাৰ বাবে অপৰাধী নহয় দেৱতা
অপৰাধী নহয় তৰণী ।
তাৰ বাবে অপৰাধী হয় যদি কোনো
হবা তুমি নিজে লঙ্কেশ্বৰ ।
ৰাৱণ—অপৰাধী নিজে লঙ্কেশ্বৰ ?
তৰণী ! নুবুজো একোকে মই
কিবা দৰে কৰিছ বিচাৰ ।
তৰণী—অবিচাৰ সুবিচাৰ বুজিবা পাচত
লঙ্কেশ্বৰ ! তুমিয়েতো শুনালা আদেশ
আছে যদি শত্ৰু কোনো জননী লঙ্কাৰ
আছে যদি শত্ৰু জানকীৰ
বাধা দিবি প্ৰৱেশৰ পথ ।
কিন্তু—অহা নাই দেৱৰাজ
শত্ৰুৰূপে জননী লঙ্কাৰ
অহা নাই শত্ৰুৰূপে দেৱী জানকীৰ
সেই হেতু দেৱতাক পথ এৰি দিয়া
হোৱা নাই তৰণীৰ একো অবিচাৰ ।
দেৱৰাজ ! মুক্ত তুমি—এৰি দিছো পথ
স্বইচ্ছাৰে ত্যাগ কৰা অশোক কানন ।
(ব্ৰাঃ ইন্দ্ৰৰ প্ৰস্থান)
ৰাৱণ—তৰণী ! তৰণী !
তৰণী—হয় যদি অপৰাধী
তাৰ বাবে তৰণী তোমাৰ
অৱশ্যেই কৰিবা বিচাৰ ।
লঙ্কাৰ ৰাজসিংহাসন কৰি আৰোহণ
ৰাজ আজ্ঞা শুনাবা তোমাৰ
ৰাজদণ্ড তৰণীয়ে লব শিৰ পাতি ।
বৰ্তমান কাননৰ দ্বাৰৰক্ষী ৰূপে
পালিব লাগিব মই নিজৰ কৰ্তব্য ।
শুনা বীৰ লঙ্কাৰ সন্তান !
তৰণীয়ে কৰিছে আদেশ -
মুহূৰ্ততে ত্যাগ কৰা অশোক কানন ।
ৰাৱণ—তৰণী—তৰণী ।
তৰণী—অহা নাই মিত্ৰৰূপে তুমি জানকীৰ
সেই হেতু কাননৰ পথ
অৱৰুদ্ধ থাকিব তোমাৰ ।
লঙ্কেশ্বৰে কৰিছে আদেশ
তৰণীয়ে অৱশ্যে পালিব ।
ৰাৱণ—আৰু যদি নিজে মই—নিজ বাহুবলে
মোকলাই লওঁ মোৰ কাননৰ পথ
কি কৰিবি অবোধ বালক ?
তৰণী—বাধা দিব তৰণীয়ে
পাৰ্যমানে নিজ শকতিৰে ।
(তৰোৱাল উলিয়াই লয়)

তথাপি ৰাজ আজ্ঞা নকৰো লংঘন
নিপিচলো কৰ্তব্যৰ পৰা ।

ৰাৱণ—ধন্য—ধন্য তৰণী
তোৰ দৰে ৰাজভক্ত লঙ্কাৰ সন্তানে
ৰাক্ষসৰ মুক্তি পথ কৰিব উদ্ধাৰ ।
আহো মই—সাৱধানে ৰাখিবি দুৱাৰ ।

(ৰাৱণ প্ৰস্থান)

সৰমা—পুত্ৰ ! পুত্ৰ !

তৰণী—আই ! আই !

সীতা সৰমা !
এনেহেন পুত্ৰৰত্ন বুকুত সাৱটি
সঁচাকৈয়ে ভাগ্যৱতী তুমি
আহা পুত্ৰ ! তোমাৰ নিচিনা
মহাৰত্ন সাৱতি বুকুত
ধন্য হ'ক অভাগিনী সীতা ।

তৰণী--পদধূলি দিয়া মোক আই ।

(সেৱা কৰে। সীতাই বুকুত সাৱতি লয় আৰু শিৰত চুমা খায়।)

২য় দৃশ্য

কালনেমীৰ ঘৰৰ সন্মুখ

(কিবা এটা চোৰাই জোৰ কৰি গিজি, ইফালে সিফালে চাই কালনেমীৰ প্ৰৱেশ)

কালনেমী—বোধকৰো গৃহিণীয়ে এইবোৰ কিবা পূজা-সেৱাৰ কাৰণে গোটাই থৈছিল। কিন্তু তিৰোতাৰতো স্বামীতকৈ কোনো ডাঙৰ দেৱতা নাই । মই নিজে সন্তুষ্ট হৈছো যেতিয়া গৃহিণীয়ে পূজাৰ ফল হাতে হাতে পাব । এতিয়া কোন দেৱতাৰ এই কীৰ্তি গৃহিণীয়ে গম নেপালেই ৰক্ষা ।

(আন ফালৰ পৰা বক্ৰনাশাই হাতত দুটামান নাৰিকল লৈ সোমাই আহে—হঠাৎ কালনেমীক দেখি)

বক্ৰনাশা –অ' আই। অকলে অকলেনো ইয়াত কি কৰিছে ?

কালনেমী –অ' তুমি—হেঃ হেঃ । কিন্তু মই হলে তোমাৰ সেই ভঁৰালী কোঠালিটোত সোমোৱা নাই দেই ।

বক্ৰনাশা—আপোনাকনো সোমাবলৈ কোনে মানা কৰিছে । নাহে বা কেলেই । আহক ভিতৰতে অলপ জিৰণি লওকহি ।

কালনেমী—নহয় গৃহিণী ! মোৰ ইয়াতেই বেছ ভাল লাগিছে । ৰণৰ কাৰণে ৰজাঘৰ প্ৰজাঘৰ সকলোতে অলপো শান্তি নোহোৱাত পৰিছো। সেয়েহে এই মুকলিতে অলপ জিৰণি লৈছো।

বক্ৰনাশা -আপুনি আকৌ আঁতৰি নেযাব। মই আমাৰ ৰাজ্য লাভৰ কাৰণে আজি শিল দেৱতাৰ পূজা পাতিছো । পূজা শেষ হলে দুয়ো সেৱা লব লাগিব ।

কালনেমী –নিশ্চয়, নিশ্চয় । মই ইয়াতে থাকিম । তুমি যোৱা পূজাৰ আয়োজন কৰাগে ।

(বক্ৰনাশাৰ প্ৰস্থান)

গৃহিণী ! তোমাৰ দেৱতা স্বয়ং সন্তুষ্ট হৈছে। এইবোৰ পূজা-সেৱাৰ আৰু দৰকাৰ নাই।

(বক্ৰনাশাৰ প্ৰৱেশ)

বক্ৰনাশা -বোলো এইবোৰ আপোনাৰ কি কথা ? আপোনাক কি দেৱে চুলে ?

কালনেমী—হোঁ কি হ'ল ? মইনো আকৌ কি দায় লগালো ?

বক্ৰনাশ—কি দায় লগালো চেলাবলৈ আহিছে। এই পূজালৈ গোটোৱা ফল-মূলবোৰ দেখোন এটাও নাই। কোনোবাই খাই পেলালে।

কালনেমী—কি ? ফল-মূলবোৰ খাই পেলালে ? উস্ ইমান পৰাক্ৰম ?

বক্ৰনাশা- আপুনিয়েই এই যত কুটৰ ঘাই। ঘৰত দেও মনিচ এটা নাই, কোনেনো সেইবোৰ চুবহি। আপুনিয়েই নিশ্চয় সেইবোৰ শেষ কৰিছে ।

কালনেমী—মই ? ইস্ এনে পাপ লগা কথা নকৰা গৃহিণী ! পৃথিবীয়ে এনে পাপ সহ্য কৰিব নোৱাৰিব । আৰু দুনাই এনে পাপ কথা উচ্চাৰণ কৰিলে সৌ সূৰ্যটোও টপকৰে আহি ইয়াতে পৰিব । তেতিয়াতো তোমাৰ মোৰ সৰ্বনাশ হ'বই গোটেই পৃথিবীতে এটা বৰ হুলস্থুলৰ সৃষ্টি হ'ব । তেনে কথা আৰু নকৰা ।

বক্ৰনাশা—কেলেই নকৰ ? কেলেই নকৰ ? দেও-ভূতৰ কাৰণে বস্তু আনিও ঘৰত ৰাখিব নোৱাৰা হ'ল ।

কালনেমী—হেইয়া । বোলো মনে মনে থাকাচোন। মোৰ কথা শুনা । কিজানি তোমাৰ দেৱতায়ে আহি সেই বস্তু গ্ৰহণ কৰিলে ।

বক্ৰনাশা—অ' আই ! কি কথাবোৰ কয় শুনা । দেৱতাইনো নিজে আহি বস্তু গ্ৰহণ কৰা ক'ৰবাত শুনিছানে ?

কালনেমী—দেৱতা যদি নাহেই তেনেহলেনো তোমাৰ এই পূজা-সেৱাবোৰ কেলেই ? বুজিছা গৃহিণী ! দেৱতা নহা নহয় । মোৰ মনে কৈছে নিশ্চয় দেৱতা আহিছে ।

বক্ৰনাশ—দেৱতা আহিছে ? আহিনো বাৰু ক'ত লুকাল ?

কালনেমী—কোনে জানে । কিজানি তোমাৰ ভিতৰতে লুকাই আছে ।

বক্ৰনাশা—(গা চাই) মোৰ ভিতৰত ?

কালনেমী—আহ—তোমাৰ তাত নহয় যদি কিজানি মোৰ পেটৰ ভিতৰতে লুকাই আছে ।

বক্ৰনাশা—আপোনাৰ পেটৰ ভিতৰত লুকাই আছে ?

কালনেমী—থাকিবও পাৰে নাথাকিবও পাৰে । তাক কোনে জানে। সেই কাৰণেইতো কওঁ বোলো তুমি মোক গালি শপনি নাপাৰিবা আৰু ময়ো কেতিয়াও তোমাৰ কথাত ওজৰ আপত্তি নকৰো । কাৰণ যদি তোমাক মই খং কৰো—তোমাৰ গাত দেৱতা সোমাই থাকিলে দেৱতাক খং কৰা হ'ল । আৰু মোক গালি শপনি পাৰিলে মোৰ গাত দেৱতা লুকাই থাকিলে আকৌ সেই দেৱতাকে খং কৰা হ'ল। সেই কাৰণেইতো মই কওঁ-- সংসাৰত কোনেও কাকো খং বা গালি শপনি পাৰিব নাপায় ।

বক্ৰনাশা—অ' বুজিছো । আপুনি এইবোৰ শাস্ত্ৰৰ কথা কৈ মোক কথা পাহৰাবলৈ আহিছে। ভালে ভালে কৈ দিয়ক । নহলে মই শুদাই নেৰিছো ।

কালনেমী—তুমি যদি মোৰ কথা নুশুনা—তুমি তোমাক লৈয়ে থাকা । মোক আৰু একো নুসুধিবা। লক্ষশ্বৰে মোক যুঁজলৈ ওলাবলৈ কৈ আছে, মই যুঁজলৈকে ওলালো ।

(যাব খোজে)

বক্ৰনাশা নেযাব ! মোৰে শপত আপুনি যুঁজলৈ নেযাব ।

কালনেমী—কেলেই নেযামহে ? ঘৰৰ ভিতৰতে সদায় তোমাৰ লগত যুঁজ কৰি কৰি যুঁজ কৰা মোৰ তেনেই অভ্যাস হৈ পৰিছে । ঘৰতনো আৰু সদায় একেখন যুঁজকে কিমান যুঁজিবা? তাতকৈ এবাৰ সমৰক্ষেত্ৰলৈ গৈ যুঁজ কৰি পৃথিবীৰ বীৰৰ তালিকাত নামটো ভৰ্তি কৰি থওঁ । মই আহিলো । (অলপ যায় ।) হেৰা, মই সঁচাই আহিলো আকৌ। উস্ তেওঁ নলৰে । হেৰা যাবৰ সময়ত মোৰ পদধূলি লোৱা যদি লোৱা। পিছত এই সুযোগ নেপাবা । নহয়—মই আহিলো। (যাব খোজে

বক্ৰনাশা—নেযাব । আপুনি নেযাব।

কালনেমী—হেইয়া তাকে নোকোৱা কিয় ? যদি

সৌৱাইকয়ে মই যুঁজলৈ যাব নেলাগে তেন্তে সাৱধান—আজিৰ পৰা আৰু মোক কেতি-য়াও এনেদৰে গালি শপনি নাপাৰিবা।

ৰক্তনাশা—মই তিনি সইত কাঢ়ি কৈছো—মই আৰু কেতিয়াও তেনে কথা নকওঁ। আহক ভিতৰলৈ আহক।

কালনেমী—বলা। তোমাৰ ওপৰতনো মই আৰু খং কৰি থাকিব পাৰোনে? হেঃ হেঃ হেঃ।

(দুয়োৰে প্ৰস্থান)

৩য় দৃশ্য

ৰামৰ শিবিৰ

(শিবিৰৰ সন্মুখত বহি ৰাম, আঁতৰত বিভীষণ)

ৰাম—মিত্ৰবৰ!
নকবা দুনাই সেই
জানকীৰ কৰুণ কাহিনী।
থাকক গোসানী মোৰ লঙ্কাৰ বুকুতে
জানকীৰ উদ্ধাৰৰ হেতু
নকৰে দুনাই আৰু ৰাঘৱে প্ৰয়াস।

বিভীষণ—কিয় প্ৰভু!
এনে কথা তোমাৰ মুখত?
নহলে উদ্ধাৰ সীতা
পৃথিবীৰ ধৰ্মাধৰ্ম যাব ৰসাতলে।
ৰাম সীতা নিমিলিলে লঙ্কাৰ বুকুত
বিভীষণ সৰমাৰ জীৱনৰ পূজা
চিৰকাল অপূৰ্ণ থাকিব।
অধৰ্মৰ জয়—ধৰ্মৰ প্ৰলয়
ৰাঘৱৰ জীৱনৰ উদ্দেশ্য নহয়।

ৰাম—মিত্ৰবৰ?
পাহৰিলে উদ্দেশ্য ৰাঘৱে
পাহৰিলে ধৰ্মৰ মহিমা।
কোৱা—কোৱা বীৰবৰ
ৰক্ষৰ নিধন দেখি যদি লঙ্কেশ্বৰে
জানকীক কৰে পুনু ঘোৰ নিৰ্যাতন
সুকোমল ননীৰ পুতলি—
জানকীয়ে কিবাদৰে সহিব যন্ত্ৰণা?

বিভীষণ—ৰঘুমণি!
নকৰিবা চিন্তা তাৰ বাবে।
হব পাৰে অপহৃতা সীতা
হব পাৰে বন্দিনী জানকী
কিন্তু সেইবুলি লঙ্কাৰ বুকুত
নহয় গোসানী মোৰ অকলশৰীয়া
পূজাৰিণী সৰমাই নিতে
ভকতিৰ পূজা অৰ্ঘ্য লই
পূজিছেহি জানকীৰ ৰাতুল চৰণ।
অলক্ষিতে কত শত লঙ্কাৰ সন্তানে
দেৱী পূজা কৰি আয়োজন
জানকীৰ কৰিছে বন্দনা
নাই বুজা জানো প্ৰভু—
অন্তৰ্যামী তুমি ভগৱান।

ৰাম—মিত্ৰবৰ!
অন্তৰ্যামী নহয় ৰাঘৱ
জনম ভিক্ষাৰী মই—সামান্য মানৱ।

বিভীষণ—প্ৰভু!
নকৰিবা ছলনা দাসক
ৰাম সীতা দুয়োজনে
জনমৰ পৰিচিত মোৰ।
শুনা দেৱ—
যদিওবা লঙ্কেশ্বৰ ঘোৰ অনাচাৰী
যদিওবা দুৰ্দান্ত ৰাৱণ
ভেদ কৰি সত্যৰ কৱচ
জানকীৰ অমঙ্গল নোৱাৰে সাধিব।

(লক্ষ্মণ আৰু সুগ্ৰীৱৰ প্ৰৱেশ)

লক্ষ্মণ—দাদা! দাদা!
অসংখ্য সেনানী লই বীৰ মেঘনাদ

ৰণাঙ্গন কৰিছে প্ৰবেশ ।
দিয়া দাদা অনুমতি
উপস্থিত হই নিজে সমৰ ক্ষেত্ৰত
ৰাক্ষসৰ লওঁ প্ৰতিশোধ ।
ৰাম—ভাই !
বন্ধ কৰা এই আয়োজন
শেষ হ'ল ৰণতৃষ্ণা মোৰ
নালাগে দুনাই আৰু কৰিব সমৰ ।
লক্ষ্মণ—দাদা !
কিয় বাৰু তেনে কথা আজি
যি ব্ৰত বান্ধি হৃদয়ত
পদাৰ্পণ কৰিছা লঙ্কাত
সেই ব্ৰত অসম্পূৰ্ণ আজিও ৰাঘৱ
আজিও বন্দিনী সীতা লঙ্কাৰ বুকুত ।
সুগ্ৰীৱ—বাধা প্ৰভু নিদিবা দুনাই ।
সাজু হই আছে মোৰ বানৰ বাহিনী
শুনোৱা আদেশ প্ৰভু -দিয়া আশীৰ্বাদ
তুৰন্তে প্ৰবেশি লঙ্কাৰ ৰণ প্ৰাঙ্গণত
ধ্বংস কৰো ৰাক্ষসৰ দল ।
ৰাম বীৰবৰ ! ভাই লক্ষ্মণ ! ক্ষান্ত হোৱা
মই নিজে কৰিছো আদেশ ।
নালাগে দুনাই আৰু কৰিব সমৰ ।
লক্ষ্মণ—দাদা !
বুজিছো সকলো মই ।
ৰাঘৱৰ চিৰ শত্ৰু দুৰ্দান্ত ৰাক্ষসে এই
পুনৰায় ৰাঘৱক কৰিছে ছলনা ।
মায়া কৰি হৰিলে জানকী
মায়াৰে আবৰি
ৰাক্ষসৰ জন্মভূমি সুবৰ্ণ লঙ্কাক
বিচাৰিছে কৰিব উদ্ধাৰ ।
ৰাঘৱ !
তুৰন্তে বিদূৰ কৰা এই ৰাক্ষসক ।
ৰাম—লক্ষ্মণ ! লক্ষ্মণ !
বিভীষণ ৰাঘৱৰ পৰম বান্ধৱ ।
নকৰিবি তিৰস্কাৰ আৰু
অতিকৈ আপোন মোৰ মিত্ৰ বিভীষণ
লক্ষ্মণ—নুবুজো কিদৰে
ত্ৰিজগত পূজ্য এই শ্ৰীৰামৰ সতে
সৃষ্টিৰ কলঙ্ক এই
অনাৰ্য ৰাক্ষসে আজি কৰেহি মিত্ৰতা
নহয় নহয় দাদা
দিয়া এই দাসক আদেশ
বধ কৰি দুৰাত্মা ৰাক্ষস
শান্ত কৰো ৰাঘৱৰ অশান্ত হৃদয়
ৰাম—লক্ষ্মণ ! লক্ষ্মণ !
বিভীষণ ৰঘুমণি !
লক্ষ্মণক নকৰা বাৰণ ।
দিয়া --দিয়া হেৰা ঠাকুৰ লক্ষ্মণ
শেষ কৰি দিয়া এই অধমৰ প্ৰাণ ।
জন্ম জন্মান্তৰে যেন কাহানি কোনেও
নলয় দুনাই আৰু ৰাক্ষস জনম ।
ৰাম—লক্ষ্মণ !
নবৰষা বাক্য বাণ আৰু ।
চোৱাচোন ৰাক্ষসৰ শিৰোমণি
ৰাঘৱৰ পৰম বান্ধৱ
লঙ্কাৰ প্ৰদীপ সেই বীৰ বিভীষণ
কিনো দৰে বিষাদে মলিন ।
লক্ষ্মণ—দাদা ! দাদা !
ৰাম—স্থিৰ হ ভাই ।
মিত্ৰবৰ !
নধৰিবা দোষ লক্ষ্মণৰ
নিচেই অজলা সি নুবুজে একোকে
ক্ষমা কৰা লক্ষ্মণক মোৰ ।
বিভীষণ—প্ৰভু !
অধম ৰাক্ষস মই
তিৰস্কাৰ - পুৰস্কাৰ মোৰ ।
কিন্তু দেৱ ! নকৰা পলম
শুনোৱা আদেশ তোমাৰ

হব লাগে জানকীৰ উদ্ধাৰ তুৰন্তে।

ৰাম –সেই বাক্য পালিব ৰাঘৱে
শুনা ভাই লক্ষ্মণ ! শুনা বীৰ সুগ্ৰীৱ সুজন !
তুৰন্তে প্ৰবেশ কৰা লঙ্কাৰ ৰণ প্ৰাঙ্গণত
হব লাগে ৰক্ষৰ নিধন
হব লাগে জানকী উদ্ধাৰ ।

লক্ষ্মণ (পদধূলি লৈ)
ৰাঘৱৰ পদধূলি
অভেদ্য কৱচ পিন্ধি
ওলাল লক্ষ্মণ আজি ৰণৰ কাৰণে
বীৰবৰ ওলোৱা তুমিও
হ'ব লাগে যুদ্ধ যাত্ৰা তুৰন্তে আমাৰ ।
ৰঘুমণি ! ওলাল লক্ষ্মণ
ৰাক্ষসৰ বুকু ফালি
উদ্ধাৰি আনিম আজি দেৱী জানকীক ।

(প্ৰস্থান)

সুগ্ৰীৱ—(আঠুকাঢ়ি)
কৰা প্ৰভু আশীৰ্বাদ
নিপিচলো যেন মই কৰ্তব্যৰ পৰা ।
অকৃতজ্ঞ নহয় সুগ্ৰীৱ
শূন্য আজি ৰাঘৱৰ মানস মন্দিৰ
জানকী প্ৰতিমা আনি কৰিম প্ৰতিষ্ঠা ।

(প্ৰস্থান)

ৰাম—মিত্ৰবৰ !

বিভীষণ—প্ৰভু !

ৰাম—চোৱা সৌৱা—জীৱন্ত যুঁজত
জাপ দিলে সুগ্ৰীৱ লক্ষ্মণে ।
ৰাঘৱৰ বিশ্ৰামৰ নাই প্ৰয়োজন ।
বলা মিত্ৰবৰ -
আগবাঢ়ি গই দুয়ো
সমৰৰ গতি বিধি কৰো নিৰীক্ষণ ।

বিভীষণ– বলা প্ৰভু । (দুয়োৱে প্ৰস্থান)

৪ৰ্থ দৃশ্য

ৰণক্ষেত্ৰ

(লক্ষ্মণৰ বেগে প্ৰবেশ)

লক্ষ্মণ– ক'ত ?
ক'ত সেই মেঘনাদ ৰক্ষ সেনাপতি ।
বিচাৰিলো চতুৰ্দিশে দুৰাত্মাক মই
তথাপি নেপালো সন্ধান ।

(ওপৰৰ পৰা শৰ পৰে)

সেইয়া সেইয়া
মেঘৰ আঁৰত থাকি
পলৱীয়া ভীৰু মেঘনাদে
কৰে আজি শৰ বৰিষণ ।
দেৱৰাজ জয়ী হই
পৰাজিত কৰি দেৱতাক
ৰাক্ষসৰ বাঢ়ে অহঙ্কাৰ । (আকৌ শৰ পৰে)
মেঘনাদ ! ৰাক্ষসৰ সেনাপতি হই
এনেহেন অন্যায় সমৰ
কিনো দৰে কৰ সমৰ্থন ?
ক্ষন্তেক অপেক্ষা কৰ
শ্ৰীৰামৰ সেৱক লক্ষ্মণে
দিব আজি যোগ্য পুৰস্কাৰ ।

(ওপৰলৈ শৰ নিক্ষেপ কৰে ।)
(সুগ্ৰীৱৰ প্ৰবেশ)

সুগ্ৰীৱ—লক্ষ্মণ ! লক্ষ্মণ !

লক্ষ্মণ—চোৱা, চোৱা বীৰবৰ !
আঁৰে আৰে মেঘত লুকাই
মেঘনাদে কৰিছে সমৰ ।

সুগ্ৰীৱ—আচৰিত ৰাক্ষসৰ ৰণৰ কৌশল
বুজিছো কি মায়াৰ বলেৰে
ত্ৰিভুবন জয়ী আজি ৰজা লঙ্কেশ্বৰ ।

লক্ষ্মণ—সেই বুলি বীৰবৰ !
নাপাব ৰাক্ষসে

লক্ষ্মণৰ পৰা আজি কদাপি উদ্ধাৰ
শেষ কৰি মায়াবী ৰাক্ষস
শেষ কৰি নৰকৰ কীট
মঙ্গল সাধিম জগতৰ ।
(ভিতৰত—"ৰক্ষা কৰা, ৰঘুনাথ। ৰক্ষা কৰা।")
সুগ্ৰীৱ —সেইয়া—সেইয়া লক্ষ্মণ
দেখি এনে আচৰিত ৰণৰ কৌশল
সকলোৱে হৈছে চঞ্চল ।
বীৰবৰ ! শীঘ্ৰে তাৰ কৰা প্ৰতিকাৰ ।
লক্ষ্মণ —নকৰিবা চিন্তা তাৰ বাবে
প্ৰতিকাৰ কৰিব লক্ষ্মণে ।
থাকা তুমি ইয়াতেই
অৱৰুদ্ধ কৰা এই পথ
আৰোহি বিমান সৌ মেঘৰ আঁৰত
আছে তাতে ভীৰু মেঘনাদ
পাৰামানে কৰা তুমি শৰ বৰিষণ ।
আৰু মই নিজে গই সৈন্যসকলক
বুজাম ৰণৰ কৌশল ।
সুগ্ৰীৱ- আখৰে আখৰে মই পালিম আদেশ ।
যোৱা তুমি, ললো মই তুলি ধনুশৰ ।
লক্ষ্মণ -বীৰবৰ !
ভালদৰে থাকিবা দ্বাৰত
আজিৰ ৰণত—
ৰাক্ষসৰ নহব উদ্ধাৰ ।
(সুগ্ৰীৱে শৰ জোৰে । ওপৰৰ পৰা জাউৰিয়ে জাউৰিয়ে শৰ আহি পৰে।)
সুগ্ৰীৱ—ই কি ? ই কি ?
ৰাক্ষসৰ শৰে
জৰ্জ্জৰিত কৰে আজি সুগ্ৰীৱৰ প্ৰাণ ।
ৰাম ! ৰাম !
মায়াবী ৰাক্ষসে আজি মায়াৰ বলেৰে
সুগ্ৰীৱক কৰিছে চঞ্চল ।
ক'ত তুমি ৰাম নাৰায়ণ
ৰক্ষা কৰা কিঙ্কৰক আজি ।

(আকাশ আন্ধাৰ হৈ পৰে । বিজুলী ভেবেকণি মাৰিবলৈ ধৰে ।)
শৰাচ্ছন্ন গোটেই আকাশ
প্ৰলয়ৰ ঘনঘোৰে ঢাকিলে ধৰণী
চতুৰ্দিশে উঠে হাহাকাৰ ।
ক'ত ৰাম, ক'ত সেই ঠাকুৰ লক্ষ্মণ
ৰক্ষা কৰা —ৰক্ষা কৰা কোন ক'ত আছা ।
(আকৌ জাউৰিয়ে জাউৰিয়ে শৰ পৰে।)
ৰাম ! ৰাম !
নোৱাৰো স্থিৰেৰে ৰ'ব
জৰ্জৰিত হ'ল কলেবৰ
ধাৰাষাৰে বহিছে ৰুধিৰ ।
ৰাম ! ৰাম !
ক্ষমা কৰা দাসক তোমাৰ
পাহৰিলে কৰ্তব্য সুগ্ৰীৱে । (প্ৰস্থান)
(প্ৰবল বেগে বতাহ বলৈ ধৰে। মেঘে মেঘে খুন্দা খাই ভীষণ শব্দ হবলৈ ধৰে। আকাশ অন্ধকাৰ হয়। এটি ভীষণ শ শুনা যায়। সেই দুযোগ আৰু অন্ধকাৰ মাজত লক্ষ্মণৰ মাত শুনা যায়।)

লক্ষ্মণ —(নেপথ্যত) বীৰবৰ সুগ্ৰীৱ সুজন !
মেঘৰ আঁৰৰ পৰা
মেঘনাদ পৰিছে বাগৰি ।
ভংগ হ'ল ৰাক্ষসৰ মহা অহঙ্কাৰ ।
সাৱধানে ৰাখিবা দুৱাৰ
নোৱাৰে পলাব যাতে ৰাক্ষস কদাপি ।
(প্ৰকৃতিয়ে অলপ শান্ত মূৰ্তি ধৰিলে। ৰঙ্গমঞ্চ অলপ পোহৰ হ'ল । ভজ আকাশী ৰথৰ মাজত মেঘনাদ। ক্ষত বিক্ষত দেহ। আহত প্ৰায় অৱস্থা। এটি এটিকৈ ভঙা খণ্ডবোৰ আঁতৰাই মেঘনাদ উঠে ।)
ইন্দ্ৰজিৎ—ৰাক্ষসসকল !
নাই পলাল সকলো
ছত্ৰভঙ্গ দিলে সকলোৱে ।

ধিক্, শতধিক তইঁতক
জন্ম লভি ৰাক্ষস কুলত
নোৱাৰিলি ৰাক্ষসৰ ৰাখিব সন্মান ।
হব পাৰে মেঘদ্যোত আজি মেঘনাদ
সেই বুলি পৰাজয় নকৰে স্বীকাৰ ।
(ভিতৰত —"জয় শ্ৰীৰামচন্দ্ৰৰ জয়।")
সেইয়া —সেইয়া
আকাশে-বতাহে
ৰাঘৱৰ জয়গান উঠিছে উথলি ।
নহয় —নহয়
ইন্দ্ৰজিৎ এতিয়াও জীৱিত ধৰাত
ক্ষন্তেক অপেক্ষা কৰ
মেঘনাদে লব প্ৰতিশোধ । (বেগে প্ৰস্থান)
(লক্ষ্মণৰ বেগে প্ৰৱেশ)

লক্ষ্মণ ক'ত ? ক'ত সেই সুগ্ৰীৱ সুজন ?
এই পথে পৰিছিল দুৰ্হকি ৰাক্ষস
ক'ত সেই ভীৰু মেঘনাদ ?
সৌৱা সৌৱা
ৰাৱণৰ অহঙ্কাৰ ক্ষুদ্ৰ ব্যোমযান
ভাগি পৰি ধৰাৰ বক্ষত
ৰাক্ষসৰ বীৰত্বৰ দিছে পৰিচয় ।
(সগ্ৰীৱৰ প্ৰৱেশ)

সুগ্ৰীৱ—লক্ষ্মণ ! লক্ষ্মণ !

লক্ষ্মণ —বন্ধুবৰ !
পথ তুমি এৰিলা কিহেতু ?
নিস্কণ্টক দেখি পথ পলাল ক'ৰবাত
সৃষ্টিৰ কলঙ্ক সেই ভীৰু মেঘনাদ
বলা, কৰো তাৰ পথ অণ্বেষণ ।
(দুয়োৰে প্ৰস্থান)

পট পৰিৱৰ্তন

ৰণক্ষেত্ৰৰ একাংশ

(মেঘনাদৰ প্ৰৱেশ)

মেঘনাদ—ক'ত সেই ভিক্ষাৰী ৰাঘৱ ?
ক'ত সেই দুৰ্মতি লক্ষ্মণ ?
নিপতিত দেখি মই আকাশৰ পৰা
ভাবিলে লক্ষ্মণে আজি ৰাঘৱৰ জয় ।
ভ্ৰম—ভ্ৰম হেৰ নৰ ও বানৰ
তইঁতৰ ক্ষুদ্ৰ শকতিৰে
দেৱৰাজ জয়ী এই লঙ্কাৰ সন্তান
ভাবিছনে কৰিব সংহাৰ ?
(ভিতৰত—"জয় শ্ৰীৰামচন্দ্ৰৰ জয়।")
সেইয়া —সেইয়া
ৰাঘৱৰ জয়ধ্বনি কৰি
পৃথিবীৰ নৰ ও বানৰে
ৰাক্ষসক কৰে উপহাস
আকাশত হৰ্ষধ্বনি কৰে দেৱতাই ।
ক্ষন্তেক অপেক্ষা কৰ
সকলোকে দিম পুৰস্কাৰ ।
নাগপাশ এৰিলো ইয়াৰ
ধ্বংস হব শ্ৰীৰাম লক্ষ্মণ
ধ্বংস হব মিত্ৰ শক্তি যত ৰাঘৱৰ ।
(নাগপাশ এৰে। লগে লগে ভিতৰত "ৰক্ষা কৰা" "ৰাম ! ৰাম !" চিঞৰ শুনা যায় ।)
হাঃ হাঃ হাঃ
মেঘনাদে এনেদৰে লয় প্ৰতিশোধ ।
(প্ৰস্থান)

পট পৰিৱৰ্তন

ৰণক্ষেত্ৰৰ আন এটি অংশ

(হাতত নাগপাশ মেৰ খোৱা—বিষে জ্বৰে জৰ্জৰিত প্ৰায় লক্ষ্মণৰ ধীৰে প্ৰৱেশ ।)

লক্ষ্মণ —ৰঘুমণি !
লক্ষ্মণৰ দেৱতা প্ৰাণৰ
ক'ত তুমি ? চোৱাহি এবাৰ
বিষে জ্বৰে জৰ্জৰিত
সেৱক লক্ষ্মণ এই
ৰাক্ষসৰ অন্যায় যুঁজত । (আঁঠুকাঢ়ি পৰে)
ৰঘুমণি !

মৃত্যু ? মৃত্যুৰ নামত
লক্ষ্মণ নহয় কাতৰ।
কিন্তু বৰ দুখ ৰল হৃদয়ত
নোৱাৰিলো উদ্ধাৰিব সীতাক তোমাৰ।
নাই- নাই
নোৱাৰো দুনাই আৰু থিৰেৰে থাকিব।
যতে আছা ৰঘুমণি কৰা আশীৰ্বাদ
শেষ হ'ল অধম লক্ষ্মণ
ৰাম—ৰাম –ৰাম। (ঢলি পৰে)
(ৰামৰ প্ৰৱেশ। ৰামৰ হাততো নাগপাশ)

ৰাম--দুৰাত্মা ৰাক্ষসে আজি ঘটালে অপায়।
সুদূৰত সুগ্ৰীৱক মূৰ্ছিত দেখিলো
কিন্তু ক'ত সেই প্ৰাণৰ লক্ষ্মণ ?

লক্ষ্মণ –ৰাম– ৰাম –ৰাম। (মঢ়।)

ৰাম লক্ষ্মণ! লক্ষ্মণ!
ই কি ভাই ? ই কি দৃশ্য দেখিছো আগত ?
লক্ষ্মণ! লক্ষ্মণ!
নামাত কেলেই তই
দাদা বুলি মাত এটিবাৰ।
ভাই মোৰ জীউ মোৰ প্ৰাণৰ লক্ষ্মণ!
বনবাসী ৰাঘৱৰ প্ৰতি
সমস্ত জগতে আজি কৰে অভিমান
সেই দেখি অভিমান তোৰো।
নহয়—নহয় লক্ষ্মণ
বনবাসী ৰাঘৱে দুনাই
ৰাজ্য সুখ নকৰে কামনা
আৰু যুদ্ধ নকৰে আহবান
বন্ধ হ'ক এই অভিযান
থাকক জানকী মোৰ লঙ্কাৰ বুকুতে
কিন্তু তই আহ উলটি পুনৰ।
লক্ষ্মণ! লক্ষ্মণ! (গাত ঢলি পৰে)
(বিভীষণৰ প্ৰৱেশ)

বিভীষণ—প্ৰভু!
ই কি দৃশ্য দেখিছো চৌদিশে ?
মৰি পৰি আছে যত ৰাঘৱৰ সেনা
প্ৰাণহীন চেতনা বিহীন।
মূৰ্ছিত লক্ষ্মণ—লুণ্ঠিত ৰাঘৱ।
ই কি প্ৰভু পৰীক্ষা তোমাৰ ?

ৰাম -কোন ? মিত্ৰবৰ ?
নাগপাশ এৰিলে ৰাক্ষসে
মূৰ্ছিত সকলো; হিতাহিত জ্ঞান শূন্য মই।
বিপদৰ বন্ধু তুমি মোৰ,
কোৱা বীৰবৰ!
কি কৰিলে সৌমিত্ৰিয়ে পাব পৰিত্ৰাণ ?

বিভীষণ প্ৰভু!
অন্তৰ্যামী তুমি ভগৱান
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু
তুমি নিজে ৰাম নাৰায়ণ।
জানা তুমি ভালদৰে কৰ্তব্য নিজৰ
জানা তুমি জন্ম মৃত্যু সকলো ৰহস্য।
নকৰিবা ছলনা দাসক
অপৰাধী নকৰিবা মোক।

ৰাম- বন্ধু বিভীষণ।
লক্ষ্মণক হেৰুৱাই আজি
ৰামচন্দ্ৰে হেৰুৱালে সন্ধানৰ পথ
চতুৰ্দিশে দেখো অন্ধকাৰ।
কোৱা বন্ধু!
কিবা দৰে লক্ষ্মণৰ হব পৰিত্ৰাণ ?

বিভীষণ নাগপাশে বান্ধিছে যেতিয়া
লোৱা প্ৰভু গৰুড়ৰ নাম
গৰুড়ৰ নাম লৰে
মুক্ত হব নাগপাশ
ধ্বংস হব ৰাক্ষসৰ মহা অহঙ্কাৰ।

ৰাম—বন্ধুবৰ!
অন্ধ আজি ৰামচন্দ্ৰ
তুমি মাথোঁ অন্ধৰ সহায়।
যিবা পথ দিছা দেখুৱাই

সেই পথে ৰামচন্দ্ৰ যাব আগবাঢ়ি ।
গৰুড় ! গৰুড় !

(মৃদু বাদ্য বাজিবলৈ ধৰে। ৰঙমঞ্চৰ ওপৰেদি ৰামধেনুৰ সাতোটি ৰং এটি এটিকৈ বাগৰি যাবলৈ ধৰে । ৰাম লক্ষ্মণৰ হাতৰ পৰা নাগপাশ মুকলি হয় । ৰামৰ মুখত হাঁহি বিৰিঙি উঠে। বহুকাল টোপনি যোৱাৰ পিছত সাৰ পাই উঠাৰ দৰে লক্ষ্মণ উঠে। আনন্দত আকাশ পাতাল মুখৰিত হয়।)

লক্ষ্মণ—দাদা ! দাদা !

(সুগ্ৰীৱৰ প্ৰৱেশ)

সুগ্ৰীৱ—প্ৰভু ! প্ৰভু !

(ৰামৰ কাষত আঁঠু লয়)

ৰাম—লক্ষ্মণ ! বন্ধুবৰ সুগ্ৰীৱ সুজন !
দুজনক পাইছো দুনাই
ধন্য ৰাম, ধন্য হ'ল আজি তোৰ মানৱী জনম ।

(দুয়োকে সাবটি লয়)

আঁৰ-কাপোৰ

৪থ অঙ্ক

১ম দৃশ্য

লঙ্কাৰ প্ৰাসাদৰ সন্মুখৰ উদ্যান

(চিন্তান্বিত হৈ ৰাৱণ সোমাই আহে, পিছে পিছে ইন্দ্ৰজিৎ।)

ইন্দ্ৰজিৎ—পিতা !
নাজানো কি মায়াৰ বলেৰে
বাৰে বাৰে পৰাজিত হই—
ভিক্ষাৰী ৰাঘৱে আজি
জননী লঙ্কাৰ মোৰ সাধে অপকাৰ ।
সিদিনা মাথোন নিজে এৰি নাগপাশ
ধৰাশায়ী কৰিলো ৰামক
মৃত্যুদণ্ড দিলো লক্ষ্মণক
কিন্তু নাজানো কিৰূপে
ৰাক্ষসৰ মহাশত্ৰু শ্ৰীৰাম লক্ষ্মণ
মুক্ত হ'ল নাগপাশ বান্ধোনৰ পৰা

ৰাৱণ—ইন্দ্ৰজিৎ !
লঙ্কাৰ বুকুতে
শেষ হব মায়া ৰাঘৱৰ ।
সজোৱা তুৰঙ্গে ৰথ—
শুনোৱা আদেশ মোৰ ৰক্ষ বাহিনীক
লঙ্কাৰ অৰাতি সেই ৰাঘৱৰে আজি
লঙ্কেশ্বৰে কৰিব সমৰ ।

ইন্দ্ৰজিৎ - নহয় নহয় পিতা
ইন্দ্ৰজিৎ থাকোতে জীয়াই
কেতিয়াও সেই কাৰ্য নহব সম্ভৱ ।

ৰাৱণ—ইন্দ্ৰজিৎ ।
বিশ্বৰ দলিত এই ৰাক্ষস ৰাৱণে
দেখুৱাব ৰাঘৱক নিজ পৰাক্ৰম ।
হব পাৰে ৰাক্ষস ৰাৱণ
হব পাৰে অনাচাৰী এই দশানন
সেই বুলি লঙ্কেশ্বৰ নহয় দুৰ্বল।

ইন্দ্ৰজিৎ—বুজিছো সকলো পিতা
ভুগিছা কি কঠোৰ যন্ত্ৰণা
অপৰাধী দাসৰ কাৰণে ।
কিন্তু পিতা—
দুদিনৰ বাবে মোক দিয়া অৱসৰ
লঙ্কাৰ গুপ্ত মন্দিৰত
পূজা কৰি দেৱ হুতাশন
দেৱতাৰ পুণ্য দান
আগ্নেয়াস্ত্ৰ কৰোগৈ নিৰ্মাণ !
তাৰ পিছে দাবানল জ্বলিব ভীষণ
ধ্বংস হব ভিক্ষাৰী ৰাঘৱ

ধ্বংস হব অৰাতি লঙ্কাৰ ।

ৰাৱণ—ইন্দ্ৰজিৎ—

লঙ্কেশ্বৰে কৰিছে আদেশ

তোৰ এই অগ্নি পূজা হ'ক আৰম্ভণ ।

হব লাগে অৰাতি নিধন

হব লাগে বিশ্বজয়ী ৰাক্ষস ৰাৱণ

যা পুত্ৰ ! এই পূজা কৰ আয়োজন ।

ইন্দ্ৰজিৎ—পিতা ! আহো তেন্তে মই-

ৰাৱণ যা পুত্ৰ ! যা শীঘ্ৰে- - -

অগ্নি পূজা কৰ আয়োজন ।

(প্ৰণাম কৰি ইন্দ্ৰজিৎৰ প্ৰস্থান)

নুবুজে জগতে আজি

কিনো মন্ত্ৰ বুকুত সাবটি

ৰাক্ষস ৰাৱণে—

কৰে এই ৰণ আয়োজন ।

জগতৰ মহা ভক্তগণ

শুনা এই ৰাক্ষসৰ বাণী

কৰা যদি মুক্তিৰ কামনা

শত্ৰুৰূপে ভাবা ভগৱান

তেতিয়াহে দেৱতাৰ পাবা দৰ্শন ।

দ্বাৰৰক্ষী !

(দ্বাৰৰক্ষী আহি প্ৰণাম কৰি থিয় হয়)

(দ্বাৰৰক্ষীৰ প্ৰস্থান)

মাল্যৱন্ত - (ভিতৰত কঁপা মাতেৰে) লঙ্কেশ্বৰ ! লঙ্কেশ্বৰ

ৰাৱণ কোন সেয়া

দুৱাৰত কৰে আৰ্তনাদ ?

দ্বাৰৰক্ষী—(ভিতৰৰ পৰা) মাতামহ মাল্যৱন্ত,

পাৰ খোজে ৰাজ দৰশন ।

ৰাৱণ -লঙ্কেশ্বৰে দিছে অনুমতি ।

মাতামহ মাল্যৱন্ত আহিছে কিহেতু ?

(মাল্যৱন্তৰ প্ৰৱেশ)

মাল্যৱন্ত -লঙ্কেশ্বৰ ! লঙ্কেশ্বৰ !

ৰাৱণ—মাতামহ !

কোৱা বাৰু কিনো সমাচাৰ ?

ৰাৱণৰ মাতামহ তুমি

পূজনীয় সমগ্ৰ লঙ্কাৰ

কিয় আজি ইমান চঞ্চল ?

মাল্যৱন্ত—লঙ্কেশ্বৰ !

লঙ্কাৰ সন্তান মই

বৰ ভাল পাওঁ মোৰ জননী লঙ্কাক।

কিন্তু লঙ্কেশ্বৰ—

জননী বিপন্না আজি

ম্ৰিয়মান লঙ্কাৰ সন্তান

সেই হেতু মাল্যৱন্ত—ইমান বিহ্বল

ৰাৱণ—কোনে কয় বিপন্না জননী ?

বেৰি আছে লঙ্কাপুৰী ৰক্ষ বাহিনীয়ে

চতুৰ্দিকে অলঙ্ঘ্য দেৱাল

পোৱাল বন্ধোৱা পাৰ

সমুদ্ৰই নিতে যাৰ পখালে চৰণ

যি জনাৰ বুকুত সদায়

ইন্দ্ৰ আদি দেৱগণে বেদমন্ত্ৰ গাই

সেই লঙ্কা—ৰক্ষৰ নিবাস

ৰাৱণৰ স্বৰ্ণ লঙ্কাপুৰী

কোনে কয় বিপন্না তোমাক ?

মাল্যৱন্ত—লঙ্কাৰ দুৰ্ভাগ্য হেতু

বুজিও নুবুজা আজি দেখিও নেদেখা

লঙ্কাৰ অলঙ্ঘ্য বিঘিনি ।

লঙ্কেশ্বৰ বিজ্ঞ তুমি—

এতিয়াও কৰো অনুৰোধ

বন্ধ কৰা এই আয়োজন ।

ৰাৱণ—মাতামহ !

নকৰিবা তেনে অনুৰোধ ।

ত্ৰিভুবন জয়ী এই ৰজা লঙ্কেশ্বৰে

বনবাসী ৰাঘৱৰে কৰিলে মিত্ৰতা

উচ্চ শিৰ তুচ্ছ হব মোৰ ।

মাতামহ !

ৰাৱণক নকৰা বাৰণ

মৃত্যু ভয় নাই ৰাৱণৰ

জয় কিম্বা পৰাজয় লাগে ৰাৱণক।

মাল্যৱন্ত—লঙ্কেশ্বৰ !

হব পাৰে ভিক্ষাৰী ৰাঘৱ
হব পাৰে বনবাসী ৰাম
কিন্তু লঙ্কেশ্বৰ
নহে ৰাম সামান্য মানৱ।
বিষ্ণু অংশে জন্ম সেই শ্ৰীৰাম লক্ষ্মণ
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু।
নকৰা অধৰ্ম আৰু
বন্দিনী সীতাক পুনু ৰাঘৱক কৰা সমৰ্পণ।

ৰাৱণ —নুশুনাবা ৰাক্ষসক শাস্ত্ৰৰ বচন
ধৰ্মাধৰ্ম যাব ৰসাতলে।
সুসভ্য আৰ্যই আজি কৰে অহঙ্কাৰ
অনাৰ্যৰ বেদ মন্ত্ৰ নাই অধিকাৰ।
তেনেহলে অনাৰ্য ৰাৱণে
কিনো মন্ত্ৰ কৰি উচ্চাৰণ
দেৱতাৰ পূজিব চৰণ ?
সেইহেতু মাতামহ—
ৰাৱণৰ এই আয়োজন
নাৰী নিৰ্যাতন নাৰী প্ৰপীড়ন
মহা ধৰ্ম আজি ৰাক্ষসৰ।

মাল্যৱন্ত—আৰ্যৰ দোষৰ বাবে
অপৰাধী নহয় ৰাঘৱ।
সমৰ্পিলে ৰামৰ জানকী
তুষ্ট হব ৰাম নাৰায়ণ
আশীৰ্বাদ কৰিব তোমাক।

ৰাৱণ —স্তব্ধ হোৱা মাতামহ !
সেই বাক্য পুনৰায় কৰি উচ্চাৰণ
নকৰিবা সৃষ্টি এক মহা প্ৰলয়ৰ।
আশীৰ্বাদ ! আশীৰ্বাদ !
সুৰাসুৰ নাগ যক্ষ বিজয়ী ৰাৱণে
স-সাগৰা পৃথিবীৰ ৰজা লঙ্কেশ্বৰে
নিজে আজি জগতক কৰে আশীৰ্বাদ।
জগত বৰেণ্য সেই লঙ্কাৰ ৰাৱণে
বনবাসী ৰাঘৱৰ
আশীৰ্বাদ কৰিব গ্ৰহণ ?

মাল্যৱন্ত—নহয় অধৰ্ম ৰজা
পূজা যদি ৰাম নাৰায়ণ।

ৰাৱণ —সঁচাকৈয়ে ৰাম যদি হয় নাৰায়ণ
ৰক্ষৰ গৌৰৱ আজি—লঙ্কাৰ সৌভাগ্য
নাৰায়ণ পত্নী সেই দেৱী জানকীয়ে
নিজে আজি ৰাৱণৰ কৰিব বন্দনা
লঙ্কাৰ পূজিব চৰণ।
যোৱা—যোৱা মাতামহ
লঙ্কাৰ সন্তান হই
ৰাক্ষসৰ মহা উৎসৱত
নকৰিবা ইদৰে বিঘিনি।

মাল্যৱন্ত —লঙ্কাৰ পাপ প্ৰাসাদত
মাল্যৱন্ত নাথাকে দুনাই
নিজে আজি যাব সি আঁতৰি
কিন্তু দুৰ্ভগীয়া তুমি লঙ্কেশ্বৰ
নিচিনিলা তুমি ৰাঘৱক
নুবুজিলা ৰাম নাৰায়ণ।
তোমাৰেই পাপৰ কাৰণে
পাৰ হ'ই অলঙ্ঘ্য পৰ্বত
সাগৰত সেতু বান্ধি শ্ৰীৰাম লক্ষ্মণে
প্ৰৱেশিছে লঙ্কাৰ দ্বাৰত।
তাৰেই কাৰণে—
লঙ্কাৰ বুকুত উঠে ৰাক্ষসৰ ঘোৰ আৰ্তনাদ
ঘৰে ঘৰে ৰমণীৰ করুণ বিননি
শেষ হ'ল স্বৰ্ণ লঙ্কাপুৰী
শেষ হ'ল ৰক্ষৰ গৌৰৱ।

ৰাৱণ—ৰক্ষৰ নিধন—
ৰাৱণৰ মহাযজ্ঞ হল আৰম্ভণ
ৰাক্ষসৰ আৰ্তনাদ মৰণ কালৰ
সেয়ে হব শঙ্খ ঘণ্টা বিজয় দুন্দুভি

মঙ্গল উৰুলি ধ্বনি
ৰমণীৰ কঙ্কণ বিননি
আৰু সেই অনাহুত যজ্ঞৰ দেৱতা
বনবাসী ভিক্ষাৰী ৰামক
তিৰস্কাৰ বেদমন্ত্ৰ কৰি উচ্চাৰণ
হৃদয়ৰ ৰক্তজবা লঙ্কেশ্বৰে দিব উপহাৰ।
(উত্তেজিত হৈ প্ৰস্থান)

মাল্যৱন্ত—দয়াময় ৰাম
নিচিনিলে ৰাৱণে তোমাক।
প্ৰভু! তুমি চন্দ্ৰ, তুমি সূৰ্য, তুমি দয়াময়
তুমি মোক্ষ, তুমি কাম্য, এই অধমৰ
দূৰণিৰ পৰা আজি
ভক্তিভৰে কৰিছো প্ৰণাম
মুক্তি দিয়া ৰক্ষ জনমৰ
মুক্তি দিয়া জননী লঙ্কাক। (প্ৰস্থান)
(লাহে লাহে ৰাৱণ সোমাই আহিল। পিছে পিছে কালনেমীৰ প্ৰৱেশ)

ৰাৱণ মাতুল!
মাতিছিলো ময়েই তোমাক।

কালনেমী—অকস্মাৎ এই নিঃকিনলৈ মনত পৰাৰ
কাৰণ কি লঙ্কেশ্বৰ?

ৰাৱণ ৰাৱণৰ এটি অনুৰোধ
আছে আজি তোমাৰ কাষত।
কোৱা মাতুল—
ৰাখিবানে অনুৰোধ মোৰ?

কালনেমী—(স্বঃ) এইবাৰ ৰহালে যেন পাইছো।
অতি ভক্তি চোৰৰ লক্ষণ। (প্ৰকাশ্যে) ভাগিন
লঙ্কেশ্বৰ! এনেদৰে ঘূৰাই-পকাই কোৱাৰনো
আৱশ্যক কি? তপ কৰেকৈ পেলোৱা।
আৰু দেখোন তোমাৰ অনুৰোধ নুবুলি আদেশ
বুলিলেই হয়। তেতিয়া দুয়োৰে ধৰ্ম ৰক্ষা
পৰে।

ৰাৱণ—মাতুল!
ইন্দ্ৰজিৎ বীৰ পুত্ৰ মোৰ
দুদিনৰ বাবে আজি লৈছে অৱসৰ।
সেই হেতু মাতিলো তোমাক
হব লাগে ৰাক্ষসৰ সেনাপতি তুমি।

কালনেমী—(নিজে নিজে) উস্! য'তে বাঘৰ ভয়
ত'তে ৰাতি হয়। ভাল আপদে ধৰিলেহি।

ৰাৱণ—মাতুল নেমাতি থাকিলা কিয়?

কালনেমী—লঙ্কেশ্বৰ নেমাতি থকা নহয়। পিছে
মনতে ভাবিছো এই ৰাম লক্ষ্মণ বোলা
আপদ দুটাক কোনেও লঙ্কাৰ বাহিৰ কৰি
দিব নোৱাৰেনে? অৱশ্যে এইবাৰ
কালনেমীয়ে নিশ্চয় কিবা এটা কৰিব।
কিন্তু ভাগিন—এটা কথা।

ৰাৱণ—কি কথা মাতুল?

কালনেমী—লঙ্কাৰ সন্তান, লঙ্কেশ্বৰ ৰাৱণৰ মাতুল
কালনেমীয়ে, ৰণৰ নামত নামাৰিলেও তিনিটা
জঁাপ মাৰে। পিছে আমাৰ দৰে কেৰোণে
ধৰা সোতোৰা পৰা ৰাক্ষসৰ সেনাপতি দেখিলে
ভিক্ষাৰী ৰাম লক্ষ্মণে ভাবিব লঙ্কেশ্বৰৰ তলি
উদং, ভাণ্ডাৰ শূন্য।

ৰাৱণ—তাৰ অৰ্থ মাতুল?

কালনেমী—তাৰ অৰ্থ ৰাঘৱে ভাবিব লঙ্কাৰ বুকুত
আৰু বীৰ শেষ হৈ আহিছে। সেয়েহে এই
পকা-খুৰা হাৰ ওলোৱা কালনেমীক পঠাইছে।
সিহঁতেতো নুবুজে কালনেমীৰ শক্তি কিমান।

ৰাৱণ—যুক্তিপূৰ্ণ কথা মাতুলৰ
অৱশ্যেই সেই কাৰ্য নকৰে ৰাৱণে।
কুম্ভকৰ্ণ নিদ্ৰাত মগন—
মেঘনাদে পূজা কৰে দেৱ হুতাশন
কোৱা মাতুল—বিজ্ঞ তুমি
কাক বাৰু সেনাপতি কৰি
পঠিয়াওঁ কালিৰ ৰণত?

কালনেমী—কিয়? লঙ্কাত কিবা ৰাক্ষস শূন্য হৈছে
নে? বিভীষণৰ পুত্ৰ তৰণীসেনক ৰণলৈ

পঠিওৱা। ৰাক্ষসৰ চালুকীয়া ল'ৰাৰ বীৰত্ব
দেখি জঁটাধাৰী ৰাম লক্ষ্মণ স্তম্ভিত হব
নহয়।

ৰাৱণ—উপযুক্ত পাত্ৰকেই পাইছে ৰাৱণে।
দ্বাৰৰক্ষী! (দ্বাৰৰক্ষী আহি অভিনন্দন কৰে।)
কুমাৰ তৰণীসেন। (দ্বাৰৰক্ষী)

কালনেমী—তেন্তে লঙ্কেশ্বৰ! নিঃকিনৰ্ঃ এতিয়া
বিদায় দিয়া।

ৰাৱণ মাতুল তুষ্ট মই বুদ্ধিত তোমাৰ
নাপাহৰে লঙ্কেশ্বৰে তোমাৰ আদৰ।
মোৰা বাক—সাদৰেৰে যাচিছো বিদায়।

কালনেমী—হেঃ হেঃ হেঃ। কালনেমীয়ে কেতিয়াবা
পাহৰিব পৰা কাম কৰে জানো? হেঃ হেঃ।
তেন্তে এতিয়া বিদায় হে লঙ্কেশ্বৰ। (প্ৰস্থান)

ৰাৱণ নাৰায়ণ!
ৰমণীৰ চকুৰ পানীৰে
বালকৰ হিয়াৰ তেজেৰে
পূজিব তোমাক আজি ৰাক্ষস ৰাৱণে।
চাই লম ভালদৰে আজি
লঙ্কেশ্বৰে কৰা এই মহান—যজ্ঞত
হয় নে নহয় তুষ্ট ভিক্ষাৰী ৰাঘৱ।

দ্বাৰৰক্ষী কুমাৰ তৰণীসেন।

(তৰণীৰ সৰ্গৰ্ব প্ৰৱেশ)

তৰণী—লঙ্কেশ্বৰ! লঙ্কেশ্বৰ
ঢালি দিছো চৰণত
তৰণীৰ ভক্তিৰ শৰাই।

ৰাৱণ- তৰণী! তৰণী!
সৰমাৰ হৃদয়ৰ ধন -কুলৰ প্ৰদীপ
ৰাৱণৰ জয়ৰ তিলক
লঙ্কেশ্বৰে কৰে আশীৰ্বাদ
ধৰ্মজয়ী হ বাছা তই।

তৰণী লঙ্কেশ্বৰ!
নিশ্চিন্তে আছিলো মই
কাননৰ দ্বাৰৰক্ষী ৰূপে।
দূতে গই জনালে বাতৰি
লঙ্কেশ্বৰে কৰিছে আদেশ।
কোৱা—কোৱা লঙ্কেশ্বৰ
কিবা আজ্ঞা তৰণীৰ প্ৰতি?

ৰাৱণ— ৰাৱণৰ এটি অনুৰোধ
তই আজি ৰাখিব লাগিব।

তৰণী - অনুৰোধ? লঙ্কেশ্বৰ!
নকৰিবা অপৰাধী মোক।
অনুৰোধ নহয় ৰাজন- শুনোৱা আদেশ
তোমাৰ আদেশ সেই—বেদ বাক্য দৰে
বিনা বাক্যে বিনা প্ৰতিবাদে
পালিব সদায় এই লঙ্কাৰ সন্তানে।

ৰাৱণ -তৰণী!
তোৰ দৰে মহাৰত্ন লই
ধন্য লঙ্কা—ধন্য লঙ্কেশ্বৰ।
শুন হেৰ' প্ৰাণৰ তৰণী
কালিৰ ৰণত
হব লাগে ৰাক্ষসৰ সেনাপতি তই।

তৰণী -ৰাক্ষসৰ সেনাপতি মই?
ইমান সৌভাগ্য লই লঙ্কাৰ বুকুত
তৰণীয়ে ধৰিছে জনম?
ৰাক্ষসৰ সেনাপতি মই
লঙ্কেশ্বৰে নিজে আজি কৰিছে আদেশ।

ৰাৱণ লঙ্কেশ্বৰে নিজে আজি বৰণৰ মালা
দিছে তোৰ শিৰত পিন্ধাই।
কালি লই লঙ্কাৰ ৰণত
ৰাক্ষসৰ সেনাপতি তই।
আৰু শুন হেৰ' প্ৰাণৰ তৰণী
তোৰ এই জয়যাত্ৰা হেতু
লঙ্কেশ্বৰে নিজে ৰথ কৰিব ৰচনা।

তৰণী- সৃষ্টিৰ বুকুত থাকি
তাতোকৈ বেছি আৰু নালাগে সৌভাগ্য
লঙ্কেশ্বৰে কৰিছে বৰণ

ৰাক্ষসৰ সেনাপতি মই।
তৰণীৰ জীৱনৰ জয়যাত্ৰা হেতু
লঙ্কেশ্বৰে নিজে ৰথ কৰিব ৰচনা।
অকৃতজ্ঞ নহয় তৰণী
শিৰ পাতি ললো মই তোমাৰ আদেশ।
কালি লই লঙ্কাৰ ৰণত
ৰাঘৱৰ সন্মুখীন হই
দেখুৱাম ভিক্ষাৰী ৰামক
অনাৰ্যৰ শক্তিৰ পৰীক্ষা।
ৰাক্ষসৰ সেনাপতি মই
লঙ্কেশ্বৰ! লঙ্কেশ্বৰ! আই আই!

(বেগে প্ৰস্থান)

ৰাৱণ —কোনে কয় দুখীয়া ৰাৱণ
কোনে কয় বীৰ শূন্য স্বৰ্ণ লঙ্কাপুৰী।
ৰাৱণৰ আৰাধ্য দেৱতা!
এনেদৰে তোমাৰ ভক্তই
কৰে আজি পূজা আয়োজন
তুষ্ট হোৱা তৃপ্ত হোৱা দেৱ নাৰায়ণ।

(সেৱা কৰে)

পট পৰে

২য় দৃশ্য

কালনেমীৰ ঘৰৰ সন্মুখ

(হাঁহি হাঁহি কালনেমী সোমাই আহে)

কালনেমী —হেঃ হেঃ হেঃ। বোলো চোৰকো মোৰে পায়। বোলো হেৰা গৃহিণী।

(বক্ৰনাশাৰ প্ৰৱেশ)

বক্ৰনাশা—কি হ'ল? লঙ্কেশ্বৰেনো কিয় মাতিছিল?

কালনেমী—হেঃ হেঃ হেঃ। লঙ্কেশ্বৰ কিয় মাতিছিল? হেঃ হেঃ হেং।

বক্ৰনাশা—অ' আই দেখিছা বাক? হাঁহি হাঁহি দেখোন সেইকালে বাগৰি পৰিব!

কালনেমী হেঃ হেঃ হেঃ। তুমিও হাঁহাচোন। হেঃ হেঃ হেঃ হাঁহাচোন। মোৰে শপত হাঁহাচোন। হেঃ হেঃ হেঃ।

বক্ৰনাশা ঔ আই কি কথানো কয়। কাৰণ নোহোৱাকৈ মই এনেয়ে হাঁহিব পাৰোনে?

কালনেমী কেলেই লাগিছে কাৰণটো? তুমি মোৰ সহধৰ্মিণী হৈ মোৰ লগত নাহাঁহিলে আন কোনে হাঁহিব।

বক্ৰনাশা —সহধৰ্মিণী হলো বুলি তেওঁ যি কৰে তাকেই কৰিব লাগিব। মোৰ লগত সেইবোৰ নহব। মই ভালৰ লগত ভাল। বেয়াৰ লগত মুখে বেৰৰ মাটি একৰা বিধৰ তিৰোতা। ভালে ভালে কথাটো কি কওক। মোৰ লগত এনেদৰে চুপতি মাৰি নেথাকিব।

কালনেমী -দেখিছা এতিয়া তেৱেঁই ফেঁট তুলি উঠে যেন খোটেহে আৰু। তোমাৰ লগত আৰু নোৱাৰি দেও। শাস্ত্ৰত কৈছে —
দন্দুৰা তিৰোতা সহিতে বাস
সবংশে হইবো তাৰ বিনাশ।

বক্ৰনাশা —আপুনি কেলেই মোৰ বংশকে ধৰি আপদ চুচি থাকে। মোৰ বংশই নো আপোনাৰ কি কৰিলে? (কান্দে)

কালনেমী -হেৰা তুমি কান্দিছা? নেকান্দিবা নেকান্দিবা মোৰ শপত নেকান্দিবা। এজনীৰ চকুৰ পানীতে লঙ্কাত এইখন হৈ চৈ লাগি পৰিছে। একেলগে দুজনীৰ চকুপানী পৰিলে গোটেই লঙ্কাই বানপানীত বুৰ গৈ কিবা খপৌ জপৌখন লাগি পৰিব নহয়। নেকান্দিবা।

বক্ৰনাশা—আপুনি নো কিয় এনেদৰে মিছাকৈয়ে দোষ ধৰি থাকে? (কান্দে)

কালনেমী—হেৰা, তুমি সঁচাকৈয়ে কান্দিছা? তুমি নেকান্দিবা। তুমি কান্দিলে হলে ময়ো কান্দিম।

বক্ৰনাশা--মই কান্দিলো বুলিনো আপুনি কেলেই কান্দিব ?

কালনেমী -কিয় নেকান্দিব ? মই তোমাৰ সহধৰ্মী। মই তোমাৰ লগত নেকান্দিলে কোনে কান্দিব ? হেঃ হেঃ হেঃ।

বক্ৰনাশা --হেইয়া। কান্দো বুলি দেখোন হাঁহি-লেহে ?

কালনেমী -কেলেই নাহাঁহিম -তুমিও যে হাঁহিছা।

বক্ৰনাশা—ক'তা ? মইনো আকৌ ক'ত হাঁহিলো।

কালনেমী ইস নাই হঁহা। তোমাৰ চকু দুটাই হাঁহিছে। তোমাৰ নাকটোই হাঁহিছে। তোমাৰ চুলিকোছাই হাঁহিছে। হেঃ হেঃ।

বক্ৰনাশা--বাৰু সেইবোৰ এতিয়া এৰক।‐ কথাটি কি কওক। নহলে মই আকৌ কান্দিম।

কালনেমী নাকান্দিবা, নাকান্দিবা মোৰ সোণ। মই নিশ্চয় কম। নোহোৱা কথাও সাজি সাজি কম। লঙ্কেশ্বৰে মোক ৰাক্ষসৰ সেনা-পতি পাতিব খুজিছিল; পিছে মই ঠাইতে পুলুকা মাৰি, তৰণীসেনৰ গাত সেই ভাৰ দি সাৰি আহিলো।

বক্ৰনাশা তৰণীৰ দৰে চালুকীয়া ল'ৰা ৰাক্ষসৰ সেনাপতি হব ?

কালনেমী নহব কেলেই ? সাপৰ কি সৰু বৰ আছে। সেয়েহে তোমাক কোৱা নাছিলো। বোলো ই ৰাজনীতি। তিৰোতাৰ কথা নহয়।

বক্ৰনাশা-- ৰাজনীতি নো কি আমাকো কওকচোন ?

কালনেমী বলা। ভিতৰত বহি সকলো খৰচি মাৰি বুজাই দিওঁগৈ বলা।

বক্ৰনাশা বলক। (দুয়োৰে প্ৰস্থান)

৩য় দৃশ্য

অশোক কানন

(সীতা আৰু সৰমা)

সীতা -সৰমা !

মোৰেই দুৰ্ভাগ্য হেতু,
সোণৰ হৰিণা দেখি
নুবুজিলো ৰাক্ষসৰ মায়াৰ ছলনা।
তাৰেই কাৰণে আজি
লঙ্কাৰ বন্দিনী মই
ৰাঘৱৰ প্ৰিয় পত্নী জনক নন্দিনী।

সৰমা – দেৱী !

শুনিলে তোমাৰ এই করুণ কাহিনী
কান্দি উঠে সৰমাৰ প্ৰাণ।
কিন্তু দেৱী !
নাই আৰু চিন্তাৰ কাৰণ
তোমাৰ উদ্ধাৰ হেতু
আহিছে নিজেই তেওঁ ৰাম নাৰায়ণ
ৰাঘৱৰ পদধূলি লই
ধন্য হ'ল স্বৰ্ণ লঙ্কাপুৰী
ধন্য হ'ল ৰক্ষৰ জীৱন।

সীতা -সৰমা !

শুনিলে তোমাৰ এই
মউসনা মিঠা কথাবোৰ
পাহৰো নিজেই মই বন্দিনী জনম।
কোৱা বাৰু
যিমান সহিছা তুমি
অভাগিনী সীতাৰ কাৰণে
জনম দুখীনি এই বন্দিনী সীতাই
কিৰূপে কৰিব তাৰ ঋণ পৰিশোধ ?

সৰমা -দেৱী !

পূজাৰ বাহিৰে জানকীৰ চৰণ যুগল

নাই আৰু সৰমাৰ আন অভিলাষ।
তাৰেই কাৰণে------

(ভিতৰত তৰণীসেন—আই! আই!)
(বেগেৰে তৰণীৰ প্ৰৱেশ)

তৰণী—আই! আই!
সৰমা—পুত্ৰ মোৰ। (সাবটি ধৰে)
তৰণী—আই! আই!
সৰমা—কচোন কিবা সমাচাৰ?
তৰণী—তোমাৰ সৌভাগ্য আই
ভাগ্যৱান তৰণী তোমাৰ।
শুনা আই! লঙ্কেশ্বৰে কৰিলে আদেশ
কালি লই লঙ্কাৰ ৰণত
ৰাক্ষসৰ সেনাপতি মই।
সৰমা—ৰাক্ষসৰ সেনাপতি তই!
লঙ্কেশ্বৰে কৰিছে আদেশ?
ই কি প্ৰভু পৰীক্ষা তোমাৰ?
তৰণী!
তই মোৰ আচলৰ ধন
এৰি থই অকলাই
অভাগিনী জননীক তোৰ
যাব যদি দূৰ দূৰলই
কিহৰ আশাত বাৰু সৰমাই কটাব জীৱন?
তৰণী—আই!
বীৰৰ গৃহিণী তুমি, বীৰৰ জননী
নোশোভে কদাপি আই
এনে কথা তোমাৰ মুখত।
মিলিছে সৌভাগ্য আজি
কৰা আশীৰ্বাদ
যতনাই লওঁ মোৰ জয়ৰ নিৰ্মালি।
সৰমা—তৰণী! পুত্ৰ মোৰ।
তৰণী—আৰু সৌ সন্মুখত
তৰণীৰ জীৱনৰ আৰাধ্যা গোসানী
ভক্তি ভৰে যাচিছো প্ৰণাম
দিয়া দেবী! চেনেহ নিৰ্মালি।

(সীতাক সেৱা কৰে)

সীতা—উঠা পুত্ৰ!
আশীৰ্বাদ কৰিছে সীতাই
ধৰ্মজয়ী হোৱা জগতত।
কিন্তু নুবুজো কিদৰে সেই কঠোৰ কাৰণে
দয়া মায়া কৰি বিসৰ্জন
লঙ্কাৰ মহাৰত্ন, সৰমাৰ আচলৰ ধন
দিছে দলিয়াই সমুদ্ৰৰ অটল গৰ্ভত,
লঙ্কেশ্বৰ ইমান নিষ্ঠুৰ?
লঙ্কেৰ ইমান নিৰ্মম?
তৰণী—তেনে কথা নকবা জননী।
লঙ্কেশ্বৰ নহয় নিষ্ঠুৰ—লঙ্কেশ্বৰ নহয় নিৰ্মম।
জগতৰ পূজনীয় ৰজা লঙ্কেশ্বৰ।
বিজ্ঞ তেওঁ, বিবেচক তেওঁ
তেওঁ নিজে কৰিছে আদেশ
তৰণীয়ে অৱশ্যে পালিব। (সৰমাৰ কাষলৈ গৈ)
শুনোৱা আদেশ আই-
কালি লই লঙ্কাৰ ৰণত
ৰাক্ষসৰ সেনাপতি হই
দেখুৱাও ৰাঘৱক
তৰণীৰ নিজ বাহুবল।
সৰমা—তৰণী!
বিভীষণ সৰমাৰ আৰাধ্য দেৱতা
নাজাননে কোন সেই ভিক্ষাৰী ৰাঘৱ?
তৰণী—তোমাৰ মুখতে আই শুনিছো সদায়
ৰাঘৱ নিজেই হেনো দেৱ নাৰায়ণ।
আই! ভাল পালোহেঁতেন ৰামক
জননী লঙ্কাৰ যদি
শত্ৰুৰূপে নাহিলহেঁতেন।
কিন্তু আই
দেৱতাই শত্ৰুৰূপে দিছে দৰশন
পূজাৰীয়ে শত্ৰুৰূপে পূজিব চৰণ।

সৰমা—শত্ৰুৰূপে আহিছে ৰাঘৱ
অবশ্যেই শত্ৰুৰূপে পূজিব লঙ্কাই।

তৰণী—তথাপি তথাপি আই
আজন্মৰ বাসনা পূৰাব
নৱ ঘনশ্যাম মূৰ্ত্তি ৰামৰ
চাই লম নয়ন জুৰাই।
দিয়া আই অনুমতি মোক।

সৰমা—ভক্তৰ আগ্ৰহ
ভগৱানে ৰাখিব নিশ্চয়।
তৰণী! সৰমাই দিছে অনুমতি।

তৰণী—আই! আই (পদধূলি লয়)

সৰমা—শুন পুত্ৰ
অভাগিনী জননীয়ে তোৰ
দেহৰ বাঞ্ছিত বস্তু কৰি আহৰণ
স্বদেশৰ ৰক্ষাৰ কাৰণে
দিম তোক যতনেৰে ৰণসজ্জা কৰি
হাঁহিমুখে যাচিম বিদায়।

তৰণী—ধন্য, ধন্য আজি তৰণীৰ ৰাক্ষস জনম।
লঙ্কেশ্বৰে নিজে ৰথ কৰিব ৰচনা;
জননীয়ে দিব মোক ৰণসজ্জা কৰি,
জানকীয়ে কৰে আশীৰ্বাদ।
আৰু আই!
মোৰেই মুক্তিৰ বাবে
পূজনীয় পিতৃ দেৱতাই
নিজে তেওঁ পথ দেখুৱাই
আনি দিব মোৰ সন্মুখত
ৰাক্ষসৰ মহা শত্ৰু—তৰণীৰ মুক্তিদাতা
নৰৰূপী ৰাম নাৰায়ণ।
লঙ্কাৰ আনন্দ আজি
মহানন্দ তৰণীসেনৰ
তুমিও আনন্দ কৰা সৰমা জননী
ৰাক্ষসৰ মুক্তি দিন পালেহি ওচৰ।

(লৰি প্ৰস্থান)

(সীতা আৰু সৰমাই তৰণী যোৱা ফালে থৰ লাগি চাই থাকে।)

পট পৰে

৪ৰ্থ দৃশ্য

ৰাঘৱৰ শিবিৰৰ সন্মুখ

সময়—নিশা

(ৰঙ্গমঞ্চ প্ৰায় অন্ধকাৰ। টোপনিৰ পৰা উঠি অহা অৱস্থাত বিভীষণ—সন্মুখত তৰণীৰ ছায়ামূৰ্ত্তি ভাহি ভাহি আহে—পিছে পিছে বিভীষণ। ভিতৰত ক্ষীণ সুৰত "হে জয় ৰঘুৰ নন্দন হে........" গীত শুনা যায়।)

বিভীষণ—তৰণী! তৰণী!
আহ—আহ
পিতাৰৰ কাষ চাপি
তৰণী তৰণী!

(আগে আগে তৰণীৰ ছায়ামূৰ্ত্তি পিছে পিছে বিভীষণ গৈ গৈ অদৃশ্য হ'ল)

পট পৰিবৰ্ত্তন

ৰাঘৱৰ ঘৰৰ কোঠা

(এখন তৃণ শয্যাত ৰাঘৱ শুই আছে—মূৰৰ শিতানত এটি বন্তি জ্বলি আছে। অন্ধকাৰ। কেৱল বন্তিটিৰ নুমাওঁ নুমাওঁ ক্ষীণ পোহৰে ৰামৰ মুখমণ্ডল উজ্জ্বল কৰি আছে কাষৰ বেৰত ধনুকাৰ। তৰণীৰ ছায়ামূৰ্ত্তি খেদি বিভীষণ আগৰ দৰেই সোমাই আহিল তৰণীৰ মূৰ্ত্তি ৰাঘৱৰ মূৰ্ত্তিৰ লগত মিহলি হৈ যোৱা দেখা প'ল। বিভীষণে 'তৰণী—তৰণী' বুলি খেদি যাওঁতেই—খুঁটাত খুন্দা খাই "উস" বুলি চিঞৰি উঠিল।)

ৰাম—কোন ? কোন ?

লক্ষ্মণ—

(উঠি পলিতা বঢ়াই দিয়ে—কক্ষ পোহৰ হ'ল। লক্ষ্মণৰ প্ৰৱেশ)

লক্ষ্মণ—ৰাঘৱ ! ৰাঘৱ !

ৰাম—ই কি ? মিত্ৰবৰ ?

বিভীষণ—প্ৰভু !

ৰাম—এই নিশা-----

নহে মিত্ৰবৰ কোৱা বাৰু কিবা সমাচাৰ ?

ই কি ? দেখিছো তোমাক কিয় ইমান বিহ্বল?

বিভীষণ প্ৰভু !

লক্ষ্মণ -দাদা !

শেষ হ'ল পৰীক্ষা তোমাৰ

বন্ধুত্বৰ আভৰণ লই -

দুৰাত্মা ৰাক্ষসে আজি

শত্ৰুতাৰ কৰে আচৰণ ।

বিভীষণ—ঠাকুৰ লক্ষ্মণ ।

ৰাম —ক্ষান্ত হোৱা সুমিত্ৰা নন্দন

অপৰাধী নহে বিভীষণ ।

শত্ৰুৰূপে অহা নাই মোৰ

মিত্ৰৰূপে আহিছে নিশ্চয় ।

লক্ষ্মণ মিত্ৰতা ? মিত্ৰতা ?

নুবুজো ৰাঘৱ মই

অনাৰ্য ৰাক্ষসে এই

ৰাঘৱৰে সতে আজি

কিনো দৰে কৰিছে মিত্ৰতা ।

ৰাম—লক্ষ্মণ ! লক্ষ্মণ !

ক্ষান্ত হোৱা ভাই !

বিভীষণ মহা ভক্ত মোৰ

বিভীষণ মহা মিত্ৰ বিপদ কালৰ ।

লক্ষ্মণ— নুবুজে লক্ষ্মণে দাদা

ভক্তৰ মহিমা তোমাৰ ।

চোৰৰ নিচিনা আহি মাজনিশা এই

প্ৰৱেশিছে শয়ন কক্ষত

তথাপি —তথাপি কোৱা তুমি

মহা মিত্ৰ ৰাক্ষস তোমাৰ ?

নহয়—নহয় দাদা !

দিয়া অনুমতি--

বাছি লই মহা তীক্ষ্ণ বাণ

শেষ কৰো মায়াবী ৰাক্ষস

মিত্ৰতাৰ দিওঁ উপহাৰ ।

বিভীষণ —তাকে কৰা —তাকে কৰা প্ৰভু !

লক্ষ্মণক শুনোৱা আদেশ

বাছি লই মহা তীক্ষ্ণ বাণ

ৰাক্ষসক দিয়ক নিৰ্বাণ ।

দিয়া প্ৰভু

সেই শাস্তি দিয়া ৰাক্ষসক ।

ৰাম মিত্ৰবৰ !

জানো মই মোৰ প্ৰতি চেনেহ তোমাৰ ।

নকৰিবা মিছাতে আক্ষেপ

কোৱা বন্ধু কিবা সমাচাৰ ?

কিহৰ কাৰণে তুমি ইমান আকুল

কোৱা বাৰু কি লাগে তোমাক ?

তোমাৰ অদেয় একো নাই ৰাঘৱৰ ।

বিভীষণ —অন্তৰ্যামী তুমি ভগৱান

ভালদৰে জানা তুমি

ভক্তই বিষয় বাঞ্ছা নকৰে কদাপি

তথাপি কৰিছো কাকুতি

শান্তি দিয়া —মুক্তি দিয়া এই অধমক ।

ৰাম —মিত্ৰবৰ ।

লক্ষ্মণ -এতিয়াও কৰিছো বাৰণ

ৰাক্ষসক নকৰা বিশ্বাস

মায়া কৰি হৰিলে জানকী

মায়াৰ বলেৰে আজি

ৰাঘৱক গুপ্ত হত্যা কৰি----

বিভীষণ—স্তব্ধ হোৱা—স্তব্ধ হোৱা ঠাকুৰ লক্ষ্মণ

তেনে কথা শুনাৰ আগতে

মৃত্যুদণ্ড দিয়া ৰাক্ষসক

ভগৱান—ভগৱান
ভূমিকম্প—ভূমিকম্প সৃষ্টি কৰা
সৃষ্টি আজি যক ৰসাতলে ।
ৰাম—লক্ষ্মণ ! ক্ষান্ত হোৱা ভাই !
মিত্ৰবৰ ! ভালদৰে বুজিছে ৰাঘৱে
মহামিত্ৰ তুমি ৰাঘৱৰ ।
লক্ষ্মণ—দাদা ! দাদা !
ৰাম—লক্ষ্মণ ! বুজক জগতে আজি
ভক্ত মোৰ পিতা মাতা
ভক্ত মাথোঁ ৰাঘৱৰ প্ৰাণ ।
(বিভীষণক আঁকোৱালি লয়)
বিভীষণ—প্ৰভু ! প্ৰভু !
আঁৰ-কাপোৰ

৫ম অঙ্ক

১ম দৃশ্য

লঙ্কাৰ প্ৰাসাদৰ এটি কক্ষ

(সৰমাই তৰণীক ৰণ সজ্জা কৰি দিব ধৰিছে পট উঠাৰ লগে লগে যেন সাজ-পাৰ পিন্ধোৱা শেষ হৈ আহিল। পট সম্পূৰ্ণ উঠাৰ লগে লগে সৰমাই তৰণীৰ হাতত ধনু, শৰ, তূণ আদি আগ্ৰহেৰে তুলি দিয়ে ।)

তৰণী—আই !
শেষ হ'ল ৰণ সজ্জা মোৰ
লঙ্কেশ্বৰে অপেক্ষিছে শিবিৰ দ্বাৰত
সৈন্যসবে আছে বাট চাই
দিয়া আই ৰঙেৰে বিদায়
প্ৰৱেশি সমৰ ক্ষেত্ৰ
কৰোঁগৈ অৰাতি নিধন
জননীৰ বঢ়াও সন্মান।

সৰমা—পুত্ৰ মোৰ নয়নৰ মণি !
মিলক যাত্ৰাৰ ক্ষণ
হাঁহিমুখে যাচিম বিদায় ।
বুজক জগতে আজি
ৰক্ষ নাৰী নহয় অবলা ।
বীৰ প্ৰসৱিনী মাতৃ লঙ্কাৰ জীয়ৰী
বুজে নিজে বীৰৰ আদৰ ।
তৰণী—শুনিলে তোমাৰ আই মৌ সনা বাণী
উত্তেজিত হয় কলেৱৰ
শৰীৰৰ প্ৰতি অঙ্গে প্ৰতি ধমনিতে
তপ্ত ৰক্ত হয় প্ৰবাহিত,
বাঢ়ে আই দুগুণে উৎসাহ ।
কোৱা মোক যশস্বিনী গৰৱিনী আই
পাৰিবনে তোমাৰ সন্তানে
মনোবাঞ্ছা কৰিব পূৰণ ?
সৰমা—তাৰ বাবে সৰমাই দিছে আশীৰ্বাদ।
কিন্তু---কিন্তু পুত্ৰ
ই কি ? ই কি বাৰু দেখিছো আগত ?
ভ্ৰম হয় দিবা স্বপ্ন যেন
সম্মুখত আহি কোনোবাই
কৈ যায় কাণে কাণে মোৰ
ছিঙি দিয়া মায়াৰ বান্ধোন
শেষ হ'ল মায়া জীৱনৰ
নহয়—নহয় পুত্ৰ
তয়ে মাথোঁ সৰমাৰ জীৱন মৰণ
দুখিনীৰ আচলৰ ধন
নিদিওঁ যাবলৈ আৰু
যতনে ৰাখিম তোক বুকুত সাবটি ।
তৰণী—আই,
নাভাবিবা অমঙ্গল
সন্তানৰ যাত্ৰাৰ কালত
দিয়া আই ৰঙেৰে বিদায় ।
সৰমা—নহয়—নহয় সোণ
নকৰিবি তেনে অনুৰোধ ।

ত্যাগ কৰ ৰণ সজ্জা তোৰ
ভিক্ষাৰী বেশেৰে দুয়ো ভিক্ষা পাত্ৰ লই
বনে বনে ফুৰিম সদায়
ৰাজ্য সুখ নেলাগে আমাক
থাকক ৰাজত্ব লই—ৰজা লঙ্কেশ্বৰ।

তৰণী—ত্যাগ কৰি নিজ জন্মভূমি
ক'ত তুমি লভিবা সান্ত্বনা ?

সৰমা—বল পুত্ৰ! গুচি যাওঁ দূৰ দূৰ লই
নাই য'ত নাৰী নিৰ্যাতন
নাই য'ত ৰজা দশানন।

তৰণী—হব পাৰে নাৰী নিৰ্য্যাতক
হব পাৰে নাৰী প্ৰপীড়ক
হব পাৰে ৰাক্ষস ৰাৱণ
কিন্তু ৰজা তেওঁ লঙ্কাৰ ঈশ্বৰ
পূজনীয় সমগ্ৰ লঙ্কাৰ।
আই! অপৰাধী নকৰিবা মোক
লঙ্কেশ্বৰে কৰিছে আদেশ
লঙ্কাৰ সন্তানে মই
অৱশ্যেই পালিব লাগিব।

সৰমা—ৰাজভক্ত প্ৰজাই সদায়
অৱশ্যেই ৰাজ আজ্ঞা পালিব লাগিব।
কিন্তু যিদিনা ৰজাই নিজে
পাহৰিব প্ৰজাৰ আদৰ
ৰজাৰ আদেশ হব অধৰ্ম প্ৰচাৰ
সিদিনাই ৰাজ্য ডুবি হব হাহাকাৰ।

তৰণী—তোমাৰ সন্তানে আই
বিচাৰিছে তাকেই মাথোন
(ভিতৰত—'জয় লঙ্কেশ্বৰ ৰাৱণৰ জয়'। 'জয় বক্ৰ সেনাপতি তৰণীৰ জয়।')

তৰণী—সেইয়া - সেইয়া
জয়ধ্বনি কৰে সকলোৱে
পালেহি যাত্ৰাৰ ক্ষণ
অনুমতি দিয়া মোক আই।

সৰমা—হিঙি দিছে সৰমাই মায়াৰ বান্ধোন
যা বাছা আনন্দেৰে যাচিছো বিদায়।

তৰণী—কৰা আই আশীৰ্বাদ মোক

সৰমা—সৰমাই দিছে আশীৰ্বাদ
ধৰ্মজয়ী হোৱা পুত্ৰ মোৰ।
(ৰাৱণৰ প্ৰৱেশ)

ৰাৱণ—তৰণী! তৰণী!
পালেহি যাত্ৰাৰ ক্ষণ।

তৰণী—লঙ্কেশ্বৰ! লঙ্কেশ্বৰ! (পদধূলি লয়)

ৰাৱণ—জয়মাল্য যাত্ৰাৰ কালৰ
দিছে তোক লঙ্কেশ্বৰে শিৰত পিন্ধায়।
(মালা পিন্ধাই দিয়ে)

সৰমা লঙ্কেশ্বৰ! তৰণী! তৰণী!

তৰণী—আই! আই! (ওচৰলৈ যায়)

ৰাৱণ—সৰমা! সৰমা!
অহা নাই ৰজা লঙ্কেশ্বৰ
আহিছে কাষত তোৰ ভিক্ষাৰী ৰাৱণ।
বংশৰ প্ৰদীপ তোৰ হৃদয়ৰ ধন
তৰণীক ভিক্ষা লাগে মোক।

তৰণী—চোৱা আই
পূজনীয় লঙ্কেশ্বৰে কৰিছে আদৰ
তুমি মোক দিছা আশীৰ্বাদ
শত্ৰুৰূপে সম্মুখত নিজে ভগৱান
চোৱা ভাবি ৰাক্ষস কুলত
তৰণীৰ দৰে —
কোন আছে মহা ভাগ্যবান ?

সৰমা—যা সোণ!
সৰমাই দিছে তোক ৰঙেৰে বিদায়।
(তৰণীয়ে পদধূলি লয়, মাকে গালে-মুখে হাত ফুৰাই শিৰত চুমা খাই বিদায় দিয়ে।)

ৰাৱণ—দেৱ নাৰায়ণ!
চাই লোৱা সুদূৰৰ পৰা
ৰাক্ষস ৰাৱণে
কিনো দৰে কৰে আজি পূজা আয়োজন,
মাতৃৰ বুকুৰ পৰা
কাঢ়ি লই চেনেহী সন্তান

দেৱতাক কৰিম অৰ্পণ ।
ৰাক্ষস ৰাৱণ আজি ইমান ভীষণ
লঙ্কেশ্বৰ ইমান নিষ্ঠুৰ ।
(নেপথ্যত "জয় লঙ্কেশ্বৰ ৰাৱণৰ জয়")
নহয়—নহয়
জয় দিয়া সৰমাৰ মোৰ
জয় দিয়া তৰণীৰ মোৰ
ৰাৱণ জয় আজি বহুত দূৰত ।
তৰণী—তৰণী !

তৰণী—সাজু আছো পালিব আদেশ ।

ৰাৱণ—আহ মোৰ প্ৰাণৰ তৰণী ।
সৰমা ! পাৰ যদি ক্ষমা কৰ মোক ।
(তৰণীক বুকুত সুমুৱাই লৈ প্ৰস্থান)

সৰমা—তৰণী—তৰণী ।
(তৰণী পুনৰ লৰি সোমাই আহে।)

তৰণী—আই ! আই !

সৰমা—নহয়—নহয়
ছিঙি দিছো মায়াৰ বান্ধোন
যা পুত্ৰ পিশাচিনী সৰমাৰ
নাথাকিবি সম্মুখত আৰু

তৰণী—জয় ৰাম শ্ৰীৰাম (প্ৰস্থান)

সৰমা—নহয়—নহয়
ময়ো যাম পুত্ৰৰ লগতে
দেখিম এবাৰ
কিমান নিষ্ঠুৰ সেই
বনবাসী ভিক্ষাৰী ৰাঘৱ । (প্ৰস্থান)

পট উঠিব

২য় দৃশ্য

ৰণক্ষেত্ৰৰ একাংশ

(দূৰণিত ৰাম-ৰাৱণৰ সৈন্যৰ ৰণৰ কোলাহল। ৰণৰ গতি বিধি লক্ষ্য কৰি লক্ষ্মণ অকলে। লক্ষ্মণৰ মুখত উদ্বিগ্নতাৰ চিন। লাহে লাহে লক্ষ্মণ অস্থিৰ হৈ পৰে।)

লক্ষ্মণ—সোঁৱা—সোঁৱা
ৰাঘৱৰ সৈন্য বাহিনীয়ে
চতুৰ্দিশে কৰে পলায়ণ ।
ক'ত সেই নল নীল অঙ্গদ কুমাৰ
ক'ত সেই বীৰ হনুমান ।
ক'ত সেই কপিৰাজ সুগ্ৰীৱ সুজন ?
ভয় নাই ভয় নাই নৰ ও বানৰ
নাই মৰা ৰামানুজ কিঙ্কৰ লক্ষ্মণ
ৰাম নাম কৰি উচ্চাৰণ
আগবাঢ়া সমৰ ক্ষেত্ৰত । (সুগ্ৰীৱৰ প্ৰৱেশ)

সুগ্ৰীৱ—ঠাকুৰ লক্ষ্মণ ! লক্ষ্মণ !

লক্ষ্মণ—কোন ? মিত্ৰবৰ ?
ই কি ? আজি অঘটন সমৰ ক্ষেত্ৰত ?
ৰাঘৱৰ সৈন্য বাহিনীয়ে
ৰণ এৰি কিয় আজি কৰে পলায়ণ ?
যোৱা—যোৱা বীৰবৰ
শুনোৱা আদেশ সেই কপিসকলক
হব লাগে পুনৰায় যুদ্ধ আয়োজন ।

সুগ্ৰীৱ—ক্ষান্ত হোৱা ঠাকুৰ লক্ষ্মণ
নল নীল জাম্বুবান মূৰ্ছিত ধৰাত
পৰাজিত বীৰ হনুমান
ৰাঘৱৰ সৈন্য বাহিনীয়ে
সমৰত গণিছে প্ৰমাদ ।
আচৰিত ৰাক্ষসৰ ৰণৰ কৌশল
বিপৰীত বিধিৰ লিখন ।

লক্ষ্মণ—বীৰবৰ !
কোন বাৰু সেনাপতি ৰাক্ষসৰ আজি ?
আহিছেনে অহঙ্কাৰী বীৰ মেঘনাদ
আহিছেনে নিজে লঙ্কেশ্বৰ ?

সুগ্ৰীৱ—নহয়—নহয় লক্ষ্মণ
নাই অহা বীৰ মেঘনাদ
অহা নাই ৰজা লঙ্কেশ্বৰ
আহিছে ৰণত আজি

ৰক্ষৰ কুমাৰ এক—
ৰাক্ষসৰ সেনাপতি হই
নিজে মই নিচিনিলো কোন ।

লক্ষ্মণ—সুকুমাৰ ৰক্ষৰ বালকে
ৰাঘৱৰ সৈন্য বাহিনীক
কৰে আজি এনে অপমান ?

সুগ্রীৱ—বয়সত বালক হলেও
যুক্তিত বিচক্ষণ
শক্তিত ভীম প্রভঞ্জন
ৰথানে সুগ্রীৱে তাৰ ৰণৰ কৌশল ।

(ভিতৰত—"জয় লঙ্কেশ্বৰ ৰাৱণৰ জয় !")

লক্ষ্মণ—সেইয়া—সেইয়া
আকাশে বতাহে
ৰাক্ষসৰ জয়ধ্বনি উঠিছে উথলি
শেষ হ'ল ক্ষত্রৰ গৌৰৱ ।
নহয়—নহয়
কপিৰাজ ! যোৱা আগবাঢ়ি
বাধা দিয়া পুনু ৰাক্ষসক ।

সুগ্রীৱ—ঠাকুৰ লক্ষ্মণ ! যুদ্ধৰ নামত
কপিৰাজ নহয় কাতৰ
আহিলো আহিলো তেন্তে
ৰণস্থল প্রৱেশি পুনৰ
ৰাক্ষসক দিম পুৰস্কাৰ । (প্রস্থান)

লক্ষ্মণ—অধর্মৰ জয়
ই কি ? কথা প্রভু দয়াময় ?
এতিয়াও বন্দিনী জানকী
এতিয়াও অসম্পূর্ণ ক্ষত্রিয়ৰ পণ ।
ৰঘুমণি ! ৰঘুমণি
উত্তেজিত কৰা মোৰ সৈন্যসকলক
আশীর্বাদ কৰা লক্ষ্মণক ।

(ভিতৰত—'জয় লঙ্কেশ্বৰ ৰাৱণৰ জয়')

ৰাক্ষসৰ জয় ! ৰাক্ষসৰ জয় !
শেষ হ'ল ধর্মৰ মহিমা
পৰাজয় আজি ৰাঘৱৰ ।

(তৰণীৰ প্রৱেশ)

তৰণী—ক'ত সেই ৰামচন্দ্র
ক'ত সেই ভিক্ষাৰী লক্ষ্মণ ?

লক্ষ্মণ—কোন তই অবোধ বালক
কিয় লাগে ৰাম লক্ষ্মণক ?
কচোন কিবা পৰিচয় ?

তৰণী—পৰিচয় ! পৰিচয় অতিকৈ সহজ
লঙ্কাৰ সন্তান মই
ৰাক্ষসৰ সেনাপতি আজি ।

লক্ষ্মণ—ৰাক্ষসৰ সেনাপতি তই
আহিছনে মৃত্যুবাঞ্ছা কৰি
লক্ষ্মণৰ সন্মুখত আজি ?

তৰণী—বীৰবৰ !
স্থিৰ হই শুনা সমাচাৰ
ৰাঘৱৰ মহা মিত্র
নল, নীল, জাম্বুবান, অঙ্গদ কুমাৰ
সমৰ ক্ষেত্রত আজি
শক্তিহীন চেতনা বিহীন
পৰাজিত বীৰ হনুমান
ধাৰাশায়ী বন্ধুবৰ সুগ্রীৱ তোমাৰ
শেষ হ'ল মিত্রশক্তি আজি
আছা মাথোঁ শ্রীৰাম লক্ষ্মণ ।

লক্ষ্মণ—অনাৰ্য ৰাক্ষস তই
মায়াৰ বলেৰে
পৰাজিত কৰ মোৰ মিত্র শকতিক ।
কিন্তু নাভাবিবি দুৰাত্মা ৰাক্ষস
তোৰ সেই মায়াৰ বলেৰে
টলাব পাৰিবি এই—
ৰামানুজ লক্ষ্মণৰ প্রাণ ।

তৰণী—ঠাকুৰ লক্ষ্মণ ।
আৰ্যৰ সন্তান তুমি
নকৰিবা মিছা অহঙ্কাৰ
এৰি দিয়া পথ মোৰ
চাই লওঁ এটিবাৰ

ক'ত সেই নৰৰূপী ৰাম নাৰায়ণ
ক'ত সেই ভিক্ষাৰী ৰাঘৱ ?

লক্ষ্মণ -পাৰ যদি নিজ শকতিৰে
ল' তোৰ পথ উলিয়ায়। (ধনুশৰ জোৰে)

তৰণী —বীৰবৰ !
ৰণৰ কাৰণে তৰণীও প্ৰস্তুত সদায়।
(দুয়ো দুই-তিনিবাৰ শৰ নিক্ষেপ কৰে)

লক্ষ্মণ -অগ্নিবাণ এৰিলো ইবাৰ
ৰক্ষা কৰ নিজক দুৰাত্মা।

তৰণী -বৰুণ বাণেৰে মই কৰো প্ৰতিকাৰ।

লক্ষ্মণ—এইবাৰ সৰ্পবাণ এৰিলে লক্ষ্মণে।

তৰণী -চূৰ্ণ কৰো সৰ্পবাণ গৰুড় বাণেৰে।

লক্ষ্মণ —পাশুপাত বাণ মই এৰিলো ইবাৰ
মৃত্যু তোৰ অনিবাৰ্য মায়াবী ৰাক্ষস।

তৰণী —বৈষ্ণৱ বাণেৰে মই কৰো নিবাৰণ।

লক্ষ্মণ —ৰঘুমণি -ৰঘুমণি
ৰাক্ষসৰ মায়াৰ বলত
হেৰালে লক্ষ্মণে আজি সকলো শকতি।

তৰণী -বীৰবৰ !
জিজ্ঞকাস্ত্ৰ এৰিলো ইবাৰ
এইবাৰ ৰক্ষা কৰা নিজকে তোমাক।

লক্ষ্মণ —ৰঘুমণি ! ৰঘুমণি !
শেষ হ'ল লক্ষ্মণৰ সকলো গৌৰৱ।

তৰণী —এই শকতিৰে তুমি ঠাকুৰ লক্ষ্মণ
আহিছিলা শ্ৰীৰামৰ সেনাপতি হই ?
বিলুপ্ত চেতনা কিয় সমৰ ক্ষেত্ৰত ?
পৰে থাকা এই অৱস্থাতে
তোমাৰ প্ৰাণত মোৰ নাই অভিলাষ
ৰাঘৱৰ পৰাজয় তৰণীৰ উদ্দেশ্য নহয়।
কিন্তু ক'ত সেই ৰামচন্দ্ৰ
ক'ত সেই দয়াময় ৰাম নাৰায়ণ
ক'ত সেই ভিক্ষাৰী ৰাঘৱ ?
ৰাম—ৰাম—ৰাম। (প্ৰস্থান)

পট্ট পৰে

৩য় দৃশ্য

ৰামৰ শিবিৰৰ সন্মুখ

(বিভীষণ সোমাই আছে)

বিভীষণ—দয়াময় ৰাম !
আৰুনো কিমান দূৰ
ৰাক্ষসৰ মুকুতিৰ দিন ?
কাহানি মিলিব ৰাক্ষ লঙ্কাৰ যুকুত
ৰাম সীতা দুজনৰ যুগল মুকতি
কাহানিনো শেষ হব
বিভীষণ সৰমাৰ ভকতিৰ পূজা ?
জগতৰ যত জন
মোৰ দৰে আছা দুৰ্ভগীয়া
ৰাম নাম কৰা উচ্চাৰণ
পূজা কৰা ৰাম নাৰায়ণ
পাহৰিবা যন্ত্ৰণা প্ৰাণৰ
মুক্তি পাবা লভিবা নিৰ্বান।
(নেপথ্যত তৰণী—ৰাম! ৰাম! ৰাম!)
কোন ? কোন সেইয়া ?
সুদূৰত ৰাম নাম কৰে উচ্চাৰণ ?
গোৰা' গোৰা মুক্তকণ্ঠে গোৰা সকলোৰে
ৰাম —ৰাম— ৰাম।
(তৰণীৰ বেগে প্ৰৱেশ)

তৰণী—ৰাম —ৰাম—ৰাম।

বিভীষণ—কোন ? তৰণী ?

তৰণী—প্ৰথমতে পাইছো তোমাক
জন্মদাতা দেৱতাৰ মোৰ
প্ৰণামিছো চৰণ কমল।

বিভীষণ—পুত্ৰ ! পুত্ৰ ! (ধৰিব যায়)

তৰণী—নাছিবা দেৱতা মোৰ—থাকা আঁতৰতে।
পুত্ৰৰূপে অহা নাই মই
শত্ৰুৰূপে আহিছো তোমাক

শত্ৰুৰূপে কৰা আচৰণ ।
কোৱা ক'ত সেই ভিক্ষাৰী ৰাঘৱ
ক'ত সেই জটাধাৰী ৰাম ?

বিভীষণ—পুত্ৰ ! পূজিবিনে ৰাম নাৰায়ণ
আহ —আহ পুত্ৰ
নিজে মই বিভীষণে
যতনাই দিম তোক পূজাৰ সম্ভাৰ ।

তৰণী —অহা নাই তৰণী তোমাৰ
ৰাঘৱৰ পূজা পাত্ৰ লই
শত্ৰুৰূপে ৰাঘৱৰ আহিছে তৰণী
ৰাক্ষসৰ সেনাপতি হই ।

বিভীষণ তেনেদৰে নাহিবি তৰণী
ৰাঘৱৰ সন্মুখত তই ।
নেজাননে ত্ৰিজগত পতি সেই ৰাম নাৰায়ণ
অগতিৰ গতি ৰাম অনাথৰ নাথ
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু
সিজনৰ সন্মুখত শত্ৰুৰূপে আহিব যিজন
কেতিয়াও তাৰ পুত্ৰ—নাই পৰিত্ৰাণ ।
সেই হেতু কৰিছো কাকুতি
পূজা কৰ ৰাম নাৰায়ণ ।

তৰণী—অনাৰ্যৰ পূজা পিতা
দেৱতাই নকৰে গ্ৰহণ
অনাৰ্যয়ো সেই হেতু নুপূজে দেৱতা ।
দিয়া —দিয়া দেখুৱাই
ক'ত সেই দেৱতা তোমাৰ
চাই লওঁ নিজেই এবাৰ
কিমান শকতি ধৰে ৰাম নাৰায়ণে
কিমান শকতি ধৰে ভিক্ষাৰী ৰাঘৱে ।

বিভীষণ—পুত্ৰ ! পুত্ৰ !

তৰণী—পিতা ! পুত্ৰক নকৰা বাৰণ
সঁচাকৈয়ে ৰাম যদি হয় নাৰায়ণ
মৃত্যু হলে ৰামৰ হাতত
তৰণীয়ে পাব স্থান সৌ বৈকুণ্ঠত ।

বিভীষণ—সঁচা কথা—ৰক্ষৰ মুক্তিৰ হেতু
ৰাঘৱৰ এই আয়োজন
সাজ সাজ সৰমা নন্দন
মুক্তি দিন পালেহি ওচৰ
ৰামচন্দ্ৰে নিজে তোৰ
মুক্তি পথ কৰিব নিষ্কাৰ
বিভীষণে কৰিব সহায় ।

(নেপথ্যত ৰাম—মিত্ৰবৰ ! মিত্ৰবৰ !)

বিভীষণ—তৰণী ! তৰণী !
আহিছে ৰাঘৱ
নৱ ঘনশ্যাম ৰূপ সেই
চাই ল' শেষ বাৰলই । (আঁতৰি যায়)

(ৰামৰ প্ৰৱেশ)

ৰাম—মিত্ৰবৰ ! মিত্ৰবৰ !

তৰণী—(আচৰিত হৈ) ৰামচন্দ্ৰ ! ৰামচন্দ্ৰ !

(অতৰ্কিতে হাতযোৰ কৰে)

ৰাম—কোন তই ?
দেৱতা, মানব কিম্বা গন্ধৰ্ব বালক
সন্মুখত আজি ৰাঘৱৰ !

তৰণী—মানব দেৱতা কিম্বা গন্ধৰ্ব কিন্নৰ
একোৱেই নহওঁ ৰাঘৱ
জন্মবলে নহো ভাগ্যবান ।
বিশ্বৰ কলঙ্ক মই ৰক্ষৰ কুমাৰ
শত্ৰুৰূপে আহিছো তোমাৰ ।

ৰাম—শত্ৰু ? শত্ৰু ?
তোৰদৰে শতশত্ৰু হ'ক ৰাঘৱৰ ।
ক' বাৰু কি লাগে বালক ?

তৰণী—ভিক্ষাৰী নহওঁ মই লঙ্কাৰ সন্তান
তথাপি কৰো ভিক্ষা এক
ৰণ, ৰাঘৱেৰে ৰণ ভিক্ষা লাগে আজি মোক ।

ৰাম—ৰণ ! তোৰ সতে ৰণ ?
জননীৰ প্ৰাণ শূন্য কৰি নাহিবি ৰণৰ বাবে
ৰণ তৃষ্ণা নকৰ সমূলি

যা —যা গুচি ঘৰ লই
তোৰ সতে ৰণ বাঞ্ছা নকৰে ৰাঘৱে।
তৰণী —ৰাঘৱ। লঙ্কাৰ সন্তান মই
লঙ্কেশ্বৰে কৰিছে আদেশ
ৰাক্ষসৰ সেনাপতি আজি
বীৰপ্ৰাণা জননীয়ে মোৰ
নিজে আজি আপোন ইচ্ছাৰে
দিছে মোক ৰণ সজ্জা কৰি
আনন্দেৰে যাচিছে বিদায়।
স্বদেশৰ ৰক্ষাৰ কাৰণে
ৰণ, ৰণ মোৰ পণ ৰঘুমণি।
ৰাম জানো মই লঙ্কেশ্বৰ অতিকৈ নিঠুৰ।
কিন্তু কোন সতে কোন সতে বাৰু
তোৰ দৰে সুকুমাৰ সন্তানক আজি
পাষাণেৰে বান্ধি হিয়া জননীয়ে তোৰ
নিজে আজি ৰণ লই দি আগুৱাই
এৰি দিছে মৃত্যুৰ মুখত ?
তৰণী—সেই কথা ৰাঘৱৰ নহয় বিবেচ্য
শুনা ৰঘুমণি !
তোমাৰেই মিত্ৰ শক্তি
নল, নীল, জাম্বুবান, অঙ্গদ কুমাৰ
ধৰাসায়ী সমৰ ক্ষেত্ৰত
পৰাজিত বীৰ হনুমান
মূৰ্ছিত সুগ্ৰীৱ লক্ষ্মণ
ৰাক্ষসৰ জয় —ৰাঘৱৰ পৰাজয় আজি।
ৰাম —পৰাজয় ?
তোৰ দৰে শত্ৰুৰ হাতত
ৰাঘৱেও পৰাজয় কৰিছে কামনা
তৰণী —পৰিহাস নকৰিবা মোক•
ৰঘুমণি ! ৰাক্ষসৰ সেনাপতি মই
নিজে আজি ৰাঘৱৰ সন্মুখত আহি
ৰণ লই কৰিছো আহ্বান।
লঙ্কাৰ সমৰ ক্ষেত্ৰত
অপেক্ষিম শত্ৰুৰূপে তোমাৰ কাৰণে
পাৰা যদি পৰাজয় কৰি ৰাক্ষসক
জানকীক কৰিবা উদ্ধাৰ। (বেগে প্ৰস্থান)
ৰাম —বালক ! বালক !
কোন আছা ? ধৰি আনা সেই বালকক।

(বিভীষণৰ প্ৰৱেশ)

বিভীষণ —প্ৰভু।
ৰাম —মিত্ৰবৰ !
কোন সেই ৰক্ষৰ কুমাৰ ?
বিভীষণ —প্ৰভু !
চিণি দিছো ৰাক্ষসৰ মায়াৰ বাজোন
তথাপি কওঁ শুনা প্ৰভু
লঙ্কাৰ প্ৰদীপ এই ৰক্ষৰ কুমাৰ
মহা জ্ঞাতি এই অধমৰ।
ৰাম —সুন্দৰ বালক
দেখি জাগে মমতা প্ৰাণত।
আহিছে ৰণৰ বাবে
ৰাক্ষসৰ সেনাপতি হই।
ইচ্ছা হয় ৰণ এৰি কৰিব চেনেহ
ইচ্ছা হয় দিব আশীৰ্বাদ।
বিভীষণ —আশীৰ্বাদ
ৰাক্ষসক আশীৰ্বাদ নকৰিবা প্ৰভু।

(সুগ্ৰীৱৰ প্ৰৱেশ)

সুগ্ৰীৱ —ৰঘুমণি ! ৰঘুমণি !
ৰাম —কোন ? বন্ধুবৰ সুগ্ৰীৱ সুজন
কোৱা মোক ৰণৰ বাতৰি।
সুগ্ৰীৱ —প্ৰভু ! সমৰত অমঙ্গল আজি
ৰক্ষৰ কুমাৰ এক বয়সত নিচেই বালক
কিন্তু প্ৰভু সমৰত প্ৰচণ্ড বিক্ৰম
প্ৰবেশিছে সমৰ ক্ষেত্ৰত।
নল, নীল, জাম্বুবান, বীৰ হনুমান
সকলোৱে পৰিছে ভাগৰি
লক্ষ্মণেও গণিছে প্ৰমাদ।

ৰাম—সঁচা হে বালকৰ কথা
ৰাঘৱৰ পৰাজয় আজি ?
যোৱা যোৱা বন্ধুবৰ
শুনোৱা আশ্বাস বাণী
ৰাঘৱৰ সৈন্য বাহিনীক
নিজে মই গৈছো পিছুতে ।

সুগ্ৰীৱ—আহা, প্ৰভু
ৰক্ষা কৰা ধৰ্মৰ মহিমা
ৰক্ষা কৰা প্ৰাণ সকলোৰে । (প্ৰস্থান)

ৰাম—মিত্ৰবৰ ! লই অহা ধনুশৰ মোৰ ।
(বিভীষণৰ প্ৰস্থান)
দেখিম এবাৰ
কিমান শকতি ধৰে মায়াবী ৰাক্ষসে ।
(বিভীষণে ধনুশৰ আনি দিয়ে, ৰামে লৈ ওলাই যাব খোজে ।)

বিভীষণ—প্ৰভু !

ৰাম—মিত্ৰবৰ ! ইমান বিহ্বল কিয় ?

বিভীষণ—প্ৰভু !

ৰাম—কোৱা কিনো বক্তব্য তোমাৰ ?

বিভীষণ—লোৱা প্ৰভু এই বাণ যাত্ৰাৰ কালত
বিভীষণে দিছে উপহাৰ ।

ৰাম—বাণ ?
ৰাঘৱৰ এই বাণ কিবা প্ৰয়োজন

বিভীষণ—আছে প্ৰভু মহা প্ৰয়োজন ।
মৃত্যু বাণ এয়ে সেই বক্ৰ কুমাৰৰ
বিভীষণে কৰিছে তৰ্পণ
লোৱা প্ৰভু মহা অৰ্ঘ্য মোৰ ।

ৰাম—কুমাৰৰ মৃত্যু বাণ
বিভীষণে কৰিছে অৰ্পণ ?

বিভীষণ—ব্ৰহ্মাৰ বলত আজি
বলিয়ান বক্ৰৰ কুমাৰ
নহলে ব্ৰহ্মাস্ত্ৰ এই কুমাৰৰ নহব মৰণ
লোৱা প্ৰভু অধমৰ এই উপহাৰ ।

(ভিতৰত—'জয় লঙ্কেশ্বৰ ৰাৱণৰ জয় ।' 'জয় বক্ৰ সেনাপতি তৰণীৰ জয় ।')

ৰাম—মিত্ৰবৰ ! মিত্ৰবৰ !
লক্ষ্মণ লক্ষ্মণ । (বাণ লৈ বেগে প্ৰস্থান)

বিভীষণ—প্ৰভু ! প্ৰভু !
পুত্ৰৰ মৃত্যুবাণ
পিতৃ হই তুলি দিছো শত্ৰুৰ হাতত ।
তৰণী ! তৰণী !
ক্ষমা কৰ এই অধমক ।
(কান্দি কান্দি ওলাই গ'ল)

পট উঠিব

৪ৰ্থ দৃশ্য

ৰণক্ষেত্ৰ

(লক্ষ্মণ আৰু তৰণীয়ে দুয়ো দুয়োলৈকে শৰ নিক্ষেপ কৰিব লাগিছে । লক্ষ্মণ যেন প্ৰায় ভাগৰি পৰিছে ।)

লক্ষ্মণ—ৰঘুমণি ! ৰঘুমণি !
অতি শক্তিহীন আজি লক্ষ্মণ তোমাৰ
নোৱাৰো যুঁজিব আৰু
ক্ষমা কৰা এই অধমক ।

তৰণী—লক্ষ্মণ !
বিলুপ্ত চেতনা হই আছিলা যেতিয়া
ইচ্ছা থকা হলে, তৰণীয়ে অৱশ্যেই
প্ৰাণ লব পাৰিলোহেঁতেন,
এতিয়াও সবিনয়ে কৰিছো কাকুতি
মাতি আনা অহঙ্কাৰী সেই ৰাঘৱক ।

লক্ষ্মণ—ৰাঘৱৰে ৰণ ইচ্ছা তোৰ
লক্ষ্মণ থাকোতে জীয়াই
কেতিয়াও নহব পূৰণ ।
কৰ ৰণ, এতিয়াও মৰা নাই

ৰামানুজ কিঙ্কৰ লক্ষ্মণ।
তৰণী—তেন্তে সেয়ে হব ঠাকুৰ লক্ষ্মণ
ৰণৰ নামত তৰণীও নহয় বিমুখ।
(আকৌ শৰ জোৰে আৰু যুদ্ধ)
(সুগ্ৰীৱৰ প্ৰৱেশ)
সুগ্ৰীৱ—লক্ষ্মণ—লক্ষ্মণ
আহিছে ৰাঘৱ নিজে
সকলোৰে ৰক্ষাৰ কাৰণে।
তৰণী—আহিছে ৰাঘৱ?
ক'ত, ক'ত সেই নৰৰূপী ৰাম নাৰায়ণ
ক'ত সেই বনবাসী জটাধাৰী ৰাম।
ৰাম—ৰাম—ৰাম।
(ৰামৰ প্ৰৱেশ)
ৰাম—লক্ষ্মণ! লক্ষ্মণ!
ই কি মূৰ্তি দেখিছো আগত?
লক্ষ্মণ—দাদা!
সন্মুখত মায়াবী ৰাক্ষস
মহা শত্ৰু ৰাঘৱৰ আজি।
ৰাম—শত্ৰু? লক্ষ্মণ!
নেদেখোতো কোনো শত্ৰু মোৰ।
সন্মুখত থিয় হই
ই যে মোৰ মহাপ্ৰভু পৰম বান্ধৱ।
বালক! বালক!
তৰণী—নহওঁ তোমাৰ ভক্ত কদাপি ৰাঘৱ।
ভক্ত মই জননী লঙ্কাৰ
পূজ্য মোৰ ৰজা লঙ্কেশ্বৰ।
লক্ষ্মণ—নহয়—নহয় দাদা
ৰাক্ষসক নকৰা বিশ্বাস।
তৰণী—ৰাক্ষসেও সেই আশা নকৰে কদাপি।
ৰাঘৱ! সাজু হোৱা ৰণৰ কাৰণে।
ৰাম—ৰণ? তোৰ সতে ৰণ?
ননীৰ পুতলা তই
সুকোমল শৰীৰত তোৰ
কিদৰে কৰিম বাৰু

মোৰ এই শৰ বৰিষণ?
তৰণী—নহলে নহব আজি জানকী উদ্ধাৰ
থাকিব জানকী এই লঙ্কাৰ বুকুতে
ৰাৱণৰ সেৱিব চৰণ।
ৰাম—শুধ হ' অবোধ বালক
বন্ধুবৰ! লক্ষ্মণ!
বন্ধ কৰা দুয়ো পথ।
আহ হেৰ' ৰক্ষৰ কুমাৰ
তোৰ আজি ৰণ তৃষ্ণা হেৰাব সমূলি।
তৰণী—তৰণীৰো সেয়ে অভিলাষ।
(অলপ সময় শৰ নিক্ষেপ কৰাৰ পিছত ৰামে ব্ৰহ্মাস্ত্ৰ সংযোগ কৰে।)
ৰাম—শুন হেৰ' ৰক্ষৰ কুমাৰ
এয়ে তোৰ শেষৰ পৰীক্ষা।
(শৰ এৰে তৰণী পৰি যায়।)
তৰণী—শেষ হ'ল তৰণীৰ ৰাক্ষস জনম।
আহা, আহা প্ৰভু দয়াময় ৰাম
তুমি ব্ৰহ্মা, তুমি বিষ্ণু, তুমি মহেশ্বৰ
তুমি সৃষ্টি, তুমি স্থিতি, তোমাতে প্ৰলয়
দীনৰ দয়াল তুমি দয়াময় ৰাম
ৰঘু কুলোদ্ভৱ নৱ দুৰ্বাদল শ্যাম
অন্তিমৰ অনুৰোধ এই অধমৰ
দিয়া স্থান চৰণ তলত।
ৰাম—ৰাম—ৰাম। (মৃত্যু)
ৰাম—চোৱা বন্ধুবৰ—চোৱা ভাই লক্ষ্মণ
শেষ হল ভক্তৰ জীৱন
হাঁহি হাঁহি মাগিলে বিদায়
স্থান পাব বৈকুণ্ঠত গই।
(সকলোৱে প্ৰণাম জনালে)
(বিভীষণৰ প্ৰৱেশ)
বিভীষণ—প্ৰভু! প্ৰভু!
ৰাম—মিত্ৰবৰ।
শেষ হ'ল ৰক্ষৰ কুমাৰ
মহা ভক্ত এই ৰাঘৱৰ

বিভীষণ—প্ৰভু ! তৰণী—তৰণী !
প্ৰাণসম পুত্ৰধন মোৰ ।
(তৰণীৰ শৱদেহৰ ওপৰত পৰি কান্দে ।)

ৰাম—ই কি মিত্ৰবৰ !
ৰক্ষৰ কুমাৰ এই তোমাৰ সন্তান ?

বিভীষণ—প্ৰভু ! ক্ষমা কৰা এই অধমক
মুক্তি পালে তৰণীয়ে মোৰ
ৰাক্ষসৰ জনমৰ পৰা
তৰণী—তৰণী । (সৰমাৰ প্ৰৱেশ)

সৰমা –ক'ত ? ক'ত মোৰ প্ৰাণৰ তৰণী ।

বিভীষণ -(মৰ দাণ্ডি) কোন ? সৰমা ?
এইয়া চোৱা
মুক্তি পালে পুত্ৰই আমাৰ
শেষ হল আজি তাৰ ৰাক্ষস জনম !

সৰমা—ই কি নাথ শুনা বাতৰি ?
তৰণী তৰণী । (পৰি যায়)

বিভীষণ -অনিত্য ৰোদন আৰু নকৰা সৰমা ।
উঠা দেৱী ! পুণ্যবান সন্তান তোমাৰ মহা
মুক্তি পালে আজি ৰামৰ হাতত ।

সৰমা—তুমি -তুমিয়েনে ৰামচন্দ্ৰ পুত্ৰহন্তা মোৰ ?

ৰাম -দেৱী ! ৰাঘৱক দিয়া অভিশাপ !

সৰমা -অভিশাপ ! অভিশাপ !

বিভীষণ -সৰমা ! সৰমা !
ক্ষান্ত হোৱা দেৱী
চোৱা সৌৱা সন্মুখত আজি
আমাৰেই আৰাধ্য দেৱতা
নৰৰূপী ৰাম নাৰায়ণ ।

সৰমা -দেৱতা ! দেৱতা !
দয়াময় ৰাম !
লোৱা এই দুখিনীৰ ভক্তিৰ প্ৰণাম,
পিতৃ মাতৃ দুয়োজনে পুত্ৰৰ তেজেৰে
কৰিছো তৰ্পণ আজি
তুষ্ট হোৱা তৃপ্ত হোৱা প্ৰভু । (সেৱা কৰে)

বিভীষণ -তৰণী তৰণী !
মৃত্যুতো নহয় তোৰ
মুক্তি -মুক্তি
মুক্তি যজ্ঞ আজি তোৰ হল সমাপণ ।
তাৰতে দিলেহি জ্বালি পূত হোমানল
লঙ্কাই যাচিছে তাৰ সমীধ চন্দন
পিতৃয়ে কৰিলে নিজে পুত্ৰৰ তৰ্পণ
তৰণী ! তৰণী !
সোণ মোৰ চকু মেলি চা
যিজনৰ মোহন মূৰতি
চিৰদিন কৰিছিলি ধ্যান
সেই শস্ত্ৰু দেৱতা ৰাঘৱে
হৃষ্ট চিত্তে পূজা তোৰ কৰিছে গ্ৰহণ ।
(শৱদেহ ৰামৰ ভৰিত পেলাই দিয়ে ।)

সৰমা -উঠা দেৱী সৰমা
উঠা মোৰ ভক্ত বিভীষণ
চোৱা সৌৱা
মহা ভক্ত তৰণীয়ে মোৰ
পালেগৈ বৈকুণ্ঠত স্থান ।
আৰু শুনা মোৰ ভৱিষ্যত বাণী
তৰণীৰ আত্মদান
বিভীষণ সৰমাৰ ভক্তিৰ আখ্যান
থাকে মানে চন্দ্ৰ দিবাকৰ
জগতত থাকিব উজ্বলি ।

(হাত তুলি আশীৰ্বাদ কৰে । বিভীষণ সৰমাই হাতযোৰ কৰি প্ৰণাম কৰে, শঙ্খ ঘণ্টা বাজে, পুষ্প বৃষ্টি হয় লগে লগে)

আঁৰ কাপোৰ

নিমিলা অঙ্ক

[তিন অঙ্কীয় সামাজিক নাটক]

মঞ্চ-নির্দেশনা

'নিমিলা অঙ্ক' তিনি অঙ্কীয়া নাট যদিও ইয়াৰ প্ৰত্যেক অঙ্কত একোটি মাথোন দৃশ্য সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি প্ৰতিটো অঙ্কৰে দৃশ্য-সজ্জা প্ৰায় একে ধৰণৰ হ'ব। অৰ্থাৎ ঘটনাৰ সকলোখিনি একোটি মাথোন কোঠাতে সম্পন্ন হৈছে। প্ৰথম অঙ্কৰ পৰা দ্বিতীয় অঙ্ক প্ৰায় এবছৰ আৰু দ্বিতীয় অঙ্কৰ পৰা তৃতীয় অঙ্ক প্ৰায় দুই সপ্তাহৰ ব্যৱধান দেখুওৱা হৈছে। এতেকে প্ৰথম অঙ্কৰ পিছত দ্বিতীয় অঙ্কৰ দৃশ্যপটত অলপ সময়ৰ আঁচোৰ পৰিব। তাকে দেখুৱাবলৈ দুৱাৰ-খিৰিকিৰ আঁৰি থোৱা পৰ্দাৰ কাপোৰ দাৰিদ্ৰ্যৰ হেঁচাত আৰু যত্নৰ অভাৱত উৰলি যোৱা আৰু বেৰত চুণ-তেল নিদিয়াৰ কাৰণে অ'ত-ত'ত ৰং এৰি যোৱা আদি সূক্ষ্ম নিৰ্দেশ দিলেই যথেষ্ট হ'ব।

চৰিত্ৰ

মুনিহ

হৰকান্ত—এজন বয়োবৃদ্ধ লেখক - ৬২ বছৰ

গোপাল ঐ পুতেক (প্ৰথম পক্ষৰ) ৩৫ বছৰ

নাৰায়ণ—২য় পুতেক (দ্বিতীয় পক্ষৰ) ২৫ বছৰ

কেশৱ—৩য় পুতেক (দ্বিতীয় পক্ষৰ) ২২ বছৰ

সোণ - ৪ৰ্থ পুতেক (স্কুলীয়া ল'ৰা) ১৪ বছৰ

মুকুট ৫ম পুতেক (স্কুলীয়া ল'ৰা) ১০ বছৰ

পীতমল—ঘৰৰ পুৰণি চাকৰ

মকবুল—টেক্স কলেকট্‌ৰ

নৰহৰি মহাজন—গেলামালৰ দোকানী

পিয়ন

ডাক্তৰ

তিৰোতা

বিমলা—হৰকান্তৰ দ্বিতীয় পক্ষৰ ঘৈণীয়েক

সাবিত্ৰী—গোপালৰ ঘৈণীয়েক

কদমী—চুবুৰীৰ এজনী চাকৰণী

ৰুণু—(৮ বছৰীয়া সৰু ছোৱালী) গোপালৰ জীয়েক

নির্মলা অঙ্ক

১ম অঙ্ক

১ম দৃশ্য

(হৰকান্তৰ ঘৰৰ এটি কোঠা, এখন টেবুল, দুখনমান পুৰণি চকী, দাৰ, এমুৰীয়াকৈ এখন বিচনা থাকিব। কোঠাটো মলিয়ন।)

(এটা মোনাত বজাৰৰ বস্তু কেইপদমান লৈ হৰকান্ত সোমাই আহে।)

হৰকান্ত---অ' পীতমল ! পীতমল ঔ ! হেৰ, মৰিলি নেকি অ' ?

(বিমলা সোমাই আহে)

বিমলা—কিনো হ'ল ? এনেকৈ যে টেটুফালি চিঞৰিলে---তাক মই আমাৰ সংঘৰ অফিচলৈ কিবা খবৰ আনিবলৈ পঠাইছোঁ। কিয়নো পীতমলক ?

হৰকান্ত---এইয়া নিয়া। বজাৰখনত জুই লাগিল, বুজিছা ? মাছ অকণ পাবলৈ নোহোৱা হ'ল। যি অলপ ওলাইছে তাৰো জুই ছাই দাম। কামলৈকে যাব নোৱাৰি।

বিমলা—মাছ নেপালে ! ল'ৰাকেইটাই এতিয়া তেন্তে কি খায় ? আজি তিনি-চাৰি সাজে এটুকুৰা মাছ নাই। কেশৱটোৱে সুদা ভাত খায়ে পৰীক্ষা দিবলৈ গ'ল দেহি। (ভিতৰলৈ চাই) হয়ে এইজনী ! ভিতৰতে সোমাইনো কাৰ মূৰটো কৰিছ ?

(সাবিত্ৰী সোমাই আহে।)

এইয়া ল ! ল'ৰাহঁতলৈ এখন ভাজি-সাজিকে কৰগৈ। সিহঁতৰ স্কুললৈ যাবৰ সময় হয়হে।

(সাবিত্ৰীয়ে টোপোলা লৈ যাব খোজে)

হৰকান্ত -এটা মাগুৰ মাছ আনিছোঁ। গোপালক অলপ জোল কৰি দিবা। (সাবিত্ৰী যায়)

বিমলা -বজাৰত জুই লাগিছে বুলিছিল নহয় ? মাগুৰ মাছ ক'ৰ পৰা ওলাল ? নোৱাৰো মই জোল বনাব। কেঁচা খৰি। অতপৰে ফুঁৱাই ফুঁৱাই কোনোমতে ভাতকেইটা সিজাইছো। তাকে হৈ নাহে। চকু গৈ জুই অঙঠা যেন হ'ল। ---জোল বনাব ? সিনো ক'ৰ স্বৰগৰ পৰা আহিল ? ঘৰ ভাঙি থান থান কৰিলে। তাক আনি খুৱাওক। গাখীৰ খুৱাই সাপ পুহিছে !

হৰকান্ত তুমি তেনেকৈ নকবাচোন। বেমাৰী ল'ৰা। তাৰ অলপ যতন নকৰিলে হয়নে ?

বিমলা —যতন কৰা নাই ! কোনে যতন কৰা নাই ? তাৰ লগতেই দেখোন ঘৰ আটাইখন উপান্ত হ'ল। ধাৰে গৈ ডিঙি পালে। আমি কিবা বেমাৰ জাপি দিছিলোনে ? নিজৰ কৰ্মফল নিজে ভুগিব। তাক বিধে বিধে বান্ধি খুৱাবলৈ মোক বোপাইৰ ঘৰৰ পৰা বান্দী কিনি আনিছিল ? মই নোৱাৰোঁ।

হৰকান্ত -তুমি নোৱাৰা -বোৱাৰীয়েৰাক বনাব কোৱা। তাইতো সকলো বাহিৰৰ চকুতেই বান্ধে। তুমি কেৱল ভাতকেইটাহে বহোৱা। মইতো কৈয়েই আছোঁ —তুমি ৰন্ধা-বঢ়াৰ সকলো দায়িত্ব তাইক দি দিয়া। তোমাৰ গাও অসুখ। সমিতিৰ লেঠাও যথেষ্ট।

বিমলা —অ' মই এতিয়া অশৰণীয়া বোৱাৰীৰ হাতে ভাত খাম ? সেইখিনিহে আৰু বাকী আছে।

মোৰ কাৰণে ইমান ভাবিছে যদি, এজন বামুণকে ৰাখি নিদিয়ে কিয় ? সেইয়া দেবেন বাবুৱে কেনেকৈ বামুণ ৰাখিছে । তেৱোঁ সেই কেৰাণীহে । এজন বামুণ ৰাখি দিব নোৱাৰে –আহিছে অশৰণীয়া বোৱাৰীয়েকৰ ভাত ৰন্ধা খুৱাবলৈ ।

হৰকান্ত –বোলো হেৰা, অশৰণীয়া ছোৱালীৰ হাতে খালে কি হয় হে ?

বিমলা কি হয় আকৌ খু কুটিয়াই দেখুৱাই দিব লাগে । দেখা নাই ! নিজৰ গাতে চিকুটি নেচায় কিয় ? সেইয়া চকুৰ আগতে দেখোঁ বৌ-ৰৌ নৰকত পৰি পচি মৰিছে । নিজৰ বৰ পুতেককে নেচায় কিয় ? নৰক কিবা এখন বেলেগনে ? ইয়াতেই স্বৰগ,-ইয়াতেই নৰক ।

হৰকান্ত তুমি মনে মনে থাকা হে ।

বিমলা—কেলেই মনে মনে থাকিম ? আপোনাৰ পাপে মোকো নুচবনে ? মোৰ ল'ৰাহঁতক নুচুবনে ?

হৰকান্ত—হেৰা, তোমালোকেই দেখোন বৰ মিটিং গাই ফুৰা ? সিদিনা দেখোঁ গান্ধীৰ মিটিং পাতি বৰ সাৰ্বজনীন ভোজ পাতিলা । আনৰ কথাই নাই, সেই হৰিজনসকলকো দেখোঁ আনি লাইন পাতি কিবা অস্পৃশ্যতা নে সম্পৃশ্যতা দৰ কৰিলা ? এতিয়া তোমাৰ নিজৰ বোৱাৰীয়েৰাৰ হাতে ভাতকেইটা ৰান্ধি খালে চুৱা যায়নে ? আজা তৰকাৰী দেখোন খোৱাই -ভাতকেইটাতহে চুৱা ?

বিমলা সেইবোৰ মিটিঙৰ কথা । মিটিঙৰ আচাৰ মিটিঙত, ঘৰৰ আচাৰ ঘৰত । মিটিঙৰ কথা আনি ঘৰত সুমুৱাই ঘৰে মিটিঙে একাকাৰ কৰিব বিচাৰিছেনে ?

হৰকান্ত -এৰা, এৰা, ভেজাল দেশত ভেজাল কথা । দেখিছোঁ নহয় এই বৰ বৰ বক্তৃতা দিয়া সকলক । সেইয়া বক্তৃতাৰে তালফাল কৰা সেই হাজৰিকাৰ কি হ'ল দেখা নাইনে ? নিজেই চোৰাং বেপাৰত পৰি জেল খাব-লগীয়া নহৈছিলনে ? এতিয়া আকৌ সেই ৰবীন বৰুৱাই গোটেইখন দেশৰ সৰ্বস্ব হৈ উঠিছে । সি আছিল কি ? বিধবা ভাই-বোৱাৰীয়েকক ঠগি বৰ মানুহ হ'ল । চুৰি, দগাবাজি, লুণ্ডচামিৰ আছিল ওস্তাদ । মহলদাৰী কৰি মদত পানী মিহলাই চহকী হ'ল । আজি কেইটামান টকা হৈছে –সেয়েহে বৰ সবাহত বৰপীৰাৰ আসন পাইছে । ৰজাঘৰ-প্ৰজা-ঘৰ সকলোতে আগ শাৰীত ।

বিমলা আপুনি তেনেকৈ নকবচোন । হাজৰিকাৰ যে কথা কৈছে, হাজৰিকাৰ দৰে লোক আমাৰ দেশত কেইজন আছে ? সেইদিনা আমাৰ 'কফিটৰালৈ' তেওঁ নগদ ৫০০ টকা দান দিছে । ৰবীন বৰুৱাই কি ডাঙৰ কাম হাতত লৈছে জানে ? তেওঁ সমস্ত নিজ খৰচত এটা গান্ধী-মন্দিৰ বান্ধি দিবলৈ আমাৰ সংঘক কথা দিছে ।

হৰকান্ত হেৰা তেওঁৰ দৰে অন্যায় কৰি ধন ঘটিলে ময়ো চাৰি আলিয়ে চাৰি আলিয়ে তোমাৰ নামত তাজমহল সাজি দিব পাৰোঁহে । পিছে কেইদিনলৈ টিঘিল ঘিলাব ? নেদেখা জনে সকলো দেখি আছে নহয় ।

বিমলা – ইহ, এনে পুণ্যবানজন ওলাইছে ! নিজে এনে সন্থ মহন্ত যদি নিজৰ বৰ পুতেকৰ এইখন হ'ল কিয় ?

হৰকান্ত তুমি তাক লৈ টনা-আজোৰাখন কৰা কিয়হে ? তাক লৈ টনা-আজোৰা কৰিলে মোৰ সহ্য নহয় ।

(কণৰ প্ৰৱেশ)

কণ –ককাদেউতা, ককাদেউতা আপোনাক গা ধুবলৈ পানী দিছে ।

হৰকান্ত—এৰা, অফিচলৈ সময় হ'ল ।

(ভিতৰ সোমায়)

(কাপোৰ সোলোকায়—বিমলা ভিতৰ সোমায় । সোণ আৰু মুকুটে স্কুললৈ যোৱাৰ বেশত প্ৰৱেশ)

সোণ—দেউতা, আজি মোক চাৰি অনা পইছা লাগিব ।

মুকুট—মোকো লাগিব দেউতা ।

হৰকান্ত—পইছা কিয় অ' ?

সোণ—আজি খুব ডাঙৰ ফুটবল খেলা আছে । কলিকতাৰ মোহনবাগান ক্লাব আহিছে । খুব ডাঙৰ খেলা হব। স্কুলীয়া ল'ৰাৰ চাৰি অনাৰ টিকট ।

হৰকান্ত—ফুটবল খেলাত টিকট ? আমাৰ দিনত দেখোন খেল চাওঁতাক চাহ-তামোল খুৱাই-ছিল ।

সোণ—ইহ্, তোমালোকৰ দিনত দেখোন ফুটবল খেলা নাছিলেই ।

মুকুট—তোমালোকে বোলে ৰবাব টেঙাহে খেলিছিলা, মাই কৈছে নহয় । আমাক দিব লাগিব পইছা দিব লাগিব ।

হৰকান্ত—টিকটৰ দাম কিমান বুলিছ ?

সোণ—তিনিটকা, পাঁচ টকালৈকে আছে। আমাৰ স্কুলীয়া ল'ৰাৰ চাৰি অনা ।

হৰকান্ত—(জেপত বিচাৰি) ছ অনাহে আছে । অ' হব । তোৰ চাৰি অনা, তোৰ দু অনা ।

মুকুট—মোকো চাৰি অনা লাগিব ।

হৰকান্ত—ভায়েক ককায়েক থাকিলে ভায়েকৰ আধা মাচুল নহয় ?

মুকুট—ইহ্, সেইয়া স্কুলতহে ।

হৰকান্ত—অ' চৰকাৰী স্কুলতে হয় যদি খেলত নহব কিয় ? ভায়েক ককায়েক থাকিলে ভায়েকৰ আধা মাচুল ।

মুকুট—নহয়, আমাক চাৰিঅনা—চাৰিঅনা লাগিব।

হৰকান্ত—নহয় নালাগে বুজিছ ? মই কাগজত দেখিছোঁ আচল মোহনবাগান অহা নাই । পিছতহে আহিব । আচল মোহনবাগান আহিলে ময়ো যাম । তহঁতকো লৈ যাম। এতিয়া ফাঁকেৰেই চাবি ।

সোণ—ক'ত ফাঁক আছে ? গোটেই ফিল্ডতে ওখ বেৰা দিছে ।

হৰকান্ত—বেৰা বগাই চাবি।

সোণ—ইহ্, ইমান ওখ বেৰা কেনেকৈ বগাম ।

হৰকান্ত—হেৰ, টেনজিঙে হিমালয় বগালে । এভা-ৰেষ্ট শৃঙ্গত উঠিল । মহাকাশলৈ কুকুৰ উৰিল । তহঁতে সেইকণ বেৰাত বগাব নোৱাৰনে ? ইয়ালৈকে ল'ৰা হৈছ । গছৰ ওপৰত উঠি চাবি যা ।

মুকুট—মই পাৰিম । মই টেনজিং হম। (যায়)

সোণ—তই যদি টেনজিং হব, ময়ো হিলাৰী হম।

(যায়)

(হৰকান্ত ভিতৰ সোমায় তামোলৰ টেমাত তামোল ভৰাই লৈ সাবিত্ৰীয়ে মেজৰ ওপৰত থৈ যাব খোজে এনেতে বাহিৰৰ পৰা পীতমল আহে ।)

পীতমল—আই ক'ত ন-বৌ ?

সাবিত্ৰী—কিয় ? কি হ'ল ?

পীতমল—আয়ে সেই মাইকী অফিচটোলৈ পঠি-য়াইছিল । চলিহানী আইদেউক লগ ধৰি এই চিঠিখন দিবলৈ ।

(বিমলাই ভিতৰৰ পৰা মাত লগায়, বিমলাক অহা দেখি সাবিত্ৰীয়ে ওৰণী টানি ভিতৰ সোমায় ।)

বিমলা—কি পীতমল, চিঠি দিলি ?

পীত—আই— (মূৰ খজুৱায়)

বিমলা—কি হ'ল নকৱ কিয় ? অফিচটো চিনি পাইছিলিতো ?

পীত—পাইছিলোঁ আইদেউ । ঠিক সোমাব খোজো-তেই এজনে ক'লে সেইটো হেনো মাইকী মানুহৰ অফিচ । তাত মতা মানুহ সোমালে

হেনো পুলিচে ধৰে।

বিমলা -পুলিচে ধৰিলে তোক মই পঠাওঁনেকি?

পীতমল - দুবাৰো সোমাব খুজিছিলোঁ আই। মনতে ভাবিলোঁ। মৰাৰ আগতে এবাৰ আই-সকলক দেখা কৰি মৰাই ভাল।

বিমলা---মূৰ্খ! যা, এতিয়াই যা। একেলৰে গৈ চলিহানীক লগ ধৰি উত্তৰ আনগৈ। কিমান জৰুৰী কাম। কত বা কি লাগে? কত বা কি মিটিং আছে! যা, একেলৰে যা।

(পীতমল যাব খোজে)

বিমলা—অ' ৰ'! তোক যে কণী আনিব দিছিলোঁ, আনিলি?

পীতমল গোটেইখন বজাৰ ঘূৰি আই, এটা ভাল কণী বিচাৰি উলিয়াব নোৱাৰিলোঁ। এৰা, ভিতৰত ভাল নে বেয়া এই নৰমনিচৰ চকুৰে কেনেকৈ ধৰোঁ? সেই কাৰণে বাপেকে এই হাঁহজনীকে কিনি লৈ আহিছোঁ।

(হাঁহ উলিয়াই দিয়ে।)

বিমলা -হেৰ' সৰু মই হাঁহ কি কৰিম? কণীহে আনিব দিছিলোঁ। কিমান ললে?

পীতমল দুটকা ললে।

বিমলা -দুটকা ললে! যা, এতিয়াই ঘূৰাই দি আহগৈ।

পীতমল বজাৰ ভাঙি ক'ৰ কালৈ কালৈ গললগৈ, মই এতিয়া ক'ত ফিৰাওঁ? (কান্দে)

বিমলা —ইহ্, কান্দি দেখুৱাব আহিছে! য'তে পঠাব ত'তেই আউল লগাই আহিব। কেঁচুৱা হৈ গৈছে। বিয়া কৰাই দিলে তিনি-চাৰিটাৰে বাপেক হলি হয়। তেনেখন নকৰিবি, চৰত দাঁত ভাঙি যাব।

(হৰকান্ত আহে)

হৰকান্ত —কি হৈছেহে? গোটেইখন খদম-দম লগা-ইছা দেখোন।

বিমলা- দেখিছেনে এই গৰুটোক! মই তাক দুটা কণী আনিবলৈ দুটা টকা দিলোঁ, বোলো, কণী দুটাও আনিবি—সমিতিৰ কামত যাওঁতে ৰিক্সাও লাগিব। অ', সি মূৰ্খই কণী ভাল-বেয়া বিচাৰ কৰিব নোৱাৰি দুটকাৰে এজনী হাঁহ কিনি আনিছে।

হৰকান্ত —ভালেই কৰিছে। সি মূৰ্খ নে বুধিয়ক, কণী অনাতকৈ কণীৰ মাককে কিনি আনিছে।

(পীতমলে হাঁহে)

বিমলা —চুপ! আপুনিও সেয়ে। দিয়ক তাক উচ-টাই। মই সদায় সমিতিৰ কামত যাওঁতে, চলিহানীৰ তাত সোমাওঁ। সদায় মামলেট বা কেকেৰে চাহ দিয়ে। আজি ভাবিছিলোঁ চলিহানীক এইফালে সোমাই যাবলৈ লিখি পঠাওঁ। এক কাপ চাহ আৰু মামলেটকে কৰি খুৱাম। অ', সি গৈ সেইখন কৰি আহিল। তাৰ লগত এতিয়া ক'ত মৰে, ক'ত তৰে।

হৰকান্ত এৰা এৰা, তোমালোকৰ এই মামলেট খোৱা মিটিঙেহে দেশ তৰাব—বুজিছা? হেঃ হেঃ হেঃ—

(বাহিৰত ঘনাই মটৰৰ হৰ্ণ বাজে)

বিমলা সেইয়া বোধহয় চলিহানী আহিলেই। ছিঃ ছিঃ মোৰ ওলোৱাই নহব। চাওঁ—

(বেগাই ওলাই যায়)

হৰকান্ত পীতমল! কি অ' তহঁতৰ গাঁৱৰ ফালে এনেকৈ মাইকী মানুহৰ মিটিং বহে নে নবহে অ'?

পীতমল —আমাৰ ফালে মিটিং নহয় দেউতা, মেলহে বহে। তিৰীৰ নহয়, মুনিহৰ। তিৰীৰ মেল মাৰিবলৈ সময় কত? গাই দোৱাব লাগে, গোবৰ পেলাব লাগে, ভুঁই কৰ লাগে, মাহ তুলিব লাগে, ভাত ৰন্ধাব লাগে, তাৰ উপৰি তিৰীৰ মেল মৰা স্বভাৱ

ভাল নহয় দেউতা। কথাতে কয়—তিৰীৰ মেল কলৰ ভেজ---।

(ৰিমলা আহে)

বিমলা—পীতমল।

পীতমল—নহয়—নহয় আই, মই আপোনাক কোৱা নাই। দেউতাক হে কথাটো কৈছোঁ।

বিমলা—তই আৰু যাব নালাগে বুজিছ। যা, ভিতৰত কাম কৰগৈ। আজি ৰৌমাৰীত মিটিং আছে। এতিয়াই যাব লাগিব। আকৌ দেওবাৰে মদাৰতলা নাৰীমঙ্গল সমিতিৰ প্ৰথম বাৰ্ষিক অধিবেশন পাতিছে, তাত চলিহানী সভানেত্ৰী, মই নিৰ্দিষ্ট বক্তা। এইয়া দেখিছে কাগজ ছপা কৰি পঠিয়াইছে।

(পীতমল যায়)

হৰকান্ত—চলিহানীৰ নাম নিৰূপমা নেকি ?

বিমলা—অ'।

হৰকান্ত—তোমাৰ নামটো দেখোন ভুলকৈ লেখিছে। তোমাৰ নাম বিমলাবালা কাকতীহে। ইয়াত দেখোন বিমলালয়া কাকতী লেখিছে।

বিমলা—ময়ে কৰিছোঁ। বিমলাবালাটো বৰ বেয়া শুনি। সেয়েহে বিমলালয়া কৰি লৈছোঁ। ছপাত নামটো বৰ সুন্দৰ দেখা হৈছে, নহয়নে ?

হৰকান্ত—নামটো ভাল কৰিলে কি হ'ব ? ৰূপটো ভাল কৰা।

বিমলা—(অলপ কেৰাহিকৈ চাই হাঁহি) জোকাই নলব দেই।

হৰকান্ত—বাৰু যোৱা! ৰেচনৰ বেগ দুটা লৈ আহা, পিছত মিটিঙলৈ যোৱা, জহন্নামে যোৱা, ঘ'তে যোৱা—গৈ থাকিবা।

(বিমলা সোমাই যায়। হৰকান্ত অফিচলৈ যাবলৈ সাজু হয়।)

হৰকান্ত—হেৰ, কোন আছ, বেগ দুটা বেগাই লৈ আহ।

(পীতমলে বেগ দুটা লৈ আহে।)

পীতমল—দেউতা, গধূলি আহোতে আয়ে অলপ ছাগলীৰ মঙহ আনিবলৈ কৈছে।

হৰকান্ত—নালাগে যা। মিটিঙতে খাই আহিব কবি। নাপালে মোৰ মঙহকে চোবাবহি—যা।

(ওলাই যায়)

পীতমল—দেউতাও ভাল। খওেই কৰে নে ৰওেই কৰে ধৰিবই নোৱাৰি। এ' নানিলেওতো হাতৰ পাঁচ হাঁহজনী আছেই নহয় হেঃ—

(ভিতৰলৈ সোমায়)

(বিমলা সাজি-কাচি অলপ বেগাই সোমাই আহে। মিটিঙলৈ যোৱা বেশ। টেবিলত থকা সৰু আচৌখনত মুখখন চাই হঠাৎ মুখটো বেয়া লগা যেন কৰি চকীত বহে।)

বিমলা—অ' আই, মুখটো কেনেখন কৰিছে!

(অফিচলৈ যোৱাৰ বেশত সাবিত্ৰী, বিমলাৰ ওচৰলৈ গৈ যাবলৈ অনুমতি বিচাৰি ভয়ে ভয়ে কাষত থিয় হয়)

সাবিত্ৰী—আই!

বিমলা—কোন! মোৰ মুখটো বৰ বেয়া লাগিছে।

সাবিত্ৰী—(নিজৰ ছাতিটো টেবুলত থৈ—বিমলাৰ মুখটো ধৰি।) ইস্, বৰকৈ ঘামিছে। চাওঁ আই।—অ' পীতমল--পীতমল—এইফালে আহচোন।

(পীতমল লৰি আহে)

পীতমল—কি হ'ল ন-বৌ ?

সাবিত্ৰী—চাওঁ, বিচনী এখন আনচোন, আৰু সেই ৰেকচলাতে তেলৰ বটলটো আছে, আনচোন।

(লৰালৰিকৈ পীতমলে এটা এটাকৈ বস্তুকেইটা গোটাই দিয়ে।)

পীতমল—কি হ'ল ন-বৌ ? আইৰ কি হ'ল? মাত-বোল আছে নে নাই। আই গলেনো ঘৰখনৰ কি বিলৈ হব ঐ! আজি আকৌ দেউতাক ছাগলীৰ মঙহো আনিবলৈ কৈছিল। (কান্দে)

সাবিত্ৰী—এই, তই এনেখন কৰিছ কিয় ? মূৰ ঘূৰাইছে—ভাল হব।

পীতমল—নাই—নাই—মই বোপাদেউতাক মাতি আনো।

(লৰ মাৰে)

কণু—(ভৰি আহে) আইতাৰ কি হ'ল মা ?

সাবিত্ৰী—একো হোৱা নাই কণু। এতিয়াই ভাল হব। মূৰ ঘূৰাইছে।

কণু—আইতা—আইতা !

বিমলা—কি বাছা।

সাবিত্ৰী—আপুনি কথা নকব আই। অলপ তলকা মাৰি থাকক।

(পীতমলে গোপালক চকা লগোৱা চকী এখনত বহুৱাই ঠেলি আনে। অহাৰ লগে লগে গোপালে উদ্বিগ্ন হৈ চিঞৰি আহে।)

গোপাল—কি হৈছে—কি হৈছে মাহীদেউ। (সাবিত্ৰীলৈ চাই) কি হল ?

সাবিত্ৰী—মূৰটো বেয়া লাগিছে বুলিছে।

গোপাল—মূৰটো বেয়া লাগিছে ? চাওঁ।

(অসহায় হৈ ইফালে সিফালে চায়। সাবিত্ৰী আহি চকীখন ঠেলি দিয়ে। গোপালে মাহীয়েকৰ হাতখন চায়।)

পীতমল—চাওক বোপাদেউতা। ভালকৈ চাওক। নাড়ী চাওকচোন। নাড়ী চাবি আছেনে ছিঙি গ'ল। ইফালে দেউতাক ছাগলী মঙহো আনিবলৈ কৈ পঠালে। কাৰ ভোজ কোনে খায় ! (কান্দে)

গোপাল—পীতমল !

বিমলা—উস, এতিয়াহে অলপ ভাল পাইছো।
(মূৰ দাবে)

পীতমল—শুৱাই দিয়ক—শুৱাই দিয়ক নবৌ। ভ্ৰম বকিছে—সান্নিক—বেয়া লক্ষণ।

বিমলা—উস, তামোলখন খাই দিয়াৰ লগে লগেই একেবাৰে মূৰটো জন্‌জনাই আহিল। বগৰাই দিয়া যেন পালোঁ।

গোপাল—মই আকৌ মাহীদেউ আপোনাৰ Heart trouble তো আৰম্ভ হ'ল বুলি ভয় খাইছিলো। বুকুখন একেবাৰে চিৰিং কৰে গ'ল।

পীতমল—এস্,মোৰ আকা। বুকুখন ধান বনাদি বানিব ধৰিলে। পিছে তামোলে মূৰত ধৰা—ইয়ো এটা এলাপেচা কথা নহয়। আজি বৰ ডাঙৰ বিপত্তি আহিল। উস্, বৰ ৰক্ষা কৰিলে কেঁচাইখাইতীয়ে।

গোপাল—এতিয়া অলপ ভাল পাইছে নহয় মাহীদেউ ?

বিমলা—নাই, মূৰটো একেবাৰে পাতল লগা নাই।

গোপাল—তেনেহলে বিছনাতে অলপ বাগৰ দিয়ক মাহীদেউ।

বিমলা—বাগৰ দিবলৈ সময় আছে ক'ত ? এতিয়াই যাব লাগিব। দেশ ডাঙৰ নে দেহ ডাঙৰ।

পীতমল—আই, একেবাৰে ভাল পাব। এঘটি নিমখপানী খাওক। একেবাৰে শাঁত পৰি যাব।

বিমলা—নহয়—মোৰ একাপ চাহহে খাবলৈ মন গৈছে।

গোপাল—(সাবিত্ৰীলৈ) তোমাৰ অফিচলৈ--- ?

সাবিত্ৰী—হব। চাহকাপ হওঁতেনো কিমান সময় লাগিব ?

(ভিতৰলৈ যায়)

(বাহিৰত মটৰৰ হৰ্ণ)

বিমলা—সেইয়া—সেইয়া মটৰ আহিলেই। চাহ নালাগে। মই যাওঁ।

(বেগেৰে ওলাই যায়। পিছে পিছে পীতমলো যায়।)

গোপাল—হেৰা! চাহ নালাগে, মাহীদেউ গলেই। তোমাৰ অফিচলৈ পলম হব, যোৱাহি।

(সাবিত্ৰী আহে। —দূৰত থানাত বাৰ বজাৰ ঘন্টা পৰে।)

সেইয়া বাৰ বাজিলেই। তোমাৰ duty কেইবজাৰ পৰা ?

সাবিত্ৰী--বাৰটাৰ পৰা—আঠটালৈ।

কণু—মা—মোলৈ মূৰত মৰা ফিটা আনিবা দেই।

সাবিত্ৰী—আনিম সোণ! তুমি কিন্তু দেউতাক আমনি নকৰিবা দেই।

কণু—নকৰোঁ মা।

(সাবিত্ৰী যায়—কণুও ভিতৰ সোমায়। বাহিৰৰ পৰা পীতমল আহে।)

গোপাল—মাহীদেৱে ভাল ভয়খন খুৱালে। কথাতে কয়—কক্কেকৰ ভোজ খাওঁতা নাই।

পীতমল—এ, নকব বোপাদেউতা। যেনেকৈ চকু পাতিছিল মই বোলো আধ্যায়েই। ভোজ খোৱাৰ কথা ঠিকেই কৈছে বোপাদেউতা। দেউতা ওলাই যাবৰ সময়ত মানুহজনীয়ে নিজে ছাগলীৰ মঙহ আনিব ক'লে। মৰিলেও আশা লৈ মৰিল হয় বোপাদেউতা। যখিনী হৈ জনম ধৰিলেহেঁতেন।

গোপাল—বাৰু পীতমল! তই যাচোন, এই বাপু-হঁতৰ পৰা আজিৰ খবৰ কাগজখন খুজি আনগৈ, পঢ়ি এতিয়াই দিব বুলি কবি।

পীতমল—বাৰু, আনিছোঁ।

গোপাল—কণু!

কণু—দেউতা— (ভিতৰত)

গোপাল—কি কৰিছ আই? এইফালে আহচোন।

কণু—উমলিছোঁ। (আহে) কিয় দেৱতা—কিবা লাগেনেকি?

গোপাল—নাই! এনেয়ে মাতিছো—মাৰে যে শিকাই-ছিল, সেই পদটো মনত আছেনে?

কণু—আছে।

গোপাল—বাৰু কচোন।

কণু—কোনটো কম? নতুন গান এটাও শিকাইছে নহয়। দুয়োটা কৰিম দেই।

গোপাল—বাৰু -বাৰু।

কণু— "মই হ'ম সৰোজিনী
সুপ্ত ভাৰতক জগাই তুলিম
ঢালি সঞ্জীৱনী
মই হ'ম কনকলতা
প্ৰাণ বলি দিও উদ্ধাৰি আনিম
দেশৰ স্বাধীনতা।"

এতিয়া গান গাম দেই—

(খবৰ কাগজ লৈ ভোৰভোৰাই খণ্ডেৰে পীতমলৰ প্ৰৱেশ।)

গোপাল—কি অ'—কি হ'ল? কাগজ পালি?

পীতমল—পালোঁ। এইখন। ময়ো শিকাম বাগেৰে। জোকাই লৈছ।

গোপাল—কি হৈছে অ'—কাক বকিছ?

পীতমল—সেই কদমী নে লুধুমীজনীক। ইমান সাহ তাইৰ! মই কাগজখন লৈ আহিছোঁ—তাই পিছফালৰ পৰা লেনিয়াই মাতিছে—'পীতমলকাই—কেইটামান বগৰী পাৰি দিয়া না'।

গোপাল—তাৰ পিছত?

পীতমল—মই বোলো মোৰ সময় নাই। তাই নেৰে। ক'লে, 'পাৰা—তুমি আধা নিবা।' মই বোলো, কণুৰেও ভাল পাব। বোপা দেউতাও এনেয়ে আছে---। দুটামান লৈ যাওঁ। ইয়াকে ভাবি গছত উঠিলো। বগৰী কাঁইটৰ আঁচোৰ লাগি চাওকচোন এইবোৰ কি হ'ল। পকা পকা বগৰী এগাল পাৰিলো। নামি আহি যে খোজো—মোৰ ভাগ দিয়া'। ক'ত বগৰী দিব, গোটেই গাল বুকুতে ভৰালে, হাত পাতোতে কয়—'যা, কটা বান্দৰ, নিজৰ বাট ল'। এনে খং উঠিছিল যেন কেঁচাই কেঁচাই চোবাই দিম হো।

গোপাল—ধেৎ, নাপায়! লোকৰ বস্তুলৈ হাবি-য়াস কৰ? যা, একো ডাঙৰ বস্তু নহয়। বাটে-ঘাটে বগৰীৰ আকাল লাগিছেনে?

পীতমল—নহয় বোপাদেউতা। মই তাইৰ আক্-কেলটোৰ কথাহে কৈছোঁ।

গোপাল—বাৰু যা—কি কাম-বন আছে কৰগৈ। কণু!

কণু—দেউতা!

গোপাল—তোৰ কিতাপখন আন।

(লৰি গৈ কিতাপখন আনে)

গোপাল—পঢ় । ডাঙৰ ডাঙৰকৈ পঢ় । এইবাৰ স্কুলত নাম লিখিব লাগিব ।

(কণুই কিতাপ পঢ়ে। গোপালে খবৰ কাগজ পঢ়ে। পীতমলে ভিতি মেলি মেলি কদমীলৈ চায়। শেষত ভিতৰৰ পৰা এপাট গুলটী আনি গুলটী মাৰে। দুৱলিৰ পৰা ৰিণি ৰিণি কাপোৰ আচাৰাৰ শব্দ হয়। মাজে মাজে দলি পৰা দেখি কদমীয়ে চক খায়। পীতমলে আমোদ পায়। পীতমলে আকৌ উঠি গৈ ইফালে-সিফালে চাই টেবুলত থকা আচীখন পাই হঠাতে মনত কিবা বুদ্ধি খেলায়। আচীখন আনি ৰ'দত পেলাই কদমীৰ মুখত ৰ'দৰ জিলিঙনি পেলাব খোজে। কদমীয়ে এডাল লাঠি লৈ খেদি আহে। পীতমল ভয়ত লুকায়।)

কদমী—আজি ক'ত সাৰিবি ? দাঁত গোটেইকেইটা ভাঙিম । তোৰ ইমান সাহ ! লাই পোৱা কুকুৰে গললৈকে জঁপিয়ায়। বেটা নিধক!

কণু—দেউতা—দেউতা ।

গোপাল—কি হৈছে—কি হৈছে কদমী ?

কদমী—সি দগাবাজ ক'ত গ'ল ? বুঢ়ীমাকক জোকাই লোৱাৰ পচতিখন দিম নহয় ।

গোপাল—কি হৈছে হেঁ ! তই কাৰ কথা কৈছ ?

কদমী—আপোনালোকৰ সেই গোলাম পীতমল নে চীতমল । সেইডালৰ কথা কৈছো । তাৰ ইমান তেল ! মুখত আইনা পেলাই ধেমালি কৰিবলৈ আহিছে । মোক সি চিনি পোৱা নাই । মই আজি তাৰ বুঢ়ীমাকৰ বিয়া দেখুৱাম । সি কোন বৈকুণ্ঠত লুকাই সাৰিব ।

গোপাল—ছিঃ ছিঃ—ইমান খং কৰিব পায়নে ? কি হৈছে কচোন ?

কদমী—সি নিধকে চল পালেই মোৰ লগত ভেঙুচালি কৰে। দিনে-নিশাই মোক ঘৰৰ বাহিৰ হব নোৱৰা কৰিলে । যেতিয়াই দেখিব তেতিয়াই চকুৰ ইচৰা কৰিব। কাণ খজুৱাৰ চলেৰে হাত বাউল দিব। আৰু কত কি—সেইবোৰ কবলৈ লাজহে লাগে ।

গোপাল—পীতমল ? সি ইমান দুষ্টনে ?

কদমী—আজি এতিয়া কাগজ আনিবলৈ গৈছে । কাগজ পাইছ, ভালে ভালে গুচি আহ । অ' সি ক'ত আহিব ! চুপতি মাৰিবলৈ মোৰ কাষ চাপিল । আমাৰ তলসৰা বগৰী এটা দলিয়াই কব—'খা মোৰ লাহৰী' ! আকৌ আন এটা দলিয়াই কয়, 'খা মোৰ পানেশৈ'! আকৌ এবাৰ কয়, 'ল মোৰ বাখৰ কেৰা'। খেদা মাৰিছিলোঁ, ধৰিব পৰা হলে তাৰ বাপেকৰ বিয়া দেখুৱালোঁ হয়। পিছে পাইছে উজুতি খাই যিটো আফল খাইছে, তাতেই ভালকৈ পাই গৈছে ।

গোপাল—তই জানো তাক বগৰী পাৰিবলৈ দিয়া নাছিলি ? সি দেখো কৈছে—তইহে তাক বগৰী পাৰিবলৈ কৈছিলি ।

কদমী—ইস, মই তাৰ বগৰী খাবলৈ নাপাইহে মৰিছোঁ । দেখিছেনে তাৰ জীয়া ফাঁকিখন। দেখাত হাবাং কিন্তু তলে পুতল ।

গোপাল—বাৰু ৰবি । অ' পীতমল । পীতমল !!

(পীতমলে টেবুলৰ তলত সোমাই আছিল। তাক মতা দেখি ধৰা পৰা যেন দেখি টেবুলৰ কাগজখন টানে। টেবুলৰ ওপৰৰ বস্তবোৰ ধুম কৰে পৰি যায়।)

কদমী—চোৰ সেইটো । সেইটো । আজি ক'ত সাৰিবি ?

পীতমল—অ' বোপাদেউতা, ৰক্ষা কৰক । এই বাঘিনীৰ পৰা ৰক্ষা কৰক ।

গোপাল—কদমী ! কদমী !! মোৰ কথা শুন ।

(কণুৱে কাণ্ড দেখি ভয়ত দেউতাকক সাবটি ধৰে।)

কণু—(ভয়ত) দেউতা ! দেউতা !

গোপাল—পীতমল ! এইফালে আহ । এইখিনিতে থিয় হ ।

(পীতমলে তেনে কৰে)

আজিৰ পৰা আৰু তেনে নকৰোঁ বুলি ক্ষমা খোজ।

পীতমল—এই কাণত ধৰিছোঁ। আজিৰ পৰা আৰু কেতিয়াও তিৰীৰ লেনিওৱা কথাত বিশ্বাস নকৰোঁ বোপাদেউতা।

গোপাল—কদমী—হৈছেতো। আজিৰ পৰা সি কিবা ক'লে মোক কৈ দিবি।

কদমী—আজি ককাইদেউৰ কাৰণেহে ৰক্ষা পৰিলি—যা।

পীতমল—হৈছে হৈছে—যা। মোৰ খং তুলি নলবি। ভাল মানুহৰ জীয়েক হব যদি ভালে ভালে মোৰ মূৰত মৰা 'পালাচতিকৰ' কিলিপ দুটা আৰু জেকেট চোলাটো দি যাবি।

(কদমীয়ে চকু ঘোপা কৰি চাই গুচি যায়। পীতমলে জিভা উলিয়াই মুখ ভেঙিয়াই আনফালে ভিতৰ সোমায়।)

গোপাল—এই পীতমল! মুৰি-তুৰি কিবা আছে যদি অলপ কণুক দিবি—যা কণু।

(কণু যায়—গোপালে কাগজ পঢ়ে। সোণ আৰু মুকুটৰ স্কুলৰ পৰা অহা বেশত প্ৰবেশ। কিতাপ পেন্সিল টেবুলত থয়।)

গোপাল—কি অ', আহিলিয়েই দেখোন। স্কুল হাফ হ'লনেকি?

সোণ—হাফ নহয় Strike.

গোপাল—কিহৰ Strike?

সোণ—কব নোৱাৰোঁ। (ভিতৰ সোমায়)

গোপাল—মুকুট—কি অ', কি হ'ল? কিহৰ Strike হ'ল?

মুকুট—সেই—সেই—কি কয়—অ', ইনক্লাব জিন্দাবাদ-- (ভিতৰ সোমায়)

গোপাল—ইনক্লাব জিন্দাবাদৰ Strike.

(পীতমল আহে)

পীতমল—বোপাদেউতা! বোপাদেউতা! সোণ আৰু মুকুটে মুৰি-চেনি সোপাকে খাই সাং কৰিলে। কলে আকৌ—মোকেই মাৰিব খোজে।

গোপাল—মই কি কৰিম? সিহঁতক ভালকৈ ক'লে সিহঁত বুজা হৈছে—শুনিব।

(হাত-মুখ ধুই কামিজৰ আগত মুখ মচি মচি আগে আগে সোণ, পিছে পিছে মুকুট আহে আৰু বাহিৰ ওলাই যাব ধৰে।)

গোপাল—ক'লৈ যাব মুকুট?

মুকুট—ফুটবল খেল চাবলৈ।

গোপাল—বাৰু শুনচোন, শুন। এই কাগজখন বাপুহঁতৰ তাত দি যাবি দেই—

মুকুট—দিলে মোক কি দিবা?

গোপাল—ৰাতিলৈ বাৰু ভাল সাধু এটা কম—যা।

মুকুট—ঠেং কিয়ুচ। (যাব খোজে)

গোপাল—হেই হেই—শুন। ঠেং কিয়ুচ নহয়—Thank you, বুজিছ।

মুকুট—Thank you, Thank you (ওলাই যায়)

(পীতমল আহে)

গোপাল—পীতমল! কণুৱে কি কৰিছে অ'?

পীতমল—এটা এটাকৈ মুৰি খাব ধৰিছে। এটাও পেলোৱা নাই। বৰ লক্ষ্মী ছোৱালী। ন-বৌয়ে ভাগে ভাগে থৈ গৈছিল। সোণ আৰু মুকুটে সকলোখিনি মহতিয়াই খাই থলে। দেউতাৰ ভাগৰ, আইৰ ভাগৰ, আপোনাৰ ভাগৰো আনকি কেশৰ বোপাৰ ভাগৰখিনিও খালে।

গোপাল—তোৰ ভাগৰখিনি আৰু?

পীতমল—পিছত সময় নেপাওঁ বুলি মোৰ ভাগৰ-খিনি ন-বৌ যোৱাৰ পিছতে মই খাই থৈছোঁ।

গোপাল—তই নিজে খালি নে কদমীক দিলি?

পীতমল—(লাজ কৰি) ইস্, বোপাদেউতাই যে কি কয়?

গোপাল—বাৰু, বাৰু ইমান লাজ কৰিব নালাগে। যা, কাম-ধমখিনি অটাই লগে।

পীতমল—সকলো ঠিক কৰি থৈছোঁ। এমে চিজিল

লগাই থৈছোঁ বোপাদেউতা, কণা-মানুহৰো একো অসুবিধা নহব বুলিছো নহয়। এ—দেউতাচোন আহিলেই।

গোপাল—দেউতা আহিছে ? যা —যা জুইকুৰা ধৰি দেগৈ।

(পীতমল ভিতৰ সোমায়। হাতত বেচনৰ বেগ লৈ হৰকান্তৰ প্ৰৱেশ। ছাতিটো বেৰত ওলোমায়— কাপোন-কানি সলায়।)

হৰকান্ত—মাহীদেৱেৰ নাই হবলা ?

গোপাল—নাই! ক'ৰবাৰ মিটিঙলৈ গৈছে। আজি মাহীদেৱে বৰ ভয় খুৱালে। তামোলে মুৰত ধৰি মুৰ ঘুৰাই পেলাই দিছিল। মই আকৌ Heart trouble তো উঠিল বুলিহে ভয় খাইছিলোঁ। কণুৰ মাকে তেল-পানী দি বিচি দিওঁতে ভাল পালে।

হৰকান্ত—অ', এইটো ল'। বোৱাৰীৰ অসুখটোৰ দৰৱ। গাঁৱৰ এজন কবিৰাজৰ বৰ প্ৰমাণী দৰৱ বোলে। আমাৰ ফাৰ্মৰ এজন কেৰাণীয়ে আনি দিছে। তেওঁৰ ঘৈণীয়েকৰো এই এক অসুখেই হৈছিল বোলে। দুপালি খুৱাওঁতেই একেবাৰে ভাল পালে। (দৰৱ দি তই নিজে মন কৰি খুৱাবি। তাইৰ স্বাস্থ্যৰ কাৰণে বৰ চিন্তা হৈছে! দিনটো অকিচত কাম কৰে—আহিয়েই ঘৰৰ সকলো লেঠা মাৰিব লাগে। জিৰণি তাইৰ নাই বুলিলেই হয়। তদুপৰি মনত অশান্তি।

(পীতমলে এঘটি পানী আনি দিয়ে।)

গোপাল—পীতমল! দেউতাৰ এ-কাপ চাহ কৰিব পাৰিবিনে ?

হৰকান্ত—নাই! ক'ৰ এই জলহটোৰ হাতে চাহ খাবি অ' মই নিজে কৰিম।

পীতমল—দেউতা! আই অহাত হলে পলম হব বুলিছে। ভাতকেইটা আপোনাকে বহাব কৈ গৈছে। আপোনাৰ এটিন, আইৰ, ন-বৌৰ, সোণ আৰু মুকুটৰ একটিনকৈ পাঁচটিন। বোপাদেউতা আৰু কেশৱ বোপাৰ গাইপতিকৈ দুটিন, আৰু মুঠ দুটিন ধৰি—এই ১১ টিন চাউল বহাব কৈ গৈছে।

হৰকান্ত—যা অ', এইটো। টিনে টিনে চাউল খুৱাবলৈ মই এবাহ গাহৰী পুহিছোঁ।

পীতমল—আয়ে কৈ গৈছিল দেখিহে কৈছো আকৌ।

হৰকান্ত—আজি নাৰায়ণৰ পৰা এখন চিঠি পাইছোঁ। সি বৰ মস্কিলত পৰিছে। সি মাত্ৰ ১০ টকা লৈ গৈছিল। হাতত টকা-পইছা নাই। ই ফালে হোটেলৰ তাগিদা। কামৰো একো সুবিধা কৰিব পৰা নাই। দুই-এদিনতে দুকুৰিমান টকা পঠাব নোৱাৰিলে তাৰ বিপদেই। এইখন চা।

(গোপালে চিঠি পঢ়ে—হৰকান্ত ঘটি লৈ ভিতৰ সোমায়। মুখ ধুই আহে।)

গোপাল—এৰা, তাৰ বৰ অসুবিধা হৈছে। কামটো হওক বুলিয়েই লৰালৰিকৈ পঠিওৱা হ'ল।

হৰকান্ত—এইবোৰ ভাবি-চিন্তি আজি মূৰটো বেয়া লাগি আছে। মাহীদেৱেৰো সেই। পিছে কিনো দায় দিবি। পঢ়া-শুনা থাকিলেহে। সেয়েহে এৰি দিছোঁ। যি কৰে তাকে কৰক। তেৱেঁই শান্তিত থাকক।

গোপাল—কণুৰ মাকৰ বাগিচাৰ মোমায়েকে দিয়া এডাল হাৰ আছে। ওজন তিনি তোলামান হব। কাইলৈ সেই ডালকেই দিম, আপুনি কিবা ব্যৱস্থা কৰিব।

(হৰকান্তই সম্মতি জনাব নোৱাৰি মনে মনে থাকিল। ভিতৰত মটৰৰ হৰ্ণ বাজে।)

সেইয়া মাহীদেউ আহিল বোধহয়।

হৰকান্ত—এইবোৰ কথা আকৌ তেওঁক নকবি।

(ভিতৰলৈ যায়)

গোপাল—এঃ, নাৰায়ণ দেখোন ?

(নাৰায়ণ আহে)

কি হ'ল ? কেনেকৈ আহিলি ? তোৰ চিঠি আজিহে পাইছোঁ। তোৰ কথাকেই পাতি আহিলোঁ ।

নাৰায়ণ—চম্পট দিছোঁ । উস্, বাপ, নৰক কুণ্ডৰ পৰা উদ্ধাৰ হোৱা যেন পাইছোঁ ।

(হৰকান্ত সোমাই আহে)

হৰকান্ত—হোটেলৰ টকা-পইছা ?

নাৰায়ণ—হোটেলত Luggage-পত্ৰ এৰি কোনো-মতে প্ৰাণ লৈ পলাই আহিছোঁ । উস্, দিন-ৰাতি কিমান তাগিদা সহ্য কৰিম । ফাঁকি দিওঁতে দিওঁতে জিভা সঁচাৰ কালে নুঘুৰাই হৈছে । দুদিনতে কামটো হৈ যাব বুলি আজি এমাহেও নহ'ল। হোটেলৱালাৰ গাতেই বা দোষ কি ? তাৰ সেইটো Business হে ।

গোপাল—এৰা, তই বৰ কষ্ট পালি ।

হৰকান্ত—কি কি বস্তু এৰি আহিলি ?

নাৰায়ণ—ন-বৌৰ চুটকেছটো । অৱশ্যে সুদা-ভিতৰত একো নাই । বিছনাখনত ন-বৌৰ ভাল Rugখন । কম্বল এখন, গাৰু দুটা আৰু Bed coverখন । গাৰুৰ গিলিপ দুটা যেনিবা আনিছোঁ ।

হৰকান্ত—কেনেকৈ আনিলি ?

নাৰায়ণ—আজি দুই-তিনি দিনে এপদ এপদকৈ বস্তু সৰকাই আমাৰ লগৰ ল'ৰা এজনৰ দোকানত ৰাখিছিলোঁ । আজি আহোঁতে আকৌ এটা পেণ্ট, এটা পাইজামা, দুটা কামিজ, এটা জহৰকোট আৰু গাত এই এণ্ডি চাদৰখন মেৰিয়াই গাটোকে Holdall বনাই—পুলিচবজাৰ বুলি উজানবজাৰ ওলাইছোঁহি ।

হৰকান্ত—কিন্তু ইমানবোৰ বস্তু এৰি থৈ---

নাৰায়ণ—বস্তু গ'লে আকৌ পাম । কিন্তু প্ৰাণটো গ'লে আকৌ ক'ত পাম ? কিন্তু চাকৰি—এই কাণত ধৰিছোঁ—'চাকৰিৰ-বাকৰিত বাট নুবুলিম—' । উস্, ইটো অফিচৰ পৰা সিটো অফিচলৈ যাওঁতে ইজন চুপা-ৰিণটেণ্ডেণ্টৰপৰা সিজনৰ তালৈ যাওঁতে এইয়া চা—জোতাৰ অৱস্থা চা—

(ভৰি এৰাই যোৱা জোতা দেখুৱায়)

গোপাল—দাসক লগ ধৰিছিলি ?

নাৰায়ণ—নকবি সেই পাপিষ্ঠটোৰ কথা। ছোট মানুহ বৰ মানুহ হ'ল । তাৰ তালৈ গলোঁ। অ', সি মোক এতিয়া চিনিয়েই নাপায় । গলাটো বেঁকা কৰি সোধে—'হেৰা তোমাক দেখোন চিনো চিনো লাগিছে ।' এনে খং উঠিছিল---যেন দিম গলধনতে এটা ভুকু লগায় । গাটো হ'লে বেছ বাঢ়িছে—খাই খাই মলুৱা বান্দৰটোৰ দৰে ওলমি পৰিছে।

গোপাল—নাপায় । ডাঙৰক তেনেদৰে কবলৈ নাপায় ।

নাৰায়ণ—ডাঙৰ যদি, তাৰ আচাৰ-ব্যৱহাৰো ডাঙৰ হব লাগে । আমাৰ ঘৰতে খাই খাই সি মানুহ হ'ল । এতিয়া সি কয়—'তোমাক চিনো চিনো লাগিছেহে ।' কামৰ কথা কওঁতে কয়—'মই এখন Certificate দিওঁ, য'ত খালি আছে Apply কৰা।' মই বোলো 'দিয়ক' । সি কয়, 'তুমি লিখা-চোন—মই চহী কৰি দিম । মইতো তোমাৰ বিষয়ে একো নেজানো' । ফাঁকি দিয়া কিয় ? মই জানো নাজানো তাৰ বিদ্যাৰ দৌৰ কিমান ? ইংৰাজীত লিখিব পাৰিলেহে ।

হৰকান্ত—Application ত তেওঁৰ certificate গাঁথি দিছিলি ?

নাৰায়ণ—দিছিলোঁ। তাৰ certificate লৈ কোনেও কেৰাহিকৈয়ে নাচায় । সকলোৱে application ত মিনিষ্টাৰৰ কিবা note আছেনে

আকেৌ চাৱ। হতাশ হৈ তাক আকৌ লগ ধৰিলোঁ—'বোজেন পাবে যদি কিবা এটা কৰি দিয়ক। সেউতাই আপোনাক আশা কৰিয়েই পঠাইছিল।' সি কয়—'বাৰু তোমাৰ কথা মোৰ মনত আছে।' হেৰ' মনত থাকিলে কি হব। তোৰ মনত থকাই মমৰ মনত থকাই একে কথা। ভাবিছিলোঁ —ময়ো এখন certificate দি দিওঁ। one to one হৈ যাওক।

গোপাল—বাক যা—যা। এতিয়া ভৰি-হাত ধুই কিবাকিবি অলপ খা। অ', শৰ্মাক লগ ধৰিছিলি ?

নাৰায়ণ—ধৰিছিলোতো। তেওঁ আৰু ছাৰ। তেওঁ আকৌ কয় অসমীয়া ল'ৰাই Risk ল'ব নোখোজে।' ময়ো শুনাই দিছোঁ বোলো—'আপোনালোকৰ মটৰৰ তলত পৰি Risk লবলৈহে বাকী আছে।' একেবাৰে মাতিব নোৱৰা হৈ গ'ল। কিন্তু মোৰ হলে এটা বৰ ডাঙৰ লাভ হ'ল। এই ২৭ দিনে ২৭টা আধুনিক কবিতা লেখিছোঁ যি সাহিত্যৰ বুৰঞ্জী ওলট-পালট কৰি দিব। এইয়া—(কবিতাৰ এটা File উলিয়ায়)

কেৰাণী

সৌ যায় বুভুক্ষু কেৰাণী
কটি আৰু মাখন বিচাৰি
বননাতাৰ পথাৰত
শাৰী শাৰী ভেড়াৰ সমদল।
পুৱাৰ পোহৰ নামে
কাছাৰীৰ ঘ'টাত
বাৰটাৰ—বৰ কাঁহ বাজে
শয্যাত কণীয়া প্ৰেয়সী
বস্তি নুমাই যায়
সন্ধ্যাৰ জোঁটা কঁপনিত॥

(পীতমলে কবিতা পঢ়াৰ মাজতে আহি তবোৰ হৈ চায়। পীতমলে হাতত হাৰিকেন লৈ আহি মাজত থব)

গোপাল—বাক—বাক। মোক দেচোন। কি লিখিছ চাওঁ। তই যা—বৰ ভাগৰি আহিছ—ভৰি-হাত ধুই কাপোৰ-কানি সলাগে।

পীতমল—এ, নাৰায়ণ-বোপাও আহিল যেতিয়া আৰু দুটিন চাউল দিব লাগিব সেউতা। (যায়লৈ)

হৰকান্ত—কবিতা লেখিলে কি হব? পাঠ্যপুথি লেখ। গণনা শিক্ষা, ভূগোল এইবোৰত লাভ আছে, সাহিত্য কৰি কি লাভ?

নাৰায়ণ—সাহিত্য মানৱৰ সৰ্বশ্ৰেষ্ঠ সাধনা—সি সত্য সুন্দৰ!

(কেশৱৰ প্ৰৱেশ)

কেশৱ—থৈ দে তোৰ সাহিত্য। Damn সাহিত্য। সত্য হৈছে বিপ্লৱ—সত্য হৈছে সংঘাতৰ বুৰঞ্জী। সেয়ে এই অপূৰ্ব slogan—Inquilab Zindabad.

(কোবাৰ লগে লগে কিতাপখন Table লৈ দলি মাৰি দিয়ে)

হৰকান্ত—হেই, তোৰ বিপ্লৱৰ কোবত হাৰিকেনটো নাভাঙিবি। পৰীক্ষা কেনে হ'ল।

কেশৱ—পৰীক্ষা নহ'ল।

গোপাল—কিয়?

হৰকান্ত—পৰীক্ষাৰ কাকত আহিয়েই নাপালে বোধহয়। পৰীক্ষাৰ দিনা প্ৰশ্নকাকত আহি নাপায়। অঙ্কৰ পৰীক্ষাত ইতিহাসৰ প্ৰশ্ন দিয়ে। দুৰ্নীতি, অপব্যয়—এইবোৰ Æsop's Fablesৰ সাধুকথাৰ দৰে হৈ পৰিছে।

গোপাল—পৰীক্ষা কিয় নহ'ল কেশৱ?

কেশৱ—পৰীক্ষা হৈছিল। কিন্তু Paper বৰ টান। যোৱাবাৰৰ প্ৰশ্নবোৰ questionকে repeat কৰিছে। তৎক্ষণাৎ এটা issue উলিয়াই Strike call দিলোঁ। খুব successful Strike হ'ল। বিপ্লৱী ছাত্ৰ শক্তি জাগি

উঠিল। শোভাযাত্ৰা আৰম্ভ হ'ল—আনকি school কেইখনেও আমাৰ লগত সহযোগ কৰিলেহি। ৪ বজাত বিৰাট সভা বহিল। বহুতে বক্তৃতা দিলে।ময়ো দিলোঁ, কি spirited speech. Clapৰ উপৰি clap. বহুতৰ opinion মোৰ সেইটো বক্তৃতা নহয় —fire.

হৰকান্ত—Fire তোৰ Fire এ কাৰ কিটো কৰিলে অ'? এই বাপেৰকহে Bonfire কৰিলে! আৰু কাক কাৰ কিটো হ'ল? ধাৰ কৰি fees দিছো, সেইটো তাৰ কাণ্ড-জ্ঞানেই নাই।

কেশৱ—পৰীক্ষা সদায় পাম—কিন্তু leadership সদায় নাপাম। এতিয়া মই Council of actionৰ Dictator. এই issue কেই All Assam issue কৰি, নহয় All India issue কৰি 'খাৰা' কৰিব লাগিব। গোটেই ভাৰতৰ জোৱানে মোৰ কথা মতে উঠা বহা কৰিব।

হৰকান্ত—আৰু এই তোৰ বুঢ়া বাপেৰে মূৰ আ'দ্ৰ-লিয়াই মৰিব। ইয়াকে তই বিচাৰিছ? Strike কেৱল Strike; মৰিবি, নিজৰ দোষত নিজে মৰিবি। এই বুঢ়াই চকু মুদিলে spontaneous Hunger Strikeৰ শ্বহীদ হবি। নপঢ়—এৰি পেলা। মোৰ এই বুকুৰ তেজ পানী কৰি অৰ্জা টকা-কেইটা অযথা নষ্ট কৰ কিয়?

বিমলা—(সোমাই আহে) কি হৈছে? এইখন আৰু ঘৰ নহয়—জুইশালহে। দিনে নিশাই ল'ৰা-কেইটাৰ অমঙ্গল চুচি থাকিব। সিহঁতক দেখিলে যদি চকু ফুটে তেন্তে জন্ম দিছিল কিয়?

হৰকান্ত—ল'ৰা—ল'ৰা নহয় গোমসাপ। পঢ়িছ পঢ়। পৰীক্ষা দিব গৈছ, পৰীক্ষা দে। পাছ ফেল পিছৰ কথা। Strike কৰি পৰীক্ষা নিদি গুছি আহিছে।

বিমলা—Strike কৰিছে ভাল কৰিছে। দেশৰ কাম কৰিছে। সকলো কথাতে দেশখন আগ কৰিব লাগিব।

(ভিতৰৰ পৰা নাৰায়ণ সোমাই আহে)

অ' নাৰায়ণ! তই কেতিয়া আহিলি? কামৰ কি হ'ল?

নাৰায়ণ—কাম নহ'ল মা। কাম নোপোৱাত আক্ষ-চোচ নকৰিবি। ল'ৰা যে ঘূৰাই পালি সেয়ে বহুত।

বিমলা—কিয়? দাসক লগ ধৰিছিলি? মোৰ চিঠিখন দিছিলি?

নাৰায়ণ—তাৰ কথা নকবি মা। তাৰ নাম শুনি-লেই খং উঠা হৈছে। সি কোৱা নাছিল—তাক পঠিয়াই দিব—মই তাক কামত সুমুৱাই দিম! তাক কোনে খাতিৰ কৰে। দিন-ৰাত নিচাত থাকে। Roomৰ পৰা বাহিৰেই নহয়। এইবোৰ নেতা ওলাইছে। আইন কৰিছে—Guwahati go dry—leaders to keep wet. বল মা! পেট পুৰি আছে, কি আছে খাব দেহি। খাই উঠি তোক মোৰ কবিতা শুনাম, বল।

(টানি নিব খোজে)

বিমলা—আহ কেশৱ, কিবা খাহি। (হৰকান্তই ঘোপাকৈ চাই থকা দেখি) ইস্, কেনেকৈ চাইছে—যেন খাইহে পেলাব।

(ভিতৰলৈ যায়; লগতে নাৰায়ণ আৰু কেশৱো যায়)

হৰকান্ত—দেখিলি—ল'ৰাকেইটাক এষাৰ কথা কবলৈ নিদিয়ে। মৰম কৰি কৰি গুচালে। মৰম কৰিছ কৰ—কিন্তু শাসনতো কৰিব পাৰিব লাগে।

বিমলা—(আকৌ আহে) সোণ আৰু মুকুট বোলে অহাই নাই? ইমান ৰাতিখন সিহঁত ক'লৈ গ'ল?

হৰকান্ত—ঘ'তে মৰে মৰক দিয়া।

বিমলা—বাপেৰ হৈ কথা কৈছে চোৱা। যাওক, ভালে ভালে বিচাৰি যাওক।

গোপাল—দুপৰীয়া আহিছিল। হাফ হ'লনেকি সোধাত ক'লে Strike হ'ল। আহিয়েই মুৰি দুটামান খাই খেল চাবলৈ লৰ দিলে। ল'ৰা মানুহ খেল বুলিলে কিবা লাগেনে ?

হৰকান্ত—খেলা চাই, যি চাই, চাই থাকক। কিন্তু ৰাতিতো ঘৰ সোমাব লাগে। টেকেনীয়া ল'ৰা একোটা, সিহঁতৰ আমনিও সহ্য কৰিব পাৰিনে ?

বিমলা—নোৱাৰি। ল'ৰাৰ আমনি আপুনি কেনেকৈ সহ্য কৰিব ? বুঢ়াৰ আমনিহে আপুনি সহ্য কৰিব পাৰে।

হৰকান্ত—বাক মই আহিছোঁ—তুমি মিছাতে অশান্তি কৰি নাথাকিবা।

(বাহিৰ ওলাই যায়। বিমলা ভিতৰ সোমায়।)

গোপাল—পীতমল! পীতমল! মোক মোৰ বিছনাৰ কাষত থৈ আহিব পাৰিবিনে ?

(বাহিৰৰ পৰা সাবিত্ৰী আহে)

সাবিত্ৰী—দেউতা ক'লৈ গ'ল ? বৰ খঙ কৰি বকি বকি গৈছে দেখোন ?

গোপাল—সোণ আৰু মুকুট অহা নাই। সিহঁতক বিচাৰি গৈছে।

সাবিত্ৰী—কণ আকা ?

গোপাল—তাই বিছনাতে খেলি আছিল, অতপৰে টোপনি যাব পায়। পীতমলক মাতিছিলো।

(সাবিত্ৰীয়ে একো নকৈ চকীখন ভিতৰলৈ ঠেলি নিয়ে। টেবুলৰ কাষ পাওঁতে হাৰিকেনটো কমাই থৈ যায়। ভিতৰৰ ফালৰ পৰা কেশৱৰ প্ৰৱেশ। চকীত বহি ভাবে। ভিতৰৰ পৰা ওলাই পীতমল বেলা-বেগিকৈ বাহিৰলৈ যাব খোজে।)

কেশৱ—এই পীতমল! শুনচোন, শুন।

পীতমল—কি ?

কেশৱ—তই বাকীকৈ Cigarette আনিব পাৰ ?

পীতমল—বাকীকৈ ? ভাল কথা কৈছা বোপাই, পইছা দিলেও দেখোন মোক এটা কমাইহে দিয়ে।

কেশৱ—পইছা দিলেও তোক এটা কমাইহে দিয়ে!

পীতমল—অ' বোপা! আজি কিছুদিন আগতে নাৰায়ণ-বোপাই ৫টা চিগাৰেট আনিবলৈ মোক পইছা দিছিল। অ' দোকানীয়ে দেখোন চাৰিটাহে দিলে।

কেশৱ—হয়—হয়! এটা তই লুকুৱা নাছিলি ?

পীতমল—হেঃ হেঃ—আমাৰ কেশৱ-বোপা দেখিছো সৰ্বজান।

কেশৱ—তই কিন্তু একেবাৰে hopeless বাকীকৈ দুটা চিগাৰেট আনিব নোৱাৰ—পাৰ কি ?

পীতমল—লাগে যদি একেলৰে বাপুহঁতৰ ঘৰৰ পৰা খবৰা কাগজখন আনি দিব পাৰোঁ।

কেশৱ—ধেৎ, খবৰ কাগজ কি কৰিবি ? নালাগে, যা। (পীতমল যায়)

কেশৱ—আজিতো চিগাৰেট নহলে নহব, whole night poster লেখিব লাগিব।

(উঠি হৰকান্তৰ কোটৰ জেপত বিচাৰে।)

আছে—মাত্ৰ ছ অনা। দিনটো গেবাৰী খাটি মাত্ৰ ৷৶. অনা আনিছে, তথাপি বিপ্লৱ নকৰে। (যাব খোজে)

(আন ফালৰপৰা বিমলা আহে।)

বিমলা—আহিল নে নাই ?

কেশৱ—কাৰ কথা কৈছ মা ?

বিমলা—দেউতাৰৰ।

কেশৱ—দেউতাৰ লগত নোৱাৰিবি মা। বিপ্লৱ কৰ, সকলো ঠিক হৈ যাব।

(কেশৱ বাহিৰৰ ফালে ওলাই যায়। ভিতৰৰ পৰা নাৰায়ণ আহে, হাতত কবিতাৰ টোপোলা।)

নাৰায়ণ—বুজিছ মা! তই নাম কৰিব খুজিছ যদি, কবিতা লেখ। দেখা নাই; শঙ্কৰদেৱ-মাধৱদেৱহঁত কোন কাহানিতে মৰিল, তথাপি

তেওঁলোকৰ নাম আজিও অমৰ হৈ আছে। কিয়? তেওঁলোকে কবিতা লেখিছিল। Politics কৰি, Social Service কৰি কি হব? মৰাৰ লগে লগে সকলোৱে পাহৰি যাব।

বিমলা—ইচ্ছা কিন্তু যায়—কিন্তু কেনেকৈ লেখিম? তয়ে লেখি কাগজত মোৰ নামত তুলি দিবিচোন!

নাৰায়ণ—নহয় মা, পাৰিবি। ই পলিটিক্‌চতকৈ সহজ। অলপ খৰচ আছে কাগজৰ। আজিকালি আৰু সহজ হৈছে। আগৰ নিয়ম মানি চলিব নালাগে। ছন্দৰ ধাৰধাৰিও নাই—আখৰ মিলিবও নালাগে। আজিকালি হৈছে আইন অমান্যৰ যুগ। আইন অমান্য কৰ—কবিতাৰ আইন ভঙ্গ কৰ—হবি প্ৰগতিবাদী কবি—। এইটো শুন—'মজদুৰ'

'আমি শিল ভাঙো
কুৰি শতিকাৰ আমি ভগীৰথ
আমি ৰঁচো অট্টালিকা শিলৰ প্ৰাচীৰ
পৃথিৱীক গুৱনি কৰি,
শান্তি দিওঁ তাপিত আত্মাক।
তাৰ তলত শান্তি পায়
লাভখোৰ, চোৰা বেপাৰীয়ে
গাভৰুৰ ওঁঠৰ তলত
ক'লা গোমসাপ'

—কেনে পাইছ বাৰু মা?

বিমলা—মূৰটো বৰকৈ কামুৰিছে বাছা।

নাৰায়ণ—আৰু শুন ভাল পাবি—

'সিহঁত জাগে
অৰ্জুনৰ গাণ্ডীৱ সুৰকি পথে
কোকিলাত ৰণৰ দুন্দুভি বাজে
মাজনিশা সাৰ পাই
শেৱালিৰ সপোন ভাঙে
হিৰোছিমাত এটম বোমাৰ বিস্ফোৰণ'

সাবিত্ৰী—(সোমাই আহে) আই, কি তৰফাবী বহাম?

বিমলা—একো নাপাগি যদি, তোৰ মূৰটোকে বহাগে যা। মই কৈছোঁ মোৰ মূৰ কামুৰিছে—ইমানতো থকে ধৰিছেনে?

(সাবিত্ৰী যাব খোজে)

নাৰায়ণ—ন-বৌ! শুনা। তুমি appreciate কৰিব পাৰিবা। (সাবিত্ৰী বিমোৰত পৰে) এইটো—আহাচোন, আহা। এইটো তোমালোকৰ বিষয়ে।

টেলিফোন অপাৰেটৰ

'বিজ্ঞানৰ বিচিত্ৰাত
ঘৰঘৰ বিজুলী নাচনী
ঘৰত বন্দিনী আজি
লেবৰেটীত Hৰ গোন্ধ
পলুলিত হাচনাহানা
তাই বহে—তাৰে
জীৱনৰ আকাশ-কুসুম?
চক্‌ খাই—সাৰ পায়
"হেল্ল প্লিজ—
মানুহৰ ৰসহীন বিকট চিঞৰ
ঘণ্টা ভুৰি—যুগ ভুৰি
তথাপি তাই—
আছে—যায়
অবিশ্ৰান্ত—বিশ্ৰাম নাই—
ইউক্লিডৰ একাদশ উপপাদ্যৰ জীৱন্ত উদাহৰণ।'

কেনে পালা নবৌ?

সাবিত্ৰী—বেছ ভাল হৈছে—মই আহোঁ দেই।

বিমলা—অ', আমাৰ মিটিঙৰ ছপা কাগজখন তই দেখা নাই নহয়? নামটো বৰ সুন্দৰকৈ ছপা হৈছে। ৰ, মই তোক দেখুৱাওঁ—

(ভিতৰলৈ যায়)

নাৰায়ণ—নাই, কাৰো Interest নাই। সাহিত্য বুলিলে কুইনাইন পিল বুলি ভাবে। নাই—এই জাতি নাথাকে—মৰিব। আন দেশত হোৱা হলে আমাৰ কত আদৰ হলহেঁতেন।

(বিমলা আহে। হাতত Vanity Bag। Bagত কাগজ বিচাৰি আছে।)

বিমলা—নাপাওঁ দেখোন। ক'ত থলো?

(ৰিক্সাৰ হৰ্ণ। লগে লগে ভঙা ভঙা হিন্দুস্থানীৰে কথা পতা শুনা যায়।)

হৰকান্ত—(ভিতৰৰ পৰা কৈ আহে) একটু ধৰ না ভাই। চল—নিয়ে চল। আও, ইদাৰ আও—অন্দৰ আও—কুচ নাহি হগা।

(হৰকান্তই মুকুট—ৰিক্সাৱালাই সোণক ধৰি আনে। এজনৰ হাতত, আনজনৰ মুখত Bandage)

বিমলা—কি হ'ল? মোৰ বাছাইঁতৰ কি হ'ল?

হৰকান্ত—কি হব? ই টেনজিং আৰু ই হিলাৰী হ'ল। স্কুল strike কৰি গছত উঠি ফুটবল খেলা চাবলৈ গৈছিল। ডাল ভাঙি ইয়াৰ হাত ভাগিল, তাৰ মুখ ভাগিল। হাস্পতালত পৰি আছিল। নমৰিল যে। strike, স্কুলীয়া ল'ৰাই strike কৰিব যায়!

ৰিক্সাৱালা—বাবু!

হৰকান্ত—চবুৰ কৰ না ভাই।

ৰিক্সাৱালা—আচ্ছা বাবু। wrongside মে ৰিক্সা ছোড়কে আয়া।

(ভিতৰলৈ যায়। হৰকান্তই জেপত পইছা বিচাৰে।)

হৰকান্ত—অ', মোৰ মণহ টুকুৰা কোনে খালে? জেপত পইছা ছ অনা আছিল, কোনে নিলে?

বিমলা—ঔ আই, কোনেনো নিব? কৰনো চোৰ-ডাল আহিব?

হৰকান্ত—নহলে কি হ'ল? মই পুৱাৰ পৰাই পইছাকেইটা জেপত লৈ আছোঁ। খালে, খালে—এতিয়া ৰিক্সাৱালাক কৰপৰা পইছা দিওঁ?

বিমলা—অ', ৰব। পীতমলে হাঁহটো ফ্ৰিৰালেনে নাই? তাৰ হাতত পইছা আছে। পীতমল—অ' পীতমল!

পীতমল—(আহে) আই—!

বিমলা—হাঁহটো ফ্ৰিৰালি?

পীতমল—(বৰ বিমোৰত পৰে)

বিমলা—চাওঁ, যি পইছা আছে হিছাপ কৰি দে।

পীতমল—আই!

বিমলা—কি হ'ল? নকব কিয়?

পীতমল—হাঁহজনী মাৰিহে থৈছোঁ।

বিমলা—কিয় মাৰিলি?

পীতমল—আপুনি দেউতাক ছাগলী মণহ অনাৰ কথা কৈছিল। ননা দেখি হাঁহজনীকে মাৰি বাছি থৈছোঁ। নহলে আপোনাৰ আশা ছেদ নহবনে?

বিমলা—যা এইটো!

হৰকান্ত—অ' ঠিক কৰিছ। তইঁতে হাঁহে-মাহে বান্ধি খা—ই'ফালে মই জ্বলি-পুৰি মৰোঁ।

ৰিক্সাৱালা—(সোমাই আহে) ক্যায়া বাবু! আৰ কেতনা দেড় ৰহেগা?

হৰকান্ত—হেৰ শুন! আমাৰ আকৌ ৰাতি পইছা দিয়া নিয়ম নাই। লক্ষ্মী চাৰ দিয়ে। তই কালিলৈ পুৰা লৈ যাবিহি যা—।

ৰিক্সাৱালা—ৰাতি পইছা দিয়া নিয়ম নাই যদি ৰাতি ৰিক্সা উঠাৰ নিয়মো বন্ধ কৰিব লাগে।

বিমলা—ইস্, ইমান সাহ! চিনা নাই? তোৰ গাড়ীৰ নম্বৰ কিমান? কালিলৈ Chairman-ক কৈ তোৰ গাড়ী চলোৱা বন্ধ কৰিম।

ৰিক্সাৱালা—ভাৰা নিদিব—ভাৰা সাধিলে আকৌ নালিচ কৰিব। বাৰু বাৰু—গৰীবৰ পইছা মাৰি ডাঙৰ মানুহ হ!

হৰকান্ত—দেখিলানে? এইখিনি সময়ৰ ভিতৰতে পইছা ছ অনা কোনে নিলে?

বিমলা—গছত উঠি কিয় চাবলৈ গৈছিলি?

মুকুট—দেউতাই বেৰা বগাই চাবলৈ কৈছিল?

বিমলা—দেউতাৰৰতো সেইবোৰ কথা? ল'ৰাকেইটাৰ কথা যদি অলপমানো ভাবিলে হয়। আমি দেহি—বাছাইঁতে বৰ দুখ পালে।

(নাৰায়ণ আহে)

নাৰায়ণ—অপূৰ্ব। অপূৰ্ব—মা! তোক সিহঁত দুইটাৰ মাজত দেখিবলৈ কেনে হৈছে জাননে?

ঠিক Florence Nightingle—Lady with the lamp, ল, এই হাৰিকেনটো তোৰ এই দৃশ্য দেখি মোৰ এক অপূৰ্ব emotion আহিছে। মই তাক কবিতাৰে লিপিবদ্ধ কৰিম।

হৰকান্ত—ইস্, তাৰ কেৱল কবিতা! তই বাপেৰ মৰিলেও কিজানি কবিতাহে লেখিবি।

নাৰায়ণ—কবিতাৰ বাহিৰে সকলো যে অসত্য temporary। আজি তাৰ হাত ভাঙিছে, কাইলৈ হয়তো ভাল হৈ যাব। তাৰ চিন-চাবেই নাথাকিব। কিন্তু আজি মই যিটো কবিতা লেখিম সি যুগমীয়া হৈ থাকি যাব। It will live for eternity।

(কবিতা লিখিব লৈ বহে)

বিমলা—সিহঁতক এতিয়া কি দিওঁ ?

হৰকান্ত—ডাক্তৰে সকলো দিবলৈ কৈছে। সিহঁতে যি বিচাৰে তাকে দিব কৈছে।

বিমলা—কি খাবি বাছা ?

সোণ—মই ভাত আৰু বেঙেনা পোৰা খাম।

মুকুট—মই আলু পিতিকা খাম।

বিমলা—ভাত হোৱাই নাই বাছা! বলচোন—শাখিনীয়ে কি কৰিছে। যি হৈছে তাকে খাবি, নহলে মুৰিকে খাবি, বল।

(দুয়োকে লৈ ভিতৰলৈ যায়)

নাৰায়ণ—মা—মা! (পিছে পিছে যায়)

(হৰকান্তই ঘূৰি-পকি একো ঠিক কৰিব নোৱাৰি শুই পৰে—পীতমলে এবাল্টি পানী লৈ ভিতৰলৈ যাব খোজে)

পীতমল—দেউতা! শুলে দেখোন? আজি কীৰ্তন পঢ়ালৈ নাযায়নেকি? কলিতা-দেউতাই কিন্তু ৰিভিয়াই গৈছে।

হৰকান্ত—নাযাওঁ। এই পীতমল!

পীতমল—দেউতা!

হৰকান্ত—আয়েৰক কবি দেউতাই আজি অনশন ধৰ্মঘট কৰিছে।

পীতমল—কি কলে দেউতা? কি কম?

হৰকান্ত—কবি দেউতায়ো আজি Strike কৰিছে—

পীতমল—Strike কৰিছে ?

(হৰকান্তই শুই পৰে। পীতমল অবাক হৈ চাই থাকে।)

পট পৰে

২য় অঙ্ক

১ম দৃশ্য

(প্ৰথম অঙ্কৰ ১ম দৃশ্যৰ দৰেই সকলো সজোৱা থাকিব। মাজে মাজে পূৰণি আৰু মলিয়নতাৰ আচোৰ পৰিছে। সোণ আৰু মুকুটে টেবুলত বহি একেলগে পঢ়িছে। গোপালৰ কাষত মূঢ়া এটাত বহি কণ্‌ইই আখৰ লেখিছে—। সোণে ইংৰাজী, মুকুটে বুৰঞ্জী আৰু কণ্‌ইই কলিত লেখে। কাৰো পঢ়া কোনেও নুশুনা হয়। ইজনে সিজনক চেৰ পেলাবলৈ চিঞৰি পঢ়িছে। গোপালেও এখন কিতাপ পঢ়ি আছে। সিহঁতৰ চিঞৰ শুনি গোপালে কিতাপ জপায়, কয়—)

গোপাল—পঢ়িছনে কি কৰিছ? এনেকৈ পঢ়িলে মনত নাথাকে। মনদি ভালকৈ পঢ়িব লাগে।

সোণ—কেশৱ-ককাইদেৱে ইংৰাজী ডাঙৰ ডাঙৰকৈ পঢ়িব কয়। তেতিয়া হেনো 'উচ্চাৰণ' ভাল হয়।

(হৰকান্ত আহি ছাটিটো লয়)

মুকুট—বুৰঞ্জী ডাঙৰকৈ পঢ়িলে মনত থাকে বুলি 'বেঁকা মাষ্টৰে' কৈছে।

হৰকান্ত—বেঁকা মাষ্টৰ? কোন বেঁকা মাষ্টৰ অ'? কোন বেকা মাষ্টৰ অ' সোণ?

সোণ—মহন্ত মাষ্টৰক সিহঁতৰ Class এ বেঁকা মাষ্টৰ বোলে।

হৰকান্ত—তহঁতৰ Class এ কি বোলে?

সোণ—আমি 'মেমেৰা মাষ্টৰ' বোলো।

হৰকান্ত—এইবোৰ পঢ়া-শুনা কৰিছ ? মাষ্টৰৰ নাম ধৰ আহিছে ! চৰত দাঁত-মুখ ভাঙি যাব । দেখিছিনে—সিহঁতৰ আক্কেলটো দেখিলি ? ক্লাচে মাষ্টৰৰ নাম থৈছে । —চাওঁ, আঙঠিটো দেচোন ।

গোপাল—এইটো দেউতা । (আঙুঠি এটা দিয়ে)

হৰকান্ত—দেচোন—তাকে এবাৰ চেষ্টা কৰি আহোঁ । (যায়)

গোপাল—বাৰু সোণ ! এইফালে আহছোন । কি পঢ়িছিলি ?

সোণ—এইয়া -

গোপাল—বাৰু পঢ়ছোন !

(সোণে পঢ়িবলৈ চেষ্টা কৰে, কিন্তু ভালকৈ পঢ়িব নোৱাৰে ।)

গোপাল—ক'তা ? তই দেখোন পঢ়িবই নোৱাৰ ?

সোণ—আজি আমাৰ এইটো পঢ়া নাই । এইটোহে আছে ।

গোপাল— বাৰু সেইটোকে পঢ় ?

সোণ—(জোঁটাই জোঁটাই পঢ়ে) Tezimala and her wicked stepmother –

গোপাল—বাৰু, wicked মানে কি ?

সোণ—আমাক মানে নধৰে -মাষ্টৰে বুজাইহে যায় ।

গোপাল—সকলো জানিব লাগিব । অৰ্থ, বানান, সকলো সৰসৰীয়াকৈ জানিব লাগিব । তই এইবাৰ M.E. দিবি । সকলো কথা তোৰ জিভাৰ আগত থাকিব লাগিব ।

সোণ—আমাক মাষ্টৰে মুখস্থ কৰা বেয়া বুলি কৈছে । নিজৰ মনৰ পৰা লেখিব দিয়ে।

গোপাল—তোক মই আমাৰ কোঠাত পঢ়িব দিছোঁ নহয় ? তাতে পঢ়িবি । মই অলপ দেখুৱাই দিবও পাৰিম ।

সোণ—তাত মেজ, চকী একো নাই, কেনেকৈ পঢ়িম ?

গোপাল—কিয় —ন-বৌয়েৰৰ খাটতে বহিবি । বাকচৰ ওপৰত কিতাপ থৈ পঢ়িব পাৰিবি । মই বাৰু ন-বৌয়েৰক কৈ ভালদৰে সজাই দিম । তাতে পঢ়িবি, বুজিছ ? অকলে পঢ়িলে মনোযোগ দিব পাৰিবি ।

(মুকুটে অন্তপৰে সোণৰ অৱস্থা দেখি হাঁহি আছিল—এতিয়া আকৌ কিবা ধৰে বুলি ওলাই যাব খোজে—)

সোণ—দাদা ! পঢ়া ধৰে বুলি সি পলাইছে ।

মুকুট—ইস্, পলাইছোঁ ! পঢ়ি পঢ়ি মূৰ ঘূৰাইছে দেখি অলপ বতাহ লবলৈ আহিছো ।

গোপাল—অ' সি কিয় পলাব ? বীৰে কেতিয়াবা পলায় নেকি ? সি বীৰ । কেতিয়াও নপলায় । কি কৱ মুকুট ?

মুকুট—পলোৱাতকৈ 'পান' দিম ।

(গোপালে হাঁহে—সাবিত্ৰী আহে ভিতৰৰ পৰা ।)

সাবিত্ৰী—সোণ, মুকুট, কণু—তোমালোকে গা ধোৱাহি আহা ।

গোপাল—বাৰু, এতিয়া যা, গা ধোগৈ । আজিৰ পৰা মোৰ কোঠাত পঢ়িবি বুজিছ ?

(সোণ, কণু, মুকুট ভিতৰলৈ যায় । হাতত দুৰাপিট পানী লৈ পীতমলৰ প্ৰৱেশ ।)

পীত—উস্, আৰু নোৱাৰি বোপাদেউতা ! পানীৰ লগতে এতিয়া জীৱনটোও দিব লাগিব যেন পাইছোঁ । এটা কল—বাইজ হল এবাহ । কোনে ধৰে কোনে নিয়ে । শত শগুণ পৰা দিছে বোপাদেউতা ! বাপ, সেই মখাৰ কেল-কেলনি ! কণ ঘোলা হৈ গ'ল । হিন্দুস্থানী আৰু বঙালী তিৰী কেইটা তেওঁ ছাৰ । উস্, সিহঁতে মুখৰ আগতে যিদৰে হাত জোকাৰেহি—এ কম ধতুৰা মানুহ হলে সেই ফালেই জীৱ যাব ।

গোপাল—তই কিন্তু সিহঁতৰ লগত বেছ পাৰিছ !

পীত—নহয় বোপাদেউতা । যিহে বাল্টি লৈ

টনাটমি আজোৰা-আজুৰি, মই পাতল হাতৰ মানুহ, কেতিয়াবা বেয়াহে হব ! তাতকৈ দেউতাক কৈ এখন কোপালক্ষে অনাই দিব, মই এচাৰ-দুচাবকৈ কুঁৰা এটাকে খান্দি পেলাম ।

গোপাল—খুব ভাল কথা । সেই কুঁৰাটোৰ তেন্তে নাম হব ধোদৰ কুঁৰা- - - কি কৰ ?

(গোপালে হাঁহে)

পীতমল—জানো ! আপুনি বা আকৌ কোনফালে টোৱাইছে ।

(বাহিৰত মকবুল মিঞা)

মকবুল—ঘৰত আছেনেকি ?

(পীতমল পানী লৈ ভিতৰ সোমায়)

গোপাল—কোন ?

মকবুল—আমি চৰকাৰী মানুহ দিয়া ।

গোপাল—সোমাই আহক ! —কাক বিচাৰিছে ?

(মকবুল মিঞা আহে—হাতত এমোনা কাগজ)

মকবুল—এইটো আমাৰ হৰকান্ত কাকতীৰ ঘৰ নহয় জানো ?

গোপাল—হয়—পীতমল ! অ' পীতমল !

পীতমল—(আহে) কি বোপাদেউতা ?

গোপাল—সেই চকীখন আগুৱাই দেচোন ।

(পীতমলে চকী দিয়ে)

বহক ।

মকবুল—বাৰু, বহিম । পিছে আপোনালোকৰ Municipalityৰ tax আজি দুবছৰে এটা ফুটা কড়িও দিয়া নাই । সেয়ে বৰ্ডৰ নটিশ লৈ আহিছো ।

গোপাল—আমাৰ বাৰু কিমান দিবলগীয়া আছে ?

মকবুল—আগতে আপোনালোকৰ বছৰেকীয়া টেক্স আছিল ২৭'৭৫ পইছা, এইবাৰৰ হল ৯৮'১৩ পইছা—মুঠ ১২৫'৮৮ পইছা ।

গোপাল—এইবাৰ ইমান বেছি হ'ল কেনেকৈ ?

মকবুল—২৭'৭৫ পইছা আগৰ এচেচমেন্টৰ টেক্স এতিয়া নতুন এচেচমেণ্টত আপোনালোকৰ ঘৰৰ টেক্স ৯৮'১৩ পইছা ধৰিছে ।

গোপাল—টেক্স তিনিগুণৰো বেছি বাঢ়িছে । কিন্তু সুবিধাতো অকণো বঢ়া নাই । তদুপৰি ৰাস্তাত লাইটো হেনো বন্ধ হব ।

মকবুল—সেইটোতো আমাৰ কথা নহয় । সেইটো Chairman ক ক'ব । আপোনালোকৰ বাৰ্ড কমিচনাৰক জনাব ।

গোপাল—ওঁ । কিন্তু ইমানখিনি টকা যে সহজে কিবাকৈ দিব পাৰিম—সেইটোতো মই ভাবিবই নোৱাৰোঁ ।

মকবুল—তেতিয়া হলে চহৰত থকাৰ নিচা এৰিব লাগিব । এই মাটি-বাৰী বেছি দিয়ক । বেছ দাম পাব । ক'ত বিদেশীয়ে জেপত হাজাৰ হাজাৰ টকা লৈ মাটি বিচাৰি ফুৰিছে । এনে মুখ-পাত্ৰী জাগাত মাটি পালে সিহঁতে দামলৈ পৰোৱাকে নকৰে । (কেশৱ আহে)

কেশৱ—দাদা ! দেউতা কলৈ গ'ল ? টকা লাগিছিল নহয় ? আজি last date । এইবাৰ যদি ফিজৰ অভাৱত পৰীক্ষা দিব নোৱাৰোঁ তেন্তে মই 'আল্টিমোম' দি দিছোঁ আৰু পৰীক্ষাত কেতিয়াও 'এপিয়াৰ' নকৰোঁ ।

গোপাল—দেউতা টকা বিচাৰিয়েই ওলাই গৈছে । কিন্তু দেউতাই আৰু কিমান লেঠা আগুৰিব । এইয়া দেখিছ, এখেত আহিছে মিউনিচিপেলিটিৰ টেক্স বিচাৰি । দুবছৰে টেক্স দিয়া নাই । ১২৫'৮৮ পইছা দেনা হৈছে ।

কেশৱ—টেক্স দিয়া নাই, বেছ কৰিছে । দেউতাই 'লিদাৰশ্বীপ' লৈ No-Tax Campaign আৰম্ভ কৰি দিয়ক । বিপ্লৱী জনতা আগবাঢ়ি আহিব । আপুনি Municipalityৰ employee ?

মকবুল—হয় বোপা ! মই টেক্স কলেক্টৰ ।

কেশৱ—আপুনি কিমান দৰমহা পায় ?

মকবুল—বৰ্তমানে D.A. মিলি ৫৬'০০ টকা পাওঁ ।

কত আবেদন-নিবেদন কৰিছোঁ। আশা দিয়ে, কিন্তু নাবাঢ়ে ।

কেশৱ—তাৰে আপোনাৰ বেছ চলি যায় ? আপোনাৰ একো অভাব নহয় ?

মকবুল—ভাল কথা কৈছা বোপা ! অভাব নাথাকে? অভাৱৰ তাড়নাত ৰাজহাড় পৰ্যন্ত বেঁকা হৈ গৈছে বোপা । তাতে আকৌ আজি দুমাহে দৰ্মহাখিনিও পোৱা নাই ।

কেশৱ—Then why don't you revolt? আপুনি বিপ্লৱ নকৰে কিয় ? আপুনি বিপ্লৱ কৰক। ইউনিয়ন ফ্ৰৰ্ম কৰক। ডিমাণ্ড পেচ কৰক। সভা পাতক, শোভাযাত্ৰা কৰক। মেহনতকাৰী জনতাৰ একমাত্ৰ হাতিয়াৰ হৈছে বিপ্লৱ ।

মকবুল—বোপা ! এই বুঢ়া বয়সত বিপ্লৱ কৰিলে ল'ৰা-তিৰোতাৰ বধ লোৱাহে হব ।

কেশৱ—বিপ্লৱ কৰিলে ল'ৰা-তিৰোতাৰ বধ লোৱা হয় নে সিহঁতক life দিয়া হয় ? আপুনি বিপ্লৱ কৰক—দেখিব আপোনাৰ দৰ্মহাও বাঢ়িব, নিয়মিতৰূপে দৰ্মহাও পাব । এতিয়া কওক বিপ্লৱ কৰিব নে নকৰে ?

মকবুল—বোপা !

কেশৱ—কওক ইনক্লাব জিন্দাবাদ।

গোপাল—কেশৱ—

মকবুল—বোপা ।

কেশৱ—(জোৰেৰে) কওক ইনক্লাব জিন্দাবাদ।

গোপাল—কেশৱ—

কেশৱ—কওক—কওক ইনক্লাব জিন্দাবাদ ।

মকবুল—ইনকুল্লা জিন্দাবৌ ।

কেশৱ—বেছ ! এইবোৰ কি ? চৰকাৰী কাগজ-পত্ৰ নহয়নে ?

মকবুল—হয় বোপা !

কেশৱ—এইবোৰ দিয়াচিলাই কাঠি মাৰি জ্বলাই দিয়ক, উলিয়াওক আপোনাৰ Match Box.

মকবুল—মোৰ দিয়াচিলাই নাই বোপা !

কেশৱ—ৰাক ৰাক, মই আনিছোঁ। মই তাৰ ব্যৱস্থা কৰিছো। সব জ্বলাই দিয়া হব।

(ভিতৰলৈ Match Box আনিবলৈ যায়)

মকবুল—যাওঁ—প্ৰাণটোই যদি নাথাকে Tax আদায় কৰি কি হব—

(বেগে ওলাই যায়)

(Match Box লৈ কেশৱ আহে)

কেশৱ—পলাল, Coward।

গোপাল—এইবোৰ তই কি পাগলামী কৰিছ কেশৱ?

কেশৱ—পাগলামী নহয়, Real work. আজি যদি তাৰ এই কাগজ দ'মত জুই লগাই দিব পাৰিলো হয়—তেন্তে সি বিপ্লৱ কৰিবলৈ বাধ্য হলহেঁতেন । Permanent Revolutionৰ পাণ্ডা হৈ পৰিলহেঁতেন। Anyway—মোৰ এই বিপ্লৱী মনোবৃত্তিয়ে আজি আমাৰ পৰিয়ালৰ বহুখিনি উপকাৰ কৰি দিলে ।

গোপাল—কি উপকাৰ কৰিলে অ' ?

কেশৱ—This tax collector will never come to our place at least another six months.

গোপাল—কিয় ?

কেশৱ—কাৰণ—কাৰণ সি Coward. আমাৰ জাতিটোৱেই কাৱাৰ্ড । আমাৰ জাতিটো হৈছে সেই মতিলাল ধুবীৰ বুঢ়া গাধটোৰ দৰে ।

গোপাল—জাতিটোক নিন্দা কৰ কিয় ?

কেশৱ—কি নিন্দা কৰিলোঁ? সঁচা কথা কলে নিন্দা কৰা হয়নেকি ?

গোপাল—তোৰ 'চিমিলি'টো বেয়া হৈছে ।

কেশৱ—কি বেয়া হৈছে ? মতিলালৰ গাধটো তই দেখিছ ? বোধকৰো আজি বহুত দিন দেখা নাই । বোজা কঢ়িয়াওঁতে কঢ়িয়াওঁতে

বুঢ়া হ'ল। এতিয়া তাৰ মণ্ডহতো নায়েই, নোমো নাই। তথাপি বোজাৰ ওপৰত বোজা সি কঢ়িয়াইয়ে আছে। পিঠি মেচা পৰি গৈছে—তথাপি জোকাৰ মাৰি বোজাকেইটা পেলাই নিদিয়ে—। আমাৰ জাতিটোও ঠিক তেনেকুৱাই। টেক্সৰ ওপৰত টেক্স—'বাৰ্দেন'ৰ ওপৰত 'বাৰ্দেন' সহ্য কৰিব—তথাপি বিপ্লৱ নকৰে।

পীতমল—ন-বৌয়ে গা ধুৱাবলৈ কৈছে।

কেশৱ—বাৰু দাদা—এক অনা পইছা আছেনে ?

গোপাল—মোৰ তাত নাই ভাই। ন-বৌয়েৰৰ হাতত আছেনেকি ?

কেশৱ—ন-বৌৰ পৰা ২৫ পইছা আনিছো। বাৰু ঠিক আছে।

(বাহিৰ ওলাই যায়)

(পীতমলে গোপালৰ চকী ঠেলি নিব ধৰে। এনেতে হৰকান্ত বাহিৰৰ পৰা সোমায়)

হৰকান্ত—গোপাল নেকি অ' ?

গোপাল—দেউতা কি হ'ল ? কিবা সুবিধা কৰিব পাৰিলেনে ?

(ঠেলা গাড়ী ঘূৰাই থৈ পীতমল ভিতৰ সোমায়)

হৰকান্ত—নাই, ক'তো একো সুবিধা কৰিব নোৱাৰিলোঁ। কেইবাখনো মাৰোৱাৰী গোলাতো সোমালো। সিহঁতে বজাৰ মন্দা বুলি কথাকে পাতিব নোখোজে। কেইজনমান সোণাৰীৰ ওচৰতো নিলো, সিহঁতেও দাম দিব নোখোজে। কেইজনমানে আকৌ আঙঠিটো সোণৰ নহয় বুলিও কয়—

গোপাল—কিয় সোণৰ নহব !

হৰকান্ত—সিহঁতৰ কবৰ কথা। দুখীয়াৰ সোণো পিতল। ধনীৰ হব লাগিছিল, হীৰাৰ বুলি কলেহেঁতেন। অ', এটা কথা—এইখন চাচোন দৰবৰ বিজ্ঞাপন—ৰামলাল বাবুৰ গোলাৰ দুৱাৰমুখত পৰি আছিল। হঠাৎ চকুত পৰিল। তোৰ অসুখটোৰ কিজানি কিবা অলপ আৰাম হয়েই।

গোপাল—এনেকুৱা বিজ্ঞাপন খবৰ কাগজত বহুত ওলায়।

হৰকান্ত—কিন্তু অসুখ ভাল নহলে মূল্য ফ্ৰিৰৎ দিব বুলি লেখিছে। এখন চিঠি লেখি চাবি নেকি ?

গোপাল—বাৰু এতিয়া থকচোন। কেশৱৰ Feesৰ ব্যৱস্থা কি কৰা যায় ? এইবাৰ 'এপিয়াৰ' হব নোৱাৰিলে তাৰ কন্ফিডেন্সও নোহোৱা হব।—আজি আকৌ মিউনিচিপেল বৰ্ডৰ টেক্স কলেক্‌টৰজনো আহিছিল। দুবছৰৰ টেক্স ১২৫·৮৮ পইছা দিবলৈ বাকী আছে।

হৰকান্ত—কি কৰিবি ? চাৰিওফালে এন্ধাৰ দেখিছো। ক্লোকীৰ চমন আহেহে লাগে। বৰ বৰ একোজনৰ আকৌ ১০।১২ বছৰৰো বাকী পৰি আছে। ইফালে কোঠাই কোঠাই—পানীৰ কলো বহুৱাই লৈছে। সিহঁতৰ হলে সকলো মাফ।—আৰু ইফালে তাৰনো এইখিনি খবৰ নাইনে ? মই তাক প্ৰায়েই কৈ আছোঁ—হেৰৌ, পৰীক্ষাৰ Fees কেতিয়া দিব লাগিব খিয়াল ৰাখিবি। অ', সি কালি কৈছে—কালিলৈ লাষ্ট ডেট।

(পীতমল আহে)

পীতমল—দেউতা, বন্ধা-বঢ়া হৈ আছে।

হৰকান্ত—বাৰু যা।

(পীতমলে গোপালক ঠেলি লৈ যায়—হৰকান্তই মূৰত তেল লয়।)

নৰহৰি—(ভিতৰত) বোলো কাকতী বাবু ঘৰত আছেনে ?

হৰকান্ত—কোন ?

নৰহৰি—মইহে—মহাজন।

হৰকান্ত—আহক, আহক, সোমাই আহক। বহক।

নৰহৰি—ভালে আছেতো ?

হৰকান্ত—আমাৰনো কেতিয়াবা ভাল হবনে মহাজন ! পিছে নমৰি আছো যেনিবা । মহাজন—দায়-দোষ নধৰিব । এই বিহুৰ আগতে মই আপোনাৰ ৰূপ তিনি টকা শোধাম । পলম হৈছে হয়—কিন্তু মোৰ মনত আছে ।

নৰহৰি—ৰূপ তিনি টকা ?

হৰকান্ত—হয় মহাজন ! তিনি টকা । বেছি নহয় ! আপোনাৰ বহী মেলিলে ওলাব । অৱশ্যে সুদ ধৰিলে বেলেগ কথা । কাতিয়ে কাতিয়ে আজি এবছৰ আৰু এই ফাগুণে—চাৰি মাহ । এই ষোল্ল মাহৰ সুদ বুলি যদি কিবা বিচাৰে ।

নৰহৰি—আপোনাৰ বাকীৰ কথা মোৰ মনত আছে । পিছে মই সেই টকা সাধিবলৈ অহা নাই । অন্য এটা কথাতহে আহিছো ।

হৰকান্ত—কি কথা মহাজন ?

নৰহৰি—কথাটো কবলৈ গ'লে নিজৰ গালতে নিজে চৰোৱা যেন লাগে । তথাপি কিন্তু আজি আপোনাক কম বুলি আহিছো । আপুনি তাৰ এটা সুমীমাংসা নকৰিলে ফল বেয়া আছে । কাৰ মূৰ ক'ত যায় এবো ঠিক নাই ।

হৰকান্ত—কি কথা মহাজন ?

নৰহৰি—আপোনাৰ ল'ৰা এই সোণ আৰু কেইটামান বজৰুৱা ল'ৰাই আজি কেইমাহমানৰ পৰা মোক একেবাৰে জ্বলাই মাৰিছে ।

হৰকান্ত—কিয় ? কেনেকৈ ?

নৰহৰি—আজি কিছুদিনৰ আগতে মই এদিন কিবা সকামত কাছাৰীলৈ গৈছিলোঁ । দেখোঁ যে কাছাৰীৰ ওচৰৰ সেই গলিটোত কেইটামান ল'ৰাই পইছা খেলি আছে । তাৰে এজন হৈছে আপোনাৰ ল'ৰা সোণ ।

হৰকান্ত—আমাৰ সোণ !

নৰহৰি—হয় । মই বোলো বন্ধুৰ ল'ৰাই নিজৰ ল'ৰাই সমান । একে চকুৰে চাব লাগে । সেয়ে দিলো ধমকি লগাই । —'স্কুলৰ পৰা পলাই পইছা খেলিব আহিছ ? গলিনে ভালে ভালে !' অ', সিদিনাৰ পৰা মই যেনিবা বাটৰ কটুহে গাত ঘঁহি ললোঁ ।

হৰকান্ত—কিয় ? কি হ'ল ?

নৰহৰি—অ', সিদিনাৰ পৰা সিহঁতে মোৰ পিছ নেৰা হল । মই য'ত সিহঁতো ত'ত । ক'ৰ পৰানো কেনেকৈ আগতে ওলায়হি মই ততকে ধৰিব নোৱাৰো । আহিয়েই এটা আপদীয়া মাত উলিয়াই যিহে বিতিকিৎচা চিঞৰ মাৰিব—কি কম !

হৰকান্ত—কি বুলি চিঞৰে ?

নৰহৰি—এ নুসুধিব । ফুটবল ফিল্ড, বজাৰসমাৰ যতেই মই যাওঁ ততেই সিহঁত ওলাব আৰু চিঞৰিব । আনকি মোৰ ঘৰৰ কাষৰ উকীলৰ পকী দেৱালতো আলকাতৰাৰে সেই শব্দ ডাঙৰ ডাঙৰকৈ লেখি থৈছে ।

হৰকান্ত—উস্, ইহঁত ইমান অধঃপাতে গৈছে ?

নৰহৰি—এ, নকব । পৰাত মই এই স্কুলীয়া ল'ৰাৰ বিপক্ষে গোচৰ দিব আহোঁনে ? মোক একেবাৰে তিতা লগাইছে । একোবাৰ এনে ভাব হয়---দা লৈ কাটিয়েই দিওঁনেকি ? পিছে যি হয় হব । সিহঁতৰ তাপত আজি কিছুদিন বাহিৰকে ওলোৱা নাছিলো । কালি আকৌ এটা হ'ল ।

হৰকান্ত—কেনে ?

নৰহৰি—সেই অসমীয়া উকী এখন আহিছে নহয় । তাকে পঢ়িবাৰৰ সৈতে চাব গ'লো । উস্, কেনেকৈনো সিহঁতে গম পালে । ওলাই চাৰিআলি পাইছোহে মাথোন—আকৌ সেই

চিঞৰিব। তাতেই যি আৰম্ভ হ'ল, একেবাৰে টকী ঘৰৰ সম্মুখলৈকে সি আৰু বন্ধ ন'হল। পৰিবাৰৰ আগত মই মৰি যোৱাৰ দৰে লাজ পালোঁ।

হৰকান্ত—ৰব। তাক মাতিছো। আপোনাৰ আগতে মই তাক ভালকৈ এশিকনি দিম।

নৰহৰি—নালাগে, নালাগে। মোৰ আগত নালাগে। জানোছা ভালকৈ চাওঁতে আৰু কিবা বেয়া-টোহে হয়।

হৰকান্ত—সেই বুলি মোৰ ল'ৰাই আপোনাক অপমান কৰাটো মই সহ্য কৰিমনে? অ' সোণ, সোণ- - -

সোণ—(ভিতৰত) দেউতা- - - -

হৰকান্ত—এইফালে আহ।

(সোণ সোমাই আহে—মহাজনক দেখি জিভা উলিয়াই ভিতৰ সোমায়।)

হৰকান্ত—এইফালে আহ। (সোণ আহে) এখেতক চিনি পাব?

সোণ—পাওঁ—

হৰকান্ত—এখেতক বাটত দেখিলে তইঁতে কি বুলি চিঞৰ?

সোণ—মই নিচিঞৰো, আন ল'ৰাইহে চিঞৰে।

হৰকান্ত—কি বুলি চিঞৰে?

সোণ—(নিমাত)

হৰকান্ত—কি—কি বুলি চিঞৰে।

সোণ—(সুৰ লগাই) এই 'ধোন্দোল'।

(হৰকান্তই সোণৰ কাণত ধৰি চপৰিয়ায়)

হৰকান্ত—ক' আজিৰ পৰা চিঞৰিবি?

সোণ—মৰিলোঁ ঔ, মৰিলোঁ ঔ- - - -

(টেবুলৰ কিতাপ লৈ লৰ মাৰে)

হৰকান্ত—মহাজন! আজিৰ পৰা যদি সি কেতিয়াবা তেনেকৈ চিঞৰে মোক কব। মই তাক কাটি দুটুকুৰা কৰিম।

নৰহৰি—জানো। যিহে দিন পৰিছে দৰৱেই খালো নে দৰৱ বুলি বিহকেই খালো এতিয়াও কব পৰা নাই। বাৰু, এতিয়া মই আহোঁহে—পিছে টকাকেইটা নিবলৈ কেতিয়াকৈ মানুহ পঠাম?

হৰকান্ত—পঠাব নালাগে। মই সুবিধা চাই—নিজেই দি আহিমগৈ।

নৰহৰি—ভাল। (ওলাই যায়)

(হৰকান্ত ভিতৰ সোমায়)

(স্কুললৈ যোৱা বেশত যদুৰ প্ৰৱেশ)

যদু—মুকুট, অ' মুকুট, স্কুললৈ নাযাবনেকি অ'?

মুকুট—(ভিতৰত) গৈছোঁ ৰহ।

(লৰি আহি টেবুলৰ পৰা কিতাপ লয়)

যদু—হেই, আজি স্কুললৈ নাযাওঁ দে, খুব ভাল মেটিনী আছে তাকে চাম বল।

মুকুট—মোৰ হাতত ভাই এটাও পইছা নাই। কেনেকৈ চাম।

যদু—মই আজি কিতাপ কিনিব লাগে বুলি মাক খুজি দুটা টকা আনিছো। তাৰেই জুৰিব বল। এতিয়া পোনতে গৈ নাও খেলোগৈ। এক বজাৰ লগে লগে দোকানত চাহ খাই মেটিনী চামগৈ বল।

(কণ্ আহে)

কণ্—তোমালোকে এইবোৰ কি কথা পাতিছা? মই কিন্তু ককাদেউতাক কৈ দিম।

মুকুট—তোক কোনে মাতিছে? ভাল নহব দেই। তই ছোৱালী হৈ মতা মানুহৰ কথাত কিয় মাতিছ? মই কিন্তু সাৱধান কৰি দিছো।

কণ্—ছোৱালী হলোঁ কি হ'ল? সঁচা কথা কবলৈ ভয় কিহৰ? তোমালোকে নাও খেলা আৰু মেটিনী চোৱাৰ পাং পতা নাই জানো?

মুকুট—পাতিলো—তোৰ কি হ'ল?

কণ্—স্কুললৈ নগৈ মেটিনী চোৱা জানো ভাল কথা?

মুকুট—আমাৰ যি ইচ্ছা তাকে কৰিম। তোৰ কি?

ৰুণু—মোৰ ইচ্ছা মই ককাদেউতাক কৈ দিম। তোমালোকৰ কি ?

মুকুট—ৰুণু, তই বৰ বাঢ়িছ অ'। বেয়া হব কিন্তু কৈ দিছো।

যদু—মুকুট! তোৰ ভতিজাৰে ইমান টান কথা কয়! মোৰ ভতিজা হব লাগিছিল—একে ঘোচে দাঁত ভাঙি দিলোঁ হয়।

ৰুণু—তোমাক কোনে মাতিছে ? ফাঁকি কৰি চিনেমা চোৱা। মই কৈ দিম নহয়—মজাপালিতো দিব।

যদু—মুকুট! তোৰ ভতিজাৰৰ কথা শুনিবলৈ মই তহঁতৰ ঘৰলৈ আহিছিলোঁনেকি অ'?

মুকুট—ৰুণু! তোক মই এশিকনি দিম। তোৰ ইমান সাহ ? মোৰ লগৰ ল'ৰাক তই টান কথা কৱ!

ৰুণু—কলে কি কৰিবা ? মই ভাল কথাহে কৈছো।

মুকুট—চাওঁ, তোৰ দাঁত ভাঙি দিওঁ—

(খেদি যায়—ৰুণুৱে বগিয়াবগী কৰে)

ৰুণু—ককাদেউতা! ককাদেউতা! মুকুটদাদালৈ চোৱাহিচোন।

যদু—মাৰ না—মাৰ না—দে ঘোচ লগাই—মাৰ—মাৰ না—

মুকুট—পলাই ক'ত সাৰিবি ? দেউতা আহিলেও মই তোক শুদাই নেৰিছো।

(ৰুণুৰ কিতাপবোৰ লৈ)

এইয়া চা (দলিয়াই দিয়ে) পালি মজা ?

ৰুণু—ককাদেউতা—ককাদেউতা—

হৰকান্ত—(ভিতৰত) কি হ'ল অ' ৰুণু ?

যদু—আপ্পা! (লৰ মাৰে)

ৰুণু—চোৱাচোন মোৰ কিতাপবোৰ মুকুটদাদাই কেনেকৈ দলিয়াই পেলাইছে।

হৰকান্ত—হেই হতশ্ৰী হোৱা! তোৰ এইবোৰ কি কাম ? পঢ়া ল'ৰাই কিতাপ দলিয়ায়নে ? (কিতাপবোৰ বুটলি) কিতাপত সৰস্বতী থাকে বুলি নাজান ? চাচোন এইবোৰ কেনেকৈ নষ্ট হ'ল।

মুকুট—তাই মোৰ লগৰ ল'ৰাক কিয় insult কৰিব ?

হৰকান্ত—কোন লগৰ ল'ৰা অ'? তোৰ কোন লগৰ ল'ৰা ? কি বেয়া কথা ক'লে ?

মুকুট—যদু আহিছিল। তাই পোনেই আহি যদুক কৈছে—তোমালোক বেয়া ল'ৰা। তোমালোকে চিনেমা চাই ফুৰা, বিড়ি খোৱা—পৰীক্ষাত পাছ কৰিব নোৱাৰা—এইবোৰ। তাই ছোৱালী হৈ মতা মানুহক বা মাতিবই কিয় ?

হৰকান্ত—হয়নে ৰুণু ?

ৰুণু—মিছা কথা কৈছে।

মুকুট—নিলাজী।

হৰকান্ত—তই মনে মনে থাক। তাইক কব দে। ক, ৰুণু কি হৈছিল ?

ৰুণু—যদুদাদা আহি মুকুটদাদাৰে কথা পাতি আছিল। মই কিতাপ নিবলৈ আহিছিলো। যদুদাদাই মুকুটদাদাক মেটিনী চাবলৈ লগ ধৰিছে। নাও খেলিবলৈ মাতিছে। মই শুনি কলোঁ এইবোৰ বেয়া কথা। মই ককাদেউতাক কৈ দিম।

হৰকান্ত—তাৰ পিছত ?

ৰুণু—তাৰ পিছত মুকুটদাদাই মোক মাৰিবলৈ খেদি আহিছিল। মই আপোনাক মতা দেখি মোৰ কিতাপবোৰ দলিয়াই দিছে।

হৰকান্ত—মেটিনী চোৱা হৈছে ? ল'ৰা পকিছে। আগৰ গৰু যেনি যায়, পিছৰ গৰুও তেনিহে যাব। তোৰ কিতাপ ক'ত ?

মুকুট—(এখন কিতাপ দেখুৱাই) এইখন।

হৰকান্ত—আৰু কিতাপ—বহী কত ?

মুকুট—(মুৰ খজুৱাই)

হৰকান্ত—নামাত কিয় ? ক, তোৰ কিতাপ-পত্ৰ ক'ত ?

মুকুট—কালি স্কুলতে থাকি আহিল ।

হৰকান্ত—স্কুলতে থাকি আহিল---? কেনেকৈ ? অ' বুজিছো—কালি বোধকৰো স্কুল ছুটীৰ আগতে কিতাপ-পত্ৰ এৰি পলাইছ ?

মুকুট—ক'ত বা পলাইছোঁ । এনেয়ে চাব মাৰি চাব মাৰি ধৰে ।

হৰকান্ত—নাই পলোৱা ? দগাবাজ ! তোৰ দোৱাত-কলম ক'ত ? কালি যে দিছিলো কাঠ পেন্সিলডাল—ক'ত ?

মুকুট—(জেপত হাত সুমুৱাই বিচাৰে)

হৰকান্ত—হেই, জেপত কি খপিয়াইছ ? চাওঁ, কি সাপ-বেঙ আছে ?

মুকুট—জেপটো ফুটা আছিল ক'ৰবাত পৰি গ'ল।

হৰকান্ত—পৰি গ'ল ? সদায় একোডাল পেন্সিল লাগে, সদায় একোডাল হেণ্ডেল লাগে । পঢ়ি-শুনি ফলাব। তোৰ পেন্সিলডাল ক'ত কণু ?

কণু—আছে, এইডাল ককাদেউতা ।

মুকুট—সেইডাল মোৰ। তাই চুৰ কৰি নিছে।

কণু—কিয় হব ? এই ডাল মোৰ । মোৰ নাম লিখা আছে ।

হৰকান্ত—হেৰ—তোৰ ডাল দেখোন জেপৰ ফুটাৰে পৰি গ'ল বুলি কৈছিলি ? কটা ফাঁকিদাৰ-- যা স্কুললৈ যা ।

মুকুট—(কণুক আঙুলি জোকাৰি) তোক—তোক মই দেখিম।

হৰকান্ত—গলিনে—(খেদা মাৰে। মুকুট লৰি পলায়) কণু অ'—তোক মই স্কুলত থৈ যাম।

(হৰকান্তই অফিচৰ পোছাক পিন্ধি কণুৰ লগত ওলাই যায়) আহ কণু।

(তামোলৰ টেমা এটা হাতত লৈ পীতমলৰ লৰালৰিকৈ প্ৰৱেশ।)

পীতমল—এহ্—দেখিছা ? দেউতা গ'লেই—। উস্, বুঢ়া হলেও বেগৰ কোব চোৱা—নাই—

(বাহিৰলৈ লৰ মাৰে)

(গোপালৰ গাড়ী ঠেলি লৈ সাবিত্ৰী আহে)

সাবিত্ৰী—পীতমল কেনি গ'ল ?

গোপাল—পীতমল ! অ' পীতমল !

(হেফাই-ফেপাই পীতমল বাহিৰৰ পৰা আহে)

পীতমল—কি বোপাদেউতা ?

গোপাল--ক'লৈ গৈছিলি ? হেফাই-ফোপাই আহিছ দেখোন ।

পতীমল—এ—নকব বোপাদেউতা । তামোলৰ টেমাটো আনি চাওঁ যে দেউতা গ'লেই । পিছতে মাতিলে জানোছা যাত্ৰা ভঙ্গ হয়—সেই কাৰণে লৰি গৈ আগবাঢ়ি ধৰি টেমাটো দি আহিলোঁ ।

গোপাল—অ' মই আকৌ কদমীৰ গুৰি পালিগৈ বুলি ভাবিছিলো ।

পীতমল—এ' ! মই এক কথাৰ মানুহ। সিজনীয়ে যি আহি আপোনাৰ ওচৰত গোচৰ লগালেহি সেই তেতিয়াৰ পৰা আজি অতদিনে মই তাইৰ ফালে কেৰাহিকৈয়ে চোৱা নাই।

গোপাল—হয় নেকি ?

পীতমল—নহয় নো কি আকৌ ? তাইহে পাক দি দি মাতিবলৈ চেলু বিচাৰি ফুৰে। গপটো তইঁতৰ কেইদিনৰ ? দুটা যামি দাঁততো সৰিলেই ।

গোপাল—অ' তইতো বেছ খবৰ ৰাখিছ ?

(অফিচলৈ যোৱাৰ বেশত সাবিত্ৰীৰ প্ৰৱেশ)

সাবিত্ৰী—মোৰ অফিচৰ সময় হলেই । লওক এইয়া চাবি । পীতমল ! আই আহিলে আইৰ ভাগ দেখুৱাই দিবি। ল'ৰা-ছোৱালী কেইটাৰ কাৰণে, আজি ভাতকে থৈছো । জলপান একো নাই । সিহঁতক কবি—সিহঁতে নিজে লৈ খাব ।

গোপাল—বাৰু যোৱা । আমি পাৰিম । তোমাৰ আকৌ পলম হব ।

পীতমল—এঃ, সৌৱা আই আহিলেই ।

(বিমলা আহে)

বিমলা—কি অ', তেখেত অফিচলৈ গলেইনেকি?

গোপাল—গ'ল মাহীদেউ !

বিমলা—ইস্ । এনে গোটেই লাট চাহাবৰ চাকৰীটো কৰিছে ! দহটা নাবাজোতেই লৰ ধৰে । পিছে সোণ মুকুটহঁত আকা?

সাবিত্ৰী—সিহঁত স্কুললৈ গ'ল আই !

বিমলা—কি কৰিবি ? সময়মতে আহিম বুলিও আহিব নোৱাৰিলো । আজি আকৌ কাৰো এখন গাড়ীও নাই । ৰবীন বৰুৱাও কলিকতালৈ গৈছে । তেওঁ নাথাকিলে lift দিয়া গাড়ী এখনকে পাবলৈ নাইকিয়া হয় । মই আকৌ এতিয়াই যাব লাগিব । ফ্লাড ৰিলিফৰ কাৰণে । যোৱা সপ্তাহৰ বৰষুণে বহুত ঠাইত বানপানী কৰিলে ।

পীতমল—এফালে আকৌ বানপানী হৈ দেশ তল গ'ল—ইফালে আকৌ আমাৰ ইয়াত পানী অকণকে পাবলৈ নাইকিয়া হ'ল । এৰা—এই নলীকেইটাত কিবা সোপাহে লাগিল যেন পাইছো ।

বিমলা—অ', মই আজি ডি, চি-ৰ তাতে চেয়াৰমেন'ক পাইছিলো । এই অঞ্চলৰ পানীৰ অভাৱৰ কথা কৈছিলো । তেওঁ হেনো চৰকাৰৰ ওচৰত এখন Plan দিছে । সেই প্লেনমতে কাম হ'লে টাউনত হেনো আৰু পানীৰ অভাৱ নাথাকিব ।

পীতমল—চেয়াৰমেন দেউতাৰ বয়সো দেখোন ভাটি দিছে । তেতিয়ালৈ তেওঁ জানো থাকিব আই !

বিমলা—গৰুটো ! নাথাকি ক'লৈ যাব ? সাবিত্ৰী—যাচোন কি আছে দেগে । মই আৰু কাপোৰ নসলাওঁৱেই---। যাব লাগিব লগে লগে ডি চি-ৰ গুৰি পাবই লাগিব ।

(সাবিত্ৰীয়ে ধীৰে ধীৰে ভিতৰ সোমায়)

গোপাল—মাহীদেউ ! আপুনি আকৌ বেছিকৈ ঘূৰিছে । নিজৰ স্বাস্থ্যটোৰ প্ৰতিও চোৱা উচিত ।

বিমলা—দেশৰ কাম কৰা মানুহৰ ক'ত জিৰণি আছে ! মৰিলেহে আৰু জিৰণি হব । দেশখনৰ দায়িত্ব যে কিমান গধুৰ । তাক চোৱা-মেলা জানো কম কথা ! (ভিতৰলৈ মুখ কৰি) দিলিনে—(সোমাই যায়)

পীতমল—বোপাদেউতা ! দেশৰ কামনো কি ? একো কাম-বন নকৰি ঘূৰি ফুৰাকে দেশৰ কাম কৰা বোলেনেকি ?

বিমলা—(ভিতৰৰ পৰা) পীতমল !

পীতমল—মই আপোনাৰ কথা কোৱা নাই, আই!

(লৰি যায়) (সাবিত্ৰী আহে)

সাবিত্ৰী—আপোনাৰ তাত যে টকা দুটা আছিল—

গোপাল—কিয়---মই দেউতাক দিলো নহয় । কেশৱৰ Feesৰ কাৰণে, তুমি দেখোন জানাই ।

সাবিত্ৰী—আইক লাগে হেনো হাত খৰচৰ কাৰণে--

গোপাল—নাই যে, ক'ৰ, পৰা দিম ?

(বিমলা আহে)

বিমলা—পালিনে ?

গোপাল—নাই মাহীদেউ, টকা দুটা আছিল । দেউতাক দিছো কেশৱৰ Feesৰ কাৰণে ।

বিমলা—বাৰু নালাগে, অ', তহঁতক কৈছোনে নাই--আজি মোক সন্ধিয়া 'আদৰ্শ নাৰী' সম্পৰ্কে কলেজত বক্তৃতা দিবলৈ মাতিছে ।

(পীতমল আহে)

পীতমল—আই, ৰাতিলৈ চাউল কেইটিন দিম ?

বিমলা—সেইবোৰ মই কি জানো ! মই আজিকালি দেশৰ কামত লাগিছো—ঘৰৰ কথা মোক আজিকালি একো নুসুধিবি ।

(বাহিৰত Horn বাজে)

সেইয়া মটৰ আহিলেই । মই আহিছোঁ, ৰাতি মোৰ পলম হব পাৰে ।

(শলীপাৰঘোৰ পিন্ধি হাতত ছাতিটো লৈ বিমলা যায়।)

সাবিত্ৰী—মই আহিছো দেই । (নবালবিকৈ যায়)

গোপাল—যোৱা। আজিও তোমাৰ পলমেই হ'ল। পীতমল ! মোক আমাৰ কোঠালৈ ঠেলি দেচোন । (পীতমলে ঠেলি নিয়ে)

(যদু আৰু মুকুটৰ প্ৰৱেশ । দুয়ো কিবা হেৰোৱা বস্তু বিচৰাত লাগে)

মুকুট—নাই ভাই, ইয়াত পৰা নাই ।

যদু—তেন্তে ক'ত পৰিল ?

মুকুট—মোৰ মনেৰে নাও খেলোতে লুইতত পৰি তল গ'ল ।

যদু—ধেৎ, লুইতত পৰিলে ভাহিহে উঠিল হয় । নোট ক'ৰবাত পানীত তল যায়নেকি ?

(পীতমল আহে)

মুকুট—এই—দুটকীয়া নোট পানীত তল যাবনে ভাহিব ?

পীতমল—(খুব ভাবনাত) ৰ; মই বোপাদেউতাক সুধি আহোঁ ।

যদু—(মুকুটৰ প্ৰতি) যা, বাৰু, তই পানী আন—পৰমাণ চাওঁ ।

মুকুট—ৰ—তেন্তে। (যায়)

(যদুৱে আকৌ বিচাৰে। মুকুটে এবাল্টি পানীত কাগজ পেলাই চায়)

যদু—এইয়া মই নকৈছো। নোট পানীত ভাহিব।

মুকুট—লুইতত যে কিমান পানী ! মানুহ পৰিলেও তল যাব । (পীতমল আহে)

পীতমল—ভাহিব—ভাহিব, এ, দেখিছো পানী বাল্টি নষ্ট কৰিলে । এতিয়া ক'ৰপৰা পানী আনোগৈ ?

(ভিতৰত—সোণপাপড়ী। সোণপাপড়ী।)

যদু—এই, তইত ইয়াতে অলপ ৰ—মই সোণপাপড়ী আনিছো। (যায়)

মুকুট—এই—আজি ঘৰ সাৰোতে টকা দুটা পাইছিলি ?

পীতমল-ঘৰ সাৰোতে টকা পোৱা হ'লে মই দিনে-ৰাতিয়ে ঘৰকে সাৰিলো হয় ।

(সোণপাপড়ী লৈ যদু আহে)

যদু—এই ল' (মুকুটক দিয়ে। পীতমলক সোধে) তই খাবি ?

পীতমল—জিভা ডাকেনেকি ?

যদু—ল—ল ।

(পীতমলে লয়। যদুৱে মুকুটক চকুৰ টিপ দিয়ে—দুয়ো ভিতৰ সোমায়। পীতমলে এডোখৰ ভাঙি—কঁকালত খুচি থয়। বাকীখিনি টকালি টকালি খাব ধৰে। সোণ পাপড়ীৱালাৰ প্ৰৱেশ)

সোণৱালা-খোকা বাবু ! খোকা বাবু !

পীতমল—কোন অ' ?

সোণৱালা—পইছা দিন ।

পীতমল—কিহৰ পইছা অ' ?

সোণৱালা—সোণপাপড়ীতো খেয়েছেন, বেচ্। পইছা দিবাৰ সময় আকৌ কিসেৰ পইছা ? সোণ-পাপড়ীৰ পইছা । এমনি পাচ্চেন নাকি ?

পীতমল তোৰ পৰা মই লৈছোঁনে ? মোক যদু-ৱেহে দিছে । তোৰ এই লেতেৰা হাতৰ মিঠৈ খাব নেপাইহে মৰিছো ! গমিনে ভালে ভালে ইয়াৰ পৰা-নহলে জুবুৰিয়াই দিম ।

(দুডাল ফলা খৰি লৈ যদু আৰু মুকুট আহে)

সোণৱালা—খোকা বাবু ! পইছা দিন ।

যদু—কিয় পইছা দিব ? যাও, হিয়াচে ভাগ ।

সোণৱালা—খেতে পাৰ—পইছা দিতে পাৰ না । লজ্জা কৰে না তোমাদেৰ। ভদ্ৰলোকেৰ ছেলে হয়ে, পেটেৰ জ্বালায় বিজনেচ কৰছি । দেশে কত জমি-জমা ছিল -তা কে খেত। জমীদাৰ ছিলাম না বটে, কিন্তু জমী-জমা কম ছিল না ।

যদু—হেই, টপটপাই নাথাকিবি । টিনি পোৱা নাই ?

সোণবালা—খুব চিনেছি। অনেক জায়গায় বিজ-নেচ কৰেছি—কিন্তু এমন 'পইজন' ছেলে পাইনি। আমৰাও কিন্তু দাঙ্গা-হাঙ্গামাৰ দেশেৰ লোক। প্ৰয়োজন হ'লে আমৰাও লাঠি চালাতে পাৰি।

যদু—এই—তই ইমান বকবক নকৰিবি। ভালে ভালে যা। নহলে টাঙোন খাবি।

সোণবালা—আচ্ছা আচ্ছা—যাচ্ছি। তোমাদেৰই জয় হ'ল। (যায়)

মুকুট—দেউতাই শুনিলে কিন্তু ভাই শুদাই নেৰে।

যদু—কেনেকৈ জানিব? (পীতমলক) এই, তই কৈ দিবিনেকি অ'?

পীতমল—তহঁতে দুটা দুটা খাইছ—মোক এটাহে দিছ।

যদু—বাৰু, আন এদিন তোক দুটা দি আমি এটা লম দেই।

পীতমল—ঠিক্। মনত কিন্তু ৰাখিবি। (যায়)

মুকুট—কিন্তু ভাই পৰীক্ষা আহি পালে। এইবাৰ যদি প্লাক্ মাৰোঁ?

যদু—ধেৎ! তই কি ভয় কৰিছ? এইবাৰ দুটা তাবিজ লম। কোনে ফেল কৰে!

মুকুট—তাবিজ?

যদু—অ'—খবৰ কাগজত দেখিছো—লগে পৰীক্ষাত পাছ হবই। এলাপেচা বস্তু নহয়—সপোনত পোৱা তাবিজ। খবৰ কাগজত যি ওলাইছে। মই দেউতাই পঢ়া খবৰ কাগজত পাইছো।

মুকুট—হয়নেকি? তই কিন্তু দেশৰ বহুত খবৰ জান। এই তাবিজ আনি বিক্ৰী কৰিলে খুব চলিব। আমাৰ কেশৱ ককাইদেৱেও লব।

যদু—কিন্তু তহঁতৰ কণজনী ভাই বৰ দন্দুৰী। নহয়—ছোৱালীবোৰ এনেকুৱাই। আমাৰ ৰেখাও এনেকুৱা আছিল। মই এদিন ভাল শিক্ষা দিলো। তেতিয়াৰ পৰা 'চিধা' হৈ গ'ল।

মুকুট—কচোন! কি কৰিলি? ময়ো তাকে কৰিম।

যদু—তই জানো পাৰিবি?

মুকুট—নিশ্চয় পাৰিম।

যদু—তেন্তে শুন। তই আজি সাজ লগাৰ আগতে কিতাপ লৈ মেজত বহিবি। ডাঙৰ ডাঙৰকৈ পাঠ আওৰাবি। তোৰ পঢ়াৰ কাষত জুল বাৰি এডাল ৰাখিবি। যেই তাই পঢ়িবলৈ আহিব দিবি মুখতে একোব লগাই। দেউ-তাই সুধিলে কবি মোৰ পঢ়াত দিগদাৰ কৰি আছিল। ঘোঁচা মাৰি দিলোঁ মুখতে লাগি গ'ল।

মুকুট—ঠিক্ ঠিক্। ময়ো আজি নিশ্চয় তাকে কৰিম। তোৰ ইমান বুদ্ধি!

(ভিতৰত চানাচুৰবালাৰ গীত)

যদু—হেই—সৌটো চানাচুৰবালা গৈছে। বল বল, চানাচুৰ খাওঁগৈ।

(দুয়ো বাহিৰ ওলাই যায়)

(ভিতৰৰ পৰা পীতমলে গোপালৰ গাড়ী ঠেলি আহে)

পীতমল—বোপাদেউতা! আপুনি অলপ ভিতৰ-লৈকো মন কৰিব মই এতিয়াই আহিছো।

গোপাল—তই ক'লৈ যাব?

পীতমল—মই মেধিৰ ঘৰৰ কুঁৱাটোৰ পৰা পানী এবাল্টি আনোগৈ।

গোপাল—কিয়? তই পানী ধৰা নাছিলি জানো?

পীতমল—ধৰিছিলো। এযুগ বহি এবাল্টি ভাল পানী আনি থৈছিলো। কিন্তু মুকুট আৰু যদুৱে আহি পানী বাল্টিত হাত সুমুৱাই নষ্ট কৰিলে। মই লৰি আহিছো।

গোপাল—মুকুটহঁত আহিছিলনেকি?

পীতমল—আহিছিল। এইমাত্ৰ ওলাই গৈছে।

গোপাল—পানী-খোৱা ছুটীত আহিছিল তেন্তে—কিবা খালেনে ?

পীতমল—খালে—সোণৰ পাপড়ীনেকি ? মোকো এটা দিছিল। এচিকুট ৰুণুলৈও থৈ দিছোঁ। বৰ তমস্কাৰ বস্তু বোপাদেউতা।

গোপাল—মোৰ গাৰুৰ তলতে এখন কিতাপ আছে—দি যা।

(পীতমল ভিতৰলৈ যায়—এহাতে এটা বাল্টি আৰু এহাতে এখন কিতাপ লৈ সোমাই আহে)

পীতমল—এইখন বোপাদেউতা।

(দি ওলাই যায়। গোপালে কিতাপ পঢ়ে। কেইখন-মান আলোচনী লৈ নাৰায়ণৰ প্ৰবেশ।)

নাৰায়ণ—এইখন কি কিতাপ পঢ়িছ দাদা—চাওঁ। দত্তৰ 'অভিযান'। কি ৰস আছে তাত ? সৌন্দৰ্য উপভোগ কৰিব খুজিছ যদি—আধুনিক কবিতা পঢ়। এইয়া দেখিছ, এই-খন 'সেউজীয়া'—ইয়াত মোৰ এটা আধুনিক কবিতা ওলাইছে—এইটো 'আলকাতাৰা'।

(গোপালক দিয়ে—গোপালে চায়)

এইখন 'সোণৰ পালেং'—ইয়াতো মোৰ এটা কবিতা ওলাইছে। 'বৰশী', একদম নতুন ধৰণৰ ! বহুতো নতুন idea সুমুৱাই দিছো।

গোপাল—কি কবিতা ? 'বৰশী' ? বৰশীক লৈ নো কি কবিতা হয় অ' ?

নাৰায়ণ—হেই—তই নুবুজ। তাতেইতো art আছে। শিল্পীৰ সাধনাৰ সেইখিনিতেইতো সাৰ্থকতা। শুন—(পঢ়ে)

বৰশী

মানুহৰ অপূৰ্ব কৌশল
ৰহস্যময় তোমাৰ ইতিহাস
পুৰণি পৃথিবীৰ তুমি—হাইড্ৰোজেন ব'ম।
তুমি অৰ্জুনৰ গাণ্ডীৱ
পৰশুৰামৰ শাণিত কুঠাৰ
নিক্ষত্ৰীয় কৰিলে যি ভূমি
তিনি শত বাৰ।
তোমাৰ কৌশল দেখি
থৰহৰি কম্পমান
মৎস্যৰূপী প্ৰথম অৱতাৰ.
দ্বাপৰৰ কলীয়া কৃষ্ণৰ
ধ্বংসৰ অন্যতম হাতিয়াৰ
কত যুগ যাব গ'ল কালৰ বুকুত
তথাপি তুমি নিত্য নতুন
যৌৱনৰ জয়ৰ নিদৰ্শন—

কেনে পালি ?

গোপাল—সঁচা কথা কলে তই বেয়া পাবি। মই ভাই একো বুজা নাই।

নাৰায়ণ—চা—তই এজন গ্ৰেজুৱেট। তয়ে নুবুজ! বুজিবলৈ কিমান মহলা লাগিব। এইবোৰ intellectualৰ বস্তু। কিন্তু কেনেবাকৈ যদি এবাৰ বুজি পালি তই তাৰ ৰসতে বুৰি থাকিবি।

গোপাল—চাওঁ বাৰু। সেইখন দেচোন ? কিবা গল্প আছে নে চাওঁ।

নাৰায়ণ—গল্প ? গল্পত কি ৰসটো পাবি ? তাত কি নতুনত্ব থাকে ? তই গল্প, মই গল্প, সকলোৱেই এটা নহয় এটা গল্পৰ 'হিৰ'। গল্প আৰু কবিতাৰ পাৰ্থক্যটো কি বুজিছ ? গল্প হৈছে যেনিবা কুঁহিয়াৰৰ বাকলি আৰু কবিতা হ'ল তাৰ ৰসখিনি। এতিয়া তই ক—বাকলি খাবি নে ৰস খাবি। এইটো শুন 'ভেৰেকনি'ত মোৰ 'যৌৱনা' ওলাইছে—শুন, ভাল পাবি।

যৌৱনা

তুমি শকুন্তলা—তুমি মিৰাণ্ডা
তুমি ইচাওৱাৰ ডানকান
তোমাৰ চকুত হেজাৰ আজাৰ ফুল।
"ঈষত হসিত মুখ চান্দ উজোৰ
দশন মোতিম যৈচ নয়ন চকোৰ।"

Sun glassত Power নাই
বিত চকুত –প্লাচ নে মাইনাচ –
"আমাৰ মাথা নত কৰে দাও হে তোমাৰ
চৰণ ধূলাৰ তলে।"
"Come to me in dream O love"

(কেশৱ আহে)

কেশৱ—আকৌ কবিতা ? কবিতাই মানুহক পঙ্গু কৰে, বুজিছ ? আৰু সঁচাকৈয়ে যদি কবিতা লিখ বিপ্লৱী কবিতা লেখ। তোক বাৰ বাৰ কৈছো, তই নুশুন। দাদা! তয়ো ভাল। নিৰ্বিকাৰ হৈ শুনি আছ! হেই—মই কিন্তু তোক কৈ দিছো, তই যদি কবিতা পঢ়ি nuisance কৰি থাক তোৰ চবু কবিতা মই পুৰি পেলাম।

নাৰায়ণ—তই বান্দৰে নাৰিকলৰ মোল কি বুজিবি? কবিতা নহলে এই পৃথিবী পৃথিবী নহৈ চাহাৰা হলহেঁতেন।

গোপাল—তহঁতে দেখোন নিজৰ ভিতৰতে তৰ্কাতৰ্কি কৰি কুৰুক্ষেত্ৰৰ সৃষ্টি কৰিব খুজিছ হো।

কেশৱ—অ' ঠিক কৈছ—'কুৰুক্ষেত্ৰ'। কুৰুক্ষেত্ৰত আছিল মাটিৰ লড়াই। কুৰুক্ষেত্ৰৰ 'হিৰ' আছিল কোন ? ভীম-অৰ্জুন, আনফালে কৰ্ণ-দুৰ্যোধন এইবিলাকতো। কিন্তু ভীম-অৰ্জুন কৰ্ণ-দুৰ্যোধনে কত কবিতা লেখিছিল ? আজিও ঠিক ৰুটিৰ লড়াই চুৰু হৈ গৈছে। মানুহৰ কবিতা লেখিবৰ বা পঢ়িবৰ সময় ক'ত ?

নাৰায়ণ—তেন্তে শিল্পীয়ে কি কৰিব ? কবিয়ে কি কৰিব ?

কেশৱ—বিপ্লৱ কৰিব।

নাৰায়ণ—বিপ্লৱ কৰিব ? তই বিপ্লৱ কৰ যি কৰ কৰি থাক। তোক কোনে বাধা দিছে ? কবিতা তোৰ দৰে মূৰ্খৰ কাৰণে নহয়—নহয়। ই intellectualৰ কাৰণে।

কেশৱ—দেখিলি দাদা, দেখিলি ? ই কেনে capitalist mentalityৰ মানুহ। আজি জনতাৰ যুগ। এই mentality ৰে তই কেইদিন টিকিবি ? (দুৱাৰত কিবা দেখি) হেই পুলিচ--- (সৰি ভিতৰ সোমায়)

পিয়ন—(ভিতৰৰ পৰা) ঘৰত কোন আছে ?

গোপাল—কোন ? সোমাই আহক।

(পিয়ন আহে)

পিয়ন—হৰকান্ত কাকতীৰ নামত এখন চিঠি আছে।

গোপাল—চাওঁ কি চিঠি। ক'ৰপৰা বা আহিছে ?

নাৰায়ণ—হেৰি, শুনকচোন। আপোনাৰে এটি বিশেষ কথা আছে। বহক। (চকী দিয়ে) মই এতিয়াই আহিছো।

পিয়ন—মোৰ কাম আছে, সোনকাল কৰিব।

নাৰায়ণ—(ঘূৰি আহে) এইটো কবিতা! আপোনালোকক লৈ লিখা। শুনক।

পিয়ন—মোৰ কবিতা শুনিবৰ সময় নাই। বহুত ঠাইত চিঠিবিলাক দিবলৈ আছে।

নাৰায়ণ—বহকচোন, শুনি যাওক। ভাল পাব। এই পীতমল! পীতমল! মানুহ আহিছে একাপ চাহ লৈ আহ।

পিয়ন—মোৰ চাহ খাবৰ সময় নাই।

নাৰায়ণ—হব, সময় আছে। বেছি বজা নাই। পীতমল—বেগাই লৈ আহ। শুনক।

পিয়ন

সি ঘৰে ঘৰে যায় বাৰ্তা লৈ
সুখৰ দুখৰ মিলনৰ বিৰহৰ
কোৰিয়াৰ কুম্ভমেলাৰ।
কুৰি শতিকাৰ—মেঘদূত
বিৰহী যক্ষই নীৰৱে চকুলো টোকে
বিশ্ৰাম ক'ত ?
Walking is the best exercise
তোমৈ চাওঁতে জপনা দেওঁতে

বিজুলিে অঘৈয়া হলে
বিৰহী প্ৰেমিকৰ হিয়া ভগা গান
যি কঢ়িয়াই আনে
তথাপি তাৰ বাবে
দুৱাৰ মুকলি নাই
নাই "এফেৰি আয়ে দেহি এটি হমুনিয়া
আহে মাথোঁ—তাৰ বাবে
জীৱনৰ জীৱন্ত সমাধি।"
(কেশৱ আহে)

কেশৱ—আকৌ সেই nuisance—
পিয়ন—মই যাওঁ ।
নাৰায়ণ—আৰু এটি শুনি যাওক ।
কেশৱ—যোৱা এখন calendar দি যোৱা।
পিয়ন—আপোনালোকলৈ লৈ অহা নাই ।
কেশৱ—কি নাই? দিয়া—দিয়া—এইখন দিয়া।
(থপিয়াই ফালে)
পিয়ন—ছিঃ—আপোনালোকে দেখিছো কাম খেদাই মাৰিব ।
গোপাল—তহঁতে এইবোৰ কি কৰ হো ?
কেশৱ—কি কৰোঁ—বিপ্লৱ কৰোঁ ।
নাৰায়ণ—তই বৰ বিপ্লৱী দে। পিয়নটোকে পুলিচ বুলি পলাই পত্ৰং দিলি ।
কেশৱ—সেইটো বিপ্লৱৰ strategy—বিপ্লৱৰ ধাৰা এয়েই—
গোপাল—কিন্তু পিয়নটোৰ পৰা calendar খন থপিয়ালি কিয় ? সেইটো কি কৰিলি ?
কেশৱ—বিপ্লৱ কৰিলোঁ ।
নাৰায়ণ—বিপ্লৱ কৰিলে—এইটো বিপ্লৱ!
কেশৱ—বিপ্লৱ নহয় কি ?
নাৰায়ণ—অসভ্যালি। (ঠাইতে শুচি যায়)
কেশৱ—বুৰ্জোৱাবিলাকে বিপ্লৱক অসভ্যালি বুলি উপলুঙা কৰেই ।
(ভিতৰত সোমায়)
(একাপ চাহ লৈ পীতমলৰ প্ৰবেশ)
পীতমল—ক'তা? আলহীও নাই, গিৰীহঁতো নাই।
গোপাল—কি হল অ' পীতমল !
পীতমল—চাহ আনিছিলো, আপুনিয়েই খাওক বোপাদেউতা ।
গোপাল—নাই, এতিয়া কি চাহ খাবি ? তয়ে খাই থ গৈ যা—
পীতমল—এৰা। পেলনি যোৱাতকৈ গত লাগক।
(গুচি যায়)
(সোণ আহে—গাত জ্বৰ, মনটো মৰা)
গোপাল—সোণ স্কুল ছুটী হ'লনেকি ?
সোণ—ছুটী হোৱা নাই। এঘণ্টা আগতে আহিছো। গাটো বেয়া লাগিছে ।
গোপাল—গা বেয়া লাগিছে! চাওঁ এইফালে আহ-চোন। (সোণৰ কপালে-মূৰে হাত দি চায়) অ' গাটো অলপ গৰম। পীতমলক কৈ ভৰি-হাত ধুবলৈ অলপ গৰম পানী কৰি লগে যা। এতিয়া ভাত খাব নালাগে। চাহ আৰু মুৰিকে খাবি ।
সোণ—মই একো নাখাওঁ – (ভিতৰলৈ যায়)
পীতমল—বোপাদেউতা! সোণ গৈ বিছনাত উঠিল-গৈ। কাপোৰ-কানি লৈ কোঁচ-মোচ খাই শুলে। অ' মাতিলে আকৌ ৰাগটোহে উজাৰ দিয়ে।
গোপাল—বাৰু, ময়ে যাওঁ বলচোন ।
(পীতমল গাড়ী ঠেলি ভিতৰত থয়—আৰু সোতা এটা আনি ঘৰ সাৰিব ধৰে। ৰুণু স্কুলৰ পৰা আহে।)
পীতমল—এ—আমাৰ ৰুণু আইদেউ আহিলেই ।
ৰুণু—দেউতা ক'ত ?
পীতমল—ভিতৰতে আছে । কিন্তু তোমালৈ মই আজি এটা নতুন বস্তু থৈছো ।
ৰুণু—মই এতিয়াই আহিম দেই ।
(ভিতৰলৈ যায়)
পীতমল—(সোণপাপড়ী উলিয়াই) অ' আই, সাঁচি থওঁতেই দেখো সেমেকি নাইকিয়া হ'ল । কিনো মায়াৰ মিঠৈ অ' !

(ৰুণু আহে)

ৰুণু—দে কি থৈছ।

পীতমল—তুমি বাৰু কোৱাচোন মই কি থৈছোঁ?

ৰুণু—বগৰী?

পীতমল—ওহোঁ—

ৰুণু—আমলখি।

পীতমল—ওহোঁ—নহয়—

ৰুণু—মুৰিৰ লাৰু?

পীতমল—ওহোঁ—নহয়—

ৰুণু—বাদাম ভজা?

পীতমল—ওহোঁ, নহয়----

ৰুণু—তেন্তে তোৰ মূৰটো। (ওকোন্দ পাতে)

পীতমল—অ' আই! আমাৰ ৰুণু আইদেউৰ ঠেহ লাগিল। হয়ে কোন ক'ত আছু আহ ৰুণু আইদেউৰ ঠেহ ভাঙহি।

তৰবৰী লিগিৰী আহ
সোণতৰা লিগিৰী আহ
কদমী লিগিৰী আহ।

ৰুণু—এই—কদমী বাইৰ নাম কিয় লৈছ? দেউতাৰ আগত কৈ দিম।

পীতমল—নকবা—নকবা মোৰ সোণজনী—এইয়া, এইয়া তোমালৈ থৈছোঁ—

ৰুণু—কি? মোক নালাগে। (মুখ ঘূৰায়)

পীতমল—সোণৰ পাপড়ী। (পীতমলে দিয়ে)

গোপাল—(ভিতৰত) পীতমল—

পীতমল—গৈছোঁ বোপাদেউতা—

(ৰুণুৱে সোণপাপড়ী খাব ধৰে। সাবিত্ৰী অফিচৰ পৰা আহে)

সাবিত্ৰী—ৰুণু কি খাইছ?

ৰুণু—সোণ-পাপৰী।

সাবিত্ৰী—ক'ত পালি?

ৰুণু—পীতমলকায়ে দিছে—।

সাবিত্ৰী—দেউতাৰ ক'ত?

ৰুণু—সোণদাদাৰ জ্বৰ। সোণদাদাৰ ওচৰত আছে।

সাবিত্ৰী—সোণৰ জ্বৰ?

(ৰুণু লৈ ভিতৰ সোমাব খোজে; সিফালৰ পৰা পীতমলে গোপালক ঠেলি আনে)

সাবিত্ৰী—সোণৰ বোলে জ্বৰ? এতিয়া কেনে আছে?

গোপাল—জ্বৰ অলপ আছে। এতিয়া টোপনি গৈছে। স্কুলত জ্বৰ উঠি আহিছে। মূৰত বিচি দিওঁতে টোপনি গ'ল। ৰুণু—তাত গৈ গণ্ডগোল নকৰিবি দেই। সি সাৰ পাব। অ' আমাৰ এডাল 'থাৰ্মমিটাৰ' আছিল নহয়—কি হ'ল?

সাবিত্ৰী—সিদিনা বাপুহঁতৰ ঘৰলৈ খুজি নিছিল। সেইডাল অনাব লাগিছিল।

গোপাল—পীতমল!

পীতমল—বোপাদেউতা!

গোপাল—নহয়—তয়ো যা ৰুণু। বাপুদাদাহঁতৰ পৰা আমাৰ জ্বৰ জোখাডাল খুজি লৈ আহ। শুন পীতমল—তই লগত যা। তই বাহিৰতে থাকিবি, ৰুণু গৈ লৈ আহিব।

পীতমল—ৰুণুৱে যন্ত্ৰটো অকলে দাঙিব পাৰিবতো?

গোপাল—বাৰু যাচোন। ৰুণুৰ কিমান বল পৰীক্ষাকে চাওঁচোন।

ৰুণু—মই পাৰিম। থাৰ্মমিটাৰ ডাল দাঙিব নোৱাৰিমনে?

(পীতমল আৰু ৰুণু যায়)

সাবিত্ৰী—সি কিবা খালেনে?

গোপাল—নাই, একো খাব নোখোজে।

সাবিত্ৰী—কেশৱৰ ফিজৰ কিবা দিহা হ'লনে?

গোপাল—নাই। দেউতাই অফিচৰ পৰা কিবা ব্যৱস্থা কৰিলেনেকি? একো গম পোৱা নাই। তাৰতো নিজৰ খবৰেই নাই।

(সাবিত্ৰী সোমাই আহে)

(বাহিৰৰ পৰা ৰুণু আৰু পীতমল আহে)

ৰুণু—নাই। জেঠাই ফুৰিবলৈ গৈছে। কদমী বাইহে অকলে আছে। আহিলে পঠাই

দিওঁ বুলিছে। (কণ্ যায়)

পীতমল—বোপাদেউতা! খবৰ কাগজখনকে লৰ মাৰি লৈ আহিমনেকি?

গোপাল—নালাগে—তই যা। ভিতৰতে অলপ সহায় কৰগে।

পীতমল—আপুনি ভাল পাব বুলিহে কৈছিলো আকৌ। (ভিতৰলৈ যায়)

(হৰকান্তৰ প্ৰৱেশ)

হৰকান্ত—আজি বুজিছু—অফিচত বৰ লাজ পালো।

গোপাল—কিয়?

হৰকান্ত—কত বছৰ চৰকাৰী চাকৰি কৰিলোঁ। কত হাজাৰ টকা এই হাতেদি লেনদেন কৰিলো কিন্তু—এদিনলৈও এটা ফুটা কড়িৰ ইফাল সিফাল হোৱা কোনেও কব নোৱাৰে। পেঞ্চনৰ farewell ৰ দিনা চাহাবে এই কথা উল্লেখ কৰি ডেকা কেৰাণী—বিশেষকৈ একাউন্টেন্টসকলক মোৰ আদৰ্শ লবলৈ উপদেশ দিছিল। কিন্তু আজি এটা বৰ লাজৰ কথা হ'ল।

গোপাল—কি হ'লনো?

হৰকান্ত—আজি 'কেচ' মিলাব খোজোঁ—নিমিলে। দুটা টকা কম ওলায়। কেইবাবাৰো গণিলো যি short short য়েই ওলাল। প্ৰপ্ৰাইটৰও আগতে আছিল—লাজতে মৰি যোৱা যেন পালো।

গোপাল—পিছে?

হৰকান্ত—পিছে আৰু কি হব? তোৰ পৰা নিয়া টকা দুটা তাতে যোগ দি কোনোমতে cash টো মিলাই থৈ আহিছো। জানো প্ৰপ্ৰাইটৰে কিবা তেৰাকৈ বুজিলেনেকি?

গোপাল—কেশৱৰ fees ৰ কিবা ব্যৱস্থা হ'ল জানো?

হৰকান্ত—ক'ত হ'ল? মোৰ হাতত আছিল পাঁচ—তই দিয়া দুটকাৰে এই সাতটি টকাহে গোট খালে।

গোপাল—অ' আপোনাৰ এখন চিঠি আছে। সোণৰো আকৌ জ্বৰ। আমাৰ বিছনাতে শুৱাই থৈছো। বৰ জ্বৰ উঠিছিল। এতিয়া অলপ ভাল পাই টোপনি গৈছে।

হৰকান্ত—সোণৰ জ্বৰ?

(গোপালে চিঠি উলিয়াই দিয়ে—হৰকান্তই চিঠি পঢ়ে)

(পীতমলে এঘটি পানী দি যায়)

পীতমল—বোপাদেউতা! আপোনাক অলপ সোণৰ ওচৰত থাকিবলৈ কৈছে। (ঠেলি লৈ যায়)

হৰকান্ত—সোণৰ জ্বৰ। স্কুললৈ যাবৰ সময়ত তাক বৰকৈ মাৰিলোও।

(ঘটি লৈ ওলাই যায়। পীতমলে হাৰিকেন এটা জ্বলাই আনি টেবুলত থয়—আনফালৰ পৰা কদমী আহে। কদমীৰ হাতত থাৰ্মমিটাৰ)

কদমী—হেই—আইহঁত ক'ত?

পীতমল—নিলাজৰ লাজ নাই—কেঁকোৰাৰ মূৰ নাই।

কদমী—অ' আই—আই—

(পীতমলে শুনাত বাধা দিবলৈ কাহে)

কদমী—কি চুপতি মাৰিবলৈ আহিছ হোঃ?

পীতমল—চুৱা-চেলেকী মোৰ ঘৰলৈ আহিছে নে মই চুৱা চেলেকীৰ ঘৰলৈ গৈছো?

কদমী—কাৰ ঘৰ অ'? কাৰ ঘৰ? কটা গোলাম! "গাত নাই চালবাকলি মদ খাই তিন টেকেলী।" তাৰ ঘৰ? তোৰ লাজ নালাগে? বন্ধা বৈ বৈ বুঢ়া হলিহি। ৰ' মই আজি কেৰাণী দেউতাক কৈ কি পচতিখন দিওঁ পাবি।

পীতমল—হেইয়া—সেইফালে পোনাৱ কিয়? তোৰ মোৰ কথা তোৰ মোৰ ভিতৰতে কিবা এটা ফয়চলা নকৰ কিয়? লোকক সাওোৰ কিয়? খং কৰ, গালি পাৰ, হাত দাও—যি কৰ মোৰ সম্মুখত কৰ। মইতো বেয়া

নাপাওঁ। খং কৰ সহি থাকিম, গালি পাৰ শুনি থাকিম, হাত দাও—পিঠি পাতি দিম।

কদমী—কি কয় অ' এইটোৱে?

পীতমল—নুবুজিলি—এতিয়াও নুবুজিলি? তেন্তে কেনেকৈ বুজাম? তই জানো নেজান—তোক মই কিমান ভাল পাওঁ।

কদমী—ছিঃ—কোনোবাই শুনিব।

পীতমল—চা—তোৰ কাৰণে কাম এৰিলো, গাঁও এৰিলো, নিজৰ সকলো এৰিলো। সেই তাহানি বোপাদেউতাই স্কুলৰ মাষ্টৰী কৰি থাকোঁতেই গৰমৰ বন্ধত ইয়ালৈ আহি যি দিনাই তোক দেখিলোঁ—সিদিনাৰে পৰা তোৰ পানে মোৰ পানে মিলি গ'ল।

কদমী—এই জ্বৰ জোখাটো ল। (দিয়ে)

পীতমল—দে। কিন্তু এইটো যদি জ্বৰ জোখা নহৈ মন জোখা হ'ল হয়—কিমান কামত আহিলহেঁতেন।

কদমী—মই যাওঁ দেই—আয়ে আকৌ পলম হলে খং কৰিব।

পীতমল তই সদায় এনে কৰ। মোৰ আগত ভমক কৰে জ্বলি -চমক কৰে নুমাই যাৱ। কচোন—তই বাৰু কালৈ ভাবি এনেদৰে থুপুৰী হৈছ?

কদমী হেই এইটো! যি মুখত আহে তাকে কয়! চাওঁ মই যাওঁ।

পীতমল ৰ' -তোৰ কাৰণে এটা বস্তু আনি থৈছো।

কদমী কি বস্তু?

পীতমল এচেন—হ -ল।

(কদমীয়ে লয়; আঙুলিত কাপোৰ বন্ধা দেখি)

এইয়া আঙুলিত কি হ'ল?

কদমী কাটিলে।

পীতমল—কেনেকৈ?

কদমী—খৰি ফালোঁতে।

পীতমল -দেহি ঐ—এই কোমল হাতেৰে তই খৰি ফাল!

কদমী—নাফালিলে কোনে ফালি দিব?

পীতমল—মই ফালি দিম।

কদমী—বাৰু! এতিয়া আহোঁ দেই—

পীতমল—শুনচোন—শুন।

কদমী—কি?

পীতমল—মই কেতিয়াকৈ খৰি ফালিব যাম?

কদমী—সুবিধা বুজি মাজে মাজে আহিবি।

পীতমল—মাজে মাজে নহয়—সদায় যাম। এঘাপ দুঘাপকৈ সদায় ছেগ বুজি মাৰি দি আহিম। কি কৱ, হে?

কদমী—বাৰু বাৰু।

(কদমী যায়গৈ। পীতমল সোমাব খোজে। মুকুটৰ প্ৰৱেশ। মুকুটৰ হাতত এডাল ফুল মাৰি)

মুকুট—পীতমলকাই।

পীতমল—হেঃ—

মুকুট—ৰুণুৱে কি কৰিছে অ'?

পীতমল—নবৌৰ লগত বহি পাচলি কুটিছে। (যায়)

(লৰালৰি লৈ মুকুট গৈ টেবুলত বহে। হাতত ফুল মাৰি আছেই। ডাঙৰ ডাঙৰকৈ পাঠ আওৰায়—মাজে মাজে উঠি ৰুণু আহিছেনে চায়। এবাৰ গৈ বৰ খৰকৈ পঢ়ে—ৰুণু আহে।)

ৰুণু—মুকুট দাদা তুমি—(মুৰত মকুটে কোব দিয়ে) উস্—(পৰি যায়)

মুকুট—কেনে মজা! (ৰুণুৱে লৰচৰ নকৰা দেখি) দেউতা—নবৌ, এইফালে আহা—ৰুণুৰ কি হ'ল চোৱাহি।

(হৰকান্তৰ বেগে প্ৰৱেশ)

হৰকান্ত—কি হ'ল? কি হ'ল?

মুকুট—(সেপ ঢুকি ঢুকি) লৰি আহোঁতে দুৱাৰত খুন্দা খাই পৰি গৈছে।

হৰকান্ত—চাওঁ! ৰুণু -অ' ৰুণুমা। একেবাৰে অচেতন হৈ পৰিছে! বিচনী এখন আন।

(পীতমল আৰু সাবিত্ৰী আহে)

সাবিত্ৰী—কি হ'ল ? কি হ'ল ?

হৰকান্ত—দুৱাৰত খুন্দা খাই পৰি গৈছে ।

গোপাল—(ভিতৰত) কি হৈছে—কি হৈছে ?

(পীতমল গৈ লৈ আহে)

সাবিত্ৰী—দেউতা ! চাওকচোন ! চকু দুটা কেনে কৰিছে। মুখখন ক'লা পৰি গৈছে ।

হৰকান্ত—মই এতিয়াই বৰা ডাক্তৰক মাতি আনিছো । তহঁতে মূৰত পানী দে আৰু বিচ ।

গোপাল—(বিচনীখন খুজি) চাওঁ মোক দিয়া । তুমি পানী আনি মূৰত দিয়া ।

(সাবিত্ৰী পানী আনিবলৈ যায়)

পীতমল—আই অ'—আই অ' মই কি কৰোঁ বোপাদেউতা ?

গোপাল—চাওঁ—ভৰি দুখন টানি মোহাৰি দে ।

(পীতমলে তেনে কৰে, সাবিত্ৰীয়ে মূৰত পানী দিয়ে)

(বৰা ডাক্তৰ আৰু হৰকান্তৰ প্ৰৱেশ।)

হৰকান্ত—চাওকচোন ! চাওকচোন, ডাক্তৰ ডাঙৰীয়া !

(ডাক্তৰে পৰীক্ষা কৰি চায়)

ডাক্তৰ—আপোনালোকে ভয় নাখাব । সকলো ঠিকেই আছে। (ইনজেকচন দিয়ে।) মোৰ হলে খুন্দা খোৱা যেন নালাগে । কোনোবাই মূৰত কোবাইছে। লৰি আহি দুৱাৰত খুন্দা খালে এইখিনিত কেনেকৈ লাগিব ?—সেইয়া তাই চকু মেলিছে ।

হৰকান্ত—ৰুণু ! ৰুণু !

ৰুণু—ককাদেউতা ! মুকুট দাদা ক'ত ?

হৰকান্ত—মুকুট ! এইফালে আহ । তই আকৌ চুকত সোমাই কান্দিছ কেলেই ? এইফালে আহচোন ।

(মুকুট সঙ্কোচ কৰি আহে)

হৰকান্ত—আহ ! আহ ! বিছনাৰ ওচৰলৈ আহ ।

মুকুট—ৰুণু ! মই তোক লোকৰ কথা শুনি মাৰিলো। দেউতা, মই মিছা কথা কৈছিলো। দুৱাৰত খুন্দা খোৱা নাই । মই ৰুণক মাৰিবৰে মূৰত মাৰিছিলো ।

হৰকান্ত—কোবাইছিলি ? কিয় ?

মুকুট—যদুৰ কথা শুনি মই ৰুণুক মাৰিলোঁ। মই আৰু কেতিয়াও যদুৰ লগ নহওঁ । ৰুণু ! তই মোক বেয়া নাপাবি দেই ।

(কান্দি কান্দি বিছনাত পৰে। সকলোৱে অবাক হৈ চাই থাকে।)

পট পৰে

৩য় অঙ্ক

১ম দৃশ্য

(হৰকান্তৰ ঘৰ। আগৰ দুই অঙ্কৰ দৰে পৰিবেশ। কোঠাটোৰ আন সলনি নাই। কেৱল কিছু পৰিমাণে মলিয়ন পৰিছে। হৰকান্তই উদ্বিগ্ন আৰু অসহায়ভাৱে ঘূৰি থাকে। মাজে মাজে ভিতৰৰ ফালে ভুমুকি মাৰে। নিজৰ চকীত বহি গোপাল। গোপালো চিন্তাগ্ৰস্ত ।)

হৰকান্ত—মই তেওঁক কলোঁ—বোলো এইবাৰ সন্মিলনলৈ যাব নালাগে। মোৰ কথা কিয় শুনিব ! অ' গ'লতো গলেই—বজাৰ খৰচৰ টকা কেইটাও সামৰি লৈ গ'ল। কি সন্মিলনী কৰাজনী হৈছে ? হেৰ—বৰ বৰ একোটাই সন্মিলন কৰি একো কৰিব পৰা নাই, তহঁতে কিটো কৰিবি ?

গোপাল—মাহীদেউৰ গাত কি দোষ ? আমিওতো ভাবিছিলো জ্বৰ উঠিছে, কমি যাব। এনেকৈ যে একেটা জ্বৰেই বিশ-বাইশ দিন কোবাব

ধোনেনো ভাবিব ? মাহীদেউ থাকিয়েই বা কৰিলে হয় কি ?

হৰকান্ত—কিয় ? এতিয়া চাচোন বোৱাৰীজনীৰ কিমান কষ্ট হৈছে। তাই একেজনী মানুহে কোন ফালে কিমান আগুৰিব ? ভাতকে বহাব নে চাহকে কৰিব ? বেমাৰীক প্ৰতিপাল কৰিব নে চাকৰিলৈকে যাব ? তাতকৈয়ো এতিয়া তাই বাগৰে বুলিহে মোৰ চিন্তা হৈছে।

সাবিত্ৰী—(ভিতৰত) পীতমল ! অ' পীতমল !

হৰকান্ত—কি হৈছে ? কি হৈছে ? (সোমাই যায়)

(বাহিৰৰ পৰা বাল্টি লৈ পীতমলৰ প্ৰবেশ)

গোপাল—পীতমল—মাতিছে, যাচোন।

পীতমল—আজি যে পানীৰ সচেই নাই। পানী তেনেই শুকাই গৈছে বোপাদেউতা। (যায়)

(সাবিত্ৰী ভিতৰৰ পৰা আহে)

গোপাল—কি হ'ল ? তাত কোন আছে ?

সাবিত্ৰী—দেউতাক থৈ আহিছোঁ। কিন্তু সোণৰ কি কৰা যায় ? আজি দুদিনে একো খোৱা নাই। খাবলৈ একেবাৰে ইচ্ছা নকৰে। পেটটো ফুলি আছে। ডাক্তৰে তাহানিতে দৰৱ লিখি দি গ'ল—কিন্তু অনাটো নহ'ল। দেউতাই কাগজখন বা ক'ত থলে ?

(দাঁত ঘহি ঘহি কেশৱ আহে।)

কেশৱ—নবৌ ! কাচাকৈ চাহ একাপ কৰিবা দেই। দাদা, International situation ৰ কথা ভাবি মোৰ নিশা একেবাৰেই টোপনি নহা হৈছে।

(সাবিত্ৰীয়ে এবা নোক ভিতৰ সোমায়)

গোপাল—নিশা টোপনি নাহে যদি তই দেখোন অলপ সোণৰ ওচৰতে বহিব পাৰ।

কেশৱ—সোণৰ ওচৰত কিয় ?

গোপাল—সোণৰ যে আজি ২০।২২ দিনে জ্বৰ—তাক বোধকৰো নাজানই।

কেশৱ—জানো, কিয় নাজানিম ? মানুহৰ বিপক্ষে বেমাৰ আছেই। ই এক প্ৰকাৰ ক্লাচ ৱাৰ।

(হৰকান্ত আহে—কেশৱ যায়)

হৰকান্ত—গোপাল !

গোপাল—দেউতা !

হৰকান্ত—সোণে বৰকৈ 'দেলিৰিয়াম' বকিছে। মূৰত গৰম উঠিছে। এটা ভৰণ-তৰণৰ ব্যৱস্থা কৰিব পাৰিলে ভাল আছিল।

গোপাল—ভৰণতকৈ দৰৱখিনি অনাৰহে কিবা দিহা কৰিব লাগিছিল। ডাক্তৰে Prescription দি গ'ল—দৰৱতো অনা নহ'ল।

হৰকান্ত—আনিম—দৰমহা পালেই আনিম। এই মাহৰ পহিলা তাৰিখে আধৌ দেওবাৰ পৰিছে। দুই তাৰিখে দৰমহা পাম আৰু দৰৱো আনিম। আৰু সাতদিন কোনোমতে পাৰ হলে—

গোপাল—যি দেখিছো দৰৱ নপৰিলে আৰু সাত দিন যে সি টানিব পাৰিব আশা কৰিব নোৱাৰি।

হৰকান্ত—তেনেহলে কি কৰিম ? হাতত পইছা থাকিলেহে। দৰৱৰ ব্যৱস্থা বাৰু কেনেকৈ কৰোঁ ?

(বানবাতি দুটা লৈ সাবিত্ৰী আহে)

সাবিত্ৰী—এই বাতি দুটাকে লৈ যাওক, পাৰে যদি ইয়াকে বেচি—

হৰকান্ত—ঘৰৰ বস্তু এপদ-দুপদকৈ বেচি নাইকিয়া কৰিলোঁ।

গোপাল—নহলে যে আৰু আন উপায় নাই। আমাৰ যি সমাজ ব্যৱস্থা—আমাৰ যি অৰ্থনৈতিক অৱস্থা, তাকে নকৰি আৰু কি কৰিব ? যাওক, পাৰে যদি ইয়াকে বেচি কিনি—

হৰকান্ত—এৰা। তাকেই কৰিব লাগিল। অ' সেই দৰৱৰ কাগজখন ?

সাবিত্ৰী—আপোনাৰ হাততে আছে—

(হৰকান্তই কোট পিন্ধি জেপত বিচাৰি চায়)

হৰকান্ত—অ' পাইছো। (ওলাই যায়)

পীতমল—(ভিতৰৰ পৰা চিঞৰ আহে) অ' নবৌ—নবৌ

গোপাল
সাবিত্ৰী } —কি হ'ল ?

সাবিত্ৰী—তাক এৰি আহিলি কিয় ?

(বেগেৰে ভিতৰ সোমায়)

গোপাল—কি হ'ল ?

পীতমল—বোপাদেউতা ! সোণে যে কেনেখন কৰিছে। এলাপেচা মানুহ হলে ভয়তে ধাতু যাব।

গোপাল—তই তাক অকলে এৰি আহিলি কিয় ? যা, তাৰ গুৰিত থাকগে। আহিব কলেহে আহিবি। (পীতমল যাব খোজে)

এই—মোকো লৈ ব'ল।

(পীতমলে ঠেলি লৈ যাব ধৰোঁতেই বাহিৰত শব্দ হয়)

নৰহৰি—(ভিতৰত) ব্যাকতী আছেনেকি ?

গোপাল—কোনোবা আহিছে—তয়ে যাচোন। আহক, সোমাই আহক। (নৰহৰি আহে) এই পীতমল, চকীখন আগুৰাই দি যা।

(পীতমলে দিয়ে)

বহক।

নৰহৰি—বোপা ! এটা খবৰ শুনি আহিলোঁ। সোণৰ হেনো অসুখ ?

গোপাল—হয়।

নৰহৰি—কি অসুখ ?

গোপাল—জ্বৰ।

নৰহৰি—কি জ্বৰ ?

গোপাল—টাইফইদ।

নৰহৰি—কোনে চাইছে ?

গোপাল—আমাৰ বৰা ডাক্তৰে।

মহাজন—নহয় বোপা। কবিৰাজী লগোৱা। অ' এৰা—ভাল কথাটো মনত পৰিছে। আমাৰ এই চাৰিআলিৰ দুকটোতে যে বেতৰ চকী-বজা চিলতীয়া মিস্ত্ৰিটো আছে, সি এই জ্বৰৰ এপালি ভাল দৰৱ জানে। বৰ প্ৰমাণী দৰৱ। খালে হয় বেমাৰী তৎক্ষণাৎ ভাল হব—নহয় সেই ক্ষণেই চকু মুদিব।

গোপাল—হয়নে ?

নৰহৰি—হয়নে সুধিছাহে। মই নিজেই প্ৰমাণ পাইছো। মোৰ দোকানৰ গোমোস্তা এজনৰ যোৱা বছৰ বৰ ডাঙৰ টাইফইদ হৈছিল। কত ডাক্তৰী দাৰায় খুৱালো, নাই একো—গুণ নিদিয়ে—

গোপাল—পিছে ?

নৰহৰি—তাৰো ভৱিষ্যত চাউল আছে। বেমাৰে কিটো কৰিব ? কোনোবা এজন গ্ৰাহকে এইপালি দাৰাইৰ কথা কলে। মই নিজে গৈ তাক লগ ধৰিলোগৈ। বুঢ়াই দুপালি দাৰায় দিলে। ক'লে—"এপালি এতিয়াই খুৱাবা, যদি ভাল নোপোৱা যেন দেখা চাৰি ঘণ্টা বাদে সেই পালিও খুৱাই দিবা।" বৰ আচৰিত দিয়া বোপা !

গোপাল—কি ?

নৰহৰি—গৈ নিজে মাৰি এপালি দৰৱ খুৱাইছোঁ নে নাই—ক'ৰ জ্বৰ ক'ত পলাল ! ক'ৰ বিকাৰ কত গ'ল একো ততকে ধৰিব নোৱাৰিলোঁ। উস্ সেই মৰিব ওলোৱা বেমাৰীয়ে এপালি দৰৱতে একে জাপে উঠি পাল্লা ধৰিলেগৈ যোৱা। (কিবা শুনা যেন কৰি)হে সেইয়া—কোনোবাই চিঞৰিছেনেকি ?

গোপাল—কতা ?

নৰহৰি—নাই—সেইয়া কোনোবাই চিঞৰিছে।

গোপাল—কি বুলি চিঞৰিছে ?

নৰহৰি—সেই—সেই বুলি। মৰিলেও মৰ কামোৰ মেৰা হৈছে ? ৰ' বাপেৰে—গৈছো। হাড়-মূৰ ভাঙি দিম।

(লাঠি জোকাৰি ওলাই যায়। কেশৱ আহে)

কেশৱ—দাদা ! ধোন্দোল কিয় আহিছিল অ'?

গোপাল—কোন ধোন্দোল ?

কেশৱ—এই নৰহৰি মহাজন। তাৰ আচল নাম ধোন্দোল হে---

গোপাল—সোণৰ খবৰ লব আহিছিল । পিছে কোনোবাই চিঞৰা বুলি গুজৰি গুমৰি ওলায় গৈছে ।

কেশৱ - (হাঁহে)

গোপাল--কিয় হাঁহিছ ? কি হ'ল ?

কেশৱ —মই চিঞৰিছিলো দাদা ।

গোপাল -তই চিঞৰিছিলি ? (খঙেৰে) ঘৰত এইখন বিপদ ! তই আহিছ ধেমালি কৰিবলৈ ? তহঁতৰ অলপো কাণ্ডজ্ঞান নাই অ' ।

কেশৱ--তাক দেখিলে সকলোৱে চিঞৰেই । মই জনমতৰ হে সমৰ্থন কৰিছো ।

(সাবিত্ৰী বেগাই আহে)

সাবিত্ৰী -দেউতা আহিল নে নাই ?

গোপাল—কি হ'ল ?

সাবিত্ৰী - সোণে কেনেখন কৰিছে । চাওঁ কেশৱ এইফালে আহাচোন ।

কেশৱ—কি হ'ল নবৌ ? (দুয়ো ভিতৰলৈ যায়)

(চুচুক-চামাককৈ মকবুল মিঞাৰ প্ৰবেশ)

মকবুল---বোপা ! দেউতাৰ ঘৰত আছেনে ?

গোপাল—নাই । দেউতা নাই । আহকচোন আহক ।

মকবুল—বিপ্লৱী বাবু আকা ?

গোপাল --সেইফালে চাওকচোন । মোৰ ভাইটোৰ বেমাৰ। অলপ ভুমুকিয়াই চাওক । নাইবা মোকে ঠেলি দিয়ক । অলপ সহায় কৰক। এই বিপদত অলপ সহায় কৰক ।

(চুচুক-চামাককৈ অলপ আগুৱাই যায়)

আহক ! এনো নহয় । নহলে মোকে ঠেলি দিয়ক ।

(মকবুলে কেশৱক দেখি পিছুৱাই আহে)

মকবুল--বাপ ! বিপ্লৱী বাবু ? হাত আঙ্কিন আছে দেখোন। নাই—মই আহিলোঁ।

গোপাল -শুনি যাওক -শুনি যাওক ।

মকবুল---নাই—পিছত আহিম । (যায়)

গোপাল -পীতমল (কেশৱ আহে)কেশৱ ।

কেশৱ—কি হ'ল ?

গোপাল--সোণ কেনে আছে ?

কেশৱ--ভালেই আছে। ইহঁতে এনেয়ে ভয় খালে।

গোপাল—তই যা। অলপ তাৰ ওচৰত থাকিবি। নহলে মোকে থৈ আহ ব'ল ।

কেশৱ—নালাগে -এতিয়া মানুহ আছে । বাপুৰ মাকহঁতো আছে। তই গৈ কি কৰিবি ? এনেয়ে কোঠাটো "কনজেচ্টেদ" তই গৈ ভাঁজ হে বঢ়াবি ।

গোপাল -অ' মই ঘৰৰ, সমাজৰ, সকলোৰে ভাঁজ হৈ পৰিছো। ঈশ্বৰে মোক এনেদৰে ঘৃণীয়া কৰি পেলালে । মই ঘৰৰ ডাঙৰ ল'ৰা । মই কিমান কৰিব লাগিছিল। দেউতা বুঢ়া হৈছে । পেঞ্চন লৈও কোম্পানীৰ চাকৰি কৰিব লগাত পৰিছে । উস্ মই যদি লৰিব চৰিব পাৰিলোঁহেঁতেন ।

কেশৱ দাদা ! তই তেনেখন কৰিছ কিয় ?

(নাৰায়ণ আহে)

নাৰায়ণ—দাদা ! (গোপালক চকু মচা দেখি) হো—হৈছে ? হেই তই বিপ্লৱ কৰিবলৈ ঠাই নাপালি ? দাদাৰ লগত লাগিছহি ? একেপাত কাণতলীয়া চৰতে তোৰ বিপ্লৱ উৰি যাব ।

কেশৱ —হেই—মই কি কৰিছো । মোক মিছাতে ধৰিছ কিয় ? কবিতা এৰি Insuranceত ধৰিছ Principleৰ ঠিক নাই । তাৰ কথাটো চোৱা ।

নাৰায়ণ—Insuranceত ধৰিলো তোৰ কি হ'ল? তোৰ দৰে মুৰে ভৰি কচুা বিপ্লৱীতো মই

নহওঁ। Insurance মোৰ পেচা— কৱিতা মোৰ নিচা। এটা profession আনটো, hoby.

গোপাল—তইঁত দুটাৰ দেখোন দেখিলেই লগা হ'ল অ'? তইঁত এতিয়া ডাঙৰ হৈছ—তইঁতে যদি তেনেখন কৰ আমাৰ ঘৰৰ আৰু কি আশা আছে? ঘৰ ভাঙি ঠান-বান হব।

কেশৱ—চাচোন তাৰ কথা। আহিয়েই মোক কেনেকৈ ধৰিছেহি। মই ঠিক জানিছো তাৰ কবিতাবোৰ পুৰি ছাই কৰি নিদিয়া-লৈকে সি ঠিক নহয়।

নাৰায়ণ—তোৰ বিজ্ঞৰ ঘুচিয়াই বাহিৰ কৰি নিদিয়ালৈকে তয়ো ঠিক নহৱ!

গোপাল—তইঁতে তেনেখন নকৰিবিচোন। ঘৰত ইমানটো ডাঙৰ বিপদ। এতিয়া ভায়ে ভায়ে বিবাদ কৰি থাকিলে হবনে? সকলোৰে যুক্তি পৰামৰ্শ কৰি একমত হব লাগে। নাৰায়ণ! তই Insuranceৰ কিবা কৰিব পাৰিলি জানো?

নাৰায়ণ—কিটো কৰিবি? দাদা—তই কোৱা কথাই ঠিক। মানুহৰ নৈতিক পৰিবৰ্তন নহলে দেশ কেতিয়াও ভাল হব নোৱাৰে। মই আজিহে তোৰ কথাটো বেছ উপলব্ধি কৰিছো।

কেশৱ—বেছ ভাল হৈছে। লেখ—আজি উপলব্ধি বুলি এটা কবিতা লেখি দে।

নাৰায়ণ—Stupid!

গোপাল—হেইয়া! আকৌ তইঁতৰ সেইখন? কচোন Insuranceৰ কি হ'ল?

নাৰায়ণ—তই জানই—মই যোৱা মাহতে তিনিটা Proposal দিলোঁ। এটা Railway T.E. বিপিন ফুকনৰ, এটা Professor নাৰায়ণ ভুঞাৰ, এটা Zilmil Store ৰ প্ৰপাইটৰৰ স্ফটিক চৌধুৰীৰ। Proposal কেইটা সোনকালে complete হওক বুলিয়েই—লৰালৰিকৈ medical examination কৰাই—কাগজ-পত্ৰ হেড্ অফিচত দাখিল কৰিলোঁ। কিন্তু এতিয়া সিহঁতে ফাৰ্ষ্ট প্ৰিমিয়ামটোকে নিদিয়ে।

গোপাল—কিয়?

নাৰায়ণ—কি জানো? এটাই কয় ভাই, মোৰ চাকৰিৰেই ঠিক নাই। এটাই কয়—মোক নধৰিবা, মই নোৱাৰিম। এটাই কয় Business বৰ dull, এতিয়া থাক। আজি এমাহে ঘূৰি ফুৰি প্ৰিমিয়াম কেইটা আদায় কৰিব পৰা নাই।

কেশৱ—বেছ হৈছে। Business আৰু নাপালি, Insurance! ভিক্ষা নকৰ কিয়?

গোপাল—কেশৱ! তোৰ আৰু এই স্বভাবটোৱেই নগ'ল। Insurance কি বেয়া Business? Insurance ত নামি কতই দালান উঠা-ইছে—গাড়ী দৌৰাইছে।

নাৰায়ণ—কিন্তু দাদা—মই হলে এটা ডাঙৰ বিপ-দত পৰিছো দেই।

গোপাল—কি?

নাৰায়ণ—এই তিনিটা case ৰ medical fees ২৪ টকা এতিয়া মই ভৰিবলগীয়া হৈছে। এইখন—কোম্পানীয়ে আজি Notice দিছে।

কেশৱ—বাঃ বাঃ আমাৰ কবিয়ে খুব Lucrative business কৰিছে!

নাৰায়ণ—ই বৰ Nonsense অ'?

(খেদা মাৰে। কেশৱ লৰ মাৰে)

গোপাল—হেইয়া! তইঁতৰ লগত আৰু নোৱাৰি। কওক আহ—তাৰ যি ইচ্ছা তাকে কওক। তই একো নামাতিবি।

নাৰায়ণ—কেতিয়াবা খং উঠিব, শুই থাকোতে গলতে টিপা মাৰি ধৰিম।

কেশৱ—মই তাকেইতো বিচাৰো। I want that,

তেতিয়া হলে তই মোৰ views সমৰ্থন কৰ। বিপ্লৱ সমৰ্থন কৰ ?

নাৰায়ণ—তোৰ মূৰটো সমৰ্থন কৰোঁ।

গোপাল—নাৰায়ণ শুন ! তই ভিতৰলৈ যা। অলপ সোণৰ কাষত থাকগৈ। যা।

(নাৰায়ণ যায়)

কেশৱ। তই এটা কাম কৰ। বৰা ডাক্তৰক এবাৰ মাতি লৈ আহগৈ। দেউতাই দৰৱ লৈ পাবহি। খুউৱাৰ আগতে এবাৰ চাই দিব।

কেশৱ—দাদা—মাফ কৰিবি। মই নোৱাৰিম। মোৰ বৰ urgent কাম আছে।

গোপাল—তোৰ কি কাম অ' ?

কেশৱ—সৰস্বতী পূজাৰ চান্দা তুলিব লাগে।

গোপাল—সৰস্বতী পূজাৰ চান্দা ?

কেশৱ—ওঁ। এইবাৰ পূজাত খুব ধুমধাম চলিব। প্ৰতিমা প্ৰতিষ্ঠা হোৱাৰ সময়ৰ পৰা যি Microphone চুক হব পিছদিনা ভাসানৰ পিছতহে তাক বন্ধ কৰিম। Non-stop চলিব।

গোপাল—বাৰু, যাওঁতে ডাক্তৰৰ ঘৰত সোমাই কৈ যাবি। কি ডাঙৰ কথানো ?

কেশৱ—বাৰু On the way লগ পাওঁ যদি কৈ যাম। (বাহিৰ ওলাই যায়)

(সাবিত্ৰী আহে)

সাবিত্ৰী—দেউতা এতিয়াও আহি নাপালে ?

গোপাল—নিশ্চয় একো সুবিধা কৰিব পৰা নাই। সোণ কেনে আছে ?

সাবিত্ৰী—বৰ চিন্তাৰ কাৰণ হৈ পৰিছে। ইমান ডাঙৰ অসুখ, দৰৱ এপালিও পৰা নাই। এনেয়ে ভাল হবনে ? চকু কেইটাৰে যি অসহায়ভাৱে চাই থাকে দেখিলেই বেয়া লাগে।

(হৰকান্ত আহে)

হৰকান্ত—বাপ—গোটেইখন ঠগৰ দেশ হ'ল। কাক মাৰি কাক খাওঁ তাৰেহে চিন্তা চলিছে। উস্—মানুহৰ মনুষ্যত্বখিনিও নাইকিয়া হ'ল। দেশ স্বাধীন হলে কি হব ? ই বন্য জন্তুৰ স্বাধীনতা !

গোপাল—কি হ'লনো ? কাৰ কথা কৈছে ?

হৰকান্ত—কাৰ কথানো কবি ? দেশখনৰ কথাকে কৈছোঁ। এই নৰহৰি মহাজনৰ কথাটো চাচোন। ক'তো সুবিধা কৰিব নোৱাৰি মই তেওঁৰ তালৈকে গলো। কলোঁ—ঘৰত বিপদ, এই বাতি কেইটা ৰাখক আৰু বজাৰ ভাও মতে যি দাম হয় দিয়ক।

গোপাল—অ' তেওঁ এবাৰ আহিছিল।

হৰকান্ত—থৈ দে। এইবোৰ চকুত তেল দি কন্দা মানুহ অ'। বাতিকেইটা জুখি মাখি হিচাপ কৰি চাই কলে ১৫্ টকা হয়। মই বোলো যথা লাভ। নাই মোমাইতকৈ কণা মোমায়ে ভাল, বোলে দিয়ক—। আগৰ সেই বাকী তিনি টকা কাটি এখন দহ টকীয়া আৰু দুখন এটকীয়া নোট, মুঠতে বাৰ টকা দিলে। ময়ো লৈ আহিলোঁ।

গোপাল—অ' তাৰ পিছত ?

হৰকান্ত—ফাৰ্মাচীত গৈ কাগজখন দেখুৱালো। ১নং দৰৱটোৰ দাম ২২॥০ তাৰ উপৰিও চেল টেক্স আছেই। মই বোলো সেইটো থাওক বাকী তিনিটাকে দিয়া। দিলে, দাম হ'ল ৯·৫০ পইছা। মই দহটকীয়া নোটখন উলিয়াই দিলোঁ। পিছে দোকানীয়ে নোটখন লৈয়ে ক'লে—এইখন জাল নোট।

গোপাল—জাল নোট ?

হৰকান্ত—অ' পাকিস্থানী নোট।

গোপাল—উস্ ইমান অন্যায় !

হৰকান্ত—দৰৰ কাগজ সকলো তাতে এৰি থৈ একেলৰে মহাজনৰ গুৰি ওলালোগৈ, বোলো মহাজন—আপুনি ভুলতে পাকিস্থানী নোট-খন দিলে। কথাটো কৰলেহে পালোঁ বাপ, কোনোৰ বাহুত জুই দিয়াৰ দৰে হল। গোটেই গুজৰি-গুমৰি উঠিল।

গোপাল -কিয় ? কি বুলি ?

হৰকান্ত—বোলে—মোক ইমান নোট নিচিনা বুলি ভাবিছেনে ? সাতাইশ বছৰে মহাজনী কৰিলোঁ। কোনোবা কুত্ৰাই মোক এনেকুৱা অপবাদ দিব পাৰেনে ? ঠগাইছে যদি মোক ঠগাইছে, মই ঠগোৱা নাই। নোট লাৰি লাৰি বুঢ়া হলোঁছি, নোট নিচিনিমনে ? এই নোট মই কেতিয়াও দিয়া নাই।

গোপাল—তেওঁ নিদি দিলে কোনে ?

হৰকান্ত—মই হে বোলে তেওঁক ঠগিবলৈ এই বুদ্ধি সাজিছো। এতিয়া কত মৰা, মৰা।

গোপাল—পিছে আপুনি কি কলে ?

হৰকান্ত—কি কৰি ? ঠোঁট মুখ চেলেকি উভতি আহিলোঁ। তাৰেই হওক। ফাৰ্মাচীত সোমাই কাগজখন আৰু এই দৰৰটোকে দামে দৰে মিলা দেখি লৈ আহিলোঁ। হ' এইটোকে খুৱাই দেগৈ। অলপ কুহুমীয়া পানীত পাঁচ ফোটা মিহলাই খুৱাব লাগে।

(সাবিত্ৰীক দিয়ে, সাবিত্ৰী ভিতৰলৈ যায়)

ডাক্তৰ—(ভিতৰত) কাকতী আছেনে ? (আহে)

হৰকান্ত—অ' ডাক্তৰ—আহক, আহক।

ডাক্তৰ—বেমাৰী কেনে আছে ?

হৰকান্ত—আহক—আহক—এবাৰ চাওকছি। আমিনো ভাল বেয়া কি জানো ?

(ডাক্তৰক লৈ হৰকান্ত ভিতৰ সোমায়। হাতত এটা Office Envelope ত এটা কবিতা লিখি লৈ উধাতু খাই নাৰায়ণৰ প্ৰৱেশ।)

নাৰায়ণ—দাদা ! দাদা !

গোপাল—কি হ'ল ? কি হ'ল নাৰায়ণ ? সোণক কিবা হ'লনেকি ?

নাৰায়ণ—সোণৰ একো হোৱা নাই। বেছ ভাল আছে। নৰৌয়ে মূৰত পটি দি বিচি আছে—সি বেছ আৰামত শুই আছে। পিছে আন এটা কথাৰ কাৰণেহে তোমাৰ ওচৰলৈ আহিছো।

গোপাল -কি কথা কচোন ?

নাৰায়ণ -এইখিনি সময় তাতে বহি মই এটা মাৰাত্মক কবিতা লেখিলোঁ, শুন এইটো -

টাইফইদ্

উত্তাপৰ মন্দা ক্ৰান্তা
কপালত বগা ৰেখা
তুমি মহা ভৈৰৱ।
ধতুৰা, মোহিনী, জংঘলী ভাওৰ নিচা
তুমি পিয়া হলাহল।
ভ্ৰূক্ষেপ নাই—
সাগৰ তলিত থাকে অমৃতৰ কুম্ভ
অমৃত বিচাৰি—মতলীয়া
অমৃতৰ পুত্ৰ সকল।
তোমাৰ চকুত খাণ্ডৱ দাহৰ
ফিৰিঙতি জ্বলে।

গোপাল—(বাধা দি) থ' সেইবোৰ। তই কবিয়েই নহয় !

নাৰায়ণ—মই কবি নহয়—তেন্তে মই কি ?

গোপাল পাগল।

(নাৰায়ণে কিবা কব খুজিছিল। কিন্তু ককায়েৰা-বিলে, শোকে-দুখে; কি কৰিব কি নকৰিব একো ঠিক কৰিব নোৱাৰি কবিতাটো ফালি পেলাই উচাৎ মাৰি বাহিৰ ওলাই যায়। —আনফালে ভিতৰৰ পৰা ডাক্তৰ আৰু হৰকান্তই কথা পাতি আহে।)

হৰকান্ত তেন্তে ?

ডাক্তৰ—মই কি কৰিম ? মই ডাক্তৰ, দৰবহে দিব পাৰোঁ।

গোপাল—কেনে দেখিলে ?

ডাক্তৰ—ৰোগীৰ অৱস্থা বৰ বেয়া। সকলো বেয়া Symptomsএ দেখা দিছে। যি কোনো মুহূর্ত্ততে collapse কৰিব পাৰে। ঔষধ নপৰিলে বেমাৰ বাঢ়িবই। মই যোৱা সপ্তাহতে Prescription দিলোঁ—কিন্তু আজিলৈকে সেই দৰৱ আনি খুউৱা নাই। ইমান Negligence হলে ডাক্তৰে কি কৰিব ?

হৰকান্ত—নহয়—এটা দৰব আনিছো।

ডাক্তৰ—আপুনি কব খোজে Prescriptionৰ চাৰিটা দৰবৰ এটা আনি খুৱাইছে যেতিয়া বেমাৰ চাৰি ভাগৰ এভাগ ভাল হব লাগিছিল।

হৰকান্ত—নহয় নহয়। মই সেইটো কোৱা নাই।

ডাক্তৰ—আৰু কোনটো দৰব আনিছে— ? Coramineটো। আচল Specific হ'ল Chloromycetin। অন্ততঃ সেইটো আনি খুৱাব লাগিছিল।

হৰকান্ত—ডাক্তৰ ! কওকচোন—সি ভাল হবনে ?

ডাক্তৰ—নিশ্চয় হব। Proper care লওক। আজিকালি বহুতো ভাল ভাল দৰব ওলাইছে। বিজ্ঞানে কত Progress কৰিছে। আজিকালি টকা থাকিলে মানুহ নমৰে। আজি টকাৰ যুগ। টকা থাকিলে চুৰ কৰিও চোৰ সাৰি যায়। ডকাইতৰো সাত খুন মাফ।

(ডাক্তৰৰ কথাৰ লগে লগে হৰকান্ত গহীন হৈ পৰে)

বাৰু মই আকৌ এবাৰ সোমাই যাম। আপুনি দৰব কেইটাৰ ব্যৱস্থা কৰক।

(ওলাই যায়)

গোপাল—দেউতা— ।

হৰকান্ত—টকা থাকিলে মানুহ নমৰে।

(চোলা পিন্ধি যাব খোজে)

গোপাল—আপুনি ক'লৈ যাব ওলাইছে দেউতা ?

হৰকান্ত—অফিচলৈ। টকা থাকিলে মানুহ নমৰে।

(ওলাই যায়)

(সাবিত্ৰী আহে)

সাবিত্ৰী—দেউতা ! দেউতা ক'লৈ গ'ল ?

গোপাল—দেউতা অফিচলৈ গ'ল।

সাবিত্ৰী—অফিচলৈ ?

গোপাল—অ'—হঠাৎ দেখোন অফিচলৈ বুলি ওলাই গ'ল।

সাবিত্ৰী—কিন্তু—

গোপাল—কি হ'ল—নোকোৱা কিয় ?

সাবিত্ৰী—সোণৰ অৱস্থা যে তেনেই বেয়াৰ ফালে ঢাল খাইছে। নাৰায়ণ, কেশৱ ক'লৈ গ'ল ?

গোপাল—সিহঁত ওলাই গৈছে। মোকে লৈ বলা—ময়ে তাত থাকিম।

সাবিত্ৰী—আপুনি গৈ কি কৰিব ?

গোপাল—এৰা, মই গলে জঁাজ হে হব। কেশৱে আগতেই কৈছে। মই পাহৰি গৈছো। তুমি যোৱা—। তোমাৰ খাটনি বেছি হব। হবই, কি কৰিবা। মোৰ হৈয়ো তুমি খাটিব লগীয়া হৈছা। পীতমল ! তই ক'লৈ গৈছিলি ? ঘৰত ইমান বিপদ। তই গৈছিলি চহৰ ফুৰিবলৈ !

(সাবিত্ৰী যায়, পীতমল বাহিৰৰ পৰা আহে।)

পীতমল—নহয় বোপাদেউতা ! মোক দেউতাই পঠিয়াইছিল।

গোপাল—ক'লৈ ?

পীতমল—ভৰণ আনিবলৈ। কোনোমতে এপালি বিচাৰি আনিছো। এতিয়া ইয়াক খুন্দোতেই এযুগ যাব। ইফালে পানীৰ বা কি কৰিছে।

(ভিতৰ সোমায়)

(কেশৱ আহে)

কেশৱ—বুজিছ দাদা। এই নৰহৰি মহাজনটো বৰ কমিনা। তাৰ তালৈ গলোঁ চান্দা বিচাৰি। সি আমাক দেখিয়েই ভিতৰ সোমাল। ল'ৰাটোৰ হাতত চাৰি অনা পইছা দি পঠিয়াইছে। এইবাৰ পজাত তাক ভাল-

দৰে ভাবিম। তাৰ বাবীৰ কৰি মূলা এটাও নাইকিয়া হব। এনে ভাৱণ ভাবিম হয়, সিধা হব নহয় দোকান তুলি আকৌ ঘৰমুৱা হব।

গোপাল—তহঁতে এতিয়াও সেইবোৰতে লাগি আছ। ইফালে ঘৰত কি বিপদ হৈছে খবৰ নাই। নাৰায়ণ ক'ত গ'ল ?

কেশৱ—কিয় ? সৌৱা দেখোন বাটৰ কৃষ্ণচূড়াৰ তলতে বহি আছে। নিশ্চয় কবিতা লেখিছে।

গোপাল—যা, তাক মই মাতা বুলি এতিয়াই মাতি আন।

কেশৱ—বাৰু।

গোপাল—হেই, তাক আকৌ জোকাই নলবি। (যায়)

(কেশৱ আৰু নাৰায়ণ আহে)

গোপাল—মোৰ ওপৰত খঙ কৰি তহঁতে তাৰ সৰ্বনাশ কৰ কিয় ? যা তাৰ শুৰিলে যা। মোকো যাব নিদিয়, তহঁতো আঁতৰি থাক। কেনেকৈ হব ? তাক চাগে। তাক বচোৱাৰ চেষ্টা কৰ যা।

(নাৰায়ণ আৰু কেশৱ ভিতৰলৈ যায়)

(এটা বিস্নাবালাই লাগেজ আৰু বিমলাই হেণ্ডবেগ লৈ সোমাই আহে। বিস্নাবালাই Luggage নমাই থয়—বিমলাই পইছা দিয়ে।)

বিস্নাবালা—ওৰ দুঅনা মেম চাহাব।

(বিমলাই আৰু পইছা দিয়ে, বিস্নাবালাই চেলাম কৰি যায়।)

বিস্নাবালা—চেলাম মেম চাহাব।

গোপাল—আপুনি আহিল মাহীদেউ।

বিমলা—অ' এই মেইলত আহিলো। বৰ ডাঙৰ সম্মিলন হৈছিলহে। কিমান যে মানুহ। এই কেইদিন একমিনিট Rest নাই। মিটিঙতো মিটিঙেই, তাৰ উপৰি দিনাৰ। দিনাৰেই খাবি নে মিটিঙেই চাবি।

গোপাল—মাহীদেউ !

(মাতটোত দুঃসহ বেদনা প্ৰকাশ হোৱাত—বিমলা আচৰিত হৈ উঠে।)

বিমলা—কি হ'ল ? তই কেনেখন কৰিছ দেখোন, গা অসুখ কৰিছেনেকি ?

গোপাল—মোৰ অসুখ নহয় মাহীদেউ। সোণৰহে অসুখ। Typhoid। আপুনি থাকোতেই যি জ্বৰ হৈছিল—সেই জ্বৰেই ছিঙা নাই।

বিমলা—টাইফইদ ? কোনে চাইছে ?

গোপাল—বৰা ডাক্তৰে।

বিমলা—একেটা জ্বৰেই ইমান দিন এৰা নাই ! ডাক্তৰ বদলাব লাগিছিল। কিয়, ডাক্তৰ শইকীয়াক নামাতিলি কিয় ? মোৰ কথা কলে তেওঁ লৰি আহিলহেঁতেন। তহঁতে দেখিছোঁ ল'ৰাটোৰ সৰ্বনাশ কৰিবি। ছিঃ ছিঃ। (বেগেৰে ভিতৰ সোমায়)

(গোপালে মাহীয়েকৰ কথাত আঘাত পাই চকুলো টোকে।)

(ডাক্তৰৰ প্ৰৱেশ)

ডাক্তৰ—দৰব আনিলেনে ?

গোপাল—যাওক। ভিতৰলৈকে যাওক। মাহী-দেৱো আহিছে। কিবা এটা উপায় কৰক।

ডাক্তৰ—উপায়তো মই দিছিলোঁৱেই। তেতিয়াই সেই Prescription মতে দৰব আনি খুৱালে ইমান দিনে জ্বৰ Remission নহৈ পাৰেনে ? তোমালোকৰ Negligenceৰ কাৰণেই বেমাৰে ইমান বল কৰিলে।

গোপাল—যাওক। এবাৰ তাক চাওকগৈচোন।

(পীতমল দুখ মনে আহে—চকুত চকুপানী।)

কি হ'ল পীতমল ?

পীতমল—নবৌয়ে আপোনাকো তালৈকে লৈ যাব কৈছে।

গোপাল—সোণ কেনে আছে ?

পীতমল—(কান্দি) বোপাদেউতা—

(গাড়ী ঠেলি লৈ যায়)

(অলপ পিছত হাতত দৰবৰ টোপোলা লৈ হৰকান্ত আৰু ভিতৰৰ পৰা হাবিকেন এটা হাতত লৈ পীতমল সোমাই আহে।)

হৰকান্ত—হেই—? সোণ কেনে আছে ?

পীতমল—দেউতা !

হৰকান্ত—অ কৰ কিয় সোণ কেনে আছে ।

পীতমল—দেউতা, আয়ো আহি পাইছে । ডাক্তৰ দেউতাও আহিছে—সকলো তাতে আছে। আপোনাৰ কথাকেই ঝোৰামেলা কৰিছে।

(সোমাই যায়)

হৰকান্ত—অ' তালৈ মই দৰৱ আনিছো। সকলো দৰৱ আনিছো ।

(দৰৱ লৈ ভিতৰলৈ যাব খোজে। ডাৰোগা আৰু পুলিচ কাৰ্বিকৰ পৰা সোমাই আহে)

ডাৰোগা—কাৰ্যকতী ?

হৰকান্ত—কোন ? ডাৰোগা ডাঙৰীয়া । আপোনা-লোকক ইয়াত কি লাগে ?

ডাৰোগা—অসম পাইয়নীয়াৰ কোম্পানীৰ Cash চুৰি হৈছে। প্ৰপ্ৰাইটৰে আপোনাক সন্দেহ কৰিছে। আপোনাৰ বিপক্ষে এখন গ্ৰেপ্তাৰী পৰোৱানা আছে ।

হৰকান্ত—মোৰ ল'ৰাৰ অসুখ। মই দৰৱ আনিছো। (ডাক্তৰ ভিতৰৰ পৰা আহে) ডাক্তৰ ! ডাক্তৰ আপুনি ঠিক সময়তে আহিছে । মই দৰৱ আনিছো । আপুনি লিখি দিয়া সকলো দৰৱ আনিছো ।

ডাক্তৰ—দৰৱৰ সময় উকলি গৈছে কাৰ্যতী । এতিয়া বেমাৰী একমাত্ৰ ঈশ্বৰৰ হাতত । (ডাৰোগাক দেখি) আপোনাক যে----

ডাৰোগা—হয়, কাৰ্যতীৰ বিৰুদ্ধে এখন গ্ৰেপ্তাৰী পৰোৱানা আছে ।

ডাক্তৰ—গ্ৰেপ্তাৰী পৰোৱানা ? অপৰাধ ?

ডাৰোগা—চুৰি । পাইয়নীয়াৰ কোম্পানীৰ 'কেচ' চুৰিৰ অপৰাধত ।

ডাক্তৰ—আপোনালোকে বৰ অসময়ত আহিলে । তেওঁৰ ল'ৰা এটিৰ বৰ Serious—অ' (ভিতৰত কান্দোন) বোধকৰো সকলো শেষ —

(ডাক্তৰ ওলাই যায়)

হৰকান্ত—মই দৰৱ আনিছো ডাক্তৰ ।

(স্বপ্নাবিষ্টভাবে এটি এটিকৈ কৈ যায়)

আপুনি কৈছিল ডাক্তৰ টকা থাকিলে মানুহ নমৰে। মোৰ হাতত টকা আছে। এমোনা টকা আছে । আহক—আহক ডাক্তৰ।

(সোণৰ মৰা শ দাঙি কেশৱ আৰু নাৰায়ণ আহে। পিছে পিছে সাবিত্ৰী আৰু বিমলাই কান্দি আহে। মৰা শ স্তম্ভিত থয় । ডাৰোগা পুলিচ বাহিৰ ওলাই যায়। গোপালে চিঞৰে, পীতমলে গাড়ী ঠেলি আহে।)

গোপাল—নিনিবি । নিনিবি । তাক আঁতৰাই নিনিবি । মোক দে । তাক মোক দে । জীয়াই থাকোতে তাৰ এবো কৰিব নোৱা-ৰিলোঁ । মৰাৰ পিছত তাক অলপ মৰম কৰিবলৈ দে । (চকীৰ পৰা ঢলি পৰে)

বিমলা—আপুনি এইয়া কি কৰিলে ? কিয় তাৰ এই সৰ্বনাশ কৰিলে ?

হৰকান্ত—মই দৰৱ আনিছো । ডাক্তৰে কৈছে টকা থাকিলে মানুহ নমৰে । মই টকা আনিছো । ধনগুলৰ সিন্ধুক ভাঙি সাঁচি থোৱা ধনৰ টোপোলা আনিছো । দৰৱ আনিছো । সোণ ! সোণ ! চা বাছা—তোলৈ মই দৰৱ আনিছো । বাছা, মই দৰৱ আনিছো—তোলৈ মই দৰৱ আনিছো ।

(শৱ দেহত কান্দি কান্দি ঢলি পৰে)

আঁৰ কাপোৰ

ওমলা ঘৰ

চরিত্র

মজিদ

মুকুট

কুমুদ

কণজ'খা

মফিদা

নরেন

জেউতি

মহেশ

জয়া

মাধব

শেহী

খুরা

ওমলা ঘৰ

(মুকুটহঁতৰ ঘৰৰ আগচোতাল—ল'ৰা-ছোৱালীবোৰ খেলিবলৈ সাজু হৈছে)

মজিদ আৰু মুকুট—ডাক ৰে ডাক কিচুকু ডাক খেতিয়ক লাগে নে মিস্ত্রি লাগে ?

কুমুদ—মোক মিস্ত্রি লাগে ।

মজিদ—তেন্তে মই ?

কমল'ৰা—মজিদ । তই মিস্ত্রি । মোৰ ঘৰ বান্ধি দিব লাগিব দেই !

মুকুট—বুজিছ কুমুদ। ই মিস্ত্রি হৈ মজাপালি পাব নহয়—লোকৰ ঘৰ বান্ধি ফুৰোতেই যাব ।

কমল'ৰা—তইনো কি হৈছিলি মুকুট— ?

মুকুট—কিয় মই খেতিয়ক । লোকৰ কাম কৰিব নালাগে ! নিজৰ মাটিত নিজে খেতি কৰি যাম । বচ্----- ।

মজিদ—কি কলি মুকুট ? খেতিয়ক হলে কি হব ? খেতিয়কে কি কৰিব পাৰে ? কেৱল খেতিহে কৰিব পাৰে। কিন্তু মিস্ত্রিয়ে কিমান ডাঙৰ কাম কৰিব পাৰে ।

মফিদা—মিস্ত্রিয়েনো কি ডাঙৰ কাম কৰিব পাৰে?

মজিদ—কিয় ! এইবোৰ বনাইছে কোনে জান মফিদা ? মিস্ত্রিয়ে । সিদিনা আমাৰ বন-ভোজ খাবলৈ যাওঁতে উমত্রুত কি দেখিছিলা? সেইবোৰ কোনে কৰিছে বুলি ভাবিছা ? মিস্ত্রিয়ে। আৰু যে সেই ব্রহ্মপুত্রৰ দলংখন সাজিছে কোনে ? মিস্ত্রিয়েহে—মই হলে ভাই ডাঙৰ হলে মিস্ত্রি হম ।

মুকুট—মই হলে ভাল খেতিয়ক হম । খেতিয়ক হে-আচল। খেতিয়কে খেতি নকৰিলে খাবি কি ?

মজিদ—মিস্ত্রিয়ে ঘৰ সাজি নিদিলে থাকিবা ক'ত ?

মুকুট—নাথাকি পাৰি । কিন্তু নাখাই পাৰিবি-নেকি ? মই হ'লে ভাই কওঁ—সকলোতকৈ খেতিয়ক ডাঙৰ । মই ডাঙৰ হলে—খেতিয়ক হম ।

মজিদ—মই হলে মিস্ত্রি হম ।

কমল'ৰা—সিহঁত একেবাৰে বেঙা অ' । খেতিয়কে কিতো কৰিব পাৰে ? অকল হাল বাব পাৰে । আৰু মিস্ত্রিয়ে—গজাল মৰাৰ বাহিৰে মিস্ত্রিয়ে কিটো কৰিব পাৰে । ব্রহ্মপুত্র দলং মিস্ত্রিয়ে সাজিছে বুলি ভাবিছ হবলা । ধেৎ, তহঁতে একো নাজান । সেইখন মিস্ত্রিয়ে সজা নাই—সাজিছে ইন্‌জিনিয়াৰে । দলং চাবলৈ যাওঁতে হেটকোট মাৰি থকা মানুহ কেইজন দেখা নাছিলি ! সেই কেইজন হ'ল—ইন্‌জিনিয়াৰ । সিহঁতৰ কিমান বুধি জান । সিহঁতে পানীত ননমাকৈয়ে ব্রহ্মপুত্র কিমান দ কব পাৰে । মই হলে খেতিয়কো নহওঁ—মিস্ত্রিও নহওঁ—মই ইন্‌জিনিয়াৰ হম ।

মফিদা—কি বুধিৰ কথা কৈছ অ' কমল'ৰা—ইন্‌জিনিয়াৰৰ কিমান বুধি মই নেজানো পাই । কিন্তু আমাৰ স্কুলৰ বাইদেউহঁতৰ হলে বৰ বুধি । কাগজ চায়ে লেখিলোঁ নে নিজৰ পৰা লেখিলোঁ ক'ব পাৰে । আৰতি বাইদেউৰ যে কি বুদ্ধি—উত্তৰ নোচোৱাকৈয়ে অঙ্কবোৰ হৈছে নে নাই—কৈ দিয়ে । মই হলে শিক্ষয়িত্রী হম । আৰু যে কি মজা, মণিং স্কুলৰ দিনা ছোৱালীবোৰে কি সুন্দৰ সুন্দৰ মালাবোৰ

উপহাৰ দিয়ে। মই হলে শিক্ষয়িত্ৰী হ'ম।
(নৰেন, জেউতি আদি আৰু এদল ল'ৰা-ছোৱালী সোমাই আহে।)

নৰেন—আজি কি খেলা খেলিছ অ'? আমাৰ ভাই পলম হ'ল। স্কুলৰ পৰা গৈ অলপ জিৰণি নোলোৱাকৈ পেহীয়ে খেলিবলৈ আহিব নিদিয়ে।

মুকুট—নৰেন, তই বাৰু কচোন মিস্ত্ৰি ডাঙৰ নে খেতিয়ক ডাঙৰ।

নৰেন—যাৰ বয়স বেছি সিয়ে ডাঙৰ।

মজিদ—ধেৎ! আমি সেইটো সোধা নাই। তই বাৰু কচোন—তই ডাঙৰ হলে কি হবি? মিস্ত্ৰি নে খেতিয়ক?

নৰেন—মই মিস্ত্ৰিও নহওঁ, খেতিয়কো নহওঁ। মই দেশকৰ্মী হ'ম। দেশক ভাল পাম। কিয়, সিদিনা ছাৰে কোৱা নাছিল, দেশক ভাল পোৱা লোকক দেশকৰ্মী বোলে। দেশৰ কাম কৰা মানুহ মৰিও নমৰে। "মোৰ লক্ষ্য" কবিতাটো তহঁতৰ মনত নাই?

জেউতি—"মোৰ লক্ষ্য"? ক'তা? আমাৰ পুথিত দেখোন "প্ৰাৰ্থনা" কবিতাহে আছে।

নৰেন—তই এতিয়া দ্বিতীয় মানতে সেইটো পাবি নেকি? চতুৰ্থ মানত পঢ়িলেহে পাবি। তাত কি আছে জান—

"মই গান্ধীৰ দৰে হ'ম
সদায় সত্য কথাহে কম
অহিংস ব্ৰতেৰে জগত জিনিম
সত্য পথত ৰম—
মই গান্ধীৰ দৰে হ'ম।
মই হ'ম জৱাহৰলাল
পৰাধীনতাৰ সাগৰ সাঁতুৰি
তৰিম জয়ৰ পাল
মই হ'ম জৱাহৰলাল।

মই হ'ম জয়প্ৰকাশ
নহওঁ কাৰোৰে দাস
কৃষক বনুৱাৰ উন্নতি সাধিম
উচ্চ-নীচৰ শিপা উভালিম
নিজৰ ভৰিত নিজে থিয় হ'ম—
নকৰো পৰত আশ,
মই হ'ম জয় প্ৰকাশ।

মই কুশল কোঁৱৰ হ'ম
দেশৰ কাৰণে হাঁহি হেলাৰণ্ডে
ডিঙিত চিপজৰি ল'ম।
মই কুশল কোঁৱৰ হ'ম।

মই লাচিত বৰফুকন হ'ম—
দেশতকৈ মোমাই ডাঙৰ নহয়
জগতক চিঞৰি কম।
মই লাচিত বৰফুকন হ'ম।

দেশৰ কাম কৰিবি বুজিছ। তেতিয়া মৰিলেও অমৰ। ছাৰে কৈছে নহয়।

জেউতি—হৈছে হৈছে। তুমি বৰ লাচিত বৰফুকন হবা জানিছো নহয়। লাচিত বৰফুকনে দেশৰ হকে মোমায়েকক কাটিছিল জানা। তুমি দেখোন তোমাৰ সোণাটি মামা আহিলে—চকলেট দিব বুলি পিছে পিছে ঘূৰি ফুৰা।

নৰেন—ফুৰিলো কি হ'ল জেউতি? চাবি মই দেশকৰ্মী হ'মেই।

মহেশ—মই হ'লে ভাই দোকানী হ'ম। দোকানীবোৰৰ কি মজা। মিঠাইৰ দোকানীবোৰে পইছা নোহোৱাকৈ মিঠাই খাই থাকিব পাৰে আৰু লুজনৰ দোকানীবোৰে সদায় লুজন চুহি থাকে। মই দোকানী হ'ম। মোক তহঁতে মহেশ দোকানী বুলি মাতিবি।

জয়া—মই কিন্তু ডাক্তৰ হ'ম। সকলোকে

বেঞ্জি দিম। কোনোবাই দুষ্টালি কৰিলে-- পেটত বেঞ্জি থি ওৰাই থ'ম। ডাক্তৰণীৰ কি মজা---সকলোকে বেঞ্জি দিব পাৰে।

মাধৱ---এইবোৰ সকলো মিছা। মিস্ত্রি, ইন্‌-জিনিয়াৰ এইবোৰ কি! আচল হ'ল মিলি-টেৰী। মিলিটেৰী আহিলে সকলোৱে বাট এৰি দিব লাগে জান। যিহে কুচকাৱাজ "ৰাইট্‌ লেফ্‌ট্‌ লেফ্‌ট্‌ ৰাইট্‌।" কদম খোল। যি কায়দাত পেচ ধৰি বন্দুক মাৰিব। সকলোৰে আগ হ'ল মিলিটেৰী। ১৫ আগষ্ট স্বাধীনতা দিবসৰ দিনা দেখা নাই? কি সুন্দৰ বেণ্ড-পার্টিৰ পোছাক। কি ধুনীয়া বাজনা। তাৰ লগে লগে মার্চ্চ, লেফ্‌ট্‌ ৰাইট্‌, লেফ্‌ট্‌ ৰাইট্‌, কদম খোল। মই মিলিটেৰী হ'ম।

জেউতি---মই হলে কইনা হ'ম। কইনাৰ কি মজা! কইনা হলে কি সুন্দৰ কাপোৰ পিন্ধিব পাৰি। ৰিহা, মেখেলা, আঙঠি, গহনা আৰু ক'ত কি? গা নিজে ধুব নালাগে। লোকে পানী তুলি ধুৱাই দিয়ে। সকলোৱে আগুৰি নাম গায়---

"আইদেউৰে কাপোৰতে গুটি গুটি ফুল
যাৰকাৰ কৃষ্ণ আহি মাৰে জাতি কুল।"

মই কইনা হ'ম! মই কইনা হ'ম!

কণল'ৰা---কইনা হলে মজা পালি পাবা। দৰাই যেতিয়া লগুণ গাঠি বান্ধি পিছে পিছে লৈ যাব তেতিয়া মজা পাবা। মালতী বাইদেউ কইনা হওঁতে দেখা নাছিলা কান্দি কান্দি বিছনাত বাগৰি পৰিছিল।

জেউতি---সেইয়া মানুহক দেখুৱাইহে কান্দিছিল। ভিনদেউৰ লগত দেখোন বিয়াৰ আগৰ পৰাই মটৰত উঠি ফুৰিছিল। কিয়, বিয়াৰ দিনা পেহীদেউহঁতে নাম গোৱা শুনা নাছিলা?

"অ' মন জোনাকী---অ' মন জোনাকী
আইদেউৰে বোপাদেউৰে---
আগৰ পৰাই চিনাকি---"

(সকলোৱে হাঁহে)

মফিদা---অ' সেইয়া দেখিছা। পেহীৰ কথা কওঁতেই সেইয়া পেহী ওলালহি। অ' পেহী---পেহী।

পেহী---(আঁতৰৰ পৰা) কি হ'ল অ' মফিদা?

মফিদা---এইফালে আহচোন পেহী।

পেহী---(অলপ ওচৰলৈ আহি) মই নোৱাৰো। ঘ'ৰে কাম ত'তে পৰি আছে---তহঁতৰ লগত উমলি থাকিলে মোৰ গা জুৰাবনে?

মুকুট---(কাপোৰত ধৰি টানি আনি) নহয়---পেহী তুমি ক'বই লাগিব খেতিয়ক ডাঙৰ নে মিস্ত্রি ডাঙৰ?

মজিদ---অ' কোন ডাঙৰ?

মফিদা---পেহী, পেহী, শিক্ষয়িত্রী ডাঙৰ নে ডাক্তৰণী ডাঙৰ?

কণল'ৰা---মিলিটেৰী ডাঙৰ নে ইন্‌জিনিয়াৰ ডাঙৰ?

জেউতি---পেহী, কইনা ডাঙৰ নহয়নে?

পেহী---অ' মোৰ মতা গোসাই! ভাল আপদখনে পালেহি। গলি নে ভালে ভালে! চাওঁ মোক বাট এৰি দে।

মুকুট---নহয়, নহয়---তুমি ক'বই লাগিব। হেৰ' তহঁতে কি চাই আছ? ধৰ, পেহীক আগুৰি ধৰ।

(সকলোৱে আগুৰি ধৰি ঘূৰিব ধৰে আৰু লগে লগে গায়)

"এইখিনি পানী ঘৰ ঘৰ ৰাণী
এইখিনি পানী ঘৰ ঘৰ ৰাণী---"

পেহী---দেখিছা নে এই ৰাহৰু। হেৰৌ, এৰিবিলিনে?

নৰেন---নহয়---পেহী তুমি কবই লাগিব।

(সকলোৱে ঘূৰি ঘূৰি গায়)

এইখিনি পানী ঘৰ ঘৰ ৰাণী
এইখিনি পানী ঘৰ ঘৰ ৰাণী---

পেহী—হেৰ শুন। মই সেইবোৰ কি জানো? আমি কিবা লিখা-পঢ়া জানোনে? আমাৰ দিনত পঢ়াশালিয়েই নাছিল। এতিয়া আমাৰ দেশ স্বাধীন হোৱাৰ লগে লগেহে য'তে ত'তে স্কুল-পঢ়াশালি হ'ল। তইঁতে এতিয়া পঢ়া-শুনা কৰিছ। তইঁতেহে জান—কোন ডাওৰ কোন সৰু।

মুকুট—নহয়, তুমি ক'বই লাগিব—মিস্ত্রি ডাওৰ নে খেতিয়ক ডাওৰ।

জয়া—ডাক্তৰণী ডাওৰ নে শিক্ষয়িত্রী ডাওৰ।

পেহী—ভাল আউল লগা সাঁথৰ উলিয়ালি। বাৰু তইঁতে যে মোক সুধিছ—মই বাৰু এটা সাঁথৰ কওঁ—উত্তৰ দেচোন।

নৰেন—বেছ। বেছ। আমি এতিয়া সাঁথৰ সাঁথৰ খেলিম। কোৱা পেহী।

পেহী—সদিয়ালৈ নেযাবা সত ফুল নেখাবা
কচুপাতত নেবান্ধিবা লোণ—
এইখন নগৰত সুধি আহা গৈ—
ওপজি বুঢ়া হয় কোন?

সকলোৱে—বুঢ়া আঙুলি—বুঢ়া আঙুলি—

পেহী—বাৰু এইবাৰ কচোন—
সদিয়ালৈ গৈছিলোঁ সত ফুল খাইছিলোঁ—
কচুপাতত বান্ধিছিলোঁ লোণ—
এইখন পৃথিবীত সুধি আহা গৈ—
উপজি লৰ মাৰে কোন!

সকলোৱে—জেঠি পোৱালি—জেঠি পোৱালি—

জেউতি—আৰু এটা—আৰু এটা পেহী—

পেহী—বাৰু, শুন—
ওপৰেদি উৰি যায় নহয় শৰালি
জাপ ধৰি মাছ খায়—নহয় বিৰালি।
নূপুৰ নহয় কিন্তু ৰুণ জুন কৰে
বন্দুক নহয় কিন্তু পেচ ধৰি মাৰে॥

(সকলোৱে ভাবি তলমূৰ কৰে)

পেহী—কিয়? মনে মনে থাকিলি দেখোন। কুমুদ কচোন। নেজান? মজিদ তই এবা—অ' এতিয়া তলমূৰ কৰি আছ। মক্রিদা, জয়া, জেউতি, কমল'বা—ক'তা কোনেও ক'ব নোৱাৰ। মই কওঁ শুন। মাছ মৰা আচাৰা জাল।

নৰেন—হেঃ মই কিন্তু ঠিক ভাবিছিলোঁ। মোক সোধা হলে মই কৈ দিলো হয়।

পেহী—কিয়, মই দেখোন তইঁত সকলোকে সুধিছিলোঁ।

নৰেন—ক'তা—তুমি দেখোন মোৰ নাম কোৱা নাছিলা।

পেহী—বাৰু তই কচোন।—'দৃষ্টান্ত দিওঁ বুজ, গাতে আছে কুঁজ।'

নৰেন পেহী, পেহী। আইতাৰ পিঠিৰ কুঁজটোৰ কথা কৈছা নহয়।

(সকলোৱে হাঁহে। খুৰা আহে)

খুৰা—কি অ'? কি হৈছে? কি ৰগৰ ওলাইছে? অ' পেহীয়েৰ আহি তইঁতৰ লগত নাচিছেহি নেকি?

পেহী—চাওকচোন—এই বাহলৈ। সিহঁতৰ নো কত কথা। একোটা যে প্রশ্ন কৰে—উত্তৰ দিওঁতে মূৰ ঘোলা হয়। আজি আকৌ কিবা এটা উলিয়াইছে—কইনা ডাওৰ নে দৰা ডাওৰ। আমাৰ দিনত হলে দৰা ডাওৰ কইনা সৰু আছিল। এতিয়া আকৌ দেখিছো কোনো কোনো বিয়াত দৰাতকৈ কইনাহে ডাওৰ।

খুৰা—কি অ'? কচোন কি হৈছে।

মুকুট—খুৰা, মিস্ত্রি ডাওৰ নে খেতিয়ক ডাওৰ?

খুৰা—কি, মিস্ত্রি ডাওৰ নে খেতিয়ক ডাওৰ অ'?

মক্রিদা—খুৰা। শিক্ষয়িত্রী ডাওৰ নে ডাক্তৰণী ডাওৰ?

খুৰা—হোঃ এইবোৰ আকৌ কি সাঁথৰ উলিয়ালি?

মোক ভালকৈ বুজাই কচোন। কি ডাঙৰ সকৰ কথা হৈছে ?

মজিদ—খুৰা, সংসাৰত বাৰু কোন ডাঙৰ ? মিস্ত্রি, নে খেতিয়ক ?

খুৰা—কিয় ?

মজিদ—মই কৈছো মিস্ত্রি ডাঙৰ। মিস্ত্রিয়েহে ঘৰ-দুৱাৰ, মন্দিৰ-মছজিদ, এইবোৰ কৰে। এতেকে মই ডাঙৰ হলে মিস্ত্রি হ'ম।

মুকুট—কিয় হ'ব ? খেতিয়ক নহলে আমি খাবলৈ ক'ত পাম ? খেতিয়কে খেতি কৰে দেখিহে আমি খাই জীয়াই থাকিব পাৰো। নহয় জানো খুৰা ? মই ডাঙৰ হলে খেতিয়ক হ'ম।

খুৰা—অ'—তই একা মফিদা, তই কি হ'বি ?

মফিদা—মই শিক্ষয়িত্রী হ'ম খুৰা।

জয়া—মই কিন্তু ডাক্তৰণী হ'ম খুৰা।

কণল'ৰা—মই ইন্‌জিনিয়াৰ হ'ম।

খুৰা—অ' বেছ তই একা নৰেন ?

নৰেন—মই দেশকৰ্মী হ'ম। দেশৰ কাম কৰিম। দেশৰ কাম কৰা মানুহ বোলে মৰিলেও নমৰে—হয় নে খুৰা ?

খুৰা—অ'—আৰু কোন কি হবি ?

মহেশ—মই হলে দোকানী হ'ম।

মাধৱ—মই মিলিটেৰী হ'ম।

খুৰা—জেউতি। তই কি হবি অ' আই ?

জেউতি—মই কইনা হ'ম। ধুনীয়া ধুনীয়া ৰিহা মেখেলা পিন্ধিম।

খুৰা—(হাঁহি) হয়নেকি ? তেন্তে বুঢ়া চাই এটা দৰা বিচাৰিব লাগিব। তোৰ বিয়াত মই—সেৰে সেৰে ৰসগোল্লা খাম।

মুকুট—তেন্তে কোন ডাঙৰ ?

খুৰা—তহঁতৰ সাঁথৰটো বুজিছো। বৰ ডাঙৰ সাঁথৰ উলিয়াইছ। তহঁতৰ মনত যে এইবোৰ ভাব খেলাইছে বৰ ভাল কথা। তহঁতৰ মনৰ কথা সদায় ডাঙৰক এনেদৰে খুলি কবি। তেতিয়া তহঁতৰ ভাল হব। এখন দেশ ডাঙৰ হবলৈ হলে সকলো লাগে—মিস্ত্রি, খেতিয়ক, ইন্‌জিনিয়াৰ, মিলিটেৰী, ডাক্তৰ, ডাক্তৰণী, শিক্ষয়িত্রী, দোকানী—সকলো লাগে। যাৰ যি অভিৰুচি সেইমতে কাম কৰিলে কাম ভাল হয়। আমি পঢ়া কালত আমাৰ দেশ পৰাধীন আছিল। এতিয়া কিন্তু দেশ স্বাধীন হ'ল। দেশত সকলো প্ৰকাৰৰ শিক্ষাৰ সুবিধা হৈছে। তহঁতৰ অভিৰুচি মতে শিক্ষা হলে তহঁতৰ ভাল হব, দেশৰো ভাল হব। এতেকে এইবোৰ সকলো সমান। কিন্তু তাতে এটা কথা আছে। তহঁতে যি শিক্ষাই লব ভালদৰে লব লাগে। ভাল খেতিয়ক, ভাল মিস্ত্রি, ভাল ইন্‌জিনিয়াৰ, ভাল শিক্ষয়িত্রী, ভাল ডাক্তৰণী, ভাল মিলিটেৰী—সকলো সমান। এতেকে তহঁতে যি শিক্ষাই লব তাকে ভালদৰে লবি বুজিছ। তহঁত সকলো সমান। বুজিলি।

মজিদ—বুজিলো। মই ডাঙৰ হলে মিস্ত্রি হ'ম। দেশৰ দলং, স্কুলঘৰ সাজি দেশখন ধুনীয়াকৈ সজাম।

মুকুট—মই খেতিয়ক হৈ—দেশৰ মাটিত খেতি কৰি দেশৰ খাদ্য বঢ়াম।

মাধৱ—মই মিলিটেৰী হৈ দেশৰ শত্ৰুক কাটিম।

মফিদা—মই শিক্ষয়িত্রী হৈ সকলোকে সজ শিক্ষা দিম।

খুৰা—বৰ ভাল কথা। তহঁতৰ কণ কণ ল'ৰা-ছোৱালীৰ ডাঙৰ মন হৈ আমাৰ দেশ ঠনধৰি উঠক।

দাতা কর্ণ

চরিত্র

কর্ণ

কুন্তী

পদ্মা

বৃদ্ধ ব্রাহ্মণ

বৃষকেতু

অর্জুন

শ্রীকৃষ্ণ

বৃদ্ধ ব্রাহ্মণ

বাঃ ইন্দ্র

দাতা কৰ্ণ

(পানী বৈ যোৱাৰ কুলু কুলু শব্দ । মধুৰ সঙ্গীতৰ ধ্বনি । এই ধ্বনিৰ লগতে সঙ্গীতৰ সুৰ বাজিব

জবা কুসুমং শংকাশং কাশ্যপেয়ম্ মহা দ্যুতিং
ধ্বান্তাৰিং সৰ্ব্ব বিঘ্নয়ো প্ৰণতোস্মি দিবাকৰম্ ।

শঙ্খ ঘন্টাৰ শব্দ)

কৰ্ণ —অন্ধকাৰ আঁতৰাই
জগতক কৰি জ্যোতিষ্মান
দেখা দিছা দীপ্তিময় হে দিবাকৰ
শুদ্ধ চিত্তে যাচিছো অঞ্জলি
লোৱা মোৰ ভক্তি প্ৰণিপাত ।
হে জ্বলন্ত ভাস্কৰ !
জগতৰ যত কুহেলিকা
সকলোকে নাশ কৰি
দীপ্তি হোৱা জগতত তুমি দিবাকৰ
কিন্তু এই হতভাগা তোমাৰ কৰ্ণই
জীৱনৰ যশোগান জয়ৰ তিলক
সকলোকে জলাঞ্জলি দি
তিল তিল কৰি
এন্ধাৰত পাত কৰে তাপিত জীৱন।
আজিও আছিছো দেৱ শুভ ক্ষণ চাই
জগতৰ মায়াজাল মায়া আভৰণ
সকলোকে আঁতৰাই দূৰ দূৰলৈ
শান্ত কৰা এই মোৰ তাপিত হৃদয় ।
(শঙ্খধ্বনি)

কুন্তী—পুত্ৰ ?

কৰ্ণ—কোন ? কোনে মাতে পুত্ৰ বুলি মোক ?
ই কি ? কোন তুমি—কিবা পৰিচয়
কিবা হেতু আজি পুত প্ৰভাত কালত
মাতৃৰূপে আবিৰ্ভাৱ হৈ অকস্মাতে
দেখা দিছা মোৰ সমুখত ।

কুন্তী —পুত্ৰ

কৰ্ণ—পুত্ৰ ? মাতা মাতৃ
পুনুবাৰ কৰা মোক সেই সম্বোধন
জীৱনত কেতিয়াও
শুনা নাই এই সম্বোধন
আজিয়েই এই মুহূৰ্ত্তত
নেজানো কি ভাগ্যৰ বলত
শুনিলো মধুৰ এই অমিয় বচন
'পুত্ৰ'—'পুত্ৰ' মধু সম্বোধন
মাতা দেৱী—পুত্ৰ বুলি আৰু এটিবাৰ

কুন্তী—পুত্ৰ -

কৰ্ণ—পুত্ৰ ! মাতা মাতৃ
পুনুবাৰ কৰা মোক সেই সম্বোধন
নেজানো কিয়নো শুনি তোমাৰ মুখত
'পুত্ৰ' বুলি সেই সম্বোধন
পুলকিত হয় মোৰ গোটেই শৰীৰ
কোনে যেন আনি দিলে----
তাপিত দেহত মোৰ শান্তিৰ প্ৰলেপ ।
মাতা আই ! মাতা পুত্ৰ বুলি
যি মাতৰ লগত বিৰিঙে
সৰগত শত মন্দাকিনী ।

কুন্তী—পুত্ৰ ! কৰ্ণ মোৰ !
চিনিছানে কোন মাই—কোন অভাগিনী
উপস্থিত আজি এই পূজাৰ কালত ।

কৰ্ণ—মাতৃ ! নিবিচাৰো অন্য পৰিচয়
জগতৰ শ্ৰেষ্ঠ পৰিচয়
জীৱনৰ শ্ৰেষ্ঠ সম্বোধন
মাতৃ তুমি সেয়ে মোৰ প্ৰথম পৰিচয় ।

তাতোকৈ আৰু----
নিৰ্বিচাৰো একোকে জানিব ।
কুন্তী—পুত্ৰ ! কুন্তী মই জননী কৰ্ণৰ ।
কৰ্ণ—কি ? কি কুন্তী তুমি ?
ভাগ্যৱতী পাণ্ডৱ জননী---
কিয় আজি হতভাগ্য কৰ্ণৰ আগত
নতুন মায়াৰ জাল কৰিছা ৰচনা
আঁতৰা আঁতৰা দেৱী
নাথাকিবা পাপাত্মাৰ সন্মুখত আৰু
নকৰিবা সৃষ্টি এক মহা প্ৰলয়ৰ
কুন্তী—পুত্ৰ তুমি মোৰ জ্যেষ্ঠ পুত্ৰ
জন্ম অধিকাৰ মতে---
তুমি আজি শ্ৰেষ্ঠ পাণ্ডৱৰ
কৰ্ণ---অধিকাৰ ? জন্ম অধিকাৰ ?
কৰা নাই আশা তাৰ বাবে
কৰ্মৰ বলেৰে—বাহুৰ বলেৰে
সৃষ্টিৰ বুকুত সাব্যস্ত কৰিম মই
মোৰ অধিকাৰ ।
মাতৃ যোৱা গুচি ঘৰলৈ
আলসুৱা পথত পাণ্ডৱক
বুকুত সাবটি লই
মাতৃত্বৰ গৌৰৱেৰে গৰ্বী হোৱাগৈ ।
অমানিশা অন্ধকাৰে ঘেৰা
কৰ্ণৰ জীয়া ৰহস্য
মিছা স্নেহ---মিছা প্ৰলোভনে
ব্যক্ত কৰি এনেদৰে
কলংকিত নকৰা ধৰাক ।
এন্ধাৰত জন্ম মোৰ
এন্ধাৰতে মৃত্যু হ'ক
সেয়ে মাথোঁ কামনা প্ৰাণৰ ।
কুন্তী---পুত্ৰ মাতৃ মই
নোৱাৰো শুনিব পুত্ৰ
মৃত্যু বাঞ্ছা পুত্ৰৰ মুখত--- (কান্দে)
কৰ্ণ—চকুপানী ?
আজি কিয় চকুপানী তুকিছা জননী ?
আজি কিয় এই চকুপানী ?
সেইদিনা কিনোদৰে
বোধ কৰি এই চকুপানী
স্নেহময়ী জননীৰ ৰূপ পৰিহৰি
দানবিনী পিশাচিনী পাষাণী ৰূপেৰে
শৈৱৰতে সন্তানক দিলা জলাঞ্জলি ?
কুন্তী---পুত্ৰ সেই দোষ আজি কিন্তু
মুক্ত কণ্ঠে কৰিছো স্বীকাৰ ।
তাৰ বাবে মাতৃ হৈ পুত্ৰৰ কাষত
ক্ষমা ভিক্ষা কৰিছো কাতৰে ।
সমাজৰ গৰিহণা এৰাব নোৱাৰি
পাপ কাৰ্য সমৰ্থন কৰিলো সিদিনা
আজি কিন্তু পুত্ৰ তাৰ কৰো প্ৰতিবাদ ।
কৰ্ণ---সমাজ ! সমাজ !
যি সমাজে
মাতৃৰ বুকুৰ পৰা
কাঢ়ি লৈ অবুজ সন্তান
মৃত্যুৰ মুখত মাতৃ দিয়ে দলিয়াই
যি সমাজে
ধৰ্মৰ দোহাই দি
এন্ধাৰৰ আশ্ৰয়ত
পাপ কাৰ্য কৰে সমৰ্থন
যি সমাজ—সেই ধৰ্ম
যক মাতৃ ৰসাতললৈ ?
কুন্তী---পুত্ৰ ! দূৰ কৰা এই অভিমান
অভাগিনী মাতৃৰ কোলাত
আহা বাছা পুনৰায়
পঞ্চ ভাতৃ আছে শিবিৰত
পালে সেই পূৰ্ণ পৰিচয়
প্ৰণামিব জ্যেষ্ঠ বুলি পাণ্ডৱসকলে ।
কৰ্ণ—মাতৃ !
অনাদৃত অস্পৃশ্য কৰ্ণই

সেই আশা নকৰে কদাপি
শ্ৰেষ্ঠ বুলি পূজ্য বুলি বীৰ পাণ্ডুৱৰ
কৰ্ণৰ জীৱন কালত
কেতিয়াও নিজ মুখে নকৰে প্ৰচাৰ
জন্মৰ দিনাই মাতৃ
সেই ভাগ্য মচি দিছে—ভাগ্য বিধাতাই।
অস্পৃশ্য ঘৃণিত আৰু
অনাদৃত মানৱৰ
আজি মই যোগ্য প্ৰতিনিধি।
মোক লাগে অস্পৃশ্যৰ অধিকাৰ স্থাপিত ধৰাত।
মহামিত্ৰ দুৰ্যোধনে
অৰ্দ্ধ ৰাজ্য দান কৰি মোক
কৰিছে কৃতজ্ঞ
ময়ো তাৰ দিম নিজে যোগ্য প্ৰতিদান।
কুৰুক্ষেত্ৰ মহা সমৰত
পাণ্ডৱ বিনাশ কৰি
ঋণ মুক্ত হম কৌৰৱৰ ?

কুন্তী—পুত্ৰ ! তেনেকথা নানিবা মুখত
বলা বাছা ! গুচি যাওঁ দূৰ দূৰলৈ
পঞ্চজনে আছে বাট চাই
ষষ্ঠজনে কৰা যদি কৃপা
আজীৱন সকলোটি বনবাসী হম
নালাগে আমাক পুত্ৰ এই ৰাজ্য সুখ।
থাকক ৰাজত্ব লই ৰজা দুৰ্যোধন।

কৰ্ণ—মাতৃ নকৰিবা তেনে অনুৰোধ
দুৰ্যোধন মহামিত্ৰ মোৰ
বন্ধুৰ আগত মই দিছো প্ৰতিশ্ৰুতি
কুৰুক্ষেত্ৰ সমৰত
পাণ্ডৱ বিনাশ হেতু
নিজে মই কৰিছো প্ৰতিজ্ঞা।
কিন্তু মাতৃ
দয়া কৰি আহিছা যেতিয়া
এই দীন কৰ্ণৰ আগত
মাতৃত্বৰ দাবী লই আজি
নকৰিম তোমাকো বিমুখ।
শুনা মাতৃ—
গুপুত প্ৰতিজ্ঞা মোৰ তোমাৰ আগত
মহাবীৰ অৰ্জুনৰ বাদে
আন চাৰি ভাই মোৰ
নিৰাপদ কৰ্ণৰ হাতত।
জানিবা ধ্ৰুৱপ মাতৃ
নিয়তিৰ নিৰ্দয় বিধান
ভ্ৰাতৃবধ হেতু এই কুৰুক্ষেত্ৰ ৰণ।
যোৱা মাতৃ হ'ল—এবে বহুতো পলম
দুৰ্যোধনে অপেক্ষিছে মন্ত্ৰণা কক্ষত
যাওঁ মাতৃ দিয়া পদধূলি।

কুন্তী—ভ্ৰাতৃবধ জ্ঞাতিবধ হেতু
মহা ভাৰতৰ এই মহা সমৰৰ
আজি এক মেলিছে পাতনি
নিৰুপায় মই—
চকুলোৰে আঁচল তিয়াই
কটাব লাগিব মোৰ তাপিত জীৱন।
কৰ্মফল—অৱশ্যেই ভুগিব লাগিব। (সঙ্গীত)

(সঙ্গীত শেষ হোৱাৰ লগে লগে)

কৰ্ণ—পদ্মা !

পদ্মা—আৰ্যপুত্ৰ।

কৰ্ণ—তোমাৰ সৌভাগ্য দেৱী
ভাগ্যবান কৰ্ণ তোমাৰ
কালিলৈ কুৰুক্ষেত্ৰ ৰণৰ কাৰণে
কুৰুপতি দুৰ্যোধনে
কৌৰৱৰ সেনাপতি ৰূপে
কৰ্ণক কৰিছে বৰণ।
যতমানে ভাৰতবৰ্ষৰ
মহাবীৰ ৰথী-মহাৰথী
সকলোৱে একে বাক্যে
কৌৰৱৰ সেনাপতি ৰূপে
মোক আজি একমুখে কৰিছে স্বীকাৰ।

পদ্মা—আৰ্যপুত্ৰ

ই যে মোৰ গৌৰৱ কাহিনী।
সঁচা নাথ
মহা ভাগ্যৱতী মই
কালিলৈ মন্দিৰে মন্দিৰে
জ্বলাই সহস্র দীপ
দিনে নিশা উজাগৰে থাকি
তোমাৰ মঙ্গল হেতু
কৰিম প্ৰাৰ্থনা ।

কৰ্ণ——পদ্মা! সঁচাকৈয়ে ধন্য আজি মই—
তোমাৰ নিচিনা ধৰ্মপ্ৰাণা পত্নী যাৰ
চিৰ সহচৰ
তাতোকৈ আৰু বাৰু কোন ভাগ্যবান।
যোৱা দেৱী! মুক্ত হস্তে কৰাগৈ দানৰ উৎসৱ!
প্ৰপীড়িত জনে যেন
তোমাৰ কৰুণা পাই
ধন্য হয় তাপিত জীৱন।

পদ্মা——তাৰ বাবে আৰ্যপুত্ৰ
অভাগীক দিয়া আশীৰ্বাদ

বৃঃ ব্ৰাহ্মণ—কোন আছা ভিতৰত ?

কৰ্ণ——পদ্মা! আহিছে অতিথি সেইয়া
যোৱা তুমি আতিথ্যৰ কৰা আয়োজন ?

বৃঃ ব্ৰাহ্মণ——কোন আছা ভিতৰত !

কৰ্ণ——কোন ?

বৃঃ ব্ৰাহ্মণ——অতিথি ব্ৰাহ্মণ এক
অনাহাৰে জৰ্জৰিত প্ৰাণ ।

কৰ্ণ——অতিথিৰ বাবে
কৰ্ণৰ দেৱ সদায় মুকলি
নিৰ্ভয়ে সোমাই আহা
কৰ্ণৰ পৰ্ণ কুটীৰত ।
দেৱ লোৱা মোৰ শত প্ৰণিপাত ?

বৃঃ ব্ৰাহ্মণ——মহাৰাজ !
ধন্য হলো তোমাৰ কথাত ।
ধৰ্মজয়ী হোৱা জগতত ।
মহাৰাজ !
অনাহাৰ অনিদ্ৰাই জৰ্জৰিত প্ৰাণ
মৃত্যু মোৰ অতি সমীপত ।
কিন্তু হে ৰাজন—
জীৱনৰ এটি অভিলাষ
এতিয়াও অসম্পূৰ্ণ বল ।
কোৱা মহাৰাজ
পাৰিবানে পূৰাব সেই মনৰ কামনা

কৰ্ণ——কোৱা দেৱ ।
কিবা অভিলাষ ?
তোমাৰ তুষ্টিৰ বাবে
যি বিচৰা তুমি
অৱশ্যেই কৰিম পূৰণ
দয়া কৰি কোৱা দেৱ
কি বিচৰা তুমি ?

বৃঃ ব্ৰাহ্মণ——ক্ষুধাৰ্ত ব্ৰাহ্মণ মই
নাই কোনো উচ্চ অভিলাষ
জীৱনৰ অপূৰ্ণ কামনা
প্ৰিয় খাদ্য বাঞ্ছিত প্ৰাণৰ।
বিচাৰিছো সেই খাদ্য তোমাৰ কাষত ।
দাতা কৰ্ণ বুলি তুমি জগত বিদিত
সসাগৰা পৃথিবীয়ে গাই যশোগান ।
সেই হেতু সেই হেতু মহাৰাজ
অতি আশা কৰি
মৰণৰ আগ মুহূৰ্তত
উপস্থিত হৈছোহি তোমাৰ কাষত ।
কোৱা মহাৰাজ!
পাৰিবানে সেই খাদ্য যতনাই দিব ।

পদ্মা——তাৰ বাবে পাৰ্যমানে কৰিছো যতন
আহা দেৱ !
সযতনে তোমাৰ কাৰণে
নিজে মই কৰিছো প্ৰস্তুত
নানান সুস্বাদু খাদ্য
আহা দেৱ কৰাহি গ্ৰহণ ।
তোমাৰ পূজাৰ হেতু

পকা পকা ফলমূল
সযতনে নিজ হাতে আনিছো সজায়।
তুষ্ট হৈ কৰিলে গ্ৰহণ
হ'ম আমি পৰম কৃতাৰ্থ
অতিকৈ ক্ষুধাৰ্ত তুমি
নকৰিবা মিছাতে পলম ।

বৃঃ ব্ৰাহ্মণ—ৰাণী ! ক্ষমা কৰা মোক
সেই খাদ্য আশা কৰি
অহা নাই তোমাৰ কাষত
দাতা কৰ্ণ—ভুবন বিখ্যাত
তুমি তেওঁৰ ধৰ্ম পত্নী
দুয়োজন আছা যেবে
অৱশ্যেই পূৰ্ণ হব

কৰ্ণ—কোৱা দেৱ !
কিবা খাদ্য বিচাৰিছা তুমি
কিবা খাদ্য পালে বাৰু
তুমি দেৱ লভিবা সন্তোষ
তোমাৰ তুষ্টিৰ বাবে
কেতিয়াও নহওঁ বিমুখ
প্ৰয়োজন হলে—
শূন্য কৰি মোৰ এই ৰত্নৰ ভাণ্ডাৰ
তোমাৰ পূজাত দেৱ লগাম যতনে
কোৱা বাৰু কিবা খাদ্য বিচাৰিছা তুমি।

বৃঃ ব্ৰাহ্মণ—যি খাদ্যৰ কথা মহাৰাজ
ভবা নাই ৰজা মহাৰাজে
সেই খাদ্য বিচাৰিছো মই
অতিকৈ সামান্য অতিকৈ দুষ্প্ৰাপ্য
যেই খাদ্য বিচাৰিছো মই
কোৱা মহাৰাজ
পাৰিবানে সেই খাদ্য দিব ?

কৰ্ণ—নিশ্চয় পাৰিম দেৱ
কোৱা বাৰু
কিবা খাদ্য বিচাৰিছা তুমি

বৃঃ ব্ৰাহ্মণ—শুনা তেন্তে মহাৰাজ
শুনা স্থিৰ হৈ
ক্ষুধা নিবাৰণ হেতু
লাগে আজি নৰ মাংস মোক ?

পদ্মা—নৰ মাংস ? (হাতৰ থাল পৰি যায়)
ই কি কথা ?
ক্ষুধাতুৰ ব্ৰাহ্মণৰ
ক্ষুধা নিবাৰণ হেতু নৰ মাংস লাগে ?
নহয়—নহয়—
মহাৰাজ
নহয় ব্ৰাহ্মণ ইটো
ব্ৰাহ্মণৰ বেশ ধৰি আহিছে ৰাক্ষস ?
খেদি দিয়া খেদি দিয়া
নহলে নিশ্চয় আজি ঘটিব অপায় ।

কৰ্ণ—পদ্মা ?
হব পাৰে মায়াবী ৰাক্ষস
হব পাৰে শত্ৰু আমাৰ
কিন্তু পদ্মা—
অতিথি আমাৰ তেওঁ ।

বৃঃ ব্ৰাহ্মণ—মহাৰাজ
বুজিছো সকলো মই
অপাৰগ আজি তুমি
অতিথিক কৰিব সৎকাৰ ।
ভিক্ষাৰী ব্ৰাহ্মণ মই
নাই মোৰ কোনো অভিযোগ
যাম মই নিজেই আঁতৰি
কিন্তু মহাৰাজ
বৰ আশা কৰি আহিছিলো মই
আজি হন্তে সেই আশা-দিছো জলাঞ্জলি ।
যাওঁ মই মাগিছো বিদায় ।

কৰ্ণ—ক্ষান্ত হোৱা দেৱ
অধমক পাপত বুৰাই
নোৰৱা যাবলৈ তুমি
নৰ মাংস খাদ্য ব্ৰাহ্মণৰ

তাকো মই দিম শতনাই ।

পদ্মা—নাথ—নাথ—

কৰ্ণ—পদ্মা ? বীৰৰ জিয়ৰী তুমি

বীৰৰ গৃহিণী

এনেদৰে নহবা কাতৰ

ব্ৰাহ্মণৰ তুষ্টিৰ কাৰণে

নিজ মাংস কৰিব অৰ্পণ

বিশ্বৰ ঘৃণিত মই

মোৰ মাংস ব্ৰাহ্মণৰ সেৱাত লগাই

প্ৰায়শ্চিত্ত কৰিম পাপৰ ।

পদ্মা—নাথ—নাথ—

বৃঃ ব্ৰাহ্মণ—মহাৰাজ !

ক্ষান্ত হোৱা তুমি

নিজ প্ৰাণ বলি দিব নাই প্ৰয়োজন ।

নৰ মাংস বিচাৰিছো সঁচা

সেইবুলি—

বয়োবৃদ্ধ এজনৰ কঠুৱা মাংসৰে

মোৰ প্ৰাণে নেপাব তৃপিতি ।

মোক লাগে কুমলীয়া শিশুৰ মঙহ ।

পদ্মা—নাথ—নাথ—

কৰ্ণ—শিশুৰ মঙহ

ই যে মোৰ সাধ্যৰ অতীত

ক'ত পাম শিশু মাংস মই ?

বৃঃ ব্ৰাহ্মণ—মহাৰাজ ?

সঁচাকৈয়ে ইচ্ছা কৰা যদি

অৱশ্যেই পাৰিবা তুষিব

ক্ষুধাতুৰ ব্ৰাহ্মণৰ প্ৰাণ !

কুমলীয়া শিশু মাংস আছে অদূৰতে

বৃষকেতু তোমাৰ সন্তান

সেই মাংস বিচাৰিছো মই।

পদ্মা—নাথ—নাথ—

এতিয়াও কৰিছো কাকুতি

খেদি দিয়া ব্ৰাহ্মণক দূৰ দূৰলই।

কৰ্ণ—পদ্মা স্থিৰ হোৱা তুমি

পাহৰি নেযাবা

দানৰ উৎসৱ আজি আমাৰ পঁজাত।

বৃঃ ব্ৰাহ্মণ- মহাৰাজ!

নসহে পলম আৰু

কোৱা বাৰু দিবানে নিদিয়া ?

কৰ্ণ—দেৱ ! নকৰিবা অলপো সন্দেহ

ব্ৰাহ্মণৰ তুষ্টিৰ কাৰণে

অতিথিৰ সেৱাৰ কাৰণে

অসম্ভৱো কৰিম সম্ভৱ।

মুহূৰ্ততে ঘাতকক শুনাম আদেশ

বধ কৰি সন্তানৰ প্ৰাণ

অতিথি সেৱাৰ হেতু কৰিম বিধান।

বৃঃ ব্ৰাহ্মণ—ঘাতকৰ হাতে ।

ওহো—সেই মাংস অপবিত্ৰ হব ।

পিতা আৰু জননীয়ে

কৰিব লাগিব নিজে বলীৰ বিধান।

তাৰ পাছে জননীয়ে

ৰান্ধিব শিশুৰ মাংস অতি যতনেৰে

তেতিয়াহে তুষ্ট হব অতিথি তোমাৰ ?

কৰ্ণ—সেয়ে হব সেয়ে হব দেৱ

আখৰে আখৰে মই পালিম আদেশ

বৃষকেতু—বৃষকেতু—

বৃষকেতু—পিতা! পিতা!

কৰ্ণ—পুত্ৰ—মোৰ হৃদয়ৰ ধন

বৃষ—কিয় তুমি হৈছা অধীৰ ?

আই—আই—

কৰ্ণ—বাছা মোৰ নয়নৰ মণি।

বৃষ—ই কি ? তুমিওতো কান্দিছা জননী

কোৱা আই নজনাতে তোমাৰ পুত্ৰই

কিবা দোষ লগালেনে আজি ?

পদ্মা—পুত্ৰ ? সোণ মোৰ—জীউ মোৰ

নাই কৰা একো দোষ তই

যতমানে অপৰাধ

অভাগিনী জননীৰ তোৰ।

কিয় বাছা জন্মিছিলি মোৰ উদৰত
নেজাননে সোণ
অভাগিনী পিশাচিনী মই ।
বৃষ—নুটুকিবা চকুলো জননী
পিতৃ মাতৃ দুজনাৰ চকুৰ পানীৰে
নকৰিবা সৃষ্টি এক
মোৰ বাবে নতুন নৰক ।
পিতা—পিতা— ।
কৰ্ণ—পুত্ৰ ।
বৃষ—কোৱা পিতা
কিয় আজি দুয়োজন চিন্তাত আকুল ।
কৰ্ণ—পুত্ৰ । অতিথি ব্ৰাহ্মণ সৌৱা
বিচাৰিছে তোৰ মাংস কৰিব ভোজন ।
আমি তাৰ দিছো প্ৰতিশ্ৰুতি ।
বৃষ—ই যে মোৰ পৰম সৌভাগ্য
আই—আই—
নুটুকিবা মিছাতে চকুলো
শীঘ্ৰে তাৰ কৰা আয়োজন ।
পদ্মা—পুত্ৰ ! সোণ মোৰ
বৃষ—আই ! পৰম সৌভাগ্য মোৰ
মোৰ দেহ ব্ৰাহ্মণৰ সেৱাত লগাম ।
দিয়া মোক ৰঙেৰে বিদায় ।
বৃঃ ব্ৰাহ্মণ—মহাৰাজ ! নসহে পলম আৰু
অনাহাৰে জৰ্জৰিত প্ৰাণ ।
কৰ্ণ—পদ্মা আহ আগবাঢ়ি
বীৰৰ জননী তুমি
বীৰ পুত্ৰে কৰিছে আহবান
কৰ্তব্যত হোৱা অগ্ৰসৰ ।
বৃষ—আহা পিতা—আহা আই—
আগবাঢ়ি আহি
কৰা নিজে সন্তানৰ মুকুতি বিধান ।
দয়াময় হৰি
লোৱা মোৰ অন্তিম প্ৰণতি
(করুণ সুৰ বাজিবলৈ ধৰে)

বৃঃ ব্ৰাহ্মণ—মহাৰাণী
প্ৰস্তুত কৰিলা খাদ্য আপোন হাতেৰে
পাৰিবানে সন্তানক এৰি খাবলই ।
পদ্মা—দেৱ !
বৃঃ ব্ৰাহ্মণ—নহবা কাতৰ দেৱী
পুত্ৰক এৰি আঁতৰত
এইদৰে ভোজন অবিধি
সেই হেতু কৰিছো কাকুতি
মাতা পুত্ৰ বৃষকেতু বুলি ।
পদ্মা—দেৱ ! ই কি বাৰু পৰীক্ষা তোমাৰ ।
নিজ হাতে বলি দিলো পুত্ৰক যেতিয়া
কত পাম হেৰোৱা ৰতন
দেৱ ! নকৰা পলম আৰু
প্ৰস্তুত সকলো
তুষ্ট হৈ কৰিলে গ্ৰহণ
ধন্য হম আমি দুয়োজনে ।
বৃঃ ব্ৰাহ্মণ—তথাপি বিধি অনুসৰি
মাতাচোন পুত্ৰক এবাৰ
নহলে যে মোৰো হব ভোজন অশুচি
পদ্মা—(কান্দি কান্দি) বৃষকেতু বৃষকেতু ।
বৃষ—আই—আই— ।
পদ্মা—বৃষকেতু—বৃষকেতু
বৃষ—আই—আই—
পদ্মা—পুত্ৰ—পুত্ৰ—
কৰ্ণ—ই কি ! ই কি
কৃষ্ণ দয়াময়
ই কি আজি পৰীক্ষা তোমাৰ ?
পদ্মা—চোৱা কোন আজি উপস্থিত
আমাৰ গৃহত
বজোৱা বজোৱা
দেৱতাৰ শঙ্খ ঘণ্টা বজোৱা সঘনে
(শঙ্খ-ঘণ্টা বাজে)
শ্ৰীকৃষ্ণ—ধন্য কৰ্ণ—ধন্য পদ্মা
থাকে মানে চন্দ্ৰ দিবাকৰ

তোমাসাৰ দানৰ সুখ্যাতি
চিৰকাল ৰব জগতত।
(মধুৰ সঙ্গীতৰ ধ্বনি)
(সঙ্গীত শেষ হোৱাৰ লগে লগে)
অৰ্জুন—সখি ! সখি ! সখি !
শ্ৰীকৃষ্ণ—অ' বীৰ ধনঞ্জয় ।
ইমান আতুৰ হৈ আহিছা কি হেতু ?
অৰ্জুন—সখি !
সূত পুত্ৰ ৰাধাৰ নন্দনে আজি
ঘটালে অপায় ।
সমৰ ক্ষেত্ৰত কৰ্ণৰ হাতত
ধৰ্মৰাজ হৈছে লাঞ্ছিত ।
তাৰ বাবে ম্ৰিয়মান জ্যেষ্ঠৰ বদন
ম্ৰিয়মান পাণ্ডৱ শিবিৰ ।
সখি ! তাৰেই কাৰণে
অতি কঠোৰ বাক্যৰে
তিৰস্কাৰ কৰে মোক দাদা ভীমসেনে
আৰু সখি—ধৰ্মৰাজে
নিন্দা কৰে মোৰ বাহুবল
নিন্দা কৰে পবিত্ৰ গাণ্ডীৱ ।
কিন্তু সখি——
যিজনে নিন্দিব মোৰ পবিত্ৰ গাণ্ডীৱ
প্ৰাণদণ্ড কৰিম বিধান
নতু—নিজ প্ৰাণ দিম বিসৰ্জন
সেয়ে মোৰ আছিল প্ৰতিজ্ঞা
সেই হেতু সখি
আজি মই হৈছো চঞ্চল ।
শ্ৰীকৃষ্ণ—সখি ধনঞ্জয়
তাৰ বাবে নহবা কাতৰ
জ্যেষ্ঠ বধ নিষেধ শাস্ত্ৰত
আত্মহত্যা মহাপাপ বীৰৰ কাৰণে ?
অৰ্জুন—তেন্তে সখি কি হব উপায় ?
শ্ৰীকৃষ্ণ—দিম মই উচিত উপায় ?
যোৱা তুমি নিজে গৈ জ্যেষ্ঠৰ আগত
কৰাগৈ প্ৰশংসা নিজৰ
আত্মহত্যা তুল্য হব আত্ম প্ৰমাণ সহি ।
কিন্তু বীৰ !
কৰ্ণৰ নিধন হেতু হোৱাগৈ প্ৰস্তুত ?
কালিলৈ সমৰ ক্ষেত্ৰত
শল্যক সাৰথি কৰি
কৰ্ণবীৰ নামিব ৰণত ।
অৰ্জুন—তাৰ বাবে নাই চিন্তা মোৰ
যি জনৰ ৰথৰ সাৰথি
নিজে প্ৰভু দেৱ নাৰায়ণ
যি জনে নকৰে ভয় মৃত্যুৰ কাৰণে।
অগতিৰ গতি তুমি
অনাথৰ নাথ
তুমি যদি দয়া কৰা সখি
আন একো নালাগে পাৰ্থক ।
কিন্তু নাৰায়ণ
কৰ্ণৰ হাতত
চাৰিভ্ৰাতা হৈছে লাঞ্ছিত
তাৰ বাবে শোকাছন্ন পাণ্ডৱ শিবিৰ
পাঞ্চালীও ম্লান তাৰ বাবে ।
কৰিছিলো কৌৰৱ সভাত
কৰ্ণবধ প্ৰতিজ্ঞা পাৰ্থই
কিন্তু সখি
অসম্পূৰ্ণ এতিয়াও ক্ষত্ৰিয়ৰ পণ ।
এতিয়াও নীচ কৰ্ণ জীৱিত ধৰাত ।
শ্ৰীকৃষ্ণ—নকৰিবা চিন্তা তাৰ বাবে
কালিলৈ কুৰুক্ষেত্ৰ ৰণ প্ৰাঙ্গণত
সন্মুখীন কৰোৱাম কৰ্ণৰ লগত
ন্যায় মতে কৰি ৰণ
যোগ্যতাৰ দিবা পৰিচয়
যোৱা এবে লোৱাগৈ বিশ্ৰাম
কালি প্ৰভাতত মহা সমাৰোহে
ৰণ যাত্ৰা কৰিম পুনৰ

অৰ্জ্জুন—মানি ললো তব উপদেশ
কিন্তু কালিলৈ সমৰ ক্ষেত্ৰত
কৰ্ণ বধ প্ৰতিজ্ঞা পাৰ্থৰ
নাৰায়ণ আহো এৰে মই। (প্ৰস্থান)
শ্ৰীকৃষ্ণ—হে ধনঞ্জয় !
কৰ্ণ বধ কৰিছা প্ৰতিজ্ঞা
যেতিয়া জানিবা নিজে
কৰ্ণৰ সত্য পৰিচয়
তেতিয়া—তেতিয়া জানো
পাৰিবা তুলিব নিজে গাণ্ডীৱ হাতত ।
নাহি সেই ভুল নকৰো কদাপি
ধৰ্ম সংস্থাপন হেতু ভাতৃৰ হাতেৰে
ভাতৃ বধ কৰাব লাগিব ।
তাৰ পিছে পাবা তুমি কৰ্ণৰ নিজ পৰিচয়।
কিন্তু কৱচ কুণ্ডল
এতিয়াও বিদ্যামান কৰ্ণৰ অঙ্গত
শীঘ্ৰে তাৰো কৰিম ব্যৱস্থা ।
(ৰণভেৰী বাজে। ৰণৰ সঙ্গীত আৰু কোলাহল। জয়যাত্ৰা কৰিছে ঘোষণা।)
কৰ্ণ—সেইয়া—সেইয়া
ৰণভেৰী বাজিছে সঘনে
মঙ্গল আৰতি গাই আয়তী সকলে
জয়যাত্ৰা কৰিছে ঘোষণা।
ৰণ—ৰণ—
ৰণতো নহয় প্ৰভু
ই যে হায় অদৃষ্টৰ ঘোৰ পৰিহাস
ভায়ে ভায়ে খিয়লা খিয়লি
ভাতৃ বধ জ্ঞাতি বধ কুটুম্ব বিনাশ
ই যে এক ধ্বংসযজ্ঞ হ'ল আৰম্ভণ
হে কৃষ্ণ দীন দয়াময়
কিয় এই অভিশাপ অধীনৰ প্ৰতি।
হীন কুলত্তৰ বুলি—
চিৰকাল খ্যাত জগতত
কিন্তু আজি তোমাৰ ইচ্ছাৰে
মহা ভাৰতৰ মহা সমৰত
কৌৰৱৰ সেনাপতি মই।
কিন্তু তুমি জানো কৃষ্ণ দয়াময়
পাণ্ডৱৰ পৰাজয় অভিলাস নহয় কৰ্ণৰ ।
তথাপি নিৰ্দয় ভাষাৰে
ভাতৃবধ হেতু আজি হৈছো প্ৰস্তুত ।
কিন্তু কোন মোৰ পাণ্ডৱ সকল
সিহঁতৰ পৰাজয় ভাবি
কিয় প্ৰাণ হৈছে কাতৰ।
ইচ্ছা হয় ৰণ এৰি কৰিব চেনেহ
ইচ্ছা হয় মৰমেৰে আকোৱালি লব।
পদ্মা—নহয় ! নহয়।
কৰ্ণ-কোন ? পদ্মা ?
আহা দেৱী আহা আগবাঢ়ি
বহুত সহিছা তুমি দুৰ্ভগীয়া কৰ্ণৰ কাৰণে
কোনে জানে আৰু কত ভুগিব লাগিব।
পদ্মা—নাথ। তেনে কথা নানিবা মুখত
মহা ভাগ্যৱতী মই
তোমাৰেই পদৰেণু সেৱি
আজি এই যাত্ৰাৰ কালত
তোমাৰেই মঙ্গলৰ বাবে
পূজা কৰি দেৱ মন্দিৰত
আনিছো যতনেই ময়ো
দেৱতাৰ আশীষ নিৰ্মালি ।
নিজ হাতে তব কপালত
আঁকি দিম জয়ৰ তিলক।
কৰ্ণ—দিয়া দেৱী
তোমাৰ পুণ্যাৰে কৰ্ণ
হক ধন্য আজি। (থাল পৰি যোৱাৰ শব্দ)
পদ্মা—ই কি ? ই কি ?
দেৱতাৰ আশীষ নিৰ্মালি
এনেদৰে অপবিত্ৰ হ'ল—
হায় ভগৱান—ই কি বাৰু পৰীক্ষা তোমাৰ ?
যাত্ৰাৰ কালত আজি

এনেদৰে অমঙ্গল কৰিলা সূচনা
কৰ্ণ—দেৱী ! নকৰিবা মিছাতে আক্ষেপ
জন্ম যাৰ ঘোৰ এন্ধাৰত
সেই হীন সূত পুত্ৰ কৰ্ণৰ কাৰণে
দেৱকুল নিশ্চয় বিমুখ
দেৱতাৰ আশীৰ্বাদ
নিৰ্বিচাৰে সূত পুত্ৰ কৰ্ণই তোমাৰ ।
লাগে মোক আশীৰ্বাদ অস্পৃশ্য কুলৰ ।
যি জনে হেৰালে পদ্মা
জন্মৰ দিনাই
মাতৃস্নেহ মন্দাকিনী ধাৰ ।
সেই কৰ্ণ—বিশ্বৰ সন্তান
সমাজৰ অভিশাপ নিঠুৰ পাষাণ ।
বাঃ ইন্দ্ৰ—জয়তু—জয়তু ৰাজন !
কৰ্ণ—হে ৰাজন !
তুষ্ট হলো কথাত তোমাৰ
দানবীৰ বুলি তুমি খ্যাত জগতত
সেই হেতু মহাৰাজ
বহু আশা কৰি
বহু পথ বাটকুৰি বাই
প্ৰৱেশিছো তোমাৰ দ্বাৰত
মনোবাঞ্ছা পূৰ্ণ কৰা মোৰ ।
কৰ্ণ—কোৱা দেৱ ! কি লাগে তোমাক !
তোমাৰ তুষ্টিৰ হেতু
দিব পাৰো জীৱন সৰ্বস্ব ?
বাঃ ইন্দ্ৰ—মহাৰাজ !
জানো মই মহাদানী তুমি
জগতে বখানে আজি
কৰ্ণৰ দান মাহাত্ম্য
সেই হেতু বহু আশা কৰি
আহিছো ৰাজন মই তোমাৰ কাষত
কোৱা বাক
পাৰিবানে পূৰাব মোৰ মনৰ কামনা ।
কৰ্ণ—কোৱা দেৱ
কিবা ভিক্ষা প্ৰাৰ্থী তুমি
অনৰ্থক কৰা পলম ।
(শঙ্খ-ঘণ্টা বাজে)
কৰ্ণ—সেইয়া সেইয়া দেৱ
শুভক্ষণ পালেহি ওচৰ
কোৱা দেৱ আজি এই যাত্ৰাৰ কালত
দান কৰি পুনৰায় জীৱনৰ মঙ্গল সূচাওঁ ।
এই মোৰ ৰাজ আভৰণ
ক্ষন্তেক আহিব পাৰো তোমাৰ কাৰণে
কোৱা দেৱ বিলম্বত কাৰ্য হানি হয় ।
পদ্মা—আহা দেৱ !
সবিনয়ে মাতিছে দাসীয়ে
তোমাৰ তুষ্টিৰ বাবে
সভক্তিৰে ধূপ-ধূনা জ্বালি
পদসেৱা কৰিম তোমাৰ
কৃপা কৰি মাগোঁ এটিবাৰ
আজি এই যাত্ৰাৰ কালত
কৰা দেৱ আশীৰ্বাদ স্বামীৰ শিৰত ।
বাঃ ইন্দ্ৰ—মহাৰাণী পদ্মা
তুষ্ট হলো তোমাৰ কাষত
সঁচাকৈয়ে ভাগ্যৱতী তুমি
কিন্তু দেৱী আজি মোৰ ভোগত অৰুচি
সেই পূজা আশা কৰি
অহা নাই দানবীৰ কৰ্ণ কাষত
সামান্য এপদ বস্তু
বিচাৰিছো আজি এই যাত্ৰাৰ কালত ।
কৰ্ণ—কোৱা দেৱ
কিনো বাৰু যেই দান বিচাৰিছা তুমি
বাঃ ইন্দ্ৰ—কৱচ কুণ্ডল ।
কৰ্ণ—কৱচ কুণ্ডল ? কৱচ কুণ্ডল ?
ই কি বাৰু ছলনা তোমাৰ ।
ব্ৰাহ্মণে বিচাৰে আজি
দান বুলি কৱচ কুণ্ডল
বুজিছো—বুজিছো দেৱ

অভিশপ্ত কৰ্ণৰ কাৰণে
আজি ধৰ্ম দূৰতে বিদূৰ ।
কৱচ কুণ্ডল
অহা নাই—আজি তুমি
সেই দান বিচাৰি প্ৰাণত
তোমাৰ বুকুত—অন্তৰৰ নিভৃত কোণত
কৰ্ণৰ মৃত্যু মাথো—বিচাৰিছা তুমি
কোৱা দেৱ নকৰি গুপুত
লাগে যদি কৰ্ণৰ পৰাণ
তাকো দান দিবলৈ প্ৰস্তুত ।
কিন্তু কিন্তু বাৰু কিয় দেৱ
সমাজৰ উচ্চ শিখৰত বহি
উচ্চকুল আৰ্যৰ সমাজে
বিশ্বৰ ঘৃণিত এই
অনাদৃত অস্পৃশ্য কৰ্ণক
এনেদৰে কৰে প্ৰতাৰণা ?

পদ্মা—নহয় নহয় দেৱ
কৱচ কুণ্ডল দান বিচৰা আগতে
শেষ কৰি দিয়া এই অভাগীৰ প্ৰাণ
হৃদয়ৰ কেঁচা তেজ ভক্তি অঞ্জলিৰে
দেৱতাৰ তোষিম পৰাণ
দিয়া দেৱ মুক্তি দিয়া মৰণেৰে
দাসীক তোমাৰ ।

বাঃ ইন্দ্ৰ—অ' বুজিছো সকলো
দুয়োজন হৈছা কাতৰ
নালাগে দিবলৈ দান
যাম মই নিজেই আঁতৰি ।

কৰ্ণ—ক্ষমা কৰা—ক্ষমা কৰা দেৱ
এনেদৰে অপৰাধী নকৰা দাসক
দান ধৰ্ম জীৱনৰ শ্ৰেষ্ঠ ধৰ্ম বুলি
আজীৱন পালিছে কৰ্ণই
কৰা নাই অতিথি জনক
কেতিয়াও কাচিতো বিমুখ
আজি এই জীৱনৰ শেষৰ সন্ধিয়া
জানি শুনি অতিথিক নকৰো বিমুখ ।
লোৱা—লোৱা দেৱ
এয়ে সেই কৱচ কুণ্ডল ।

বাঃ ইন্দ্ৰ—ধন্য ধন্য কৰ্ণ ।
ধৰ্মজয়ী হোৱা জগতত
প্ৰাণ ভৰি দিছো আশীৰ্বাদ
মহাদানী মহাৰথী ৰূপে
চিৰকাল দীপ্ত হোৱা এই জগতত
মহাৰাজ—ৰাণী পদ্মা
আহো এবে মই

কৰ্ণ—যোৱা দেৱ ।
ভক্তিভৰে যাচিছো বিদায়
পদ্মা --

পদ্মা—প্ৰিয়তম !

কৰ্ণ—নেকান্দিবা আজি এই যাত্ৰাৰ কালত
হাঁহিমুখে দিয়া মোক শেষৰ বিদায় ।
চোৱা ভাবি—আজি আমি কেনে ভাগ্যবান
এই নীচ কৰ্ণৰ প্ৰাণৰ কাৰণে
ষড়যন্ত্ৰ কৰে আজি আৰ্যৰ সমাজে
দেৱকুলে কৰে প্ৰতাৰণা ।
সঁচাকৈয়ে সঁচাকৈয়ে দেৱী
সৃষ্টিৰ আতঙ্ক মই
ক্ষত্ৰিয়ৰ ত্ৰাস
সেইবাবে দেৱকুল, ঋষিকুল
সকলোৱে আজি দেৱী কৰিছে চক্ৰান্ত ।
জানিছো ধ্ৰুৰূপ দেৱী
আজি মোৰ নাই পৰিত্ৰাণ ।
চোৱা, চোৱা সৌৱা—কলীয়া কৃষ্ণই
বেৰি ধৰে চতুৰ্দিকে মোক
হে হৃষীকেশ—হে দয়াময়
কিয় বাৰু এনেদৰে
অতি নীচ—অতি হীন কৰ্ণৰ কাৰণে
তুমি আজি হৈছা ব্যাকুল ।
ৰণ—ৰণতো নহয় প্ৰভু

ই যে মোৰ শেষৰ আহ্বান
এফালে পাণ্ডৱ আনফালে মিত্ৰ দুৰ্যোধন
দুয়োপক্ষ অতি আদৰৰ ।
পদ্মা—

পদ্মা—প্ৰিয়তম !

কৰ্ণ—কাষ চাপি আহা পদ্মা
কৈ যাওঁ যোৱাৰ আগতে
মোৰ এই জন্ম ইতিহাস ।
শুনা দেৱী—শুনা স্থিৰ হই
নীচ বুলি—হীন বুলি
আজি মোক ঘিণায় জগতে
কিন্তু দেৱী—নহো মই ৰাধাৰ নন্দন ।
জন্ম মোৰ জগত উজ্জ্বল কৰা
প্ৰচণ্ড প্ৰতাপী সেই সূৰ্যৰ ঔৰষে
আৰু শুনা প্ৰিয়া আৰু এক নজনা কাহিনী।
মাতৃ মোৰ জগত বৰেণ্যা কুন্তী পাণ্ডৱ জননী

পদ্মা—ই কি
মাতৃ কুন্তী—পিতৃ সূৰ্যদেৱ ?
ই যে এক গৌৰৱ কাহিনী ।

কৰ্ণ—পদ্মা !
মোৰেই দুৰ্ভাগ্য হেতু
গৌৰৱ কাহিনী হ'ল পাপ ইতিহাস ।
যি জনে হেৰায় পদ্মা মাতৃৰ মৰম ।
তাৰ সম নাই দুৰ্ভগীয়া ।
সেইবুলি প্ৰিয়তমে
অনুতাপ নকৰে কৰ্ণই
নীচ হৈয়ো—হীন হৈয়ো
নিজ এই বাহুৰ বলেৰে
জগতত হম প্ৰতিষ্ঠিত ।
মহা ভাৰতৰ এই মহা সমৰত
এফালে থাকিব আজি ক্ষত্ৰিয় গৌৰৱ
সেই বীৰ ধনঞ্জয়—
যি জনাৰ ৰথৰ সাৰথি
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু
নিজে কৃষ্ণ দীন দয়াময় ।
যি জনৰ প্ৰতিদ্বন্দ্বী ৰূপে
ই পক্ষত আজি
অতি হীন—অতি হেয়
সৃষ্টিৰ কলঙ্ক এই বিশ্বৰ অস্পৃশ্য

(শঙ্খ-ঘণ্টা বাজে)

সৌৱা ! সৌৱা পদ্মা
সপ্তপতি মাল্য মহাৰাজে
আনিছে সজাই ৰথ
মোৰ এই যাত্ৰাৰ কাৰণে
সৌৱা—সৌৱা তোৰণ দ্বাৰত
দুৰ্যোধন দুঃশাসন আৰু যত কৌৰৱ সকল
অপেক্ষিছে জয়মাল্য লই ।
যাওঁ মই—
দিয়া পদ্মা ৰঙেৰে বিদায় ।

পদ্মা—যোৱা নাথ—আনন্দৰে যাচিছো বিদায়

(ৰণবাদ্য বাজে—শঙ্খ-ঘণ্টা বাজে)

কৰ্ণ—পদ্মা—বিদায়—

পদ্মা—আৰ্যপুত্ৰ

কৰ্ণ—বিদায়—বিদায়—

(ৰণভেৰী বাজে)

কৃষ্ণ—ই কি কথা—সখি ধনঞ্জয় ?
ৰথ হন্তে নামিলা কি হেতু

অৰ্জুন—ক্ষমা কৰা সখি
কৰ্ণৰ ৰথ চক্ৰ গ্ৰাসিছে মেদিনী
বিচাৰিছে ক্ষন্তেক সময়
তুলি লব ৰথৰ চকৰি
সেয়ে সখি—
নামিলো ৰথৰ পৰা ।
সাজু হ'ক কৰ্ণ পুনু ৰণৰ কাৰণে ।

কৃষ্ণ—আচৰিত তোমাৰ বিধান ।
যি জনে ঘটালে এই

পাণ্ডৱৰ যত অমঙ্গল
দ্বিজনৰ প্ৰতি তুমি ইমান সদয় ?
সৰ্ব পূজ্য যুধিষ্ঠিৰে কালিৰ ৰণত
যি কৰ্ণৰ পৰা পালে ঘোৰ অপমান
সেই কৰ্ণৰ অনুৰোধ মতে
ললা তুমি ৰণত বিৰতি
সামান্য মানুহ মই---
নুবুজো একোকে আমি মাহাত্ম্য তোমাৰ।

অৰ্জুন---কিয় কোৱা তেনে কথা সখি
বিচাৰিছো ন্যায় যুদ্ধ কৰিব মাথোন।
ৰথহীন জনৰ লগত
কিমতে কৰিম ৰণ ৰথত আৰোহি।
নহবনে অন্যায় সমৰ।

কৃষ্ণ---সখি বীৰ তুমি
বীৰ নীতি বুজা ভালদৰে
কিন্তু মই সামান্য সাৰথি
ৰণনীতি নুবোজো একোকে।
জানো মাথো প্ৰতিহিংসা কৰিব পূৰণ।
সখি ধনঞ্জয়-----
নপৰে মনত জানো কৌৰৱ সভাত
কিদৰে লাঞ্চিতা হ'ল দ্ৰুপদ দুহিতা।
আৰু যিদিনা মাথোন
সপ্তৰথী লগ হৈ
বীৰ শিশু অভিমন্যু কুলৰ প্ৰদীপ
সংহাৰিলে কেনেদৰে অন্যায় ভাবেৰে।
সেয়ে নিবেদিছো সখি
ন্যায় ধৰ্ম---নুবুজে কৃষ্ণই।

অৰ্জুন---সঁচা কথা
সঁচা কথা আজি তুমি দিলা সোঁৱৰাই
কূট পাশা খেলি
কুৰুক্ষেত্ৰ সমৰৰ মেলিছে পাতনি
সেইবাবে---সেইবাবে সখি
ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ মহা সমৰত
ক্ষত্ৰিয় সমাজে আজি অধৰ্মকে যাচিছে প্ৰশ্ৰয়
ময়ো তাৰ নকৰো অন্যথা
ন্যায় ধৰ্ম পৰিহৰি
পুনৰ প্ৰবৃত্ত হ'ম অন্যায় যুঁজত।
বলা সখি---
চলোৱা তুৰন্তে ৰথ কৰ্ণ সমীপত।

কৃষ্ণ---বলা সখি--- (ৰথ চলাৰ শব্দ)
প্ৰস্তুত সদায় এই সাৰথি তোমাৰ।
(দূৰত ৰণভেৰী---লাহে লাহে কৰুণ সুৰ)

কৰ্ণ---উস্---ভাগৰি পৰিলো মই
নোৱাৰো তুলিব আৰু ৰথ চক্ৰ মোৰ
হায়---ইও এক ঋষি অভিশাপ
ফলিয়ালে জীৱন কালত
অভিশপ্ত কৰ্ণৰ শিৰত
শত শত ঋষি অভিশাপ
ফলিয়ালে সকলোটি---এটি এটি কই
স্পষ্টভাৱে পৰিছে মনত সেই ঋষি অভিশাপ
শেষ কাল আহিব যেতিয়া
ৰথ চক্ৰ গ্ৰাসিব মেদিনী।

অৰ্জুন---(নেপথ্যত) মহাবীৰ কৰ্ণ
সাজু হোৱা ৰণৰ কাৰণে
আৰু মোৰ নসহে পলম
আৰহিলো ৰথ পুন
তুলি ললো গাণ্ডীৱ হাতত।

কৰ্ণ---বীৰ ধনঞ্জয়
বীৰ তুমি---বীৰৰ সন্তান
বীৰ নীতি পাহৰি নাযাবা।
তুমি আছা ৰথত আৰোহি
আছো মই ভূমিত বাগৰি
ন্যায় যুদ্ধ হব জানো ইটো।

অৰ্জুন---ন্যায় যুদ্ধ ?
আজি কিয় বিচাৰিছা ন্যায় যুদ্ধ তুমি
সপ্তৰথী লগ হৈ
অভিমন্যু শিশুক যেতিয়া
ঘাটিকৰ দৰে অন্যায় ভাবেৰে কৰ্ণ

কৰিলা নিপাত
সেইদিনা ক'ত বাৰু
এই ধৰ্ম আছিল লুকাই ।
কৰ্ণ---বুজিছো সকলো
আজি মোৰ শেষৰ পৰীক্ষা
হে কৃষ্ণ পতিত পাৱণ
সন্মুখত থাকি তুমি
কিনো দৰে পাপ কাৰ্য কৰা সমৰ্থন ।
যুগে যুগে দয়াৰ সাগৰ বুলি
তুমি কৃষ্ণ খ্যাত জগতত
আজি কিন্তু কৰ্ণৰ বেলিকা
কিয় তাৰ দেখো অন্যৰূপ
দয়াময় !
তুমি জানা কৰ্ণৰ হৃদয়
কৃপা কৰা কৰুণা সাগৰ
সকাতৰে কৰিছো কাকুতি
বন্ধ কৰা অন্যায় সমৰ
অ'----নিমাত তুমিও
নিৰলে কৰিছা তুমি তাকে সমৰ্থন
তেনেহলে আৰু কিয় ?
আৰু কিয় মিছা অভিনয়
ৰথচক্ৰ গ্ৰাসিছে মেদিনী
নিবিচাৰো আৰু তাক তুলিব পুনৰ ।
ভূমিৰ পৰাই আজি কৰিম সমৰ ।
শুনা পাৰ্থ -
ৰণৰ নামত কৰ্ণ নহয় কাতৰ ।
সাজু হোৱা ৰণৰ কাৰণে ।
তুলি ললো এই ধনুশৰ । (ৰণৰ সঙ্গীত)
ই কি ? ই কি ?
ভ্ৰম কিয় শৰ নিক্ষেপত
নেপাওঁ বিচাৰি কিয় সময়ৰ শৰ ।
পৰিছে মনত ইও এক ঋষি অভিশাপ ।
হে কৃষ্ণ দয়াময় !
সমুখত তুমি বিদ্যামান

সৃষ্টি স্থিতি পলয়ৰ হেতু
তুমি নিজে দেৱ নাৰায়ণ
তুমি জানা--তুমি জানা
কৰ্ণৰ অন্তৰ ।
বীৰ ধনঞ্জয় ভাগ্যৱান অতি তুমি
তোমাৰ হাতত মৃত্যু কামনা কৰ্ণৰ ।
দিয়া মোক মৃত্যুদণ্ড
বিসজিলো ধনুশৰ মোৰ ।
(ধনুশৰ দলিয়াই দিয়াৰ শব্দ)
আহা বীৰ ধনঞ্জয়
ধন্যবাদ জনাওঁ তোমাক
তাপিত কৰ্ণক আজি
চিৰ শান্তি দিলা উপহাৰ ।
আহা –আহা কায় চাপি
চাই লওঁ শেষ বাৰলৈ
যোৱাৰ আগতে এৰি এই মায়াৰ পৃথিবী
প্ৰাণভৰি লওঁ আঁকোৱালি
আহা ! কি যে শান্তি এই পৰশত
কৃষ্ণ দয়াময় !
শত ধন্য হ'ল আজি কৰ্ণৰ জনম ।
যদিও জগতে মোক
হীন বুলি হেয় বুলি ঘৃণায় সততে
জানো তুমি দয়াময়
অতিকে চেনেহ কৰা এই অধমক ।
তাৰেই কাৰণে আজি
মুক্তি দিলা অধম কৰ্ণক ।
জনমে জনমে যেন
তোমাৰ সেৱক হৈ জনমো ধৰাত ।
দিয়া প্ৰভু—আজি এই বিদায় ক্ষণত
পদৰেণু শ্ৰীচৰণৰ
জনমে জনমে যেন
নীচ হৈ হীন হৈ
বিশ্বৰ অস্পৃশ্য হৈ
তোমাৰ চেনেহ পাই হওঁ যুগমীয়া ।

কৃষ্ণ—মহাৰথী কৰ্ণ
নকৰিবা অনুতাপ তুমি
নোহোৱা সামান্য তুমি
বীৰ শ্ৰেষ্ঠ বুলি
থাকে মানে চন্দ্ৰ দিবাকৰ
উজলিব তোমাৰ কাহিনী ।
তদুপৰি শুনা বীৰ
দাতা কৰ্ণ ৰূপে
চিৰকাল জগতে তোমাৰ
মুক্তস্বৰে গাব জয়গান ।
তদুপৰি শুনা কৰ্ণ
দলিত পতিত আৰু জগতৰ অস্পৃশ্য সমাজে
তোমাৰ আদৰ্শ সুঁৱৰি
পাব কৰ্ণ প্ৰাণত উৎসাহ
যোৱা বীৰ আজি এই বিদায় কালত
জনালো তোমাক মোৰ শ্ৰদ্ধা নিৰেদন ।

কৰ্ণ- -ধন্য—ধন্য মোৰ মানবী জীৱন
নহো মই বিশ্বৰ ঘৃণিত
নাৰায়ণ তুষ্ট হৈ
কৰিছে যেতিয়া নিজে পূত আশীৰ্বাদ
আজি এই অন্তিমৰ যাত্ৰাৰ কালত
তাতোকৈ আৰু বেছি নালাগে সৌভাগ্য ।
ধন্য—ধন্য আজি মই
প্ৰাণসম বৃষকেতু মোৰ
সমৰ্পিলো আজি প্ৰভু তোমাৰ হাতত ।
ধনঞ্জয়—বীৰ ধনঞ্জয়
কান্ধ চাপি আহা এটিবাৰ
বৰ ইচ্ছা আছিল প্ৰাণত
যুধিষ্ঠিৰৰ বৃকোদৰ আৰু দুই মাদ্ৰীৰ তনয়
সকলোকে একেলগে
প্ৰাণ ভৰি আঁকোৱালি লব ।
সেই আশা মনতেই মাৰ গ'ল মোৰ ।
পাইছো তোমাক মাথো আজি ওচৰত
কান্ধ চাপি আহা বীৰ
যোৱাৰ আগতে প্ৰাণ ভৰি লওঁ আঁকোৱালি
আহা—শান্তি শান্তি

কৃষ্ণ---সখি ধনঞ্জয়
মহাভাৰতৰ আজি এক শোকৰ অধ্যায়
শুনা আজি কওঁ এক নতুন কাহিনী
চিনিলানে কোন এই কৰ্ণ মহাবীৰ
নীচ বুলি হীন বুলি
ঘৃণায় জগতে যাক---
সেই কৰ্ণ নহয় ঘৃণিত
শুনা ধনঞ্জয়
জ্যেষ্ঠ তেওঁ শ্ৰেষ্ঠ পাণ্ডৱৰ
তেওঁ নিজে কুন্তীৰ তনয় ।

অৰ্জুন---কুন্তীৰ তনয়
ই কি সখি ?
এই পাপে কিয়নো সজালা ?
দাদা কৰ্ণ
ক্ষমা কৰা ভাতৃক তোমাৰ ।

কৃষ্ণ---বীৰ ধনঞ্জয় !
নহবা কাতৰ তুমি
মুক্তি পালে শান্তি পালে
কৰ্ণ মহাবীৰে
নতশিৰে কৰা মাথো
শ্ৰদ্ধা নিবেদন ।

(শঙ্খ-ঘণ্টা বাজে----কৰুণ সুৰ বাজি থাকে।)

এনিশাৰ অতিথি

হেম বৰুৱা

এখনি একাঙ্কিকা লিখিবলৈ আপুনি সদায় আমনি কৰি আছিল। সেয়ে—আপোনাৰ হাতত মোৰ এই প্ৰথম একাঙ্কিকা 'এনিশাৰ অতিথি' অৰ্পণ কৰিলো। ইতি

লক্ষ্য চৌধুৰী
১৯৫৫

চৰিত্ৰ

বৰা (D.S.P)
বৰদলৈ (I.G.P)
ভাগিজ (S.P)
দত্ত (O.C)

ৰহমান খাউণ্ড	} দাৰোগা

কেইজনমান পুলিচ
মৃদুল কাকতি
আৰতি
বৰানী

এনিশাৰ অতিথি

১ম অঙ্ক

১ম দৃশ্য

অভিনয় আৰম্ভ এন্ধাৰৰ মাজতে। পোনতে সঙ্গীত। জাহাজ-ঘাটৰ আনুষঙ্গিক ধ্বনি। জাহাজৰ উকি, অলপ চৌৰ শব্দ, মটৰ গাড়ীৰ শব্দ—সঙ্গীত দ্রুত গতিত কমিব ধৰে—সেই শব্দ সমূহৰ মাজতে পুলিচৰ হুইচেলৰ শব্দ, মটৰ গাড়ীৰ শব্দ—চিপাহী চন্তৰী-হঁতৰ লৰা-চপৰাৰ শব্দ –

হঠাৎ মঞ্চ সম্পূৰ্ণ স্তব্ধ হয়। দুৱাৰত টক্ টক কৰা শব্দ শুনা যায়। শেষত ঘনাই টক টক্ কৰা শব্দ শুনা যায়। এন্ধাৰৰ মাজতে আহি আৰতিয়ে বিজুলী বাতিৰ চুইছ টিপে। মঞ্চ পোহৰ হয়। দেখা যায় এটি সুসজ্জিত ড্রইংৰূম বেৰত এখন ৰজা-ৰাণীৰ ছবি—

আৰতি—কোন ?

মৃদুল—দূৰণিবটীয়া মানুহ -দুৱাৰ খোলকচোন ?

(আৰতিয়ে দুৱাৰ খোলে। মৃদুলে প্ৰায় লৰিয়েই ভিতৰ সোমায় –আৰু নিজেই দুৱাৰৰ খিলি লগাই দি থিয় হয়।)

আৰতি -(আচৰিত হৈ) আপুনি!

মৃদুল ওঁ (চাৰিওফালে চকু ফুৰাই চায় বেৰত আৰি থোৱা ৰজা-ৰাণীৰ ছবিখন চকুত পৰে)

আৰতি—আপুনি কাক বিচাৰিছে?

মৃদুল -আপোনাক।

আৰতি—মোক?

মৃদুল—কিয় আচৰিত হ'ল যে?

আৰতি—আপোনাকতো মই চিনি পোৱা নাই।

মৃদুল—তাতে কি? চিনি পালেতো আপুনি এইদৰে প্ৰশ্নই নকৰে।

আৰতি - নহয়, আপুনি অনুগ্ৰহ কৰি ওলাই যাওক।

মৃদুল -এইকেৰা অনুগ্ৰহ মই ঠিক এতিয়াই কৰিব নোৱাৰিম। তাৰ বাবে মই ক্ষমা বিচাৰিছো। সময় হলে আপোনাৰ অনুৰোধ মই নিশ্চয় ৰক্ষা কৰিম।

আৰতি -তেন্তে আপুনি নেযায়?

মৃদুল—ঠিক নাযাওঁ নহয়, এতিয়াই যাব নোৱাৰিম।

আৰতি -কিয়?

মৃদুল -ৰবচোন মোক অলপ সুস্থিৰ হৈ লব দিয়ক। যাম নহয় –মইতো ইয়াত থাকিবলৈ অহা নাই। এইটোতো মোৰ ঘৰ নহয়। অৱশ্যে এই ঘৰ আপোনাৰো নহয়। আপুনিও আলহী—মযো আলহী। আপুনি অৱশ্যে জন্মৰ পৰাই ইয়াত আলহী স্বৰূপে আছে– মই এনিশাৰ কাৰণে।

আৰতি আপুনি এইবোৰ অবান্তৰ কি বৰ্ণাকছে? এইটো মোৰ ঘৰ নহয় –কাৰ ঘৰ?

মৃদুল -কাৰ ঘৰ অৱশ্যে মই নেজানো। কিন্তু এইটো আপোনাৰ ঘৰ নহয়। আপোনাৰ ঘৰেই নাই মোৰ তেও ঘৰ বুলিবলৈ এটা পঁজা হলেও আছে। হয়তো ভৱিষ্যতে আপোনাৰো এখন ঘৰ হব আহল-বহল চৌহদ, দুমহলীয়া, তিনি মহলীয়া বা ধৰক ঘৰ নহয় যেনিবা এটা ৰাজপ্ৰাসাদ।

আৰতি এইখন মোৰ ঘৰ নহয় বুলি আপোনাক কোনে কলে?

মৃদুল—কোনে কব—মই কৈছো। আৰু মই জানো বুলিহে কৈছো।

আৰতি -কি? আপুনি জানে?

মৃদুল জানোতো। বাৰু কওকচোন আপুনি এই ঘৰৰ মালিকৰ ছোৱালী হয় নে নহয়?

আৰতি—হয় ।

মৃদুল—তেন্তে আপুনি এই ঘৰৰ আলহীৰ বাহিৰে একো নহয় ।

আৰতি—আলহী ?

মৃদুল—ওঁ—এই ঘৰৰ মালিক হৈছে আপোনাৰ পিতৃ-মাতৃ, ভাই ককাই আৰু নবৌ বা আছে যদি ভাই বোৱাৰী এইসকলহে ।

আৰতি—কিয় হব ? ময়ো এই ঘৰৰ মালিক ।

মৃদুল—আপুনি আন এখন ঘৰৰহে মালিকনী হবগৈ পাৰে । তাকো যদি ভাগ্যত বিয়া-বাৰু আছে ।

আৰতি—আপুনি বহুদূৰ গৈছেদেই মই আপোনাৰ এই বলিয়ালি আৰু সহ্য নকৰিম । ভালে ভালে ইয়াৰ পৰা ওলাই যাওক ।

মৃদুল—মই আপোনাক আগেয়েই কৈছো—মই এতিয়াই এইঘৰ এৰি যাব নোৱাৰো ।

আৰতি—তেতিয়া হলে মই মানুহ মাতি, আপোনাক জোৰ কৰি ঘৰৰ পৰা উলিয়াই দিম ।

মৃদুল—মানুহ মাতিব ?

আৰতি—অ' মাতিমতো ।

মৃদুল—মানুহ মাতে মাতক—লাগিলে ব্ৰহ্মা বিষ্ণু মহেশ্বৰকো মাতক—কিন্তু পুলিচ নামাতিব।

আৰতি—কিন্তু এইখন যে পুলিচৰেই ঘৰ । ইয়াত পুলিচেই থাকে ।

মৃদুল—আপুনিও পুলিচ নেকি ?

আৰতি—মই কিয় পুলিচ হ'ম । মোৰ দেউতা পুলিচ । তেওঁ সামান্য পুলিচো নহয়—পুলিচ চাহাব ডি, এচ, পি ।

মৃদুল—তেখেতৰ নাম ।

আৰতি—যোগেন্দ্ৰ নাথ বৰা ।

মৃদুল—(চক খাই উঠাৰ দৰে হয়) ওঁ—ঠিক আছে। মই বাৰু আপোনাৰ অনুৰোধ ৰক্ষা কৰিম। মই এতিয়াই ওলাই যাম ।

আৰতি—এতিয়া নেযাওঁ—এতিয়াই ওলাই যাম। এইবোৰ কি কথা । আপুনি যাব নোৱাৰে।

মৃদুল—কিন্তু মই আৰু এতিয়া ইয়াত এখন্তেকো থাকিব নোৱাৰো । মই যাবই লাগিব ।

আৰতি—মই কৈছো—আপুনি যাব নোৱাৰে।

মৃদুল—কিন্তু মইয়ে যাবই লাগিব । পুলিচৰ ঘৰত থকাটো মোৰ দৰে লোকৰ শোভা নাপায় ।

আৰতি—পুলিচ ইমান ঘৃণাৰ পাত্ৰনে ?

(টেলিফোন বাজে)

(ফোন ধৰি) হেল্ল', অ' দেউতা নেকি ? অ' মই মামণিয়ে কৈছো । ও—ও—কি ? মৃদুল কাকতি ধৰা পৰিছে ? কি ক'লে—পলাল । ও—ও বাৰু ঠিক আছে । মই সকলো ready কৰি থম । ৮ বজাত O. K. (ফোন থয়)

মৃদুল—কাৰ ফোন ?

আৰতি—দেউতাৰ ।

মৃদুল—কোন ধৰা পৰিল ?

আৰতি—মৃদুল কাকতি ।

মৃদুল—কি দোষত ধৰা পৰিল ?

আৰতি—কিয় আপুনি মৃদুল কাকতিক নাজানে ?

মৃদুল—নাজানো । তেওঁ কি কৰে ?

আৰতি—মৃদুল কাকতি ভাৰত-ত্যাগ আন্দোলনৰ এজন হোতা । সমগ্ৰ অসমে তেওঁৰ নাম জানে । আপুনি দেখিছো----

মৃদুল—কিয় ? মৃদুল কাকতিক নিচিনিলে মহা-ভাৰত অশুদ্ধ হয় নেকি ?

আৰতি—বাতৰি কাকতৰ পাতে পাতে মৃদুল কাকতিৰ নাম । চৰকাৰে তেওঁক ধৰিবলৈ কিমান যত্ন কৰিছে । তেওঁক ধৰি দিলে—পাঁচ হেজাৰ টকা পুৰস্কাৰ দিব বুলি চৰকাৰে ঘোষণা কৰিছে ।

মৃদুল—আপুনি ধৰিবলৈ যত্ন কৰিছেনে নাই ?

আৰতি—কিয় কৰিম ? মই তেওঁক শ্ৰদ্ধা কৰো । তেওঁৰ সাহসৰ কথা শুনি সকলো দেশ-

বাসীৰে গা শিঁয়ৰি উঠে। তেওঁ কি কৰিব জানে ?

মৃদুল—কি ?

আৰতি—উত্তৰ পাৰত তালাচী চলাই তেওঁক ধৰি আনিছিল। জাহাজেৰে পাৰ কৰি পুলিচৰ গাড়ীত উঠাব খোজোতেই—তেওঁ পলাল।

মৃদুল—পুলিচ চাহাবে কি ঘাঁহ কাটিছিল ? ধৰা আচামী হাতৰ পৰাযে পলায় ?

আৰতি—সেইটোৱেই মৃদুল কাকতিৰ বিশেষত্ব। এনেকৈ তেওঁ তিনি-চাৰিবাৰ পুলিচৰ চকুত ধূলি দি পলাই সাৰিছে।

মৃদুল—এক নম্বৰ পলৰীয়া। মই দেখিছো তেওঁ এজন বিপ্লৱী নহয়—এজন coward, কাপুৰুষ।

আৰতি—ছিঃ ছিঃ তেনেকৈ নকব। তেওঁৰ দেশ-প্ৰেম আৰু ত্যাগৰ কাৰণে বৃটিছ চৰকাৰেও তেওঁক সন্মানৰ চকুৰে চায়।

মৃদুল—চাব নোৱাৰিছে।

আৰতি—এতিয়া আঠ বজাৰ লগে লগে দেউতা আহিব। মোক তেওঁৰ meal তৈয়াৰ কৰি ৰাখিব কৈছে। বৰ, মই বুদুৰামক কৈ আহো।

মৃদুল—যাওক। ময়ো তেন্তে এতিয়া বিদায় লওঁ।

আৰতি—ক'লৈ ?

মৃদুল—ক'লৈ, আপোনাক কিয় লাগে। য'লৈকে ভৰিয়ে নিয়ে ত'লৈকে যাম।

আৰতি—কিন্তু আপোনাৰ পৰিচয় ?

মৃদুল—পৰিচয় লৈ কি হ'ব? আপুনি দেখোন মোক বাৰে বাৰে ওলাই যাবলৈ হুকুম দি আছে। এতিয়া যাব বিচাৰোতে পৰিচয় বিচাৰিছে। যদি মোৰ পৰিচয় পাই আপুনি চক খাই উঠে—কি হ'ব ?

আৰতি—আপোনাৰ কথাবোৰ শুনি মোৰ বৰ ভাল লাগিছে। আপুনি বৰ ৰসিকতা কৰিব জানে। বাৰু আপোনাৰ পৰিচয় দিয়ক।

মৃদুল—ময়ে সেই মৃদুল কাকতি।

আৰতি—মৃ-দু-ল কা-ক-তি (আচৰিত হৈ চাই থাকে)

মৃদুল—এখন জাল ফ্ৰালি আহি আন এখন জালত পৰিছোহি। ডি, এছ, পি বৰাৰ হাতৰ পৰা পলাই এতিয়া তেওঁৰ জীয়েকৰ হাতত পৰিছোহি। মোক পুলিচৰ হাতত গটাই দি পাঁচ হেজাৰ টকা পুৰস্কাৰ লওক।

(ভিতৰৰ পৰা বৰানীয়ে মাতে)

বৰানী (ভিতৰত) কাৰ লগত কথা পাতিছ অ' মামণি ?

আৰতি— মা, প্ৰণৱ দা আহিছে। (মৃদুলৰ কাষলৈ গৈ) আপুনি এতিয়া প্ৰণৱ চলিহা। মই মা-মণি। আপুনিৰ ঠাইত সম্বোধন কিন্তু দুয়োৰে—'তুমি' দেই। আহক আমাৰ এই আলহী কোঠাত সোমাওক।

(কাষৰ কোঠালি এটাত সুমুৱাই দিয়ে)

(আনফালৰ পৰা বৰানী সোমাই আহে।)

বৰানী -ক'তা। প্ৰণৱ বোপা আহিছে বুলিছিলি নহয় ? ক'লৈ গ'ল ?

আৰতি—গেল্টি ৰুমত। আজি বোলে চাৰি নিশা শোৱাই নাই। বোম্বাইৰ পৰা ৰেলত আহিছে। মিলিটেৰীৰে ভৰা। গোটেই বাট থিয় হৈয়ে আহিছে হেনো। এতিয়া বোলে দুঘন্টা শুই লৈহে তোমাক দেখা কৰিব।

বৰানী—হয়নে ? এই মিলিটেৰীবোৰেই দেখিছো আমাৰ সকলো শেষ কৰিলে। নিমখখিনিও নোপোৱা হ'লো। কিযে যুঁজখন লাগিল ?

আৰতি—মা! দেউতাক বোলে আঠ বজাত খাবলৈ দিব লাগিব। মৃদুল কাকতিক হেনো ধৰিছিল। ফ্ৰেৰীঘাটৰ পৰা পলাল। আহিয়েই হেনো আকৌ ৰাতিটোৰ কাৰণে ওলাই যাব।

বৰানী—বন্ধা-বঢ়া হৈছে জানো ?

(জীপগাড়ী অহাৰ শব্দ)

আৰতি সেইয়া দেউতা বোধ কৰো আহিলেই।

(দুৱাৰ খুলি দিয়ে—জীপৰ পোহৰ ভিতৰলৈকে সোমায়—আকৌ নুমাই যায়।)

(ৰবা বেগেৰে সোমাই আহে। জেকেট চকীত থয়। লাইটাৰ মেজত আৰু পিস্তলটোও খহাই একেলগে থয়। এইবোৰ কৰাৰ লগে লগে ৰবাই কৈ যায়)

ৰবা—বিপদৰ উপৰি বিপদ। বুজিছা—এতিয়াই আকৌ যাব লাগিব। বৰা—কি আছে দিয়াহি। কালান্তক আচামীৰ লগত পৰিলো। ইমানবোৰ চিপাহী চন্তৰীৰ চকুত ধূলি মাৰি থিতাতে নাইকিয়া হ'ল। ভাবিছিলো এইবাৰ প্ৰমোচন পামেই—কিন্তু এতিয়া দেখিছো চাকৰি ৰখাই টান হব।

(ৰবাই প্ৰায় কথা কৈ কৈয়েই ভিতৰ সোমায়, ৰবানী আৰু আৰতিও পিছে পিছে যায়।)

(অলপ সময় মঞ্চ খালী থাকিব। হাতত সাৰে ভৰিত সাবে মৃদুল কোঠাৰ পৰা ওলাই আহে আৰু ভিতৰৰ ফালে ঘূৰি চায়। আনফালে ঘূৰি আহি মেজত থকা 'পিস্টল'টোত চকু পৰে। পিস্টলটো তুলি লয়। আকৌ ভিতৰৰ ফালে আগবাঢ়ে। ইফালে সিফালে চাই ৰবা উঠি অহা যেন দেখি উভাত আহে। পিস্টলটো যেন কিবা ভাবি আকৌ আগৰ ঠাইত থৈ দিয়ে আৰু আকৌ সেই আগৰ কোঠাত সোমায়।)

(ৰবা আগে আগে—ৰবানী আৰু আৰতি পিছে পিছে আহে—ৰবাই হাত দুই টাৱেলেৰে হাত মচি মচি সোমাই আহে।)

ৰবা—মই হয়তো ৰাতি আৰু নুভটিম। যেনে-তেনে বিচাৰি উলিয়াবই লাগিব।

(আগতে এৰিযোৱা সাজ-পাৰ এপদ এপদকৈ পিন্ধে। এনেতে ৰহমান আৰু খাউণ্ড (দুয়ো দাৰোগা) আহে। আহিয়েই চেলাম দি থিয় হয়)

ৰবা—অ' খাউণ্ড আৰু ৰহমান। কিবা clue বিচাৰি পালানে?

ৰহমান—ছাৰ! মোৰ অনুমান আচামী শুক্লেশ্বৰ অঞ্চলতে কাৰবাৰ ঘৰত লুকাইছে। নৰ্থ বুক গেটৰ ওচৰতে আচামীৰ চেণ্ডেল এপাত পোৱা হৈছে।

ৰবা—এপাত চেণ্ডেল? ইপাট চেণ্ডেল ক'লৈ গ'ল? আৰু সেইপাট মৃদুল কাকতিৰ চেণ্ডেল বুলি কেনেকৈ জানিলে।

ৰহমান—ছাৰ! ফেৰীত আহোতে মই লক্ষ্য কৰিছিলো। কাবুলী চেণ্ডেল। এপাটৰ পিছ ফালৰ ফিটাডালত তাপলি মৰা আছিল। সেইপাট চেণ্ডেল পাইছো।

ৰবা—কিন্তু এপাট চেণ্ডেল এনেদৰে পেলাই যোৱাৰ কাৰণ কি?

ৰহমান—আমাক mislead কৰিবলৈ কৰিছে ছাৰ।

ৰবা—নহয়। হয়তো চেণ্ডেলেৰে লৰি পলাবলৈ অসুবিধা পাই এনেদৰে পেলাই দিছে। কিন্তু এইটো ঠিক চেণ্ডেলপাট পোৱাত এইটো ধৰি লব পাৰিছো আচামী পূবলৈ বুলি পলাইছে। বৰ চাহাবে সন্দেহ কৰাৰ দৰে ফাঁচিবজাৰৰ ফালে যোৱা নাই।

ৰহমান, ছাৰ। কাছাৰীঘাটৰ পৰা উজান বজাৰৰ পকীঘাটলৈ থকা ঠাইডোখৰ মোৰ চাৰ্জত পৰিছে। মই সকলো সম্ভৱপৰ ঠাইতে পুলিচ চন্তৰী মজুত কৰি ৰাখিছো। সেই ঠাইডোখৰ নদীৰ পাৰে পাৰে দুবাৰ-তিনিবাৰ পাত পাতকৈ বিচাৰিলো। কিন্তু একো পোৱা নগ'ল।

কাছাৰীঘাটত দুখন নাও বন্ধা আছে। নাৱৰীয়া দুজনক পাইছো। এজনৰ নাম কুমুদ, আনজনৰ নাম দয়াৰাম। সিহঁতক জেৰা কৰি চালো। সিহঁত M.E.S. ত কাম কৰা লোকক পাৰ কৰি নিবৰ কাৰণে আহিছে। সিহঁতৰ ওপৰতো আমি কাঢ়া

নজৰ ৰাখিছো। পাৰ হোৱা লোকসকলৰ নাম-ধাম ৰখাৰ উপৰিও—আমি নিজে এবাৰ চেক কৰিবলৈ স্থিৰ কৰিছো।

বৰা—ঠিক আছে! খাউণ্ড আপুনি কিবা সন্দেহ উলিয়াব পাৰিলেনে?

খাউণ্ড—ছাৰ! মোক উজান বজাৰৰ পকীঘাটৰ পৰা পানীকল পাহাৰলৈ এৰিয়া বান্ধি দিছিল। আমি ঘটনাৰ প্ৰায় ১৫ মিনিট পিছতেই সেইখিনি পাইছিলো। এখন নাও উজাই যোৱা দেখিলো। সৰু নাও। নাওখন আগুৰিবলৈ আমাৰ কোনো উপায় নাছিল। অলপ গৈয়ে সি পাৰি দিলে। কনিষ্টবল এজনৰ হাতত থকা এটা টৰ্চেৰে নাওখনলৈ পোহৰ মাৰি চাইছিলো। নাওখনত এজন মাথোন মানুহ থকা যেন অনুমান হ'ল। চিঞৰিলো—সি শুনিলে নে নাই নুবুজিলো। নাওখন আগৰ পৰাই তাত মজুত নাথাকিলে এই সময়ৰ ভিতৰতে নাও বিচাৰি উলিয়াই নাৰত খেৱা দিয়া সম্ভৱ নহয় ছাৰ!

বৰা—কিন্তু উত্তৰ পাৰৰ পৰা আচামীক ধৰি অনাৰ পিছত হয়তো তেওঁৰ সহকৰ্মীসকলে নাও আনি ঘাটত মজুত কৰি ৰাখিছিল।

খাউণ্ড—সেইটো হব পাৰে ছাৰ।

বৰা—কিন্তু আপুনি নাৱত এজন মানুহ থকা বুলি কয়।

খাউণ্ড—সেইটো আমাৰ অনুমানহে ছাৰ। এন্ধাৰত ঠিক ধৰিব নোৱাৰিলো। আৰু এটা কথা ছাৰ।

বৰা—কি?

খাউণ্ড—পানীকল পাহাৰলৈ উঠা কেকুৰিটোৰ কাষ পাওঁতে হুৰমুৰকৈ কিবা এটা পানীত পৰা শব্দ শুনিলো। লৰি গৈ টৰ্চ মাৰি চাই দেখো বুৰবুৰণি উঠি আছে। এইটোও হব পাৰে ছাৰ—আচামীয়ে বামেদি পলাই সাৰিবৰ আশা এৰি নদীত জাঁপ দিলে। কিন্তু সাঁতুৰিব নোৱাৰি থিতাতে তল গ'ল।

বৰা—ভুল কৰিছা খাউণ্ড। এইবোৰ মানুহে সকলো কাম ভাবি চিন্তি কৰে। চাওক আমি চৰকাৰী চাকৰি কৰিছো। মাহিলী দৰমহা পাইছো—তথাপি আমাৰ কামত কিমান গাফিলি। কিন্তু এওঁলোকে—সকলো সুখ-স্বাচ্ছন্দ্য এৰি, কোনো মুনাফা নিবিচাৰি দেশ উদ্ধাৰৰ কাৰণে যুঁজিছে। এওঁলোকৰ মন আৰু শৰীৰ অন্য ধাতুৰে গঢ়া।

বাৰু সেইবোৰ যাওক—আমাৰ অ' চি, দত্তই কি কৰিছে?

খাউণ্ড—তেওঁ শুক্লেশ্বৰকে ধৰি চিভিল হস্পিতাল আগুৰি ইফালে কাছাৰী ঘাটলৈকে—এই বিৰাট অঞ্চলটো কৰ্ডন কৰি ৰাখিছে। ৰাতি ১০ বজাৰ লগে লগে সেই অঞ্চলৰ ঘৰবোৰত খানাতালাচী কৰিব।

বৰা—ঠিক আছে। আপোনালোক নিজ নিজ ঠাইলৈ যাওক। মোৰ কিন্তু খাউণ্ডে কোৱা সেই নাওখনৰ ওপৰত সন্দেহ হৈছে। আৱশ্যক হলে মটৰ লাঞ্চেৰে ব্ৰহ্মপুত্ৰ চলাথ কৰিব লাগিব।

ৰহমান—কিন্তু ছাৰ খাউণ্ডৰ মতে নাওখনত মানুহ এজনেই আছে। কাকতিয়ে অকলে নাও চলাই যোৱা কথাটো মনে নধৰে। বাঢ়নী পানী নহলেও ছাৰ—ই ব্ৰহ্মপুত্ৰ—যেয়ে সেয়ে নাও চলাই পাৰ হব নোৱাৰে।

বৰা—কি কৈছে ৰহমান! এইবোৰ সহজ মানুহ নহয়। তাহানি যে ৰাম সিংহই কৈছিল—"এজন মানুহেই নাও চলাবও জানে—ঘোঁৰাত উঠিবও জানে—হিলৈ মাৰিবও জানে" এইবোৰ সেই জাতৰ মানুহ। এইবোৰ লোকৰ মূৰত খুন চাপে বুজিছা। দেশ উদ্ধাৰৰ বাহিৰে তেওঁলোকে আন একো কথা ভাবিবই

নোৱাৰে। এজন দেশকৰ্মী পাইছিলোঁ——মই নগাঁৱত থাকোতে। তেওঁক এবছৰৰ ভিতৰত ছয়বাৰ গ্ৰেপ্তাৰ মই নিজেই কৰিছিলো। আচৰিত বুজিছে——আমি দলেবলে গ্ৰেপ্তাৰ কৰিবলৈ যাওঁ হাঁহি মাৰি আমাক বহুৱায় আৰু কয়——আহক চাহ জলপান অলপ খাই লওক। এইবোৰ মানুহ বুজিছে কাটিলেও কটা নাযায় মৰিলেও একো নাই। নিৰ্বিকাৰ।

বাৰু হৈছে। Quick Quick, নিজ নিজ ঠাইলৈ গৈ আমাৰ চিপাহীবোৰক সজাগ কৰি ৰাখকগৈ। যিদৰে বেছ পতা হৈছে——ক'লৈ পলাব, ৰাতিটোৰ এন্ধাৰত ক'ৰবাত লুকাই থাকিলেও পুৱাৰ লগে লগেই পুনৰ ধৰা পৰিব।

(ৰহমান আৰু খাউণ্ডৰ চেলাম কৰি প্ৰস্থান)

(ৰবাই চকীত বহি জোতাৰ ফিটা বান্ধিবলৈ ধৰে, ভিতৰৰ পৰা ৰবানী আহে।)

ৰবানী—হেৰি আজি প্ৰণৱ বোপা আহিছে নহয়। আপোনাক কবলৈকে সুবিধা পোৱা নাই। এইবাৰ কিন্তু কথাটো খাটাং কৰিব লাগে।

ৰবা—কেতিয়া পালেহি ?

ৰবানী—সন্ধিয়াৰ লগে লগে। বোম্বাইৰ পৰা আহিছে। আহিয়েই শুই পৰিছে——(আৰতিয়ে ভিতৰৰ পৰা শুনি থাকে।) বাটত চাৰিদিন চাৰি নিশা শুব পৰা নাই হেনো। আপুনি এবাৰ মাত দি গলে ভাল পাব নেকি? ৰ'ব মই মাতি দিওঁ——

(এইবুলি কোঠালিটোৰ ফালে আগবাঢ়ে—আৰতিয়ে কথা বিষম দেখি ওলাই আহে।)

আৰতি—মাই যে আৰু কি কামবোৰ কৰে। এতিয়া জিৰাইছে—কিয় আমনি কৰিব লাগে। পুৱাও লগ পাব পাৰিব নহয়।

ৰবা—এৰা! মামণিয়ে ঠিকেই কৈছে। এতিয়া থাকক পিছত কথা হব। এতিয়া মানে ৰবদলৈ চিলঙৰ পৰা আহি পাবৰ হৈছে। মোক নেপালে তেওঁ আকৌ কি মূর্তি ধৰে। বুজিছা——

Let him sleep peacefully, Don't disturb him.

তেওঁক শান্তিৰে শুবলৈ দিয়া——আমনি নকৰিবা। (যায়গৈ)

ৰবানী—মামণি!

আৰতি—মা

ৰবানী——প্ৰণৱ বোপাক চাহ-জলপান দিব নালাগিছিল জানো ?

আৰতি—মইতো কৈছিলো। তেওঁ এতিয়া একো নাখাওঁ বুলি কলে। একেলগে ভাতকে খাব বোলে।

ৰবানী—তেন্তে মই ৰান্ধনী ঘৰলৈকে যাওঁ। কিবা তৰকাৰী ৰান্ধিছে বুদুৰামে। মই অলপ চাহ দিওঁগৈ।

আৰতি—কিয় ? মই সকলো ঠিক-ঠাক কৰি দি আহিছো নহয়——তুমি একো ৰান্ধিব নালাগে। চাৰে আঠ বাজিল। তোমাৰ দৰৱ খাই শুবৰ হৈছে। নহলে আকৌ প্ৰেচাৰ বাঢ়িব।

ৰবানী—ইস্ ইমান দিনৰ মূৰত বোপা আহিছে——এভাগ কিবা ৰান্ধি নুখুৱামনে ?

আৰতি—মই চাহ দিম নহয়। তুমি কেলেই কৰিব লাগিছে। মই কৰিম নহয়।

ৰবানী—তইতো তেওঁক জীৱনটোৱেই কৰি খুৱাবি। আজি বাৰু মযে কৰো দেছোন ?

আৰতি—মাই যে কিবোৰ কয়। যদি প্ৰেচাৰ বাঢ়ে ?

ৰবানী—হেৰ, প্ৰেচাৰ বাঢ়িবই। কিয় নাবাঢ়িব কচোন। দিনটো ঘৰতে সোমাই থাকিবলগীয়া হয়। আগতে সদায় ৰাজহুৱা নামঘৰত নাম গাবলৈ গৈছিলোঁ। কিন্তু এই হুলস্থূলবোৰ লগাত তাতো আমাৰ আদৰ

নোহোৱা হ'ল। আমি সমাজলৈ গ'লে সমাজ-খন চুৱা যায়। মহাত্মা গান্ধীৰ যুঁজত আমিহে হেওাৰ পাতিছোনে? দেশখন স্বাধীন হলেনো কোনে বেয়া পায়? বিয়া-সবাহতো লোকে আমাক নমতা হ'ল। পুলিচৰ কাম যদি ইমানেই চুৱা—পুলিচ কামনো উলিয়াই-ছিল কিয়?

আৰতি—মা—সেইবোৰ ভাবি মন বেয়া কৰিছা কেলেই? আমাৰ মতে আমি থাকো—তেওঁলোকৰ মতে তেওঁলোক থাকক। তাতে আমাৰ কি?

বৰানী—সিদিনা আকৌ আমাৰ হাকিমনীয়ে বাটতে পাই যিটো জেওৰা মাৰিলে—পদ্ম উকীলক দেউতাৰে ধৰি নিয়াৰ কাৰণে। আমাৰ তেওঁ বাৰু ধৰি নিলেই—পিছে তেওঁৰ জনেহে বোলে এবছৰ জেল দিবলৈ হুকুম জাৰি কৰিলে। বেয়া যদি হাকিমো বেয়া—পুলিচো বেয়া। অকল পুলিচক এঘৰীয়া কৰ কিয়?

আৰতি—মা মনে মনে থাকাচোন? প্ৰণৱ দাই শুনিলে কি ভাবিব।

বৰানী—এৰা! ভাল কথাবোৰ কৈছো। মই এবাৰ বুদুৰামে কি ৰান্ধিছে চাই আহো ৰহ। (বেগেৰে যায়গৈ)

(আৰতিয়ে মাক যোৱাৰ ফালে চাই থাকে।)

(ইফালে দুৱাৰ ঠেলি মৃদুল ওলায়—সোধে)

মৃদুল—কি নামটো কৈছিল?

আৰতি—কাৰ?

মৃদুল—আপোনাৰ।

আৰতি—মোৰ নাম বাহিৰত আৰতি। ঘৰত মামণি। মাৰ আগত আপুনি মামণি বুলিব লাগিব। আৰু 'আপুনি' নহয়—'তুমি'। মোৰ বাবেও একে কথা। মাৰ আগত আপুনি নহয় 'তুমি'। বুজিছেনে নাই?

মৃদুল—বুজিছো। আপুনি মামণি। মই বাৰু কোন?

আৰতি—আপুনি প্ৰণৱ দা। ওৰফে প্ৰণৱ চলিহা। বাগিচাৰ মালিকৰ জ্যেষ্ঠ পুত্ৰ।

(দুয়ো হাঁহে)

বৰানী—(ভিতৰৰ পৰা) মামণি—প্ৰণৱ বোপা উঠিল নেকি অ'?

আৰতি—হয় মা—উঠিছে। মা আহিলে ভৰি ছুই সেৱা কৰিব কিন্তু।

বৰানী—(আহে) প্ৰণৱ বোপা।

(মৃদুলে সেৱা কৰে—বৰানীয়ে মুখে-পাই হাত ফুৰাই দিয়ে)

বৰানী—হব—হব বোপা। তুমি বহুখিনি সলনি হলা নেকি? চুলিবোৰ বৰ বাঢ়িছে—আগেয়ে তোমাৰ মূৰৰ চুলি বৰ পাতল আছিল।

মৃদুল—হয়—হয়। পোনাই কওক। অৰ্থাৎ মূৰটো তপা আছিল। নহয় জানো? পিছে মই কবিৰাজী তেল ঘঁহি বৰ উপকাৰ পালো। মূৰটোও ঠাণ্ডা ৰাখে—চুলিও বাঢ়ে। বৰকৈ বাঢ়ে—জাৰ্মানি লতাৰ দৰে—

বৰানী—তুমি অলপ খীণালা নেকি?

মৃদুল—খীণালোও—ক'লাও পৰিলো।

বৰানী—ঘৰত ভালনে?

মৃদুল—ভাল। সকলোৰে ভাল!

বৰাণী—লুচিমাই ক'ত আছে—ঘৰত নে ক'ত?

মৃদুল—শহুৰেকৰ ঘৰত।

বৰানী—শহুৰেকৰ ঘৰত? বিয়া হ'ল কেতিয়া? আমি দেখোন গমকে নাপালো।

মৃদুল—কিয় মই নিজে চিঠি দিছো—কিয় মামণিয়ে চিঠি পোৱা নাছিল জানো?

আৰতি—কিয় নাই পোৱা—পাইছিলোঁ। দেউতাই ময়ে বুধি কৰি মাক নজনালো।

মৃদুল—কিয় নজনালা?

আৰতি—মাৰ তেতিয়া বৰ অসুখ। প্ৰেচাৰ বাঢ়ি

মুৰ দাঙিবকে নোৱাৰে। বিয়ালৈ যাওঁ বুলিলে কোনে বাধা দিয়ে। সেয়ে কথাটো লুকুৱালো।

বৰানী—দেখিছ বোপা। ইহঁত বাপেক-জীয়েকে মোক কেনেকৈ ঠগেছি।

আৰতি—আমি কিন্তু Greetings পঠাইছিলো।

মৃদুল—পাইছে—পাইছে Greetings পাইছে।

বৰানী—বিয়া কেতিয়া হ'ল—মামণি ?

আৰতি—বহুত দিন হ'ল।

মৃদুল—দুটা ল'ৰা-ছোৱালীৰ মাক হ'ল।

বৰানী—দুটা ল'ৰা-ছোৱালীৰ মাক? সিবাৰ পূজাত আহোতে লুচিৰ দেখোন বিয়াই হোৱা নাছিল। এইবাৰ পূজা যোৱাৰ তিনি চাৰিমাহে হ'ল। বিয়াৰ তেন্তে এবছৰ পাৰ হৈ গ'ল। দুটা ল'ৰা-ছোৱালী----

মৃদুল—হয়—হয়। দুটা ল'ৰা-ছোৱালী। Twin —যঁজা।

বৰানী—তাকে কোৱা। এতিয়া কেনে আছে।

মৃদুল—আজি বহুত দিন লগ পোৱাই নাই। তিনি মাহৰ মৰত ঘৰলৈ উভতিছো।

বৰানী—বাৰু ৰবা। মই খোৱাৰ যোগাৰ কৰাওঁ।

মৃদুল—(আৰতিক) কেনে অভিনয় কৰিলো।

আৰতি—আপুনি বৰ বেছি বেছি কয়।

মৃদুল—আপুনি ভালদৰে ট্ৰেইনিং দিব পৰা নাই—মোৰ কি দোষ ? কিন্তু এটা কথা।

আৰতি—কি ?

মৃদুল—আপুনি এটা কাম কৰিব পাৰিবনে ?

আৰতি—পাৰিম। নিশ্চয় পাৰিম। কওক কি কৰিব লাগে ?

মৃদুল—আপোনাক বিশ্বাস কৰিছো কাৰণেই কৈছো। শুক্লেশ্বৰ ঘাটত এখন কিতাপৰ দোকান আছে।

আৰতি—হয় আছে। Reader's Book Stall.

মৃদুল—ঠিক কৈছে। সেই দোকানৰ মালিক অজিত বৰুৱা। তেওঁক লগ ধৰি এখন চিঠি দিব লাগে।

আৰতি—দিম। দিয়ক এতিয়াই দি আহিম।

মৃদুল—এতিয়াই যাব পাৰিব ?

আৰতি—কিয় নোৱাৰিম। গাড়ী আছে—গাড়ী লৈ যাম।

মৃদুল—ঠিক আছে। এখন কাগজ আৰু এটি খাম দিয়ক।

আৰতি—ৰব—মই আনি দিছো।

(আৰতিয়ে চিঠি লিখা কাগজ আনি দিয়ে—মৃদুলে চিঠি লেখিব বহে। আৰতি পুনৰ ভিতৰ সোমায়—ইতিমধ্যে মৃদুলে চিঠি লেখি খামত ভৰাই ওপৰত ঠিকনা লিখে। আৰতিয়ে গৰম চুৱেটাৰ পিন্ধি হাতত মটৰৰ ছাবি লৈ সোমাই আহে—মৃদুলে চিঠি আৰতিৰ হাতত দিয়ে।)

আৰতি—দিয়ক। (চিঠি লৈ গাড়ীৰ ছাবি ঘুৰাই প্ৰস্থান)

বৰানী—মা-মণি। প্ৰণৱ বোপাক লৈ আহ—ভাত বাঢ়িব কৈছো।

(সোমাই আহে) আহা বোপা। মা-মণি ক'ত ?

মৃদুল—ফুৰি আহো বুলি দেখোন ওলাই গ'ল।

বৰানী—ৰাতি ৯ বাজিবৰ হ'ল। এতিয়ানো ৰাতি-খন ক'ত ফুৰিবলৈ গ'ল। বাটে-ঘাটে চিপাহী গোৰা নিগ্ৰো এইবোৰ। তাতে আকৌ ব্লেক আউট। তোমাক এনেদৰে অকলে এৰি থৈ যাব পায়নে ?

মৃদুল—মোক লগ ধৰিছিল। পিছে আপুনি বেয়া পায় বুলিহে নগলো।

বৰানী—মই কিয় বেয়া পাম। তুমি লগত থাকিলে অন্ততঃ চিন্তা কৰিবলগীয়া নহ'লহেঁতেন।

মৃদুল—মোৰ ভাগৰ লাগিও আছে। তাতে আপো-নাক অকলে লগ পাই—আচল কথাটো কোৱাৰ সুবিধা লব বিচাৰিলোঁ।

বৰানী—কি আচল কথা—কোৱাচোন কি ?

মৃদুল—আমাৰ বিয়াখন।

বৰানী—এৰা এৰা! অহা মাঘতেই ভাল হব বোপা।

মৃদুল—আজিহে মই শান্তি পাইছো । দিন-বাৰ বাৰু পিছতো ঠিক কৰিম । কিন্তু মাহটো হলে লৰচৰ নহব দেই । মাঘ—ইংৰাজী জানুৱাৰী মাহ পৰিব । নতুন বছৰৰ লগে লগে নতুন সংসাৰ এখন পাতিম ।

বৰানী—বোপা ! এইখন বিয়াৰ আশাতেই মই জীয়াই আছো । মোৰ বৰ অসুখ বোপা। প্ৰেচাৰত একোদিন মূৰটোকে দাঙিব নোৱাৰো । ইফালে চকুৰেও নেদেখা হৈছো—কেটেৰেক্ট্ । মইতো তোমাক ভালকৈ দেখা নাই । কিবা এটা ছায়াবাজি ছায়াবাজি যেন লাগিছে ।

মৃদুল—নহয় । বিয়াৰ পিছতেই মই আপোনাক সীতাপুৰলৈ লৈ যাম । ভালদৰে চিকিৎসা কৰাম । লগত মামণিও যাব ।

বৰানী—ঈশ্বৰে তোমালোকৰ মঙ্গল কৰক বোপা ।

(মৃদুলে কোঠাৰ ভিতৰত সোমাব খোজে। বৰানী সেই ফালে আগুৱাই আহে—এনেতে হাতত এটা ডাঙৰ কাপোৰৰ পেকেট লৈ আৰতি আহে।)

মৃদুল—অ' সৌৱা মামণি আহিছে ।

বৰানী—তইনো মোক নোকোৱাকৈ অকলে অকলে ৰাতিখন ওলাই যাব পাৰনে ?

আৰতি—ক'লে জানো যাবলৈ দিলা হয় ? প্ৰণৱ দাৰ কাৰণে Suitৰ কাপোৰ আনিলো । ভাগ্যে দোকান খোলা পালোগৈ । মা—তুমি পাহৰিছা নেকি কালিলৈ প্ৰণৱদাৰ জন্মদিন ।

বৰানী—হয় নেকি ? কালিলৈ তেন্তে উগ্ৰতাৰাত শৰাই এখন দিব লাগিব । মনত ৰাখিবি আকৌ ।

মৃদুল—আপুনি এটা মোৰ কথা ৰাখিব লাগিব ।

বৰানী—কোৱা কি কথা । তোমাৰ কথা নাৰাখি পাৰোনে ?

মৃদুল—আপুনি যেতিয়া ৰাতি একো নাখায়েই—আপুনি এতিয়া শুই থাকিব লাগিব । চাবে দহ বজাৰ আগতে ভাত খোৱাৰ মোৰ অভ্যাস নাই । মই আৰু মামণিয়ে একেলগে তেতিয়া খাম । আপোনাৰ প্ৰেচাৰ আৰু চকুৰ অসুখ আছে । এই কেইমাহ খুব সাৱধানে থাকিব লাগিব । আপোনাৰ ইমান অসুখ বুলি জানিলে মই আহি এনেদৰে আমনিয়েই নকৰিলোহেঁতেন ।

(বৰানীয়ে যেন কিবা বুজি পালে—মুখত মিচিকিয়া হাঁহি মাৰি ক'লে)

বৰানী—বাৰু—বাৰু । তোমালোকে কথা পাতা-দেই । মই বাৰু শোওঁগৈ। কিন্তু চাওঁ কি আনিলি বোপাক জন্মদিনত দিবলৈ ।

আৰতি—এতিয়া তুমি একো ধৰিব নোৱাৰিবা । পেকেটটো এতিয়া নোখোলো । ৰাতিপুৱা প্ৰণৱদাই গা-পা ধুই ওলালে দিম । তুমি-য়েই বাৰু দিবা মা— ।

বৰানী—হব বাৰু দে । মামণি ! বুদুৰামক মাতি বিছনাখন ভালকৈ জাৰি-জোকাৰি পাৰি দিয়াবি । ৱাৰড্ৰবত ধোৱা আঁঠুৱাও আছে—সেইখন তৰি দিয়াবি ।

আৰতি—দিম মা—মই সকলো ঠিক কৰি দিম নহয় । তুমি চিন্তা নকৰিবা ।

(আৰতিয়ে বেগৰ পৰা চিঠি উলিয়ায়—মৃদুলে চিঠি-খন পঢ়ি আৰতিক পঢ়িব দিয়ে। আৰতিয়ে পঢ়ি দুনাই চিঠিখন মৃদুলক দিয়ে। মৃদুলে পাঞ্জাবীৰ ওপৰ জেপত চিঠিখন সুমুৱাই থয়।)

মৃদুল—এলাৰ্ম ক্লক আছে নেকি ?

আৰতি—আছে ।

মৃদুল—দেশৰ প্ৰতি আগবঢ়োৱা আপোনাৰ এই অৰিহণা দেশবাসীয়ে সদায় সুঁৱৰিব ।

আৰতি—ৰাতি হৈছে । এতিয়া খোৱা-বোৱা ।

মৃদুল—হ'ব । কিন্তু ৰান্ধনী ঘৰত নহয় । বুদুৰাম নিশ্চয় আপোনাৰ দেউতাকৰ অৰ্দালি ?

আৰতি—হয় ।

মৃদুল—তাৰ আগত মই দেখা নিদিয়াই ভাল হব । সাপ মাৰি নেগুৰত বিষ এৰাৰ দৰে—সি হয়তো কিবা অন্যায়ো কৰিব পাৰে । সেয়ে এইখন ঘৰৰ সকলোৰে মানত মই প্ৰণৱ চলিহা হৈয়ে থকাটো উচিত হব । অৱশ্যে আপোনাৰ বাহিৰে ।

আৰতি—খোৱাৰ যোগাৰ মই আপোনাৰ কোঠাতে যুগুতাই দিম । ৰব, মই ঘড়ীটো আনি দিওঁ—পিছত আকৌ হয়তো পাহৰিয়েই থাকিম । (যায়গৈ)

[মৃদুলে ইফালে সিফালে ঘূৰি চায়—আৰতিয়ে ঘড়ী এটা আনি দিয়ে ।]

মৃদুল—ধন্যবাদ । (আৰতি আকৌ ভিতৰ সোমায়)

[আৰতি ওলাই যায় । মৃদুলে কোঠালিটোত ঘূৰা-ঘূৰি কৰি বাহিৰলৈ কিবা চায় । আৰতিয়ে এখন Tray ত খোৱা বস্তু লৈ আহি গেষ্টৰুমত সোমায়—আকৌ ওলাই আহি ভিতৰলৈ যাব খোজে—মৃদুলে ঘূৰি কয়—]

মৃদুল—এটা কথা ।

আৰতি—কি ?

মৃদুল—ৰাতিটো বৰ এন্ধাৰ । কৃষ্ণপক্ষৰ ৰাতি যেন পাইছো ।

আৰতি—ৰাৰু এটা টৰ্চ আনি দিছো । (যায়)

(মৃদুলে ৰজাৰ ছবিখনৰ ফালে থৰ হৈ চাই থাকে । আৰতিয়ে এটি টৰ্চ আনি দিয়ে । মৃদুলে হাঁহি লয়)

আৰতি—Wish you best of luck.

মৃদুল—ধন্যবাদ Good night (নিজৰ কোঠালিত সোমায়—আৰতিয়ে দুৱাৰ ঠিকমতে বন্ধ কৰা হ'ল নে চাই শেষত চুইচ্ টিপি লাইট নুমায় । মঞ্চ এন্ধাৰ হয় । কেৱল মৃদুলৰ কোঠাত থকা লাইটৰ পোহৰ বিৰিঙি মঞ্চ মৃদু পোহৰ হৈ থাকে—আৰতি ভিতৰ সোমায় । প্ৰায় লগে লগেই মৃদুলৰ কোঠাৰ লাইট নুমাই যায়— মঞ্চ এন্ধাৰ হৈ পৰে । যন্ত্ৰ সঙ্গীতৰ সুৰ বাজে । দূৰণিত "বৌ কাকা ক'ত ?" কেতেকীৰ মাত শুনা যায়—ক্ষন্তেকলৈ— যন্ত্ৰ সঙ্গীতৰ মৃদু ধ্বনি শুনা যায়—ঘড়ীৰ এলাৰ্ম বজাৰ শব্দ হয় । মৃদুলৰ কোঠালিৰ লাইট জ্বলোৱা দেখা যায় খিৰিকিৰ বগা পাতল পৰ্দাত—এজন মিলিটেৰী পোছাক পিন্ধা, মঞ্চ তেতিয়া এন্ধাৰ আৰু পোহৰৰ দোমোজাত—বগা পৰ্দাত সম্পূৰ্ণ মিলিটেৰী পোছাকৰ এটি ছাঁ পৰে । লাইট নুমায়—টৰ্চৰ পোহৰ মাৰি মাৰি পোহৰ এটি ওলাই যোৱা যেন দেখা যায় ? যন্ত্ৰ সঙ্গীতৰ ধ্বনি দ্ৰুত গতিত বজা শুনা যায়—ক্ষীণ হৈ অহাৰ লগে লগে পোহৰ বিভিন্ন ধৰণে মঞ্চত বাগৰি যাব ধৰে । লানি লগা মটৰ গাড়ী অহাৰ শব্দ শুনা যায় । মটৰ আহি পদূলিত ৰোৱাৰ শব্দ—চিন্তিত অৱস্থাত আৰতিক ভিতৰৰ পৰা অহা দেখা যায় । দুৱাৰত টক্ টক্ শব্দ শুনা যায় ।)

আৰতি—কোন ?

আই-জি-পি—আমি পুলিচৰ মানুহ । অনুগ্ৰহ কৰি দুৱাৰ খোলক ।

(আৰতিয়ে চুইচ টিপি লাইট জ্বলায় । দুৱাৰ ভয়ে ভয়ে খোলে ।)

(হাতত পিস্টল লৈ আগে আগে আই, জি, পি, বৰদলৈ, পিছে পিছে পুলিচ চাহাব ডাগিজ, অ'চি দত্ত আৰু কেইজনমান বন্দুকধাৰী পুলিচ সোমাই আহে ।)

আৰতি—দেউতা—দেউতাৰ কি হ'ল ? দেউতাক ?

বৰদলৈ—আছে । তেখেতে কুকুৰাৰ বালিত আচামী বিচাৰি গৈছে । আহিব—আমি তেখেতক ৰিট্ৰিট (Retreat) কৰিবলৈ কৈ আহিছো । দত্ত—Take up your position. Quick, Quick.

আৰতি—(চিঞৰি) মা—মা ।

ৰৰানী—(ভিতৰৰপৰা চিঞৰি) কি হ'ল মামণি ? কি হ'ল ?

(আউলী-বাউলী চুলিৰে শোৱাৰ পৰা উঠি অহাৰ বেশত বৰানী মঞ্চলৈ সোমাই আহে । পুলিচ আৰু দাৰোগাসকলক দেখি অবাক হৈ পৰে ।)

ৰৰানী—কি হৈছে ? আপোনালোক—আপুনি ?

বৰদলৈ—মই বৰদলৈ ।

ৰৰানী—তেখেত ক'ত ? তেখেতৰ কি হ'ল ? তেখেত অহা নাই কিয় ?

বৰদলৈ—আহিব। তেখেত এতিয়াই আহি পাব। আপুনি অধৈৰ্য নহব।

বৰানী—মামণি, এইবোৰ কি হৈছে? এখেতসকল এইদৰে আহিছে কেলেই? দেউতাৰ ক'ত? দেউতাৰৰ কিঃ হ'ল? উস্ মোৰ মূৰটো ঘূৰাব ধৰিছে।

আৰতি—মা! দেউতাৰ একো হোৱা নাই বুলি কৈছে নহয়! তুমি ইয়াতে বহাচোন। (এখন চোফাত বহুৱাই দিয়ে)

(আনফালৰ পৰা বৰা বেগেৰে সোমাই আহে। আই-জি-পিক চেলাম দিয়ে। বৰাই পৰিস্থিতি দেখি আচৰিত হয়।)

বৰদলৈ—বৰা।

বৰা—ছাৰ।

বৰদলৈ—আপোনাৰ ঘৰত আজি কোনোবা আলহী আছে?

বৰা—আছে।

বৰদলৈ—ক'ৰ আলহী? নাম কি?

বৰা—প্ৰণৱ চলিহা। যোৰহাটৰ। প্ৰখ্যাত চাহ খেতিয়ক শ্ৰীশিৱ শঙ্কৰ চলিহাৰ ল'ৰা।

বৰদলৈ—কেতিয়া আহি পাইছে?

বৰা—গধূলি।

বৰদলৈ—Exact time of his arrival. আপোনাৰ ঘৰ গধূলি কেই বজাত পাইছে?

বৰা—মই তেতিয়া ঘৰত নাছিলো ছাৰ।

বৰদলৈ—তেতিয়া ঘৰত কোন কোন আছিল?

বৰা—মোৰ পৰিবাৰ আৰু মোৰ ছোৱালী ছাৰ।

বৰদলৈ—অ' তেতিয়া তেওঁলোকে নিশ্চয় সময়টো কব পাৰিব।

আৰতি—আবেলি ৬ বজাত।

বৰদলৈ—ক'ৰপৰা আহিছে? যোৰহাটৰ পৰা নে আন ক'ৰবাৰ পৰা?

আৰতি—বোম্বাইৰ পৰা আহিছে বেলেৰে।

বৰদলৈ—মিঃ ডাগিজ—সেই সময়ত কি ট্ৰেইন গুৱাহাটী পায়হি?

ডাগিজ—পুৱা ৯৷১০ বজাৰ ভিতৰত অসম মেইল গুৱাহাটী পায়হি। সন্ধিয়া আঠ বজাৰ আগতে পশ্চিমৰ পৰা কোনো ট্ৰেইন আহি নাপায়। নৰ্থ বেঙ্গল এক্সপ্ৰেছৰ arrival time 9-30 p. m.। তদুপৰি ট্ৰেইন প্ৰায়েই লেট চলে ছাৰ।

বৰদলৈ—বাৰু প্ৰণৱ আপোনাৰ কি হয়?

বৰা—ছাৰ। (নিমাত)

বৰদলৈ—সংকোচ কৰিছে কেলেই? কওক।

বৰা—সম্বন্ধীয়া নহয়—কিন্তু সম্বন্ধ ঘটাৰ সম্ভাৱনা আছে।

বৰদলৈ—অৰ্থাৎ ভাবী জামাই। Very good. I am very happy to know that. Let us have a talk with Pranab. মাতক! প্ৰণৱক মাতক। আমিও চিনাকি হওঁ। আপোনাৰ জোঁৱাই যেতিয়া—আমাৰো জোঁৱাইৰ দৰেই হব। অনুগ্ৰহ কৰি প্ৰণৱক মাতক বৰা।

(বৰাই Guest Roomৰ দুৱাৰৰ কাষলৈ যায়)

বৰা—প্ৰণৱ—প্ৰণৱ।

বৰানী—আজি চাৰিনিশা হেনো ৰেলত শুব পৰা নাই।

বৰদলৈ—অ' সেয়ে বোধ কৰো দুৰ্ঘোৰ টোপনিত পৰিছে। বাৰু মই মাতোচোন। প্ৰণৱ! Hallow Pranab. Please open your door. (দুৱাৰত বেতনেৰে টক্‌টকাই দিয়ে)

(কোনোবা ফালেৰে আন দুৱাৰেদি সোমাব পৰা ব্যৱস্থা আছে নেকি?)

বৰা—নাই ছাৰ।

বৰদলৈ—আমি আপোনাৰ ঘৰ চাৰ্জ কৰিব বিচাৰো।

বৰা—কিয়? কি অপৰাধৰ কাৰণে?

বৰদলৈ—মিঃ ডাগিজ।

ডাগিজ—Yes Sir.

বৰদলৈ—Please break—open the door.

বৰা—ছাৰ ।

বৰদলৈ—Please. (বৰাক বাধা দিয়ে) দুৱাৰ ! দুৱাৰ খোলক। দুৱাৰ ভাঙি দিয়ক।

(ভাগিজে পুলিচ দুজনৰ লগত দুৱাৰ ভাঙে)

বৰদলৈ—বৰা। Please follow me. ভাগিজ আপুনিও আহক—

(পিণ্টল হাতত লৈ বৰদলৈ আগে আগে যায়। পিছত বৰা—তাৰ পিছত ভাগিজ আৰু এজন বন্দুক-ধাৰী চিপাহীও কোঠালিৰ ভিতৰ সোমায়)

বৰানী—(অধীৰ হৈ) প্ৰণৱ বোপাক মাৰি পেলাব নেকি ? এইবোৰ কি হৈছে—প্ৰণৱ বোপা ! প্ৰণৱ বোপা—

(আগুৱাই যাব খোজে—আৰতিয়ে আগচি ধৰে)

আৰতি—মা—এইবোৰ কি কৈছা ? প্ৰণৱ দা চোৰ নে ডকাইত—যে মাৰিব ? তুমি ধৈৰ্য ধৰা-চোন। আমি থাকোতে প্ৰণৱ দাক কোনেও একো কৰিব নোৱাৰে। (ধৰি ভিতৰলৈ লৈ যায়)

(বৰদলৈ আগে আগে—পিছে পিছে বৰা কোঠাৰ পৰা ওলাই আহে)

বৰদলৈ—আপুনি নিজেই স্বীকাৰ কৰিছে—প্ৰণৱ চলিহা আপোনাৰ ঘৰত আলহী আছে । কিন্তু ক'তা ? আপুনি নিজে দেখুৱাই দিয়া কোঠাততো তেওঁ নাই । নিশ্চয় আপুনি আমাক mislead কৰিবলৈ এনেদৰে কৈছে।

বৰা—মোৰ তেনে কোনো অভিপ্ৰায় নাই ছাৰ ।

বৰদলৈ—আপুনি কৈছে—প্ৰণৱ চলিহাক আজি আপুনি নিজে লগ পোৱা নাই । আঠ বজাত এবাৰ ঘৰলৈ আহোতে প্ৰণৱ অহা কথাটো আপুনি পৰিবাৰৰ মুখৰ পৰা গম পাইছে বুলি কৈছে ।

এতিয়া কোঠাত কি পালে ? মেজত চুৱা কাঁহী-বাতিৰ বাহিৰে তাত দেখোন একোৱেই নাই ।

বৰা—আপুনি এজন নিপুণ আৰু অভিজ্ঞ পুলিচ বিষয়া । সেয়ে মই আপোনাকেই সুধিছো—ইমানখিনি কথা অমিল হোৱাৰ পিছত আপুনি বাৰু কি কৰিলেহেঁতেন ?

বৰা—ছাৰ ।

বৰদলৈ—নিশ্চয় আপুনি ঘৰৰ সকলো কোঠাতে খানাতালাচ কৰাৰ হুকুম জাৰি কৰিলে-হেঁতেন। কিয়নো এনে পৰিস্থিতিত প্ৰত্যেক পুলিচ বিষয়াৰে সেইটো প্ৰাথমিক কৰ্তব্য । হয়নে নহয় কওক ?

বৰা—কিন্তু ছাৰ মই এই সন্দেহৰ কাৰণ বিচাৰি পোৱা নাই। আপোনালোকে কি Clue পাই কাক বিচাৰি এই অভিযান চলাইছে মই একো ভাবিব পৰা নাই।

(মিঃ ভাগিজ আৰু পুলিচজন কোঠাৰ পৰা ওলাই আহে—পুলিচৰ হাতত এটা পায়জামা আৰু পাঞ্জাৱী)

ভাগিজ—সম্পূৰ্ণ তথ্য পোৱা গৈছে ছাৰ। এইযোৰ পলাতক মৃদুল কাকতিৰ পায়জামা আৰু পাঞ্জাবী। কোঠাত থকা খালী ৱাৰড্ৰবৰ এচুকত পৰি আছিল ।

বৰা—কি ক'লে, মৃদুল কাকতিৰ পায়জামা-পাঞ্জাবী মোৰ ঘৰত ওলাব এইটো কেনেকৈ সম্ভৱ হব পাৰে? কাকতিক মই গ্ৰেপ্তাৰ কৰিছিলো—মোৰ হাতৰ পৰাই কাকতি পলাল। আকৌ মোৰ ঘৰতেই তেওঁ পিন্ধা কাপোৰযোৰ কেনেকৈ ওলাব ? Strange, বৰ আচৰিত অবিশ্বাস্য কথা ।

বৰদলৈ—Yes Baruah. Facts are stranger than fictions.

ভাগিজ—এই কাপোৰ যে মৃদুল কাকতিৰ তাৰ প্ৰমাণো পোৱা গৈছে ছাৰ ।

বৰা—কি প্ৰমাণ ?

ভাগিজ—পাঞ্জাবীৰ জেপত থকা এই চিঠিৰ পৰা।

বৰা—চিঠি ? কাৰ চিঠি ?

বৰদলৈ—ভাগিজ, আপুনি চিঠিখন পঢ়কচোন।

(ভাগিজে হাতত লৈ অহা চিঠিখন মেলি পঢ়ে)

ভাগিজ— প্ৰিয় মৃদুল !

এইমাত্ৰ তোমাৰ চিঠিখন পালো। তোমাৰ সাহসৰ বাবে অভিনন্দন জনাইছো। আজি নিশা ঠিক দুই বজাত ডি, এছ, পি বৰাৰ ঘৰৰ পিছফালে থকা মছজিদৰ কাষতে আমাৰ জীপ সাজু থাকিব। তুমি পিছ ফালৰ দেৱালেৰে পাৰ হৈ জীপত উঠি পলাবা। গন্তব্য স্থান নিজে বাছি লবা। পিছত যোগা-যোগ কৰিম।

এযোৰ মিলিটেৰী সাজ-পাৰ পঠালো। তুমি এই সাজযোৰ পিন্ধি লবা।

আমাৰ অভিযান সাৰ্থক হওক। বিপ্লৱী অভিনন্দনেৰে। বন্দে মাতৰম। কৰেঙ্গে য়া মৰেঙ্গে।

ইতি

তোমাৰ

অজিত বৰুৱা

বিঃ দ্ৰঃ—নতুন চেণ্ডেল এযোৰ পাৰিলে জীপতে পঠাম।

বৰা—This is a conspiracy to defame me. ষড়যন্ত্ৰ ছাৰ ! মোৰ বিপক্ষে ষড়যন্ত্ৰ চলিছে—এই চিঠি জাল।

বৰদলৈ—এই চিঠিৰ সত্যতা প্ৰমাণ কৰিবলৈ আৰু এখন চিঠি ধৰা পৰিছে। Reader's Book Stall ৰ মালিক অজিত বৰুৱাৰ তাত। শুক্লেশ্বৰ ঘাটত চলোৱা খানাতালাচী অভিযানত এই চিঠিখন ধৰা পৰিছে। ইয়াৰ জবাব কি দিব ? শুনক মই চিঠিখন পঢ়ি দিছো।

(বৰদলৈয়ে জেপৰ পৰা চিঠি উলিয়াই পঢ়ে)

প্ৰিয় অজিতদা,

আজি উত্তৰ পাৰৰ কেইবা ঠাইতো পুলিচে raid কৰিছে। মই, নৰেশ্বৰ আৰু ফটিক ধৰা পৰিলো। 'ই-গ্ৰেট' জাহাজেৰে গধূলি আমাক গুৱাহাটীলৈ আনিছিল। ঘাটত পুলিচৰ ভানত উঠাওঁতেই মই পুলুকা মাৰি পলালো। তেওঁলোক পলাব নোৱাৰিলে। বেলক আউটৰ সুবিধা লৈ মই ডি, এছ, পি বৰাৰ ঘৰ সোমালোহি। বৰাৰ বিদুষী কন্যা শ্ৰীমতী অৰতিয়ে মোক সকলো ৰক্ষণাবেক্ষণ দিছে। তেওঁৰ এই চিঠিখনেৰে আপোনাৰ ওচৰলৈ পঠালো। মোক ইয়াৰ পৰা উলিয়াই নিয়াৰ ব্যৱস্থা কৰিব। বিপ্লৱী অভিনন্দনেৰে। কৰেঙ্গে য়া মৰেঙ্গে।

আপোনাৰ

মৃদুল

পুনশ্চঃ—বালিয়েদি পলাওঁতে মোৰ চেণ্ডেল এপাট বেয়াকৈ ছিগিল। ইপাটো দলিয়াই পেলালো। পাৰিলে আপোনাৰ পুৰণি চেণ্ডেল এযোৰকে পঠাব।

বৰা—মোৰ অন্যায় কৰিবলৈ বিচাৰিছে কৰক। কিন্তু মোৰ ছোৱালীক এনেদৰে সাঙুৰিছে কিয় ? তাই ঘৰৰ পৰা বাহিৰ নোহোৱা ছোৱালী।

বৰদলৈ—নহয় বৰা। আপোনাৰ ছোৱালী আগ-তেই ধৰা পৰিব লাগিছিল। কিন্তু আপোনাৰ কাৰণেই সাৰি আছিল। ৰাতি ৯ বাজি ৫ মিনিটত ডি, চি বঙ্গলাৰ সন্মুখত তিনি আলিত কৰ্ডন কৰি থকা চিপাহীয়ে আগু-ৰিছিল। কিন্তু অ' চি দত্তই আপোনাৰ ছোৱালীক চিনি পায় কাৰণে এৰি দিয়ে। নিদি উপায়ো নাছিল। আপোনাৰ গাড়ী চলাই গৈছে—আপোনালৈ টিফিন নিয়া বুলি ক'লে বিশ্বাস কৰিবই। তাৰ পিছতো আপো-

নাৰ গাড়ীখন নৰ্থ ব্ৰুক গেটৰ সন্মুখত বহুপৰ পাৰ্ক কৰা আছিল। আমাৰ মবাইল পুলিচেও আপোনাৰ গাড়ী বুলি একো নকৰিলে। বাৰু সেইবোৰ যাওক। আপোনাৰ প্ৰণৱ চলিহা ক'ত? লুকুৱাই ৰাখিছে যদি আমাক গটাই দিয়ক।

আৰতি—প্ৰণৱ চলিহা নহয়—মৃদুল কাকতি। লুকুৱাই ৰখা নাই পলুৱাই পঠিয়াইছো। এই চিঠি দুখনৰ পৰাই আপোনালোকে তাৰ প্ৰমাণ পাইছে।

বৰদলৈ—এই চিঠি দুখনৰ কথা তেন্তে সঁচা?

আৰতি—সঁচা, আখৰে আখৰে সঁচা।

বৰদলৈ—এই কেন কোনে কৰিলে?

আৰতি—আমি অৰ্থাৎ মই আৰু মৃদুল কাকতিয়ে।

বৰদলৈ—দেউতাৰা আৰু মাৰাই কি সহায় কৰিলে?

আৰতি—তেওঁলোকে এই বিষয়ে একোকে নাজানে। সেয়ে মৃদুল কাকতিয়ে ক্ষন্তেকলৈ হলেও প্ৰণৱ চলিহাৰ ভাও দিবলগীয়া হৈছিল।

বৰদলৈ—মৃদুল কাকতি এতিয়া ক'ত?

আৰতি—চিঠিতে তাৰ উত্তৰ আছে।

বৰদলৈ—বাৰু ঠিক আছে—আপুনি এই পথ কিয় ললে?

আৰতি—দেশৰ কাৰণে—স্বাধীনতাৰ কাৰণে—যুগে যুগে এনেদৰে আন্দোলন চলিব। কোনেও বাধা দিব নোৱাৰে।

বৰদলৈ—ই ভাল কাম হ'ল জানো?

আৰতি—ভাল-বেয়া বুৰঞ্জীয়ে বিচাৰ কৰিব।

(বাহিৰত মানুহৰ গণ্ডগোল শুনা যায়)

বৰদলৈ—বাহিৰত কিহৰ গণ্ডগোল?

ভাগিজ—বাহিৰত বহু মানুহ গোট খাইছে ছাৰ।

বৰদলৈ—তেন্তে আৰু পলম কৰা উচিত নহয়। আৰতি বৰা, মই আপোনাক গ্ৰেপ্তাৰ কৰিছো।

আৰতি—ধন্যবাদ।

বৰানী—কি হৈছে? কি হৈছে?

বৰদলৈ—আপোনালোকৰ ছোৱালীক আমি গ্ৰেপ্তাৰ কৰিছো। এতিয়া থানালৈ নিব লাগে মিঃ ভাগিজ। Quick! চিপাহীৰে আগুৰি আচামীক লৈ বলক।

(পুলিচে আৰতিক আগুৰি ধৰে)

বৰানী—মা-মণি—মা-মণি—(কান্দিবলৈ ধৰে)

আৰতি—মা! নাকান্দিবা। আজি আমাৰ আনন্দৰ দিন। আজিৰ পৰা আৰু হাকিমনী বাইদেৱে বাটত তোমাক দেখিলে কেঁটেৰাজেঙেৰা নামাৰে। ইতিকিং নকৰে। নামঘৰলৈ গ'লে আয়তীসকলে তোমাক আৰু ঘৃণাৰ চকুৰে নাচায়।

বৰদলৈ—Quick আচামীক লৈ গৈ আমাৰ গাড়ীত উঠাই দিয়ক—(প্ৰস্থান)

(পুলিচে আগুৰি আৰতিক লৈ ধৰে। আৰতি ওলাই যায়—

যাওঁতে মঞ্চৰ মাজ পাওঁতে ধ্বনি লগাই দিয়ে)

আৰতি—বন্দে মাতৰম। (বাহিৰত ৰাইজে সেই ধ্বনি দিয়ে)

মহাত্মা গান্ধীকী জয়

কৰেঙ্গে য়া মৰেঙ্গে (ওলাই যায়)

(বাহিৰত ৰাইজৰ মুখত—'বন্দে মাতৰম' ধ্বনি উঠে—ধ্বনি জোৰে হব ধৰে। লাহে লাহে যন্ত্ৰ সঙ্গীতত "ঝাণ্ডা উচা ৰহে হামাৰা—" বাজিব ধৰে। বৰা আৰু বৰানীয়ে থৰ হৈ চাই থাকে—বৰাই কাক উদ্দেশি নাজানো—পুলিচৰ চেলাম দিয়ে—বৰানীয়ে ওপৰলৈ চাই হাতযোৰ কৰে—যন্ত্ৰ সঙ্গীতৰ সুৰ বাজিব ধৰে।)

আঁৰ-কাপোৰ

পথাৰ

চৰিত্ৰ

পুৰুষ

ফণীধৰ
সম্বৰু
মহাজন (হাজৰিকা)
লঘুমন
গাঁওবুঢ়া
সাতোলা
নাওকণ
বিৰহু
মনাই
ভোগৰাম আদি

তিৰোতা

জুৰণি
গাঁৱৰ গাভৰুসকল

পথাৰ

১ম অঙ্ক

১ম দৃশ্য

এখন পথাৰ। এফালে বান্ধ বান্ধি থোৱা পথাৰৰ অংশ ধানেৰে সেউজীয়া হৈ আছে—আনফালে পানীৰ অভাৱত ধান পুৰি হালধীয়া হোৱাৰ উপক্ৰম।

সময়—পুৱা

দূৰণিত বাঁহীত বিহুগীতৰ সুৰ ভাহি আহে। মাজে মাজে চৰাই-চিৰিকটিৰ মাত শুনা যায়। হাতত এটি জলপানৰ টোপোলা আৰু ঘটিত চাহ লৈ জুৰণি সোমাই আহে। পথাৰত যেন কাৰোবাক বিচাৰে। আনফালে বাঁহীত বিহুৰ সুৰ শুনিও মুখত আনন্দৰ ভাব। এনেতে দূৰৈৰ পৰা লঘুমনে চিঞৰে।

লঘুমন—(ভিতৰৰ পৰা) জুৰণি

জুৰণি—(ইফালে সিফালে ঘূৰি চাই) অ' সেইটো লঘুমননে? (লঘুমন হাঁহি হাঁহি সোমায় আহে) তই যে ওচৰতে ক'ৰবাত আছ বাঁহীৰ সুৰ শুনিয়েই ধৰিব পাৰিছিলো। পিতাইক দেখিছিলিনে? এই পথাৰতে থকাৰ কথা কৈ আহিছিল। নাই দেখোন? মই এইয়া চাহ-জলপান আনিছিলো।

লঘু—আহিল। ইয়াতে আছিল? আজি পিছে এটা বৰ বেয়া কথা হ'ল অ'। মোৰ মনটো বৰ টেঙাই আছে।

জুৰণি—কিয়? কি হ'ল?

লঘু—হওঁতে একো ডাঙৰ কথা নহয়। তহঁতৰ পথাৰৰ সেই বান্ধটো লৈ। সেই আমাৰ পথাৰখন দেখিছ?

জুৰণি—অ' দেখিছো।

লঘু—আমাৰ পথাৰৰ ধানডৰা কেনেকৈ পুৰি যাব ধৰিছে।

জুৰণি—কিয় বাৰু?

লঘু—আজি দুমাহ বৰষুণ নাই। খৰাং বতৰত পথাৰখন তেনেই দেই-পুৰি গৈছে। তাতে আকৌ তোৰ পিতাৰে----

জুৰণি—পিতায়ে---পিতায়ে কৰিলে কি?

লঘু-- আজি এই দুমাহে সেই জানটো ভেঁটা বান্ধি থৈছে। সেয়ে আমনিৰ পথাৰত অকণো পানী নোহোৱা হৈছে। শইচ মৰি পুৰি গৈছে।

জুৰণি—অ' পথাৰত লখিমী নেথাকিলে আমি গঞা ৰাইজ তৰিম কেনেকৈ? বান্ধটো কাটি দিব লাগে। জানৰ পানী সকলো পথাৰে পাওক।

লঘু—সেয়েতো আজি পিতায়ে পুৱাতে আহি বান্ধটো কাটি দিব বিচাৰিছিল। তোৰ পিতাৰে আহি বাধা দিলে। তাতে দুয়োৰে যি কথা কটা-কটি লাগিল মই দূৰৰ পৰা দেখি ভয়তে পেপুৱা লাগিলো।

জুৰণি—এতিয়া সিহঁত কেনি গ'ল?

লঘু—ৰাইজ মাতিবলৈ গৈছে। জুৰণি, মোৰ কি ভয় লাগিছে জান?

জুৰণি—কি?

লঘু—এই কথাৰ পৰাই আমাৰ মনে পতা কথাত বাধা হয়নেকি?

জুৰণি—নহয় অ'—সেইটো কেতিয়াও হব নোৱাৰে। আমি দুয়ো লগ লাগি এই জোট ভাঙিম।

যা, তয়ে বান্ধটো কাটি দেগৈ। মই পিতাইক বুজাম ।

লঘু—তেনেকৈ নকৰিবি । এই সৰু কামৰ পৰাই বৰ ডাঙৰ ঘটনা হব পাৰে । অ' সৌৰা, তোৰ পিতাৰ আৰু কোনোবা কোনোবা আহিছে । মই যাওঁদেই—

জুৰণি—ক'লৈ ?

লঘু—অলপ আঁতৰতে লুকাই থাকিম । তয়ো গুচি নাযাবিদেই । আজি ভগৱানে ৰক্ষা কৰিলেহে শান্তি ।

জুৰণি—হ' এইয়া ধৰ ।

লঘু—কি ?

জুৰণি—জলপান । তোলৈ বুলিও আনিছোঁ । এইখন ঠুৰীয়া তামোল ল' ।

লঘু—(গুণ গুণাই)

"ঠুৰিয়াই ঠুৰিয়াই তামোল কাটি দিছিলা
তাৰ মাজত দিছিলা লং
মোলৈ আহিম বুলি কাপোৰ বই দিছিলা
মনত ঐ লাগিছিল ৰং ।"

(ভিতৰৰ পৰা কিবা কৈ কৈ আনফালৰ পৰা ফণীধৰ সোমায় আহে। পিছে পিছে বিৰহ, মনাই আৰু দুই-এজন লোক।)

ফণীধৰ—কিমান পৰিশ্ৰম কৰি, আনকি দিনে ৭ টকা হাজিৰা দি কামিলা লগাই এই বান্ধটো দি কোনোমতে পথাৰখন তিয়াই ৰাখিছো। এতিয়া লখিমী ওলোৱাৰ সময়ত এই বান্ধটো কাটি দি মই এই ধানডৰাত নিজে জুই লগাই দিব পাৰোনে ? এই সম্বৰু আহি আজি বৰ্হে পুৱাতে মোৰ মূৰটো গৰম কৰি দিছে ।

জুৰণি—পিতাই চাহ-জলপান আনিছো। হ' খাই ল ।

ফণীধৰ—থৈ দে তোৰ সেইবোৰ । দেখিলি বিৰহ, দেখিলি ঘনাই তহঁতে নিজেই দেখিলি নহয়। সি হেনো বান্ধটো কাটি দিয়ে—

বিৰহ—সেইটো কেনেকৈ হব দদাই । বান্ধ কিয় কাটিব ।

(আনফালৰ পৰা কান্ধত কোদাল লৈ সম্বৰু আহে)

সম্বৰু—বান্ধ কিয় নাকাটিম। হেৰৌ বান্ধ কিয় নাকাটিম। এশবাৰ কাটিম। জানৰ পানী বন্ধ কৰিবলৈ ফণীধৰ কোন ?

সম্বৰু—কি কলি সম্বৰু । হেৰৌ তোৰ দেখোন বৰ আক্কেল । মোৰ মাটিত মই বান্ধ দিছো তোৰ তাত মাতিবলৈ কি হক আছে ?

সম্বৰু—কি কলি এইয়া তোৰ মাটি ?

ফণীধৰ—মোৰ মাটি নহয় কাৰ মাটি ?

সম্বৰু—হো, তাৰ মাটি ? হেৰৌ পিতৃ-পুৰুষৰ পৰা আজিলৈকে লোকৰ মাটিত হাল বাওঁতেই দিন গ'ল, এতিয়া পৰৰ মাটিকেই নিজৰ বুলি কৈ বৰ জমিদাৰটো সাজিবলৈ আহিছ। লাজ নেলাগেনে তোৰ। কটা নিধক ।

ফণীধৰ—সম্বৰু ! তই মোৰ পিতৃ-পুৰুষক ধৰি এনেদৰে পেংলাই নকৰিবিদেই । মইকিন্তু সহ্য কৰি নাথাকিম । কওকচোন—এই গঞা ৰাইজে কওক—এইয়া কাৰ মাটি ? ইমান দিনে কোনে এই মাটি দখল কৰি আছে ।

সম্বৰু—লোকৰ মাটি দখল কৰি জমিদাৰ হৈছে। হেৰৌ তই কোনোবা দিনা মৌজাদাৰৰ ঘৰত এটকা নগদ টকা খাজনা দি পাইছনে ? মহাজনৰ ঘৰৰ মাটি খাই এতিয়া নিজেই মহাজন সাজিছ। হেৰৌ, তই যি মহাজনৰ মাটি খাইছ ময়ো সেই মহাজনৰে মাটি খাইছো। তয়ো ৰায়ত ময়ো ৰায়ত। তই যেনিবা আগৰ পৰাই খাইছ । মই

হোৱালীজনীৰ বিয়াৰ কাৰণে নিজা মাটি বন্ধক দিবলগীয়া হোৱাত যেনিবা এই দুবছৰে মহাজনৰ মাটি খাইছো। মহাজনৰ একেখন পথাৰতে বান্ধ বান্ধি মোৰ খেতি তই নষ্ট কৰিবি কিয় ? মই বান্ধ কাটিমেই। শ্ৰীধৰ, আঘোণা আহ, তহঁত আটায়ে মোৰ লগত আহ।

ফণীধৰ—সম্বৰু তই বৰ বাঢ়িছ দেই। চাওঁচোন বাৰু তই কেনেকৈ বান্ধ কাট। হেই বিৰহ, হেই মনাই তহঁতে কি মুখ মেলি চাই আছ— সিহঁতক বাধা দিব নোৱাৰনে ?

সম্বৰু—বাধা দিব ? কোনে বাধা দিব। মোৰ মাটিৰ বান্ধ কাটিম। গোটেই গঞা ৰাইজে বাধা দিলেও মই বান্ধ কাটিমেই।

ফণীধৰ (পথাৰৰ গোজ এটা উভালি) কি বান্ধ কাটিবি ? চাওঁ তোক এই ফলীয়া বাঁহৰ কোবেৰে বান্ধ কটাৰ মুদাই মাৰি থওঁ।

(খেদি যায় -জুৰণিয়ে আগুৰি বাধা দিয়ে)

সম্বৰু—হেৰ, নামাৰ কিয় ? তোৰ কিমানটো কলিজা চাওঁ।

লঘুমন—পিতাই, তহঁতে এইবোৰ কি কৰিবলৈ ওলাইছ ?

জুৰণি—(সম্বৰুৰ কাষলৈ গৈ) নহয় দেদাই। তহঁতে অনাহকত এনেদৰে কাজিয়া নক- ৰিবি। মই তোৰ ভৰিত ধৰিছো।

ফণীধৰ—হেই শাঁখিনী। মোক তৰিবলৈ তই তাৰ ভৰিত ধৰিছ ? গলিনে ইয়াৰ পৰা। আজি এটা হেস্ত নেস্ত কৰিমেই। উস্, ই ইমান বাঢ়িছে। অতখন ৰাইজৰ আগত সি মোক মাৰিবলৈ টাঙোন দাঙে।

বিৰহ—নকবি আৰু ককাই। গাঁৱৰ মুখিয়াল বুলি আটায়ে তোক মান কৰে। তেনে স্থলত—

সম্বৰু—হেই ভতুৱা, মনে মনে থাক। এপেট টেঁটুলৈকে তাৰ ঘৰত বাহি ভাত মাৰি আহিছ হব পায়। সেয়েহে টেপটেপাই আছ। ভালে ভালে গলিনে ইয়াৰ পৰা— নহলে একেপাট কাণতলীয়া চৰতে দুখন গাল এখন কৰিম বাপেকে।

বিৰহ—দেখিলা দেখিলা ৰাইজ। এওঁৰ পৰাক্ৰিতি দেখিলা। ভাল কথা কলে লাজ পায়। (দূৰলৈ চকু কৰি) হেই মৰিলো। সেইয়া দেখিছ জীপ গাড়ী আহিল। থানাৰ দাৰোগা- পুলিচ ওলালহি যেন পাইছো। এতিয়া সোপাকে সাণ্ডুৰিব।

ফণীধৰ—পুলিচ ? পুলিচ আহিবলৈ আকৌ কি হ'ল। পুলিচ কোনে মাতিলে—এ, সেইয়া দেখোন আমাৰ মাটিৰ মহাজন হাজৰিকা দেউতা যেন লাগিছে।

সম্বৰু—এৰা, সেইয়া দেখোন হাজৰিকা দেউতা। (হাজৰিকা সোমাই আহে। সম্বৰু আৰু ফণীধৰে হাতযোৰ কৰি প্ৰণাম কৰে। ৰাইজ সসম্ভ্ৰমে থিয় হয়)

হাজৰিকা—অ', তহঁতক পথাৰতে পালো ভালেই হ'ল। উস্ আজি কিন্তু সাতপুৰুষে নকৰা কাম এটা কৰিলো। নিজে পথাৰ চাবলৈ আহিলো। আগতে ৰায়তে পথাৰত ধান সিঁচাৰ পৰা ডাৱৰ বাতৰি ডাৱে আমাক ঘৰতে জনাই আছিল। আজিকালি ৰামো নাই—অযোধ্যাও নাই। ৰায়ত মহাজনৰ ঘৰলৈ যাব লাজ পোৱা হ'ল। তদুপৰি ৰায়তৰ কথাও লৰিল। আজি দুবছৰে খৰাং বতৰ, বানপানীৰ প্ৰকোপ এইবোৰ ফাঁকি দি তহঁতে মোক এটি গুটি ধানো দিয়া নাই। নাঙল যাৰ মাটি তাৰ নীতি তহঁতে কৰিছ কৰ, কিন্তু আমাৰ মাটি আমাক এৰি দে। আমি নাঙল জুৰি, ট্ৰেক্টৰ লগাই নিজে যি পাৰো খেতি কৰিম।

ফণীধৰ—সম্বৰু—দেউতা ।

হাজৰিকা—এইয়া ৰাইজ আছে । তহঁতৰ কথাই কৈছো সম্বৰু ।

সম্বৰু—দেউতা—

হাজৰিকা—সিদিনা তই গৈ মোক কোৱা নাছিলিনে যে, তোৰ ধান পানীয়ে তেনেই নষ্ট কৰিলে ?

সম্বৰু—দেউতা ।

হাজৰিকা—আৰু ফণীধৰ ।

ফণী—দেউতা ।

হাজৰিকা—তই কোৱা নাছিলিনে যে তই খোৱা মাটিডৰাৰ ধান খৰাং বতৰৰ কাৰণে জুই লাগি পুৰি যোৱা যেন হৈছে । কিন্তু মই আহি দেখিলো কি ? সম্বৰুৰ মাটিত পানীৰ প্ৰকোপৰ পৰিবৰ্তে পানীৰ অভাৱ দেখিছো, আৰু ফণীধৰে খোৱা মাটিত খৰাঙৰ পৰিবৰ্তে পানী বোৰ উভৈনদী দেখিছো। তহঁত সুয়োজনেই মিছা কৈছিলি।

বিৰহ—মিছা কোৱা নাই দেউতা—কোৱা কথা-খিনিহে কৈছিল ।

হাজৰিকা—তই কোন অ' ।

সম্বৰু—টেমেকা

হাজৰিকা—টেমেকা –কি টেমেকা ?

সম্বৰু—সি সময়ে অসময়ে বাজে । দেউতা, তাৰ কথা নধৰিব ।

হাজৰিকা—পিছে সম্বৰু ! তহঁতে কি কৰ ? আজি দুবছৰে তহঁতে মোক এটি গুটি ধানো দিয়া নাই । এইবেলি কিন্তু মই নেৰিছো । মোক এই তিনিও বছৰৰ ধান এইবাৰ লাগিবই । খাজনা ভৰি মাটি ৰাখি যদি মাটিৰ ফচল এমুঠি নাপাওঁ আমি তৰো কেনেকৈ ।

বিৰহ—এৰা তৰিবৰ উপায় নাই ।

ফণীধৰ—কিন্তু তিনি বছৰৰ ধান একেলগে মহাজনক সোধাই গোটেই বছৰটো আমি তৰো কেনেকৈ ?

হাজৰিকা—আৰু দুবছৰে তহঁতে মোক এটি গুটি ধান দিছিলিনে ? মই তৰিলো কেনেকৈ ?

সম্বৰু-ফণীধৰ—(নিমাত)

হাজৰিকা—এতিয়া নামাত কেলেই । এইবাৰো জানো কম বুধি পাতিছিলি । পথাৰৰ ধান পুৰি গ'ল, বুৰি গ'ল বুলি মোক ঠগিব বিচৰা নাছিলিনে ? আমাক কি ঠগিবি । কোনে কাক ঠগিব পাৰে । ওপৰত ঈশ্বৰ আছে নহয় । তেওঁতো সকলো দেখিছে, এইবাৰৰ পৰা ফণীধৰ তোক আৰু মই এই মাটি খাব নিদিম। সম্বৰুৰেও এই মাটি নাপায়, মই আন ৰায়তৰ লগত বন্দবস্ত কৰিম । সেয়ে এই তিনি বছৰৰ পাব লগা ধান মই এইবাৰেই আদায় কৰি লৈ যাম ।

ফণীধৰ—মহাজন দেউতা । আমাক নিগমে নামাৰিব । আজি ইমান বছৰে মই এই মাটি খাই আহিছো—আজি যদি মোক ইয়াৰ পৰা উচ্ছেদ কৰে তেন্তে মই ইমানটো পৰিয়ালেৰে বাচো কেনেকৈ ।

সম্বৰু—হয় দেউতা । ফণীধৰে ঠিকেই কৈছে । মোৰ নিজৰ মাটি যিখিনি আছিল বন্ধকিত গ'ল । এতিয়া এইখিনি মাটিও যদি আপুনি এনেদৰে কাঢ়ি নিয়ে তেন্তে আমি তৰিম কেনেকৈ ?

হাজৰিকা—তহঁতৰ পৰিয়াল বচাবলৈ গৈ মই সপৰিয়ালে মৰিলেহে হব । মই এক কথাৰ মানুহ । মই আৰু তহঁতক মাটি খাব নিদিওঁ । আৰু মই আগৰ পাবলগীয়া ধান নিম বুলিছো নিমেই । হেৰৌ তোৰ নাম কি ?

বিৰহ—বিৰহ দেউতা ।

হাজৰিকা—আৰু তোৰ ?

মনাই—মনাই দেউতা ।

হাজৰিকা—তইঁতে মোৰ কাম কৰিবি। এনেয়ে কৰিব নালাগে। দস্তুৰমত দৰমহা পাবি।

বিৰহ } —কৰিম দেউতা।
মনাই }

হাজৰিকা—অ' ঠিক আছে। এই ৰাইজৰ আগতে মই কৈছো। এই বিৰহ আৰু মনাইক মোৰ এই মাটি দখলৰ কাৰণে ঠাকুৰীয়া অৰ্থাৎ চকীদাৰ কৰি গ'লো। এই ধান যাতে গজ-ম'হে নাখায় আৰু সম্বৰু ফণীধৰেও কাটি নিনিয়ে সিহঁতে তাৰ চকু দিব। ল, এইয়া তোৰ আৰু এইযা তোক আগধন দিলো। দিনে পাঁচ টকাকৈ পাবি। (বিৰহ আৰু মনায়ে টকা লয়) এইবাৰৰ পৰা ফণীধৰৰ মাটি বিৰহ আৰু সম্বৰুৰ মাটি মনায়ে খাব। সম্বৰু আৰু ফণীধৰ। তইঁতে মোৰ পথাৰত নানামিবি। যদি নাম বা ধানৰ কিবা ইফাল সিফাল কৰ মোৰ অনিচ্ছা সত্ত্বেও তইঁতক পুলিচত দিবলৈ বাধ্য হ'ম। দুই-এদিনতে মই মানুহ লগাই এই ধান কাটি লৈ যাম।

জুৰণি—আপুনি এই ধান কাটি নিব নোৱাৰে।

হাজৰিকা—এইজনী আকৌ ক'ৰ পৰা ওলাল? কিয় মোৰ মাটিৰ ধান মই কাটি নিনি কোনে নিব?

জুৰণি—কিন্তু শ্ৰম যাৰ ফচল তাৰ।

হাজৰিকা—আৰু নাঙল যাৰ মাটি তাৰ নহয়নে? হাঃ হাঃ। হেৰৌ তেতিয়া হলে দেখোন ধন-বিত খৰচ কৰি মাটি কিনাতকৈ কেইখনমান নাঙল কাটি ললেই গোটেই ভাৰতৰ মাটি নিজৰ কৰি লব পাৰি।

লম্বুমন—কিন্তু দখল যাৰ মাটি তাৰ।

হাজৰিকা—হো মই কওঁ শুন। জোৰ যাৰ মুলুক তাৰ। এই পথাৰ মোৰ—এই ধান মোৰ। এই ধান মই জোৰকৈ কাটি লৈ যাম।

(বেগে প্ৰস্থান)

(খোলত ভাওনাৰ যুঁজৰ বাদ্য বাজে। বাদ্য তীব্ৰ হয়, লগে লগে আন্ধাৰ হয়। বাদ্য চলি থাকে। এন্ধাৰ আঁতৰি যোৱাৰ পিছত সেই একেই দৃশ্যকে পথাৰত ধান কাটি নিয়াৰ অৱস্থাত দেখা যায়)।

২য় দৃশ্য

(সেই একে পথাৰ। ধানৰ পৰিবৰ্তে নৰা। সকলো শেষ কৰি কাটি নিছে। —এফালৰ পৰা নাঙল-যুঁৱলি কান্ধত লৈ বিৰহ আৰু মনাই আহে, আনপিনৰ পৰা ফণীধৰ আৰু সম্বৰু আহে। আকৌ ভাওনাৰ যুদ্ধ-যাত্ৰাত বজোৱা খোলৰ শব্দ শুনা যায়)

ফণীধৰ—আহ, কাৰ কিমান কলিজা এবাৰ চাওঁ আহ। এইখন কিবা ৰজা নোহোৱা দেশ হ'লনে যাৰ যি ইচ্ছা তাকেই কৰিবি। আজি আমাৰ পৰিয়ালে দুই-তিনি পুৰুষৰ পৰা এই মাটি খাই আহিছো। আজি মহাজনে তইঁতক এই মাটি দিওঁ বুলিয়েই দিব পাৰিবনে। কোনোবাই এই মাটিত নাঙল জুৰিলে কথা বিষম হব একা।

বিৰহ—ককাই। মহাজনে তোক মাটি দিছিল তই চহ কৰি ইমান দিনে খাইছিলি সঁচা। এতিয়া এই মাটি মহাজনে মোক দিছে। তই আকৌ এনেদৰে বিধিপথালি দিছ কিয়? আমাক মাটি দিছে আমি নাঙল জুৰিমেই।

(জুৰণিৰ প্ৰৱেশ)

জুৰণি—নাঙল জুৰিবি ? এই মাটিত তহঁতৰ কি হক আছে। এইখন পথাৰত মনত পৰাৰ দিনাৰ পৰা ভুঁই কই আহিছো। এতিয়ানো কোন ৰোৱনীয়ে ইয়াত ভুঁই ৰোৱে চাওঁ-চোন। হেৰৌ তহঁতৰ অলপো লাজ নালা-গিলনে ? ইমান দিনে পিতাৰ যহতে তৰি এতিয়া এই মাটিৰ মালিক হবলৈ আহিছ।

বিৰহু—জুৰণি। তই কালিৰ ছোৱালী হৈ পৰহিৰ গীত নাগাবিচোন। এইয়া তহঁতৰ মাটি ?

ফণীধৰ—আমাৰ নহয় কাৰ বুলি ভাবিছ অ' ? এই বকৰাণি মাটি খাল ডোং খান্দি সমান কৰি, খেতিৰ লায়ক কৰি লৈছো। যি পৰি-শ্ৰম কৰি এই মাটি বৰধান তৰ্লিৰ দৰে কৰিছো—সেই পৰিশ্ৰমৰ মূল্য কচিলে নাই বুলিলেও দহ-বাৰ বিঘা মাটি নিজৰ কৰি লব পাৰিলোহেঁতেন। মহাজনে খাজনা-খিনি দিয়েই মাটিৰ গৰাকী বোলাবলৈ আহিলে কিয় দিম। সেই তাহানিৰে পৰা গুটি ধানেৰে মহাজনৰ ভঁৰাল ভৰালো। এতিয়া আৰু ধানো নিদিওঁ মাটিও নিদিওঁ।

মনাই—ককাই আগ-গুৰি চাই কাম কৰিবি পিছত আমাক নুদুষিবি।

ফণীধৰ—মনাই কি কলি ? মই আগ-গুৰি ভবা নাইনে—তই আৰু বিৰহুৱে ভবা নাই। সেইটো কথা তহঁতেই এবাৰ তহকিত কৰি চাচোন।

বিৰহু—ফণীধৰকাই! তই যে এনেদৰে ওভত-গোৰে নাচিছ—ক'তা, সম্বৰুকায়ে দেখোন একো হকা-বধা কৰা নাই।

সম্বৰু—তোক কোনে ক'লে অ'—মই হকা-বধা কৰা নাই বুলি ?ময়ো মনাইক মাটি এৰি নিদিওঁ। মহাজনে এইবাৰ পথাৰৰ সকলো পকা ধান জোৰ কৰি কাটি নিয়ালে, আৰু আহকচোন। এই মেচিদাৰে কাটি দুছেও কৰিম। অনাহাৰে মৰাতকৈ জেলৰ ভাত খাই মৰাই ভাল।

মনাই—ভালতে মাটি এৰি দিবি সম্বৰুকাই। নহলে—

(লঘুমন আহে)

লঘুমন—নহলে কি কিৰিবি মনাইকাই। আমাক কি ভয় দেখুৱাবলৈ আহিছ ? গাঁৱৰ ঘৰে-ঘৰে কঁাথিয়ে-কঁাথিয়ে বহি তহঁতৰ ইমান বয়স পালেহি, এদিনলৈকে হাল জুৰি খেতি চহাই নাপালি। এতিয়া মহাজনে দানত দিয়া নাঙল-গৰু লৈ বৰ খেতিয়কটো সাজি আহিছ। সিদিনাই তহঁতক কৈ দিছিলো— এই মাটিত ভুলতেও নানামিবি বুলি— তহঁতে কিন্তু নুশুন। তহঁতক আকৌ কৈছো তহঁত হালেই ভালে ভালে উলটি যা। নহলে কথা বেয়া হব।

মনাই—লঘুমন! তোৰ এনেদৰে ক'বলৈ লাজ নালাগিলনে ? নিজৰ মাটি লোকৰ ঘৰত বন্ধক দি পিতাৰ আজি লোকৰ ৰায়ত হৈছে। তই যদি সেই মাটি মোকোলাই তাত খেতি কৰি দেখুৱালি হয়—তোক বৰ মতা বুলিলো হয় এতিয়া লোকৰ মাটিত তৰি দি মাটিগিৰি বোলাবলৈ আহিছ ? তোৰ লাজ নালাগেনে ? তই পদুলি শুঙা—তোৰ মুখত বৰ কথা শুনিব নাপায় বুজিছ ?

লঘুমন—কি কলি ? মই পদুলি শুঙা—কাৰ পদুলি শুঙিবলৈ যোৱা দেখিছিলি হো ?

বিৰহু—হেৰৌ কৈ দিমনেকি ? পিতাৰে পিছত কথাটো জানিলে মজাটো দিব।

লঘুমন—কাৰ কি চুৰ কৰিবলৈ গৈছো নকব কিয় ? মই যদি কিবা কৰিছোও—পিতাইক জনায়েই কৰিছো।

মনাই—হয়নে ? সিদিনা যে উকৰুকাৰ বজাৰত পঠা-

ছাগলীটো দু কুৰি টকাত বেচি ডেৰ কুৰি টকাত বেচা বুলি ঘৰত কোৱা নাছিলিনে ?

বিৰহ---আৰু আৰু যে সিদিনা হাটৰ পৰা আহোতে ৰঙা ব্লাউজ আৰু গোন্ধ তেল কিনি আনিছিলি কালৈ ? তহঁতৰ ঘৰত দেখোন তিৰোতা মানুহৰ সঁচেই নাই । তই সেইবোৰ জুৰণিলৈ বুলি অনা নাছিলিনে ? মই তোৰ কাণুবোৰ চাইহে আছিলো । তই সেই টোপোলাটোক বাটে বাটে চুমা খাই খাই অহা মই জানো দেখা নাছিলো ।

জুৰণি---হেৰৌ দেখিছ । মাউৰে মৰাহঁতে ক'ৰ কথা ক'ত লগাইছেহি ।

সম্বৰু---হেৰৌ গাইমুৰা হঁত । মোৰ ল'ৰাই যি কৰক নকৰক তহঁতৰ তাত কি ? তহঁত দুয়ো এই বয়সলৈকে এজনী চপাই লব নোৱাৰিলি বুলি মোৰ ল'ৰাও তহঁতৰ দৰে দাং বৰলা হৈ থাকিবনে ? সি যদি জুৰণিৰ মন যোগাব পাৰিছে মই ভালেই বুলিছো । তাইৰ দৰে ৰূপে-গুণে ঘৰ ধৰা ছোৱালী আমাৰ চুবুৰীত কেইজনী ওলাব অ' ।

বিৰহ---অ' কথা তেনে সিমানেই---আমিনো ক'ত কিটো বেয়া বুলিছো । বিয়া কৰাওঁ যদি ঢোলে দগৰে গহনা-গাঁঠৰি দি বিয়া কৰা । এনেদৰে লুকুৱাই চুৰকৈ কেলেই ?

ফণীধৰ---বিৰহ-মনাই, তহঁতৰ এই আগগুৰি নোহোৱা কথাবোৰ মই শুনিব নোখোজো । তহঁতক মই ভালৰে কৈছো মোৰ আৰু সম্বৰুৰ মাটিত তহঁতে হাল জুৰিব নোৱাৰ ।

মনাই---কি কলি এইয়া তহঁতৰ মাটি ?

ফণীধৰ---নহয় কাৰ ?

বিৰহ---মহাজনৰ মাটি । আগতে তহঁত মহাজনৰ ৰায়ত আছিলি---এতিয়া মই আৰু মনাই তেওঁৰ ৰায়ত ।

সম্বৰু---তহঁত মহাজনৰ ৰায়ত যদি যা তহঁত দুয়ো গৈ মহাজনৰ চুৱা চেলেকি থাকগৈ যা--- ।

বিৰহ---কি কলি ? মুখ চম্ভালি কথা কবি নহলে মহাজন দেউতাক কৈ তহঁতৰ অতপালি উলিয়াইহে এৰিম । (জীপ গাড়ী অহাৰ শব্দ -হৰ্ণ বাজে) সেইয়া, সেইয়া মহাজন দেউতাই পুলিচ দাৰোগা লৈ নিশ্চয় আহিলেই ।

মনাই---(সেইফালে আগবাঢ়ি গৈ উলটি আহে) সেইয়া, মহাজন দেউতাহে আহিছে । আহক মহাজন দেউতা---আহক---

বিৰহ---সোনকালে আহক ।

হাজৰিকা---(সোমাই আহে) কি হৈছে---কি হৈছে । মনাই-বিৰহ ! মাটি চহালিনে নাই ?

মনাই---ক'ত মাটি চহাম দেউতা । আজি সাতদিনে চেষ্টা কৰিও মাটিত নামিবকে পৰা নাই ।

হাজৰিকা---কিয় ?

বিৰহ---এইয়া বোলে সিহঁতৰ মাটি ।

হাজৰিকা---সিহঁতৰ মাটি ? ইহঁত ক'ৰ দিন ডকাইত ওলালহি অ' ফণীধৰ ।

ফণী---(নিমাত)

হাজৰিকা---সম্বৰু !

সম্বৰু---(নিমাত)

হাজৰিকা---এতিয়া নামাতা হৈছ ? বাৰু যা তহঁতে হাল-গৰু লৈ আহ । সিহঁতে কেনেকৈ বাধা দিয়ে চাওঁ ।

জুৰণি---তহঁতে আমাৰ মাটিত হাল জুৰি নিজৰ কাল চপাই নলবি ।

হাজৰিকা---হো---এইজনী কোন অ'--সিদিনাও এয়েই বৰ বৰ কথা কোৱা নাছিলনে ? এই কাৰ ছোৱালী ।

মনাই---আমাৰ ফণীধৰ কাইৰ ।

বিৰহ---ছোৱালী নহয় যেনিবা---কেঁচাইখাতী গোসাঁনীহে ।

হাজৰিকা---হেৰৌ ছোৱালী তোক ইয়াত কি লাগে। তই সিহঁতক হাল জোৰাত বাধা দিছ কিয় ? ইয়াৰ পৰা ভালে ভালে আঁতৰি যা। নহলে এইভাল লাঠি দেখিছ ?

জুৰণি---দেখিছো---কি কৰিব ?

হাজৰিকা---কোবত পিঠি চিৰিলা-চিৰলি হব।

লখুমন---অলপ ভদ্রতা ৰাখি কথা কব মহাজন ভাওৰীয়া। বৰ মানুহ চেলাবলৈ হলে আচৰণো বৰ মানুহৰ দৰে হব লাগে।

হাজৰিকা---ই আকৌ ক'ৰ 'কাপ্তান' ওলাল অ' বিৰহু।

বিৰহু---আমাৰ সম্বৰুৰ কাইৰ ল'ৰা।

মহাজন---অ' তহঁত দুয়োঘৰ এতিয়া লগ হৈছ। আগতে দেখোন ইহঁতে সিহঁতৰ কথা লগাই মোৰ কাণ ফোলা কৰিছিলি। এতিয়া দুয়ো ঘৰে মুঠ বান্ধিছ। হেই যা-ইহঁতৰ লগত কথা চোবাই থাকিবলৈ মোৰ সময় নাই। আজি তহঁতৰ মাটিৰ দখল দি যাম বুলি আহিছো দি যামেই। যা গৰু আনি হাল জোৰ।

ফণীধৰ---মহাজন! আজি আপুনি যিদৰে ইহঁতৰ মাটিৰ দখল দি যাম বুলি মন বান্ধি আহিছে---আমিও এই মাটিৰ দখল এৰি নিদিওঁ বুলি শপথ খাই আহিছো। আমাৰ এক কথা। এই মাটিৰ দখল আমি এৰি নিদিওঁ বুলিছো নিদিওঁ।

হাজৰিকা---কি কলি ফণীধৰ ? তই এইদৰে কৈছ নে ? ময়ো সেই গোবিন্দ মহাজন বুজিছ ? ভালৰ লগত ভাল, বেয়াৰ লগত যমকাল। ময়ো তহঁতক সুদাই নেৰিছো। মই মোক-র্দমা তৰিম।

ফণীধৰ---তৰিব পাৰে।

হাজৰিকা---মই তহঁত হালকে জেলত ভৰাম।

সম্বৰু---ভৰাব পাৰে।

হাজৰিকা---তথাপি তহঁতে মাটিৰ দখল এৰি নিদিয় ?

ফণীধৰ
সম্বৰু } - নিদিওঁ।

হাজৰিকা---বেছ সেয়ে হব। সজ কথা ক'লে যেতিয়া নুশুন, সজ পথত যেতিয়া নচল, আমাৰ আৰু ক'বলৈ কিটো আছে। সম্বৰু, তোৰ ঘৈণীয়েৰ মৰাৰ সময়ত তই ৰূপ দুকুৰি আনি নিদিলি। ফণীধৰ, তই গৰু কিনিম বুলি আৰু তেজ বছৰি চাৰিকুৰি টকা আনি ফিৰত দিয়াৰ কথা আৰু নাভা-বিলি। এইবোৰ কথা তহঁতে ইমান সোন-কালে পাহৰি গ'লি। উপকাৰীক অজগৰে খায়। তহঁতেও আজি তাকেই কৰিছ। তহঁতে আজি মোৰ মাটিত বেদখল দি ৰহিছ। ইমান খাই পাতফলা মানুহ মই জীৱনত লগ পোৱা নাই। তহঁতে বাৰু কেনেকৈ এই মাটিৰ দখল ৰাখ চাওঁ। মই কালি গৈয়ে বৰ হাকিমৰ আদালতত গোচৰ তৰিম। তহঁতৰ এই মইমতালিৰ মুদা মাৰিম।

(বেগে ওলাই যায়)

ফণীধৰ---এই সম্বৰু। এই ভতুৱা দুটাক ধৰ। ইহঁতৰ মাটি খোৱা মুখ দুখন ক্কোবাই ভাঙি দিওঁ---

সম্বৰু---ধৰ ধৰ।

(বিৰহু আৰু মনাই প্ৰাণ লৈ পলাই যায়।)

পট পৰে।

৩য় দৃশ্য

(গাঁওবুঢ়াৰ বাটচ'ৰা মুখ। সময় ৰাতি। নিশাচৰ চৰাইৰ মাত, শিয়ালৰ বাব আদি দূৰণিত শুনা যায়। মহাজন, বিৰহু আৰু মনাই সোমাই আহে।)

হাজৰিকা—বাৰু, তইঁত এতিয়া যা। মই পাবিম। তইঁতে সেই কেঁকুৰিটোৰ বন্দমজোপাৰ তলত থাকিবি। মই গৈ লগ পাম। (বিৰহ আৰু মনাই ওলাই যায়) অ', গাঁওবুঢ়া। গাঁও-বুঢ়া। ঘৰত আছানে ?

গাঁওবুঢ়া—কোন ?

হাজৰিকা—মই—মইহে। গোবিন্দ মহাজন।

গাঁওবুঢ়া—ইস্ ৰাম—ক'ৰপৰা। আহক আহক সোমাই আহক। হেৰৌ কোন আছ—বোলো চাকি এটা আগবঢ়াই দে—নহয় ৰ'ব—ময়ে আনিছো।

(সোমাই গৈ চাকি এগছ আনে)

হাজৰিকা—বাৰু হব হব।

গাঁওবুঢ়া—পিছে এই ৰাতিখননো ক'ৰপৰা ওলাল? ৰাতিও ভালেখিনি হ'লনেকি ?

হাজৰিকা—নাই নাই ৰাতি বেছি হোৱা নাই, এতিয়া মাত্ৰ ৭-৩০ বাজি গৈছেহে। চহৰততো এতিয়াহে মানুহ ফুৰিবলৈ বুলি ওলাইছে। মই আজি এটা বৰ জৰুৰী কামত তোমাৰ ওচৰলৈ আহিছো। তুমি কিন্তু তাৰ এটি মীমাংসা কৰি দিব লাগিব। কোৱা গাঁও-বুঢ়া—কৰিবাতো ?

গাঁওবুঢ়া—কি কাম বা। মই পাৰিলে আপোনাৰ কাম নকৰাকৈ থাকিমনে ? নিশ্চয় কৰিম। কথাটোনো কি ?

হাজৰিকা—বিশেষ একো নহয়। মোৰ মনে ধৰিছে—গাঁওবুঢ়া তুমি কামটো কৰিব খুজিলে কৰিব পাৰিবা।

গাঁওবুঢ়া—বাৰু কওকচোন মহাজন ! কি কৰিব লাগে ?

হাজৰিকা—আজি এই ফণীধৰ আৰু সম্বৰুৱে মোক বৰ অপমান কৰিলে গাঁওবুঢ়া।

গাঁওবুঢ়া—অপমান কৰিলে ফণীধৰ আৰু সম্বৰুৱে? ক'ত ! কেতিয়া ?

হাজৰিকা—গাওঁবুঢ়া। সিহঁতে মোৰ মাটি খোৱা কথা তুমিতো জানাই।

গাঁওবুঢ়া—কিয় নাজানিম। সেইটো কিবা আজিৰ কথানে ? মই কিয় গোটেই গঞাৱে জানে।

হাজৰিকা—পিছে এইবাৰৰ পৰা মই সিহঁতক সেই মাটি খাব দিবৰ আৰু মন নাই। মই সিহঁত দুয়োৰে কথাত ভৰ দেখিছো। সেয়ে মই সিহঁতৰ পৰা মাটি দুডৰা এক-ৰাওঁ বুলি ভাবিছো। তাকে সিদ্ধান্ত কৰি আজি এমাহৰ আগতে সিহঁতক কৈ গ'লো। এই গাঁৱৰে দুজন মাটিহীন লোকক মাটি-খিনি দি দখল লবলৈকো কৈ গৈছিলো।

গাঁওবুঢ়া—কাক বা মাটি খাবলৈ দিয়া হ'ল ?

হাজৰিকা—বিৰহ আৰু মনাইক।

গাঁওবুঢ়া—অ', সিহঁত দুটাক। সিহঁতে দেখোন হালৰ মুঠিত নধৰেই। ঘৰ-সংসাৰো নহ'ল। আজি অমুকাৰ তাত কালিলৈ তমুকাৰ ঘৰত ইটো সিটো কৰি দি পেট প্ৰৱৰ্তাই থাকে। সিহঁতৰ দেখোন গৰুও নাই নাঙল-যুঁৱলিও নাই।

হাজৰিকা—মই সেইবোৰ সকলো ব্যৱস্থা কৰি দিছো। আজি সাতদিনে মাটি বাবলৈ গৈ মাটিত নামিবলৈ পৰা নাই।

গাঁওবুঢ়া—কিয় ? হাল গৰু হ'ল যেতিয়া খেতি নকৰে কিয় ?

হাজৰিকা—ফণীধৰ আৰু সম্বৰুৱে বাধা দিয়ে। আজি পুৱা মই নিজেই পথাৰলৈ আহিছিলো। সিহঁতে যি বেঁকাকৈ বহিল বহিলেই। কোনোমতে মাটি এৰি নিদিয়ে। হাল-গৰু নমাব বিচাৰিলে হুলাবাৰি জোঁকাৰি আহে।

গাঁওবুঢ়া—হয়নে ? সিহঁত ইমান বাঢ়িছেনে ?

হাজৰিকা—গাঁওবুঢ়া। বিৰহ আৰু মনাইক মাটি-ডৰা দি মই মাটিখিনি চন পেলাই থবলৈ

বিচৰা নাই। সিহঁত দুয়োটা মাটিহীন কৃষক ল'ৰা। খেতিয়ক সন্মিলন আদিত যাতে কথাটো উচিত হোৱা বুলি ভাবে সেই-বুলিহে সিহঁত দুটাক মাটিখিনি দিছো। কিন্তু সিহঁতৰ দ্বাৰা যদি ফণীধৰ আৰু সম্বৰুৰ পৰা মাটিখিনি হাত কৰাব পাৰো তেতিয়া কি ভাবিছো জানা ?

গাঁওবুঢ়া---কি-বা ভাবিছে---কওকচোন ।

হাজৰিকা---এই মাটি তোমাক দিম । তেতিয়া মোৰো হব---তোমাৰো হব ।

গাঁওবুঢ়া---হয়নে ?

হাজৰিকা---মই গোবিন্দ মহাজন গাঁওবুঢ়া । পৃথিবী লৰিলেও গোবিন্দ মহাজনৰ কথা নলৰে। বাৰু তুমিয়েই কোৱাচোন---ইমান দিনে এই গাঁওখনৰ মানুহৰ লগত কত লেনদেন কৰিলো---ক'ৰবাত মোৰ কথাৰ লৰ হোৱা দেখিছানে ?

গাঁওবুঢ়া---নাই দেখা -নাই দেখা। হক কথা কবই লাগিব। কেতিয়াও দেখা নাই ।

হাজৰিকা---মই এটা কথা পাওলি তোমাৰ ওচৰলৈ আহিছো ।

গাওঁবুঢ়া---কি কথা বা ।

হাজৰিকা---ৰাইজৰ এখন মেল বহুৱাব লাগে । মেলত বিৰহ আৰু মনাইক মাটি দিয়াৰ কথাত ৰাইজে হয়ভৰ দিলেই বাকীখিনি মই কৰিম। ৰাইজে মত দিলে ফণীধৰ আৰু সম্বৰুয়ে বেছি তেৰি-বেৰি কৰিব নোৱাৰিব আৰু সিহঁত আঁতৰি গ'লেই বিৰহ আৰু মনাইকো এটা চেলু উলিয়াই আঁতৰাই মাটি তোমাক দিম। মোৰ মনৰ কথাটো তোমাক খুলি কৈছো—এতিয়া তুমি জানো কি কোৱা ?

গাঁওবুঢ়া—পিছে ৰাইজ থুপুৰিয়াই কোনে ?

হাজৰিকা—গাঁওবুঢ়া—তুমিয়েই ৰাইজ থুপুৰিয়াব লাগিব । তুমি গাঁৱৰ গাঁওবুঢ়া----তুমি জান দিলে কোনোবা নহাকৈ থাকিব পাৰি-বনে ?

গাঁওবুঢ়া—হওঁতে হয় । কিন্তু এটা কাম কৰিব লাগিব। বিৰহ আৰু মনায়ে মোৰ ওচৰত গোচৰ তৰি মেল মাতিবলৈ আৰ্জি কৰিব লাগিব। তেতিয়াহে মই মেল মাতিব পাৰিম।

হাজৰিকা---সেইটোনো কি ডাঙৰ কথা । সিহঁতে সেইমতেই কৰিব । মেল মাতিলে কিন্তু ময়ো খবৰ পাব লাগিব নহয় ?

গাঁওবুঢ়া---আমাৰ পক্ষৰ পৰাই আপোনাক জান দিম নহয়। অহা শনিবাৰে একাদশীৰ হালখতি আছে। সেইদিনা ৰাইজ-মেল পাতিবলৈ শুভ হব।

হাজৰিকা---ভাল কথা। কিন্তু মোৰ মনৰ কথা বুজিছাই নহয় গাঁওবুঢ়া। মাটি হওঁতে মই তোমাকহে দিব বিচাৰো। তেতিয়া তোমাৰো হ'ল, মোৰো হ'ল। মোৰ হোৱা মানেই তোমাৰো ।

গাঁওবুঢ়া---এৰা মহাজন । আপোনাৰ অশলাগ মই নকৰো। অকল মোকেই কিয়, গাঁও-খনৰ কত জনক কত ৰকমে আপুনি তৰিছে। আনে পাহৰিলেও মই কেতিয়াও নাপাহৰো।

হাজৰিকা---গাঁওবুঢ়া, মই তেন্তে এতিয়া উঠোহে।

গাঁওবুঢ়া---পিছে গাড়ীনো এৰিলে ক'ত ?

হাজৰিকা---মোৰ জীপখন আনিছো । গাঁৱৰ ভিতৰলৈ আনিলে কথাটো সকলোৰে গম পাব বুলি গাড়ীখন চৰকাৰী আলিতে এৰি আহিছো । মই যাওঁ—আমাৰ এই কথাৰ গম যেন কোনেও নাপায় ।

গাঁওবুঢ়া---নাপায় মহাজন ! নাপায় । পিছে এটা কথা মহাজন----

হাজৰিকা---কি ?

গাঁওবুঢ়া---বাৰু থক !

হাজৰিকা—নহয় গাঁওবুঢ়া কোৱা। আমাৰ মাজত কোনো কথা লুক-ঢাক কৰিব নালাগে। মই কিবা তোমাৰ পৰনে ? কোৱা।

গাওঁবুঢ়া—বিশেষ একো নহয়। পিছে এই ফণীধৰ আৰু সম্বৰু বৰ একা-চেকা মানুহ। নহয় দিয়ক—সিহঁতৰ সেই চুবুৰিটোৰ মানুহখিনি জয়াল। সেয়েহে এই সম্বৰু আৰু ফণীধৰ একেটা কথাতে সাঙোৰ খাই আছে যেতিয়া আমাৰ সাতোলাকো আগতে হাত কৰি থব পাৰিলে কামটো সহজ হ'লহেঁতেন।

হাজৰিকা—সাতোলাকো হাত কৰা। তাৰ বাবে যি কৰিব লাগে মই কৰিম। যদি মই গৈ কব লাগে—

গাওঁবুঢ়া—নালাগে আপুনি আৰু সাতোলাকো কাকুতি কৰি ফুৰিবনে। আপুনি জানেই নহয় সাতোলা বৰ অভাৱগ্ৰস্ত লোক। ভাত পালে আৰু একোকে নালাগে। অলপ কিবা আশা দেখুৱালে মেলত তেওঁ কথাটো টানি ধৰিব।

হাজৰিকা—অ' বুজিছো, মই এই টকা দহোটা দিলো, দুয়ো ভগাই লবা। মোৰ একুৰি দুকুৰি ভৰনি হলেও কোনো কথা নাই। কেৱল কথাটো সিদ্ধি হব লাগে।

গাওঁবুঢ়া—ইস্! মোক কিয় লাগিছে। কামটো সমাধা হলেতো আপুনি মোক মাটিকে দিব ওলাইছে। আপোনাৰ পৰা মই এনেকৈ টকা-পইছা লৈ কাম কৰিমনে ? এনেয়ে কৰিম। পিছে দিব খুজিছে দিয়ক। মই সাতোলাক দিম।

হাজৰিকা—মই দিয়া বুলি নকবা। এনেয়ে কিবা এটা অজুহাত দেখুৱাই দিবা আৰু।

গাওঁবুঢ়া—হব, হব। মোক সেই কথা শিকাব লাগিছেনে। মোৰ পৰাই দিয়া দেখুৱাই আমাৰ এই কামটো হাচিল কৰি লম।

হাজৰিকা—ঠিক আছে। মই কিন্তু সকলো ভাৰ তোমাৰ ওপৰতেই এৰিলো। মই আহোঁহে—(যায়গৈ)

পট পৰিবৰ্তন

পট পৰিবৰ্তন

(গাঁৱৰ আলি। জোনাকী পক্ষৰাই সন্ধিয়াটো শুৱনি কৰি তুলিছে—গাঁৱৰ আলিবাটেদি হাজৰিকা আৰু বিৰহু, মনাই কথা পাতি সোমাই আহে)

হাজৰিকা—তহঁতে কথাটো ভালদৰে বুজিছ নহয় মোক চৰকাৰী আলিত তুলি দিয়েই তহঁত দুয়োই পোনে পোনেই গাওঁবুঢ়াৰ ঘৰলৈ যাবি।

বিৰহু } —বুজিছো দেউতা ?
মনাই }

হাজৰিকা—কি বুজিছ ?

বিৰহু—আমি গাওঁবুঢ়া দেদাইৰ ঘৰলৈ যাব লাগিব।

গাওঁবুঢ়া—অ" তহঁতে গাওঁবুঢ়াক মেল মাতি ৰাইজক থুপুৰিয়াবলৈ কবি। ফণীধৰ আৰু সম্বৰুৱে তহঁতক যিদৰে অপমান কৰিছে, মাটি চহ কৰাত তহঁতক কিদৰে বাধা দিছে সকলো ফঁহিয়াই কবি।

বিৰহু—আৰু আপোনাক অপমান কৰাৰ কথাও কম দেউতা।

হাজৰিকা—বাৰু কবি। আৰু মই নিজেই ৰাইজৰ আগত কম নহয়। সিহঁতক ৰাইজৰ আগত লঘু কৰিবই লাগিব।

মনাই—এৰা। মহাজন দেউতা সিহঁতে আপোনাক চিনি পোৱা নাই। পাব নহয় মজাটো।

(দূৰৈত চাইকেলৰ বেল আৰু টৰ্চৰ পোহৰ পৰে)

হাজৰিকা—হেৰৌ ! কোন আহিছে অ' সেইটো চাইকেলত। বৰ ডাঙৰ টৰ্চ মাৰি আহিছে দেখোন ।

মনাই—কোন হব । সেইটো নিশ্চয় নাওকণ । জিলাৰ পৰা চাদৰৰ পাৰি বেচি আহিল।

হাজৰিকা—কোন নাওকণ অ'—সি বা আমাক একেলগে দেখিলে কি ভাবে । গাঁৱত গৈ কথাটো উলিয়াইনেকি ? হেৰৌ তইঁতক মই গাড়ী ঠেলিবলৈ অনা বুলি কবি ।

(চাইকেলৰ বেল আৰু টৰ্চ লাইট গাত পৰে)

বিৰহ—'হেৰৌ কি বিজুলী মাৰি আহিছ অ', চকু কণা কৰিবি দেখোন ।

(নাওকণ চাইকেল আৰু টৰ্চ মাৰি মাৰি সোমাই আহে)

নাওকণ—অ' তইঁত দেখোন। এ আমাৰ মহাজন দেউতাও দেখোন । কি হ'ল এই সন্ধিয়াখন ক'ৰপৰা ওলালহি ।

হাজৰিকা—মোৰ জীপ গাড়ীখন বাটতে ষ্টাৰ্ট নোহোৱা হৈছে অ' । সেয়ে অলপ ঠেলি দিবলৈ ইহঁত দুটাক পাই মাতি আনিছো।

নাওকণ—ইহঁত দুটাৰে জানো হব। ময়ো যাম নেকি ?

হাজৰিকা—নালাগে তুমি ভাগৰি-জুগৰি আহিছা তুমি নালাগে ইহঁতেই পাৰিব। অলপ ঠেলি দিলেই হব। মোৰ ড্ৰাইভাৰো গাড়ীত আছেই।

নাওকণ—তেন্তে যাওক। লাগিলে মই যাবপাৰো। মোৰ একো অসুবিধা নহয় ।

হাজৰিকা—নালাগে নালাগে । বহুত ধন্যবাদ বোপাই ঈশ্বৰে তোমাৰ মঙ্গল কৰক ।

নাওকণ—ভাল তেন্তে মই আহিলোঁ । (যায়গৈ)

হাজৰিকা—ছিঃ ছিঃ সকলো মিছা হ'ল। মই যে গাঁওলৈ আহিছিলো—এতিয়া কথাটো ওলাই পৰিব ।

বিৰহ—নাই দেউতা নোলায় । ই তেনে ধৰণৰ ল'ৰাই নহয় । নিজৰ কামতেই ব্যস্ত থাকে । তাৰ এইবোৰলৈ কাণ দিবৰ সময়েই নাই । এই আহিল নহয় পুৱাই আকৌ ওলাল । মেল মাৰি ফুৰা তাৰ অভ্যাস নাই । নিজৰ অৱস্থাও কিন্তু বৰ ভাল কৰিছে ।

হাজৰিকা—ই কি কৰে ।

বিৰহ—পাৰি বেচে। চাদৰৰ পাৰি, মেখেলা পাৰি, গুণাৰ সুতাৰ বিধে বিধে ।

হাজৰিকা—হেৰৌ তইঁত তেন্তে ইয়াৰ পৰাই উভতি যাগে যা । মই এইখিনি পাৰিম ! গাওঁবুঢ়াক কিন্তু কথাটো আজিয়ে কবিগৈ।

মনাই—নহয় দেউতা । আপোনাক গাড়ীত তুলি দিহে আমি ওভতিম। আপুনি চিন্তা নকৰিব। গাওঁবুঢ়াক আমি আজিয়েই লগ ধৰিম ।

হাজৰিকা—বল তেন্তে—অলপ বেগ দে ।

(সকলোৱে যায়)

পট পৰে

৪ৰ্থ দৃশ্য

(সাতোলাৰ ঘৰৰ আগচোতাল। সময় পুৱা । সাতোলাই এখন পীৰাত বহি চাৰি এখন মেৰামতি কৰি থাকে। বাহিৰৰ পৰাই গাওঁবুঢ়াই মাত দিয়ে)

গাওঁবুঢ়া—অ' বোলো সাতোলা ঘৰত আছানেহে ?

সাতোলা—আছো, আছো । গাওঁবুঢ়ানে ?

গাওঁবুঢ়া—এৰা মইহে। (সোমাই আহে)

সাতোলা—বহা বহা গাওঁবুঢ়া (নিজৰ চাৰিখন দিয়ে) বহা । পিছে আজিনো কি মন কৰি পুৱাই ওলালাহি ?

গাওঁবুঢ়া—এ, এনেয়ে। পিছে কৰিছানো কি ?

সাতোলা—কিনো কৰিবা। এনেয়ে বহি থকাতকৈ

এই চাৰিখনকে মেৰামতি কৰিছিলো। আজি পিছে মনটোও বৰ ভাল নহয়। উলিয়াই দিয়া ছোৱালীজনীৰ বোলে অসুখ। কালি সিহঁতৰ গাঁৱৰ মানুহ এজনে কৈ গ'ল। এতিয়া মনে নামানে—কিন্তু ধনে নাটে। জানাই নহয় বাছৰ ভাৰাই অহা-যোৱাত দুটকা লাগে। সেইবোৰ ভাবি-চিন্তি নিশাটো টোপনি অহা নাই। পুৱা যেনিহে চকু দুটা অলপ মুদিছো। নাই দিয়া গাওঁবুঢ়া, আমাৰ দৰে মানুহৰ জীৱন ধৰাই মিছা। জানে দেও, ভগৱন্ত পুৰুষেনো আমাক লৈ কি এইবোৰ ৰং চাইছে।

গাওঁবুঢ়া—অ', সেইটোহে চিন্তা? তুমি ইফালে এবাৰ ভাবি নোচোৱা কিয়? ইমান বয়স পালেহি ভগৱন্ত প্ৰভুৱে আমাক এদিনলৈ এসাজলৈ বুলি অনাহাৰত ৰাখিলেনে? এতিয়াও নোচোৱা কিয়—গাঁৱৰ কেইজনৰ দুবেলা দুমুঠি খাবলৈ আছে। প্ৰায়বোৰেই দেখোন টেকেলি সুদা। ডালিম পাতৰ চাহ-পানীৰে কতই জীৱন ধাৰণ কৰি আছে।

ৰবা ৰবা মনত থাকোতেই কামটো শেষ কৰি লওঁ। লোৱা এই ৰূপ দুটকা লোৱা। ধাৰ বুলিও নহয় দেই- এনেয়ে দিছো। তোমাৰ ছোৱালীও যি মোৰ ছোৱালীও সি। তুমি কালিলৈয়ে গৈ এবাৰ চাই অহাগৈ। বেমাৰে-আজাৰে সকামে-নিকামে যদি মাত এষাৰকে নিদিয়া পেটৰ পোৱালি বুলি কৈনো কি লাভ আছে।

সাতোলা—উস্, বৰ উদ্ধাৰ কৰিলা গাওঁবুঢ়া বৰ ডাঙৰ উপকাৰ কৰিলা।

গাওঁবুঢ়া—পিছে এটা কথা, কালি ৰাতি মনাই আৰু বিৰহু আহি এটা গোচৰ দিছে। এখন মেল বহুৱাবলৈ লাগে বোলে।

সাতোলা—কিয়? সিহঁত হালৰ আকৌ কি হ'ল?

গাওঁবুঢ়া—ফণীধৰ আৰু সমৰুৱে যে সেই গোবিন্দ মহাজনৰ মাটিখিনি খাইছে এইবাৰ বোলে সিহঁতক আঁতৰাই মনাই আৰু বিৰহুক খাব দিছে।

সাতোলা—মহাজনে আৰু খেতিয়ক নাপালে। ভাল অবলা চন্দ্ৰ কেইটাক মাটি দিছে। সিহঁতে বাৰু খেতিয়কৰ মূল কি বুজে?

গাওঁবুঢ়া—হওঁতে হয়। পিছে মহাজনৰ মাটি মহা-জনে যাকে নিদিওক সেইটো তেওঁৰ কথা। আমাৰ মূৰ ঘমাবলৈ কিটো হৈছে।

ফণীধৰ আৰু সমৰুৱে পিছে এটা বেয়া কাম কৰিছে নহয়। সিহঁতে বোলে এতিয়া বিৰহু আৰু মনাইক মাটিত নামিবই নিদিয়ে। কালিপুৱা মহাজনে দখল চমজাই দিব আহোতে বোলে মহাজনকো কিবা টান কথা কৈ ওভতাই পঠিয়াইছে।

সাতোলা—অ' কথাটো সেইটোহে। অহকাণে পহকাণে অলপ শুনিছো। পিছে মহাজনে এতিয়া কি কয়?

গাঁওবুঢ়া—হওঁতে মহাজনে আমাক একো কোৱা নাই। কিন্তু গোবিন্দ মহাজন আমাৰ কিবা পৰনে? সকামে-নিকামে তেওঁৰ পৰা কোন গঞাই সদায় সুবিধাটো নাপায় কোৱাচোন। গাওঁখনৰ প্ৰায় আধা মানুহৰ মাটি দেখোন তেওঁৰ তাতেই বন্ধকিত আছে। আমাৰ সোণধৰৰ বিয়াত নিজৰ জীপ গাড়ী দি দৰা-কইনা অনা-নিয়াৰ সুবিধা কৰি দিয়াৰ কথা তুমি দেখোন নিজেই জানা। টানে-মঙ্গিলে ৰূপ একুৰি দুকুৰি বিচাৰি হাত পাতিবলৈও তেঁৱেই হে। হয় নে নহয় বাৰু?

সাতোলা—কথাটো হওঁতে তুমি ঠিকেই কৈছা গাওঁবুঢ়া। মহাজনক আমাৰ গাওঁখনেৰে বেয়া কৰাৰ ইচ্ছা আমাৰ নাই। হাত-দীঘল মানুহ লাগ বুলিলেই কেতিয়াবা হাত

পাতিবলৈকে হব। পিছে গাওঁবুঢ়া, মহাজনক কোৱা—অলপ-অচৰপ হাত জোকাৰক আমি মেল বহুৱাই ফণীধৰ সম্বন্ধক মাতকে হৰিম নহয়।

গাওঁবুঢ়া—এস্ সেইটো কিবা নকৰিম নে? পিছে আগতেনো কেনেকৈ টানি ধৰা। কামটো হৈ গ'লে আমি কিবা অলপ নিশ্চয় আদায় কৰিম।

সাতোলা—পিছে গাওঁবুঢ়া এনেবোৰ কামত আগে লোৱাটোহে বিবেচ্য। কিয়নো আগতে কিবা ললে সেইটো হয় মাননি। পিছত লোৱাটো বকচিচ্। বকচিচ্‌তো আমি বিচৰা মানুহ নহয়। আমাক লাগে মাননি।

গাওঁবুঢ়া—পিছে মেল মাতিবলৈ ধৰিছে, বিৰহু আৰু মনাইহে। সিহঁতক এ কুৰি এ কুৰি দিব লাগিব বুলি কৈছোৱেই। মহাজন আইন আদালত চিনা মানুহ। মেললৈ নাহি আদালতত গোচৰ তৰিলে দেখোন আমাৰ হাতৰো গ'ল পাতৰো হেৰাল। পোনতে মেল বহুৱাই মহাজনকো বান্ধি লওঁ—

সাতোলা—এৰা, এৰা। সেইটোও হয় দেই। আমাৰ গঞাৰ মেল লৈ মহাজনৰ দৰে মানুহেনো কি মূল্য দিব।

গাওঁবুঢ়া—দিয়াব লাগিব। মহাজনক এবাৰ কথাৰে বান্ধি লব পাৰিলে নাকি লগোৱা পেৰা ম'হৰ দৰে ঘূৰাই লৈ ফুৰিব পাৰিম নহয়।

সাতোলা—পিছে মেলনো পাতিব খুজিছা কাহানিকৈ?

গাওঁবুঢ়া—এই একাদশীৰ হালখতিৰ দিনা। অৰ্থাৎ অহা শনিবাৰলৈ।

সাতোলা—ভাল হব। মই ইতিমধ্যে ছোৱালী-জনীৰ ঘৰৰ পৰাও গৈ আহিব পাৰিম। আজি মঙ্গলবাৰহে পৰিছে। হব হব। সেইদিনাই ভাল হব।

গাওঁবুঢ়া—পিছে এটা কথা সাতোলা ফণীধৰ আৰু সম্বন্ধক মেললৈ জান দিয়াৰ ভাৰ তোমাৰ ওপৰতে থাকিল কিন্তু।

সাতোলা—দিম। মই পাকতে আজি সাউত কৰে গৈ সিহঁতক মেললৈ জান দি আহিম। বাকী-বোৰ ৰাইজক একা।

গাওঁবুঢ়া—মই আন কাৰোবাক পাচিম। ইহঁত দুটাক এজন দায়িত্বপূৰ্ণ লোকৰে মতাব লাগিব। সেয়েহে তোমাক পাচিছো। কিয়নো সিহঁত সিদিনা মেলত হাজিৰ নহলে মেল গোটাইতো একো লাভ নহব।

সাতোলা—পিছে মহাজন জানো আমাৰ মেললৈ আহিব?

গাওঁবুঢ়া—আও তেওঁ নাহিলে হবনে? মেলৰ মূৰতে দেখোন তেঁৱেই। তেওঁ সজ্ঞানে-সুস্থিৰে এই মাটি বিৰহু আৰু মনাইক দিব বিচাৰিছে নে নাই? দখল দিবলৈ আহি কি হ'ল তেৱেঁইতো পোনতে সদৰি কৰিব লাগিব। যদি কামটো সঁচা তেতিয়াহে মেল সোধাৰ কথা উঠিব।

সাতোলা—পিছে গাওঁবুঢ়া—মহাজনে এনেদৰে গাঁও-খনত আউল লগাব নালাগিছিল। গাঁওখন আজি কিছুদিন বেছ শান্তিতে আছিল। আকৌ কিবা শনি লাগিল। ইয়াৰ পৰাই দেখিবা দলা-দলি, খেল ফলা-ফলি আৰম্ভ হব। জানো পাই কিহলৈ কি পাতিছে প্ৰভুৱে।

গাওঁবুঢ়া—হওঁতে তুমি ঠিকেই কৈছা সাতোলা। পিছে গাঁৱত এনেদৰে হাই-কাজিয়া, দলা-দলি নহলে আমাৰ দৰে লোক পোচে কোনে? লাগে বুজিছা এইবোৰ ঈশ্বৰ প্ৰদত্ত কথা। আগৰ দিনলৈ মনত নেপেলোৱা কিয়? দিনটোতে দুই-তিনিখন মেল সুধিব লগা নহৈছিলনে?

আমাৰ দেখোন নিমখ-তেলৰ খোৰাক এই মেলৰ সোধাৰ বাবতে ওলাইছিল। আজি-কালি সকলোৰে কাছাৰী চিনি পোৱা হ'ল। গোনেই একেচাটে আদালতত গোচৰ তৰি-বগৈ।

সাতোলা---এৰা সিওতো হলে হয় দেই। লাগে লাগে এইবোৰো লাগে। গাঁৱৰ গঞাও থাকিব মেলুৱৈ মুখিয়ালো থাকিব। তেতি-য়াহে গাঁও ?

গাওঁবুঢ়া---আৰু এটা কথা সাতোলা। এইবাৰ এই সুযোগ ভগৱন্ত প্ৰভুৱে আমাক দিছে। যদি কিবা প্ৰকাৰে মেলত মহাজনৰ মন যোগাব পাৰো---দেখিবা বেঙেনাবাৰী পাতি লোৱাৰ দৰেই হ'ল। কাললৈকে চিন্তি থাকিবা। সেয়েহে মই কওঁ এই মেলত মহাজনৰ ফালে টানি ধৰিব লাগিব বুজিছা।

সাতোলা---সেইটো মই বুজিছো গাওঁবুঢ়া। সেয়েহে কৈছিলো আগতেই অলপ সৰকাব নোৱা-ৰিনে ?

গাওঁবুঢ়া---আও, আকৌ তাকেই কৈছা। মই কৈছো নহয় আগতে হাত পাতিলে আগতেই হাত ধুবও লাগিব। কিন্তু পিছত হাত পাতিলে হাত ধুবৰ আৰু প্ৰয়োজনেই নহব নহয়। ফণীধৰ সমৰুৱেনো আমাৰ কিটো উপকাৰ কৰিব। সিহঁতৰ বাৰু আছে কিটো; কিন্তু মহাজন এলাপেচা মানুহ নহয় দেই। দিল কলিজা সকলো ডাঙৰ।

সাতোলা---এৰা সেইটো হলে হয় দেই।

গাওঁবুঢ়া---পিছে সাতোলা মই এতিয়া উঠোহে। তুমি কিন্তু কথাটো নাপাহৰিবা। এতিয়াই এপাক মাৰি ফণীধৰ আৰু সমৰুক মেলৰ জান দি আহিবাগৈ।

সাতোলা---মই এতিয়াই ওলাম নহয়। গোনতে ফণীধৰৰ ঘৰলৈকে যাম সি অলপ নৰম মানুহ। তাৰ পৰা সকলো কথা বুজ লব পাৰিম। সমৰুৰ ঘৰলৈ গধুলিলৈহে যাম। বাপেক-পুতেক হালেই ওলাই গলে ঘৰত দাং লগোৱাহে থাকে। হবই দিয়াচোন বৰলা মানুহ। ঘৰতেনো কি সোমাই থাকিব।

গাওঁবুঢ়া---পিছে আৰু বৰলাৰ ঘৰ হৈ বেছিদিন নাথাকে। সোনকালেই দেৱী গোঁসানী আহি সোমায়হে।

সাতোলা---কি কোৱাহে গাওঁবুঢ়া ? সমৰুৱে আকৌ বিয়া কৰাব বিচাৰিছে নেকি ? তাৰ দেখোন কাণ সমনীয়া পুতেক এটাও আছে।

গাওঁবুঢ়া---হেঃ হেঃ তুমিও আৰু ভাল মানুহ দিয়া সাতোলা---সেইফালেহে বোৱাইছা। পিছে কথা সেইটো নহয়। তাৰ পুতেক লখুমনে ফণীধৰৰ ছোৱালী মন মেলিছে। জীয়ৰী বোৱাৰীৰ মুখত কথাটো তেনেই সন্তালনী হৈ পৰিছে। যিবোৰহে কথা শুনিছো এতিয়া নাতি-বোৱাৰী দুয়ো একেলগেই ঘৰ সোমায়হি নেকি ?

সাতোলা----অ', কথা তেনে ক'ৰবাত ? হওক, হওক গাওঁবুঢ়া যিহকে নোকোৱা তিৰোতা নাথাকিলে ঘৰ শোভা নাপায়। লাগিলে তিৰি খেদেলীয়েই হওক বা মেদেলীয়েই হওক। পিছে সমৰুৰ ল'ৰা লখুমন দেখাই-শুনাই হলে বৰ লায়কৰ ল'ৰা দেই। ভাল-দৰে পিন্ধি-উৰি ওলালে কোনোবা হাকিমৰ ল'ৰা বুলিহে কব।

গাওঁবুঢ়া---পিছে কামৰ ফালে তথৈবচ। কুটা এডাল নকৰে। সকৰে পৰা মাকে গাৰ বৰণ বগা দেখি বোকাই-পানীয়ে নামিবকে নিদিলে---মাক মৰাৰ পিছতো মৰম কৰি কৰিয়েই ল'ৰাটো গুচালে। এতিয়াও কুটা এডাল ইফাল সিফাল নকৰে। দিনটো বাঁহী বজাই ঘূৰি ফুৰে।

সাতোলা---বাঁহী বজাই কৃষ্ণ গোঁসাই সাজিছে। হওক তেওঁ ষোল্লশ গোপিনীক নহলেও বাঁহী বজাই এজনীকটো বলিয়া কৰিছে। হেঃ হেঃ হেঃ।

গাওঁবুঢ়া---পিছে মই এতিয়া উঠোহে। ফণীধৰ আৰু সম্বন্ধক জান দিবলৈ আকৌ নাপাহৰিবা। গধুলিকৈ এবাৰ এপাক মাৰিবাচোন। আমাৰ কালে সুখ-দুখৰ কথাকে পাতিম।

৫ম দৃশ্য

(গাওঁৰ আলিবাট। বাঁহীৰ সুৰ বিষাদৰ। দেহবিচাৰ বা তেনে ধৰণৰ লোকগীতৰ সুৰ। সাজি-কাচি জিলোলৈ যোৱাৰ বেশত বিৰহ সোমাই আহে। বাঁহীৰ সুৰ হঠাতে বন্ধ হয়।)

লঘুমন---(ভিতৰৰপৰা) হেই হেই! মহাজনৰ বন্ধা, হেই নুশুনা হৈছ---হেই বিৰহ ৰচোন ৰ', এইদৰে তেল টেঙা ঘঁহি ক'লৈ ওলাইছ?

বিৰহ---হেই তই তেনেদৰে নকৰি দেই। কথা বেয়া হব।

লঘুমন---কি কথা বেয়া হব অ?

বিৰহ---তই মোক মহাজনৰ গোলাম বুলিবি কিয়?

লঘুমন---কিয়? তই মহাজনৰ গোলাম নহয় কি?

বিৰহ---ক'ত মহাজনৰ গোলামি কৰা দেখিলি? তইঁত---তইঁতহে দেখোন মহাজনৰ ভতুৱা কুকুৰ।

লঘুমন---কি কলি?

বিৰহ---নকম কিয়? এশবাৰ কম। তইঁতে মহাজনৰ মাটি খাই গলধন বঢ়াইছ নে---মই বঢ়াইছো, হো।

লঘুমন---অ', সেই কাৰণেহে ইমান। মহাজনৰ ভৰিত ধৰি আমাৰ মাটিখিনি কাঢ়ি লবলৈ বিচাৰিছ?

বিৰহ---আমি ভৰিত ধৰি লব বিচাৰিছো নে তইঁতে ভৰিত ধৰি ৰাখিব বিচাৰিছ?

লঘুমন---হেই মুখ চম্ভালি কথা কৰি দেই গোলাম।

বিৰহ---গোলাম গোলাম নকৰিবি দেই লঘুমন। কথা বেয়া হব। কাৰ গোলামি কৰা দেখিছ হো ---

লঘুমন---হেই তই যদি গোলাম নহৱ---গাওঁত অতবোৰ মানুহ থাকোতে ৰাতি জীপগাড়ী ঠেলিবলৈ তোক মাতি নিয়ে যে আনক নিনিয়ে কিয়?

বিৰহ---মই কিবা অকলে গৈছিলো নেকি---মনায়ো গৈছিল দেখোন।

লঘুমন---অ' তইঁত দুয়ো মহাজনৰ গোলাম।

বিৰহ---মনাই আৰু মই একেলগে থাকিলে এনেকৈ কৰিচোন।

লঘুমন---ইস্ ইহঁত দুটালৈ মই ভয়হে কৰিছো। হেই তই সিদিনা পিতাৰ আগত তেনেদৰে কৈছিলি কিয়?

বিৰহ---কি কৈছিলো?

লঘুমন---পঠা ছাগলিৰ দাম কমাই কোৱা বুলি টুটকীয়া কথা লগোৱা নাছিল। হাতৰ পৰা ৰঙা ব্লাউজ আৰু গোন্ধ তেলৰ বটল আনি জুৰনিক দিছো বুলি লগোৱা নাছিলি?

বিৰহ---কৈছিলো। মই কিবা মিছা কথা কৈছিলো নে?

লঘুমন---সঁচা হওক মিছা হওক তই মোৰ কথা লগাবি কিয়? চিনি পোৱা নাই---

বিৰহ---পাইছো যা চিনি? ইস্, সঁচা কথা কলে লাজ পাব যদি সেইবোৰ কাম কৰ কিয়?

লঘুমন---হেই মনে মনে থাক নহলে---

বিৰহ---নহলে কি কৰিবি অ'?

লঘুমন---লোকৰ বদনাম কৰি ফুৰা এই মুখখন একোটা খোচতে বেঁকা কৰি দিম জনা নাই।

বিৰহ---হেই ডাঙৰ সৰু নামানা হলি নহয়নে? তই এনেদৰে কৈছ?

লঘুমন---কৈছোহে নে? চাওঁ তোৰ দাঁত দুটা ভাঙি দিওঁ।

(ধৰে, দুয়োৰে টনা-আজোৰা লাগে)

বিৰহ---হেই এৰি দে এৰি দে। নহলে কথা ভাল নহব একা।

লঘুমন---(এৰি দি) যা বাৰু এইবাৰলৈ এৰিলো। আৰু যদি এইদৰে বদনাম ৰতি ফুৰ তেন্তে কিন্তু ভাল নহব বুজিছ? যা----

বিৰহ---(অলপ আঁতৰি গৈ) এই একাদশীৰ দিনাই তহঁতৰ চাউল উকলিব যা। তেতিয়া বুজিবি বিৰহ কিমান পানীৰ মাছ।

লঘুমন---কি কলি? (বিৰহ পলায়) পলালি? বৰ মতাটো ওলাইছ। বাৰু বাটত আগলৈ তোক লগ নেপাম বুলি ভাবিছ। কালৈ এৰিলেও মই তোৰ পিছ নেৰো বুজিছ।

(আন ফালৰ পৰা সাতোলা সোমাই আহে)

সাতোলা---হেৰৌ এইটো লঘুমন নেকি অ'। অকলে অকলে কাকনো বকিছ? কি হৈছে?

লঘুমন---নাই দেদাই এনেয়ে। পিছে ক'লৈনো ওলালি।

সাতোলা---ওলাইছো ৰহ,---তোৰ পিতাৰ ঘৰত আছেনে নাই অ'?

লঘুমন---নাই দেদাই। 'আজি পুৱাতে চিলাপথাৰলৈ খেৰ কাটিবলৈ ওলাই গৈছে। ঘৰত নাই। গধূলিলৈহে উভতিব।

সাতোলা---ভাত-পানী খালি হবলা?

লঘুমন---এ, কিনো ভাত খাবি দেদাই। পুৱাতে জকৰা ভাত কেইটামান খাই পিতাই ওলাই গ'ল। অকলে ৰান্ধিনো কি খাবি।

সাতোলা---এৰা এৰা। ৰবলা ভাত খাইনো কি সুখটো পাবি? পিতাৰক মই সদায় কৈ থাকো বোলো লঘুমনৰ বিয়াখন পাত। ঘৰত এজনী মাইকী মানুহ নেথাকিলে ঘৰৰ শ্ৰী নধৰে। কেৱল শলাগি থয়। কৰিব লগীয়া কামটো হলে নকৰে।

লঘুমন---আমাৰ দৰে মাওৰা ল'ৰালৈ কোনেনো ছোৱালী দিব দেদাই।

সাতোলা---কিয় নিদিব অ' বাপ বুলি দিব। তোৰ দৰে লায়কৰ ল'ৰালৈ ছোৱালী নিদি পাৰেনে? বিয়া কৰাওঁ বুলিলে সকলোৱে ছোৱালী যাচিব। মই কিন্তু তোৰ কাৰণে ছোৱালী চাই থৈছো দেই।

লঘুমন---হয়নে?

সাতোলা---মই কিবা কথাটো এনেয়ে কোৱা বুলি ভাবিছ নেকি? মই এবাৰ কথাটো তোৰ পিতাৰৰো কাণত পেলাইছিলো। পিতাৰেহে একো মন-কাণ নিদিলে।

লঘুমন---দেদাইনো আমালৈ ক'ৰ ছোৱালী বাচিলে?

সাতোলা---কিয় আমাৰ গাওঁৰে ফণীধৰৰ ছোৱালী জুৰণি। তহঁত দুটাক কিন্তু ঈশ্বৰে যোৰ বান্ধি পঠাইছে যেন লাগে। এনে মিলিব!

লঘুমন---দেদাই, বিৰি এটা খাবিনে?

সাতোলা---আছে যদি দে আকৌ।

লঘুমন---ধৰ দেদাই। এই মুঠাকে লৈ যা। মই পিতাইলৈ বুলি আনিছিলো। আকৌ এমুঠি আনিম।

সাতোলা---মই বাৰু বেয়া ছোৱালী চালোনে? তই দেখোন একোকে নকলি অ' লঘুমন।

লঘুমন---দেদাই---(নিমাত)

সাতোলা---হেৰৌ সেমেনা-সেমেনি কৰি থাকিলি দেখোন? ক' আকৌ?

লঘুমন---দেদাই। তই সৰবজান। তই মোৰ কলিজাৰ কথাকে কৈছ? মই তোক কৈছো

দেদাই ভুৰনিক নাপালে মই আত্মঘাতী হ'ম। তাই মোৰ কলিজা তুমি আছে দেদাই। তাইৰ মন যোগাবলৈ মই নকৰা কাম নাই। আমাৰ গাওঁৰ সেই বজাদিনীয়া হাঁহচৰা পুখুৰীত কাল সাপ আছে বুলি কোনেও তাত নামিবকে সাহ নকৰে—মই সেই পুখুৰীত সাঁতুৰি মাজ পানীৰ পৰা পদুমৰ চকা আনি খুৱাইছো।—আৰু দেদাই সেই গড়ৰ মূৰৰ ঔ জোপাত ভূত আছে বুলি মানুহ তলেদিও যাব নোখোজে—মই সেই ঔ গছত উঠি একেবাৰে মূৰৰ পৰা ঔ পাৰি তাইক আনি দিছো ?

সাতোলা—হয়নে ?

লঘুমন—তাইৰো মন আছে দেদাই। কিন্তু থাকিলে কি হব। মাউৰাৰ কপালত কণা বিধাতাই ইমানখিনি সুখ লিখিবনে ? মোৰ নিজৰ পিতায়েই বাধা হৈ পৰিছে।

সাতোলা—কিয় ?

লঘুমন—পথাৰখনলৈ।

সাতোলা—পথাৰখন লৈ আকৌ কাজিয়া কিহৰ ?

লঘুমন—আজি কেইবাবছৰো আমি দুয়ো ঘৰে মহাজনৰ মাটি খাই আছো নহয়। এইবাৰ খৰাং বতৰৰ কাৰণে পানীৰ অভাৱ হ'ল। আমাৰ মাটিভৰা নামনিত—সিহঁতৰ ভৰা অলপ ওখ মাটি। ভুৱনিৰ বাপেকে সেই জানটো ওপৰতে বান্ধি তললৈ পানী বাগৰিব নোৱৰা কৰি থৈছিল। ফলত আমাৰ ধান-ভৰা পানী নাপাই ৰঙা পৰি গ'ল। পিতায়ে কতনো খাতিৰ ধৰিলে এদিন দুদিনৰ কাৰণে জানটো ভাঙি দিবলৈ। নুশুনে। পিছে পিতায়ে বান্ধটো কাটি দিবলৈ গ'ল। দুয়ো কিদৰে গজি উঠিছিল মোৰ দেখিয়েই শেটতে হাত ভৰি নুকাল। সিদিনা ভগৱন্ত প্ৰভুৱেহে ৰক্ষা কৰিছে।

সাতোলা—পিছে ?

লঘুমন—পিছে আমি দুয়োঘৰে খুঁজি থাকোতেই মহাজনে মানুহ লগাই গোটেই ধান কাটি লৈ গ'ল। পিছে দেদাই, দেখিছো ঈশ্বৰ আছে। প্ৰজাপতিয়ে জানো মোলৈ চকু মেলি চাইছে নেকি ?

সাতোলা—অ' ক'চোন বাক কি হ'ল ?

লঘুমন—এইবাৰ মহাজনে আমাৰ দুয়োঘৰকে মাটি নিদি বিবহু আৰু মনাইক দিব খুজিছে। এতিয়া আমাৰ দুয়োঘৰ লগ হৈছে। আজি ৭।৮ দিনে মনাই আৰু বিৰহুক মাটিত হাল জুৰিবকে দিয়া নাই। পিতাই আৰু ফণীধৰ কায়ে একেলগে পহৰা দি থাকে।

সাতোলা—হেই কি কয় অ' এইটোৱে। ফণীধৰক তই ককাইহে বুলিলি। ছিঃ দায় লগা কাম কৰিবি দেখোন। অ'—ককাই নুবুলি শহুৰ বুলিবি।

লঘুমন—দেদাইয়ো যে আৰু ? (লাজ কৰে)

সাতোলা—অ' সেয়েহে হবলা বিবহু আৰু মনাইয়ে গাওঁবুঢ়াৰ আগত গোচৰ দি মেল বহুৱাব বিচাৰিছে।

লঘুমন—সিহঁতে মেল মাতিছে ?

সাতোলা—অ' গাওঁবুঢ়াই অহা একাদশীৰ দিনাই মেলৰ জান দিছে। সেই কথা লৈয়েইময়ো ওলাই আহিছো। ফণীধৰ আৰু তোৰ পিতাৰক মেলৰ জান দিবলৈ। পিতাৰ ঘৰত নাই বুলিছ যেতিয়া মই ফণীধৰৰ তালৈকে যাওঁ। পিছে কিবা ফুৰচত পালে তোৰ বিয়াৰ কথাটোও কাণ চোৱাম।

লঘুমন—কবি দেদাই। এবাৰ কাণ চোৱাই চাছোন কি কয় ? মেল মাতিছে অ' সেয়ে বিবহুৱে একাদশীৰ দিনা মজাটো পাবি বুলি বিতিয়াই গ'ল। আগতে কথাটো জনা হলে তাৰ কলিজাটোকে আজুৰি আনিলোহেঁতেন।

সাতোলা—হেই সেইবোৰ নকৰিবি। ঈশ্বৰ আছে নহয়। এইবোৰ কৰিলে তোৰ শুভকাৰ্যত বিঘিনিহে হব। ৰাইজ আছে নহয়। ৰাইজৰ ৰায় কেতিয়াও ভুল নহয় বুজিবি। য'তেই ৰাইজ ত'তেই ভগৱান বুজিছ। বাৰু মই যাওঁ দে—ফণীধৰৰ তাৰপৰাই আহো।

লখুমন—দেদাই কথাটো উলিয়াবি কিন্তু। কি কয় মই তোৰ তালৈ গৈ দুপৰীয়া বুজ লম। বাৰীত কেইবাটাও পানীলাও লাগিছে তাৰে এটা লৈ যাম যা। আৰু দেদাই তই যদি কামটো পোনাই দিব পাৰ—বিয়াৰ দিনা পিতা, শহুৰ-শাহুৰ লগতে তোকো এখন ধনীয়া কাপোৰ দি মান ধৰিম যা।

সাতোলা—হব যা, ঈশ্বৰে কাৰো শুভকামত হেঙাৰ নিদিয়ে। কিন্তু তোক হলে মই কৈছো মেলত যি হয় হওক তই কিন্তু এইবোৰ কথাত বেছি মন-কাণ নিদিবি। তোৰ এতিয়া ঘৰ পতাৰ সময়—সেইটোহে আগ বুজিছ ?

লখুমন—বুজিছো দেদাই। তই মন কৰিলে কামটো সিজিব যেন পাইছো। গধূলি আমাৰ ফালে যাবি নহয়----

সাতোলা—অ' যাম যাম।

লখুমন—মই কিন্তু দুপৰীয়া তোৰ তালৈ এপাক মাৰিম।

সাতোলা—আহিবি—পানীলাওটো আনিবলৈ নাপাহৰিবি আকৌ—।

লখুমন—অ' নাপাহৰো যা—

(সাতোলা অহা বাটে—লখুমন আনফালে বাঁহী বজাই বজাই আঁতৰি যায়)

পট পৰে

৬ষ্ঠ দৃশ্য

(ফণীধৰৰ ঘৰৰ চোতাল—ফণীধৰ আৰু নাওকণ চোতালৰ আগত দুটা মূঢ়াত বহি কথা পাতি থকা দেখা যায়)

নাওকণ—ককাই—জুৰণিয়ে বোৱা কাপোৰ আৰু পাৰিৰ চাহিদা দিনে দিনে বাঢ়ি গৈছে। বৰুৱা হাকিমনীৰ ঘৰত কেৱল এনে ধৰণৰ চাদৰ আৰু পাৰিহে লাগে। মই কৈছো আমাৰ গাঁৱত কাপোৰ বোৱা কল-কাৰখানা নাই—শালত হে বোৱে—তেওঁলোকে নবুজে নহয় আৰু পাঁচটা পাৰি লাগেই। অলপতে বোলে দুখনো বিয়া আছে। (চিঞৰি মাতে) জুৰণি। হেৰৌ কি কৰ। মোৰ পলম হৈ যায়। আছে যদি সোনকালে দে।

জুৰণি—(ভিতৰৰ পৰাই কয়) বহচোন নাওকণকাই। ইমান লৰালৰি কৰিলে কেনেকৈ হয়। (ওলাই তামোলৰ বটা দিয়ে) এইয়া তামোল কাটচোন পিতাই। মই চাহপানী বহাইছো।

নাওকণ—হেৰৌ মোক চাহপানী নালাগে। মই পুৱাই দুটামান ভাত খাই ওলাইছো। এতিয়াই লাঞ্চ ধৰিবগৈ লাগিব। চাহ নাখাওঁ সময় নাই। সেই আগৰ দৰে পাৰি দুটামান আছে যদি দে—যাওগৈ।

জুৰণি—তোৰ চাহ খাবৰ সময় নাই যদি মোৰো পাৰি দেখুৱাবলৈ সময় নাই যা। ইস্ বৰ গোটেই সদাগৰটো ওলাইছে এখন্তেক বহিবলৈ সময় নাই।

নাওকণ—সদাগৰ হব পাৰিলে তহঁতৰ ঘৰলৈ এনেদৰে আহোনেকি ? কি কৰ ককাই।

ফণীধৰ—বাৰু বহচোন। চাহপানী বহাইছে—এচোক খাই যা। মই হলে এইবাৰ একো বুজ নাপাওঁ। কোন পলকত পাৰি বয়—এইবোৰ মই তৎ ধৰিবই নোৱাৰো।

নাওকণ—তাইৰ কিন্তু বোৱণী স্বৰূপে চহৰত বেছ নাম হৈছে। সকলোৱে কেৱল জুৰণিয়ে বোৱা পাৰিহে বিচাৰে। মেখেলা-চাদৰৰ পাৰিত তাইৰ নাম 'পেটেণ্ট' হৈ পৰিছে।

জুৰণি—(কিছুমান পাৰি আৰু চাদৰ লৈ) ই, এইবোৰ পাৰি, এই তিনিখন চাদৰ। পছন্দ হয় নে নহয় চাই ল—মই চাহ আনো।

(ভিতৰ সোমায়)

নাওকণ—আও ইমানবোৰ পাৰি থাকোতেও তাই নাই নাই কৰি আছে চোৱা (ভিতৰলৈ চাই) হেৰৌ এইবোৰ তোৰ বিয়ালৈ সাঁচিছ নেকি?

ফণীধৰ—বিয়াৰ কথা নকবি অ' নাওকণ। বিয়াৰ কথা শুনিলেই মোৰ মূৰটো ৰাইজাই কৰে। উঃ সেই সময়ৰ ছোৱালীজনী উলিয়াই দিওঁতে ৰাইজে ইমানকৈ টানি ধৰিলে—কইনা-দানৰ ভোজ দিবলৈ সি বাধ্য হ'ল। ঘৈণীয়েকৰ শৰাধতো তাৰ প্ৰায় সকলো শেষ হৈছিল। উপায় নাপাই মাটিখিনি বন্ধকত থৈ সি এতিয়া মহাজনৰ ৰায়ত হৈছে। আমাৰতো কথাই নাই—পিতায়ে মোৰ বিয়াতেই মাত্ৰী-বাৰী আনকি হালৰ বলধহালো বেচি সাং কৰিলে। সেয়ে বিয়াৰ কথা শুনিলে বং লগাতকৈ যম দেখাদিহে দেখো।

নাওকণ—ঠিকেই কৈছ ককাই। এইবোৰ ব্যৱস্থা মনাৰ গঞাই এৰিব লগা হ'ল। শক্তি চাইহে ভক্তি। বিয়া-বাৰুত এই ধুম-ধুপাল নকৰি নামঘৰতে দৰা-কইনাই সেৱা কৰি ৰাইজৰ আশীৰ্বাদ ললেই হোৱা কৰিব লাগে। ঘৰ মাটি বেচিনো কোনোবাই বিয়া সকাম পাতেনে?

ফণীধৰ—মুখত কব পাৰি। দেখিম নহয় তোৰ বিয়াৰ সময়ত। তোৰ ধন-বিতো হৈছে—তই কম জা-যোগাৰ কৰিবিনে? চহৰৰ পৰাও পকা মিঠৈ আনিহে কিজানি ৰাইজ সোধ?

নাওকণ—ককাই! তাৰ আগতেই ইয়াৰ এটা মূধা মাৰিবলৈ আমি সংঘই আলোচনা-বিলোচনা কৰিছো। এইবোৰ চলিব দিয়া নহব। আমাৰ চুবুৰিৰ পানীমল কাইলৈ চাচোন। যোৱা বছৰ তাৰ ঘৈণীয়েক মৰিল। আগৰবাৰ হাইজাত তাৰ জোৱান ল'ৰাটোও চুকাল। অৱস্থা নাই—ঘৈণীয়েকৰ সকামত খাহী মাৰি ভোজ নিদিলে ৰাইজে তাক এঘৰীয়া কৰি ৰাখে—ৰাইজক ভোজ-ভাত নুখুৱালে হেনো তাৰ মূখৰ দায় মচা নাযায়। এতিয়া কি হৈছে জানো ককাই?

ফণীধৰ—কি হৈছেনো?

নাওকণ—পানীমল কায়ে জিলালৈ গৈ ভিক্ষা কৰি ফুৰে।

ফণীধৰ—এস্ এইবোৰ বৰ আহুকলীয়া ব্যৱস্থা অ'।

নাওকণ—এইবোৰ নুঠালে গঞা ৰাইজ নিগমে মৰিব একা। আৰু যে কিছুমান চং ওলাইছে। গাঁওবুঢ়া কায়েনো সোমধৰৰ বিয়াত এইকণ বাট যাবলৈ মহাজনৰ জীপগাড়ী খুজি বৰ মানুহটো দেখুৱাব লাগেনে?

ফণীধৰ—গাঁওবুঢ়াৰ কথা নকবি। তেওঁ পৰৰ পালে জৰৰ গাৰে খোৱা মানুহ।

জুৰণি—(চাহ আনে) চাহ ধৰ ককাইটি—হ'ল পিতাই।

ফণীধৰ—দে।

নাওকণ—হেৰৌ তোৰ আটাইকেইটা পাৰিকে মই লৈছো। কালিলৈ পুৱাই দাম দি যাম। যদি অলপ আগধন লাগে দি যাবও পাৰো। দাম কিন্তু আগৰ দৰেই পাবি। হো অলপ দি যাওঁ। পিছে চাদৰ কেইখনৰ দাম কি কৰিছ?

জুৰণি—কিমান পামনো ?

নাওকণ—২২।২৪ টকা পাবি।

জুৰণি—তেন্তেনো কিটো পাম ? সূতা-লেতা আৰু বোৱণীৰ মজুৰিয়ে নুঠে দেখোন।

নাওকণ—বহচোন চাওঁ। "গৰগঞা কটাৰীৰ ডাৰেও কাটে।" বুজিছ। তোৰ বোৱা চাদৰ বুলিলে কিজানি দাম বেছি উঠেই।

জুৰণি—বুজিছ কাইটি ৩০ টকা পালেহে দিবি। নহলে সেই দামত মই গাঁৱতে বেচিব পাৰিম।

নাওকণ—হ' ককাই ল—এই চল্লিশ টকা দিছো এতিয়া। —বাকীখিনি

ফণীধৰ—হেৰৌ তাইৰ ভাগৰ টকা তাইৰ হাততে দে।

নাওকণ—হ'ল। (টকা দিয়ে—জুৰণিয়ে লয়)

জুৰণি—ঐ জিলাৰ পৰা অলপ ভাল গুণা পাব যদি আনিবিচোন।

নাওকণ—আজি আৰু সময় নহব; এতিয়া দুই বজাৰ ফেৰি জাহাজতহে পাৰ হব পাৰিম। সময় নাপাম। কালিলৈ আনি দিম বাৰু। চাওঁ ককাই এখন তামোল দেচোন।

সাতোলা—(ভিতৰৰ পৰা) অ' বোলো ফণীধৰ আছ নে অ'।

ফণীধৰ—সাতোলা কাইনে ? আহো আহ—সোমাই আহ। (সাতোলা সোমাই আহে—বহিব খোজোতেই নাওকণক দেখি)

সাতোলা—আও—এইটো আমাৰ নাওকণ নহয়নে ? হেৰৌ তোক দেখোন দেখিবলৈকে নোপোৱা হলো। অ' হয়তো আজি এমাহ কি দুমাহ হ'ল ইয়াৰ ছাঁটোকে দেখা নাই।

নাওকণ—কেনেকৈ দেখিবি সদাই। পুৱাই গাঁও এৰি ওলাই যাওঁ, ৰাতি আহি ঘৰ সোমাওঁ কেনেকৈ দেখিবি ? মযো তোক সেই পানী-মলৰ ঘৈণীয়েকৰ শৰাধতে লগ পাইছিলো। তাৰ পিছত আৰু এই দুমাহে তোকো লগ পোৱা নাই।

সাতোলা—হওঁতে কিন্তু মই তোৰ খবৰ লৈ আছো। তই জিলাত বেপাৰ কৰি ধন-বিত অৰ্জাৰ কথাও শুনিছো। হক দে বণিজত হে লখিমী আছে বোপাই।

ফণীধৰ—জুৰণি, সাতোলা কাইকো চাহপানী এবাটি দে।

সাতোলা—হব হব দেচোন। পিছে তোৰ ভালনে ?

ফণীধৰ—ক'ত ভাল ? মহাজনে পথাৰৰ পৰাই সকলো ধান কাটি নিলে। এইবাৰ এই-কেইটা দিন তৰো কেনেকৈ তাকেই ভাবি উৱাদিহ পোৱা নাই।

সাতোলা—পথাৰৰ পৰা ধান কাটি নিছে। কি অন্যায়। কিয় কাটি নিলে ?

ফণীধৰ—আজি দুবছৰে ধান দিয়া নাই বুলি। এইবাৰ মোৰ আৰু সম্বন্ধৰ মাটিৰ ধান মানুহ লগাই কটাই লৈ গ'ল। সিমানতে এৰিলেও ভাল আছিল। পিছে এইবাৰ আকৌ মাটিখিনিকে খাবলৈ নিদিয়ে বুলিছে।

সাতোলা—নিদি কি কৰিবি ?

ফণীধৰ—সেই মাটি খাবলৈ মনাই আৰু বিৰহক দিছে। সিহঁত এই কেইদিন হাল জুৰিবলৈ আহি আছে। পিছে আমি হলে সিহঁতক সেই মাটিত নামিবলৈ দিয়া নাই।

সাতোলা—অ' এতিয়াহে উৰহি গছৰ ওৰ পাইছো। অ' সেয়েহে মনাই আৰু বিৰহয়ে মেল বহুৱাবলৈ বিচাৰিছে।

ফণীধৰ—মেল ? কি মেল পাতিব বিচাৰিছে ?

সাতোলা—মনাই আৰু বিৰহৰে গাঁওবুঢ়াৰ ওচৰত এই বিষয়ে গোচৰ দিছে—গাঁওবুঢ়াই ৰাই-জক মাতিছে কিবা এটা সুবিচাৰ কৰি দিবলৈ।

নাওকণ—মহাজনে এইবোৰ কি আউল লগাই ফুৰে নেজানো পাই। গাঁওখন শান্তিত থাকিব মিদিয়ে। মহাজনৰ কিটো বাৰু নোহোৱা হৈছে। সম্বৰু আৰু ফণীধৰে কাইৰ ধানখিনি এনেদৰে কটাই নিব পাইনে? যোৱা দুবছৰে কোনেনো ফচল চপাব পাৰিছিল? মথাউৰি ভাঙি বানপানী হোৱা মহাজনে দেখা নাছিলনে?

সাতোলা—সিইঁতে কিয় মৌজাখনৰ কোনেও ধান চপাব নোৱাৰিলে। ময়োতো মৌজাদাৰৰ মাটি খাওঁ—মৌজাদাৰে হলে মোৰ পকা ধানত চকু কৰা নাইদেই।

নাওকণ—তেনেহলে এতিয়া আকৌ মেল পাতিবলৈ আহিছে কিয়?

সাতোলা—নাই অ' মহাজনে মেল পতা নাই। মনাই আৰু বিৰহয়েহে গোচৰ তৰিছে।

নাওকণ—মহাজন নিশ্চয় গুৰিত আছে। মই কালি গধূলি জিলাৰ পৰা আহোঁতে আমাৰ চুবুৰিৰ কেঁকুৰিটোৰ মুখতে বিৰহ আৰু মনাইৰ লগত মহাজনক লগ পাইছিলো। এইবোৰ সকলো মহাজনৰ বুদ্ধি। ঈশ্বৰে ভাল ৰক্ষা কৰিলে। পিতাই ঢুকোৱাৰ পিছতে মই মহাজনৰ মাটি এৰি দি বেপাৰত ধৰিলো। এতিয়া মুকলি মনে আছো—খাইছো। নহলেও নাই। মই পিতাই থাকোতেই মহাজনৰ ৰেহৰূপ দেখিছিলো নহয়। নহলেনো মাটি এৰি দিওঁনে?

ফণীধৰ—ইমান দিনে তেও এসন্ধ্যা হলেও খাইছিলো। তাৰো মুদা মাৰিব খুজিছে। ৰাইজে যদি মেলত মহাজনৰ ফালে ৰায় দিয়ে তেন্তে আমি দেখোন নিগমে মৰিলো।

সাতোলা—হেৰৌ মেল বহিল বুলিয়েই ৰাইজে তহঁতৰ বিপক্ষে ৰায় দিব বুলি কিয় ধৰি ললি। কথাটোনো কি ৰাইজে জানক। ৰাইজৰ ৰায় কেতিয়াও অশুদ্ধ নহয়—ৰাইজ য'ত ভগৱানো ত'ত।

নাওকণ—পিছে আমি মেল চাব পাৰিম নে নোৱাৰিম।

সাতোলা—কিয় নোৱাৰিবি। ৰাইজৰ মেলত সকলোৱে বহিব পাৰিব। সকলোৱে মতামতো দিব পাৰিব।

নাওকণ—মেল কাহানিকৈনো বহিব?

সাতোলা—শনিবাৰে—একাদশীৰ হালখতিৰ দিনা।

নাওকণ—সেইদিনা মেলকে চাম। আমি কিন্তু সংঘৰ ডেকা ল'ৰাসহ আহিম। (যায়গৈ)

সাতোলা—পিছে এটা কথা শুনিছো ফণীধৰ! সঁচানে?

ফণীধৰ—কি?

সাতোলা—জুৰুণিৰ বোলে বিয়া পাতিছ?

ফণীধৰ—কোনেনো কলে অ' ককাই। ধাৰৰ বোজাত কঁকাল বেঁকা হৈ আছে। আকৌ বিয়া? তাতে আকৌ এইবোৰ চিন্তাতে জুয়ে পোৰাদি মৰিব ধৰিছো।

সম্বৰু—(ভিতৰৰপৰা) অ' ফণীধৰ। ফণীধৰ ঔ।

ফণীধৰ—কোন অ' সেইটো সোমাই আহ (সম্বৰু আহে) হোঃ সম্বৰু দেখোন।

সম্বৰু—অ' সাতোলা কায়ো আছ দেখোন।

সাতোলা—হেৰৌ তই দেখোন খেৰ কাটিবলৈ গৈছিলি?

সম্বৰু—গৈছিলো। ভোগাইৰ লগত পুৰাই ওলাই গৈছিলো। পিছে চিলা পাহাৰ পাইছোগৈ মাথোঁ—ভোগাইৰ এনে এটা পেটৰ বিষ উঠিল—কি কৰি মই তাতেই তাৰ জীৱটো ওলাই যায় যেন দেখিলো।

ফণীধৰ—পিছে?

সম্বৰু—পিছত তেও অলপ সকাহ পালে। সেয়ে তাক লৈ উভতিলো।

সাতোলা—খেৰ কটা আৰু নহ'ল ।

সম্বৰু—তাক তাতে পেলাই থৈ কি খেৰ কাটিবি ? তাক লৈ উভতিলো । আহি ঘৰত শুনিলো — তই বোলে কিবা মেল পতাৰ কথা কৈ আহিলি ? পিছে কোনেনো কি মেল পাতিছে ?

সাতোলা—মনাই আৰু বিৰহুৱে গাঁওবুঢ়াৰ আগত তোৰ আৰু ফণীধৰৰ বিপক্ষে গোচৰ দিছে। মহাজনে বোলে তহঁতৰ মাটিখিনি এৰুৱাই সিহঁতক দিছে। তহঁতে বোলে সিহঁত দুটাক মাটিত নামিবকে নিদিয় ?

সম্বৰু—নিদিমতো ? কিয় দিম ? সিহঁত সেই মাটিত নামিলে কোবাই সিহঁতৰ ভৰি ভাঙি দিম । যি হয় হব। নাখায় মৰাতকৈ জেলৰ ভাত খায়ে মৰিম ।

ফণীধৰ—এৰা, সম্বৰুৱে ঠিকেই কৈছে । এনেদৰে জীয়াই থকাতকৈ নথকাই ভাল ।

সাতোলা—তেনেকৈ নকৰিবিচোন । হেৰৌ ৰাইজে যিটো কৰিব সকলোৰে ভালৰ কাৰণেই কৰিব। ৰাইজৰ ৰায় সদায় শুদ্ধ হবই ।

সম্বৰু—ৰাইজৰ মেল বুলিয়েইতো যাম। নহলেতো গোচৰ তৰা হওক ঘৰতে কোবাই থৈ আহিলো হয় ।

সাতোলা—সম্বৰু । তোৰ সকলো কথাই ভাল, এই খংটোৱেই তোৰ বেয়া । মনত নকৰ কিয় ? সিবাৰ বংশীৰামৰ বোৱাৰীয়েকে ৰৰজনাকক গালি পৰা মেলখনত ৰাইজে যিটো মীমাংসা কৰিলে তই মনত কৰচোন। কেনে সুন্দৰ ৰায় হ'ল।

সম্বৰু—মই সকলো বুজিছো । সেইবোৰ মেলত মান হানি, ইজ্জত হানি এইবোৰৰ বিচাৰ হৈছিল কিন্তু এইবাৰ আমাৰ পেটৰ ভাত-মুঠিত হাত দিয়া নাইনে? কোনে সহ্য কৰিব। মহাজনে দেখোন বৰ ফাঁই দেখুৱাইছিল মোকৰ্দমা কৰিব—এতিয়া নকৰে কিয় ?

সাতোলা—তইনো আকৌ এইবোৰ কি কৈছ ? মহাজনে কি কৰে কি নকৰে কোনে বুজ লৈছে । এই মেল বিৰহু আৰু মনাইহে মাতিছে ।

ফণীধৰ—মহাজন মেললৈ আহিবনে নাহে ?

সাতোলা—আহিব লাগিব । মহাজনে আহি কবহি লাগিব —কিয় তহঁতৰ পৰা মাটি এৰুৱাই বিৰহু আৰু মনাইক মাটি দিব বিচাৰিছে । নতুবা কিজানি সিহঁতে মিছায়ে মাটি দিয়া বুলি কৈছে ।

সম্বৰু—আহক বাপেকে যদি বৰ কথা কয় ময়ো সুদাই নেৰিম—বৰ মহাজনটো ওলাইছে । একেবাৰে ভেদ ভাঙি দিম ।

সাতোলা—হেৰ সম্বৰু । অলপ ঠাণ্ডা হচোন । তই ঠিক জানিবি মহাজনে কৰো বুলি কাৰো একো কৰিব নোৱাৰে । তয়ো কৰো বুলি একো কৰিব নোৱাৰ । সকলো ঈশ্বৰৰ ইচ্ছা । ভাগ্যত যি লিখা আছে সেয়েহে হব।

ফণীধৰ—এৰা, সাতোলা কায়ে ঠিকেই কৈছে সম্বৰু। এতিয়া আমি ৰাইজৰ লগত জেদ পাতি কিটো হব । ৰাইজৰ মেললৈ যোৱাটোহে সমীচীন হব ।

সাতোলা -ফণীধৰে আচল কথাটোকে কৈছে ।

সম্বৰু—তেনেহলে যামেই দে । মহাজনেনো কি কয়, ৰাইজেনো কি কৰে, তাকেই চামলৈ । (চাহ তিনি বাতিৰে আনি জুৰণিৰ প্ৰবেশ। চাহ ভগাই দিয়ে। সকলোৱে খায় —লগে লগে)

পট পৰে

৭ম দৃশ্য

(বৰ নামঘৰৰ সন্মুখ। ৰাইজ মেললৈ বুলি থুপ খাইছে। মহাজন, গাঁওবুঢ়া, সাতোলা, ফণীধৰ, সম্বৰু আদি কৰি গাঁৱৰ সকলো ভাগে ভাগে বহিছে। মাজত গাঁওবুঢ়া প্ৰধান মেলুৱৈ হিছাপে বহিছে। একাষত লম্বুমন, নাওকণ আৰু সংঘৰ ডেকাহঁত বহিছে---তুৰণিকে আদি কৰি গাঁৱৰ গাভৰু আৰু বোৱাৰী-দাৱণী সকলেও আঁতৰৰ পৰা মেলৰ ৰেহ-ৰূপ চাবলৈ আহিছে। সভাস্থলী ঠাহ খোৱাৰ দৃশ্য। পৰ্দা উঠাৰ লগে লগে দেখা গ'ল হাজৰিকাই নিজৰ বক্তব্য দাঙি ধৰিছে।)

হাজৰিকা---এইখন সোণালী পাম গাঁওলৈ মোৰ মৰম আছে। কাৰণ এইখন গাঁৱৰ পথাৰৰ লখিমীয়েই মোৰ নিজ পৰিয়ালৰো লখিমী। এইখন গাঁৱৰ মাটিৰ লগত মোৰ তেজৰ সম্বন্ধ। এইখন গাঁৱৰ ৰাইজক মই শ্ৰদ্ধা কৰো। সেয়ে গাঁওবুঢ়াৰ পৰা ৰাইজৰ মেলৰ বাতৰি পাই মই লৰি আহিছো। মই নিজে কিন্তু জিলাৰ বৰ হাকিমৰ ওচৰত গোচৰ দিব বিচাৰিছিলো। কিন্তু যেতিয়া শুনিলো ৰাইজে এই কথা লৈ মেল পাতিছে, মই ৰাইজৰ এজন বুলি গোচৰ তৰাৰ কথা এৰি দিলো। কিয়নো জিলাৰ বৰ হাকিমতকৈ এইখন গাঁৱৰ ৰাইজ মোৰ মানত ডাঙৰ।

ৰাইজ---এৰা, এৰা। মহাজন দেউতাই উচিত কথাকে কৈছে।

হাজৰিকা---মই চহৰত থাকিলো কি হ'ল? গাঁৱৰ কোনোবা উৎসৱ-আনন্দত মই সহযোগ নকৰাকৈ আছোনে? বিহু, পালনাম, মহাপুৰুষৰ তিথি আদি উৎসৱত মোৰ বৰঙণিয়ে নিশ্চয় সৰহ হব। নহয়নে গাঁওবুঢ়া -

গাঁওবুঢ়া---নহয়নো কি আকৌ। মহাজন দেউতা আমাৰ কিবা আজিৰহে নে---সেই সাতাম পুৰুষৰ পৰাই তেওঁৰ পৰিয়ালৰ লগত এইখন গাঁৱৰ সম্বন্ধ।

হাজৰিকা---কিন্তু সেইবুলি মই এই গাঁৱৰ ৰাইজতকৈ কেতিয়াও ডাঙৰ বুলি নাভাবো। মই এজন ৰাইজৰ ভৰিৰ ধূলা সদৃশ। ৰাইজৰ মেল বুলি শুনিয়েই মই লৰি অহা নাইনে? মই কিয় আহিছো---ৰাইজক শ্ৰদ্ধা ভক্তি আৰু সন্মান কৰো বুলিয়েইহে আহিছো।

সাতোলা---ঠিক কৈছে---মহাজনে ঠিক কথা কৈছে। ৰাইজ শুনিবাহঁক।

হাজৰিকা---তেনেহলে চাওক। আজি মোৰ মাটি বেদখল দিয়া, মোক অপমান কৰা ফণীধৰ-সম্বৰুৰ পক্ষে সমীচীন হৈছেনে? মোক অপমান কৰা মানে গোটেইখন সমাজকে অপমান কৰা নহয়নে?

ৰাইজ---হয় হয় কিয় নহব।

হাজৰিকা---মই কৈছো যি কোনো কাৰণতেই নহওক এইবাৰ মোৰ মাটি তহঁতক নিদিওঁ। সেইবুলি এ'ৰবাৰ আন গাঁৱৰ মানুহ মাটি আনি মোৰ মাটি খাব দিছোনে? এই গাঁও-ৰেই মাটি নোহোৱা দুজন লোকক অৰ্থাৎ মনাই আৰু বিৰহুক মাটি দুভৰা খাব দিছো।

সাতোলা---কাক বুলিলে গাঁওবুঢ়া।

গাঁওবুঢ়া---আমাৰ মনাই আৰু বিৰহুক।

সাতোলা---ভাল কথা উত্তম ব্যৱস্থা।

হাজৰিকা---ৰাইজ! সিহঁতেতো এতিয়া মাটি এৰি নিদিয়েই বৰং মোক অপমান কৰি সিহঁত বৰ ডাঙৰ মানুহ হৈছে।

গাঁওবুঢ়া---অন্যায় --অন্যায়।

হাজৰিকা---অন্যায় কি---ই ঘোৰ অন্যায়। ৰাইজ এতিয়া কওক, মোৰ কি দোষ হৈছে? যদি কিবা মোৰ দোষ হৈছে ৰাইজে কলেই মই

মানি লম। ৰাইজতকৈ কোনো ডাঙৰ হব নোৱাৰে ।

গাঁওবুঢ়া—হেৰৌ শুনিলিহক নে ঔ। মহাজন দেউতাই নিজৰ কথা কোনো লুক-ঢাক নকৰাকৈ বেকত কৰিছে। এতিয়া ৰাইজে কব লাগে। পেটত কথা ৰাখি লাভ নাই। সমাজত সকলো কথা সদৰিকৈ কব লাগে। কি কোৱা সাতোলা ?

সাতোলা—এ গাঁওবুঢ়া—তুমিও ভাল মানুহ দিয়া। ৰাইজকনো কি সুধি থাকা। তুমি নিজে বিবেচ্য কৰি এটা ৰায় নিদিয়া কিয় ? তুমি গাঁৱৰ গাঁওবুঢ়া—বয়সে, জ্ঞানে, খিতাপিয়ে সন্মানী—তোমাৰ ওপৰতনো মাতিবলৈ কোন আছে ?

গাঁওবুঢ়া—পিছে কিবা এটা ৰায় দিয়াৰ আগতে পদকীয়া ফ্ৰণীধৰ আৰু সম্বৰুক এষাৰ সোধা ভাল হব। সিহঁতেনো কি কয় ? বোলো ফ্ৰণীধৰ !

ফ্ৰণীধৰ—গাঁওবুঢ়া কাই ।

গাঁওবুঢ়া—মহাজনৰ ইচ্ছাৰ কথা শুনিলি ? তই খোৱা মাটিডৰা মহাজনে তোৰ পৰা একেবাৰে এইবাৰ বিৰহক দিব খোজে। তই কি কৰ ?

ফ্ৰণীধৰ—সেই একেটা কথাকেনো কিমান সুধি থাক। মহাজনে মোৰ পৰা এই মাটি এক-বাৰ বিচাৰিছে। কিন্তু মই কৈছো—এই মাটিৰ দখল মই এৰি নিদিওঁ।

গাঁওবুঢ়া—আও এনেদৰে কলিনে ? লোকৰ মাটিত বে-দখল দিয়াটো জানো ভাল কথা হব ?

ফ্ৰণীধৰ—সেইবোৰ মই নাজানো—আজো-ককাৰ দিনৰে পৰা আমাৰ পৰিয়ালে এই মাটি খাই আহিছে। এতিয়া এৰি দে বোলোতেই মই এৰি দিমনে ?

গাঁওবুঢ়া—এতিয়াযে ৰাইজ থুপুৰি খাইছে। ৰাইজে দিয়া ৰায় তই মানিবি নে নেমান ক ?

ফ্ৰণীধৰ—ৰাইজক দেৱতা বুলি মানো বুলিয়েইতো ইয়াত এনেদৰে বহি আছো। ৰাইজে কিবা এটা সুবিচাৰ কৰক ।

গাঁওবুঢ়া—সম্বৰু—তই একা ?

সম্বৰু—(উঠি কিবা কব বিচাৰে কব নোৱাৰি আকৌ তলমূৰ কৰি বহি পৰে)

গাঁওবুঢ়া—হেৰৌ নকৱ কিয় ? ক

সম্বৰু—(কান্দি কান্দি) মোৰ পৰা ৰাইজে মাটি-ডৰা কাঢ়ি নি মোক সপৰিয়ালে মৰিবলৈ দিব বিচাৰিছেনে ? মাটিখিনি এৰি দি মই ক'ত হাল জুৰিম ?

লখুমন—পিতাই তই কান্দিছ কেলেই। কৈ দে এই মাটি মই এৰি নিদিওঁ—

হাজৰিকা—হেই ডকাইত আহি গাঁও জুৰি বহিলহি। এতিয়া গাঁৱো ডুবিল গঞাও মৰিল। পিছে গাওঁবুঢ়া—মই ৰাইজৰ মেললৈহে আহিছিলো সুবিচাৰ পাম বুলি। মই ৰাইজৰ মতহে বিচাৰো। ফ্ৰণীধৰ-সম্বৰুৰ মত মোক কেলেই ।

গাঁওবুঢ়া—এৰা, ৰাইজ কিবা এটা ৰায় দিয়াৰহে কথা ।

সাতোলা—এস্ গাঁওবুঢ়া ! তুমিও কিবা লেজুত ধৰি বল নিদিয়া মানুহহে। আমি ৰাইজে দেখোন কৈয়ে আছো—তুমি ভাবি-চিন্তি কিবা এটা ৰায় দিয়া—আমি ৰাইজে হয়ভৰ দি মেল সামৰো।

ৰাইজ—হয় হয় গাঁওবুঢ়াই কওক ।

গাঁওবুঢ়া—মোকহে পাচিলিনে ? বাৰু ৰাইজে ধৰিছে যেতিয়া মই কওঁ—

সন্ত-মহন্ত আৰু ভগৱন্ত প্ৰভুৱে যেন অধমৰ দোষ-ত্ৰুটি মাৰ্জনা কৰে (হাতযোৰ কৰি সেৱা কৰে) ৰাইজ ! মহাজন দেউতাই

ফণীধৰ আৰু সম্বৰুৱে খোৱা মাটি দু ভোৰলা বিৰহু আৰু মনাইক খাব দিব খিচৰাত কোনো দোষ বা অন্যায় হোৱা নাই। (ৰাইজে হয়ভৰ দিয়ে) মাটি মহাজনৰ। তেওঁ যাকে দিব খোজে দিব পাৰে। (ৰাইজে আবেগে হয় হয় কৰে)

সেয়ে মই কওঁ, সম্বৰু আৰু ফণীধৰে মাটি এৰি দিয়ক। সেই মাটি বিৰহু আৰু মনায়ে খাওক। সিহঁত মাটি নোহোৱা মানুহ—কিজানি এই মাটিখিনিৰ জৰিয়তে সিহঁতৰ গৃহস্থালিৰ কিবা এটা চিৰি ধৰেই। কি বোলা ৰাইজ?

ৰাইজ—হৈছে হৈছে গাঁওবুঢ়াই সজ কথাকে কৈছে।

নাওকণ—(উঠি) ৰবচোন, ৰব ৰাইজ। মই এবাৰ কথা কব খোজো। ক'মনে?

গাঁওবুঢ়া—কৰবালৈ দেখোন মাতিয়েই আছো। পেটত কথা নাৰাখি নিজ নিজ মত বেকত কৰিব লাগে।

নাওকণ—মোৰ বোধেৰে গাঁওবুঢ়া দেদায়ে যি ৰায় দিছে সি উচিত হোৱা নাই। জানো—মনাই আৰু বিৰহুৰ খেতিৰ মাটি নাই। কিন্তু সম্বৰু কাইৰ জানো আছে—ফণীধৰ কাইৰ জানো আছে? ৰাইজে এবাৰ ভাবি চাওক আৰু তেজ বছৰি সম্বৰু কাইৰ জীয়েকৰ বিয়াৰ সময়ত থাহী মাৰি কইনা-দানৰ ভোজ দি ৰাইজক নসুধিলে নহব বুলি ৰাইজে টানি ধৰাত নিজৰ মাটি বন্ধকত দি ৰাইজক ভোজ খুৱাই উদ্ধাৰ হ'ল। এতিয়া যদি সম্বৰু কায়ে এই মাটিখিনিও এৰি দিব লগীয়া হয়—তেন্তে সেইটো পৰিয়াল তৰে কেনেকৈ?

ৰাইজ—হয় হয় নাওকণে ঠিক কথা কৈছে।

সাতোলা—এৰা, এৰা। বয়সত সৰু হলেও নাওকণে কিন্তু বৰ সমাজুৰ কথা কৈছে।

নাওকণ—আৰু এটা কথা। ফণীধৰ কায়ে খেতি কৰা মাটিডৰা যে নিজৰ নহয়, আজি কেইদিনমানৰ পৰাহে আমি ভু পাইছো। আমাৰ জন্মৰ আগৰ পৰাই ককায়ে সেই মাটিত খেতি কৰি আহিছে। এতিয়া বাৰু মাটিডৰা এৰি দি সি ক'ত হাল জোৰেগৈ।

(ৰাইজে হয় হয় চিঞৰে)

ৰাইজ! মহাজনে কৈছে তেওঁ এইখন গাঁৱৰ কাৰণে বহুত কৰিছে। কি কৰিছে এবাৰ চিন্তা কৰি চাওকচোন। মহাজনে আমাৰ গাঁৱৰ কি উন্নতি সাধিছে—আমি হলে একো ধৰিব পৰা নাই। দেখাত হলে দেখিছো—আজি ইজনৰ মাটি একৰাই সিজনক দি গঞা ৰাইজৰ মাজত দ্বন্দ্ব-খৰিয়াল, হিংসা, ঘৃণা বঢ়োৱাতহে সহায় কৰিছে। আৰু আজিকালিৰ ভুমিনীতি ভুমি আইন-মতে এজন ৰায়তে দখল কৰা মাটিত দখলী ৰায়তৰ নাম উঠে। সেই আইন মতে এই ৰায়তৰ মাটি মাটিৰ মহাজনে কাঢ়ি নিব নোৱাৰে। মহাজনে ৰাইজকে ফাঁকি দিয়া নাই—চৰকাৰী আইনকো ফাঁকি দিব বিচাৰিছে। আইনমতে এই মাটি ফণীধৰ কাই আৰু সম্বৰু কাইৰহে হব।

(ৰাইজৰ হাত-তালি)

হাজৰিকা—হো গাঁওবুঢ়া, ই আকৌ ক'ৰ 'ব্যৰিষ্টাৰ' ওলালহিহে।

গাঁওবুঢ়া—কিয়? আপোনাৰ যে মাটি খাইছিল হৰিমল—সেই হৰিমলৰ ল'ৰা। বাপেক মৰাৰ পিছত হাজত নধৰি সি বণিজত লাগিল। ই হলে ল'ৰা পাইটত চাইকেল চলাবও জানে। বণিজতো ভালেই কৰিছে। ধন-বিতো অলপ গোটাইছে।

হাজৰিকা---অ' হৰিমলৰ ল'ৰা। সি এতিয়া মোৰ আগত বৰ কথা নকৈ কব কোনে? বাপেকৰ শৰাধৰ সময়ত গৈ মাকে দুকুৰি টকা ধাৰে আনিছিল কিন্তু ধাৰ পৰিশোধ আৰু নহ'ল।

নাওকণ---বাকীখিনিও নকয় কিয়? ৰূপ দুকুৰি হবলা এনেয়ে ধাৰলৈ দিছিল? আইৰ ডিভিৰ জোনবিৰিডাল বন্ধকত ৰাখিহে দিছিল। আজি কিছুদিনৰ আগত জোনবিৰিডাল মোকলাবলৈ যাওঁতে তেনে এপদ বস্তু ৰখাই নাই বুলি আইক ওভতাই পঠোৱা নাছিলনে?

হাজৰিকা---দেখিলা ৰাইজ দেখিলা। এতিয়া সিহে মোক চোৰ পাতে। উপকাৰ কৰি অপমান পাবলৈ বিধাতাই মোৰ কপালত লেখিছিল। ঠিক আছে ঠিক আছে, ময়ো চাই লম। গাঁওবুঢ়া। মই দেখিছো ৰাইজে ইয়াৰ সুমীমাংসা কৰিব নোৱাৰিব। মই আদালতত গোচৰ তৰিম। আৰু ৰাইজৰ আগতে মই কৈ যাওঁ—যাৰ যি ধাৰ পৰিশোধ কৰিব লগীয়া আছে---এমাহৰ ভিতৰতে সুতে-মূলে যেন শোধ কৰে। নহলে মই গোচৰ তৰিম। যি গঞাই মোৰ ইমান চেনেহ, ইমান মৰম নুবুজিলে সেই গঞাৰ লগত মই সম্বন্ধ ছিঙিলো। গাঁৱৰ পথাশালি পাতিবৰ কাৰণে মোৰ সেই আলি কাষৰ মাটিডৰা আজি দান সূত্ৰে ৰাইজক দিম বুলিও এই দলিল মই লিখি আনিছিলো। এই দলিল মই ৰাইজ বিদ্যমানে ——ফালি পেলালো। (দলিল ফালে) মই. আহিলো। ড্ৰাইভাৰ কি চাই আছ---গাড়ী ষ্টাৰ্ট দে-- (জীপৰ শব্দ হয়। সভাত ৰাইজৰ মাজত অলপ হুলস্থূল লাগে। সেই হুলস্থূলৰ মাজত গাঁওবুঢ়াই চিঞৰি কোৱা শুনা যায়।)

গাঁওবুঢ়া----হাতৰ কুঠাৰ ভৰিত মাৰিলি হক ঔ, এতিয়া আটায়ে বগাঘৰৰ ভাত খাব লাগিব। (এই হুলস্থূলৰ মাজতে মনাই আৰু বিৰহুও যেন এৰি পলাব বিচাৰে। নাওকণে সিহঁতক আঁতৰি যোৱা দেখি চিঞৰি কয়)

নাওকণ---এই তহঁত ক'লৈ পলাইছ। মেল মাতি ৰাইজক মেলত বহুৱাই থৈ ক'লৈ আঁতৰিছ?

বিৰহু---আমি কিবা মেল মাতিছিলোনেকি?

নাওকণ---তহঁতে মাতা নাই কোনে মাতিছে?

বিৰহু---ইস্ মহাজন আৰু গাঁওবুঢ়াই যুক্তি কৰি মেল মাতিছে এতিয়া আমাক সাঙুৰিলে কেনেকৈ হব?

গাঁওবুঢ়া---হেই কেলেহুৱা। মই মহাজনেৰে যুক্তি কৰি মেল বহুৱাইছো। তহঁতৰ ইমান আক্কেল---মহাজন মোৰ কি? মই মহাজনৰ মাটি খাব বিচাৰিছো নে তহঁতে?

মনাই---সেইবোৰ আমি কি জানো? মহাজন আৰু গাঁওবুঢ়া কায়ে যিদৰে বুজাইছে আমি সেইদৰেহে কৰি গৈছো। এতিয়া মহাজনে এৰি গ'ল যেতিয়া আমাৰ কি আছে। গাঁওবুঢ়াই কিবা মেল সোধে সোধক।

লঘুমন---হেই বিৰহু, একাদশীৰ দিনাই আমাৰ চাউল কঠা উকলিব বুলি সকীয়াইছিলি নহয়। এতিয়া মেল এৰি গুচি যোৱা মহাজন বাপেৰক মাতি নান কিয়?

বিৰহু---হেই! সেইদৰে নকবি। মহাজনৰ মাটি আমি খাইছো নে তহঁতে খাই আছ। মহাজন তোৰহে বাপেৰ।

সম্বৰু---(বহাৰ পৰা ঘপহকৈ উঠি) কি কলি, কাক বাপেক বুলি সাঙুৰিলি। তোক আজি সুদাই নেৰিহো। ভতুৱা কুকুৰ। (খেদি যায়—হুলস্থূল লাগি পৰে—বিৰহু আৰু মনায়ে ভয়তে পলাই ৰাইজৰ মাজত সোমায়)

নাওকণ—হেই সম্বৰু কাই—হেই লঘুমন। সমাজ এখন বহি আছে। তহঁতে এনেদৰে কাজিয়া কৰিব পাৰনে? আজি আমাৰ বিপদ। এজন বা দুজনৰ নহয়। সমূহ গাঁৱৰে বিপদ। মহাজনৰ দৰে পেট-শিয়ান আদালত চিনা মানুহ এজন গাঁৱৰ বিপক্ষে বাজিছে। তেওঁ ক'ত কি আউল লগায় ঠিক নাই। সেয়ে এই সময়ত আমি একগোট হৈ কিবা এটা ব্যৱস্থা কৰিলেহে হব। সকলো ধীৰে-সুস্থিৰে বহক। আমি এটা উচিত সিদ্ধান্ত কৰি লওঁ—

ৰাইজ—ঠিক কৈছে নাওকণে ঠিক কৈছে। বহক ৰাইজ বহক—সকলো বহি যাওক।

নাওকণ—বাৰু, মনাই আৰু বিৰহু কাই। তহঁতে মেল মাতিছিলি কিয়?

মনাই-বিৰহু—আমি ক'ত মেল মাতিছিলো। মহাজন আৰু গাঁওবুঢ়া দেদায়ে যুক্তি কৰিহে মেল মতাইছিল?

নাওকণ—বাৰু তহঁতে ঠিকেই কৈছ। তেওঁ-লোকে বাৰু কিয় মতাইছিল—তহঁতক কি কৈছিল?

মনাই—আমাক আৰু কি কব? মহাজনে কৈছিল তহঁতে ফণীধৰ আৰু সম্বৰুৰ পৰা মাটিখিনি এৰুৱাই অনাত মোক সহায় কৰ, মই তহঁতক জীৱনলৈ চাই থাকিম।

বিৰহ—আৰু কৈছিল নহয়—সেইখিনিও নকৱ কিয়?

নাওকণ—কি কৈছিল বিৰহু কাই।

বিৰহ—কৈছিল—তহঁতে এইবাৰ মাটিখিনি লৈ দেখুৱা। খেতি হওক নহওক সেইবোৰ পিছৰ কথা। তহঁতে এবাৰ দখল কৰি দেখুৱালেই হ'ল—তেতিয়া মই তহঁতক খেতিৰ কামত নলগাওঁ জিলালৈ নি কাঠৰ গোলাত চকীদাৰৰ কাম দিম।

লঘুমন—তেতিয়া মহাজনৰ গোলাম হৈ চুৱাপাত চেলেকিব পাৰিবি?

নাওকণ—লঘুমন, মনে মনে থাকচোন? তহঁতক বাৰু কিবা ধন-বিত দিছেনে?

মনাই—কিটো দিব। সদায় আশা দি আছিল দিম দিম বুলি।

বিৰহু—কিয় একেবাৰে নিদিয় নহয় ৰ—হাল জুৰিবলৈ হাল গৰুও যোগাৰ কৰি দিছিল। মেলৰ খৰচ হিছাপেও কুৰি টকাকৈ দিছিল। তাৰে ১৫ টকাকৈ মেলৰ মাননি বুলি ৰাইজক দি পাঁচ টকা আমাৰ খৰচ বুলিও দিছে। গাঁৱৰ দুই-এজনকো দিয়াৰ কথা মহাজনে হলে কৈছে।

নাওকণ—কাক কাক দিছে।

বিৰহু—গাঁওবুঢ়া আৰু সাতোলা কাইক পাঁচ পাঁচ টকাকৈ দিয়া বুলি মহাজনে কৈছিল।

সাতোলা—হেৰৌ তই ইমানখন ৰাইজৰ আগতে এনেহেন মিছা কথা এটা কলিনে? মই মহাজনৰ পৰা টকা লোৱা দূৰৰ কথা—যে আজি মেল বহাৰ সময়তহে মহাজনক দেখিছো। আগতে মহাজনৰ ছাঁটোকে মই হলে দেখা নাই।

মনাই—গাঁওবুঢ়াৰ মাৰফৎ দিয়া বুলিহে কৈছিল।

গাঁওবুঢ়া—হেৰৌ কোনে কি দিছিল?

বিৰহু—মহাজনে—ককাই তোক দহ টকা ৰূপ দিছিল নহয়? তাৰে পাঁচ টকা সাতোলাক দিবও কৈছিল নহয়?

সাতোলা—গাঁওবুঢ়া, এইবোৰ কি কথা। তুমি মোৰ হৈ টকা লবা কিয়? মোৰ হৈ টকা লবলৈ তুমি আকৌ মাজতে কি চৰকাৰী ডাকঘৰটো হলা। এইবোৰ কথা ভাল নহয় দেই। লৈছিলা যদি অন্ততঃ মোক এবাৰ কাণ চোৱাব লাগিছিল।

গাঁওবুঢ়া—কিয় ? একেবাৰে দিয়া নাই, তুমিও লোৱা নাই বুলিব নোৱাৰা।

সাতোলা—কি কৈছা গাওঁবুঢ়া ? মই মহাজনৰ টকা লৈছো ?

গাঁওবুঢ়া—হওতে তেওঁৰ হাতৰ পৰা নললেও মোৰ হাতৰ পৰা লৈছা।

সাতোলা—মই—মই তোমাৰ হাতৰ পৰা টকা লৈছো ?

গাঁওবুঢ়া—কিয় তোমাৰ ছোৱালীজনীৰ অসুখৰ খবৰ লবলৈ যাওঁতে বাট-খৰচ হিছাপে মই দিয়া নাছিলো ?

সাতোলা—আও দেখিছা—ই পৰৰ ধনেৰে ৰাজসূয় যজ্ঞ পাতে। মই বাছ ভাৰা নোহোৱাৰ কাৰণে যাব পৰা নাই বোলাত তুমি দেখোন ধাৰলৈও নহয় এনে দিছো বুলি ৰূপ দুটকা উলিয়াই দি বৰ দাতাকৰ্ণ সাজিছিলা। অ' সেইয়া মহাজনৰ ধনহে দিছিলা। চাওঁ—হেৰৌ কাৰবাৰ হাতত যদি ৰূপ দুটকা আছে দেচোন মই থলতে গাঁওবুঢ়াৰ এই পাপৰ ধাৰ সুজি থওঁ।

নাওকণ—সাতোলা কাই। তই বহচোন। আমাৰ এইবোৰ নিজৰ কথা। পিছতো সামৰি লব পাৰিম গাঁওবুঢ়া দেদাই—

গাঁওবুঢ়া—মোক আৰু নধৰিবি অ'—সিদিনা ৰাতি-খন মহাজন আহি কিবা বান মাৰি এইবোৰ কৰি গ'ল। মই ৰাইজৰ আগত আঁঠু লৈছো, মোৰ দায়-দোষ মৰিষণ কৰিব লাগে।

নাওকণ—দেদাই তই তেনেখন কৰিছ কিয় ? ভুল কাৰ নহয়। ঋষি-মুনিৰো ভুল হয়। কিন্তু আমাৰ সংঘই গাঁও উন্নয়নৰ কিছুমান কথা স্থিৰ কৰিছো—চাওঁ ভোগৰাম, আমাৰ বহীখন দেচোন—(বহী দিয়ে) আমি আজিৰ পৰা এইদৰে চলিবলৈ প্ৰতিজ্ঞা কৰিব লাগিব।

ফণীধৰ—আমাৰ মাটিৰ ব্যৱস্থা কি হব ?

নাওকণ—এতিয়া স্থিতাৱস্থা থাকিব। যিয়ে যিদৰে মাটি খাই আছে সেইদৰেই চলি থাকিব। কোনো লৰচৰ নহব। মনাই আৰু বিৰহুৱে সঁচাকৈয়ে যদি খেতি কৰিব বিচাৰে আমি চাপৰিত ৰাইজে লগ লাগি সিহঁতৰ কাৰণে মাটি ভাঙি দিম।

বিৰহু—নালাগে আমাক মাটি নালাগে। আমাক আগৰদৰেই সকলোৱে মৰম কৰি চলালেই আমাৰ সন্তোষ।

নাওকণ—ভোগৰাম তই পঢ়্ছোন। নহয়—মোকে দে। ময়ে পঢ়ি শুনাওঁ—

(১) বিয়া-সবাহ, শৰাধ আদি ৰাইজৰ নাম-ঘৰত তামোল-পাণ এৰটা আগবঢ়াই ৰাইজৰ আগত আঁঠু ললেই সি সমাধা হব। মাটি-ভেটি বন্ধক দি বিয়া, শৰাধ পতা কাম বন্ধ থাকিব। ৰাইজ সমৰ্থন আছে যদি হাত-তালি দিয়ক। (সকলোৱে হাত-তালি দিয়ে)

সাতোলা—কিন্তু ডাঙৰক মান ধৰা কথাটো হলে থাকিব।

নাওকণ—সেইটো বাৰু থাকক। আৰু শুনক—

(২) সকলো গঞাই এঘৰ মানুহৰ দৰে জীৱন নিৰ্বাহ কৰিব। জাত-কুলৰ কথা তুলিব নোৱাৰিব। এক গাঁও—এক জাতি—এক প্ৰাণ—এই কথা ৰাইজে গ্ৰহণ কৰিব। সমৰ্থন আছে যদি হাত-তালি দিয়ক। (হাত-তালি দিয়ে) এতিয়া আৰু এটি ডাঙৰ কাম আছে (নাওকণে এবাৰ সম্বৰু আৰু এবাৰ ফণীধৰৰ কাষলৈ গৈ কিবা সোধে। দুয়ো হাঁহি হাঁহি মূৰ জোঁকাৰি সমৰ্থন জনায়)

সাতোলা—গাঁওবুঢ়াৰ পৰা মহাজনে দিয়া টকা দহটাও উলিয়াব লাগে।

গাঁওবুঢ়া—মই আজি গধূলিলৈকে নামঘৰত সেই দণ্ড ভৰিমহঁক ঔ ৰাইজ।

নাওকণ—হব, আমাৰ গাঁওখনৰ আজি বৰ আনন্দৰ দিন। গাঁৱৰ শনি—মহাজন আঁতৰিছে।

এই শুভদিনত এটি শুভকাৰ্য সম্পাদন কৰা হওক । নহয়নে ৰাইজ--- ।

ৰাইজ---হওক হওক ।

নাওকণ---এই চেনীমাই তইঁত আহ । জুৰণি আগবাঢ়ি নাহ কিয় ? আহ -ইয়ালৈ আহ । আজি বহুদিনৰ পৰা লঘুমন আৰু জুৰণিৰ বিয়াৰ কথা ঘৰে ঘৰে বিয়পিছে আজি সমাজ বিদ্যমানে সেইটো সঁচাকৈয়ে হৈ যাওক । এই লঘুমন আহ---জুৰণি আহ। ৰাইজৰ আগত আঁঠু ল -কি লাজ কৰিছ, সেৱা কৰ। গাঁওবুঢ়া দেদাই, দিয়া আশীবাদ এফেৰি লগাই দিয়া । ৰাইজৰ আশীৰ্বাদেই বিয়াৰ মূল কথা ।

গাঁওবুঢ়া---হব দে, (আশীৰ্বাদ লগাই দিয়ে) এই ল'ৰা-ছোৱালী হালে যোৰ পতাৰ আশাবে আঁঠু লৈছে । নামঘৰৰ বুঢ়া ডাঙৰীয়াই সন্তুষ্ট হৈ এই মিনতিকে হোম-যজ্ঞ বুলি জ্ঞান কৰি, দুয়োৰে দীৰ্ঘায়ু কৰি, ধন-জন বৃদ্ধি কৰি, ৰাইজক সাক্ষাৎ দামোদৰ ৰূপে সৰ্বতি কালে জ্ঞান কৰিবলৈ যেন ধৰ্মত মতি দিয়ে---

সাতোলা---জয় ৰাম বোলা জয় হৰি বোলা উৎসৱ কৰিয়ে---ঔৱা হৰি ঔৱা ৰাম, ঔৱা ৰাম---ঔৱা হৰি----।

সকলোৱে---জয় ৰাম বোলা---জয় হৰি বোলা ।

(মধুৰ বিয়াৰ গীতৰ সুৰ বাজিব ধৰে। ঢোলৰ কোবৰ মাত শুনা যায় । কইনাঘৰৰ পৰা ওভতা ঢোলৰ ছেও বাজিব । লগে লগে পট পৰিব)

যৱনিকা

যৱনিকাৰ আঁৰে আঁৰে

উছৰ্গা

যৱনিকাৰ আঁৰে আঁৰে নাটকৰ বিষয়ে সততে আৰু সঘনে শিল্পীপ্ৰাণ চন্দ্ৰ ফুকনদেৱে মোক মুখৰ আগতে বহু দিন বহুবাৰ প্ৰশংসা কৰিছিল। সেয়ে এই নাটখনি ফুকনদেৱৰ নামতেই উছৰ্গা কৰিলো।

লক্ষ্য চৌধুৰী

চৰিত্ৰ

অনিল
মহিম
অনন্ত
হৰিদাস
থূলেশ্বৰ
বিপিন
বলীন
কাকতি
ঘনকান্ত
চানাচুৰৱালা
হাজৰিকা
বেহেৰা
দাৰোৱান
যুতিকা
পদুমী

যৱনিকাৰ আঁৰে আঁৰে

১ম অঙ্ক

১ম দৃশ্য

(মহিমৰ কোঠা। এখন বিছনা, এখন মেজ, দুখনমান চকীৰে এটি কোঠা। বিছনাত দীঘল হৈ পৰি মহিমে এখন বাতৰি কাকত চাই থাকে। বাহিৰত— "মহিম আছনেকি ?" বুলি চিঞৰে আৰু দুৱাৰত টুকুৰিয়ায়)

অনিল—(বাহিৰত) অ' মহিম। মহিম। আছনেকি ?

মহিম—(উঠি বহি) কোন অ' ? অনিল নেকি ? সোমাই আহ—

অনিল—হেই দুৱাৰ বন্ধ আছে অ'

মহিম—অ'—(এইবুলি উঠি গৈ দুৱাৰ খুলি দিয়ে) অনিল, সোমাই আহ।

অনিল—কি অ' দুৱাৰ-খিৰিকি জপাই লৈ এনেদৰে কালৈ প্ৰেমপত্ৰ লেখিছ হা।

মহিম—এই বাতৰি কাকত পঢ়ি আছিলো। কিন্তু বৰ বেয়া খবৰ এটা পঢ়িলো। মনটো বৰ বেয়া লাগি আছে।

অনিল—কি খবৰনো চাওঁ। মই দেখোন এইমাত্ৰ এই কাকতখন পঢ়ি আহিছো। মোৰ চকুতটো কোনো বেয়া খবৰ নপৰিল।

মহিম—তই হৈছ 'ৰাশিফল' চোৱা। তই ক'ত দেখিবি। এইয়া দেখিছ—কলা-সংস্কৃতিৰ শিতানত।

"মহেন্দ্ৰহঁতৰ সিদিনাৰ বিচিত্ৰানুষ্ঠানৰ কথা ওলাইছে অ'। খু-উ-ব লেখিছে। সিহঁতে দেখিছো সকলোতে নাম কৰিলে। আমাৰহে দেখিছো একো নহ'ল। পঢ়াতো নহ'ল খেলাতো নহ'ল।

অনিল—থৈ দে। এইবোৰ বুজিছ সম্পাদকক ভেটি দি লেখাইছে।

মহিম—হলেও সিহঁতৰ নাম প্ৰচাৰ হৈছে। মই এটা কথা ভাবিছো অ'—

অনিল—কি ?

মহিম—আমিও এখন 'থিয়েটৰ' পাতো।

অনিল—বৰ ভাল কথা।

মহিম—বুজিছ অনিল। কলা-সংস্কৃতিৰেহে মানুহে পৃথিৱীত নাম জ্বলাব পাৰে। ইবোৰ সকলো মিছা। তয়ে বাৰু চাচোন। মহেন্দ্ৰই আমাৰ লগত কিহৰ ফেৰ মাৰিব পাৰে। আজি দুই-এখন বিচিত্ৰানুষ্ঠান পাতিয়েই সি সকলোৰে সমাদৰ পাইছে।

অনিল—পাব দে। আমাৰ লগত competition কৰকচোন চাওঁ।

(এনেতে বাহিৰত কোনোবা অহাৰ শব্দ হয়। লগতে চাইকেলৰ বেল বাজে।)

মহিম—অ' সিহঁত আহিছে যেন পাইছো। আহ আহ—ভিতৰলৈ সোমাই আহ।

(অনন্ত, থুলেশ্বৰ, হৰিদাস সোমাই আহে।)

অনন্ত—অ' অনিলো ইয়াতে আছ ! মই আকৌ থুলেশ্বৰক তোৰ তাৰ পৰা চাইকেলেৰে পাক মাৰি আহিব কৈছিলো। আজি গোশালাৰ মেলা চাবলৈ নাযাৱ নেকি ?

অনিল—থ তোৰ গোশালা মেলা ! মেলাত গৈ কিতো কৰিবি। মাৰা-মাৰি। সিদিনা আঠ-গাঁৱৰ নবীনক তই চিনেমা ঘৰৰ সম্মুখত মিছাতে চৰটো মাৰি থৈছ নহয়। আজি সিহঁতে জানো সুদাই এৰিব। এইখন দেখিছ। বেনামী চিঠি। Blood for blood.

হৰিদাস—কোনে দিছে ?

অনিল—কোনে দিছে—নাম দিব নেকি ? নিশ্চয় নবীনৰ কাম ।

অনন্ত—মাৰিলো মই। তোলৈ দিব কিয় ? মোলৈ দিব লাগিছিল। তাক খুন কৰি দিলোহেঁতেন।

মহিম—হেই সেইবোৰ বাজে কথা থ। আচল কথালৈ আহ। আমি এখন থিয়েটৰ পাতো বুলি ভাবিছো ।

অনন্ত—পাত—থিয়েটৰ পাত। 'কৰ্ণাৰ্জুন'

নালাগে নালাগে মাতৃ
আজি আৰু এই পৰিচয়
হীনময় নীচময় ৰাধাৰ নন্দন
এয়ে মোৰ যোগ্য পৰিচয় ।
শুনা মাতৃ !
কৰিছো প্ৰতিজ্ঞা মই
কালিৰ ৰণত
হয় পাৰ্থ নতু কৰ্ণ
ধৰণীৰ পৰা লব—অনন্ত বিদায় ।

(ওলাই যায়)

অনিল—এই excitement ত নিজৰ নামটো-কেই কৈ পেলালে ।

অনন্ত—ধেৎ কি কৈছ। অনন্ত মানে অন্তিম বিদায়।

অনিল—নহয় 'নৰকাসুৰ' ।

"মাৰ ! মাৰ !
ধূলিসাৎ হৈ যাওক দেৱতা নগৰী ।
লাজ লগা নাই নে পুৰন্দৰ
তই এক জগতপূজ্য দেৱতা—
আৰু মই সামান্য অসুৰ ।
হাঃ হাঃ হাঃ—"

হৰিদাস—"ধৰ অস্ত্ৰ কৰ ৰণ
অস্ত্ৰমুখে দেখা যাওক বিক্ৰম কিমান !
পৰ্বতৰ ৰঙা মাটি
ধূলি যেন কণি পাৰে চুঙাৰ বাদুলী ।"

থুলেশ্বৰ—সংযুক্তাই জানো মোক ভাল পায় ? ভাল পায়! কিন্তু ভাল পোৱাৰ প্ৰতিদানেই বা কি ?

সংযুক্তা! এই বিজয়সিংহই যদি তোমাৰ প্ৰেম জয় কৰিব নোৱাৰো—তেন্তে
মই------কি কৰিম জানা ?
(খোকোজা লাগে) মই কি কৰিম
মই কি কৰিম ?
মই-----যোৰ পুখুৰীত জাঁপ দি মৰিম । (সকলোৱে হাঁহে)

অনিল—হেই সংযুক্তা হ'ল কনৌজ কুঁৱৰী তই গুৱাহাটীৰ যোৰ পুখুৰীত জাঁপ দি মৰিলে----সংযুক্তাই কি ভু পাব ।

থুলেশ্বৰ—নহয় অ', মই এই ভাও এবাৰ গাঁৱত কৰিছিলো। তাতো সেই খোকোজা লাগিল। মই স্কুলৰ সম্মুখৰ পুখুৰীতে জাঁপ মাৰি মৰিম বুলি কোৱাত ক্লেপৰ উপৰি ক্লেপ। বহুতে আকৌ 'এঙ্কৰ এঙ্কৰ' চিঞৰিলে ।

হৰিদাস—নিচিঞৰিব। মই থাকিব লাগিছিল। তোক ষ্টেজৰ পৰা দুই চৰ মাৰি নমাই আনিলো হয় ।

থুলেশ্বৰ—দেখিছ মহিম, দেখিছ অনিল। ইয়াৰ কথা শুনিছ। সি আকৌ মোক কমৰেড বোলে ।

মহিম—বাৰু সেইবোৰ কাজিয়া এতিয়া থ। আচল কথালৈ আহ। মই হলে এখন নাট বাছনি কৰিছো। ৰ (এইবুলি কিতাপৰ মাজৰ পৰা এখন বহী উলিয়াই) এইখন।

হৰিদাস, অনন্ত, থুলেশ্বৰ—কি নাটক ! নাম কি ?

মহিম---'লক্ষ্মণৰ শক্তিশেল'। মই একপ্ৰকাৰ পাৰ্ট বাছনিও কৰি থৈছো---শুনচোন।
ৰাম---অনিল।
লক্ষ্মণ---মাণিক। দুয়ো যেছ মিলিব।
হনুমান----হৰিদাস।
শূৰ্পনাশা----অনন্ত।
ৰাৱণ---(অনন্তই গহীন হৈ পৰে---মুখত বিৰক্তিৰ ভাব)

থূলেশ্বৰ---মোৰ কি ভাও?

মহিম---তই বৈৰাগী।

থূলেশ্বৰ---বৈৰাগীৰ কাৰবাৰ লগত লাইচেন্স আছেনে নাই?

হৰিদাস---বৈৰাগীৰ লাইচেন্স থাকেনে? ই একেবাৰে জধামূৰ্খ।

মহিম---থূলেশ্বৰ! তই যেতিয়া ভাল গীত গাব বৈৰাগী হৈ গানেৰে মজাই দে। বুজিছ আমি কালিৰ পৰাই ৰিহাৰ্চেল আৰম্ভ কৰিম।

অনিল---আমাৰ এই থিয়েটৰ পাৰ্টিৰ এটি নাম ঠিক কৰিব লাগিল নহয়।

মহিম---মই সেইটোও ভাবি থৈছো। আমাৰ এই অনুষ্ঠানৰ নাম হব----"গুলজাৰ নাট্য সমিতি।"

হৰিদাস---ৰহ, আমাৰতো একপ্ৰকাৰ ভাও ঠিক হ'ল। পিছে তই কি ভাও লবি।

মহিম---মই সীতাৰ ভাও লম। মোৰ যুতিকাৰ লগত ভাল পৰিচয় আছে। তেওঁৰ পৰা কোচিংও লব পাৰিম।

অনিল---আমাৰ এজন চেক্ৰেটৰী লাগিব নহয়।

থূলেশ্বৰ---চেক্ৰেটৰী---মহিম হওক।

মহিম----নহয় বুজিছ। মই এচিষ্টেণ্ট চেক্ৰেটৰী হম। চেক্ৰেটৰী বলীনক পাতিব লাগিব। ধনীৰ ঘৰৰ ল'ৰা---সি অলপ খৰচ-তৰচো কৰিব পাৰিব। পিছে কালিলৈ সকলোৱে আমাৰ নাট্য-মন্দিৰত গধূলি ৬-৩০ বজাৰ লগে লগেই উপস্থিত হব লাগিব। কালিৰ পৰাই পূৰ্ণোদ্যমে আমি ৰিহাৰ্চেল কৰিব লাগিব।

অনন্ত---মই কিন্তু পাৰ্ট কৰিব নোৱাৰিম ভাই।

অনিল---কিয়? কিয় নোৱাৰিবি?

অনন্ত---মই অলপতে বৰপেটালৈ যাব লাগিব।

হৰিদাস---বৰপেটাত কেইদিন থাকিবি?

অনন্ত---কব নোৱাৰো। মই থিয়েটৰ কৰিব নোৱাৰিম।

থূলেশ্বৰ---কৰিব লাগিব।

অনন্ত---নকৰিলে কি কৰিবি। মই থিয়েটৰ নকৰো বুলিছো নকৰো যা---(এইবুলি খঙেৰে ওলাই যায়)

থূলেশ্বৰ, হৰিদাস---হেই হেই আহচোন আহ।
নাই, গ'লগৈ। হঠাৎ তাৰ কি হ'ল।

অনিল---তাৰ পাৰ্টটো অপছন্দ হ'ল। যক দে---সি যি দন্দুৰা শেষৰফালে গণ্ডগোল কৰাতকৈ আৰম্ভণিতে ওলাই গৈছে ভালেই হৈছে।

মহিম---এতিয়া কিন্তু আমাৰ কামে-কাজে লাগি যাবৰ হ'ল। বলীনক সন্মত কৰোৱা, নাট্য-মন্দিৰৰ অনুমতি লোৱা এইবোৰ মই কৰিম। অনিলে নাটকখন লৈ যা---পাৰ্টকেইটা লিখি কালিলৈ আনিব লাগিব।

হৰিদাস, থূলেশ্বৰ---আমাৰ কি কাম।

মহিম---প্ৰচাৰ।
তহঁত এতিয়া যা। মই বলীনৰ সন্মতি লৈ আহোগৈ।
(মহিমৰ বাহিৰে সকলো যায়---মহিমে হেঙাৰত ওলোমাই থোৱা কাপোৰ নমায়। লগে লগে পট পৰে।)

২য় দৃশ্য

ৰাজ আলি

(দুই-এজন মানুহ অহা-যোৱা কৰি আছে। এফালৰ পৰা অনন্ত, আনফালৰ পৰা বিপিন আহে ।)

অনন্ত---অ' বিপিন দেখোন। তোক ভাই চিনিবই পৰা নাছিলো। এই কেইদিন দেখোন তই আমাৰ বৈঠকত যোৱা নাই। কি হ'ল---

বিপিন---একো হোৱা নাই। কিতো হব। চলি আছো। বৈঠকত গৈ কি লাভ। মাজে সময়ে 'ব্যেজতি' হোৱাৰ বাহিৰে তাত কিতো পাইছ। সিদিনা বুজিছ আমাৰ কৰুণাৰ ভনীয়েকৰ বিয়াত মহিমে মোক যিটো লাজত পেলালে কি কবি। সিদিনাৰ পৰাই মই সিহঁতৰ লগ এৰিছো।

অনন্ত---কি হ'ল কচোন ?

বিপিন---আমি গৈ বিয়াৰ গেট বান্ধি আছো। আমাৰ কামাখ্যা মাণ্টৰ আহি ওলালহি। ৰীণা-হঁতে আমপাত গুঁঠি আছে। ছাৰে সুধিলে—কি অ' বিপিন, ডাড়ি-গোঁফ ৰাখিলি দেখোন। কিবা অসুখ নে ব্ৰত পালিছ ? মহিমে পোনেই কৈ দিলে—ছাৰ, ই বিপিন নাম গুচাই ভোৰালা পাঠক নাম ৰাখিছে। বুজিছ, ৰীণাহঁতে যিদৰে হাঁহিলে লাজত মৰি যোৱা যেন হলো।

অনন্ত---ইস্ বৰ অন্যায়।

বিপিন---সিদিনাৰ পৰাই মই লাহে লাহে সিহঁতৰ লগ এৰিছো।

অনন্ত---সিহঁতে কিবা থিয়টৰ পাতিছে। মোক এটা পাৰ্ট যাচিছিল--মই ৰিফিউজ কৰিছো। সিহঁতৰ লগত ক'ত কেতিয়া লটিঘটি হব লাগে কোনে জানে। সেয়ে পাৰ্ট নললো। তোকো নিশ্চয় যাচিব। তই লবি জানো।

বিপিন---নলওঁ। সিহঁতে থিয়টৰৰ কিতো জানে। সিহঁতে যে থিয়টৰ পাতিছে এইটো বুজিছ competition.

অনন্ত---কাৰ লগত।

বিপিন---কিয়—মহেন্দ্ৰৰ লগত।

অনন্ত---মই সিহঁতৰ সভাৰ পৰা 'ৱাক-আউট' কৰিলো। সিহঁতে ভাল ভাল পাৰ্টবোৰ নিজে লৈছে----মোক কি পাৰ্ট দিছে জান--- শূৰ্পনাশা। কিয় লম। তোকো দিব---হয় মন্থৰা বা তেনে কিবা এটা।

বিপিন---মই আৰু সেইবোৰত নাইদেই। মই পাৰ্ট বিচাৰি লৈছো।

অনন্ত---কি কিবা বিজিনেচ কৰিছনেকি ?

বিপিন---অ' ধৰ তেনেকুৱাই। দুই-চাৰি পইচাৰ মুখ দেখিছো। ঘৰতো অলপ আদৰ বাঢ়িছে।

অনন্ত---কি কৰিছ কচোন ?

বিপিন----চেলছ্ মেন

অনন্ত---কিহৰ ?

বিপিন----তীৰৰ টিকট। যাওদে ভাই, পলম হব। মহাজনজন বৰ কাঢ়া। পলম কৰিলে চাকৰি 'নট' কৰি দিব।

অনন্ত---বাৰু যা ! পিছে পৰে লগ পামদেই। ইহঁতৰ বিপক্ষে কিবা এটা কৰিব লাগিব।

(দুয়ো দুফালে যায়)

(দুজনমান বাটৰুৱা অহা-যোৱা কৰাৰ পিছত মহিম এফালৰ পৰা আহে—আনফালৰ পৰা যুতিকা)

মহিম---গুড ইভিনিং।

যুতিকা---গুড ইভিনিং।

মহিম---মোৰ সৌভাগ্য দেখিছো। আজি গধূলিলৈ তোমাক লগ ধৰিবলৈ যাম বুলি ভাবিছিলো। এনেকৈ যে বাটতে লগ পাম ভবাই নাছিলো।

যুতিকা---আহিব তেন্তে। কিয় লগ পাব বিচাৰিছে বা।

মহিম—আমি এখন থিয়েটৰ পাতিছো।

যুতিকা—কি থিয়েটৰ ?

মহিম—লক্ষ্মণৰ শক্তিশেল।

যুতিকা—আজিকালিও নো সেইবোৰ থিয়েটৰ পাতেনে। এখন ছোচিয়েল ড্ৰামা নকৰে 'কিয় ?

মহিম—নহয় ! আমাৰ এয়েই first attempt. সেনে ভাবিছো মাইথ'ল'জিকেলেৰেই আৰম্ভ কৰো।

যুতিকা—আপুনি কি পাৰ্ট লৈছে ?

মহিম—সীতা।

যুতিকা—(হাঁহি) ফিমেল পাৰ্ট ?

মহিম—সেয়ে তোমাৰ পৰা অলপ কোচিং লব বিচাৰিছো।

যুতিকা—Please do come in the evening. Just at 6. Bye-Bye.

মহিম—বাই ! বাই ! (যুতিকা যোৱাৰ ফালে কিছু সময় চাই থাকি—যাব বিচাৰে। এখন চাইকেলত tennis racket লৈ বলীন সোমাই আহে। গাত খেলাৰ পোছাক)

মহিম—ইস্ আজি দেখিছো যাকে বিচাৰিছো তাকেই সহজে পাইছো।

বলীন—কি হ'ল। মোক বিচাৰিছা কিয় ?

মহিম—আমি এটি সাংস্কৃতিক সংঘ খুলিছো। তাৰে তোমাক চেক্ৰেটৰী পাতিছো, তোমাৰ সন্মতি লবলৈ বুলি ওলাই আহিছিলো।

বলীন—ভাল কথা। ৰাইজে বিচাৰিছে যেতিয়া হম। পিছে অনুষ্ঠানটিৰ কি নাম দিছা।

মহিম—'গুলজাৰ নাট্য সমিতি'।

বলীন—ওহো! মোৰ ঠিক ভাল লগা নাই। গুলজাৰ নাট্য সমিতি। কিবা অসমীয়া অসমীয়া হ'লহে। নহয় বুজিছা—গুলজাৰ থিয়েটৰ কৰা।

মহিম—হব সেই নামকেই দিম। তুমি পিছে সন্মতি দিছাতো।

বলীন—ৰাজী। পিছে মোক হলে এজন এচিষ্টেণ্ট চেক্ৰেটৰী লাগিব।

মহিম—মই সহকাৰী সম্পাদক মনোনীত হৈছো।

বলীন—গুড, কিন্তু মই যেতিয়া চেক্ৰেটৰী হৈছো সকলো পৰিপাতি হব লাগিব। আৰু বুজিছা সকলো ক্ষেত্ৰতে Secretary's dicision will be final.

মহিম—হব হব। আৰু Assistant Secretary's dicision will be semi final. আমাৰ কালিলৈ মহৰৎ হব। নাট্য-মন্দিৰত ৬-৩০ বজাত। তুমি কিন্তু উপস্থিত থাকিব লাগিব।

বলীন—Sure, Sure. Wish you all success.

মহিম—Thank you. (দুয়ো দুফালে যায়)

৩য় দৃশ্য

কাকতিৰ ড্ৰইংৰুম

(আধুনিক ধৰণে সজোৱা এটি সু-সজ্জিত ড্ৰইংৰুম। এখন চোফাত বহি যুতিকাই Filmfareৰ ছবি চাই থাকে—evening walkৰ কাৰণে সাজু হৈ কাকতি সোমাই আহে)

কাকতি—Jute, Hurry up. It is time for an evening drive.

যুতিকা—পাপা ! আজি মই নেযাওঁ। মোৰ এজন friend অহাৰ কথা।

কাকতি—yes, Friend in need is friend indeed. ঠিক আছে (বুলি ওলাই যায়) (যুতিকাই এবাৰ বাহিৰলৈ চাই আকৌ এবাৰ এখন বাতৰি কাকত লয়। এনেতে কলিং বেল বাজে।)

যুতিকা---Please come in. (এইবুলি আগুৱাই যায়)

(মহিম সুন্দৰ ধুতি-পাঞ্জাবী পিন্ধি সোমাই আহে ।) আহক ! বহক !

মহিম---মই আকৌ তুমি ওলাই গ'লা বুলিহে ভাবিছিলো । বাটৰ টানিংটোত তোমালোকৰ গাড়ীখন যোৱা দেখিলো ।

যুতিকা---কিয় ? মই জানো আপোনাক কথা দিয়া নাছিলো । কথা দিলে word দিলে ৰাখিবই লাগিব । বাৰু । সেইবোৰ যাওক । Don't waste time কওকচোন কি থিয়েটৰৰ কথা কৈছিল । আপোনাক কি Coach কৰিব লাগে ।

মহিম---আমাৰ গুলজাৰ theatre will present "Lakshmanar Saktisel". মই তাত সীতাৰ ভাও লৈছো । সেয়ে তুমি মোক শিকাই দিব লাগে। Coach কৰি দিব লাগে।

যুতিকা---বাৰু চাওঁ---নাটকখন আনিছে ?

মহিম---আনিছো---আৰু গুৰু মাননি স্বৰূপে এই গোলাপ ফুল এটিও তোমালৈ আনিছো । অনুগ্ৰহ কৰি লোৱা ।

(যুতিকাই এহাতেদি ফুলটি লয়)

যুতিকা---ধন্যবাদ । বাৰু নাটকখন চাওঁ ।

মহিম---এইখন। এই দৃশ্যটি সীতা আৰু ৰাৱণৰ (উলিয়াই দিয়ে)

যুতিকা---আপুনি আগতে এবাৰ পঢ়কচোন ।

মহিম---(দৃশ্যটি উলিয়াই লৈ পঢ়ে)

ৰাৱণৰ চিত্ৰশালা। বন্দিনী সীতা বহি আছে, ৰাৱণৰ প্ৰৱেশ ।

ৰাৱণ---সীতা ! সীতা !

সীতা---কোন ?

ৰাৱণ---সীতা ! লঙ্কাৰ ঈশ্বৰ মই ।
দেৱগণ বন্দী মোৰ—
সসাগৰা পৃথিবীৰ ৰজা ৰাজেশ্বৰে
প্ৰভু বুলি সেৱা কৰে মোক ।
কিন্তু সীতা !
তুমি মোৰ সপোন-কুঁৱৰী
তুমি মোৰ হৃদয় ঈশ্বৰী ।
এটিবাৰ আহা কাষ চাপি
দিয়া মোক প্ৰেম-আলিঙ্গন ।

(তেতিয়া সীতাই কব)

সীতা---ইমান স্পৰ্দ্ধা
কূপৰ ভেকুলী হৈ
কৰ তই চন্দ্ৰ অভিলাষ । তেতিয়া আকৌ ৰাৱণে কব----

ৰাৱণ---সীতা, প্ৰেমৰ ভিক্ষাৰী মই
দিয়া মোক প্ৰেম ভিক্ষা দান ।
দেই পৰি মৰিছে হৃদয়
দুবাহুৰ মাজত সোমায়
দিয়া প্ৰিয়া—শান্তিৰ লেপন।
আহা—আহা সীতা
যাওঁ মই সকলো পাহৰি
ৰাৱণৰ কীৰ্তি ৰাশি
লুপ্ত হক ধৰাৰ বক্ষত
মাথোঁ মাতা মোক প্ৰিয়তম বুলি।

তেতিয়া সীতাই কব---

সীতা---গুচ্ গুচ্ কুলাঙ্গাৰ
কাষ চাপি নাহিবি সীতাৰ ।
ক'ত পালি ইমান সাহস
কিয় তোৰ এনে মতিভ্ৰম ।
শিয়াল পোৱালি হৈ
বিচাৰিছ সিংহিনীৰ প্ৰেম ?

যুতিকা---বাৰু ঠিক আছে এইখিনিকে ৰিহাৰ্ছেল কৰি চাওঁচোন। মই বাৰু ৰাৱণ—আপুনি সীতা। মই কৈছো---

সীতা---- ।

মহিম---কোন ?

যুতিকা—সীতা ! লঙ্কাৰ ঈশ্বৰ মই
দেৱগণ বন্দী মোৰ
সসাগৰা পৃথিবীৰ ৰাজ ৰাজেশ্বৰে
প্ৰভু বুলি সেৱা কৰে মোক।
কিন্তু সীতা—
তুমি মোৰ সপোন কুঁৱৰী
তুমি মোৰ হৃদয় ঈশ্বৰী
এটিবাৰ আহা কাষ চাপি
দিয়া মোক প্ৰেম আলিঙ্গন।
তেতিয়া সীতাই কব—কওক—
মহিম—ইমান স্পৰ্দ্ধা
কূপৰ ভেকুলী হৈ
কৰ তই চন্দ্ৰ অভিলাষ।
যুতিকা—তেতিয়া ৰাৱণে কব—
—সীতা প্ৰেমৰ ভিক্ষাৰী মই
দিয়া মোক প্ৰেম ভিক্ষা দান।
দেই পুৰি মৰিছে হৃদয়
দুবাহুৰ মাজত সোমাই
দিয়া প্ৰিয়া শান্তিৰ লেপন।
আহা—আহা সীতা
যাওঁ মই সকলো পাহৰি
ৰাৱণৰ কীৰ্তি ৰাশি
লুপ্ত হওক ধৰাৰ গৰ্ভত
মাথোঁ—মাতা মোক
প্ৰিয়তম বুলি।
—কি চাই আছে ? সীতাৰখিনি নকয় কিয় ?
catching ঠিক নহলে সকলো বিউটি নষ্ট
হব। কওক—সীতাৰখিনি কওক।
মহিম—গুচ—গুচ—কুলাঙ্গাৰ
কাষ চাপি নাহিবি সীতাৰ
ক'ত পালি ইমান সাহস
কিয় তোৰ এনে মতিভ্ৰম
শিয়াল-পোৱালি হই
বিচাৰি সিংহিনীৰ প্ৰেম ?

যুতিকা—বাৰু ঠিক আছে। এতিয়া seriously
ৰিহাৰ্ছেল কৰা যাওক।
চোফাৰপৰা এটা কুছন টান মাৰি মাটিত
দলিয়াই দি কয়)
আপুনি তাতে সীতা হৈ বহি লওক।
(মহিম বহে) অ' ঠিক আছে—এতিয়া মই
ৰাৱণ হৈ প্ৰৱেশ কৰিম। (তেনে কৰে)
সীতা !
মহিম—কোন ? (এই বুলি মূৰ দাঙি যুতিকাৰ
ফালে চায়)
যুতিকা—হেইয়া। তেনেকৈ চাইছে কিয় ?
সীতাই ৰাৱণৰ মাত শুনাৰ লগে লগে ঘৃণাৰে
মুখ আঁতৰাব। তেতিয়াহে natural হব।
artistic হব। বাৰু আপুনি আকৌ
আগৰদৰে সীতা হৈ বহক। মই ৰাৱণ
হৈ আহিছো।
সীতা—
মহিম—(মহিমে ওৰণি টানি মুখ ঘূৰোৱাৰ দৰে
কৰি কয়) —কোন ?
যুতিকা—এইবাৰ ঠিক হৈছে। তাৰ পিছৰখিনি
"সীতা লঙ্কাৰ ঈশ্বৰ মই
দেৱগণ বন্দী মোৰ
সসাগৰা পৃথিবীৰ ৰজা ৰাজেশ্বৰে
প্ৰভু বুলি সেৱা কৰে মোক।
কিন্তু সীতা—
তুমি মোৰ সপোন-কুঁৱৰী
তুমি মোৰ হৃদয় ঈশ্বৰী
এটিবাৰ আহা কাষ চাপি
দিয়া মোক প্ৰেম আলিঙ্গন।"
—ধৰক। আপোনাৰখিনি কওক।
মহিম—ইমান স্পৰ্দ্ধা
কূপৰ ভেকুলী হই
কৰ তই চন্দ্ৰ অভিলাষ।

যুতিকা—এই স্পৰ্দ্ধা শব্দটো বৰ বেয়া শুনিছে। স্পৰ্দ্ধাটো কাটি 'ফুটানি' কৰি দিলে ভাল হব।
ইমান "ফুটানি"
কূপৰ ভেকুলী হই
কৰ তই চন্দ্ৰ অভিলাষ।
কওক—

মহিম—ইমান ফুটানি।
কূপৰ ভেকুলী হই
কৰ তই চন্দ্ৰ অভিলাষ।

যুতিকা—আপুনি কিয় reading কৰা দি কৰি গৈছে। Feelings দি কৰকচোন। ইমান ফুটানি বোলোতে আপোনাৰ খং উঠিব। কূপৰ ভেকুলী----এইখিনি কওঁতে আপুনি ব্যঙ্গ কুটুক্তি কৰি কব। কওকচোন। আৰু সদায় Body ৰ curve উলিয়াই গৈ চাব। খোজ কাঢ়োতে straight line ত খোজ কাঢ়িব—এনেকৈ।

মহিম—কি ইমান ফুটানি—(বৰ জোৰে কয়)
কূপৰ ভেকুলী হই
কৰ তই চন্দ্ৰ অভিলাষ।

যুতিকা—বাপৰে বাপ। ইমান জোৰে কৈছে কিয়? আপুনি 'সীতা', মহিম বৰুৱা নহয়। সেইটো পাহৰি নেযাব। বাৰু, আপুনি উঠক। আপুনি 'ৰাৱণ' হওক—মই সীতা হওঁ। মই কিদৰে কওঁ কিদৰে প'জ দিওঁ ভালকৈ চাই লব। অন্যমনস্ক বা আন কথাত মন নিদিব। মোৰ ফালে চাই থাকিব।

মহিম—অন্যমনস্ক। কি কৈছা যুতিকা—লাখ লাখ যুগ ধৰি, মই তোমাৰ ৰূপ, তোমাৰ সৌন্দৰ্যৰ ফালে চাই থাকিলেও মোৰ হেঁপাহ নপলাব—যুতিকা।

যুতিকা—আপুনি বৰ পোয়েটিক হৈ গৈছে। Mind that you are Sita not Mahim Barua.

মহিম—মই তেন্তে ৰাৱণৰখিনি ক'ম?

যুতিকা—অ' (যুতিকা মাটিৰ কুছনৰ ওপৰত লয়লাসে বহে—

মহিম—লঙ্কাৰ ঈশ্বৰ মই
দেৱগণ বন্দী আজি মোৰ
সসাগৰা পৃথিবীৰ ৰজা ৰাজেশ্বৰে
প্ৰভু বুলি সেৱা কৰে মোক
কিন্তু সীতা!
তুমি মোৰ সপোন-কুঁৱৰী
তুমি মোৰ হৃদয় ঈশ্বৰী
এটিবাৰ আহা কাষ চাপি
দিয়া মোক প্ৰেম-আলিঙ্গন।
(কাকতি সোমাই আহে। মহিম আৰু যুতিকাৰ এই অভিনয় বুজিব নোৱাৰি হতভম্ব হয়।)

কাকতি—Oh, I see
Please excuse me
(পিছুৱাই গুচি যায়)

যুতিকা—পাপা আহিছে। আজিলৈকে ইমানতে সামৰোঁদেই। মাজে মাজে আহি কোচিং লবহি।

মহিম—মাজে মাজে নহয় যুতিকা। মই সদায় আহিম। ৰাম-সীতাৰ দৃশ্যটি বৈ গ'ল।
(যায়। যুতিকাই কুছনটো চোফাৰ ওপৰত আগৰ দৰে সজাই থৈ—
পাপা—পাপা (বুলি প্ৰস্থান কৰে)

৪ৰ্থ দৃশ্য

ৰাজআলি

(বিভিন্ন ধৰণৰ মানুহ অহা-যোৱা কৰি থাকে। হৰিদাসৰ প্ৰৱেশ—আন ফালৰ পৰা মহিম আহে।)

হৰিদাস—আজি ৰিহাৰ্ছেল হোৱাৰ কথা আছে নহয়। হবনে নহয়।

মহিম—কিয় নহব—। পিছে পাৰ্ট পাইছু নে নাই ।

হৰিদাস—কালিতেই অনিলৰ ঘৰত বহি লেখি আনিছো । মুখস্থও হৈছে । দাড়ি, কমা, চেমিকলন সকলো মুখস্থ কৰি পেলাইছো ।

পৱনৰ পুত্ৰ মই বীৰ হনুমান
ৰাৱণৰ স্বৰ্ণ লঙ্কা কৰো থানবান ।

বৰ Spirited part ভাই । চাবি মই প্ৰত্যেক বচনতে শ্লেপ লৈছে এৰিম ।

মহিম—মোৰ ভাই বৰ করুণ পাৰ্ট । এনে এক্টিং কৰিম দৰ্শকৰ চকুৰ পানীৰে flood হৈ যাব ।

প্ৰিয়তম । তুমি যাবা বনবাসলৈ আৰু মই বিৰহিনী পাপিয়াৰ দৰে কিহৰ আশাত বাৰু জীৱন কটাম ।

নহে প্ৰিয়তম----
ময়ো যাম---ময়ো যাম
বনবাসলৈ ।

তদুপৰি বুজিছু । এইদৰে Body curve উলিয়াব লাগিব । ষ্ট্ৰেইট লাইনত খোজ কাঢ়ি কঁকালৰ ভাঁজ উলিয়াব লাগিব । যেই সেই পাৰ্ট নহয় Female part তাতে Heroine সীতাৰ ।

হৰিদাস---মোৰ হব পায় কম । হনুমান---ৰাম-ভক্ত হনুমান । যাৰ নাম শুনিলে ৰাক্ষস পলাই-পটং দিয়ে । মই যেতিয়া বাহু তুলি তুলি গৰ্জিম চাবি । নাম কৰি দিম ভাই । চাবিনেকি ?

মহিম—মোৰ চাবিনেকি !

হৰিদাস—অ'---ঠিক আছে---

মহিম---অ'---ঠিক আছে--

(এইবুলি দুজনে তন্ময় হৈ পাৰ্ট কৰে । দুয়ো একেলগে কৰাৰ কাৰণে কোনেও কাৰো পাৰ্ট কৰা বা আখৰা কৰা নেদেখে, কিন্তু দুয়ো ইটোৱে সিটোৰ দেখিছে বুলি ভাবি পাৰ্ট গাই যায়)

হৰিদাস---কোনে এই মহানিশা কালক মাতিছ ?
হেৰ হেৰ দুৰ্মতি পামৰ
নাজানতে কোন আজি আহিছে ৰণত,
পৱনৰ পুত্ৰ মই—বীৰ হনুমান
ৰাৱণৰ স্বৰ্ণ লঙ্কা কৰো থানবান ।

মহিম—প্ৰিয়তম । প্ৰিয়তম
তুমি যাবা বনবাসলৈ
আৰু মই অযোধ্যাৰ ৰাজপ্ৰাসাদত
বিৰহিনী পাপিয়াৰ দৰে
কিহৰ আশাত বাৰু জীৱন কটাম ।
নহে প্ৰিয়তম ।
ময়ো যাম---ময়ো যাম বনবাসলৈ ।

হৰিদাস } —(দুয়ো দুয়োকে চাই) কোনে দেখিছা ?
মহিম }

বেছ হৈছে নহয়
বেছ----

হৰিদাস---আৰু আছে—চাবিনেকি ?

মহিম---মোৰো আছে---

হৰিদাস---কোন ? কোন ?
কোনে কৰ শৰ-বৰিষণ ।
অন্যায় সমৰ ।
তথাপিও নাভাবিবি দুৰ্মতি দুৰ্জন
ৰক্ষা পাবি আজিৰ ৰণত ।
কালে তোৰ ধৰিছে চুলিত ।

মহিম—শুচ্ শুচ্ কুলাঙ্গাৰ
কাষ চাপি নাহিবি সীতাৰ ।
চা তোৰ পাপ উপহাৰ
পদাঘাতে দিলো আঁতৰাই ।

(এনেতে হাজৰিকা উকীলে হাতত ফাইল আৰু গাউন আদি লৈ—এফালৰ পৰা সোমাই আহে । মহিম আৰু হৰিদাসে দুয়ো ঘূৰি "কোনে দেখিলি" বুলি সোধে—হাজৰিকা দুয়োৰে প্ৰশ্ন শুনি চক খাই উঠে।)

হাজৰিকা—পাগল । Stupid, Nonsence.
(হৰিদাস আৰু মহিমে সেমেনা-সেমেনি কৰে—হাজৰিকা খং কৰি গুচি যায়)
মহিম—বৰ বেয়া হ'ল অ'—। চিনি পালি কোন ?
হৰিদাস—কোন হব ! ক'ৰবাৰ উকীল আৰু ।
মহিম—হেই সেইজন হাজৰিকা। আমাৰ অনিলৰ মোমায়েক ।
হৰিদাস—হয়নেকি ? মোকতো চিনি নাপায় ।
মহিম—মোক চিনি পায় নহয়। যদি Court Injunction দি দিয়ে ।
হৰিদাস—কি Injunction.
মহিম—অভিনয় পাতিব নোৱাৰে বুলি মানাহি দিয়ে যদি—
হৰিদাস—হয়নেকি ! হে ভগৱান। ব'ল লৰি গৈ লগ ধৰি ভৰিত দীঘল দি পৰি ক্ষমা খোজোগৈ ব'ল ।
মহিম—ব'ল Idea. (দুয়ো লৰি প্ৰস্থান)
(আনফালৰ পৰা অনন্তৰ প্ৰৱেশ—এনেতে এজন চানাচুৰৱালা আহে)
অনন্ত—এই চিনাবাদাম আছে ?
চানাচুৰৱালা—আছে বাবু ।
অনন্ত—চাওঁ দে। (লয়) (চানাচুৰৱালা যায়)
(অনন্ত যাব খুজি ওভতে। বহু দূৰত কাৰবাক দেখি থমকি ৰয় ।
এহাতে লাখুটি আৰু আনহাতে এটি মাছ লৈ ঘনকান্তৰ প্ৰৱেশ)
অনন্ত—প্ৰণাম।
ঘনকান্ত—কোনহে তুমি ? চিনি পোৱা নাই দেখোন ।
অনন্ত—মোক কেনেকৈ চিনি পাব ? মই আপোনাক চিনিছো। মই হৰিদাসৰ ক্লাছ ফ্ৰেণ্ড ।
ঘনকান্ত—অ'।
অনন্ত—আপোনাক এটা কথা কওঁ বুলি ভাবিছো। বেয়া নাপায়তো।
ঘনকান্ত—কিয় বেয়া পাম। কোৱা কি কথা ?
অনন্ত—হৰিদাসক অলপ শাসন কৰিব লাগে । সি চহৰৰ কেইবাজনো বেয়া ল'ৰাৰ লগ লাগিছে ।
ঘনকান্ত—হয়নে ?
অনন্ত—মই তাক কিমান বুজাইছো। পৰীক্ষালৈ আৰু কেইমাহ আছে ? ভালদৰে পঢ়া-শুনা কৰিব লাগে—সি নুশুনে । সি প্ৰায় ক্লাছ নকৰেই। দোকানে দোকানে চাহ খাই ঘূৰি ফুৰে ।
ঘনকান্ত—অ তুমি ঠিকেই কৈছা । আগতে সি সাঁজ লগাৰ লগে লগেই ঘৰ সোমাইছিল । আজিকালি কিন্তু ঘৰলৈ ওভতোতে বহু ৰাতি কৰে । অ' তাৰ কালিকা লাগিছে। বৰ ভাল পালো বোপা। তোমাৰ নামটো কি ?
অনন্ত—মোৰ নাম —মোৰ নাম ম-হি-ম বৰুৱা ।
ঘনকান্ত—তুমি তাক আকৌ বুজাবা। ময়ো তাক শাসন কৰিম বুজিছা—। (প্ৰস্থান)
অনন্ত—ইহঁতৰ এই থিয়েটৰ মই বন্ধ কৰিহে এৰিম। মোক শূৰ্পনাশা পাৰ্ট দিয়ে। দেখিম নহয় কেনেকৈ function কৰে। (প্ৰস্থান)

৫ম দৃশ্য

নাট্য-মন্দিৰ

গুলজাৰ থিয়েটৰচ্ৰ সভ্যসকল—চকী, বেঞ্চ আদিত বহি আছে—অনিল, মাণিক, কুমুদ, বলীন সকলো। চিন উঠাৰ লগে লগে ভিতৰৰ পৰা হৰিদাসে—"হনুমান মই—কালেকো নকৰো ভয়" বুলি চিঞৰি সোমাই আহে—বলীনক দেখি লাজ পায়। —পিছে পিছে মহিমো আহে ।

বলীন—আমাৰ এই অভিনয়ৰ পাৰ্ট Selection থুলমূলভাৱে চালো। কিন্তু মই সম্পাদক হিছাপে এটি চৰ্ত ৰাখিব খোজো। যদি ৰিহাৰ্ছেল চাই দেখো যে কাৰবাৰ ভাও—মনপূত হোৱা নাই তেন্তে তেওঁক সলনি কৰাৰ সম্পূৰ্ণ ক্ষমতা Secretaryৰ হাতত থাকিব। এই চৰ্তত সকলোৰে সম্মতি আছে যদি হাত-তালি দিব লাগে।

(সকলোৱে হাত-তালি দিয়ে)

(এনেতে এখন চাইকেলত হাৰিকেন লেম্প বান্ধি লৈ থুলেশ্বৰৰ প্ৰৱেশ)

বলীন—এওঁ আমাৰ Gulzar theatreৰ সভ্য হয় নে নহয়।

মহিম—হয়। এওঁ বৰাগীৰ ভাও লব।

বলীন—বৰাগী ?

মহিম—অ' এওঁ গায়ক। খুব ভাল গান গায়।

বলীন—এওঁ গান গায় ? এওঁৰ নাম কি ?

অনিল—থুলেশ্বৰ মহাজন। খু-উ-ব ভাল গান গায়।

হৰিদাস—এওঁ নকুছি যাত্ৰা পাৰ্টিৰ চোকৰা আছিল। কইবাটিও মেডেল পাইছে।

বলীন—হয়নে ?

থুলেশ্বৰ—মই অনাতাঁৰ শিল্পীও। এইবাৰ বিহুত তিনি ঠাইত Programme কৰি নাম কৰিছো।

বলীন—ও। এওঁ থাকে ক'ত ?

থুলেশ্বৰ—নাৰিকল বস্তিত।

বলীন—তেন্তে আজি ৰিহাৰ্ছেলৰ শুভাৰম্ভ। আগতে এওঁ এটি গান গাই শুনাওক।

হৰিদাস—মই এই প্ৰস্তাৱটি সাদৰেৰে সমৰ্থন কৰিলো।

অনিল—হেই চকীদাৰ—হাৰমনিয়াম-তবলা উলিয়া।

(হাৰমনিয়াম-তবলা আনে। থুলেশ্বৰে প্ৰণাম কৰি হাৰমনিয়াম লয়—এজনে তবলা লয়)

থুলেশ্বৰ—(ৰাগ টানে----)

প্ৰিয়াৰ অন্তৰত
কিনো মউ আছে।
কোনে দিব সমিধান।
বুকুৰ পোৱণি—কি বুজিবা মোৰ
কি বুজিবা মোৰ গান।

বলীন—বাৰু হব হব। পিছে এই যে—হয়ঃ সেই চিঞৰটো মাৰা সেইটো বন্ধ কৰিবা। হব।

থুলেশ্বৰ—বুজিছা এইবাৰৰ বিহুত এই গান গাই মই বিহুতলী কামাল কৰি দিছিলো। গান যি জুৰিলো—এৰিব নোৱাৰো—এৰিলেই 'এঙ্কৰ' 'এঙ্কৰ' "আকৌ আকৌ গাব লাগে" বুলি দৰ্শকৰ চিঞৰ-বাখৰ উঠে। ময়ো নেৰো দৰ্শকেও নেৰে। শেষত বিহুতলীৰ উদ্যোক্তাসকলে মোক দাঙি নিবলৈ বাধ্য হ'ল। নহ'লে সেইদিনা মোৰ programme তে ৰাতি পুৱাই গ'ল হয়।

বলীন—বাৰু। ঠিক আছে মহিম এতিয়া ৰিহাৰ্ছেল আৰম্ভ কৰা।

মহিম—আমি হৰধনু ভঙ্গ দৃশ্যৰ পৰাই আৰম্ভ কৰো। এই হৰিদাস -ল নাটকখন ল। তই এই দৃশ্যটো prompt কৰ।

হৰিদাস—জনকৰ ৰাজসভা। বিভিন্ন আসনত ৰাজন্যবৰ্গ। ঋষিসকল বহি আছে—আগত এটি ওখ বেদীত 'হৰধনু' সজোৱা থাকিব।

অনিল—সেইবোৰ কি পঢ়িছ—। বচনৰ পৰা আৰম্ভ কৰ। এইয়া ৰামৰ পৰা (দেখুৱাই দিয়ে)

অনিল(ৰাম)—গুৰুদেৱ!

শিৰোধাৰ্য তোমাৰ আদেশ।
দিয়া মোক পূত আশীৰ্বাদ।
পিতৃ দশৰথ আৰু জননী কৌশল্যা
জানিবা পুত্ৰৰ এই ভক্তিৰ প্ৰণাম।
হে সৰগৰ দেৱতাসকল
ঋষিবৰ মুনিবৰ ৰাজন্যমণ্ডলী
সভাসদ পাৰিষদ সকলোৰে প্ৰতি
জনালো ৰামৰ এই ভক্তি প্ৰণিপাত।

থুলেশ্বৰ—এইখিনিতে এটি গীত দিব পাৰি—

মহিম—কি গীত ?

থুলেশ্বৰ—প্ৰথমে প্ৰণামো দেৱী সৰস্বতী
দ্বিতীয়ে প্ৰণামো হৰি
তৃতীয়ে প্ৰণামো গাঁৱৰ বুঢ়া-মেথা
ধৰি যাম নামৰে গুৰি।

(হৰিদাসে—'এইবাৰ' 'এইবাৰ' বুলি বিহু নাচিব ধৰে)

বলীন—Order. Order. Haridas mind. your own business.
গীতটি বৰ খাপ খোৱা হৈছে—কি কোৱা অনিল ।

অনিল—এৰা—এই গীতটিয়ে আমাৰ নাটকৰ বহুখিনি সৌন্দৰ্য বঢ়াব। মোৰো এটি প'জ দিয়াৰ সুবিধা হব। মই আকৌ কওঁ—থুলেশ্বৰ তই ঠিক সময়ত গীতটি লগাবি।

অনিল—গুৰুদেৱ !
শিৰোধাৰ্য তোমাৰ আদেশ
দিয়া মোক পূত আশীৰ্বাদ
পিতৃ দশৰথ আৰু জননী কৌশল্যা
জানিবা পুত্ৰৰ এই ভক্তিৰ প্ৰণাম।
হে সৰগৰ দেৱতাসকল
ঋষিবৰ, মুনিবৰ ৰাজন্যমণ্ডলী
সভাসদ পাৰিষদ সকলোৰে প্ৰতি
জনালো ৰামৰ এই ভক্তি প্ৰণিপাত।

থুলেশ্বৰ—প্ৰথমে প্ৰণামো দেৱী সৰস্বতী
দ্বিতীয়ে প্ৰণামো হৰি
তৃতীয়ে প্ৰণামো গাঁৱৰ বুঢ়া-মেথা
ধৰি যাওঁ নামৰে গুৰি।

অনিল—মোৰ pose টো কেনে হৈছে ?

বলীন—সুন্দৰ হৈছে। কিন্তু হাত দুখন অলপ ওৰিয়েন্টেলফেছনত অৰ্থাৎ এইদৰে কৰিলে বোধ কৰো আৰু befitting হব।
(হাতৰ Oriental motion কৰি প্ৰণাম কৰি দেখুৱায় !)

অনিল—তাৰ পিছৰখিনি ধৰ।
(হৰিদাসে prompt কৰে)
হে শূলপাণি ।
হে পাৰ্বতীবল্লভ ।
নধৰিবা দোষ অধমৰ।
তোমাক স্মৰণ কৰি
আগবাঢ়ো আজি এই ভাগ্য পৰীক্ষাত ।
এই—চোৱা তুলি ললো
হৰধনু হেলাৰঙে মই ।
চোৱা চোৱা সকলোৱে
দিওঁ এবে ধনুত টঙ্কাৰ
ই কি —ই কি—
নোৱাৰিলে ই ভাৰ সহিব
ভাঙি গ'ল হৰধনু দুটুকুৰা হই !

হৰিদাস—(হৰধনু ভাঙি পৰে—মঙ্গলধ্বনি হয়। ওপৰৰ পৰা দেৱগণে পুষ্প বৰিষণ কৰে। সভাত উপস্থিত থকা ঋষিসকলে 'সাধু' 'সাধু' বুলি জয়ধ্বনি কৰে। আয়তীসকলে উৰুলি দিয়ে, শঙ্খ-ঘণ্টা বাজি উঠে। এনেতে সখী-সকলেৰে পৰিবেষ্টিত হৈ হাতত সুগন্ধি ফুলৰ মালা লৈ ৰাজহংস গতিত সীতাৰ প্ৰৱেশ)

মহিম—(সীতা) (এডাল আঁচ টানি লয়)
সাক্ষী হবা চন্দ্ৰ সূৰ্য দেৱতাসকল
সাক্ষী হবা শাৰী শাৰী দীপ
সাক্ষী হবা পিতৃ-পিতামহ
আজি এই মঙ্গল ক্ষণত
সকলোৰে লই আশীৰ্বাদ
বৰণৰ মালা দিলো আনন্দে পিন্ধাই
নাথ—নাথ
ফুল দিয়া চৰণ তলত ।
(সেৱা কৰে)

অনিল—উঠা দেৱী
নহয় তোমাৰ ঠাই চৰণ তলত
উঠা দেৱী

তোমাৰ প্ৰকৃত ঠাই

ৰাঘৱৰ এই হৃদয়ত

(এইবুলি মহিমক দাড়ি দি আঁকোৱালি ধৰে)

বুজিছা বলীন। এইদৰে আমি প'জ দিম আৰু লগে লগে আগত দ্ৰপ পৰিব।

বলীন—ঠিক আছে—আৰু এটা Scene উলিয়া। এটা যুদ্ধৰ চিন বাহিৰ কৰা।

হৰিদাস—ৰণক্ষেত্ৰত হনুমান। ২য় অঙ্ক—৩য় দৃশ্য। এইটো—

অনিল—পাৰ্ট মুখস্থ আছিছে ?

হৰিদাস—দাড়ি, কমা, চেমিকলন সকলো মুখস্থ। এই ল নাটক দেখিবি। ষ্টেজ ফাটাই দিম।

হনুমান মই ৰামৰ শঙ্কৰ।

অনিল—হেই ৰহ। কি কৈছ? কি ৰামৰ শঙ্কৰ।

হৰিদাস—কিয়! নাচাব কিয় ? এইয়া (নাটক খুলি)

অনিল—ধেৎ, ৰামৰ শঙ্কৰ নহয়। ৰামৰ কিঙ্কৰ।

হৰিদাস—হব দে। শঙ্কৰো যি কিঙ্কৰো সি। এটা হলেই হ'ল। ল নাটক ল। মই প্ৰৱেশ কৰিম। (হৰিদাসে জাঁপ মাৰি মাৰি সোমাই আহে)

হনুমান মই—ৰামৰ কিঙ্কৰ।

মোৰ ভয়ে যক্ষ ৰক্ষ কঁপে থৰেহৰি।

কোন—কোনে এই মহানিশা যমক মাতিছ—

কাৰ কালে ধৰিলে চুলিত।

সৌৱা—সৌৱা

শ্ৰীৰামৰ সতে যুদ্ধ

নোৱাৰিলে ৰক্ষসেনা থিৰেৰে থাকিব

হাঃ হাঃ হাঃ

ৰণ এৰি পলাল সকলো।

হাঃ হাঃ হাঃ।

বলীন—ৰবাচোন ৰবা। এইখিনি ঠিক হৈছে জানো ? আমি কিবা এটা কামত সফল হলে কি কৰো ? তিলিকি মাৰি ঘূৰি ঘূৰি আনন্দ নকৰোনে—হেঃ হেঃ এনে হ'ল তেনে হ'ল (বুলি ঘূৰি ঘূৰি কব ধৰে) ঠিক এনেদৰে কোৱাচোন।

হৰিদাস—সৌৱা—সৌৱা

শ্ৰীৰামৰ সতে যুদ্ধ

নোৱাৰিলে ৰক্ষসেনা থিৰেৰে থাকিব।

(ঘৰি ঘূৰি) হাঃ হাঃ হাঃ

ৰণ এৰি পলাল সকলো

হাঃ হাঃ হাঃ—

বলীন—বেছ বঢ়িয়া হৈছে। খুব natural হৈছে।

অনিল—মহিম আৰু এটা নতুন চিন উলিয়া।

বলীন— Oh now it is 9-30. মোৰ ক্লাবত দিনাৰ আছে। আজি ইমানতে ৰিহাৰ্ছেল সামৰা যাওক। তোমালোক আহিবা—মই যাওঁ। কালিলৈ ঠিক ৬-৩০ বজাৰ লগে লগে সকলো হাজিৰ হব লাগিব। Good night to you all.

অনিল—এওঁ দেখোন ডাইৰেক্‌চন দিয়াত লাগিলহে এওঁৰ ডাইৰেক্‌চন মতে অভিনয় কৰিলে First Sceneতেই আমাৰ যৱনিকা পতন হব। কি কৰা যায়।

মহিম—ঠিক আছে। ৰিহাৰ্ছেলত সকলোৱে তেওঁক মানি চলি—থিয়েটৰৰ দিনা নিজৰ মতে কৰিলেই হ'ল। তেওঁক oppose কৰিব নোৱাৰি। তেওঁ খৰচ নিদিলে আমাৰ productionৰ খৰচ ক'ত পাবি ?

হৰিদাস—ঠিক কৈছ। মই যাত্ৰা কৰি কৰি এই বয়স পালোহি। এতিয়া সি মোক শিকায়। এটা কাম কৰো যিটো ৯-৩০ বজাৰ বেছি হবও নালাগে। ৰাতি ১১-৩০ বজাৰ পৰা

আজাৰ আচল বিহাৰ্চেল আৰম্ভ হব। ১২ বজালৈকে বিহাৰ্চেল চলিব।

অনিল—ঠিক আছে। হৰিদাসৰ প্ৰস্তাৱ আমি সকলোৱে সমৰ্থন কৰিছো।

হৰিদাস—Inquilub Zindabad. Gulzar theatre Zindabad.

লগে লগে পৰ্দা পৰে

২য় অঙ্ক

১ম দৃশ্য

ঘনকান্তৰ ঘৰ

(এটি কোঠাকে পাৰ্টিচনৰে দুটা কোঠা কৰা। আগফালৰ ফালে এখন খাট আৰু কাষত এখন টেবিল। হৰিদাসৰ খোৱা আৰু পঢ়া কোঠা। আনফালে এখন খাট দেখা যায়। ঘনকান্তৰ শোৱনি কোঠা। ঘনকান্তই শোৱনি কোঠাৰ পৰা ওলাই হৰিদাসক বিচাৰে)

ঘন—অ' হৰিদাস হৰিদাস। নাই—এই ৰাতিখনলৈকে তাৰ দেখাদেখি নাই। বোলো হেৰা। ৰান্ধনি ঘৰতে সোমাই নো কি সোপাতো কৰিছাহে।

পদুমী—(আহে) কি হ'ল। এই এনেদৰে চিঞৰিছে কেলেই। ওচৰ-চুবুৰীয়াই শুনিলে কি বুলিব।

ঘন—হৰিদাস ক'লৈ গ'ল। সি পঢ়া ল'ৰা। ইমান ৰাতিলৈকে ঘৰ সোমাব নেপায়নে ?

পদুমী—সি নাহিল আপোনাৰ কি হ'ল ? আপোনাৰ খোৱা-বোৱা হ'ল যেতিয়া শুই থাকক।

ঘন—শুবা ! তোমাৰ বংশধৰজে একেবাৰে শুৱাইহে এৰিব। তাৰ অতপালিত মই থাকিব নোৱাৰা হ'লো।

পদুমী—ইস্ সিনো কি অতপালি কৰিলে ?

ঘনকান্ত—হোঃ নাই কৰা। সি মোক ভিতৰে-বাহিৰে জ্বলাইছে। আজি বোলে চিনেমা হলত গণ্ডগোল লাগিল—তাত কোন তোমাৰ ল'ৰা হৰিদাস। আজি ফুটবল খেলত মাৰামাৰি লাগিল—তাত কোন ? অ' বোলো তোমাৰ বেটা হৰিদাস। আজি বোলো তাৰী চোৰত ধৰা পৰিল—তাত কোন তোমাৰ বংশধৰজ হৰিদাস। এই ৰকমে—এই ৰকমেই সি মোক জ্বলাই মাৰা নাইনে।

পদুমী—হৈছে হৈছে। মাৰামাৰি সি অকলে কৰে। দেশৰ ল'ৰাই কৰে সিও কৰে। তাতেনো কি ডাঙৰ কথাতো হ'ল। ৰাতিখন এতিয়া এনেদৰে কথা পাগুলি পাগুলি মূৰ গৰম কৰিব—মাজ ৰাতি আকৌ তেল-পানী দিব লাগিব। যক ভালে ভালে শুই থাককগৈ।

ঘন—আজি বুজিছা, ইয়াৰ এটা মীমাংসা কৰিহে শুম। হয় 'উচপাৰ' নহয় 'ইছপাৰ'।

পদুমী—এঃ মোৰ আগত এনেদৰে ডাঙ্কোপ মাৰিলে কি হব। সি আহিলে দেখোন মুখেৰে মাতিবই নোৱাৰে।

ঘন—বহুত সহ্য কৰিছো। আৰু সহ্য নকৰো। আজি আহিলে এই লাঠিৰে তাৰ মূৰটোকে ভাঙিম।

পদুমী—হৈছে, হৈছে। ল'ৰাটোক যদি এদিন এষাৰ ভাল মাতেৰে মাতিলহেঁতেন। দেখা নাইনে সি সদায় কেটেৰা-জেঙেৰা খাই কিদৰে শুকাই ক্ষীণাই গৈছে।

ঘন—কি ক'লা। সি ঝীণাইছে। হেম্বা মোৰ আগত যি কলা কলা। আনৰ আগত কলে তোমাৰ চকু নাইকিয়া বুলিব। খাই খাই গোনা মহ'টোৰ দৰে বাঢ়িছে।

(দূৰত হৰিদাস—হনুমান মই—ম্ৰমক মকৰো ভয়, কোনে এই মহা নিশা কালক মাতিছে।)

ঘন—হেইয়া—সি আহিছে। আহ বাপেৰে আজি কোবাই হাড়-মূৰ ভাঙি দিম।

পদুমী—বোলো ভালে ভালে আপুনি ভিতৰলৈ যাওক। ল'ৰাটোৰ লগত মিছাতে ফেৰ পাতিব নালাগে।

(হৰিদাসে বিড়ি হুপি হুপি আহি আগতে পৰে আৰু ততাতৈয়াকৈ বিড়ি দলিয়ায়)

ঘন—হেৰৌ। এই ৰাতি দুপৰলৈকে ক'ত মৰিছিলি।

হৰিদাস—কিয় আমাৰ কোম্পানীৰ থিয়টৰ—অ' অ' আমাৰ কলেজৰ আজি মিটিং আছিল।

ঘন—কিহৰ মিটিং অ'? দিনটো মিটিং কৰি কৰি হেঁপাহ নপলাল। মিছলীয়া।

হৰিদাস—ক'ত বা মই মিছা কথা ক'লো—

ঘন—কিয়? মই তোৰ সকলো কীৰ্তি শুনিছো নহয়। তই বোলে কলেজ নকৰই—চাহৰ দোকানে দোকানে চাহ খাই ঘূৰি ফুৰ।

হৰিদাস—কোনে কৈছে?

ঘন—কিয়—তোৰ লগৰ ল'ৰায়ে কৈছে।

হৰিদাস—মোৰ লগৰ ল'ৰাই কৈছে।

ঘন—অ কৈছেতো, মহিম বৰুৱাই আজি মোক বাটতে লগ পাই তোৰ উভতগুলিৰ কথা কৈছে নহয়। মৰিবি বাপেৰে—

পদুমী—হেৰি, হৈছে দিয়ক। সি দিনটো খোৱা নাই। ভাগৰে-ভোকে আহিছে—তাক এতিয়া অলপ সুস্থিৰ হবলৈ দিয়ক। আহক আহক কোঠালৈ আহক।

(পদুমীয়ে প্ৰায় ধৰি ভিতৰলৈ লৈ যায়—হৰিদাসে কেৰাহিকৈ চাই থাকে। অলপ পিছত ভিতৰত কিবা বিচাৰে। পদুমী আহে)

পদুমী—কি বিচাৰিছ বাছা?

হৰিদাস—মোৰ লুঙিখন।

পদুমী—মই বাৰাণ্ডাতে এবাল্টি পানী, গামোচা, লুঙি জুকিয়াই থৈছো। যা—ভৰি-হাত ধুই লগে। দিনটো ক'দে-বতাহে ঘূৰি ফুৰিছ। আখলত ভাতো বাঢ়ি থৈছো—

হৰিদাস—আজি ভাত নাখাওঁ।

পদুমী—কিয়?

হৰিদাস—আজি মাংস-পৰঠা—ডিঙিলৈকে গুঁজি আহিছো। ভাত কি খাবি। আমাৰ কোম্পানীৰ থিয়টৰ—লক্ষ্মণৰ শক্তিশেল। মই হনুমান। দেখিবি আই—এইবাৰ নাম কৰি দিম। মই ঘৰে ঘৰে জুই লগাই দিম—।

পদুমী—ঘৰত জুই দিয়া পাপ বাছা।

হৰিদাস—আচলতে নহয় আই—থিয়টৰত। মই স্বৰ্ণলঙ্কা ধ্বংস কৰিম।

পৱনৰ পুত্ৰ মই বীৰ হনুমান

ৰাৱণৰ স্বৰ্ণলঙ্কা কৰো খানবান।

(জাপ মাৰি ওলাই যায়)

পদুমী—বাছাৰ মোৰ চুলিৰ সমান আয়ুস হওক।

(বিছনা জোঁকাৰি পাৰে—লুঙি, বনিয়ন পিন্ধি হৰিদাস সোমাই আহে।)

কিয় আহিলিয়েই দেখোন, ভাত বাঢ়ি থৈছো ব'ল।

হৰিদাস—আজি আৰু ভাত নাখাওঁ বুলি কৈছো নহয়। চাচোন—পেটটো লাগি চায়। House full, No vacancy. খুদকণ এটা ভৰাবলৈও আৰু ঠাই নাই।

পদুমী—ঘ'তে যি পাই নাখাবি বাছা। পেটৰ অসুখ কৰিব।

হৰিদাস—ভাল অসুখ কৰা পেটটো পাইছা দে আই। শিল সোমালেও হজম হব।

পদুমী—ঈশ্বৰে তোৰ মঙ্গল কৰক বাছা। পিছে পৰীক্ষাও বোলে পালেহি। অলপ পঢ়া-শুনাও কৰিব লাগে।

হৰিদাস—দেখিবি। আজি whole night পঢ়িম। ওৰে ৰাতি পঢ়ি কিতাপ ঘুগুলা কৰি দিম। চাবি—মই নাম ফাটাই দিম। মোৰ ভয়ে ৰক্ষসেনা কঁপে থৰহৰি। চাবি আই, মই এনেদৰে গন্ধমাদন পৰ্বত দাঙি জঁাপ মাৰি সাগৰ পাৰ হম।

(মাকক কোলাত তুলি লয়)

পদুমী—হেই কি কৰ। মোৰ কঁকালত দুখ পাম নমাই দে।

হৰিদাস—দেখিলি আই। পৱনৰ পুত্ৰ মই বীৰ হনুমান।

পদুমী—যা ৰাতি হৈছে। মই আখলৰ কামখিনি কৰি অটাওঁগৈ। তই শুই থাক।

হৰিদাস—নহয় আই। আজি whole night Performance ওৰে ৰাতি পঢ়িম।

পদুমী—এৰা বাছাইনো ক'ত নপঢ়ে। পঢ়ে। এই কুৰ্চুটীয়া মাণ্টৰবোৰেহে তাক বাৰে বাৰে হিংসাত ফেইল কৰি দিয়ে (ওলাই যায়)

(হৰিদাসে হাৰিকেন লেম্প মেজত লৈ কিতাপ মেলি পঢ়ে। মাজে মাজে মহ মাৰে। হামিয়াই—লাহে লাহে শুই পৰে)

(হাতত কুপি চাকি লৈ পদুমীৰ প্ৰৱেশ)

পদুমী—টোপনিত লালকাল দিলে দেহি।

(এইবুলি অলপ যতনাই লোৰাৰ ঠিক কৰি দি লেম্পটো কমাই দি ভিতৰৰ কোঠাৰ ফালে প্ৰস্থান।

অলপ সময় সকলো নিস্তব্ধ। ৰাতিৰ পখীৰ দুই-এটি মাত শুনা যায়)

(হৰিদাসে টোপনিতে ভোৰভোৰাই হাত ঘূৰায়)

হৰিদাস—(টোপনিত) কোনে এই মহা নিশা মৃত্যুক মাতিছ। (ঘনকান্তই দুৰণিৰ খাটৰ পৰা মূৰ দাঙি চায়)

ঘন—অ' হৰিদাস। হৰিদাস।

হৰিদাস—আজি তোৰ নাই পৰিত্ৰাণ
মৃত্যু তোৰ অনিবাৰ্য জানিবি দুৰাত্মা।

ঘন—অ' বোপাৰ মাক। বোপাৰ মাক। এইফালে আহা।

হৰিদাস—মাত—মাত
যাকে ইচ্ছা তাকে মাত
তথাপিও নাভাবিবি আজি
পৰিত্ৰাণ পাবি বুলি তই।

ঘন—(কঁপি) অ' বাপাৰ মাক।

হৰিদাস—মোৰ ভয়ে যক্ষ-ৰক্ষ কঁপে থৰহৰি।

ঘন—(জোৰ জোৰকৈ) অ' বোপাৰ মাক।

(হৰিদাস সাৰ পাই চাৰিওফালে চাই আকৌ লৰালৰিকৈ শুই পৰে। ইফালে পদুমীয়ে 'কি হৈছে' 'কি হৈছে' বুলি লৰি ঘনকান্তৰ ওচৰ চাপে)

ঘনকান্ত—হেৰা কি চাই আছা? তাক জগোৱা।

পদুমী—কাক?

ঘনকান্ত—তোমাৰ বংশধ্বজক—সি মোক অকলে পাই সৰ্বনাশ কৰিব খুজিছিল।

পদুমী—কি হ'ল?

ঘনকান্ত—সি মোক মাৰিবলৈ হাত তুলি উঠিছিল।
(পদুমী লৰি আহি হৰিদাসক চাই)

পদুমী—ক'তা? সি দেখোন টোপনিত লালকাল। সাৰি-সুৰাই নাই। মিছাতে আপুনি ভয় খায়।

ঘয়—হেৰা মিছা নহয় সঁচা। সি যম, মৃত্যু সকলো কৈছে। হাত-ভৰি জোঁকাৰিছে। বুজিছা—মই ইয়াত শুব নোৱাৰো। মোৰ খাটখন তোমাৰ কোঠালৈকে লৈ যাওঁ ব'লা। ধৰা—ধৰা বুলিছো নহয়। নহ'লে বাঁৰী হৈ মৰিবা। (খাটখন ধৰি দুয়ো ভিতৰলৈ লৈ যায়)।

হৰিদাস—(উঠি) ইস্ বুঢ়াই বৰ ভয় খালে। মই সপোনতে বচনবোৰ গালো। ছিঃ ছিঃ বৰ বেয়া হ'ল। —নহয়, ঠিকেই হৈছে। আগলৈ আৰু বুঢ়াই মোৰ আগত তেৰি-বেৰি কৰিব নোৱাৰিব। (এইবুলি হাঁহিব ধৰে)

দৃশ্যপট পৰে

২য় দৃশ্য

হাজৰিকা উকীলৰ বাৰাণ্ডা

(অনিল পুৰাৰ ড্ৰেছত লুঙি আৰু গেঞ্জি পিন্ধি হাতত পাৰ্ট লই নিজৰ বিহাৰ্ছেলত তন্ময়।)

অনিল—সীতা ! সীতা।
শূন্য কৰি পঞ্চৱতী বন
শূন্য কৰি ৰামৰ হৃদয়
জনকনন্দিনী সীতা
ক'ত গ'ল কোনে দিব সঠিক সন্ধান?
লক্ষ্মণ ! লক্ষ্মণ !
আনা মোৰ ধনুশৰ
স্বৰ্গ মৰ্ত্য পাতাল প্ৰৱেশি
প্ৰলয়ৰ ৰুদ্ৰ ৰূপ ধৰি
উদ্ধাৰি আনিম মই প্ৰাণ প্ৰতিমাক ।
নহয় আকৌ (পাৰ্ট মাটিত থৈ)
সীতা ! সীতা !
শূন্য কৰি পঞ্চৱতী বন
শূন্য কৰি ৰামৰ হৃদয়
জনক নন্দিনী সীতা
ক'ত গ'ল কোনে দিব সঠিক সন্ধান।
লক্ষ্মণ—লক্ষ্মণ
আনা মোৰ ধনু শৰ
স্বৰ্গ মৰ্ত্য পাতাল প্ৰৱেশি
প্ৰলয়ৰ ৰুদ্ৰ ৰূপ ধৰি
উদ্ধাৰ আনিম মই প্ৰাণ প্ৰতিমাক ।
(পাৰ্ট পঢ়ি)
(কান্দোন মিশ্ৰিত সুৰত)
কান্দোন মিশ্ৰিত সুৰ
অৰ্থাৎ কান্দোন থাকিব লাগিব ।
সীতা সীতা সীতা সীতা। সীতা
(হাজৰিকাই হাতত পেন আৰু এখন কাগজ লৈ সোমাই আহি অনিলক লক্ষ্য কৰি থাকে)

সীতা ! সীতা ! (ঘূৰি হাজৰিকাক দেখি)
সীতা was a man
So, all men are mortal

হাজৰিকা—হেই হতশ্ৰী হোৱা—কি সীতা was a man মাৰিবলৈ আহিছ। মই তোৰ এই অতপাখি চাইহে আছিলো।

অনিল—কিয় ? Logicত Sita was a man নাইনেকি ? মই Logicৰ পাঠ পঢ়িছো।

হাজৰিকা—Logic পঢ়িছে। হেৰৌ মোক ফাঁকি দিবলৈ আহিছ। মোক বোকা পাইছ ? তই নাজান মই B.A.B.L বুলি। কত মিছা সাক্ষী কৰি হাকিমক ফাঁকি দি মোকৰ্দমা জয় কৰিলো—তই এতিয়া মোক ফাঁকি দিবলৈ আহিছ ।

অনিল—মোমাইদেউ । আপুনি মোক হোৱাই নোহোৱাই বকি থাকে ।

হাজৰিকা—মই বকি থাকো। এই চহৰত হাকিম, মুন্সিপ, বাৰিষ্টাৰ কত ধনী ধনী মানুহ আছে । যাচোন সুধি আহগৈ—কোনোবাই নিজৰ ভাগিনীয়েকক আনি মোৰ দৰে কলেজত পঢ়ুৱাইছেনে। মই বোলো বিধৱা ভনী ল'ৰাটো পঢ়ি-শুনি যদি খুটি খাব পৰা কৰি দিওঁ আন নহ'লেও ধৰ্ম হব । অ' পিছে ভবা মতেতো কাম সিদ্ধি হোৱাৰ লক্ষণ দেখা নাই । পঢ়া এৰি থিয়েটৰত ধৰিছে। হেৰ ভাল বংশৰ ল'ৰাই ক'ৰবাত থিয়েটৰ কৰা দেখিছ ?

অনিল—ক'ত থিয়েটৰ পতা দেখিলে। এনেয়ে চাব মাৰি মাৰি ধৰে ।

হাজৰিকা—হেৰ কাৰ আগত ফাঁকি দিবলৈ আহিছ হোঃ। মই উকীল। আনক ফাঁকি দিব পাৰিলেও আমাৰ উকীলক নোৱাৰ। আমাৰ আগৰ ফালেও দুটা চকু পিছ ফালেও দুটা চকু । তইঁতৰ বিজ্ঞাপন মই দেখা নাই

বুলি ভাবিছ। ইস্ শ্ৰেষ্ঠাংশত—অনিল বায়ন। হেৰ বায়নৰ সঁৰা হৈ থিয়েটাৰ কৰিবলৈ গৈছে। তইঁতে এনেকৈ সংস্কৃতি ৰক্ষা কৰিবি। নিধক ।

অনিল—মোমাইদেউ। You are going too much

হাজৰিকা—কাৰ আগত ইংৰাজী মাৰিবলৈ আহিছ অ। মই সদায় কওঁ—পুৰা আৰু গধূলি ঘৰখন অলপ শান্তিৰে ৰাখিবি। গণ্ডগোল নকৰিবি। সেই সময়ত মই Case prepare কৰো। মই মেজত বহিম—ই কালে লগাব হুলস্থূল। জানো—আজি মোৰ কিমান ডাঙৰ কেছ আছে ? ছাগলী চোৰৰ কেছ। ছাগলী কিনিবলৈ আহি ৰাতিটো গৃহস্থৰ ঘৰতে কটাই এতিয়া গৃহস্থইহে ছাগলী চুৰ কৰি অনা বুলি নালিচ কৰিছে। সেই কেছৰ মই আইন কাটি চলাথ কৰিছো। ই চিঞৰিছে সীতা—সীতা।

অনিল—মোমাইদেউ। আপুনি বোলে কোনোদিন কেছত জিকাই নাই।

হাজৰিকা—কোনে কৈছে ?

অনিল—চহৰৰ সকলো লোকেই তেনেদৰে কয়। আপুনি বোলে ওকালতি কৰি ধনৰ মুখ নেদেখে—মহুৰীৰ দৰে দৰ্খাস্ত লেখিহে দুই-চাৰি পইচা মাৰে।

হাজৰিকা—Stupid. তই মোক এনেদৰে insult কৰিব আহিছ। তই নাজান মই কোন। মই এজলাচত সোমালে হাকিমে প্ৰমাদ গণে—যে হাজৰিকাই বা আকৌ আজি কি পইন্ট উলিয়ায়।

অনিল—জানো জানো দিয়ক।

হাজৰিকা—মই বুজিছো। তই বৰ বাঢ়িছ। তোক মই মোৰ ঘৰত ৰাখিয়েই মোৰ সৰ্বনাশ কৰিছো। কাল সাপ পুহিছো।

সসৰ্পে চ গৃহবাস মৃত্যুৰেব ন সংশয়।

তোক মই আৰু এক মুহূৰ্তও ইয়াত থাকিব নিদিওঁ। তই এতিয়াই মোৰ ঘৰৰ পৰা বাহিৰ হ।

অনিল—আপুনি তেতিয়া মোক ৰেজিষ্টাৰ্ড কৰি লেখি দিয়ক। চেপাৰেছন পকা-পকি হৈ যাওক।

হাজৰিকা—কিহৰ registration লাগে অ'। গলিনে—ৰ তোৰ মূৰ ভাঙি দিওঁ।

(ভিতৰলৈ লাঠি আনিবলৈ যায়)

অনিল—মোমাইদেউ—Ta—Ta
মই আহিলো Ta—Ta

(বেগেৰে ওলাই যায়)

হাজৰিকা—(আকৌ লাঠি লৈ সোমায়) অ' পলাল। ভাল ৰক্ষা পৰিলি যা।

(এই বুলি প্ৰস্থান)

৩য় দৃশ্য

ৰাজআলি

(হবেক ৰকমৰ মানুহ অহা-যোৱা কৰি আছে। এফালৰ পৰা ক্ৰিকেট খেলৰ ড্ৰেছ পিন্ধি বলীনৰ প্ৰৱেশ। আন ফালৰ পৰা অনিল আহে)

বলীন—অ' অনিল দেখোন—ক'লৈ। এই ড্ৰেছেৰেই এইখিনি পালাহি যে।

অনিল—কথা বৰ বিষম বুজিছা।

বলীন—কিয় ? থিয়েটাৰৰ কিবা problem arise কৰিছেনেকি ?

অনিল—থিয়েটাৰ একপ্ৰকাৰ আৰম্ভ হ'লেই—ৰাম বনবাসৰ দৃশ্য এইমাত্ৰ শেষ হ'ল।

বলীন—কি কৈছা ? মই একো বুজিব পৰা নাই।

অনিল—আজি ভাই মোক মোমাইদেৱে ঘৰৰ পৰা Get out কৰি দিলে।

বলীন—কিয় ?

অনিল—মই—বুজিছ মোৰ পাৰ্টটো বিহাৰ্ছেল দি আহিলো। foelings আহি প'ল কব নোৱৰা হ'লো। মই যেন ৰাম—সীতা হেৰুৱাই পাগল হৈ ঘোৰাৰ দৰে হ'লো।

বলীন—পাগল হ'লা—পিছে ?

অনিল—মোমাইদেৱে আহি দেখি বৰকৈ বকিবলৈ ধৰিলে। তাৰ পিছত তৰ্কাতৰ্কি আৰম্ভ হ'ল। শেষ পৰিণাম নিৰ্বাসন অৰ্থাৎ ঘৰৰ পৰা get out.

বলীন—তেন্তে এতিয়া উপায়।

অনিল—উপায় আছে—কিন্তু মেকুৰীৰ ডিঙিত তিলিঙা পিন্ধাবলৈ কেৱল তুমিহে পাৰিবা।

বলীন—মই যদি এই সমস্যাৰ কিবা সমাধান কৰিব পাৰো নিশ্চয় কৰিম। কোৱা, কি কৰিব লাগে ?

অনিল—তুমি গৈ মোমাইদেউক তোমাৰ বংশৰ চিনাকি দি মোমাইদেউক আমাৰ অনুষ্ঠানত সভাপতি হবলৈ আমন্ত্ৰণ জনোৱা—তেন্তে হয়তো মই আকৌ তাতে থাকিব পাৰিম।

বলীন—কিন্তু মহিমে যে মিঃ কাকতিক সভাপতি পতাৰ কথা কৈছে। সি যদি আকৌ offended হয়।

অনিল—মহিমৰ সমস্যা হৈছে প্ৰেমৰ, মোৰ সমস্যা হৈছে ভাত, কাপোৰ আৰু বাসস্থানৰ। তদুপৰি আৰু এটা কাম কৰিব পাৰি—কাকতিক appointed speakei কৰি মাতিলেও হব।

বলীন—নহয়—কাকতিক Inaugurate কৰিবলৈ মাতো। তোমাৰ মোমায়েৰক সভাপতি হবলৈ অনুৰোধ কৰো।

অনিল—Very good idea.

বলীন—মই আবেলিকৈ গৈ মাতি আহিম।

অনিল—আবেলি নহয় ভাই—এতিয়াই।

বলীন—কিন্তু মোৰ যে আজি দহ বজাৰ পৰা cricket match আছে। তালৈকেহে ওলাই আহিছো।

অনিল—নহয় তুমি আমাৰ ঘৰত সোমাই মোমাই-দেউক কথাটো কাণ চোৱালেই মই গৈ তাত সোমাব পাৰো; নহলে দিনটো আলিবাটে আলিবাটে ঘূৰি কটাব লাগিব।

বলীন—ব'লা। Let us take a rickshaw.

অনিল—ব'লা। তুমি মোমাইদেউক লগ পোৱা মানে মই নুৰৰ দোকানতে বহিম। ব'লা—ঐ ৰিক্সাৱালা—ৰিক্সাৱালা।

পট পৰিবৰ্ত্তন

হাজৰিকাৰ বাৰাণ্ডা
(হৰিদাস আহে)

হৰিদাস—অ' অনিল। ঘৰত আছনে নাই অ'——।

হাজৰিকা (ভিতৰত) কোন অ'।

হৰিদাস—এই হনুমান আহিছে আহ। (বিড়ি লগায়)

হাজৰিকা—(সোমাই আহে) কোন ?
(হৰিদাস বিমোৰত পৰে)
কাক লাগে ?

হৰিদাস—অনিল নাই নেকি ?

হাজৰিকা—অনিলক কিয় লাগে ?

হৰিদাস—এটা প্ৰাইভেট কথা আছে দিয়ক।

হাজৰিকা—প্ৰাইভেট কথা ? তই ক'ত থাক ? বাপেৰৰ নাম কি ?

হৰিদাস—ঘনকান্ত শইকীয়া দিয়ক। পেঞ্চনপাৰাত থাকো দিয়ক।

হাজৰিকা—থিয়েটৰ পাৰ্টিত আছনে নাই।

হৰিদাস—আছো। অনিল ৰাম—মই হনুমান।

হাজৰিকা—হনুমান। বান্দৰ। get out. get out I say get out.

(হৰিদাসে পিছুৱাই গৈ গৈ ভিৰাই লৰ মাৰে)

হাজৰিকা—সি এইবোৰ ধুৰন্ধৰ ল'ৰাৰ ল'গ লৈছে। সি ক'ত ভাল হব। ওলাই গ'ল ভালেই হৈছে—এটা আপদ আঁতৰিছে—

(ভিতৰ সোমাব খোজে)

বলীন—ঘৰত আছে নেকি ?

হাজৰিকা—কোন ?

বলীন—মই—বলীন্দ্ৰ কুমাৰ বৰুৱা।

(হাজৰিকা ওলাই আহি ফিটফাট পোছাক পিন্ধি অহা দেখি চেলাম দিয়ে)

হাজৰিকা—good m rning Sir. আপুনি আমাৰ নতুনকৈ অহা হাকিমজন নহয় জানো।

বলীন—নহয়- মই ষ্টুডেণ্ট।

হাজৰিকা—অ' তেন্তে তুমি তেওঁৰ ভায়েক।

বলীন—নহয়। মই চীফ ইঞ্জিনীয়াৰ মহেন্দ্ৰ বৰুৱাৰ দ্বিতীয় ল'ৰা। কলেজত পঢ়ি আছো। অনিলৰ ক্লাছ ফ্ৰেণ্ড।

হাজৰিকা—তোমাক কাক লাগে ?

বলীন—মই আপোনাকে বিচাৰিছো।

হাজৰিকা—মোক বিচাৰিছা—কিয় ?

বলীন—অহা ১১ তাৰিখ শনিবাৰে আমাৰ Gulzar theatre য়ে এখনি নাট অভিনয় কৰিব। অভিনয়ৰ আগতে এখনি সাংস্কৃতিক সভাও বহিব। এই সভাত আপোনাক সভাপতি পতাৰ সিদ্ধান্ত লোৱা হৈছে। আপোনাৰ অনুমতি পালে আমি প্ৰচাৰ-পত্ৰ ছপাব পাৰো।

হাজৰিকা—মই বৰ কৃতজ্ঞ হ'লো। মই জনতাৰ এই আহ্বানত মোৰ সম্মতি জনাইছো।

বলীন—সেইদিনা আবেলি ৫ বজাৰ লগে লগে আমাৰ কৰ্মীসকল আহি গাড়ীৰে আপোনাক লৈ যাব।

হাজৰিকা—(আনন্দত অধীৰ হয়।) গাড়ীৰ ভাড়া ?

বলীন—আমাৰ ক্লাবৰ গাড়ীৰে লৈ যাব। ভাড়া আপুনি কিয় দিব ? আপোনাৰ সম্মতি পাই বৰ আনন্দিত হ'লো। —বাৰু অনিল আছে নেকি ?

হাজৰিকা—অনিল। সিও কিবা পাৰ্ট লৈছে নেকি ?

বলীন—তাৰ মেইন পাৰ্ট—সি ৰামৰ ভাও দিব।

হাজৰিকা—নৰানাম মাতুলাকৃতি। মোমায়েক আৰু ভাগিনীয়েকৰ একেই আকৃতি হয় বুলি সাধুসকলে কৈছে কিন্তু অকল আকৃতিতে নহয় প্ৰকৃতিও একেই হয়। সি মোৰ সুযোগ্য ভাগিন। সি এতিয়া ওলাই গৈছে। আহিব—

বলীন—মই এতিয়া আহোঁ।

হাজৰিকা—হেঃ হেঃ হেঃ। এনেকৈ সভাপতি হৈ মই এদিন নিশ্চয় নিৰ্বাচনত উঠিব পাৰিম। হেঃ হেঃ নাই—পতিৰামক পঠিয়াই অনিলক বিচাৰি আনিব লাগিল।

(ভিতৰ সোমায়। অনিল বেগে সোমাই আহি ভিতৰৰ ফালে যায়—পোনতে এটি চুইটকেছ আনি মজিয়াত থয়। আকৌ গৈ তাৰ বেডিংখন বান্ধি আনে—দুই-এখন কিতাপ আনিও ভৰিয়াই থয়—এনেতে হাজৰিকা আহি দেখি সোধে।)

হাজৰিকা—এইবোৰ ক'লৈ নিয় ?

বলীন—(কান্দি কান্দি) আপুনি মোক উলিয়াই দিছে। মই আজিয়েই ঘৰলৈ গুচি যাম। সৌৱা ৰিক্সা মাতি আনিছো। ১০-৩০ বজাৰ লগে লগে বাছ এৰিব।

হাজৰিকা—ইস্ তই যা বুলিলেই যাবি নে ?

বলীন—অ' আপুনি মোক ঘৰৰ পৰা ওলাই যাব কৈছে। মই ওলাই যাম—মই আপোনাৰ কেতিয়াও অবাধ্য হব নোৱাৰো।

হাজৰিকা—তেন্তে শুন। মই তোক ওলাই যাব নিদিওঁ। তইতো মোৰ অবাধ্য হব নোৱাৰ। My first order মই stay কৰিলো।

You will stay with me until further order.

(এইবুলি হাজৰিকাই দুইটাকেহটো লয়—বন্দীনে বেড্ৰিংখন লয়) Follow me.

(দুয়ো ভিতৰ সোমায়)

৪র্থ দৃশ্য

কাকতিৰ সুসজ্জিত ড্ৰইং ৰুম

চ'ফাৰে সজ্জিত—এটি Phone থাকিব

এখন চ'ফাত বহি যুতিকাই Eve's Weekly, Film Journal আদি ইংৰাজী পত্ৰিকাৰ পিছত সিখন চাব ধৰিছে—এবাৰ টেবিলৰ পৰা এখন আলোচনী নিব আহি তলত কিবা এটা দেখি চিঞৰি উঠে। আৰু জাঁপ মাৰি চ'ফাৰ ওপৰত উঠে।

যুতিকা—Papa, help. help.

(কাকতি লৰি আহে।)

কাকতি—কি হৈছে—কি হৈছে।

যুতিকা—সেইটো—সেইটো—don't go that side.

কাকতি—(ভুমি চাই) Oh my god (জাঁপ মাৰি চ'ফাত উঠে) It is a dangerous thing. বেহেৰা, দাৰোৱান। জলদি আহ যাও—

(এফালৰ পৰা বেহেৰা—আনফালৰ পৰা দাৰোৱান আহে)

বেহেৰা—হুজুৰ।

দাৰোৱান—কিয়া হোৱা হুজুৰ ?

কাকতি—Pistal লে আও—(দাৰোৱানে পিস্তল আনি দিয়ে)। No, rifle লে আও—

(ৰাইফল আনি দিয়ে—)

(কাকতিয়ে ৰাইফল টোৱাই গুলী মাৰে। কাকতি নামি আহি চাই—নমৰা দেখি ভিৰাই লৰ মাৰি আকৌ চ'ফাত উঠে।)

কাকতি—It is verydangerous, It's still alive.

দাৰোৱান—ক্যা চীজ চাহাব। কাহা হ্যায়।

কাকতি—মত যাও, মৰ যায়েগা—

বেহেৰা—কি জন্তু দেউতা—আমিতো একো দেখা নাই।

দাৰোৱান—হ্যাঃ হাম ভি দেখা নাহি। কাহা হ্যায় দেখায়েতো—

কাকতি—তুমলোগ অন্ধ হ্যায়। কেইছে দেখেগা।

বেহেৰা—এইটোৰ কথা কৈছে নেকি দেউতা।

কাকতি—অ—নাযাবি—মৰিবি।

বেহেৰা—এইটো কেৰেলুৱা দেউতা। এইটো মাৰিবলৈকো বন্দুক-বাৰুদ লাগিছেনে।

(ভৰিৰে গচকি মাৰে)

যুতিকা—(মাৰা দেখি) Oh my God.

(বেহেৰাই পেলাব খোজে)

কাকতি—হেই কি কৰ।

বেহেৰা—বাহিৰত পেলাই দিওঁ দেউতা।

কাকতি—নহয়, We must have a photograph of this. It is not a little matter. Credelua in the drawing room. দাৰোৱান ফটোগ্ৰাফাৰকো বুলাও।

(দাৰোৱান যায়)

যুতিকা—(Phone dial কৰি) Hallo is it Bobs. There is a news to you. A Credelua entering in our drawing room. We have already kill it. Now we are going to have a photograph.

Yes, By my father. Oh yes. By rifle. Thank you very much. (ফটোগ্ৰাফাৰ আহে—বন্দুক লৈ কাকতি থিয় হয়—কাষত যুতিকা, দাৰোৱান আৰু বেহেৰা দুয়োকালে লাঠি আৰু যাঠি লৈ থিয় হয়। ফটো তোলে।)

কাকতি—আমাৰ Daily কাকতত দিবলৈ আজিয়েই দুটা Copy লাগে।

(ফটোগ্ৰাফাৰ যায়গৈ। ফোন বাজে)

কাকতি—Hallo. Police Station. No, It is already killed. Thank you. You want to place security guard. That is your job. Thank you.

কাকতি—যুতিকা। টাউনত already প্ৰচাৰ হৈ গ'ল। পুলিচ চাহাবে ফোন কৰিছে। আমাৰ ঘৰৰ চাৰিওফালে Security guard দিবলৈ ঠিক কৰিছে।

যুতিকা—Nice (আকৌ ফোন—যুতিকাই ধৰে) Hallow. Yes, 352. Yes please hold on. পাপা। Home Ministerএ ফোন কৰিছে।

কাকতি—Hallow, Yes good evening, Yes Credelua--Yes in the drawing room. Yes by the first shot. For gallantry. Very kind of you যুতিকা। আমাৰ হ'ম মিনিষ্টাৰে—gallantry ৰ reward ৰ কাৰণে Centreলৈ recommend কৰিছে। ইতিমধ্যে দেখিছো এই news নিশ্চয় worldত flash হৈ যাব।

(আকৌ ফোন)

Hallo, Mr. Kakati speaking yes, Oh Editor Borooah. Yes today? in the press club? Alright. Thank you.

যুতি। এইবা Press Clubত meet the press programmeত তোৰ আৰু মোৰ interview লব বিচাৰিছে।

যুতিকা—কেতিয়া?

কাকতি—Just now. Please go and cheers up. I will be ready by five minutes.

(ফোন বাজে)

Don't respond. You will go simply mad. Hurry up, hurry up. (দুয়ো দুফালে যায়)

৫ম দৃশ্য

হাজৰিকাৰ বাৰাণ্ডা

(হাজৰিকাই ইফালে সিফালে ঘূৰি ফুৰি সভাপতিৰ বক্তৃতা আওৰাই—)

হাজৰিকা—উপস্থিত ভদ্ৰমণ্ডলী। ওহো ভদ্ৰমণ্ডলী বুলিলে সকলো সাঙোৰ নাখালে নহয়। সকলো সভাপতিয়েই সাধাৰণতে এনেদৰে সম্বোধন কৰে। কিন্তু মইতো সাধাৰণ সভাপতি নহয়—মই সাংস্কৃতিক সভাৰ সভাপতি। মোৰ কিছু বিশেষত্ব থাকিব লাগিব। হে উপস্থিত ভদ্ৰলোক, ভদ্ৰ মহিলা—ককাই-ভাই, খুৰা-খুড়ী, পেহা-পেহী, শহৰ-শাহু, দেবৰ-ননদ আৰু কেঁচুৱা লৰা-ছোৱালীসকল।

আজি গুণজ্ঞ নাট্যগোষ্ঠীয়ে আৰু ...ইমান আদৰ-আদৰ কৰি—আসন-সাজন ঠিক

নহ'ল—ঢোল-পেঁপা বজাই সুৰাগুৰি তুলি মোক যি আসন দিছে—আসন সৰু শব্দ যেয়ে সেয়ে ব্যৱহাৰ কৰিব পাৰে—আসন নুবুলি সিংহাসন কৰি দিওঁ—(কাগজত শুধৰণি কৰি লয়)

হে উপস্থিত ভদ্ৰলোক, ভদ্ৰমহিলা, ককাই-ভাই, খুড়া-খুড়ী, পেহা-পেহী, শহুৰ-শাহু, বন্দী-বেটি, দেৱৰ-ননদ আৰু কেঁচুৱা ল'ৰা-ছোৱালীসকল। আজি গুলজাৰ নাট্য-গোষ্ঠীয়ে মোক ঢোল-পেঁপা বজাই সুৰাগুৰি তুলি মোক যি সিংহাসন দিছে—(ইয়ালৈকে বৰ poetic হৈছে। তাৰ বাবে মই সভাৰ গুৰি-ধৰোঁতাসকলক শত শত ধন্যবাদ জনাইছো।

শত শত—কেৱল দুশহে হ'ল। নহয় ধন্যবাদ দিয়াত কিয় কৃপণালি কৰো—বহুত বহুত নহয়, এসোপা—হাজাৰ-বিজাৰ—নহয় নহয় ধাৰাপাতত যিমান সংখ্যা আছে সিমান ধন্যবাদ দি মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো—নহয়—প্ৰকাশিত কৰিলো। ঠিক আছে।

থিয়েটৰ—থিয়েটৰ কি ? আপোনালোকে ভাবি চাইছেনে ? থিয়েটৰ এটা তাজ্যুপ বস্তু। এই থিয়েটৰতেই মৰা মানুহে কথা কয়, জীয়া মানুহ মৰে। ই এটা ভৌতিক বিদ্যা। থিয়েটৰ নহ'লে মানুহ জীয়াই থাকিব নোৱাৰে। মৰিবও নোৱাৰে—অজৰ-অমৰ।

(ভিতৰত—অনিলে পাৰ্ট আওৰায়)

সীতা নাই—সীতা নাই
পৃথিবীত ঘটিছে প্ৰলয়
ভগবান—
ভূমিকম্প—ভূমিকম্প সৃষ্টি কৰা
—সৃষ্টি আজি যাব ৰসাতলে।

হাজৰিকা—ভূমিকম্প—ভূমিকম্প।

হৰিবল হৰিবল—দাক দাক।

(লৰ মাৰে)

(আগক্ৰালৰ পৰা অনিল সোমাই আহে)

অনিল—শূন্য এই পঞ্চবটী বন
শূন্য এই পৰ্ণ কুটীৰ।
সীতা নাই—সীতা নাই
পৃথিবীত ঘটিছে প্ৰলয়
ভগবান! ভূমিকম্প—ভূমিকম্প

হাজৰিকা—(ভিতৰত) ভূমিকম্প—হৰিবল
হৰিবল। দাক। দাক।

(অনিল—(চক খাই) হে সেইয়া মোমাইদেউৰ কি হৈছে। মাটিত পৰি দাক দাককৈ চিঞৰিছে হেই ধাতুৰাম—ডাক্তৰ মাত ডাক্তৰ মাত।

(লৰি প্ৰস্থান)

পট পৰে

৩য় অঙ্ক

১ম দৃশ্য

কাকতিৰ ড্ৰইং ৰুম

আগৰ দৰেই সকলো সজোৱা থাকিব। কেৱল এটা চুটকেছ টেবুলত থোৱা আছে। যুতিকাই সাজি-কাচি থিয়েটৰলৈ যাবলৈ অপেক্ষা কৰি আছে। কাকতিয়ে appointed speaker ৰূপে যাবলৈ পেন্ট, কোট, টাই লগাই সোমাই আহে।)

কাকতি—যুতি। Now it is 5-15. আমাক যাওঁতে অন্ততঃ ১০।১২ মিনিট সময় লাগিব। Let us start.

যুতিকা—কিন্তু মহিম আহি তেওঁৰ ড্ৰেছখিনি লৈ যোৱাৰ কথা আছিল। মই চুটকেছতে

ভৰাই থৈছো । তেওঁ যে এতিয়াও অহা নাই ।

কাকতি—কিন্তু ৫-৩০ সভাৰ টাইম fix কৰিছে। I must go in time. Let us take the suitcase in our car.

যুতিকা—কিন্তু ড্ৰেছযোৰ যে মহিমে চাই লোৱা নাই । পছন্দ নহ'লে বা কালাৰ change কৰিব খুজিলে বৰ প্ৰবলেমত পৰিম। Papa, you please go and send back the car to me. Theatre will begin from 6-45 P.M.

কাকতি—good idea মই আহিলো । কিন্তু Don't be late. Please don't miss my lecture. (প্ৰস্থান)

(যুতিকাই চুটকেছ মেলি শাৰী, ব্লাউজ আদি চায় এনেতে হাতত একোচা উইগ লৈ মহিমৰ প্ৰৱেশ)

যুতিকা—ইমান পলম কৰিলে যে । আপোনালৈ ৰখি ৰখি পাপা লেট হব বুলি গ'লগৈ ।

মহিম—ভালেই হৈছে যুতিকা । ঈশ্বৰে যি কৰে সকলো দেখিছো ভালৰ কাৰণেই কৰে । আজি দিনটো বিচাৰি বিচাৰি চুলি একোচা বিচাৰি নেপাই শেষত কামাখ্যাৰ পৰা এইকোচা আনিছোগৈ ।

যুতিকা—মই আপোনাৰ ড্ৰেছবোৰ জুকিয়াই থৈছো। চাওকচোন হব নে নহয় ।

মহিম—কিন্তু আজি এটা কথাত বৰ বেয়া লাগিছে ।

যুতিকা—কি কথা ?

মহিম—আজিৰ পৰা যে ৰিহাৰ্ছেল শেষ হ'ল। এই কেইদিন তোমাৰ পৰা কোচিং লৈ মোৰ কি ভাব হৈছে জানা যুতিকা ?

যুতিকা—কি ?

মহিম—জীৱনটো যেন এনেদৰে তোমাৰ লগত ৰিহাৰ্ছেল কৰিয়েই কটাম ।

যুতিকা—আপুনি আকৌ বৰ poetic হৈ পৰিছে ।

মহিম—নহয় যুতিকা । আকৌ এবাৰ আমি ৰিহাৰ্ছেল কৰি লওঁ ।

যুতিকা—কোনটো চিন ।

মহিম—হৰধনু ভঙ্গৰ চিনটো । এইটো—মই বাক্স ৰামৰখিনি কওঁ, তুমি সীতাৰখিনি কেনে হব দেখুৱাই দিবা ।

যুতিকা—মোৰতো সকলোকেইটা চিনেই মুখস্থ হৈ গৈছে ।

মহিম—হে শূলপাণি !

হে পাৰ্বতীবল্লভ
নধৰিবা দোষ অধমৰ ।
তোমাক স্মৰণ কৰি
আগবাঢ়ো আজি এই ভাগ্য-পৰীক্ষাত
এই চোৱা—তুলি ললো হৰধনু
—হেলাৰঙে মই
চোৱা—চোৱা সকলোৰে
দিওঁ এবে ধনুত টঙ্কাৰ
ই কি! ই কি!
নোৱাৰিলে ই ভাৰ সহিব
ভাঙি গ'ল হৰধনু—দুটুকুৰা হই ।

(pose লৈ থিয় হয়)

যুতিকা—সাক্ষী হবা চন্দ্ৰ সূৰ্য দেৱতা সকল
সাক্ষী হবা শাৰী শাৰী দীপ
সাক্ষী হবা পিতৃ পিতামহ
আজি এই মঙ্গল ক্ষণত
সকলোৰে লই আশীৰ্বাদ
বৰণৰ মালা দিলো আনন্দে পিন্ধাই ।
নাথ—নাথ
স্থান দিয়া চৰণ তলত । (সেৱা কৰে)

মহিম—উঠা দেৱী
নহয় তোমাৰ স্থান চৰণ তলত
তোমাৰ প্ৰকৃত স্থান

বাঘৰৰ হিয়াৰ মাজত ।

(যুতিকাক আঁকোৱালি লব খোজে)

যুতিকা—কি কৰে ?

মই—যুতিকা । সীতা নহয় । আপুনিও
ৰাম নহয়—মহিম বৰুৱাহে ।

মহিম--- Mood আহি গৈছে যুতিকা ।
বাৰু, এইবাৰ এই ৰাৱণৰ লগৰ চিনটো
কৰোচোন---
(উলিয়ায় —এইখিনি)
মই বাৰু ৰাৱণৰখিনি কওঁ---
তুমি সীতাৰখিনি কৈ দেখুৱাই দিবা ।
"লঙ্কাৰ ঈশ্বৰ মই---
দেৱগণ বন্দী আজি মোৰ
স-সাগৰা পৃথিবীৰ ৰজা ৰাজেশ্বৰে
প্ৰভু বুলি সেৱা কৰে মোক ।
কিন্তু সীতা---
তুমি মোৰ সপোন কুঁৱৰী
তুমি মোৰ হৃদয় ঈশ্বৰী
এটিবাৰ আহা কাষ চাপি
দিয়া মোক প্ৰেম আলিঙ্গন ।

যুতিকা---গুচ্ গুচ্ কুলাঙ্গাৰ

মহিম---যুতিকা, তুমি মোক কুলাঙ্গাৰ বুলিলা ।

যুতিকা---কি যে কয়, মই এতিয়া যুতিকা নহওঁ
নহয়---মই সীতা, আপুনি ৰাৱণ
মহিম বৰুৱা নহয় ।

মহিম---বাৰু এইবাৰ যদি মই কওঁ—
যুতিকা যুতিকা
মহিমৰ প্ৰাণৰ ঈশ্বৰী
এটিবাৰ আহা কাষ চাপি
মাতা মোক প্ৰিয়তম বুলি ।

যুতিকা—প্ৰিয়তম--ছিঃ মোৰ লাজ লাগে ।
(লৰি ভিতৰ সোমায় ।)

মহিম—নহয়—নহয় যুতিকা
তেনেদৰে নাযাবা আঁতৰি
যিয়ে যায় যক ৰসাতলে
মহিমৰ কীৰ্তি ৰাশি—
লোপ হওক ধৰাৰ বুকুত
মাথোঁ—দিয়া মোক প্ৰেম আলিঙ্গন
মাতা মোক প্ৰিয়তম বুলি ।

(বেগেৰে সেইফালে খেদি যায়)

(আগত পৰ্ট পৰে)

২য় দৃশ্য

হাজৰিকাৰ বাৰাণ্ডা

(হাজৰিকাই সভাপতি হোৱাৰ মানসে ধুতি, পাঞ্জাবী, চাদৰ, পাগুৰি মাৰি গাড়ীৰ অপেক্ষাত আছে। মাজে মাজে অস্থিৰ হৈ পৰে। বাৰে পতি ঘড়ীটো চায়।)

হাজৰিকা---সিহঁতে বাৰে বাৰে কৈ গৈছে । পাঁচ বজাৰ লগে লগে গাড়ী পঠিয়াব । কিন্তু ক'তা এতিয়া দেখোন ৬-১৫ হ'লহি । নে ঘড়ীটোৱেই ঠিক টাইম দিয়া নাইনেকি ? হবও পাৰে, বাকী কৰি অনা ঘড়ী betrayও কৰিব পাৰে । আজি কিন্তু শইবীয়া একেবাৰে down হবদেই । তেওঁ ভাবিছিল, সভাপতি পদৰ কাৰণেই তেওঁক ঈশ্বৰে পঠিয়াইছে। পিছে আজি সেই অহংকাৰ ক'ত গ'ল। আজিকালি দেখিছো ডেকা ল'ৰাবাহে গুণীৰ গুণ বুজা হৈছে---(মটৰৰ হৰ্ণ) সেইয়া আহিল । আহিল । (আগবাঢ়ি যায়) নৰ'ল দেখোন ? মোৰ ঘৰ চিনি নাপালেনেকি ?
ইস্ বৰ দুশ্চিন্তাত পৰিলো—
—নহয় এইবোৰ ভাবি থকাতকৈ আকৌ speech টো এবাৰ পাগুলি লওঁ ।
"উপস্থিত ভদ্ৰলোক, ভদ্ৰ মহিলা, ককাই-

ভাই, খুড়া-খুড়ী, পেহা-পেহী, শহুৰ-শাহু, বন্দী-বেটি, দেৱৰ-ননদ আৰু কেঁচুৱা ল'ৰা-ছোৱালীসকল। আজি গুলজাৰ নাট্য-গোষ্ঠীয়ে ঢোল-পেঁপা বজাই সুৱাগুৰি তুলি মোক যি সিংহাসনত বহুৱাইছে তাৰ বাবে মই সভাৰ উদ্যোক্তাসকলক ধাৰাপাতত যিমান সংখ্যা আছে সিমান ধন্যবাদ দি মোৰ কৃতজ্ঞতা প্ৰকাশিত কৰিলো।

থিয়টৰ কি? থিয়টৰ এলোপচা চীজ নহয়। ই এটা তাজ্জ্যপ বস্তু। এই থিয়টৰত মৰা মানুহে কথা কয়, জীয়া মানুহ মৰে। ই এক ভৌতিক বেপাৰ (হৰ্ণ শুনে) সেইয়া আহিল। (লৰি গৈ চাই) ছিঃ কাৰবাৰ ইটা কঢ়িওৱা ট্ৰাকহে।

থিয়টৰ নহ'লে মানুহ জীয়াই থাকিব নোৱাৰে। জীৱন্তে মৃত্যু। অভিনয় অন্ত হ'লে থৈ যাব খোজ সময় বালিত।

হৰিদাস—(বাহিৰত) ছাৰ আছে নেকি?

হাজৰিকা—(চক খাই) কোন?

হৰিদাস—হনুমান মই—যমক নকৰো ভয়।

হাজৰিকা—কোন? সোমাই আহা।

(হৰিদাস, থুলেশ্বৰ আৰু কেইজনমান সোমাই আহে)

হাজৰিকা—তোমালোকে সভাপতিক আগবঢ়াই নিব আহিছা।

হৰিদাস—হয় ছাৰ। ব'লক।

হাজৰিকা—ৰ'বা—মই লাঠিডাল লৈ আহো।

(ভিতৰলৈ যায়)

হৰিদাস— উঠি গন্ধমাদন গিৰি
নিচিনিলো বিশল্যকৰণী
নিচিনিলো ঔষধৰ গছ
সেয়ে ৰঘুমণি—
আনিলো কান্ধত তুলি সমস্ত পৰ্বত

(লাঠি আৰু হাতত এধাৰ মালা লৈ হাজৰিকা আহে)

হাজৰিকা—হেৰা। তোমালোকে মালা ৰাখিছা নহয়। সভাপতি-বৰণৰ কাৰণে। বহুতে আচল কথাটো পাহৰে—মালা যোগাৰ কৰি নথয়। মই সেয়ে এডাল গুঁঠি ৰাখিছো। লোৱা, সভাপতি-বৰণ কৰোতে মোক পিন্ধাই দিবা।

হৰিদাস—ছাৰ। সেইডাল আপোনাৰ জেপতে থৈ দিয়ক। সময়ত উলিয়াই দিব। আমাৰ সম্পাদকে বোধ কৰো যোগাৰ কৰিছে। ভালেই হৈছে ৰিজাৰ্ভত থাকক।

হাজৰিকা—এৰা এৰা অধিকন্তু ন দোষায়। ব'লা—ব'লা। বাটে বাটে কিন্তু সভাপতিৰ নামত জয়ধ্বনি কৰি যাবা। ব'লা—

(সকলো ওলাই যায়)

(আগত পট পৰে—দ্ৰপ)

৩য় দৃশ্য

দ্ৰপ (আঁৰ-কাপোৰ)

(বলীন দ্ৰপৰ আগত থিয় হৈ)

বাহিৰত—জয় সভাপতি হাজৰিকাৰ জয়।
জয় গুলজাৰ থিয়টৰৰ জয়।
ইনক্লাব জিন্দাবাদ
সৰস্বতী মাই কী জয়।
—ধ্বনি শুনা যায়।

বলীন—সেইয়া আমাৰ সভাপতি আহি পাইছেহি। সভাপতি মণ্ডপ সোমোৱাৰ লগে লগে আপোনা-লোকে হাত-তালি দি আদৰণি জনাব। (এইবুলি নামি আহি সভাপতিক আগবঢ়াই নিয়ে। লগে লগে সাট-পৰিবৰ্তন)

সভাস্থলি

(চকী-মেজ, ফুলদানি, মাইক আদি সজোৱা আছে।
কাকতি আৰু দুজনমান ভদ্ৰলোক নিজ নিজ
আসনত বহি আছে। বলীনহঁতে সভা-
পতিক আগবঢ়াই নি সভাপতিৰ
আসনত বহুৱাই দিয়ে। সভাপতিয়ে
বহিয়েই গিলাচত ঢাকি থোৱা
পানী ঢোক ঢোককৈ
গিলিব ধৰে।)

বলীন---এতিয়া আমাৰ সভাৰ কাম আৰম্ভ কৰো। আজি আমাৰ এই সাংস্কৃতিক সমাৰোহত পৌৰোহিত্য কৰিবলৈ স্বনামধন্য অধিবক্তা শ্ৰীকালীকান্ত হাজৰিকাৰ নামটো মই প্ৰস্তাৱ কৰিলো। (হাজৰিকাই হাত-তালি দিয়ে)

হৰিদাস—মই উক্ত প্ৰস্তাৱটি সাদৰেৰে উপস্থাপন কৰিলো।

(হাত-তালি)

হাজৰিকা---সভাপতি-বৰণ। মালা পিন্ধোৱা।

বলীন---অ পাহৰিলো নহয়।

হাজৰিকা---মই আনিছো নহয় লোৱা---পিন্ধাই দিয়া।

(বলীনে মালা লৈ পিন্ধাই দিয়ে। হাত তালি)

বলীন---আৰম্ভণী গীত গাব- থুলেশ্বৰ মহাজনে।

(মহাজনে এখন কাগজ দিয়ে। বলীনে পঢ়ে।)

অনাৰ্তাৰ শিল্পী থুলেশ্বৰ মহাজনে---

এতিয়া আমাৰ নিৰ্দিষ্ট বক্তা অৱসৰপ্ৰাপ্ত উপায়ুক্ত শ্ৰীপঙ্কজ লোচন কাকতিক তেখেতৰ ভাষণ দিবলৈ মই অনুৰোধ জনালো।

কাকতি—Mr. President, ladies and gentleman. On the outset I must thank the organiser of Gulzar Theatres for giving me this opportunity to speak a few words in this plesent function.

(বাহিৰত---অসমীয়াতে কওক। অসমীয়াতে কওক।)

Oh please excuse me. I can't express my ideas in Assamese though it is my mother language.

(চিঞৰ—Shame Shame)

Yes. I am coming to the point. What is theatre, Shakespeare the greatest playwright, rather the grandfather of all dramatist says—

The world is a stage, and all the man or woman are its players. In the first year of my service after my graduation, Mr. Zack the then Chief Secretary inspected our office. After inspection he remarked—"I find Mr. Kagti is not bright or intelligent. I wish him all success in life.

(চিঞৰ—হৈছে হৈছে- বহি থাওক)

Yes I am coming to the point. Probably for his remarks, I was promoted to the upper division in the very next year of my service.

So, graduates, the time rolled on. I ascended the ladder of my service carrier from ane step to the other.

(চিঞৰ—বহক। বহক। হৈছে হৈছে—)

Yes, with these few words I resume my seat. Thank you.

(বহি পৰে। দৰ্শকে কথা পাতি হাত-তালি দিয়ে চিঞৰ-বাখৰ হয়।)

বলীন---এতিয়া উপস্থিত সমজুৱাৰ বক্তৃতা - কোনোবাই কলা-সংস্কৃতিৰ বিষয়ে ক'লে আমি বাধিত হম।

(দৰ্শকৰ লগত বহি থকা ঘনকান্ত উঠে)

ঘন---মই দুআষাৰ কব খোজো।

বলীন---আপুনি ইয়ালৈ আহক।

ঘন---নহয় ইয়াৰ পৰাই হব।

বলীন---নহয় -ইয়ালৈ আহক। আমাৰ স্বেচ্ছা-সেৱকে তেখেতক ধৰি ইয়ালৈ সম্মানেৰে লৈ আহক। (এজনে ঘনকান্তক ষ্টেজলৈ লৈ আহে--- তাকে দেখি মহিলাসকলৰ মাজত বহি থকা পদুমীয়ে চিঞৰে)

পদুমী---আপুনি নাযাব। মূৰ ঘূৰাব। নাযাব (তেৱোঁ পিছে পিছে খেদি আহে) ইতিমধ্যে ঘনকান্তই মাইকৰ আগত থিয় হৈ বক্তৃতা আৰম্ভ কৰে)

ঘনকান্ত---সভাত থাকি উচিত কব লাগে। আমাৰ দিনত লুইতত বৰ বৰ মাছ আছিল। এক পইছাত একোটা ৰৌমাছ কিনিছিলো। দৰিকানা মাছ---এই একোটা একোটা আছিল। একেজোপা গছতে আম, কঁঠাল, লেতেকু, পনীয়াল একেলগে লাগিছিল। কেৱল খোৱাহে খোৱা।

(পদুমী সোমাই আহে ঘনকান্তৰ হাতত ধৰি)

পদুমী---আপোনাক কিহে পাইছে। মূৰ ঘূৰাই পৰিলে কি হব। ব'লক---মোৰে মৰাটো খায় মোৰ কথা শুনক।

ঘনকান্ত---মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(পদুমীয়ে টানি লৈ যায়)

বলীন---আমাৰ সভাৰ কাম প্ৰায় শেষ হৈ আহিছে। এতিয়া সভাপতিৰ ভাষণ।

(হাজৰিকা উঠে---আৰু গিলাচত থকা পানী খাই হাত-তালি দিয়ে। হাজৰিকা বহি পৰে---আকৌ পানী খায়)

বলীন---- উঠক। আপোনাৰ ভাষণ দিয়ক।

হাজৰিকা---দিম। মই ভাল কথা ক'ম। হে ভদ্ৰলোক। গুলজাৰ থিয়টৰৰ সিংহাসন। ধন্যবাদ ধাৰাপাত। মৰা মানুহে কথা কয়। ত্যাজ্যপ কাণ্ড ভৌতিক ব্যাপাৰ---(পানী খায়)

নহয়---পেহা-পেহী, ককাই-ভাই, শহুৰ-শাহু। মুকলি কৰিলো।

(বহি পৰে আৰু নিজেই হাত-চাপৰি দিয়ে)

বলীন---আমাৰ সভাৰ কাম ইমানতে সামৰণি পৰিল। এতিয়া আমাৰ "লক্ষ্মণৰ শক্তিশেল" নাট অভিনয় হব।

(আগত ড্ৰপ পৰে)

৪ৰ্থ দৃশ্য

(ড্ৰপ চিন পৰি থাকে)

অনন্ত--(দৰ্শকৰ মাজৰ পৰা) অভিনয় আৰম্ভ কৰক। অভিনয় আৰম্ভ কৰক।

বলীন---(ড্ৰপৰ আগত থিয় হৈ---) আপোনালোকে অলপ ধৈৰ্য ধৰক। আমাৰ অভিনয় এতিয়াই আৰম্ভ হব।

অনন্ত---(ষ্টেজৰ সন্মুখলৈ গৈ)

This Gulzar theatre advertise to hold their performance in 6.45 p.m. Now it is 9 past 35 minutes. This is not only insult to us, but insult to the whole nation. I therefore requets all the

audience to walk out from this hall. Inquilub Zindabad.

(লগৰ কিছুমানে সেইদৰে চিঞৰি ওলাই যায়)

বলীন—(প্ৰপৰ সন্মুখলৈ আহে) ক্ষমা কৰিব। সঁচা কথা—আমি ৬-৪৫ বজাত অভিনয় আৰম্ভ কৰিম বুলি ঘোষণা কৰিছিলোঁ। এতিয়া ৯-৪৫ বাজিছে। মুঠতে ৩ ঘণ্টা পলম হৈছে। ৰাইজৰ ডাঙৰ মনত ই বিশেষ একো নহয়। আমাৰ ৰেল সময়মতে চলে জানো? বাছ সময়মতে চলে জানো? কেতিয়াও নচলে। ইমানখিনি ৰাইজৰ মাজত তিনি ঘণ্টা অৰ্থাৎ ১৮০ টা মিনিট ভগাই দিলেনো গাইপতি কিমান মিনিট পৰিব। মিনিটৰ দহ ভাগৰ এভাগমান কৰি নপৰিবনে? ধৈৰ্য ধৰক। আমি আশা কৰো আমাৰ অভিনয়ৰ দ্বাৰা আপোনালোকৰ মন আকৰ্ষণ কৰিব পাৰিম।

(ভিতৰ সোমায়)

পট-পৰিবৰ্তন

গ্ৰীণ ৰুম

(এজনে কুমুদৰ মূৰত ৰাৱণৰ ৰূপ দিবলৈ ১০ টা মূৰ লগোৱাৰ চেষ্টা কৰিছে। হৰিদাসে —হনুমানৰ নেজ কৰাত ব্যস্ত। থুলেশ্বৰে হাৰমণিয়াম আৰু বাদ্যযন্ত্ৰলৈ নিজৰ গানৰ ৰিহাৰ্ছেলত মগ্ন। এজনে কেটলিৰ পৰা চাহ বাকী সকলোকে দি ফুৰিছে। এজন পেইণ্টাৰে অনিলক পেইণ্ট কৰাত ব্যস্ত। অনিলৰ ৰামৰ ভাও-সেইমতে ৰূপ দিবলৈ যত্নপৰ হৈছে। হৰিদাসে মাজে মাজে চিঞৰি চিঞৰি বচন মাতে।)

হৰিদাস—হনুমান মই কালৈকো নকৰো ভয়

মোৰ ভয়ে ৰক্ষ যক্ষ কঁপে থৰহৰি।
কোনে এই মহানিশা কালক মাতিছ
কাৰ কালে চেপিছে টেঁটুত। (ইত্যাদি)

(বলীন বেগে সোমাই আহে)

বলীন—সকলো সাজু হৈছ নে নাই। হলত ভাই বৰ গণ্ডগোল হৈছে। আমাৰ অভিনয় আৰম্ভ কৰিব লাগে।

অনিল—বলীন। বৰ সমস্যাত পেলালে ভাই মহিমে।

বলীন—কিয়? কি হ'ল?

অনিল—সি এতিয়াও আহিয়েই পোৱা নাই।

বলীন—সি নহ'লে নচলিব নেকি? তাৰনো কি পাৰ্ট----

হৰিদাস—কোনে? কোনে এই মহানিশা কালক মাতিছ?

বলীন—হেই হৰিদাস—অলপ মনে মানে থাকচোন।

অনিল—সীতাৰ পাৰ্ট। সীতা নহ'লে অভিনয় কেনেকৈ কৰ।

বলীন—তাক বিচাৰি গৈছে নে নাই।

অনিল—গৈছে। কিন্তু বিচাৰি পোৱা নাই। আকৌ পঠাইছো।

বলীন—তালৈ অপেক্ষা কৰিব নোৱাৰি। কিবা বেলেগ ব্যৱস্থা কৰ। Find out a substitute.

অনিল—বাৰু হলত আমাৰ লগৰ কাৰোবাক দেখিছনে?

বলীন—আছে। বিপিনক দেখিছো আৰু বহুতো আছে।

অনিল—যা বিপিনক মই মাতিছো বুলি কৈ আহ। তাকেই সীতা বনাব লাগিব। (বলীন যায়)

থুলেশ্বৰ—(গানৰ ৰেৱাজ কৰে)

হৰিদাস—উঠি গন্ধ মাদন গিৰি
নিচিনিলো বিষল্যকৰণী
নিচিনিলো ঔষধৰ গছ
ৰঘুমণি—

নিমন্ত্ৰু আনিছো দাড়ি সমস্ত পৰ্যন্ত ।

অনিল—হেই থুলেশ্বৰ, কিমান বেৰাই থাকা—এটা ঐকতান বজা ।

(বাজনাদাৰযোৰে—কণচাৰ্ট বজায়)

(বলীম আৰু বিপিনৰ প্ৰৱেশ)

বলীন—অনিল, বিপিন আহিছে। কি কব খুজিছিলি ক ।

অনিল—তই এটা ভাওৰ সহায় কৰিব লাগে ভাই। নহ'লে আমাৰ অভিনয় পতা টান হৈছে ।

বিপিন—ক কি কৰিব লাগে ।

অনিল—তই ভাই এটা পাৰ্ট কৰিব লাগে ।

বিপিন—মোৰ ভাই অভ্যাস নাই । নোৱাৰিম ।

অনিল—কৰিবই লাগিব ।

বিপিন—কি ভাও ।

অনিল—সীতাৰ ।

বিপিন—ধেৎতেৰি । এইবোৰ ডাড়ি-গোঁফ লৈ সীতা হ'ম ।

অনিল—হব । শাৰী পিন্ধাই দিম—ওৰণিৰে মুখ ঢাকি থাকিবি। কোনে ডাড়ি-গোঁফ দেখিব। হেই নবীন—দে ইয়াক পেইণ্ট কৰ। এই থুলেশ্বৰ—এই হৰিদাস আহ, ইয়াক ধৰ—মই শাৰী পিন্ধাই দিওঁ ।

বিপিন—ধেৎ নহব । এৰি দে, ধেৎ এৰি দে না।

(হৰিদাস, থুলেশ্বৰ আদিয়ে বিপিনক ধৰে। অনিলে এখন শাৰী আনি জোৰকৈ পিন্ধাব খোজে। বিপিনে পাৰেমানে বাধা দিয়ে। টনা-আঁজোৰা লাগে—আৰু এই টনা-আঁজোৰাত বিপিন ঘপ কৰি পৰি যায়। সকলোৰে আগুৰি ধৰে।)

অনিল—চাওঁ, এইবাৰ ভাই থাকোঁতেই তাক শাৰী-খন পিন্ধাই দিওঁ—

হে কি হৈছে—হেই ইয়াৰ মুখেদি দেখোন ফেন ওলাইছে—এই বিপিন, বিপিন।

হেই পানী আন । পানী আন, বিচনী এখন আন—হেই হলত কোনোবা ডাক্তৰ আছে যদি মাতি আন । (বলীন আহে)

বলীন—হ'ল নে । বিপিনক সজালিনে ?

অনিল—ই ভাই ফিট হ'ল । ডাক্তৰ আছে যদি মাতি আন ভাই ।

অ' সৌৱা ডাক্তৰ বৰুৱা আহিছে। চাওকচোন হঠাৎ ফিট হৈ গৈছে ।

(ডাক্তৰে চাই—)

ডাক্তৰ—এতিয়াই হস্পিতেললৈ নিব লাগে। বেয়াকৈ মূৰত লাগিছে যেন পাইছো । Quick, Quick. মোৰ গাড়ীতে তুলি দিয়া। দুজনমান মোৰ লগত ব'লক।

(বিপিনক দাঙি লৈ ওলাই যায়)

বলীন—তেন্তে এতিয়া অভিনয় ।

অনিল—স্বাস্থ্যজনিত কাৰণত অভিনয় বন্ধ থাকিব । যা বলীন—দৰ্শকক সঠিক ঘটনাটো কৈ আমাৰ অনুষ্ঠানৰ হৈ ক্ষমা-প্ৰাৰ্থনা কৰি অভিনয় স্থগিত কৰা বুলি ঘোষণা ক'ৰগে ।

(বলীন যায়)

পট্ট পৰে

শেষ দৃশ্য

ড্ৰপ

(ড্ৰপৰ আগলৈ বলীন সোমাই আহে)

বলীন—শ্ৰদ্ধেয় দৰ্শকমণ্ডলী—

অনুষ্ঠানৰ তৰফৰ পৰা এটি বৰ দুখৰ বাতৰি ঘোষণা কৰিবলৈ বুলি মই আহিছো ।

আমাৰ প্ৰস্তুতিৰ এই শেষ মুহূৰ্তত আমাৰ এটি শুধৰাব নোৱৰা ক্ষতি হ'ল। আমি আপোনালোকক "লক্ষ্মণৰ শক্তিশেল" নাটৰ অভিনয় দেখুৱাম বুলি মাতি আনিছিলো কিন্তু Man proposes God disposes. ক্ষন্তেকৰ ভোজ খাওঁতা নাই। আমাৰ আজি গ্ৰীণ ৰুমত এটি অভূতপূৰ্ব দুৰ্ঘটনা ঘটিল। আমাৰ এজন মুখ্য অভিনেতা স্‌ট্ৰ'ক হৈ মূৰ্ছিত হৈছে। তেওঁক আমি হস্পিতেললৈ পঠিয়াবলগীয়া হ'ল। সেয়ে আমি আজিৰ এই অভিনয় স্থগিত ৰাখিলো। আপোনা-লোক আটায়ে থিয় হৈ এক মিনিট সেই শিল্পীগৰাকীৰ আশু আৰোগ্য কামনা কৰি ঘৰাঘৰি যাওকগৈ। নমস্কাৰ।

শেষ

বিষ্ণু শৰ্মাৰ বিচাৰ

উছৰ্গা

নাটখিনি লিখাত শিল্পী ললিত বৰাই উৎসাহ আৰু পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও কুমাৰ ভাস্কৰ নাট্য মন্দিৰত (১২ নৱেম্বৰ ১৯৩৯ চনত) প্ৰথম অভিনয় নিশা হলিৰামৰ ভাও দক্ষতাৰে অভিনয় কৰি নাটখনিৰ সৌষ্ঠৱ বঢ়াইছিল। সেয়ে নাটখন তেওঁৰ নামতেই আগবঢ়ালো।

লক্ষ্যধৰ চৌধুৰী

চৰিত্ৰ

বিষ্ণু শৰ্মা
হলিৰাম
হৰিপ্ৰিয়া
চিত্ৰগুপ্ত
যম
বলোৰাম
মধু মহৰী
শ্ৰীকৃষ্ণ
বৰুণ
পৱন
বেজবৰুৱা
অধিবক্তা ফুকন
বৈজ্ঞানিক
মহাদেৱ
ভৃঙ্গী
কেৰাণী
প্ৰথম যমদূত
দ্বিতীয় যমদূত

বিষ্ণু শৰ্মাৰ বিচাৰ

১ম অঙ্ক

১ম দৃশ্য

বিষ্ণু শৰ্মাৰ ভিতৰ চোতাল

সময় —পুৱা। বিষ্ণু শৰ্মাই পূজা-মন্ত্ৰ গাই থকা শুনা যায়—আগ চোতালৰ পৰা হলিৰাম সোমাই আহে—ভিতৰত বিষ্ণু শৰ্মাই পূজা-মন্ত্ৰ গায়—

বিষ্ণু—কৃষ্ণায় বাসুদেৱায় দৈৱকী নন্দনায় চ
নন্দ গোপ কুমাৰায় গোবিন্দায় নমো নমঃ
নমঃ পঙ্কজ-নাভায় নমঃ পঙ্কজ মালিনে
নমঃ পঙ্কজ-নেত্ৰায় নমস্তে পঙ্কজাঙ্ঘ্ৰয়ে
বসুদেৱ সুতং কৃষ্ণং কংস চানুৰ মৰ্দনম
দেৱকী হৃদয়ানন্দং কৃষ্ণ বন্দে জগতগুৰুম।
হৰি ৰাম—ৰাম
মূকং কৰোতি ৱাচলং পঙ্গু লঙ্ঘয়তে গিৰিম।
যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱম।

হলিৰাম—(সোমাই আহে) এ দেউৰ পূজাভাগ শেষ হোৱাই নাই—

হৰিপ্ৰিয়—অ' সেইটো হলিৰামনেকি অ'?

হলিৰাম—হয় আই।

হৰিপ্ৰিয়া—অ'—অলপ ৰবিচোন। (সোমাই আহে) হেৰ তোক কিন্তু অলপ বহিব কৈছে। (এইবুলি হাতত লৈ অহা মূঢ়াটো আগবঢ়াই দিয়ে।) পূজাও শেষ হব হৈছে। হয়নে হলিৰাম আজি বোলে তেওঁ হাটলৈ যায়।

হলিৰাম—এৰা আজি প্ৰায় এসপ্তাহৰ পৰাই মোক কুতুৰি আছে। বোলো হলিৰাম এই দেওবাৰৰ হাটৰ দিনা—মোকো লগত লৈ যাবিচোন। বহুত দিন হাট-বজাৰলৈ যোৱা নাই হেনো। চাবলৈ বৰ হেঁপাহ জন্মিছে। ময়ো বুজিছো দেৱে কিবা শকত বজাৰকে কৰিব ওলাইছে।

হৰিপ্ৰিয়া—ভাল কৈছে। হেৰৌ কিতো বজাৰ কৰিব? এভাগ সত্যনাৰায়ণ পূজা পাতিব বিচাৰিছে। তালৈকে কলটো কুঁহিয়াৰ ভাল। মই কৈছো হাটলৈ গৈ ইমান ৰ'দ-বতাহ খাব লাগিছে কেলেই -হলিৰামকে ফদি এখন কৰি বস্তু কেইপদ আনিবলৈ দিয়ক নাই নুশুনে—নিজে যাবই। কিবা জেউৰ ধৰিছে। তহঁতেতো জানাই কথা এবাৰ মুখৰ পৰা ওলালে আৰু সি সলনি নহয়—লাগে বামুণেই মৰক বা লগুণেই ছিঙক।

হলিৰাম—আই। সেয়েহে দেউৰ নাম বৈ বৈ যোৱা। যি কথাই নহওক বিষ্ণু শৰ্মাদেৱেও তাকেই কৈছে বুলি কলেই হল। যেন শিলৰহে ৰেখা।

হৰিপ্ৰিয়া—তহঁতেতো ভাল ক্ষণখিনিতহে তেওঁক পাইছে। জেদ পাতিলে লক্ষ্মৰাব নোৱাৰ যা। অৱশ্যে খংটো পাতল—কিন্তু যদি কেনেবাকৈ উঠিব লাগিল তেন্তে ইটো নাম সলাই অগ্নিশৰ্মা থোৱাই ভাল।

(বিষ্ণু শৰ্মাই ভিতৰৰ পৰা চিঞৰে)

বিষ্ণু শৰ্মা—(ভিতৰৰ পৰা) অ' হলিৰাম—আহিলি হবলা।

হলিৰাম—এ কেতিয়াবাই আহি বহি আছো। এ পোনে পোনে গৈ থকা হলে ইমান পৰে হাটেই পালোগৈহয়।

বিষ্ণু শৰ্মা—(সাজিকাচি ওলাই আহে) ওঁ বল। আজি বহুদিনৰ মূৰত হাটলৈ ওলাইছো অ' হলিৰাম। শুনিছো—হাটো বোলে বৰ গহীন হাট হৈ পৰিছে। বহু ৰাইজ আহে হেনো।

হলিৰাম—কৈছেহে। আৰু বস্তুনো কি নাপায়? গৰু-ম'হৰ পৰা আৰম্ভ কৰি ধান-মাহ-সৰিয়হ, শাক-পাচলি—চাহ-জলপান, সৰবৎ, মদ, ভাঙ, ফটিকা যি বিচাৰে তাকেই পাব।

বিষ্ণু—হেই সেইবোৰ আপদীয়া বস্তুও সোমাইছেহি-নে?

হলিৰাম—কৈছেহে নে দেউ। সেইবোৰৰহে আকৌ গ্ৰাহক বেছি। হেঁচা-হেঁচি ঠেলা-ঠেলি।

বিষ্ণু—হৰি হৰি।

হৰিপ্ৰিয়া—বোলো হলিৰাম। এখেতক অলপ ভালকৈ চাবি। যিহে মানুহ, মানুহৰ মাজতে হেৰাব।

হলিৰাম—হব আই হব। মই হাট-বজাৰ শেষ কৰি নিজে দেউক আপোনাৰ হাতত চমজাই দি যামহি। পিছে এতিয়া সুদা মুখে উঠিলো, অথনিকৈ হলে এটা গজগজিয়া জলপান নোখোৱাকৈ নুঠিম দেই আই। আহক দেউ ইয়াতেই এবেলা গ'ল। অলপ লৰা-লৰি কৰক।

বিষ্ণু—ওঁ কৃষ্ণায় বাসুদেৱায় হৰায়- - -

- - - - - -নমঃ নমঃ

(সেৱা কৰি ওলাই যায়)

পিছে পিছে হলিৰামো প্ৰস্থান। হৰিপ্ৰিয়াই যোৱাৰ ফালে কিছু সময় চাই থাকি উভতি ভিতৰ সোমায়।)

২য় দৃশ্য

যমৰাজৰ অফিচ

যমৰাজৰ Chamber চিত্ৰগুপ্ত এখন চাল-পীৰাত বহি আগত এসোপা ডাঙৰ ডাঙৰ বহী মৰতৰ মানুহৰ হিছাপ-নিকাচ লৈ বহি পাখি-কলমেৰে ডাঙৰ বাঁহৰ মহীচুঙাত (inkpot) কলম তিয়াই লিখা-লিখি কৰি থাকে—আনফালে দুজনমান কেৰাণী তেনেদৰে বহি কাম কৰি আছে—কিছুমান File আৰু 'চমন'ৰ কাগজ। ১ম কেৰাণীয়ে এখন 'চমন' লৈ জিভা মেলি কয়—

১ম কেৰাণী—সৰ্বনাশ।

চিত্ৰগুপ্ত—কি হ'ল? কি সৰ্বনাশ হ'ল?

১ম কেৰাণী—এইখন বৰ জৰুৰী 'চমন' যথাসময়ত প্ৰেৰণ কৰা নহ'ল। এতিয়া কি কৰা যায়?

চিত্ৰগুপ্ত—চাওঁ লৈ আহাচোন। কাৰ চমন।

১ম কেৰাণী—শ্ৰীবিষ্ণু শৰ্মা, গাঁও-অৱন্তিপুৰ, পোঃ আঃ মইনাসুন্দৰী, ধৰাধাম। চাওকচোন, পোন্ধৰ দিনৰ আগতে "সান্নিপাত" ৰোগত পেলাই কালিলৈ অৰ্থাৎ ভাদত মৃত্যুদণ্ড বিহাৰ আদেশ আছিল। ধৰ্মৰাজে নিজে স্বাক্ষৰ কৰা আছে।

চিত্ৰগুপ্ত—চাওঁ তোমালোকে দেখিছো সৰ্বনাশ কৰিহে এৰিবা। (কাকতখন দিয়ে—চিত্ৰগুপ্তই চায়)

চিত্ৰগুপ্ত—ইস্ ইস্ ইমান ডাঙৰ ভুল কৰিব পোৱানে? এতিয়া শুধৰণি কৰাওতো কম নহব। কালিলৈ জেঠৰ পৰা এওঁৰ দেখোন ভাৰস্তত চাউল কথা নায়েই। Order stay কৰোৱাই সকলো বিভাগতে হুলস্থূল লগোৱাৰ চেষ্টা কোনে কৰিলে। কালিলৈকে তেওঁক সংসাৰৰ পৰা আঁতৰাব নোৱাৰিলেতো বৰ ডাঙৰ সমস্যা হব। অন্নপূৰ্ণাই জানো কমপ্লেইন নকৰিব। এজনে এগৰাহ চাউল সিজোৱা বেছিকৈ গ্ৰহণ কৰা মানে এজনৰ এগৰাহ কম পৰা। নাই এটা কথা কৰা যাওক—বুজিছা!

১ম কেৰাণী---কি ছাৰ ?

চিত্ৰগুপ্ত---এই সান্নিপাত জ্বৰৰ ঠাইত থমবচ্ছি অৰ্থাৎ severe heart attack কৰা যাওক---চোৱা সময়তো অৰ্থাৎ কালিলৈ ৰাতি ১২ বজাৰ আগতে এওঁক সংসাৰৰ পৰা আঁতৰাব লাগে---নহয় জানো ।

১ম কেৰাণী---হয় ছাৰ ।

চিত্ৰগুপ্ত---এইখিনি সেইদৰে লেখি ছাৰৰ পৰা এতিয়াই approval লব লাগিব ।

১ম কেৰাণী---লওক ছাৰ আপুনি কিবা এটা নকৰিলে আৰুনো কোনে নো কৰিব । মোৰ হলে ভয়তে ভৰি-হাত কঁপিব ধৰিছে ছাৰ ।

চিত্ৰগুপ্ত---হেৰা সেই ছাৰ আহিছে যেন পাইছো। ৰথৰ শব্দ শুনিছো । যোৱা নিজ ঠাইত ভাল ল'ৰাৰ দৰে বহি থাকাগৈ ।

(১ম কেৰাণী আহি নিজৰ ঠাইত বহে)

(লগে লগে যমৰ প্ৰৱেশ -সকলোৱে উঠি প্ৰণাম জনায় ।)

যম---চিত্ৰগুপ্ত । সকলো ব্যৱস্থা সঠিকভাৱে চলিছেনে ?

চিত্ৰগুপ্ত---হয় ছাৰ। সকলো ঠিকেই আছে । পিছে এটা কথা ছাৰ, আমাৰ Natural death কৈ unnatural deathৰ সংখ্যা অলপ বাঢ়িছেনেকি ?

যম---হবই ? আজিকালি বৰুণ, পবন আদি দেৱতা সকলেও পোনপটীয়াভাৱে মৃত্যুদণ্ড বিহা হ'ল। চোৰাচোন ধুমুহাত মানুহ উৰুৱাই মৰাব লাগেনে ? বৰষুণত মানুহ মাৰিব লাগেনে ? কি কৰিবা---সকলোৱে কেৱল ক্ষমতা বিচাৰে ।

বাৰু সেইবোৰ যাবলৈ দিয়া । এতিয়া কিবা urgent কাগজ-পত্ৰ আছে যদি আনা। আজি সোনকালে প্ৰাসাদলৈ উলটিব লাগে। মিছেছৰ কাঢ়া হুকুম আছে । স্বাস্থ্য হেনো বেয়া হৈছে সেয়ে Timely lunch খাব লাগিব ।

চিত্ৰগুপ্ত---ছাৰ, আপোনাৰ কথা শুনি বৰ ভাল পালো । ভাৰন্তত সকলোৱে আপোনালৈ ভয় কৰে । আপুনি যে আকৌ আপোনাৰ সহধৰ্মীনীক ভয় কৰে। হেঃ হেঃ হেঃ।

চিত্ৰগুপ্ত---(কেইটামান ফাইল লৈ গৈ)
ছাৰ এইকেইটা ডেথ চেন্টেন্স
এইটো নৰক বাথৰ অৰ্ডাৰ।

(এইবুলি কাগজ কিছুমান চহী কৰায়)

(এনেতে এজন যমদূত আহি যমৰ আগত থিয় হয়)

যম----কি দূত ? কিবা সমাচাৰ ।

যমদূত---ধৰ্মৰাজ !
কালুকুছি নামে গ্ৰাম ভুবন বিখ্যাত
লগ হৈ গ্ৰামবাসী সবে
কৰে একো ভোজ আয়োজন
অৰ্দ্ধ সিদ্ধ মাংস আৰু অৰ্দ্ধ সিদ্ধ ভাত
ইসবৰ হয় আয়োজন---

যম---কি ? কি ? অৰ্দ্ধ সিদ্ধ মাংস
আৰু অৰ্দ্ধ সিদ্ধ ভাত ?
চিত্ৰগুপ্ত----কলেৰাৰ এজেণ্টক
পঠোৱা তুৰন্তে
হব লাগে ধৰ্মৰ বিচাৰ
হব লাগে প্ৰায়শ্চিত্ত পাপীসকলৰ ।

চিত্ৰগুপ্ত----ধৰ্মৰাজ
শিৰ পাতি ললো মই আদেশ তোমাৰ
শীঘ্ৰে তাৰ কৰিম ব্যৱস্থা ।

যম----ঠিক আছে, আহো মই---
Urgent কিবা কাম থাকিলে
মোৰ প্ৰাসাদলৈকে ফাইল পঠিয়াই দিব ।

(যায়)

১ম কেৰাণী—ছাৰ বিষ্ণু শৰ্মাৰ চমনৰ approval ললেনেকি ?

চিত্ৰগুপ্ত—হেৰা চিত্ৰগুপ্তক কি বুলি ভাবিছা। এনেকৈ ভাজ কৰি কাগজখন আগত দিলো নোচোৱাকৈয়ে চহী মাৰি দিলে। বুজিছা এই দেৱতাসকল অমৃত খাই অমৰ হ'ল। নহলে দেখিলা হয় মই এওঁলোকৰ নামটো চমন উলিয়াই স্বৰ্গ ৰাজ্যত হুলস্থুল কৰিলো-হেঁতেন। পিছে তোমাক মই নেৰিছো। যোৱা ইমান ডাঙৰ কাম এটা এনেদৰে কৰি দিলো। কথাটো ভু পালেতো তোমাৰ চাকৰি নাথাকে। হয় নে নহয় ?

১ কেৰাণী—হয় ছাৰ।

চিত্ৰগুপ্ত—যোৱা এতিয়া —চাহ মিঠাইৰ অৰ্ডাৰ দিয়া। তুমিতো জানাই—মই ৰঁসমলাইহে খাওঁ। যোৱা অৰ্ডাৰ দিয়া।

১ম কেৰাণী—ঠিক আছে ছাৰ এতিয়াই অৰ্ডাৰ দি নিজেই লৈ আহিম। (যায়)

(যোৱাৰ লগে লগে পট পৰে)

৩য় দৃশ্য

বিষ্ণু শৰ্মাৰ আগ চোতাল

(হাটৰ পৰা বস্তু-বাহানি লৈ উৰ্ভতি অহাৰ বেশত হলিৰাম সোমাই আহে।)

হলিৰাম—(ফুচফুচাই মাতে)
অ আই ! আই !

বিষ্ণু শৰ্মা—(ভিতৰত) হেৰা ! কোনোবাই মাতা যেন শুনিছো। চোৱাচোন—কোন আহিছে ?

হৰিপ্ৰিয়া—(এটা কুপি চাকি লৈ আহে) কোন ?

হলিৰাম—মইহে আই ?

হৰিপ্ৰিয়া—অ' তই উভতি আহোতে সোমাই জলপান খাই যাম বুলিছিলি নহয়। ক'তা, পোনে পোনেই গুচি গলি দেখোন।

হলিৰাম—এৰা আই। বাটত বৰ ধূলি-মাকতি খাই আহিছো। গা-পা নোধোৱাকৈনো কি জল-পান খাম। সেয়ে দেউতা বস্তুখিনি চমজাই দিয়ে খোজ ললো। পিছে এটা কথা হ'ল নহয়। মোৰ দাৰুৰ বটল এটাও ঘিউ, মৌৰ বটলৰ লগতে বৈ গ'ল সেয়েহে আহিছো।

হৰিপ্ৰিয়া—হয়নেকি ?

হলিৰাম—দীঘলকৈ বটল এটি চাওকচোন চাওক চোন। মোৰ গাৰ বিষৰ দেৱাই আই। মানুহ-টোহে দেখিছে—ভিতৰি তেনেই ফোপোলা আই। দৰৱ-জাতি খাইহে কোনোমতে বতি আছো। অলপ ৰ' মই চাই দিছো। তেখেতে আহিয়েই গা-পা ধুই পূজাৰ বস্তু-নামঘৰত সুমুৱালেগৈ যে নহয়।

বিষ্ণু—(ভিতৰৰ পৰা) কি হ'ল ? (ওলাই আহে) হলিৰাম দেখোন।

হৰিপ্ৰিয়া—এ আমাৰ ঘিউ-মৌৰ বটলৰ লগতে তাৰ বটল হঠাত বৈ গ'ল।

বিষ্ণু—এৰা, এৰা। এটা বটল পাইছোতো। কাগ-জেৰে যে মেৰিয়াই থোৱা আছে সেইটো নহয় জানো। ময়ো ভাবিছো এইটোনো কি আনিলো। —ৰ' মই আনি দিছো।

হৰিপ্ৰিয়া—তই হলে কালিলৈ গধূলি আহিবি। সত্যনাৰায়ণৰ প্ৰসাদ খাই যাবিহি।

হলিৰাম—এ কৈছেহেনে আই। সত্যনাৰায়ণৰ পূজা লৈ নহাকৈ থাকিমনে। দেৱেও আজি হাটৰ পৰা আহোতে ওৰে বাটে কৈ আহিছে তই কিন্তু এবাৰ আহিবি। বুজিছে আই এভাগ পূজালৈ নিমন্ত্ৰণ নালাগেই হেনো। ভু পায়েই যাব লাগে—নহলে বোলে পাপে চোৱে।

বিষ্ণু—(বটল এটা লৈ আহে) কি পাপে চোৰে অ' হলিৰাম।

হলি—এ আইৰ আগত কৈছো—সেইবোৰ দেশ দস্তুৰৰ কথা দেউ।

বিষ্ণু—এইটো হয়নে ?

হলি—হয় দেউ ।

বিষ্ণু—কিহৰ বটল অ'—

হলিৰাম—দেৰাই দেউ। মোৰ গাৰ বিষৰ দৰৱ।

বিষ্ণু—ইস্ তই নকলি কিয় ? ময়ো এবটল আনিলোহেঁতেন। আমাৰ হালৰেই গাৰ বিষ। খালে কিজানি কিবা উপকাৰ পালোহয়েই—

(কাগজ খুলি খুলি চাই নাক কোঁচাই)

উস্ বৰ কাঢ়া গোন্ধ অ'—

হলিৰাম—দেউক লাগে যদি অলপ গিলাচতে বাকী ৰাখক ।

বিষ্ণু—নালাগে যা। তই আনিছ। অহাবাৰ হাটলৈ গলে মোৰ পৰা পইছা লৈ যাবি। আমাকো এবটল আনি দিবি—খাম।

ওস্ গোন্ধটো কিন্তু বৰ কাঢ়া অ'— নাক-মূৰ জমজমাই গৈছে।

হ'ল—(এই বুলি মাটিত বটলটো থয়)

হলিৰাম—(সাউৎ কৰে বটলটো লয়) দেউ, আহোহে। আই আহিলো দেই।—

হৰিপ্ৰিয়া—যা, কালিলৈ কিন্তু সাজ লগাৰ লগে লগেই আহিবি ।

হলিৰাম—আহিম আই আহিম। (যায়)

(আনফালে বিষ্ণু শৰ্মা সোমাই যায়)

অলপ সময় মঞ্চত কোনো নাথাকিব—ৰাতি গহীন হৈ অহাৰ লক্ষণ দেখা যায়। দূৰত বিষ্ণু শৰ্মাই নাম ঘোষাৰ পদ আওৰাই থকা শুনা যায় ।

বিষ্ণু—(সুৰ লগাই ভিতৰত)

হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ সাগৰ
আশু এক কৰা দয়া মায়া হৌক দূৰ।
জয় জয় কৃপাময় দেৱ যদুপতি
তোমাৰ চৰণে মাগো অমূল্য ভকতি

(এনেতে লৰি বলোৰাম সোমাই আহে)

বলোৰাম—(ভয়ে ভয়ে) বোলো দেউ আছেনেকি ? বোলো দেউ আছেনেকি ?

বিষ্ণু—কোন অ' ?

বলোৰাম—মই বিহলঙনিৰ বলোৰাম দিয়নঃ। অলপ চাকিটো আনকচোন ।

বিষ্ণু—(এটা হাৰিকেন লেম্প লৈ আহে।) কি অ' বলোৰাম। এই ৰাতিখন ক'ৰপৰা ওলালিহি ।

বলোৰাম—এ আজি গাঁৱৰ নামঘৰৰ খেৰ আনিবলৈ গাড়ী লৈ গৈছিলো। অ' আপোনাৰ দুৱাৰে ফেনিধৰো গৈছিল। দুয়ো একেলগেই আহিলো। বাটতে বোলো এতিয়া ৰাতি হৈছে দুয়ো ঘৰলৈকে যাওঁ পুৱা আহি নামঘৰত খেৰগাড়ী দিমহি। এই বুলি দুয়ো যুক্তি কৰি সি তাৰ ঘৰৰ ফালে গাড়ী ঘূৰালে— আৰু মই এই বাটে আহি আছো।

বিষ্ণু—অ' পিছে।

বলো—সেই কেঁকুৰিটো ঘূৰিছো দুজন মানুহ। আমাৰ এই অঞ্চলৰ হলে নহয় দেই—হাতত বৰ একোডাল টাঙোন। বাটতে মোক সুধিলে—হেৰা গাৰোৱান, বিষ্ণু শৰ্মাদেৱৰ ঘৰ কোনটোহে ?

বিষ্ণু—অ' পিছে ?

বলো—মই কলো, মোৰ পাছে পাছে আহি থাকক বাটতে দেউৰ ঘৰ পাম। মানুহ কেইজনো কথা মতে তেওঁলোকৰ ভিতৰতে কথা পাতি আহি আছে, ময়ো গাড়ী চলাই আহি আছো। আপোনাৰ পদূলি পাওঁতেই মই বোলো — এয়ে আমাৰ দেউৰ ঘৰ। এই বুলি দেখুৱাই দিয়াৰ লগে লগেই দুয়ো থিতাতে হৰলুকি হ'ল। মোৰ হলে দেউ মূৰৰ চুলিৰ আগে জীৱ উৰি গ'ল।

বিষ্ণু---হেৰৌ ! বৰ আচৰিত কথা। মানুহ যদি হঠাৎ নোহোৱা হব কেনেকৈ অ'। তই কিবাতো দেখি কিবাটো কৈছ হবলা।

বলো---নহয় দেউ ! মই সঁচা কথা কৈছো। মানুহ দুটা লগে লগে অহাও হয়---আৰু থিতাতে নোহোৱা হোৱাটোও হয়। ক'ৰবাৰ চোৰ যেনহে লাগিছে দেউ। আজি কিছু-দিনৰ পৰা এই অঞ্চলত চোৰ-চাৰি হোৱাৰ কথা হাটে-বজাৰে শুনি আছো।

বিষ্ণু----হেৰৌ চোৰ আহি আমাৰ ঘৰত কিতো পাবহি। ৰাতিওটো বেছি হোৱা নাই। মই পাতিত পৰি 'নাম-ঘোষা' আওৰাই আছিলো।

বলো---শুনিছো দেউ।ময়ো সহজে ভয় খোৱা বিধৰ লোক নহয়। কথাটো কিবা আচহুৱা দেখিহে চিন্তিত হৈছো। বোলো কথাটো দেউক কাণ চোৱাই যাওঁ---।

বিষ্ণু---ভাল কৰিলি। ঈশ্বৰে তোক মংগল কৰিব। পিছে তই এই বাটচোৱা যাব পাৰিবি জানো।

বলো---পাৰিম দেউ। যমৰ বাহনতে উঠি আহিছো। কিহৰ ভয়। সৌ চুবুৰিৰ মানুহ শোৱাই নাই। তাত আজি ৰাতি বৰসবাহ পাতিছে। সেই চুবুৰিটো পাৰ হলেইতো ঘৰেই পালো। তেন্তে এতিয়া আহোঁহে দেউ।

(ৰাতি গহীন হৈ আহে।)

(এন্ধাৰ। এন্ধাৰৰ মাজৰ পৰা দুজন যমদূত ওলায় আহে।)

১ম যমদূত---হেৰৌ দেখিলো ?

২য় যমদূত---ওঁ।

১ম যমদূত---কি বুজিলি ?

২য় যমদূত---আমাৰ চিকাৰৰ ঘৰ পালোহি।

১ম যমদূত---কিন্তু চিকাৰ এলেপেচা নহয় দেই। পেস্কাৰ বাবুই জানি-শুনিও এইটো কৰিব নালাগিছিল।

২য় যমদূত---কিয়--কি হ'ল ?

১ম যমদূত---তই বৰ মূৰ্খ অ'---ইমান পৰে নেদেখিলি। শৰ্মা মানুহজন কেনে বুজিলিটো। নামে মানুহে মিলি গৈছে।

২য় যমদূত---কি কৈছ অলপ পোনাই কচোন।

১ম যমদূত---হেৰৌ, অকল নামেই বিষ্ণু শৰ্মা নহয়। মানুহজন বিষ্ণু ভক্তও। খাওঁতে-বওঁতে কেৱল কৃষ্ণ নাৰায়ণ নাৰায়ণ। সহজে বগৰালেও আমি জীৱ নিয়া আশা নাই---বিষ্ণু দূতহঁত ওলাবহি।

২য় যমদূত---বিষ্ণুদূত ওলাবহি। কিয় ?

১ম যমদূত---হেৰৌ 'অজামিল'ৰ কথা মনত নাই। ধৰিলে যমদূতে---নিলে বিষ্ণুদূতে। এইবাৰ যদি কেনেবাকৈ কৃতকাৰ্য হওঁ আমাক regular কৰিবই লাগিব। ১০ বছৰে কেজুৱেলত খটাইছে। তদুপৰি এনে কঠিন কামলৈ পঠাইছে। হেৰৌ, ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। আমাৰ লৰালৰি কৰিবহে লাগে। তই সৌ আমজোপাত উঠি থাক -মই সৌ জামজোপাত উঠি থাকো। কালিলৈ গধূলি হোৱাৰ লগে লগেই কামটো সমাধা কৰিব লাগিব। যা--সৌ জামজোপাত উঠি লগে।

(দুয়ো দুফালে যায়)

(অলপ সময় মঞ্চ খালি থাকিব। শিয়াল, হুদুৰ মাতে ৰাতিটো আৰু গহীন কৰিছে। ২য় যমদূত সোমাই আহে।)

২য় যমদূত---হেই শুনচোন। জামজোপাত উঠিব নোৱাৰি বুজিছো। প্ৰকাণ্ড এবাহ মৌ বাহ আছে।

১ম যমদূত---ৰ, ময়ো নামি গৈছো। (নামি আহে) হেৰৌ কথা গহীনেই। আমি কামটো পুৱাতে সমাধা কৰিব লাগিব বুজিছ।

২য় যমদূত---কিয় ?

১ম যমদূত---মই আমজোপাত উঠি বামুণ-বামুণীৰ কথা শুনি আছিলো। কালিলৈ এওঁলোকে সত্যনাৰায়ণৰ পূজা পাতিছে। গাঁৱৰ বহুতো মানুহ গোট খাব যেন পাইছো আৰু সত্যনাৰায়ণৰ প্ৰসাদ খাই উঠিলে—দেউক সহজে সৰকোৱা টান হব। সেয়ে মই এটা কথা ভাবিছো।

২য় যমদূত---কি ?

১ম যমদূত---আমি পুৱা যিমান সোনকালে পাৰো কামটো কৰিব লাগিব। পুৱাই হেনো দেউ ওচৰৰে বৈ যোৱা লখৈতৰা নদীত গা তিয়াবলৈ যাব। এতেকে ঘৰৰ পৰা ওলাব ধৰোতেই চোতালতে বগৰাব লাগিব ?

২য় যমদূত---হয়নেকি ?

১ম যমদূত---এতেকে এতিয়া আমি সজাগ হৈ থাকিব লাগিব বুজিছ। ৰাতি শেষ হবলৈ বেছি সময় নাই। খু-উ-ব হুচিয়াৰে থাকিবি। ৰহ, তই এইখিনিৰ পৰা চাই থাকিবি —দেউ ওলাই অহা দেখিলেই ইচৰা কৰিবি মই তাৰ দিহা লগাম। এতিয়া অলপ বহ। জিৰাই ল। মই পহৰা দি থাকো।

(২য় যমদূত বহে ১ম যমদূতে সন্তপৰ্ণে ঘূৰা-ঘূৰি কৰে।)

বিষ্ণু শৰ্মাই ভিতৰত –নাৰায়ণ। নাৰায়ণ। ‘ও কৃষ্ণায় বাসুদেৱায় হৰয়ে পৰমাত্মনে প্ৰণতঃ ক্লেশ নাশায় গোবিন্দায় নমঃ নমঃ। (জোৰে চিঞৰে ১ম যমদূতে ২য় যমদূতক সাৱধান হবলৈ ইংগিত দিয়ে---পুৱাৰ পোহৰে লাহে লাহে এন্ধাৰ আঁতৰায় আনে---১ম যমদূত বাহিৰ চোতাললৈ ওলোৱা বাটত সাৱধানে থিয় হয়)

বিষ্ণু---“তুমি চিত্ত বৃত্ত মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত---
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
মোক কৃপা কৰা ভগৱন্ত।”

(এইবুলি নাম গাই গাই কান্ধত গামোচা লৈ বিষ্ণু শৰ্মা বাহিৰলৈ ওলাই আহে। দুয়োকাষৰ পৰা দুয়ো যমদূতে আগতে এজনে টেটুত চেঁপি ধৰে। বিষ্ণু শৰ্মাই একো মাতিব নোৱাৰে। লাহে লাহে মাটিত বাগৰি পৰে---১ম যমদূতে বুকুৰ পৰা জীৱ লৈ (এটি পোহৰ) উলিয়াই লৈ আগফালে লৰ মাৰে---পিছে পিছে ২য় যমদূতো যায়।)

অাঁৰ কাপোৰ

২য় অঙ্ক

১ম দৃশ্য

যমৰ বিচাৰালয়

চিত্ৰগুপ্ত আৰু আন আন আমোলাসকল নিজ নিজ স্থানত উপস্থিত। দুই-এজন মহৰী, উকীল আদি চিত্ৰগুপ্তৰ পৰা নথি-পত্ৰ চাই অহা-যোৱা কৰি আছে। Court ৰ পৰিৱেশ।

(যমৰ প্ৰৱেশ। আটায়ে থিয় হৈ অভিবাদন জনায়।)

যম---চিত্ৰগুপ্ত।

চিত্ৰগুপ্ত---ছাৰ

যম---ভাৰতত ৰেল দুৰ্ঘটনাত বহুতো লোকৰ মৃত্যু হোৱা বাতৰিটি সঁচানে ?

চিত্ৰগুপ্ত---সঁচা ছাৰ।

যম---কিমান লোকৰ মৃত্যু হৈছে ?

চিত্ৰগুপ্ত---এতিয়ালৈকে ঠাৱৰ কৰিব পৰা হোৱা নাই ছাৰ। ঘটনা পানীয়ে-বামে ঘটিছে।

সেয়ে বহু লোকৰ সলিল সমাধিও হৈছে। নামে মানুহে বিচাৰি উলিয়াবই পৰা নাই।

যম---তেন্তেতো এইবোৰ মৃত্যু বৰ Irregular হৈ ৰব।

চিত্ৰগুপ্ত---ঘটনাবোৰ যিদৰে স ঘটিত হব ধৰিছে দেখিছো জীৱনত এইবোৰ regular কৰা নহবই।

যম---অতি পৰিতাপৰ বিষয়। দেখিছো স্বৰ্গ-মৰ্ত্য একেই হ'ল। দেৱতা-মানুহৰ কামৰ পাৰ্থক্য নোহোৱা হ'ল।

চিত্ৰগুপ্ত---ছাৰ আৰু এটা কথা।

যম---কি কথা চিত্ৰগুপ্ত।

চিত্ৰগুপ্ত---বানপানী, ধুমুহা, অগ্নি-দাহতো ভাৰতৰ বহুত লোকৰ প্ৰাণ হানি হৈছে। এইবোৰক ৰাখিবলৈ আমাৰ accomodation ৰ বৰ অভাৱ হৈছে।

যম---হবতো। মই প্ৰত্যেকবাৰ আমাৰ কেবিনেট মিটিঙত সঁকিয়াই দি আছো---কৈছো এই death ৰ দায়িত্বটো যেতিয়া মোৰ, মোক বা মোৰ বিভাগৰ আগতিয়া information নিদিয়াকৈ যাতে কোনো দেৱতাই মৃত্যুদণ্ডৰ বিধান নকৰে। কিন্তু নাই---নুশুনে পবন, বৰুণ, অগ্নি এওঁ-লোকৰ এই মানুহ মাৰি ৰং চোৱাতো এক-প্ৰকাৰ স্বভাৱ হৈ পৰিছে। এনেদৰে আৰু বেছি দিন নচলে। Revolution হব। মানুহবোৰ বৰ সজাগ হৈছে। ডাক্তৰখানা, নাচিং হ'ম আদিৰে নগৰ-চহৰ গাঁও-ভূই ভৰি পৰিছে। আমেৰিকা, য়ুৰোপতো এতিয়া গুলি মাৰি মানুহ মাৰিবই নোৱৰা হৈছে। ডাক্তৰী ব্যৱস্থা ইমান দূৰ উন্নত হৈছে বুজিছা।

চিত্ৰগুপ্ত---তেতিয়াহলে দেৱতা-মানুহৰ এখন যুদ্ধ হোৱাৰো সম্ভাৱনা আছে বোলে---কথাটো সঁচানে ছাৰ।

যম---Wait and see. Where water where goes ক'ৰ পানী ক'লৈ যায়। এতিয়া স্বৰ্গ-মৰ্ত্যৰ কি পাৰ্থক্য আছে। একেই। মাথোন ইয়াত দেৱতা নমৰে---তাত মানুহ মৰে। চোৱাগৈচোন, কিছুমান ঠাই আমাৰ স্বৰ্গৰাজ্যতকৈ বেছি ধুনীয়া হৈছে।

চিত্ৰগুপ্ত---Sir, Comfort, eminities এইবোৰ ?

যম---সকলোৰে সুন্দৰ ব্যৱস্থা আছে---পবন, অগ্নি, বৰুণহঁতে ফুটানি মাৰিলে কি হব। বতাহ, বিজুলী, পানী, আদিৰ কণ্ট্ৰোল এতিয়া বহু-খিনি মানুহৰ হাতত।

চিত্ৰগুপ্ত---মানুহে ইমানখিনি কৰিব পাৰিছে।

যম---আৰু কেইবছৰমান বাট চোৱা। দেখিবা মানুহ দেৱতাতকৈ ওপৰত উঠিব। এইটো চিৰন্তন নীতি। কাকো কোনেও চিৰকাল বশ কৰি ৰাখিব নোৱাৰে। এদিন ওপৰ-তল হবই।

(এনেতে ১ম যমদূত সোমাই আহি চিত্ৰগুপ্তক কাগজ-পত্ৰ দি কিবা কিবি কয়)

চিত্ৰগুপ্ত---ছাৰ, এটা জৰুৰী কেছ আহিছে। অনুমতি দিলে নিবেদন কৰিব বিচাৰো।

যম---অ' কোৱা---কি কেছ ? ক'ৰপৰা আহিছে। Clientক হাজিৰ কৰিব লাগে।

(বিষ্ণু শৰ্মাক যমদূতে লৈ আহে)

চিত্ৰগুপ্ত----মৰ্ত্য ধামৰ অস্তিপুৰ গ্ৰামৰ পৰা আহিছে। (যমে কাগজত নোট কৰি থয়)

যম----মৃতকৰ নাম ?

চিত্ৰগুপ্ত --বিষ্ণু শৰ্মা।

যম---বয়স ?

চিত্ৰগুপ্ত----৬৫ বছৰ।

যম---মৃত্যুৰ কাৰণ ?

চিত্ৰগুপ্ত---Thombosis.

যম—পাপ-পুণ্যৰ পৰিমাণ?

চিত্ৰগুপ্ত—(বহী খুলি চায়) ছাৰ, এই ব্ৰাহ্মণৰ পাপ-পুণ্যৰ হিছাপ বৰ আচৰিত পাইছো।

যম—কিয়? কি হৈছে?

চিত্ৰগুপ্ত—পুণ্যবান লোক ছাৰ। পুণ্যৰ সংখ্যা কৌটি কৌটি—কিন্তু---

যম—কিন্তু আকৌ কি?

চিত্ৰগুপ্ত---মৰিবৰ আগদিনা এটা পাপ চিন্তা কৰি সকলো পুণ্যৰ পোহৰ ম্লান কৰি পেলায়। এওঁ সুৰাপান কৰাৰ ইচ্ছা প্ৰকাশ কৰে। ভাদৰ চতুৰ্দশী তিথিৰ দিনা।

যম—সুৰাপান। ব্ৰাহ্মণ হৈ সুৰাপান। ৰাইজৰ পুৰোহিত হৈ, পূজাৰ গৰাকী হৈ সুৰাপান কৰিব বিচাৰে। চিত্ৰগুপ্ত বিষ্ণু শৰ্মাক যাবৎ-জীৱন নৰকবাস শাস্তি দিয়া হব।

বিষ্ণু—নৰকবাস। আজীৱন বিষ্ণু পূজা কৰি মই নৰকবাস দণ্ড পালো। নহয় নহয় ধৰ্ম-ৰাজ। চিত্ৰগুপ্তৰ হিছাপ সম্পূৰ্ণ ভুল। ভুল তথ্যৰ ওপৰত এই গোচৰ তৰা হৈছে। মই ইয়াৰ প্ৰতিবাদ কৰো।

যম—Order, order.

যম—বিষ্ণু শৰ্মা। তোমাৰ আপত্তি থাকিলে নীতি মতে আবেদন কৰিব পাৰা। যমালয়ত উকীল, ব্যাৰিষ্টাৰ, মহৰী তৰণিৰ অভাৱ নাই। নীতিমতে আবেদন কৰা। মই বিচাৰ কৰিম।

বিষ্ণু—কিন্তু এতিয়া মোৰ কি ব্যৱস্থা হব।

যম—তোমাক Bail দিছো। এসপ্তাহ তুমি স্বইচ্ছা ঘূৰি-মেলি থাকিব পাৰিবা। সাত দিনৰ মূৰত মই আকৌ তোমাৰ বিচাৰ শুনিম।

বিষ্ণু—কিন্তু মোৰ সাক্ষী-বাদী।

যম—সকলো সাক্ষীক ইয়াত উপস্থিত কৰোৱা ব্যৱস্থা কৰা হব। কোৱা তোমাৰ কোন সাক্ষী আছে।

বিষ্ণু—হলিৰাম, অৱন্তীপুৰৰ।

যম—চিত্ৰগুপ্ত। আজিয়েই হলিৰামলৈ চমন জাৰি কৰা। তাক অনাৰ ব্যৱস্থা কৰিবা। সাত দিনৰ মূৰত বিচাৰ আৰম্ভ হব।

(উঠি প্ৰস্থান)

(আগত পট পৰে)

২য় দৃশ্য

(অৱন্তীপুৰৰ গাঁৱলীয়া আলিবাট। হাতত ছাটি আৰু কান্ধত এটি মোনা ওলোমাই হলিৰাম সোমাই আহে। পিছফালৰ পৰা বলোৰামৰ চিঞৰ শুনা যায়—)

বলো—(ভিতৰত) অ' দেদাই—অ' দেদাই।

হলিৰাম—(মাজে মাজে ফিৰি চাই)

হোঃ সেইটো কোন লৰি আহিছে অ'—

বলো—বোলো দেদাই অলপ ৰবিচোন।

হলিৰাম—(পিছলৈ) কোন অ' সেইটো। পিছফালৰ পৰা এনেকৈ ৰিঙিয়াই কিবা আপদ চোঁচ-ৰাইছ যেনহে পাইছো।

(ফেপাই-জোপাই হাতত এডাল এছাৰি লৈ বলোৰাম আহে)

বলো—দেদাই—

হলিৰাম—অ' বলোৰাম দেখোন। কি হ'ল ইমান টপলিয়াই আহিছ।

বলো—উস্ বোলো দেদাই তোৰো খোজ কম খোজ নহয়। তোক সেই কেঁকুৰিটো ঘূৰোতেই দেখি টোৱালো। বাপ ইমান লৰি আহিও কোনোপধ্যেই লগ নাপাওঁ চোৱা।

হৰিৰাম—বাপ ৰে বাপ। কি হ'ল। কিয় ইমান উধাতু খাই আহিছ।

বলো—নকৰি দেদাই। দিন থকা থাকিলে এইবোৰ হয়েই। উস্ তাইৰ ইমানতো সাহ—মোক মাৰিবলৈ খেদি আহে।

হৰিৰাম—হেৰৌ কাৰ কথা কৈছ? কোনে খেদি আহে।

বলো—নকৰি কওঁ সেই বাঘিনীজনীয়ে। মই হাল মেলি ঘৰ সোমাওঁ সোমাওঁ হৈছো বুজিছ দেদাই, এনেতে শুনিলো বৰ চিঞৰ-বাখৰ। গৈ পাই চাওঁ যে মনাইৰ ঘৈণীয়েক সেই বুঢ়ুলী নে ভেকুলী তাই বাপ হাত দাঙি দাঙি যিহে চিঞৰিছে। মুখত অবাইচ গালি—হয় দে দেদাই তোৰ আগত সেইবোৰ কবলৈকে লাজ লাগে।

হৰিৰাম—হেৰৌ কাক নো গালি-শপনি পাৰিছে।

বলো—কাক হব আৰু মোৰজনীক।

হৰিৰাম—কিয়?

বলো—এঃ কিবা গোবৰ পেলোৱালে। কিবা এটা চেলুহে লাগে। বৰ মুখচোকা তিৰোতা দে দেদাই। বহু দিন সহ্য কৰি আছিলো আজি কিন্তু আৰু সহ্য কৰা নহ'ল দে—

হৰিৰাম—কিবা নকৰিবলগীয়াটোকে কৰিলিনেকি?

বলো—অ' মই ঘৰ সোমোৱা দেখি তাই ক'ত শাঁত পৰিব। অ' প্ৰকোপ বাঢ়িলহে? বৰকৈ উচ্চ বাচ্য কৰিব ধৰিলে। বহুতপৰ সহ্য কৰি আছিলো দে কিন্তু আৰু নোৱাৰিলো—ওলাই আহি এই এছাৰিৰে দিলো বাপেকে গায়ে-মুখে ঝোব লগায়।

হৰিৰাম—হেৰৌ বৰকৈ কোবালিনেকি অ'—

বলো—হওতে হলে কিছু পৰিছে দে—মানুহজনী আঐ বিঐ কৰি মাটিত লুতুৰি-বাগৰি আছিল। ওচৰৰ মানুহ আহি দাঙি নি গৈ ঘৰ সুমুৱালে। এতিয়া শুনিছো মনাইয়ে গাঁৱলীয়াক গোট খুৱাইছে। সেয়েহে মই আহিছো দেদাই। এই মেলত থাকি তোৰ এনেতে অলপ টানি ধৰিব লাগে। মই পিছে-পৰে হলেও তোৰ কিবা এটা উপকাৰ কৰিম।

হৰিৰাম—ৰ, তিৰোতাই তিৰোতাই লগা কাজিয়াত তই পুৰুষটো আহি সোমালিহি যদিও। মেলৰ পেচ অলপ কঠিনেই হব এৰা।

বলো—সেইদেখিহে আৰু এনেদৰে লৰি-চাপৰি তোৰ কাষলৈ আহিছো। তই কিন্তু মোক এই যাত্ৰাত উদ্ধাৰ কৰিব লাগিব। মই তোৰ ভৰিত ধৰিছো দেদাই।

হৰিৰাম—বাৰু যাচোন চাওঁ—পিছে আমাৰ বস্তি মণ্ডলকো তই জান দিবি। দুয়ো লগ লাগি কিবা এটা কৰিম যা—

বলো—নহয় দেদাই, মোক উদ্ধাৰ কৰিম বুলি তই কথা দে।

হৰিৰাম—হেৰৌ, তই হৰিৰামক চিনা নাই। এনেকে পেচ ধৰি জেৰা কৰিম—পিছত চাবি তাইহে তোক বাঢ়নীৰে কোবোৱা কথাটো ঠিৰাং হব।

বলো—দেদাই তই মোক বাঢ়নীৰে কোবোৱা··

হৰিৰাম—হেৰৌ তই যিটো জগৰ লগাইছ—এনেদৰে বেপি নধৰিলে তোৰ দেখোন আধ্যায়। —বাৰু হব যাচোন—মোকো অলপ ভাবিবলৈ সময় দে। হেৰৌ তইতৰ চুবুৰিত কাৰবাৰ ক'লা পঠা আছেনেকি অ'—

বলো—চকুত পৰা মাই দেখোন। মোৰ এটা আছে—ক'লা নহয় বগাহে।

হৰিৰাম—হেইয়া মই বগা পঠাৰ কথা ক'বলৈ গৈ ক'লা পঠা বুলি ক'লো চা। মোক এটা বগা পঠাহে লাগে। মই যি হয় দাম দিম। এনেয়ে নালাগে।

বলো—এ কেইটা পঠা শিয়ালে খাই মাৰিছে। এটা যেনিবা তোক দিলোৱেই তাতেনো কি ?

হলিৰাম—হব যা—তই পাৰিলে আবেলি পঠাতো ঘৰত দি যাবি। কবি—মেলৰ ধন আগ বঢ়াবলৈ বুলি পঠাতো বেচিলো।

বলো—হব দেদাই—

হলিৰাম—তই যা—মোৰো সৌ চুবুৰিত অলপ কাম আছে। গৰু-গাই চপোৱাৰ আগে আগে পাবহি লাগিব।

বলো—বাক হয়দে—তই কিন্তু মেললৈ যাব নাপাহৰিবি।

হলিৰাম—পঠাটো দেখিলেই মোৰ কথা মনত পৰিব নহয়। যা—

(বলোৰাম অহা গলে ওভতে, হলিৰাম আগ বাঢ়িব খোজে।

দুয়ো কাষৰ পৰা দুজন যমদূতে হলিৰামৰ আগুৰি ধৰে।)

১ম যমদূত—হলিৰাম ভায়া।

হলিৰাম—কোন ? কোন হে তোমালোক ?

১ম যমদূত— চিনা নাই—আমি যমদূত।

হলিৰাম—যমদূত ? আমাৰ গাঁৱৰ বগীৰামৰহে টান নৰিয়া। এঃ ভুলতে মোক আগুৰিছা।

২য় যমদূত—আমি ভুল কৰা নাই। তোমাৰ নামত যমৰ চমন আছে।

হলিৰাম—যমৰ চমন ? কি কোৱাহে—ৰ'বাচোন, হোৱা—বিড়ি খোৱা।

১ম যমদূত—বিড়ি খাবলৈ অহা নাই। তোমা নিবলৈ আহিছো।

হলিৰাম—ক'লৈ ?

২য় যমদূত—যমালয়লৈ ?

হলিৰাম—নহয় —নহয় মোক এৰি দিয়া।

১ম যমদূত—এৰিব নোৱাৰো। ধৰ্মৰাজ যমৰ হুকুম। আজিতেই তোমাক লৈ যাব লাগে। পিছে তোমাৰ এইটো মৃত্যুলৈ চমন নহয়। সাক্ষীৰ চমন।

হলিৰাম—সাক্ষীৰ চমন।

২য় যমদূত—অ' তুমি বিষ্ণু শৰ্মাৰ বিচাৰৰ সাক্ষী।

হলিৰাম—বিষ্ণু শৰ্মা—তেওঁ দেখোন মৰিছে।

১ম যমদূত—তেওঁ যমৰ আদালতত আপীল কৰিছে। তোমাক সাক্ষী দিছে। সেয়ে তোমাক নিবলৈ আহিছো।

হলিৰাম—যমালয়ত জীয়া মানুহ যাব পাৰি জানো।

২য় যমদূত—কিয় নোৱাৰিব। তোমাক আমি জীয়াই জীয়াই লৈ যাম।

হলিৰাম—মানুহে কি বুলিব।

১ম যমদূত—মানুহৰ মাজত তুমি নিৰুদ্দেশ হলা বুলি প্ৰচাৰ হব ?

হলিৰাম—ৰ'বাচোন। বিষ্ণু শৰ্মাদেৱেনো কি বুদ্ধি গোচৰ তৰিছে।

২য় যমদূত—কথা গুৰুতৰ। তেওঁ বোলে এদিন মদ খোৱাৰ কথা ভাবিছিল। সেই কাৰণে তেওঁৰ মহা পাপ হৈছে। তেওঁক নৰকবাস শাস্তি বিহা হৈছে। তেওঁ তোমাক সাক্ষী দি এই আপীল কৰিছে।

হলিৰাম—ৰ'বা। মোৰো কাম কেইবাটিও বাকী থাকিল নহয়। মই এই পূৰ্ণিমা তিথিত এভাগ সত্যনাৰায়ণ পাতিম বুলি মন কৰিছো। অহা দেওবাৰে তুলসী দিয়া পাতিম বুলি ভাবিছো আৰু বাণেশ্বৰ, দৌলগোবিন্দ আদিতো সেৱা জনোৱাৰ কথা ভাবিছো—

১ম যমদূত—হৈছে হৈছে। এতিয়া ব'ল। পলম কৰিলে দুয়ো পক্ষৰে শুভ নহব। ব'ল।

হলিৰাম—তেন্তে ইয়াৰ পৰাই ?

২য় যমদূত—ও ইয়াৰ পৰাই হলিৰাম নিৰুদ্দেশ।

(দুয়ো দুকাষে ধৰি প্ৰায় টানিয়েই লৈ যায়)

পট-পৰিবৰ্তন

(কাল সন্ধিয়া—বৈতৰণী নৈৰ পাৰ।
যমদূত দুজন আৰু হলিৰামৰ প্ৰৱেশ)

হলিৰাম—আৰুনো কিমান খোজ কাঢ়িম ঔ। ভৰি নচলা হৈছে।

১ম যমদূত—আৰু বেছি দূৰ নাই বুজিছ, এই নদী দেখিছ? এইখনেই বৈতৰণী নৈ। এইখন পাৰ হ'লেই আমাৰ স্বৰ্গৰাজ্য।

হলিৰাম—হেৰৌ এইখন কেনেকৈ পাৰ হবি। লাঞ্চ, জাহাজ, নাও একোকে নেদেখো দেখোন।

২য় যমদূত—সাঁতুৰি পাৰ হব লাগিব।

হলিৰাম—নোৱাৰো পাই। অ' আই সেইবোৰ কি অ' চিকচিকাই যে আছে----

১ম যমদূত—কিয় তঁহতৰ মতা মানুহবোৰে যে ডাঢ়ি খুৰাই ব্লেড নে কি? সেইবোৰ পেলাই দিয় নহয়—এই বৈতৰণীতে আহি পৰে।

হলিৰাম—আৰু সেইবোৰ—লেউ লেৱাই যে আছে?

২য় যমদূত—সেইবোৰ সাপ?

হলিৰাম—আও—মই কেতিয়াও নেযাওঁ। মই ইয়াতে বহিলো।

১ম যমদূত—উঠ, উঠ। পলম নকৰিবি। উঠ।

হলিৰাম—নুঠো বুলিছো নহয়। মাৰধৰ কৰিলে কিন্তু তাত গৈ লগাই দিম। Third degree method আমাৰ তাত আছে জানো। তহঁতৰ তাতো আছেনেকি। যম ৰজাক দেখোন ধৰ্মৰাজ বোলে অ'?

২য় যমদূত—তেন্তে নুঠ।

হলিৰাম—কিয় উঠিম। যমালয়লৈ যোৱাটো মোৰ গৰজ নহয়—গৰজ তহঁতৰ। নিয় যদি মোক দাঙি লৈ যা। মই হ'লে সেই নদীত নানামো—কৈ দিছো।

১ম যমদূত—হেই ল, চালনী কোলা কৰি ইয়াক লৈ যাওঁ ব'ল।

(দুয়ো চালনী কোলা পাতি হলিৰামক উঠাই লয়)

২য় যমদূত—ইয়াকেই কয় পাপীৰ লগত যমদূতৰ শাস্তি। (নদীৰ ফালে আগবাঢ়ে)

পট পৰে

৩য় দৃশ্য

স্বৰ্গৰাজ্যৰ ৰাজআলি

(বিষ্ণু শৰ্মা আৰু মধু মহৰী কথা পাতি পাতি সোমাই আহে—বিষ্ণু শৰ্মাৰ হাতত এটা টেকেলী। তাত সত্যনাৰায়ণৰ প্ৰসাদ কৃষ্ণলৈ বুলি আনিছে।)

মধু মহৰী---বুজিছে দেউ। আপুনি কোনো শংকা নকৰিব। শ্ৰীকৃষ্ণক জোৰ কৰি ধৰিব যাতে বৰুণ আৰু পৱন দেৱতাক কথাটো অলপ কৈ থয়। নহলে এই ডিভিজন কেঁসত relief পোৱাটো সহজ নহব। আমি ইমান দিনে ইয়াত দেখিছো নহয়। এওঁলোক দুয়োজন বৰ একা-বেঁকা জজ। বৰ খেয়ালী। কেতিয়া কি কৰে ধৰিব নোৱাৰি।

বিষ্ণু----যমদেৱতা একা।

মধু---তেওঁ দেখাতহে ৰুক্ষ। কিন্তু হিয়াখন কোমল দেও। মৰমিয়ালো। পক্ষপাতক্ষত অন্যায় কৰিব নোখোজে।

বিষ্ণু---কিন্তু বাসুদেৱ কৃষ্ণক নো কি বুলি চিনাকি দিওঁ। তেওঁ জানো আমাৰ দৰে লোকৰ কথা শুনিব। হওতে কিন্তু জীৱনটো মই তেওঁৰ পূজা-পাৰ্বণতে কটালো। সেই-বোৰনো তেওঁ ক'ত জু ৰাখিছে। ভাৰতৰ কত শত লোকে তেওঁৰ পূজা দৈনিক কৰিব লাগিছে।

মধু—দেউ। আপুনি নাজানে। আমাৰ অসমৰ মানুহলৈ নাৰায়ণৰ বৰ মৰম। অসমৰ লোকক ভালো পায়। আমাৰ ৰাজ্যৰে ছোৱালী ৰুক্মিণীক আনিছে নহয়। শহুৰৰ দেশৰ মানুহ বুলি তেওঁ অসমৰ লোকক মৰম-চকুৰে চায়। সত্যনাৰায়ণৰ ভোগ নিশ্চয় তেওঁৰ জিভাত লাগি আছে। আজিও এই টেকেলী আগবঢ়াই কৱ—বৰ ভক্তিৰে, বৰ আগ্ৰহ কৰি তৈয়াৰ কৰি আনিছো। আপুনি গ্ৰহণ কৰি কৃতাৰ্থ কৰক। আপোনাক আৰু মই শিকাব নালাগে। আপুনি জ্ঞানী-গুণী লোক। আৰু আপোনাক কৈছো। শ্ৰীকৃষ্ণ কিন্তু বৰ ৰসিক গোসাঁইদেই। বৰ স্ফুৰ্ত্তী, বৰ ধেমেলীয়া।

বিষ্ণু—কিন্তু দৰ্শনহে লাভ হয় নে নহয়।

মধু—হব কিয় নহব। তেওঁলোকৰ ইন্টাৰভিউৰ সময় বন্ধা আছে। আপুনি গৈ কেইটিমান তুলসীপাত দি দুৱৰীক আপোনাৰ অহাৰ কাৰণ দৰ্শাই কৱ—তেওঁ আপোনাক লৈ যাব। মই সেইখিনিলৈকে আপোনাক সহায় কৰি দিব পাৰিম। কিন্তু তেওঁৰ কাষলৈ আপুনি অকলে যাব লাগিব। লগত এজন থাকিলে—তেওঁ এইবোৰ কথা সদৰি কৰি কবলৈ সঙ্কোচ কৰিব পাৰে।

বিষ্ণু—হব। মোৰ তেওঁৰ স্তুতি-বন্দনা সকলোবোৰ কণ্ঠস্থ হৈ আছে। পাৰিম পাৰিম।

মধু—কিন্তু শ্ৰীকৃষ্ণক দেখি ভোল গ'লে নহব। আচল কথাটো হৈছে—তেওঁ যেন নিজৰ মানুহ বুলি বৰুণ আৰু পৱন দেৱতাক অলপ phone কৰি হলেও কয়—আপোনাৰ কালে অলপ মাত্ৰ মাতিবলৈ।

বিষ্ণু—হব সেইদৰেই কৰা হ'ব। বলক পলম কৰি লাভ নাই। বলক। (দুয়ো যায়)

(পট পৰে)

৪ৰ্থ দৃশ্য

শ্ৰীকৃষ্ণৰ ড্ৰইং ৰুম

(আধুনিক ধৰণে সজোৱা এখন চ'ফাত বহি শ্ৰীকৃষ্ণই ৰেডিঅ' শুনি থাকে—ৰেডিঅ'ত মীৰাৰ ভজন আহে—বিষ্ণুদূতে এটি বাটিত ক্ৰীম লৈ আহি দিয়ে। শ্ৰীকৃষ্ণই লয়—)

শ্ৰীকৃষ্ণ—চাওঁ—তুমি সেই অসম কেন্দ্ৰত লগাই দিয়াচোন।

(বিষ্ণুদূতে অসম কেন্দ্ৰত ৰেডিঅ' লগাই দিয়ে। ৰেডিঅ'ত সংকীৰ্তন ভাহি আহে—
"এস গৌৰাঙ্গ নদীয়াৰ সাথে
মম মানস মন্দিৰে বিৰাজ কৰে হে।"

শ্ৰীকৃষ্ণ—হেৰা ক'ত লগালা ?

বিষ্ণুদূত—অসম কেন্দ্ৰত লগাইছো ছাৰ।

শ্ৰীকৃষ্ণ—অসমৰ ৰেডিঅ'ত এনে বিজাতীয়া গীত পৰিবেশন কৰিছে। দেখিছো জাতিটোৱে নিজৰ ঐতিহ্য পাহৰি গৈছে। বন্ধ কৰি দিয়া। হায় হায়, মোৰ শহুৰৰ দেশৰ জনগণৰ আজি এনে অধঃপতন।

(বিষ্ণুদূতে ৰেডিঅ' বন্ধ কৰি বাহিৰৰ ফালে যায়)

সঁচাকৈয়ে বৰগীতৰ দৰে সঙ্গীত থাকোঁতে, বনগীত, লোকগীত, বাৰেমাহী গীত, বিহুগীতেৰে চহকী অসমৰ ৰেডিঅ'ত এইবোৰ ভেণ্ডুচালি শুনিবলগীয়া হৈছে।

(এনেতে বিষ্ণুদূতে কলপাতত গুৰিয়াই অনা তুলসী পাত আগবঢ়াই কয়।)

১ম বিষ্ণুদূত—এজন অসমৰ বাসিন্দা আহিছে। আপোনাৰে দৰ্শন বিচাৰে।

শ্ৰীকৃষ্ণ—অসমৰ বাসিন্দা। মোৰ শহুৰৰ ৰাজ্যৰ লোক। আহিব দে—আহিব দে।

(বিষ্ণুদূত আহে)

এই ৰাজ্যৰ মানুহবোৰ সৰল। সেয়ে পদে পদে এওঁলোকে ঠগ খায়।

(বিষ্ণু শৰ্মা আহি প্ৰণাম কৰে)

বিষ্ণু----কৃষ্ণায় বাসুদেৱায় দেৱকী নন্দনায় চ।
নন্দ-গোপ-কুমাৰায় গোবিন্দায় নমো নমঃ॥
নমঃ পঙ্কজ-নাভায় নমস্ত পঙ্কজ মালিনে।
নমঃ পঙ্কজ নেত্ৰায় নমস্তে পঙ্কজাংঘ্ৰয়ে॥
বসুদেৱ সুতং কৃষ্ণং কংস চানুৰ মৰ্দনম্।
দেৱকী হৃদয়ানন্দং কৃষ্ণং বন্দে জগদগুৰুম্॥

শ্ৰীকৃষ্ণ---সাধু! সাধু।
অহাৰ কাৰণ নিবেদন কৰা হওক।

বিষ্ণু----প্ৰভু! পৰম সৌভাগ্য গুণেহে আজি আপোনাৰ দৰ্শন পাইছো। মই মৰতধামৰ অসম ৰাজ্যভাগৰ বাসিন্দা। অলপতে স্বৰ্গী হৈছো

শ্ৰীকৃষ্ণ---তোমাৰ নাম।

বিষ্ণু---স্বৰ্গীয় বিষ্ণু শৰ্মা। চাৰিনি অৱন্তীপুৰ বাজা, অসম।

শ্ৰীকৃষ্ণ----উত্তম। এতিয়া কিবা প্ৰাৰ্থনা থাকিলে নিবেদন কৰিব লাগে।

বিষ্ণু শৰ্মা---সোনতে মাননিয়ৰূপে এইপদ বস্ত্ৰ গ্ৰহণ কৰক।

শ্ৰীকৃষ্ণ-----ই কি অনা হৈছে।

বিষ্ণু---ভোগ। আপোনাৰ পূজাত আগবঢ়োৱা ভোগ।

শ্ৰীকৃষ্ণ---কিন্তু স্বৰ্গতো কাৰো পূজা-পাতল নচলে।

বিষ্ণু----তথাপি প্ৰভু সদাগত এজনেনো ইমান দিনৰ এটি ঐতিহ্য দুই-এদিনতে কেনেকৈ এৰিব পাৰে।

শ্ৰীকৃষ্ণ----বাৰু লৈছো। পিছে কিবা আৰু প্ৰাৰ্থনা আছেনেকি?

বিষ্ণু----আছে প্ৰভু। মোৰ যমৰজাই যাৱজ্জীৱন নৰকবাস আজ্ঞা কৰিছে।

শ্ৰীকৃষ্ণ----নৰকবাস? কাৰণ?

বিষ্ণু---মই হেনো এদিন সুৰাপান কৰাৰ কথা ভাবিছিলো। সেয়ে মই আপীল কৰিছো। কালিলৈ সেই আপীলৰ শুনানী আছে। তাতেই আপোনাৰ অশেষ কৰুণা পাম বুলি আপোনাৰ ওচৰলৈ অহা হৈছে।

শ্ৰীকৃষ্ণ----কি কৰুণা কৰিব লাগে?

বিষ্ণু----কালিলৈ এই গোচৰৰ শুনানী আছে। Division benchত বিচাৰ হব।

শ্ৰীকৃষ্ণ----কোনে কোনে বিচাৰ কৰিব?

বিষ্ণু---যম, বৰুণ আৰু পৱন দেৱতাই।

শ্ৰীকৃষ্ণ---ও। পিছে মই কি কৰিব পাৰো?

বিষ্ণু---আপুনি যদি পৱন আৰু বৰুণদেৱক অলপ কৈ দিয়ে?

শ্ৰীকৃষ্ণ----কি কব লাগে।

বিষ্ণু---এইবাৰলৈ মোক ৰক্ষা কৰিব লাগে। মিছা কথাত নৰকবাস হোৱাটো উচিত নহয় বুলি এষাৰ ক'লে তেওঁলোক অলপ নৰম হয়েইবা।

শ্ৰীকৃষ্ণ----অ' বুজিছো। বাৰু যি পাৰো কৰিম।

বিষ্ণু---কিন্তু শুনানী কালিলৈকে—

শ্ৰীকৃষ্ণ----সেইমতেই কৰা হব। মই আজিয়েই phone contact কৰি কথাটো ক'ম---

বিষ্ণু---মোক কৃতাৰ্থ কৰিলে প্ৰভু। এইখিনিয়েই যথেষ্ট হব। মই---মই এতিয়া আহোহে---

শ্ৰীকৃষ্ণ----কিয়? তোমালোকৰ ৰুক্মিণী বাইদেউক দেখা কৰি নোযোৱানেকি?

বিষ্ণু---সিমানখিনি ভাগ্য হব বুলি মই ভাবিবই নোৱাৰো নহয়।

শ্ৰীকৃষ্ণ----ব'লা ভিতৰলৈ ব'লা। বাইদেৱেৰায়ো তোমাক লগ পালে বৰ ৰং পাব।
আহা---ভিতৰলৈ ব'লা।

(শ্ৰীকৃষ্ণই বিষ্ণু শৰ্মাক বাট দেখুৱাই ভিতৰলৈ লৈ যায়।)

(পট পৰে)

৫ম দৃশ্য

স্বৰ্গৰাজ্যৰ ৰাজআলি

(মধু মহৰীয়ে ই ফালে-সি ফালে ঘূৰি ঘূৰি আৰু বেং মেলি দূৰণিলৈ চাই)

মধু—আও দেউৰে ইমান পলম কৰিছে। থিয় হৈ থিয় হৈ ভৰি বিষাল। জানো কিবা বিঘিনিহে ঘটিলনেকি? নে securityৰ হাতত পৰিল নেকি? যিহে ভোদা বামুণ—ক'ৰবাত কিবা ক'ব নলগীয়া কথা কৈ আপদহে মাতি আনে নেকি? অ' সৌৱা আহিছে। আহক আহক। ইমান পলম কৰিলে কেলেই?

বিষ্ণু—এ নকব। প্ৰভুৱে এৰিবলৈকে নিদিয়ে। কত যে কথা। ভিতৰত মি বহুৱালে। ৰুক্মিণী আইৰ যে কথা শেষেই নহয়। অসমৰ মুখিয়াল মানুহৰ পৰা আৰম্ভ কৰি আমাৰ অৰুন্ধতীপুৰৰ নামঘৰৰ মোচা জাপৰী বাইৰ খবৰলৈকে কিমান যে কথা। বৰ ভাল লাগিলনেই—

মধু—পিছে আচল কথাটো ক'লেনে নাই। নে কবলৈ পাহৰিলেই।

বিষ্ণু—ক'লো। কোম কৰি কথাটো কৈছে। তেওঁলোকেহে কি কলে নুশুনিলো। মোৰ জীৱন সাৰ্থক হ'ল দিয়া মহৰী বাবু। কৃষ্ণ-ৰুক্মিণীৰ লগত একেলগে বহি কথা হলো।

মধু—যদি ফালিলৈ নৰকবাস ৰহিত কৰিব পাৰে তেন্তে সদায় এই শান্তি পাব।

বিষ্ণু—জানো মহাপ্ৰভুই কি পাতিছে।

মধু—ব'লক, এবাৰ আমাৰ অধিবক্তা বেজবৰুৱাৰ ঘৰৰ পৰা আহো। তেওঁ নিশ্চয় আমাৰ কাৰণে বৈ থাকিব।

বিষ্ণু—ব'লক। (দুয়ো যায়)

(এফালৰ পৰা বৰুণ আৰু আন ফালৰ পৰা পৱন আহে)

বৰুণ—সাধু পৱন ভাওৰীয়া।

পৱন—সাধু।

বৰুণ—কোনফালে মন কৰিনো ওলাই আহিল।

পৱন—কিয়? এই সন্ধিয়া সময়ত মই অলপ Evening walk কৰোৱেই। সকলোৰে স্বাস্থ্যৰ কাৰণেই অলপ বতাহ ছটিয়াওঁ।

বৰুণ—এ নকব। ময়ো আগতে এইদৰে সন্ধিয়া বিহাৰ কৰাৰ ব্যৱস্থা কৰিছিলো। কিন্তু মোৰ এই যাত্ৰাত মৰ্ত্যৰ মানুহবোৰে বৰ আপত্তি কৰিব ধৰিলে। খেলোৱাৰসকলে এই সময়ত মোক ওলোৱা দেখিলে বৰ অন্যায়-আচৰণবোৰ কৰে। জলকীয়া পোতে। ঝাড়ুনী কাঠি পোতে—আৰুনো কত কি? তেওঁলোকে বিচাৰে যেতিয়া তেওঁলোক বিছনাত পৰিব তেতিয়া মই ওলাব লাগে। অৰ্থাৎ মই যেনিবা নিশাচৰহে।

পৱন—অ' আজি শ্ৰীকৃষ্ণই ফোন কৰিছিল।

বৰুণ—মোলৈকো কৰিছিল।

পৱন—কিন্তু আমি শ্ৰীকৃষ্ণৰ এই অনুৰোধ প্ৰত্যাখান কৰিব লাগিব।

পৱন—যদি বেয়া পায়। আচাৰ্য্য বোলে তেওঁৰ পৰিবাৰ ৰুক্মিণী দেৱীৰ ৰাজ্যৰ। কিবা এটা নকৰিলে জানো ভাল হব।

পৱন—কিয় কৰিম। শ্ৰীকৃষ্ণইনো আমাৰ কাৰণে কিতো কৰিছে। অসমত ক'ৰবাত আমাৰ নামত মন্দিৰ সাজি থকা শুনিছেনে। কিন্তু তেওঁৰ নিজৰ নামত হ'লে ঘৰে ঘৰে মন্দিৰ-নামঘৰ সজাই লোৱাইছে। তদুপৰি আচাৰ্য্যজন পুৰোহিত। জাতত ব্ৰাহ্মণ। ঘৰতত পূজা-সেৱাৰ ভাৰ এওঁলোকৰ ওপৰত। কিন্তু এই বয়সলৈকে আপোনাৰ বা মোৰ নামত এই বিষ্ণু শৰ্মাই এভাগ পূজা পাতিছেনে?

বৰুণ---এৰা ! সেইটোও ভাবিবলগীয়া ।

পৱন----মই কিন্তু আগৰপৰাই এই আপীল নামঞ্জুৰ কৰিম বুলি ঠিক কৰি থৈছো ।

বৰুণ---আপুনি কৰিলে ময়ো কৰিম। কিন্তু শুনিছো আচামীৰ উকীল বেজবৰুৱা। নিশ্চয় কিবা confidential point উলিয়াই আমাক বিমোৰত পেলাব ।

পৱন---কিন্তু আমাৰ কথাই যে ৰজিব--তেওঁৰ ওকালতি ৰায় দিয়াৰ লগে লগেই শেষ বৰুণ যাওঁদেই---মোৰ আকৌ অমৰাৱতীৰ ফালে অলপ কাম আছে ।

বৰুণ---বাৰু যাওক। (দুয়ো দুফালে যায়)

পট পৰে

৬ষ্ঠ দৃশ্য

যমালয়—বিচাৰ-কক্ষ

(যম, বৰুণ, আৰু পৱন বিচাৰকৰ আসনত বহি আছে ।

এফালে মধু, হলিৰাম, আনফালে কাঠ-গড়ালত বিষ্ণু শৰ্মা, চিত্ৰগুপ্ত আৰু আন আন যমৰ বিষয়াসকল

বিষ্ণু শৰ্মাৰ পক্ষ সমৰ্থন কৰিছে অধিবক্তা বেজবৰুৱাই। চৰকাৰী পক্ষত আছে অধি-বক্তা ফুকন। চিন উঠাৰ লগে লগে বেজ-বৰুৱাই বিষ্ণু শৰ্মাৰ পক্ষ লৈ কৰ ধৰে—)

বেজবৰুৱা—এইটো আচৰিত কথা । এইটো কেনেকৈ সম্ভৱ হব পাৰে ? বিষ্ণু শৰ্মা এজন সাত্বিক ব্ৰাহ্মণ। অঞ্চল জুৰি তেওঁৰ এটা সুনাম আছে। পূজা-সেৱা-পাৰ্বনত তেওঁৰ ব্যক্তিগত অবিহণা সৰ্বজনবিদিত। তেনে ছলত এদিন এটি ক্ষণত তেওঁ সুৰাপান কৰাৰ কথা ভাবিছিল বুলি তেখেতৰ জীৱন জোৰা সাধনাৰে অৰ্জন কৰা পুণ্যৰ ফল নষ্ট কৰি চিত্ৰগুপ্তৰ জমা-খৰচৰ বহীত পাপ লেখি যাৱৎজীৱন নৰকবাস দিয়া হুকুম বা ৰায় ঘোৰ অন্যায় হৈছে। My Lord, ইয়াত মই এটি ষড়যন্ত্ৰ থকাৰ উমান পাওঁ। It is religiously motivated। ১০ ভাদ, পূৰ্ণিমা তিথি। এই পূৰ্ণিমা তিথিত 'সত্যনাৰায়ণ' পূজা এভাগ পাতিলে পুণ্য হয় বুলি মোৰ এটা প্ৰবল বিশ্বাস আছে। সেই তিথিত শৰ্মাদেৱে নিজে পূজা এভাগ পাতিবলৈ স্থিৰ কৰিছিল। সেই সময়ত বিষ্ণু শৰ্মাৰ দৰে ধৰ্মপৰায়ণ লোকে 'সুৰাপান'ৰ কথা ভবা এটা কিবা অলৌকিক আখ্যান যেন নালাগেনে ? বিষ্ণু শৰ্মাৰ image নষ্ট কৰিবলৈ ই নিশ্চয় কাৰবাৰ ষড়যন্ত্ৰ। মই চিত্ৰগুপ্তৰ এই হিচাপ সম্পূৰ্ণ ভুল বুলি কব খোজো। তেওঁ বুঢ়া হৈছে, কাণেৰে কম শুনা হৈছে, চকুৰেও কম দেখা হৈছে—সেয়েহে তেওঁক এনে এটা দায়িত্বত ৰখাটো অন্যায় হৈছে—

যম---সম্মানীয় অধিবক্তাই পাহৰি নাযাব যে আজি-কালি এই ৰেকৰ্ড-পাতি কম্পিউটাৰৰ সহায়েৰে কৰা হয় ।

বেজবৰুৱা—কম্পিউটাৰ ? My Lond, মানুহৰ ভুল সীমাবদ্ধ। কিন্তু কম্পিউটাৰৰ ভুল সীমাহীন। ছাৰ, সেইবাৰ মই মেট্ৰিক দিছো, আমাৰ বিজাল্ট কম্পিউটাৰৰ সহায়েৰে উলিওয়াৰ ব্যৱস্থা হ'ল। কি হ'ল জানে নে? যিসকলে Ist Division পাইছিল—সেই-বোৰৰ ৰোল নম্বৰ ফেইলৰ তালিকাত ওলাল। আৰু ফেইল কৰা ছাত্ৰ-ছাত্ৰীসকল পাছ হ'ল। সিবাৰৰ পৰা আমাৰ অসম ৰাজ্যত

কম্পিউটাৰৰ ব্যৱস্থা সমূলি উঠি গ'ল। স্বৰ্গৰ কম্পিউটাৰৰ ওপৰত মোৰ সন্দেহ হৈছে। সেয়ে মই তথ্য অসত্য বুলি জোৰ কৰি কব খোজো। সেইদিনা স্বৰ্গীয় শৰ্মাৰ লগত শ্ৰীহলিৰাম বজাৰলৈ গৈছে। তেওঁক সাক্ষী স্বৰূপে অনা হৈছে।

অধিবক্তা ফুকন—My Lord, স্বৰ্গীয় মানুহৰ বিচাৰত জীৱন্ত মানুহৰ সাক্ষী আজিলৈকে লোৱা হোৱা নাই। সেয়ে মই সাক্ষীৰ জবানবন্দী লোৱাৰ বিৰোধিতা কৰো।

বেজবৰুৱা—But he is already summoned here.

ফুকন—Let him be here. But I oppose this vehemently.

যম—Order Order. তিষ্ঠ তিষ্ঠ।

বৰুণ—স্বৰ্গীয় বেজবৰুৱা। আপুনি আপোনাৰ আচল point লৈ আহক। আপুনি চিত্ৰগুপ্তৰ এই হিছাপ ভুল বুলি প্ৰমাণ কৰক।

বেজবৰুৱা—My Lord, মইতো তাকেই কৈছো। চিত্ৰগুপ্তৰ ওপৰত মোৰ কোনো আক্ৰোশ নাই। কিন্তু তেওঁৰ এই বয়সত এনে এটা গধুৰ দায়িত্ব তেওঁ নিয়াৰিকৈ পালন কৰিব পাৰিছে বুলি মোৰ বিশ্বাস নহয়। এই তথ্য ভুল।

পৱন—Learned Advocate ফুকনৰ কি কবলগীয়া আছে।

ফুকন—My Lord, মোৰ কবলগীয়া বিশেষ নাই। So long we are accepting Chitragupta's report to be correct. স্বৰ্গধামৰ সকলো বিচাৰতে এইখনকে authentic document বুলি ধৰি লোৱা হৈছে। আজি হঠাৎ my friend learned advocate বেজবৰুৱাই তাৰ validity challenge কৰিলে কেনেকৈ হব। সেইটো এটা বেলেগ issue. তেখেতে ইচ্ছা কৰিলে সেই বিষয়ে constitution validity challenge কৰিব পাৰে। কিন্তু আজিৰ এই caseত সেইটো বিচাৰ্য বিষয় নহয়। আজিৰ case ত চিত্ৰগুপ্তৰ টোকাক valid বুলি ধৰি লোৱা হৈছে—এতিয়া আমাৰ বিচাৰক মণ্ডলীয়ে কেৱল শাস্তি দিয়েনে আচামীক খালাচ দিয়ে সেইটোহে আচল কথা। জানি হওক নাজানি হওক স্বৰ্গীয় বিষ্ণু শৰ্মাই যে মৰতত এই পাপ অৰ্জন কৰিলে তাক আৰু এতিয়া ৰবৰেৰে মচি পেলাব নোৱাৰি। Chitragupta's report is final. It is not only correct, it is very correct.

যম—দুয়ো পক্ষৰ উকীলৰ যুক্তি শুনিলো। এতিয়া ১০ দণ্ডকাল আমি আদালত স্থগিত ৰাখিছো। ইয়াৰ পিছতে আমাৰ ৰায়দান কৰিম। দুয়ো পক্ষৰ অধিবক্তাসকলক সেইমতে উপস্থিত থাকিবলৈ জনোৱা হয়।

(পৱন,বৰুণ, যমৰ প্ৰস্থান)

(আদালতত ইজনে সিজনৰ লগত কথা পাতে। হলিৰামে বিষ্ণু শৰ্মাৰ ওচৰলৈ গৈ কিবাকিবি কয়। যম-পৱন-বৰুণৰ প্ৰৱেশ আৰু নিজ নিজ আসন গ্ৰহণ। যম থিয় হয়—আদালতত সম্পূৰ্ণ নিস্তব্ধতা পৰিলক্ষিত হয়।)

যম—স্বৰ্গীয় বিষ্ণু শৰ্মা!

আমি অৰ্থাৎ বৰুণ, পৱন আৰু মই আপোনাৰ আপীল অধ্যয়ন কৰি চালো। দুয়ো পক্ষৰ মাননীয় অধিবক্তাসকলৰ যুক্তি মনোযোগেৰে শুনিলো। স্বৰ্গধাম দণ্ডবিধি আইনৰ ৩২১ ধাৰা যোগেদি উত্থাপিত কৰা এই আপীলৰ সকলো দিশ খৰচি মাৰি চোৱা হ'ল।

আমি এই বেঞ্চৰ তিনি গৰাকী বিচাৰকে

একেমত হৈ এই ৰায় স্বাক্ষৰিত কৰিছো— এতিয়া ৰায় শুনক ।

স্বৰ্গীয় বিষ্ণু শৰ্মা নিজে এজন প্ৰসিদ্ধ পুৰোহিত আৰু ধৰ্মযাজক। ১০ ভাদ তাৰিখে সত্যনাৰায়ণ পূজাৰ কাৰণে প্ৰস্তুতি চলোৱাৰ আগমুহূৰ্তৰ কোনো এটা ক্ষণত আপুনি সুৰা-পান কৰাৰ কথা মনতে আলচাৰ কাৰণে Courtএ আপোনাক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন নৰকবাসৰ ৰায় বাহাল ৰাখিছে। আজি এই মুহূৰ্তৰ পৰাই আপুনি নৰকবাস যাপন কৰিব । সত্যৰ সদায় জয়।

(বিষ্ণু শৰ্মাই উচুপি উচুপি কান্দিব ধৰে । যমদূতে বিষ্ণু শৰ্মাক হাত-ভৰিৰে লগাই উলি-য়াই লৈ যায় । উকীলসকলে বিলাপ-পত্ৰ সামৰি দিহাদিহি যায়।

হলিবামে একো ধৰিব নোৱাৰি হা কৰি চাই থাকে ।)

পট পৰে

৩য় অঙ্ক

১ম দৃশ্য

যমৰ অফিচ

(যম, চিত্ৰগুপ্ত আৰু সহকাৰীসকল নিজ নিজ কামত ব্যস্ত। এনেতে ফোন বাজে ।

চিত্ৰগুপ্তই ফোন তুলি লয়।)

চিত্ৰগুপ্ত—হেল'—yes, death department. অ' মই চিত্ৰগুপ্তই কৈছো । কি? কেনেকৈ ? অ' বৰ অসুবিধা হব । slowly despatch কৰক।

যম—কি সংবাদ চিত্ৰগুপ্ত ।

চিত্ৰগুপ্ত—সংবাদ বৰ গুৰুতৰ ধৰ্মৰাজ । কালি নিশা হেজাৰ হেজাৰ মানুহৰ মৃত্যুদণ্ড বিহিছে। নৰ মনিচৰ লগতে অন্যান্য গৰু, ম'হ, ছাগলী আদিৰো মৃত্যু হৈছে ।

যম—ক'ত ? আমাৰ approval নোহোৱাকৈ এই দণ্ড কোনে ক'ত কৰিলে ?

চিত্ৰগুপ্ত—অসম ৰাজ্যত ছাৰ। ধুমুহা-বানপানীৰ যোগেদি এই মৃত্যুদণ্ড বিহা হৈছে। মাননীয় পৱন আৰু মাননীয় বৰুণ দেৱতাই। ধুমুহা আৰু ধাৰাসাৰ বৰষুণৰ সৃষ্টি কৰি আকস্মিক-ভাৱে এই মৃত্যুদণ্ড বিহিছে । আমালৈ accomodation কৰিবলৈ আমাৰ I.B.য়ে ফোন কৰিছে ।

যম—এইদৰে হস্তক্ষেপ কৰি কাম কৰিলে মই ৰেজিগনেচন দিয়াৰে সিদ্ধান্ত কৰিম্। মই এই কথা প্ৰত্যেক বাৰ কেবিনেটত উলিয়াই আছো—কিন্তু কোনেও এই কথাত গুৰুত্ব নিদিয়ে । পৱন আৰু বৰুণৰ আপত্তি—মৰতবাসীয়ে তেওঁলোকৰ পূজা নকৰে। সেয়ে এইবোৰ উৎপাত। আমাৰোতো মৰতত পূজা নাপাতে । বৰং কণা যম আদি কথাৰে আমাক উপলুঙা কৰে। তথাপি আমি নিৰপেক্ষ বিচাৰ কৰিব লাগিব।

চিত্ৰগুপ্ত—ছাৰ এতিয়াই এইবোৰ ৰখাৰ কাৰণে বাসস্থানৰ আৱশ্যক হব । কি কৰা যায় ।

যম—বিশ্বকৰ্মাক ফোনত দিয়াচোন ।

(চিত্ৰগুপ্তই ফোন ডায়েল কৰি)

চিত্ৰগুপ্ত—হেল'—Please put me to Hon'ble Biswakarma.

Yes, Good morning Sir. মই চিত্ৰ-গুপ্তই কৈছো। ধৰ্মৰাজে আপোনাৰে কথা কব খোজে। (ফোন দিয়ে)

যম—Yes সুপ্ৰভাতম্।
মোক প্ৰায় ১০৷১২ হাজাৰ লোকৰ কাৰণে accomodation লাগে। হয়—হয় হব। অস্থায়ী শিবিৰ কৰক। বিমান সোনকালে পাৰে কৰক। ধন্যবাদ। ধন্যবাদ।

যম—কোনোমতে একপ্ৰকাৰ যোগাৰ হ'ল। কিন্তু এই ধৰণে হ'লেতো আমি শেষত নোৱাৰিম। চিত্ৰগুপ্ত।

চিত্ৰগুপ্ত—ধৰ্মৰাজ।

যম—আজিয়েই এখন D/o letter draft কৰক। দেৱাদিদেৱ মহাদেৱলৈ—তেওঁ বিভিন্ন ডিপাৰ্টমেণ্টলৈ অৰ্ডাৰ কৰিলে যাতে death sentenceৰ আগতে আমাৰ approval লোৱাৰ ব্যৱস্থা কৰি দিয়ে—

চিত্ৰগুপ্ত—হব ছাৰ।

যম—মই তেন্তে এতিয়া আহো।

(এনেতে হলিৰাম আৰু যমদূত দুজনৰ প্ৰৱেশ)

হলিৰাম—দেউতা। সেৱা হে।

যম—অ' হলিৰাম। এৰা, এই কামটোও বৈ গৈছে। চিত্ৰগুপ্ত—হলিৰামক সকলো খৰচ-পাতি দি মৰতলৈ প্ৰত্যাবৰ্তনৰ দিহা কৰি দিব লাগে। আজিয়েই—যিমান সোনকালে সম্ভৱ হয়

হলিৰাম—দেউতা।

যম—কি হ'ল হলিৰাম।

হলিৰাম—অধমৰ এটি নিবেদন আছে। অভয়দান কৰিলে বেকত কৰিব পাৰো।

যম—মাভৈ মাভৈ। কি নিবেদন কৰ লাগে।

হলিৰাম—দেউতা ঈশ্বৰ। আজি পযেক সৰগত থাকিলো কিন্তু কেৱল সেই অতিথিশালাতেই দিনবোৰ গ'ল। যোৱাৰ আগতেদেউতা আৰু দুদিনমান থাকি এই স্বৰ্গৰাজ্যৰ কিটিপ-কাৰদা চাই যাব পাৰিলে নিজেই ধন্য হ'ম দেউতা।

যম—অ'। বাৰু হব। চিত্ৰগুপ্ত এওঁক আৰু দুদিম থকাৰ দিহা কৰি দিব লাগে। আৰু তোমালোকে শুনা (যমদূত), মই এইখন গ্ৰীণ কাৰ্ড এওঁৰ নামত issue কৰিলো। তোমালোক দুয়ো তেওঁক স্বৰ্গৰাজ্যৰ চাব-লগীয়াখিনি দেখুৱাই দিবা।

১ম যমদূত—ভাল ছাৰ

যম—মই এতিয়া উঠিলো। হলিৰাম তুমি উভতি গৈ "স্বৰ্গৰাজ্য ভ্ৰমণ" নামৰ এখন ভ্ৰমণ-কাহিনী লেখি প্ৰকাশ কৰিবা। বুজিছা—

হলিৰাম—ধৰ্মৰাজ—এইবোৰ কৰিবলৈ জানো মোৰ বিদ্যাই কুলাব।

যম—কিয় ? তুমি কিমানলৈ পঢ়া-শুনা কৰিছিলা ?

হলিৰাম—মই পাঠশালা প্লাক (plucked) ছাৰ।

যম—হাঃ হাঃ হাঃ—

(ওলাই যায়। আগত পট পৰে)

২য় দৃশ্য

অমৰাৱতীৰ অঞ্চল

(ৰঙা-নীলা-বেঙুণীয়া ৰঙেৰে ঠাইখিনি চৌ খেলাই আছে—নেপথ্যত মৃদু সঙ্গীতৰ গুঞ্জন। সুমধুৰ পৰিবেশ।

হলিৰাম আৰু যমদূত দুজন আহে। হলিৰামে তন্ময় হৈ ইফালে-সিফালে চায়)

হলিৰাম—এইখন কি গাঁও পালোহি।

১ম যমদূত—গাঁও—এইখন তহঁতৰ গাঁও পাইছ। তহঁতৰ গাঁও আমি দেখা নাই বুলি ভাবিছ। পিতনি, গোবৰৰ দ'মেৰে ভৰা। বাৰিষা গাঁও সোমাব নোৱাৰি। এক'ঠি লৈকে পানী।

মহ-দাহৰ তাপত শান্তিৰে বহিব নোৱাৰি। এইখন অমৰাৱতী উদ্যান। পাৰ্ক। ইয়াত পথুলি সকলো হেৰা থাবলৈ আছে।

হলিৰাম—হয়নে? সৌবোৰ কি ৰঙা-নীলা। এবাৰ জ্বলিছে এবাৰ নুমাইছে। জোনাকী পৰুৱা নেকি?

২য় যমদূত—সেইবোৰ বিজুলী বাতি। এইখিনিয়েই সৰগৰ সোঁ-মাজ ঠাই। ইয়াৰ বাঁওফালে V.I.P সকল থাকে?

হলিৰাম—V.I.P আকৌ কি?

১ম যমদূত—ই একেবাৰে গাধা। আমাৰ দেৱ-দেৱী-সকলৰ প্ৰাসাদবোৰ এই বাটেৰে গলেই পোৱা যায়। সৌ যে ওপৰত বগা বগা দেখিছ সেইটো টিলাত মহাদেৱৰ বাসস্থান।

হলিৰাম—আমাৰ ভোলানাথ। হেৰৌ কাৰো কৰিছো, ব'ল এবাৰ দেখা কৰি যাওঁ।

২য় যমদূত—তালৈ যোৱাৰ তোৰ permission নাই। কেৱল ওপৰে ওপৰে চাবলৈহে তোক 'পাচ' দিছে।

(এনেতে নৃত্যৰ বাদ্য শুনে—হলিৰাম থমকি ৰয়)

১ম যমদূত—সেইবোৰ অপ্সৰা। নৃত্য-গীত কৰে। অলপ ভালকৈ চা—দেখিবি।

(নৃত্যৰ বাদ্য আকৌ স্পষ্ট হয়)

হলিৰাম—বৰ ধুনীয়া পাই। সেইবোৰ দেখোন গাভৰু ছোৱালী। (আগুৱাই যায়) আই ঐ দেহি ইমান ধুনীয়া। ইয়াৰে এজনী লৈ যাব পাৰিলে—

১ম যমদূত—কেনে দেখিছ হলিৰাম ভায়া।

হলিৰাম—সুন্দৰ—অপূৰ্ব।

পকা তুল তুল বিলাহী ঐ
গোটে গোটে গিলিবৰ মন।
অ' এই কেইজনীমান এইফালে আগবাঢ়ি আহিছে। (হাঁহিৰ খলকনি শুনা যায়)

(হলিৰামে হাত-বাউল দি মাতে। আৰু চকুৰে ইচাৰা কৰে)

২য় যমদূত—হেই কি কৰিছ? হেই দেখিলি ই চকু মাৰিছে।

১ম যমদূত—হেই Eve teaser ৰ শাস্তি কি নাজান। গাভৰু ছোৱালী জোকোৱাৰ শাস্তি কি জান।

হলিৰাম—কি?

১ম যমদূত—তিনি জনমলৈ নপুংসক হৈ জন্মিব লাগিব।

(পিছফালৰ পৰা এজন মানুহে ভেপো ভেপো বুলি চিঞৰি লৰি প্ৰস্থান কৰে। হলিৰামক ১ম যমদূতে একাষৰীয়াকৈ টানি ৰাখে।)

হলিৰাম—ইয়াৰ আকৌ হ'ল কি? ই কোন অ' যমদূত ককাই।

২য় যমদূত—ইয়াৰ এইটোৱেই শাস্তি।

হলিৰাম—শাস্তি—কিহৰ শাস্তি।

১ম যমদূত—যিবোৰ মানুহে মৰতত হোৱাই-নোহোৱাই গাড়ীত উঠি গাড়ী চলাই ফুৰে সিহঁতৰ ইয়াত এই শাস্তি। গাড়ী চলাই ফুৰা inertia তাৰ থাকি গ'ল। ইয়াত সুস্থিৰে থাকিব নোৱাৰে। কেৱল লৰা-ঢপৰা আৰু ভেপো ভেপো কিয় কৰিছে জান?

হলিৰাম—কিয়?

১ম যমদূত—মটৰৰ হৰ্ণ বজাই মানুহক মিছাকৈ চক খুৱাই ফুৰিছিল নহয়—এতিয়া মুখেৰেই ভেপো ভেপো কৰি ফুৰে।

(আকৌ নৃত্য-গীতৰ ধ্বনি—হাঁহিৰ খলকনি)

হলিৰাম—হেৰৌ, আকৌ এসোপা অপ্সৰী আহিছে অ'—। ইহঁতনো কোন? ইহঁতৰ জন্ম-বৃত্তান্ত কি?

১ম যমদূত—মৰতত যিবোৰ গাভৰু নিজৰ ৰূপৰ গৌৰৱত ওফন্দি ফুৰিছিল—শেষত বিয়া নহ'ল বা নকৰালে—সিহঁতক ইয়ালৈ transfer

কৰি আনি 'অপ্সৰা' কৰি দিয়া হৈছে।
দিনে-নিশাই নাচ-গান কৰি ফুৰিব লাগে।

হলিৰাম—বিয়া-বাৰু ইয়াতো নহয়?

১ম যমদূত—নহয়—সিহঁতে বিয়া কৰাব নোৱাৰে। নাচ আৰু গান কৰি জীৱন কটাব লাগিব।

হলিৰাম—বৰ বেয়া লাগেদেই। মিছাতে পেলনি যাবলগীয়া হৈছে। ইহঁতক আকৌ আমাৰ মৰতলৈ transfer কৰি দিব নোৱাৰিনে?

২য় যমদূত—কিয়?

হলিৰাম—আমাৰ তাত কামত লাগিলহেঁতেন।

১য় যমদূত—Stupid. স্বৰ্গৰ বস্তুলৈ হেঁপাহ কৰ দিম এখুন্দা লগায়।

হলিৰাম—ইমান দিন স্বৰগত থাকিও মেজাজ ঠাণ্ডা নাথাকেনে। বাৰু ল—ধূমপান কৰি ল।
(বিড়ি উলিয়াই দিয়ে)
অলপ ঠাণ্ডা হ।

১ম যমদূত—ব'ল ব'ল তোক সেই পৱনৰ গেৰেজ দেখুৱাই আনো।

হলিৰাম—সকলোবোৰ পৰিপাটিকৈ দেখুৱাব লাগিব হ'লে—নহ'লে মই যম দেউতাক গোচৰ কৰিম।

২য় যমদূত—গোচৰ কৰাৰ আগতে তোৰ মূৰকে ভাঙিম। বল—বল। (সকলোৰে প্ৰস্থান)

৩য় দৃশ্য

পৱনৰ গেৰেজ

[এখন চাইকেল (ফুলেৰে সজোৱা), এখন স্কুটাৰ (পাখিৰে সজোৱা) আৰু এখন এৰোপ্লেন গেৰেজত সজোৱা আছে।

দুজন যমদূত আৰু হলিৰাম সোমাই আহে। চাইকেলৰ আগত মলয়া, স্কুটাৰৰ গাত পছোৱা আৰু এৰোপ্লেনৰ গাত 'ধুমুহা' লিখা আছে।

আনকালে অন্নপূৰ্ণাৰ বেকাৰীলৈ—)

১ম যমদূত—এইয়া হৈছে পৱন দেৱতাৰ গেৰেজ। দেখিছিলি?

হলিৰাম—দেখিলো।

১ম যমদূত—কি বুজিলি?

হলিৰাম—একো বুজা নাই। মই যদি বুজিলো হয়েই তহঁতক মিছাতে টানি লৈ ফুৰিলো-হেঁতেন কিয়? বুজাই দে। এনেয়ে ধূমপান কৰাই আনিছোনেকি?

২য় যমদূত—ই কম নহয়দেই। সাত ঘাটৰ চেঙেলী। ই ঘূৰি গৈ মৰতত মানুহ বেচা-কিনাৰ business কৰিবদেই।

১ম যমদূত—হলিৰাম ভায়া। দিয়াচোন এটা ধূমপান কৰো। (বিড়ি উলিয়াই দিয়ে) এইখন দেখিছ—'মলয়া'। ইয়াত উঠি পৱন দেউতা যেতিয়া ফুৰিবলৈ যায় তেতিয়া 'মলয়া' বতাহ বয়। বুজিলি?

হলিৰাম—অ' বুজিলো।

যমদূত—এইখন দেখিছ—'পছোৱা'। পৱন দেৱতাই যেতিয়া ইয়াত উঠি ফুৰে তেতিয়া 'পছোৱা' বতাহ বয়। বুজিলি?

হলিৰাম—বুজিলো।

১ম যমদূত—আৰু এইখন দেখিছ—ধুমুহা। যেতিয়া ইয়াত উঠি পৱন দেৱতাই ভ্ৰমণত ওলাই 'ধুমুহা' বতাহ বয়। বুজিলি?

হলিৰাম—বুজিলো। এইখনেই যত কুটৰ ঘাই। (কঁকালৰ পৰা নলীয়া কটাৰি উলিয়াই) এইখন ইয়াতেই কাটি থৈ যামনেকি?

২য় যমদূত—হেই কি কৰ? কি কৰ? তয়ো মৰিবি আমাকো মাৰিবি। নুচুবি।

হলিৰাম—এই ধুমুহায়ে বাৰেপতি আমাৰ গাঁৱৰ ঘৰ-বাৰী ভাঙে। সেয়েহে বোলো ইয়াৰ মূদাকে মাৰি থওঁ।

১ম যমদূত—ব'ল এতিয়া উভতি যাওঁ।

হলিৰাম—এইফালে। এইখন কি লিখা আছে—
অন্নপূৰ্ণাৰ বেকাৰীলৈ—
Protected area
No admission for general public.

১ম যমদূত—হেৰৌ এইফালে গ'লে অন্নপূৰ্ণা আইৰ বেকাৰী পোৱা যায়।

হলিৰাম—তাতনো কি হয় ?

১ম যমদূত—তাত অন্ন—ভাত তৈয়াৰ হয়। তহঁতে যে মৰতত কাঁহীয়ে কাঁহীয়ে ভাত খাব—সেইবোৰ ক'ৰপৰা আমদানি হয় বুলি ভাবিছ ? —এই বেকাৰীৰ পৰা যায়। অন্নপূৰ্ণা আয়ে ৰান্ধে।

হলিৰাম—আও। অন্নপূৰ্ণা আয়োতো কম পালোৱানী তিৰী নহয়। ইমানবোৰ ৰাইজৰ ভাত ৰান্ধে।

২য় যমদূত—হেই মূৰ্খ। তই ভাবিছ অন্নপূৰ্ণা আয়ে ৰান্ধে বুলি; হেৰৌ নহয়। কত হেজাৰ-বিজাৰ ৰান্ধনী মাইকী আছে। হৰদম আহিয়েই আছে।

হলিৰাম—ক'ৰপৰা আহে।

১ম যমদূত—হেৰৌ যিবোৰ তিৰোতাই মৰতত গিৰিয়েকক বা গিৰিহঁতক ফাঁকি দি ভাত নেৰান্ধি গিৰিয়েক-দেওৰেকহঁতৰ দ্বাৰা ভাত ৰন্ধোৱাই খাইছিল সেইবোৰক ইয়ালৈ transfer কৰি আনি ৰান্ধনীৰ কামত লগোৱা হয়।

হলিৰাম—বেছ হৈছে। বেছ ব্যৱস্থা হৈছে। পিছে মোৰজনীয়েও ইয়াতে চাকৰি পাবদেই।

২য় যমদূত—কিয় ?

হলিৰাম—তায়ো সদায় কঁকালৰ বিষ, মূৰৰ বিষ বুলি ফাঁকি দি মোৰ হতুৱাই ৰন্ধাই খায়। নকৈছো—খাবও পাৰে, শুবও পাৰে, গাতহে বল নাই। দেৱতাসকলক ধন্যবাদ দিছো। এইটোহলে ভাল ব্যৱস্থা কৰিছেদেই। হেৰৌ লাগিলে আৰু বিড়ি খুৱাম, বজচোন সেইমথাৰ শাস্তিটো এবাৰ নিজ চকুৰে চাই আহো।

১ম যমদূত—হেই দেখা নাই। লিখা আছে।

হলিৰাম—সেইবোৰ আঁতৰাই থৈ যাওঁ বল।

২য় যমদূত—ই বৰ টেটোন অ'—
ব'ল উভতি ব'ল।

(যায়। যাওঁতে হলিৰামে ডিঙি মেলি সেই ফালে চাই যায়।)

পট পৰে

৪ৰ্থ দৃশ্য

অমৰাৱতীৰ একাংশ

(হলিৰাম আৰু যমদূত দুজন সোমাই আহে। হলিৰামে ইফালে-সিফালে ঘূৰি চাই কয়—)

হলিৰাম—অ' বুজিছো। তহঁতে মোক ঠগিব বিচাৰিছ। একেখিনি ঠাইতে মোক ঘূৰাই লৈ ফুৰিছ।

১ম যমদূত—হেৰৌ গোটেইখন ভাৰতত ঘূৰি ফুৰিলো। তই একে ঠাইতে ঘূৰি ফুৰাহে দেখিলিনে ? হেৰৌ তই এইখন তহঁতৰ অসম ৰাজ্য পাইছ নেকি ? ইয়াত আলি-পদূলিবোৰ একে। ঠাইবোৰো একে। তহঁতৰ দৰে পলাশবাৰী, নলবাৰী, সৰ্থেবাৰী, জাঁজী, চাৰিং পাইছনে ? এইখন স্বৰ্গৰাজ্য বুজিছ।

হলিৰাম—বুজিছো দে। তহঁতৰ ইয়াত দেখিছো সকলো থাকিলেও আচল বস্তুটো হলে নাই।

২য় যমদূত—কি নাই ?

হলিৰাম—মৰম।

১ম যমদূত—ক'ত নো মৰম নোহোৱা দেখিলি।

হলিৰাম—ইমানবোৰ অপ্সৰাই নাচি-বাগি ফুৰিছে—বোলো অলপ মৰম কৰো। তহঁতেতো নকৰই আনে অলপ মৰম কৰিব খুজিলেও চকু পোৰে।

২য় যমদূত—অ' সেয়েহে—হেঃ হেঃ! ই এবাৰ প্ৰেমিক অ'। তোৰ নাম পিতাৰে হলিৰাম নাৰাখি প্ৰেমচাঁদ ৰাখিব লাগিছিল।

১ম যমদূত—তোৰ সময় উকলি আহিছে। ব'ল বৰুণৰ কাৰখানাটো দেখুৱাই আনো।

পট-পৰিবৰ্তন

বৰুণৰ কাৰখানা

(এটা ডাঙৰ টেক্কিত চাৰিওফালৰ পৰা পানী যোৱা পাইপ লগোৱা থাকে। তাৰে ভিতৰত এডাল বৰ ডাঙৰ পাইপ থাকিব—তাত চেৰাপুঞ্জীলৈ বুলি লিখা থাকিব। কাষত কেইজনমানে Test tube লৈ পানী তৈয়াৰ কৰি থাকিব। বেৰত ডাঙৰকৈ H_2O=Water লিখা থাকিব।

বৰুণ সোমাই আহে। সকলোৰে নমস্কাৰ জনায়)

বৰুণ—পৃথিবীত পানীৰ অভাৱ হব বুলি এটি আলোড়ন উঠিছে। বহুত ঠাইত ইতিমধ্যে খৰাং হৈ শস্য আদি পুৰি ছাৰখাৰ হৈছে। সেয়ে demand বাঢ়িব। আমাৰ stock বঢ়াবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। (এজনৰ ফালে চাই) তোমাৰ কি হৈছে? কিয় আমন-জিমনকৈ আছা। Be smart and jolly.

বৈজ্ঞানিক—আজি ছাৰ water preparationত বিজুতি ঘটিল। কিয় নাজানো কেইবা গেলন পানীও ঘোলা হ'ল।

বৰুণ—কিয়? ইমান সহজ formula. Two volumes of Hydrozen or one volume of Oxyzen makes one volume of water. তোমালোকে বিশেষ মনোযোগ দি কাম কৰা উচিত।

বৈজ্ঞানিক—সেই ঘোলা পানীবোৰ কি কৰো ছাৰ, পেলাই দিমনেকি?

বৰুণ—কিয় পেলাবা। সেইবোৰৰ production cost আছে। —এটা কাম কৰা। সেইবোৰ অসমৰ লোকেল ব'ৰ্ড আৰু মিউনিচিপেলিটি-বোৰলৈ পঠাই দিয়া। তাত সেইবোৰ চলিব। Pack it and send it by V.P.P.

বৈজ্ঞানিক—ভাল ছাৰ। (বৰুণ যায়গৈ)

(বৈজ্ঞানিকে বিভিন্ন pipe বোৰ পৰীক্ষা কৰি চায়—এনেতে যমদূত দুজন আৰু হলিৰাম সোমাই আহে।)

১ম যমদূত—ছাৰ

বৈজ্ঞানিক—কোন? তোমালোকক কি লাগে।

১ম যমদূত (গ্ৰীণ কাৰ্ড দেখুৱায়)

বৈজ্ঞানিক—অ ফেক্টৰী চাব আহিছে। বেছ চোৱা।

২য় যমদূত—ছাৰ আপুনিয়েই ভালকৈ বুজাই দিয়কচোন।

বৈজ্ঞানিক—এই ৰিজাৰ্ভাৰটো দেখিছা নহয়। ইয়াত আমি পানী তৈয়াৰ কৰি জমা কৰো। তাৰ পিছত এই বিভিন্ন পাইপেৰে বিভিন্ন দেশলৈ প্ৰেৰণ কৰো।

হলিৰাম—আপোনালোকে অকল পানীহে তৈয়াৰ কৰে নে চাহ-চৰবতো তৈয়াৰ কৰে।

বৈজ্ঞানিক—আমি পানী তৈয়াৰ কৰো। তাৰ পৰা চাহ-চৰবৎ তৈয়াৰ কৰিব পাৰি।

হলিৰাম—ৰ'বচোন। প্ৰায়বোৰ পাইপ একে সমানৰ কিন্তু এইডাল ইমান ডাঙৰ কিয়?

বৈজ্ঞানিক—অ' এইডালৰ কথা সুধিছা। এই-ডালেৰে চেৰাপুঞ্জীলৈ পানী যায়।

হলিৰাম—বুজিলো। কিন্তু এইডাল ইমান ডাঙৰ কিয়?

বৈজ্ঞানিক—কাৰণ আছে। আমাৰ বৰুণ দেৱতাৰ সম্পত্তি চেৰাপুঞ্জী। বুজিছা। নিজৰ সম্পত্তি

কাৰণে তাত বাৰমাহে দিনে-ৰাতিয়ে পানী দি থকা হয়।

হলিৰাম---এইটো জানো উচিত বিচাৰ হ'ল ?

১ম যমদূত---মনে মনে থাক। ইয়াৰ দেখিছো বৰ সাহ। দেৱতাৰ কথাত দোষ ধৰে। ব'ল ভালে ভালে ওলাই ব'ল। যাওঁ হাব। ইয়াৰ দায়-দোষ নধৰিব। ই বৰ অভং। কাক কি দৰে কথা কব লাগে একো নাজানে। যম দেৱতাই ইয়াক লাই দি দি নষ্ট কৰিছে। নহ'লে মই তাক একে ঘোচে দাঁত ভাঙি দিলোহয়।

হলিৰাম---কি কৈছ। তই জান মই যমৰ আলহী।

২য় যমদূত---ব'ল---ব'ল। বেছি কথা নকৰি। ব'ল।

(ওলাই আহে। পট পৰে)

৫ম দৃশ্য

স্বৰগৰ একাংশ মুকলি ঠাই

(যমদূত দুজন আৰু হলিৰাম গাঁতৰ পৰা ওলাই ওপৰ উঠে।)

১ম যমদূত---দেখিলি। পাপীৰ শাস্তি দেখিলি। যেতিয়া স্বৰ্গী হৈ ইয়ালৈ আহিবি পাবি নহয়--

হলিৰাম---হেৰৌ মোৰ নৰকবাস দণ্ড হবই নোৱাৰে। তইঁতেতো শুনিছই---মই কিমান পুণ্য কৰিম বুলি ভাবি থৈছিলো। সত্যনাৰায়ণ, তুলসী দিয়া, ব্ৰহ্মভোজন, অগ্নি বাণেশ্বৰ, দৌলগোবিন্দ আদি দৰ্শন। এনে স্থলত চিত্ৰগুপ্তই মোৰ জমা-খৰচৰ বহীত পাপ লেখিব পাৰিবনে ?

২য় যমদূত---হেই অলপ কামৰ হ। দেখিছ সৌৱা কি আহিছে ?

(দেখুওৱা ফালে হলিৰামে ভুমি চাই লব মাৰি যমদূত দুজনৰ মাজত সোমায়। এনেতে পিন্ধনত খদ্দৰৰ ধুতি-পাঞ্জাবী, কিন্তু মুখত বান্দৰৰ মুখা পিন্ধা মানুহ এজন আহে আৰু ভেঙুচালি কৰি গুচি যায়---)

১ম যমদূত---হেৰৌ দেখিলি ?

হলিৰাম---এওঁনো কোন ?

২য় যমদূত---তই কচোন বাৰু এওঁ কোন ?

হলিৰাম---কোনোবা উপ-দেৱতা হব আৰু।

১ম যমদূত---হেৰৌ পিন্ধন-উৰণ নেদেখিলি। এওঁ তইঁতৰ ভাৰতৰ এজন দেশনেতা। ঘনে পতি নীতি সলনি আৰু দল সলনি কৰি ভাৰতত প্ৰথম হৈছে। অলপতে স্বৰ্গী হৈছে। ধৰ্মৰাজৰ বিচাৰত ৰাইজৰ সেৱাৰ নামত বান্দৰামি কৰাৰ কাৰণে তেওঁক এই বেশ দি এৰি দিছে।

হলিৰাম---ভাল হৈছে---ভাল হৈছে। আগতে জনা হলে এবাৰ শুনাই দিলোহেঁতেন। ৰ'চোন যিবোৰে ৰাইজৰ ভাল কাম কৰি আহিছে তেওঁলোকক ক'ত ৰাখিছে।

২য় যমদূত--তেওঁলোক ধ্ৰুৱলোকত। ব'ল, ব'ল এতিয়া আৰু তোৰ আধা ঘণ্টা সময়হে বাকী। তাৰ পিছতেই মৰ্ত্যধামলৈ প্ৰত্যাৱৰ্তন কৰিব লাগিব। এতিয়া ব'ল ধৰ্মৰাজৰ তালৈ নি তোৰ খোৱাৰ যোগাৰ কৰোগৈ।

হলিৰাম---এৰা বহুত দেখিলো---কিন্তু বহুত দেখিবলৈকো থাকিল। এটা কথা অ'---আমাৰ দুৰ্গামাই ক'ত ? কোনফালে থাকে ?

১ম যমদূত---হেৰৌ, এই বতৰত দুৰ্গামাইক ইয়াত পাবি ? তেওঁ সপৰিয়ালে অসম-টুৰলৈ গৈছে। মাঘৰ পঞ্চমী তিথিত জীয়েকৰ পূজা খাইহে উভতিব ? তই গৈ তেওঁক তাতেই পাবি। এতিয়া ব'ল।

(সকলো যায়)

পট উঠে

৬ষ্ঠ দৃশ্য

যমৰ অফিচ

(যম, চিত্ৰগুপ্ত আৰু দুই-এজন যমৰ আমোলা থাকিব)

যম---আজি হলিৰামক বিদায় দিব লাগিব। সকলো যোগাৰ কৰি থোৱা হৈছে নহয় চিত্ৰগুপ্ত।

চিত্ৰগুপ্ত---হয় ছাৰ, T. A. Bill সকলো ready কৰি ৰাখিছো। চহী ললেই হ'ল।

(যমদূত আৰু হলিৰাম আহে)

হলিৰাম---দেউতা ঈশ্বৰ। সেৱাহে।

যম---হলিৰাম ? তোমাৰ স্বৰ্গৰাজ্য চোৱা হ'লনে ?

হলিৰাম---দেউতা ঈশ্বৰ---হওতে হ'ল। কিন্তু দুদিনতে নো কি চাই শেষ কৰিব। এওঁ-লোকে যিকণ দেখুৱালে চালো।

যম---কেনে দেখিলা ?

হলিৰাম---চমৎকাৰ, অপূৰ্ব। কিন্তু----

যম---কিন্তু তুমি ৰ'লা দেখোন। কোৱা কি কব বিচাৰিছা। মই তোমাক নিৰ্ভয় দিছো।

হলিৰাম---স্বৰ্গৰাজ্যৰ সকলো বস্তুতেই হলে মই পাপ দেখিবলৈ পাইছো দেউতা।

যম---কিয় ? কি পাপ দেখিলা ?

হলিৰাম---আমাৰ ভাৰতবৰ লোকসকলক ঠগি এইখন ৰাজ্য পাতিছে দেউতা। নহলেনো ইমান জাকজমককৈ ৰাখিবলৈ ক'ৰ ধন পাব। আমাৰ ভাৰতবৰ পূজা-সেৱাৰ ধনেৰেই এইখন ৰাজ্য পতা হোৱা নাই জানো। আমি তাত বোকাপানী, এন্ধাৰত মৰো কিন্তু ইয়াত কি সুন্দৰ---চাৰিওফালে চাক্-চিকুণ। এমহলীয়া ঘৰ নেদেখিলোৱেই---প্ৰত্যেকটি ঘৰেই তিনি-চাৰি মহলীয়া। দিনে-নিশাই পোহৰ। বোকাপানী নাই, আলি-পদূলিবোৰ ইমান চাক্-চিকুণ---ফু মাৰি ভাত খাব পাৰি। ছাৰ, এই স্বৰ্গৰাজ্যৰ মালিকসকলৰ বিচাৰ হয়নে নহয় ?

যম---বৰ ডাঙৰ প্ৰশ্ন কৰিছা হলিৰাম ? সেইবোৰ উত্তৰ নিদিয়াই ভাল হব।

চিত্ৰগুপ্ত---ছাৰ। হলিৰামৰ আৰু বেছি সময় নাই। ক্ষণ উকলি গৈছে। হেৰা হলিৰাম আহা---ইয়াত চহী দিয়া।

(হলিৰামে গৈ চহী দিয়ে---চিত্ৰগুপ্তই ধন আনি দিয়ে)

হলিৰাম---দেউতা ঈশ্বৰ। এতিয়া আহোহে---পিছে কথা এটা মনতে থাকি গ'ল। কবলৈ যদি আদেশ দিয়ে---।

যম---কোৱা---সোনকালে কোৱা।

হলিৰাম---এটা কথা। ইমান কষ্ট কৰি ল'ৰা-ছোৱালী এৰি আহিলো---এটা অন্ততঃ কথা জানি যাওঁ---মোৰনো পাপ-পুণ্যৰ কথা কি হৈছে---এবাৰ যদি চাই যাব পাৰিলোহেঁতেন।

যম---কিন্তু সেইটো যে বৰ confidential. তাকতো জনাব নোৱাৰি।

হলিৰাম---যদি আপুনি দয়া কৰে---মইতো কিবা অপকাৰ কৰিম বুলি সোধা নাই। জানিলে গালৈকে ভাল দিয়কচোন।

যম---চিত্ৰগুপ্ত।

চিত্ৰগুপ্ত---ছাৰ।

যম---চোৱাচোন। কি আছে---এই কেইদিন এওঁক পাই তেওঁৰ প্ৰতি আমাৰো এটা মৰম সোমাইছে। চাওঁ এওঁৰনো কি জমা হৈছে।

(চিত্ৰগুপ্তই ডাঙৰ বহী খুলি বিচাৰি চাই)

চিত্ৰগুপ্ত---ছাৰ বৰ অদ্ভুত খতিয়ান।

যম---কিয় ? কি আছে ?

চিত্ৰগুপ্ত---এওঁৰ পাপৰ সংখ্যা নিযুত কিন্তু পুণ্যৰ ঘৰ শূন্য----

যম---হয়নে ?

হৰিৰাম—দেউতা ঈশ্বৰ। এই হিছাপ সম্পূৰ্ণ ভুল। বেজবৰুৱা বেৰিষ্টাৰে ঠিকেই কৈছিল। আপোনাৰ পেস্কাৰ বাবুৰ বয়স হৈছে, হাত-ভৰিও থৰ থৰকৰা হৈছে, মগজুৱেও নিশ্চয় ভালকৈ কাম নকৰে। নহলে ইমানটো ভুল হব পাৰেনে? মই ইবোৰৰ কথা এৰিছোৱেই—ইয়ালৈ আহিবৰ দিনা আপোনাৰ টেকেলাৰ আগতে মই কৈছিলো যে মই সত্যনাৰায়ণ প্ৰসঙ্গ কৰাৰ কথা ভাবিছো—তুলসী দিয়াৰ কথা ভাবিছো। অগ্নি বাণেশ্বৰ, দৌলগোবিন্দ আদি তীৰ্থ-ভ্ৰমণ কৰাৰ কথা ভাবিছো—

হয়নে নহয় সোধকচোন। হেৰা নকয় কিয়—ভাবিছিলোনে নাই।

যম—হয় নে তইঁতে কচোন।

১ম যমদূত—হয়। আনিবৰ সময়ত সেইদৰে আমাৰ আগত কৈছিল—

চিত্ৰগুপ্ত—হৰিৰামে ভাবিছিলহে—

হৰিৰাম—কিয় বিষ্ণু শৰ্মাদেৱেও ভাবিছিলহে। তেওঁৰ যদি ভাবোতে পাপ হয়, মোৰ ভাবোতে পুণ্য নহব কিয়? নহয় বুজিছো—এইবোৰ সকলো ভেজাল। মই ভোলানাথৰ ওচৰত এতিয়াই নালিচ কৰিম।

(উভতি লৰ মাৰে)

যম—কি চাই আছ—হৰিৰামক ধৰ।

(যমদূত দুটাও ওলাই লৰ মাৰে)

ধৰি আন ধৰি আন।

(আগত পট পৰে)

(সাতৰঙৰ ঢৌ। ৰঙা, নীলা, সেউজীয়া, বেঙুনীয়া ৰঙৰ মাজেদি হৰিৰামক লৰি যোৱা দেখা যায়। music বাজে। মাজে মাজে হৰিৰাম হৰিৰাম চিঞৰ শুনা যায়। হৰিৰাম কিন্তু লৰিয়েই থাকে। পিছে পিছে যমদূতে খেদে আৰু চিঞৰে হৰিৰাম—হৰিৰাম।)

পট পৰিবৰ্তন

(ভোলানাথৰ আগচোতাল। নন্দীয়ে ভাঙৰ উৰালত ভাঙ খুন্দি থাকে—ভৃঙ্গীয়ে ভাঙৰ চিলিম নি মহাদেৱক দিয়ে।

শিৱস্তোত্ৰ হৈ থাকে। ৰঙ-বিৰঙৰ পোহৰ বাগৰি যায়। দূৰত হৰিৰাম হৰিৰাম চিঞৰ শুনা যায়। হৰিৰাম লৰি আহি সোমায়)

হৰিৰাম—ভোলানাথ, মোক ৰক্ষা কৰক। মোক ৰক্ষা কৰক। (মঞ্চ পোহৰ হয়)

মহাদেৱ—কাৰ আৰ্তনাদ। ই কি? কোন তুমি?

হৰিৰাম—হে ভোলানাথ। মই তোমাৰ সেৱক। দাসৰো দাস—হৰিৰাম।

মহাদেৱ—হৰিৰাম? ক'ৰ হৰিৰাম?

হৰিৰাম—মোৰ বাসস্থান অৱন্তীপুৰ—অসমধাম। পিতা—বগীৰাম।

মহাদেৱ—তুমি জীয়া মানুহ? স্বৰ্গৰাজ্যলৈ আহিলা কেনেকৈ?

হৰিৰাম—নিৰ্ভয় দিলে সকলো বেকত কৰিব পাৰো ভোলানাথ। জয় শিৱ শম্ভু।

মহাদেৱ—মাভৈ মাভৈ। সকলো কথা সদৰি কৰিব লাগে। তুমি ইয়ালৈ আহিলা কেনেকৈ? কোনে তোমাক স্বৰ্গধামলৈ আনিলে।

হৰিৰাম—ধৰ্মৰাজ যমৰাজে প্ৰভু।

মহাদেৱ—যমৰাজে। মৃতকৰ ওপৰত যমৰ অধিকাৰ। জীৱন্ত মানুহৰ ওপৰত তেওঁৰ কোনো অধিকাৰ নাই। ই ঘোৰ অন্যায়।

হৰিৰাম—অকল অন্যায়েই নহয় প্ৰভু, অবিচাৰো। আমাৰ গাঁৱৰ বিষ্ণু শৰ্মাৰ বিচাৰৰ সাক্ষী স্বৰূপে মোক যমৰজাই ইয়ালৈ আনিলে প্ৰভু।

মহাদেৱ—মৃতকৰ সাক্ষী স্বৰূপে জীৱন্ত মানুহৰ স্বৰ্গধামত প্ৰৱেশ! আৰু সেইটো সম্ভৱ হৈছে মৃত্যুদণ্ডৰ অধিকাৰী যমৰাজৰ জৰিয়তে। ৰহস্য—সকলো ৰহস্য যেন লাগিছে। হৰিৰাম, কি সাক্ষীৰ কাৰণে তোমাক ইয়ালৈ অনা হৈছিল?

হলিৰাম---প্ৰভু, বিষ্ণু শৰ্মাই হেনো মোৰ সন্মুখত এদিন সুৰাপান কৰাৰ কথা ভাবিছিল। কথাটো সঁচা নে মিছা জনোৱাৰ কাৰণে মোক "নিৰুদ্দেশ" দণ্ড দি ইয়ালৈ অনা হৈছে।

কিন্তু মোৰ প্ৰতি ধৰ্মৰাজৰ অকিঞ্চিত বৰ অবিচাৰ কৰা হৈছে।

মহাদেৱ---কি অবিচাৰ!

হলিৰাম---বিষ্ণু শৰ্মাক সুৰাপান কৰাৰ কথা ভবাৰ কাৰণে নৰকবাস দণ্ড দিছে---

মহাদেৱ---উত্তম শাস্তি হৈছে---

হলিৰাম---কিন্তু প্ৰভু মই সত্যনাৰায়ণ পূজা, তুলসী দিয়া, অগ্নি বাণেশ্বৰ মন্দিৰ, দৌলগোৱিন্দৰ মন্দিৰ দৰ্শনৰ কথা ভবাৰ কাৰণে পণ্যৰ ভাগত শূন্য ৰাখিছে। বিষ্ণু শৰ্মাৰ সাক্ষী মই---মোৰ সাক্ষী যমৰজাৰ দুজন টেকেলা। তেওঁলোকে মই এইদৰে ভবাৰ কথা স্বীকাৰ কৰিছে।

মহাদেৱ---ঠিক আছে। নন্দী।

নন্দী---আদেশ কৰক ভোলানাথ।

মহাদেৱ---হলিৰামক লৈ যোৱা, মোৰ অতিথিশালাত আৱদ্ধ কৰি থৈ আহা।

(নন্দীয়ে হলিৰামক লৈ যায়)

ভৃঙ্গী। এতিয়াই যমৰজা, পৱন, বৰুণ অগ্নি আদি দেৱতাসকলক 'ফোন' কৰা। জৰুৰী কেবিনেট বহিব। এতিয়াই এই মুহূৰ্ততে সকলোকে আহিব কোৱা।

(ভৃঙ্গীয়ে ফোন কৰে)

শীঘ্ৰে বাহন পঠোৱা -সকলোকে এতিয়াই লৈ আহক।

ভৃঙ্গী---যিবা আজ্ঞা ভোলানাথ।

(music---)

(ৰঙ-বিৰঙৰ পোহৰ বাগৰি যাব ধৰে। অগ্নি, পৱন, বৰুণ, কৃষ্ণ, যম আদি দেৱতা সকল এজন এজনকৈ প্ৰৱেশ কৰে। সকলোৱে নিজ নিজ আসন লয়---পোহৰ স্থিৰ হয়---সকলোকে বহি থকা দেখা যায়।)

মহাদেৱ---সমবেত কমৰেডসকল। আজি এক বিশেষ পৰিস্থিতিত এই মন্ত্ৰীসভাৰ জৰুৰী বৈঠক মতা হৈছে। স্বৰ্গৰাজ্যত বিপ্লৱৰ সূচনা হৈছে। আপোনালোকৰ নিজৰ নিজৰ বিভাগ চলোৱাত নিশ্চয় আঁসোৱাহ ঘটিছে।

ধৰ্মৰাজ! আপুনি কওকচোন বিষ্ণু শৰ্মাৰ বিচাৰৰ কি ব্যৱস্থা কৰা হ'ল।

যমৰাজ---দেৱাদিদেৱ মহাদেৱ, মই মোৰ বিচাৰৰ file লগতে লৈ আহিছো---মই পঢ়ি দিছো শুনক---

বিষ্ণু শৰ্মা---গ্ৰাম অৱন্তীপুৰ, অসম ৰাজ্য। ১০ ভাদত হৃদৰোগত আক্ৰান্ত হৈ পুৱা ৪-৩৫ মিনিটত ইহলীলা সম্বৰণ কৰে। ১১ ভাদত তেওঁক আমাৰ আগত উপস্থিত কৰোৱা হয়। চিত্ৰগুপ্তৰ হিছাপ মতে তেওঁৰ পুণ্যৰ ভাগ নিযুত?

কিন্তু ৯ ভাদৰ সন্ধিয়া তেওঁ সুৰাপান কৰাৰ কথা মনতে ভবাত তেওঁক ঘোৰ পাপে আগুৰি ধৰে। ইয়াৰ কাৰণেই তেওঁক যাৱৎজীৱন নৰকবাস দণ্ড দিয়া হয়।

মহাদেৱ---তাৰ পিছত।

যমৰাজ---তাৰ পিছত বিষ্ণু শৰ্মাই আপীল কৰে আৰু হলিৰাম নামে জনৈক লোকক সাক্ষী স্বৰূপে উল্লেখ কৰে। উপায়ন্তৰ নেদেখি হলিৰামক 'নিৰুদ্দেশ' দণ্ড বিহি স্বৰ্গধামলৈ অনা হয় আৰু ডিভিজন বেঞ্চত Justice Barun, Justice Paban আৰু মোৰে গঠিত court ত বিষ্ণু শৰ্মাৰ এই দণ্ড বাহাল ৰখাটোকেই একমত হৈ ৰায় দিয়া হয়।

মহাদেৱ---কিন্তু নিৰুদ্দেশ দণ্ড বিহা আপোনাৰ

ক্ষমতাৰ বাহিৰ। আপুনি ইয়াৰ কাৰণে অন্ততঃ মোৰ approval লব লাগিছিল।

যম—এইটো irregular হ'ল ছাৰ। I beg your pardon.

মহাদেৱ—হলিৰামৰ ভবা কথাত পুণ্য ৰেকৰ্ড কৰা নহ'ল কিয় ?

যম—সেইটো এটা ডাঙৰ ডিছক্রিপেন্সি হৈ গৈছে ছাৰ। তাৰ কাৰণে এটা Commission of Enquiry বহুৱাবৰ আৱশ্যক হব যেন পাইছো।

পৱন—হলিৰামে এইটো ৰেকৰ্ড কৰা নাই বুলি জানিছেনেকি ? জানিছে যদি কেনেকৈ জানিলে ? জীয়া মানুহে স্বৰ্গৰ এই confidential কথা কেনেকৈ জানিলে ?

যম—সেইটো এটা ডাঙৰ অপৰাধ হৈছে। হলিৰামে তাৰ পাপ-পুণ্যৰ কথা জানিব বিচৰাত মই এটা বৰ দুৰ্বল মুহূৰ্তত সেই কথাত সন্মতি জনালো। তাৰ বাবে মই মোৰ দোষ স্বীকাৰ কৰিছো।

এই দোষৰ ক্ষমা নাই মই জানো। সেয়ে মই মোৰ এই পদ আজি এই মুহূৰ্ততে ইস্তফা দিছো।

পৱন—এইটো Division বৰ unfortunate হব। কি কয় Mr. Barun.

বৰুণ—নিশ্চয়। এই প্ৰস্তাৱত আমি মান্তি হব নোৱাৰো।

মহাদেৱ—আপোনালোকে sentimentক আগ ঠাই নিদিব। ভালদৰে বিবেচনা কৰি চাওক। আমি মানুহৰ ওপৰত আধিপত্য কৰাসকলে মানুহৰ হাততে আমাৰ অযোগ্যতাৰ প্ৰমাণ কৰাত কেনেকৈ ধৰা পৰিলো। আমি সকলোৱে আমাৰ এই ভুলৰ কাৰণে দুখিত হৈছো। ধৰ্মৰাজ যমে ভুল কৰা মানে আমি সকলোৱে ভুল কৰা। আমি সকলোৱে অমৃত খোৱা দেৱতা। আমাৰ দেৱত্ব ক'ত ? আমাৰ মহত্ত্ব ক'ত। সেয়ে মই ভাবিছো। এই সকলোবোৰ দোষ আমাৰ ভিতৰতে জাপি জুপি থব লাগিব। ঘুণাক্ষৰেও যাতে ই মৰতত আমাৰ প্ৰজাসকলৰ মাজত প্ৰচাৰ নহয় তাৰ কাৰণে আমি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হব লাগিব।

কিন্তু আজি এটা বৰ constitutional point আমাৰ আগত দেখা দিছে।

ভবা কথাত পাপ বা পুণ্য হব পাৰেনে নোৱাৰে ?

প্ৰকৃততে ভবা কথাও কৰ্ম কাৰকৰ দৰেই। তথাপি আমি আমাৰ দোষ ঢাকিবলৈ ইয়াৰ বাবে এখন অৰ্ডিনেন্স জাৰি কৰিবলৈ ব্ৰহ্মাক অনুৰোধ কৰিব লাগিব—অৰ্ডিনেন্সৰ মূল কথা হব—

"ভবা কথাত পাপ বা পুণ্য হব নোৱাৰে।" এই অৰ্ডিনেন্সৰ ফলস্বৰূপে বিষ্ণু শৰ্মাক এই নৰকধাম দণ্ডৰ পৰা মুক্তি দি স্বৰ্গবাস পুৰস্কাৰ দিব লাগিব। হলিৰামৰ বিষয়ে এতিয়াই আমাৰ সিদ্ধান্ত লব নালাগে। তেওঁক মৰতলৈ পঠিয়াই তেওঁৰ বাকী কাল-ডোখৰৰ কাৰ্য-কলাপলৈ লক্ষ্য ৰাখি তেওঁৰ মৃত্যুৰ পিছত সেইমতেই ব্যৱস্থা লোৱা হব। আপোনালোকে কি কয় ?

সকলোৱে—উত্তম বিচাৰ হৈছে। সাধু! সাধু! সাধু!

মহাদেৱ—এতিয়া আমাৰ জাতীয়-সঙ্গীত—

(সকলো থিয় হৈ গায়)

(অ' মোৰ আপোনাৰ দেশৰ সুৰত)

আমি দেৱতা আমি বিধাতা
আমি নৰৰ হৰ্তাকৰ্তা
আমি বিধাতা।
পূজা খোৱা কৰম
পূজা লোৱা ধৰম
পূজা পালে পবিত্ৰাতা
নহলে মৃত্যুদাতা

(লগে লগে আঁৰ-কাপোৰ)

ঠিকানা

উৎসর্গ

শ্রদ্ধেয় —

যুগলদার (যুগল দাস) হাতে

লক্ষ্য চৌধুরী

চৰিত্ৰ

গজানন হাজৰিকা—৬৫ বছৰীয়া পেঞ্চনাৰ।

বিপুল হাজৰিকা—প্ৰফেচাৰ ৩৫ বছৰীয়া।

তিখৰ —আদহীয়া লগুৱা।

অখিল —গজাননৰ সমনীয়া (৪৫ বছৰীয়া)।

তৰু (ৰুগ্ন আইটী) —বিপুলৰ পৰিবাৰ (২৬ বছৰীয়া)।

বুবুল —গজাননৰ নাতিনীয়েক।

বাপুটি, ৰিক্সাৱালা, টেঃ পিয়ন, ডাক পিয়ন।

ঠিকনা

প্ৰথম দিন

সময়—পুৱা ১০ বজা

(গজানন হাজৰিকাৰ পদূলিমুখৰ বৈঠকখানা। এখন মেজ, ২।৩ খন কাঠৰ চকী, একাষত এখন বেঞ্চি, বেৰত এখন কেলেণ্ডাৰ আৰু তৰুণ ফুকন আদিৰ ছবি। এফালৰ পৰা ধীৰে-গম্ভীৰে গজানন সোমাই আহে, আনফালৰ পৰা তৰু (কণ আইটো) ওলাই আনফালে যাব ধৰে)

গজানন—হেঁ। বোলো সেইজনী বোৱাৰীনে ?

তৰু—হয়, কি হ'ল দেউতা ?

গজা—হেৰৌ এখন তামোল খুন্দি দিবিচোন। ভাত খাই উঠি তামোলৰ কাৰণে বোন্দাপৰ দি থাকিলো, কিন্তু তামোল এখন আৰু নাহিল।

তৰু—কিয় ? মজিয়াতে মই তামোল খুন্দি জুখি য়াই থৈছিলো। বাৰু মই আনি দিছো। (যায়গৈ)

(বাহিৰৰপৰা তিখৰ বেগাই সোমাই আহে)

গজা—তিখৰ ? ক'লৈ গৈছিলি ?

তিখৰ—বুবুল-মইনাক স্কুলত থৈ আহিলোগৈ।

গজা—বুবুলক স্কুলত থবলৈ গৈছিলি নে নগৰ ঘুৰিবলৈ গৈছিলি ? ইফালে যে ধপাত এচিলিম দিব লাগে মনত নাই।

তিখৰ—কিয় আপুনি ভাত খাই উঠাৰ লগে লগেই দেখোন ধপাত এচিলিম লগাই মই হোকাদানিত সজাই থৈ আহিছো। আকৌ নিদিয়া হ'লো কেনেকৈ ?

গজা—মনে মনে থাক। তই—তই আগৰ তিখৰ হৈ থকা নাই, সলনি হলি বুজিছ। মই পেঞ্চন পোৱাৰ লগে লগে তই নেগুৰ কটা শিয়াল হলি। মই তোৰ এই এতালি-এমালিবোৰ সকলো লক্ষ্য কৰি আছো। হেই ভেবা লাগি কি চাইছ ? যা ধপাত এচিলম আন। (তিখৰ যায়গৈ)

(গজানন ভিতৰ সোমাব খোজে)

(এনেতে চাইকেলৰ বেল বজাই বজাই টেঃ পিয়নৰ প্ৰৱেশ)

গজা—কোন অ' ? ইমানকৈ চাইকেলৰ বেল বজাইছ ? কাক লাগে ?

টেঃ পিয়ন—এখন টেলিগ্ৰাম আছে।

গজা—টেলিগ্ৰাম ? কাৰ টেলিগ্ৰাম হে ?

টেঃ পিয়ন—প্ৰফেচাৰ বিপুল হাজৰিকাৰ নামত এখন টেলিগ্ৰাম আছে।

গজা—প্ৰফেচাৰ বিপুল হাজৰিকাৰ নামত টেলিগ্ৰাম আছে ? ঠিকনা কি দিছে ?

টেঃ পিয়ন—উজান বজাৰ, গুৱাহাটী।

গজা—এইটো কি ঠিকনা হ'লহে ? কি ঠিকনা হ'ল ? এই লঠামুৰ। ঠিকনাত ইমান দায়িত্বপূৰ্ণ এখন টেলিগ্ৰাম বিলি হব পাৰেনে ? আমাৰ দিনত হ'লে এনে দায়িত্বহীন কাম কৰিলে পোষ্ট মাষ্টৰ, পিয়ন আটায়ে চাকৰিৰ পৰা বৰ্খাস্ত হ'লহেঁতেন।

তৰু—দেউতা, তামোল (তৰুৱে তামোল লৈ আহে) (গজাননৰ মূৰ্তি দেখি কাষত থকা মেজত বটাতো থৈ ভিতৰলৈ যোৱাৰ ভাও ধৰি কথাৰ আঁতি-গুৰি ল'বলৈ অলপ আঁতৰৰপৰা লক্ষ্য কৰি থাকে)

টেঃ পিয়ন—প্ৰেৰকে যি ঠিকনা দিছে সেইমতেহে বিলি হ'ব।

গজা—তুমি ক'ৰহে? তোমাৰ নাম কি? গোত্ৰ কি? তুমি মোৰ লগত তৰ্ক কৰিবলৈ আহিছা? পিয়নৰ দায়িত্ব কি? সঠিক নামত, সঠিক ঠিকনাত চিঠি-টেলিগ্ৰাম আদি বিলি কৰা, এইটো ঠিকনা হ'লনেকি? প্ৰফেচাৰ বিপুল হাজৰিকা, উজান বজাৰ, গুৱাহাটী। হেৰা, মই এজন চৰকাৰৰ দায়িত্বশীল পেঞ্চনাৰ। তুমি এনে লঠামৰা ঠিকনাৰে টেলিগ্ৰাম আনিলা বুলিয়েই মই ৰাখিমনে?

গজা—তোমাৰ দায়িত্বজ্ঞান নাথাকিব পাৰে, মোৰ আছে।

টেঃ পিয়ন—বেছ তেন্তে। মই গৰাকীয়ে নাৰাখিলে বুলি ৰিপৰ্ট দি অফিচত গতাই দিম।

গজা—কি ক'লা? গৰাকীয়ে নাৰাখিলে? কোন গৰাকীৰ কথা কৈছাহে? নাম ভুল, ঠিকনা ভুল, গৰাকী ক'ৰপৰা ওলাব। এই টেলিগ্ৰামৰ ঠিকনা হব লাগিছিল—

প্ৰফেচাৰ বিপুল চন্দ্ৰ হাজৰিকা
C/o শ্ৰীযুত গজানন হাজৰিকা
গৱৰ্মেণ্ট পেঞ্চনাৰ
ৱাৰ্ড নম্বৰ আগৰ ২, নিউ ২৪
উজান বজাৰ, গুৱাহাটী-১

"কেয়াৰ অব" নাই, নামৰ মাজত "চন্দ্ৰ" নাই, কেৱল প্ৰফেচাৰ বিপুল হাজৰিকা, উজান বজাৰ, গুৱাহাটী। বাচ্ হেৰৌ বিপুলৰ পাছত চন্দ্ৰটো ক'লৈ গ'ল?

টেঃ পিয়ন—থওক হেৰি! চন্দ্ৰ-চন্দ্ৰৰ আৰু এতিয়া কি মূল্য আছে? চন্দ্ৰক দেখোন গ'লহে গৰকি পেলালে। তাহানিৰপৰা কত চন্দ্ৰ ৰাহুৱে গিলি আছে চন্দ্ৰটো বা ৰাহুৱে খালেই, সেই বুলি টেলিগ্ৰামখন চুৰা গ'লনে?

(তিখৰে ধপাত লৈ আহে)

তিখৰ—দেউতা। ধপাত।

টেঃ পিয়ন—হেৰা দেখিছানে? প্ৰফেচাৰ বিপুল হাজৰিকাৰ নামত এখন টেলিগ্ৰাম আছে, তাকে নাৰাখি মিছামিছি তৰ্ক জুৰিছে, ৰাখি থলে কি হয়।

তিখৰ—এৰা, ৰাখিব লাগে—ৰাখিব লাগে।

গজা—কি ক'লি? এওঁ এইখন মাৰফৎ নোহোৱা টেলিগ্ৰাম আনিছে, মই এজন দায়িত্বপূৰ্ণ পেঞ্চনাৰ হৈ ৰাখিব পাৰোনে?

তিখৰ—ৰাম ৰাম, নোৱাৰে নোৱাৰে, কেনেকৈ ৰাখিব দেউতা।

গজা—নাম ভুল, ঠিকনা ভুল, এনে টেলিগ্ৰাম ৰাখি মই জেইল খাই মৰিব পাৰোনে?

তিখৰ—এৰা, কেনেকৈ ৰাখিব দেউতা।

পিয়ন—কিয়? এনে ঠিকনাতে কত টেলিগ্ৰাম বিলি কৰি আছো ৰাখোতাই ৰাখিয়ে আছে।

গজা—কিমান দিন হ'লহে তোমাৰ কাম কৰা। যেই সেই নামত যেই সেই ঠিকনাত চিঠি-টেলিগ্ৰাম য'তে ইচ্ছা ত'তে বিলি কৰি ফুৰিবানেকি? প্ৰফেচাৰ বিপুল হাজৰিকা, উজান বজাৰ, গুৱাহাটী। যোৱা, এতিয়া লুইতৰ পৰা শৰণীয়ালৈকে দীঘলীৰপৰা নাৰেঙ্গীলৈকে গোটেইখন ঠাই পলৰে চৰিয়াই ফুৰা। তুমি দিলা বুলিয়েই মই এনে ভুল নাম-ঠিকনাৰ টেলিগ্ৰাম এখন ৰাখিমনে? যোৱা, ওভতাই লৈ যোৱা।

টেঃ পিয়ন—ঠিক আছে, মোৰ কিটো হ'ব। টেলিগ্ৰাম নাৰাখে "ৰিফিউজড্" বুলি মই অফিচত পঠাই দিম।

গজা—কি ক'লা? আকৌ সেই কথা! কোনে ৰাখিব লাগে? ভুল নাম-ঠিকনাৰ টেলিগ্ৰাম এখন কোনে ৰাখিব? মাৰফৎ নাই, 'কেয়াৰ অব' নাই উজান বজাৰ, গুৱাহাটী। এইটো কিবা ঠিকনা হ'লনে? মই এই ঠিকনা ভুল

টেলিগ্ৰাম এখন নেৰাখো বুলিছো নেৰাখো। যোৱা, লৈ যোৱা।

(খঙেৰে ভোৰভোৰাই ভিতৰলৈ যায়। পিয়নেও তেনেদৰেই আনকালে ওলাই যায়। তিখৰে ইফালে-সিফালে চাই হাঁহে। এনেতে তৰু বেগাই সোমাই আহে)

তিখৰ---বুঢ়াৰ হাতত চেঙেলি (হাঁহে)

তৰু---তিখৰকাই বেগাই যোৱা---পিয়নটো মাতি আনা।

তিখৰ---আও মোক মৰিব কৈছেনে? যদি মই মাতি অনা বুলি দেউতাই গম পায়---

তৰু---দেউতাই গম নেপায় যোৱা। সহজে ওলাই নাহে। সৌৱা একেবাৰে বাৰীৰ পাছ পালেগৈ। যোৱা বেগাই যোৱা। (তিখৰ যায়)

(কলেজলৈ যোৱাৰ বেশত প্ৰফেচাৰ বিপুল হাজৰিকা আহে)

বিপুল---হেৰা কি হৈছে? তিখৰকাইক ক'লৈ পঠালা?

তৰু---সৰ্বনাশ হৈছে।

বিপুল---কি সৰ্বনাশ হৈছে?

তৰু---আপোনাৰ নামত এখন টেলিগ্ৰাম আহিছিল। দেউতাই ঠিকনা ভুল বুলি ওভতাই দিছে।

বিপুল---ঠিকনা কি ভুল হ'ল?

তৰু---দেউতাৰ care of ত নাই সেই কাৰণে

(তিখৰ আৰু পিয়ন আহে)

বিপুল---হেৰা মোৰ নামত এখন টেলিগ্ৰাম আছে বোলে?

পিয়ন---হয়, আছে। ঠিকনা ভুল বুলি তেখেতে নেৰাখিলে।

বিপুল---বাৰু বাৰু সেইবোৰ কথা যাব দিয়া। টেলিগ্ৰামখন দিয়া। বেয়া নাপাবা।

(তিখৰে ভিতৰলৈ গৈ গজানন আহে নে নাহে চাই থাকে। বিপুলে চহী কৰি টেলিগ্ৰামখন লয়)

পিয়ন---নাই নাই কিয় বেয়া পাম। বুঢ়া মানুহ, কথা অলপ ইদিগ-বিদিগ হলেই লেঠা। পিছে ছাৰ মোৰ পিয়ন কাম কৰি এটা ডাঙৰ অভিজ্ঞতা হৈছে।

বিপুল---কি অভিজ্ঞতা?

পিয়ন---বেয়া নেপায় যদি----পেঞ্চন পোৱাৰ পিছত আৰু কাকো নিজৰ ঘৰত থাকিব দিব নালাগে। অফিচৰপৰাও বাহিৰ---ঘৰৰ পৰাও বাহিৰ।

বিপুল---তেন্তে ক'ত থাকিব?

পিয়ন---পেঞ্চনপাৰাত। কিয়নো বুঢ়া হ'লে কুকুৰৰ ক্ৰাফৰে ধৰে, বুঢ়া হ'লে মানুহৰ পৰকিতি লৰে।

তিখৰ---পিছে বালিয়ে সিপাট শৰ সুগ্ৰীবলৈকো সেইপাটেই।

তৰু---ছিঃ তেনেকৈ নকবা।

বিপুল---হওঁতে তেওঁ এটা ডাঙৰ কথাকে কৈছে।

তৰু---কি?

বিপুল---আমাৰ অতীজৰ সেই বানপ্ৰস্থ প্ৰথাৰ কথাই তেওঁ প্ৰকাৰান্তৰে কৈছে।

(পিয়নে বিপুলৰ কথাত গৰ্ব অনুভৱ কৰি হাঁহি ওলাই যায়। বিপুলে টেলিগ্ৰামখন পঢ়ে) অ' অসম মেইলত আজি তোমাৰ পেহাৰৰ আহিব।

তৰু---পেহাদেউৰ টেলিগ্ৰাম?

বিপুল---পিছে এটা লেঠা হ'ল নহয়!

তৰু---আকৌ কিহৰ লেঠা ওলাল?

বিপুল---কলেজৰ পৰীক্ষা চলি আছে। মই সেই সময়ত আজৰি নহ'ম। পৰীক্ষাৰ বহী-পত্ৰবোৰ গত লগোৱাৰ ভাৰ মোৰ ওপৰত।

তৰু---পেহাদেউ গুৱাহাটীলৈ এই প্ৰথম আহিছে। আমাৰ ঘৰৰ ঠিকনা বা আকৌ জানে নে নাজানে।

বিপুল—আমাৰ ঘৰ উলিয়াব নোৱাৰিব কেলেই। ঠিকনা নাজানিলে টেলিগ্ৰাম পঠালে কেনেকৈ? সুধি-মেলি উলিয়াব পাৰিব। তুমি আহিলে কথাটো বুজাই ক'বা।

পিছে এটা কাম কৰিব লাগিব বুইছা। আজিৰপৰা বুবুলক স্কুলত থ'বলৈ তিখৰকাই যাব নালাগে। আনিবও যাব নালাগে। আহেঁতেতো প্ৰায় সি অকলেই আহে। তিখৰকাই শুন। আজিৰপৰা এটা কাম কৰিবি। ডাকপুৱা ৯।১০ বজাৰ ভিতৰত এবাৰ বিলি হয়। তই সেইখিনি সময়ত আমাৰ পদুলিমুখত ঘূৰা-ঘূৰি কৰি থাকিবি। পিয়ন আহিলে আমাৰ নামত অহা চিঠি-পত্ৰ খুজি লবি। বুজিছ।

তিখৰ---বুজিছো।

বিপুল---কি বুজিছ ?

তিখৰ---আজিৰ পৰা দেউতাৰ ঠাইত মই ঠিকনা হ'লো। (হাঁহে। বিপুলেও হাঁহি হাঁহি ওলাই যায়)

(তিখৰে ঘূৰি চাই দুৰত গজানন অহাৰ গম পাই চিঞৰে)

তিখৰ---মৰিলো ও---মৰিলো দেউতা---

(ভিতৰলৈ সাউৎকৰে সোমাই যায়। তৰু উত্ততিব খুজি গজাননৰ মুখা-মুখি হয়)

গজা---বোৱাৰী। তামোল এখন খুজি কিমান অপেক্ষা কৰিম হেঁ ?

তৰু---কিয় ? মই মেজত দি আহিছিলো নহয়।

গজা---মেজত ? এবাৰ থলি মজিয়াত, এবাৰ থলি মেজত। তামোল খুজিছিলো মই, মোক নিদি মজিয়া বা মেজত থলে মোক দিয়া হয়নে ? নাখাওঁ যা। আজিৰ পৰা মই তামোলকে নাখাওঁ।

তৰু---দেউতা !

গজা---মই সকলো মন কৰি আছো। পেঞ্চন পোৱাৰ লগে লগে ঘৰে-বাহিৰে সকলোৰে মোক অৱহেলা কৰা হৈছে। ট্ৰেজাৰীলৈ পেঞ্চন আনিব যাবা—অ' কেৰাণীকেইটাই কেৰাহিকৈয়েই নাচায়। বাটে-ঘাটে অফিচৰ পিয়নকেইটাই দেখিলে আনফালে মুখ ঘূৰায়। ঘৰত তিখৰে ফালৰি কাটি ফুৰে। বিপুলৰতো ছাঁটোকে নেদেখা হ'লো। তয়ো সলনি হৈছ। আগৰ ন-বোৱাৰীজনী হৈ থকা নাই।

নতে নবুৰি পুৰণি হলে ছবুৰি।

তৰু---দেউতা !

গজা---যা যা দেউতা চেলাব নালাগে। মই সকলো বুজি পাইছোঁ। মই তহঁতৰ সকলোৰে চকুৰ কুটা দাঁতৰ শূল হৈ পৰিছো। মই মৰিলেহে তহঁত আটায়ে ৰক্ষা পাব।

(গজাননৰ মুখাত তৰুৰ চকু চলচলীয়া হৈ পৰে আৰু এইদৰে কোৱাৰ লগে লগে চিঞৰি উঠে।)

তৰু-----তেনেদৰে নাকব দেউতা! (হুক্ হুক্ কৈ কান্দি পেলায়)

(লাহে লাহে মঞ্চ এন্ধাৰ হৈ পৰে। ক্ষন্তেকৰ পিছতে মঞ্চ পোহৰ হয়। পট আগৰ দৰে থাকিব। বুবুলে এটা ফুটবল মাৰি মাৰি ওলাই আহে। আনফালৰ পৰা ৰিক্সাৰে অখিল নাৰায়ণ দত্ত সোমাই আহে। ৰিক্সাৱালাৰ হাতত এটা সৰু টিনৰ চুটকেছ আৰু এখন বন্ধা বিছনা। অখিলৰ হাতত এটা সৰু ওলোমা মোনা)

ৰিক্সাৱালা—ছোটবাবু, এইটো প্ৰফেচাৰ হাজৰিকা চাহাবৰ ঘৰ না ?

বুবুল---হয়, দেউতা কলেজৰ পৰা অহা নাই।

অখিল---ঘৰত আৰু কোন আছে মাতাচোন ?

বুবুল---নাই, মোৰ সময় নাই। ককা আছে যোৱা।

ৰিক্সাবালা—বাবু এহি আপোনাৰ হাজৰিকা প্ৰফেচাৰ কা ঘৰ চামনে হেইতু থিয়েটাৰ হল। ঠিকনা বৰাবৰ পহুচাই দিলো বাবু। এই বাবুৰ ঘৰ মই আগেভি ভাড়া আনিছো।

অখিল—কিমান ভাড়া দিব লাগিব অ'।

ৰিক্সাবালা—বুঝি চমজি দিয়ক বাবু, টিচনচে দূৰভি বহু আছে।

অখিল—তই ক আকৌ। কিমান ভাড়া লাগিব?

ৰিক্সা—দুথু ৰূপিয়া দিজিয়ে।

অখিল—হেৰৌ তোক দুটকা লাগে? ঘটঘটাই অহা গাড়ীখনক ভাড়া দুটকা লাগে। এইকণ আহোঁতেই তোৰ গাড়ীয়ে মোৰ ক'কালৰ জোৰা লৰাই পেলালে বুজিছ। বাটত মানুহক কথা এষাৰ সুধিবলৈ তোক ৰখাব নোৱাৰিলো। একেবাৰে ফাঁ হাঁ চুতালি। জীৱটো বান্ধি আনিব লাগে। তোক কিহৰ দুটকা লাগে অ'। এই ৰূপ এটকা ল আৰু যা।

ৰিক্সা—নাহি বাবু নাই পোচাব!

অখিল—হুঁ, বাৰু আৰু দহ পইছা ল।

ৰিক্সা—থিক আছে, পুৰাপুৰি ডেৰ ৰূপিয়া দিজিয়ে।

অখিল—হেৰ লব যদি এই চাৰি অনা ল, নহলে যাগৈ।

(ভাড়া লৈ ৰিক্সাবালা যায়গৈ)

কোনোবা ঘৰত আছেনেকি?

গজা—(ভিতৰত) কোন? কাক লাগে?

(ওলাই আহে)

তৰু—(ভিতৰত) পেহানে?

(গজাননক দেখি পিছুৱাই যায়)

অখিল—এইটো আমাৰ কণ আইটীৰ ঘৰ নহয়নে?

গজা—কাৰ ঘৰ বুলিছে?

অখিল—কণ আইটীৰ?

গজা—উস্ আপুনি ক'ৰ মানুহহে? এইটো কণ আইটীৰ ঘৰ? কোনে কলে এইটো কণ আইটীৰ ঘৰ বুলি?

অখিল—কিয়? এইটো প্ৰফেচাৰ বিপুল হাজৰিকাৰ ঘৰ নহয় জানো?

গজা—আপুনি কেনে ধৰণৰ মানুহ হেৰি, এবাৰ সুধিছে "এইটো কণ আইটীৰ ঘৰ নহয় জানো" —আকৌ এবাৰ সুধিছে "এইটো বিপুল হাজৰিকাৰ ঘৰ নহয় জানো" তাতকৈ এইটো আপোনাৰ ঘৰ বুলিয়েই নকয় কেলেই? তেতিয়া দেখোন লেঠা ছিঙিয়েই থাকে। দেখিছো মূৰত ইমানটো মথুৰা পাগ মৰাৰ কাৰণে আপোনাৰ মগজুৱে একো কাম নকৰা হৈছে।

অখিল—কিয় মই ভুলকৈ আহিলোনেকি? বাৰু আপুনি কওকচোন এইটো কাৰ ঘৰ?

গজা—আপুনি নকয় কেলেই? আপোনাক কাৰ ঘৰ লাগে?

অখিল—ছেঃ কি খনত আহি পৰিলো। কিয় বাৰু আমাৰ শলগুৰিৰ খাটনিয়াৰৰ ঘৰৰ ছোৱালী এইখন ঘৰতে পৰা নাই জানো?

গজা—এৰা, এইখন ঘৰলৈকে অনা হৈছে।

অখিল—নাম কণ আইটী।

গজা—অ' সেইটোৱেই নাম।

অখিল—অ' তাকে কওক তেন্তে এইটো কণ আইটীৰ ঘৰ হয়।

গজা—কিয় হব? এইটো কণ আইটীৰ ঘৰ নহয়।

অখিল—কিয় এইখন ঘৰলৈকে খাটনিয়াৰৰ ছোৱালী কণ আইটীক আনিছে বুলি আপুনি নিজেই স্বীকাৰ কৰিছে।

গজা—কৰিছো সঁচা কথা যেতিয়া এশবাৰ স্বীকাৰ কৰিম।

অখিল—তেন্তে এইটো কণ আইটীৰ ঘৰ নহয় কি?

গজা—নহয়, হব নোৱাৰে।

অখিল—কিয় নহয় ?

গজা—কিয় হব ?

অখিল—ইয়াত কণ আইটী থাকে নে নাথাকে ?

গজা—থাকে।

অখিল—তেনেহলে ?

গজা—এইটো কণ আইটীৰ ঘৰ হব নোৱাৰে।

অখিল—কিয় নোৱাৰে।

গজা—নোৱাৰে বুলিছো নোৱাৰে। আপোনাক ইমান কৈফিয়ৎ দিবলৈ আপুনি কোনহে ?

অখিল—ৰবচোন ৰব। কথাটো গোৰৰ পৰা ধৰোচোন। আপুনি বাৰু কোন ?

গজা—আপুনিনো কোন ?

অখিল—মোৰ ঘৰ নামতিত। মই কণ আইটীৰ পেহাক।

গজা—মোৰ ঘৰ গুৱাহাটীত। মই কণ আইটীৰ শহুৰেক।

অখিল—ৰাম ৰাম: আপুনি বৰ ৰসিক লোক দেখিছো। ভাল ধেমালিখন কৰিলে দিয়ক। মই বোলো কিবা ভুলেই কৰিলোনেকি। এৰা এৰা মই ঠিক ঠিকনাতে উঠিছোহি। এইটো কণ আইটীৰ ঘৰ হেঃ হেঃ হেঃ

গজা—হেৰি আপুনি বহিল দেখোন। আপুনি কি মানুহহে ?

অখিল—কিয় এইটো কণ আইটীৰ নহয় জানো ?

গজা—আকৌ একেটা কথাকে কি পেঘেনিয়াই আছে হৈৰি। এইটো কণ আইটীৰ ঘৰ ?

অখিল—অ', আপুনি নিজেই কলে দেখোন ?

গজা—কেতিয়া ক'লো হেৰি ? কেতিয়া ক'লো ? হবই নোৱাৰে। আপুনি পৌৰ-সভাৰ অফিচত খবৰ কৰক। টাউন মৌজাদাৰৰ ঘৰত খবৰ কৰক। কণ আইটীৰ নামত এই চহৰত ক'ৰবাত ঘৰ-মাটি আছে নে নাই।

অখিল—তেন্তে আপোনাৰ বোৱাৰী কণ আইটী ক'ত থাকে ?

গজা—ইয়াতে থাকে।

অখিল—তেন্তে ?

গজা—থাকিল বুলিয়েই তাইৰ ঘৰ হবনে ? আপুনিতো এতিয়া এইখন ঘৰতে আছে। সেই বুলি এইখন ঘৰ আপোনাৰ হবনে ?

অখিল—সেইটো আপোনাক কোনে কৈছে, মোৰ ঘৰ কিয় হব। মোৰ ভতিজা হোৱালীৰ ঘৰ।

গজা—আপোনাৰ এই অবান্তৰ কথাবোৰ শুনি মোৰ দেখিছো প্ৰেচাৰ বাঢ়িব ধৰিছে। মই প্ৰেচাৰ থকা মানুহ।

অখিল—মইনো কি অবান্তৰ কথা ক'লো ?

গজা—হেৰি আৰু তৰ্ক নকৰিব। মোৰ মূৰটো আচন্দ্ৰাই কৰিছে। উস্ অলপ সাধাৰণ জ্ঞান নাই, সামান্য কথাটোকে বুজি নাপায়। কি অবুজ মানুহ, বুজাক বুজাবা আকাৰে উকাৰে আৰু নুবুজাক ? হয় নে নহয় ? (এই বুলি খণ্ডেৰে ভিতৰলৈ সোমাই যায়। অখিলে হতভম্বৰ দৰে চাই থাকে)

অখিল—কটা কিখনত পৰিলোহি। যাত্ৰা কৰোতে দেখোন দিন-ক্ষণ চোৱাই আহিছিলো। নাই, মিছা—মিছা আমাৰ নলিনাক্ষ বাবুৰ পুথি-পাঁজি চোৱা সকলো মিছা।

(এই বুলি নিজৰ চুটকেছ আৰু বিছনা লৈ ওলাই যাবলৈ বিচাৰে, তেতিয়া এটা হাৰিকেন লেম্প লৈ সোমাই আহে আৰু চেপা মাতেৰে পেহাদেউ বুলি মাতে। অখিলে চক্ খাই উঠে)

তৰু—পেহাদেউ ?

অখিল—অ' কণ আইটী, মই বৰ চক খালো নে
(তৰুৱে সেৱা কৰে)

হৈছে হৈছে, উঠ আই মূৰৰ চুলিৰ সমান

আয়ুস হওক। এই বুঢ়াজন তোৰ শহুৰেৰ নহয় জানো?

তৰু---হয় পেহাদেউ! মই সকলো কথা আঁৰৰ পৰা শুনি আছো। বৰ বৰ আপুনি তেনেই ঘামি-জামি গৈছে। আগতে মুখ-হাতখন ধুই লওক। তিখৰ এলোটা পানী আৰু গামোচা লৈ আহা। (তৰুৱে বিচনী আনি বিচি দিয়ে)

অখিল---তোক দেখিহে মোৰ জীৱটো আহিছে আই।

(তিখৰে লোটাত পানী আনে আৰু এখন গামোচা আনি দিয়ে। অখিলে বাহিৰলৈ গৈ হাত-মুখ ধুই আহে)

ৰাম ৰাম তেখেতৰ কথা শুনি মই বলিয়া হম বুলিয়েই ভাবিছিলো। উস্ কটা এনে কথাৰ পেচ, হেৰৌ অলপ মগজুৰ দোষ আছে-নেকি অ'?

তৰু---একো দোষ নাই বৰ সৰল মানুহ; বৰ ভাল মানুহ।

অখিল---হেৰৌ ভাল মানুহে এনেদৰে একেটা কথাতে লাগি থাকেনে? তইনো বাৰু শহুৰৰ লগত বনিচ কেনেকৈ?

তৰু---ককাই। পেহাদেউক অলপ বিচি দিয়াচোন। মই চাহ অলপ কৰি আনো।

(তৰুৱে তিখৰক বিচনী দি সোমাই যায়)

অখিল---হবচোন চাহ-পাহ। লাহে-ধীৰে দিলেও হব। বহিব পাৰিছো যে সেয়েই যথেষ্ট।

তিখৰ---আপুনি হবলা আইদেউৰ পেহাক?

অখিল---এৰা, কণ আইটীৰ মই পেহাক হওঁ।

তিখৰ---কেনে ধৰণৰ পেহাক?

অখিল---তাইৰ আপোন পেহাক আকৌ।

তিখৰ---আগতীয়াকৈ খবৰ বাতৰি দিয়া নাছিল-নেকি?

অখিল---টেলিগ্ৰাম এখন পঠিয়াইছিলো---জানো পালে নে নাই?

তিখৰ---কাৰ নামত পঠিয়াইছিল?

অখিল---প্ৰফেচাৰৰ নামত।

তিখৰ---দেউতাৰ মাৰফৎ দিয়া নাছিল হবলা?

অখিল---প্ৰফেচাৰৰ নামত দিলে টেলিগ্ৰাম নেপায়-নেকি?

তিখৰ---ঠিকনা ভুল হ'ল নহয়।

(তৰুৱে বান বাতিত চাহ-জলপান আনে)

তৰু---ককাই! পেহাদেউ এনেয়ে ভাগৰি পৰিছে। মিছা-মিছি কথা সুধি নাথাকিবাচোন। যোৱা তামোল দুখনমান কাটি আনা।

(তিখৰ যায়, অখিলে চাহ খাই খাই কথা পাতে)

অখিল---তহঁতৰ ঘৰৰ ওচৰতে হোটেল-টোটেল কিবা আছে নে নাই অ'? ৰাতিটো কোনো মতে কটাব পাৰিলেই ৰক্ষা।

তৰু---হোটেললৈ কিয় যাব লাগিছে, আমাৰ ইয়াতে থাকিব।

অখিল---তোৰ শহুৰেৰে আহি দেখিলে বা আকৌ কি মূৰ্তি ধৰে।

তৰু---মই সেইবোৰ সকলো ঠিক কৰিম নহয়। আপুনি কিয় চিন্তা কৰিছে।

অখিল---নহয় অ' কণ আইটী, মোৰ বাবে তই মিছাতে কিয় গালি-শপনি খাব লাগিছে।

তৰু---মোৰ কথা শুনকচোন। সকলো ঠিক হৈ যাব। এতিয়া দেউতা কোঠাতে বহি আৰাম কৰি আছে। আপুনি চাহ খাই দেউতাৰ ওচৰলৈ যাওক।

অখিল---এ নহয় নহয় কণ আইটী, তই আৰু মোক লৈ ৰং চাব নালাগে। এইখিনিতেই মই পাই গৈছোঁ। বুঢ়া আকৌ মোৰ আগত ওলালেহি মোৰ তীৰ কঁপে।

অখিল---অলৰেই উঠিব। তাতকৈ এখন হোটে-

লকে দেখুৱাই দিয়াৰ ব্যৱস্থা কৰি দে। মই তেও ৰাতিটো শান্তিৰে শুব পাৰিম।

তৰু—(হাঁহি) আপুনি যাওঁ বুলিলেই যাবলৈ দিমনে ?

অখিল—তয়ো তেন্তে শহৰেৰৰ স্কুলীয়া হৈয়ে কথা কৈছ ? পিছে প্ৰফেচাৰেনো এইবোৰ কৰিছে কি ? ঘৰটো দেখোন তেনেই উৰঁলি গৈছে। সেই চৌতিটো দেখোন পৰো পৰো হৈছে। আমাৰ গাঁৱৰ ঘৰতেই দেখোন বিজুলী-বাতি হ'ল। প্ৰফেচাৰেনো তাকো লগাব পৰা নাইনে ?

তৰু—মোৰ কথা শুনকচোন। আপুনি মূৰৰ পাগুৰিটো এতিয়া খুলি থওক। দেউতাৰ ওচৰলৈ গৈ কিবা এটা সম্বন্ধ ধৰি মাতিব। দেউতাৰ ৰোগৰ ঔষধ এপালি। কথাই কথাই "আপোনাৰ ঘৰ", "বৰ ভাল ঘৰ" "বৰ মজবুট ঘৰ" এইদৰে ঘৰটো বৰ শলাগিব। তাকেই বেপি থাকিব। দেখিব দেউতা আপোনাৰ তেনেই নিজৰ হৈ পৰিব। আপোনাক এৰিকে নিদিয়া হ'ব।

অখিল—হয়নেকি ? তেন্তে মই আকৌ এতিয়া ভাও দিব লাগিব।

তৰু—আপুনিতো ভাওনা কৰি কৰিয়েই এই বয়স পালেহি। আকৌ এবাৰ কৰি চাওক। আৰু এটা কথা বুজিছে পেহাদেউ, তেখেতক দেখাতহে খঙাল যেন লাগে। আচলতে অতি উদাৰ প্ৰকৃতিৰ লোক।

অ' হেৰি নহয় পেহাদেউ, দেউতা-মাইঁতৰ দেখোন বা-বাতৰিকে নোপোৱা হ'লো ?

অখিল—মই যোৱা শনিবাৰে তইঁতৰ ঘৰলৈ গৈছিলো সকলোটি ভালে আছে। দেউতাৰে হেনো কিবা কথা সুধি প্ৰফেচাৰলৈ চিঠি এখন দিছিল। তইঁতে বোলে তাৰ একো উত্তৰকে নিদিলি ? তইঁতৰ চিঠি হওঁতে পাইছে। তাত বোলে সুধি পঠোৱাৰ কোনো উত্তৰকে নাই। মোৰ হাতত্তে এইবাৰ তাৰ উত্তৰ লেখি চিঠি এখন যেনেতেনে দিবলৈ কৈছে।

তৰু—দেউতাৰ চিঠি পোৱা বুলিতো তেখেতে কোৱা নাই। দেউতাৰ চিঠি পালে নিশ্চয় মোক দেখুৱালেহেঁতেন।

তিখৰ—ঠিকনা ভুল হ'ল হবলা।

অখিল—শহৰেকেনো জোঁৱায়েকৰ ঠিকনা ভুল কৰিবনে ?

তিখৰ—সেইখিনিতেইতো লেঠা।

তৰু—তিখৰকাই মনে মনে থাকাচোন।

(এনেতে বাহিৰত গজাননে গলহেকাৰি মাৰে)

তিখৰ—সেইয়া দেউতা আহিছে।

তৰু—তিখৰকাই ভিতৰলৈ বলা। পেহা, ভয় নাখাব। মই কোৱামতে কৰি যাব। সকলো ঠিক হৈ যাব। মূৰৰ পাগুৰিটো খুলি লওক।

(অখিলে পাগুৰি সোলোকাই মোনাত লয়)

অখিল—মহাদেউ।

গজা—কোন ? মাতটোচোন ধৰিব পৰা নাই।

(লেম্পটো লৈ মুখৰ আগত ধৰে)

কোন হে তুমি ?

অখিল—মই মহাদেউ।

গজা—কাক বিচাৰিছা ? কি লাগে ?

অখিল—মই আপোনাক এবাৰ চাই প্ৰণাম এটা কৰি যাওঁ বুলিহে সোমালো। অৱশ্যে একো বিচাৰি অহা নাই। অকণ আপোনাৰ ঘৰটো চাই যাওঁ বুলিহে আহিলো। কণ আইটীৰ বিয়াৰ পিছত মোৰ পৰিবাৰ কামাখ্যা দৰ্শনৰ কাৰণে গুৱাহাটীলৈ আহিছিল। তেওঁ উলটি গৈ আৰু কেৱল আপোনাৰ ঘৰটোৰ কথাকে কৈ শলাগি থাকে।

গজা—হেঃ হেঃ কি কয় ? তোমাৰ পৰিবাৰে কি কয় ?

অখিল—বোলে ঘৰটি কি 'মজবুত', কি নক্সাৰ, কি কাৰিকৰী। কৈ কৈ ওৰকে নেপেলায় । মই এইবাৰ গুৱাহাটীলৈ অহা দেখি তেওঁ দৰাই দৰাই কৈ পঠিয়াইছে, যেনেতেনে এদিন ক্ষতি কৰি হলেও আপোনাৰ ঘৰটো চাই যাবলৈ ।

গজা—হয়নে ? তুমি ঘৰ চাবলৈকে আহিলানে ?

অখিল—আইৰো বাৰ্তা—গঙ্গাৰো যাত্ৰা । মোৰ হাইকোৰ্টত অলপ কামো আছিল ।

গজা—তুমিনো ক'ৰ ?

অখিল—মই নামতিৰ কণ আইতাৰ পেহাক ।

গজা—(লেম্প লৈ চাই) হোঃ অথনি তুমিয়েই আহিছিলানেকি ?

অখিল—অথনি ? ক'তা মই আহি এইমাত্ৰ সোমাইছোহে ।

গজা—বোৱাৰীৰ পেহাক বুলি চিনাকি দি আৰু এজন মানুহ অথনি আহিছিল । অৱশ্যে মূৰত এটা মথুৰা পাগ মৰা আছিল । তোমাৰ নামটো কি ?

অখিল—মোৰ নাম অখিল নাৰায়ণ দত্ত । ত' হয় হয় কণ আইতাৰ গাঁও সম্বন্ধীয় পেহাক এজনো গুৱাহাটীলৈ আহিছে হয় । মূৰত পাগুৰি থাকেই । তেৱেঁই নিশ্চয় আহিছিল। পিছে তেওঁনো ক'লৈ গ'ল ?

গজা—মই কি বুজ ৰাখিছো ক'ৰ মানুহ ক'লৈ যায় । পিছে সেইজন মানুহৰ লায়কৰ মানুহ নহয় দেই। কথাৰ লাগ বান্ধ নাই। পাগুৰিটোৰ বাহিৰে মূৰত একোৱেই নাই যেন লাগিছিল । তেনেই ওজন নোহোৱা মানুহ। উহ, মূৰত হলে বৈৰাম মথুৰা পাগ। হেৰ' ডাঙৰ পাগুৰি মাৰিলেই ডাঙৰ মানুহ হবনে ? তাৰ মূৰত মগজুৰ সঁচেই নাই । তেনেই গোবৰ বুজিছা—গোবৰ ।

অখিল—হয়নে ? (হাঁহে)

গজা—অ' বোৱাৰী, বোৱাৰী ।

তৰু—(ওলাই আহে) দেউতা ।

গজা—হেৰৌ বৰ আপোন মানুহ আহিছে । এই-ফালে আহ হেৰৌ তোৰ পেহাদেৱেৰ।

তৰু—এ হয়তো পেহাদেউ দেখোন, ইচ্ কেতিয়া আহিল ?

গজা—পিছে পৰেও কথা হবি। এতিয়া চাহ-তাহ কিবা অলপ দে ।

অখিল—হব হব মহাদেউ, মোৰ কথা একো নাভাবিব। আপোনাৰ ঘৰখনৰ কথাই সুকীয়া। সোমোৱাৰ লগে লগে মন-প্ৰাণ একেবাৰে জুৰ পৰি গৈছে ।

গজা—হেৰৌ তিখৰ ?

তিখৰ—(দূৰৰ পৰা) দেউতা !

গজা—ধপাত এচিলিম লৈ আন।

অখিল—সঁচাকৈয়ে মহাদেউ, আপোনাৰ ঘৰটো এটা ঘৰ আৰু। চহৰত কত ধৰণৰ এটাৰ পিছত এটাকৈ ঘৰ উঠি আছে । নাই, আপোনাৰ ঘৰটো ন হলে এটায়ো চেৰ পেলাব পৰা নাই। ঘৰৰ নক্সাই চাবানে, কাৰিকৰীয়েই চাবা। আৰু বেছ মজবুট হৈছে মহাদেউ ।

গজা—এইবোৰ নক্সা কোনে কৰিছিল জানা ?

অখিল—কোনোবা নাম কৰা বিলাত আমেৰিকা পাছ ইঞ্জিনীয়াৰ হব লাগিব । আমাৰ ইঞ্জিনীয়াৰে এনে নক্সা কৰিব নোৱাৰে।

গজা—কি কৈছা ? ইঞ্জিনীয়াৰ ? হেঁৰা সেইবোৰ একো নাজানে সিহঁতে। সিহঁত মহা ধুৰন্ধৰ। হেৰ' বিলাতলৈ যাব লাগিছে কিয়। আমাৰ ডাকৰ বচন ক'লৈ গ'ল—

"দিশ বিদিশ বুজি সাজিয়ো ঘৰ
উৎসাহে চলিবা পাশে নৃপৰ
পূবে হাঁহ পশ্চিমে বাঁহ

উত্তৰে গুৱা দক্ষিণে ধুৱা
দক্ষিণমুখা ঘৰ ৰজা
পুবমুখা ঘৰ প্ৰজা ।"

হেৰা এইবোৰ সজা উপদেশ মানি চলচোন।

অখিল---মহাদেৱে দেখিছো জানিবলৈ একো বাদ ৰখা নাই ।

গজা---এই ঘৰৰ নক্সা মই নিজে কৰা । নিজে আগত থাকি ঘৰৰ কাম চাইছো। খুঁটাবোৰ তোমাৰ পুৰঠ শালৰ খুঁটা। একেবাৰে লো বৰবৰ দুৱাৰ-খিৰিকি। সকলো গমাৰি কাঠৰ । অকাঠি গছ এডালো নোপোৱা।

অখিল---মই দেখিয়েই গম পাইছো মহাদেউ ।

গজা---ঘৰৰ বয়স কিমান হ'ল জানা ?

অখিল---দহ-বাৰ বছৰ ।

গজা---কি কোৱাহে । তুমিও দেখোন সেই কণ আইটীৰ পাগুৰি মৰা পেহাকৰ দৰে কথা কৈছাহে। মাত্ৰ দহ-বাৰ বছৰ ? অহা মাঘত পকা আঠৈকুৰি বছৰ হব। যেনে ঘৰ তেনে আছে। একোকে সলাবলগীয়া হোৱা নাই । হেৰা পইছা খৰচ কৰিলে ডাঙৰ ঘৰ হব পাৰে, ভাল ঘৰ নহয়। ভাল ঘৰ কৰিবলৈ হলে মগজু লাগে মগজু ।

অখিল---সঁচাকৈয়ে বৰ সুন্দৰ হৈছে, পিছে মহাদেউ সেই কোঠাটোৰ খিৰিকিখন অলপ সৰু হ'লনেকি ? সেই আলিবাটৰ ফালৰ খিৰিকি-খনৰ কথা কৈছো ।

গজা---হেৰা! মই জানো খিৰিকিখন ডাঙৰকৈ দিব নোৱাৰিলোহেঁতেন ?

অখিল---কিয় নোৱাৰিলেহেঁতেন ।

গজা---সৰু খিৰিকি ৰখাৰ কথা আছে । পাৰিলে মই খিৰিকি নাৰাখি ফুটা এটাহে ৰাখিলো-হেঁতেন ।

অখিল---কিয়বা !

গজা---সেইখিনিতেইতো ঘৰ কৰিবলৈ মগজু লাগে। বাটৰ কাষৰ খিৰিকিখন ইচ্ছা কৰিয়েই মই সৰুকৈ ৰাখিছো । মই ভিতৰত থাকিলে বাহিৰৰ পৰা কোনো হতশ্ৰী হোৱাই মোক দেখা নাপাব। মই কিন্তু সেই সৰু খিৰিকিখনেৰে এই আলিৰে যিমান ধূৰ্ত, ডগাবাজ, চোৰ-ডকাইত যায় সকলোকে দেখি থাকিম। বুজিলা ?

অখিল---অ' এতিয়াহে মহাদেউৰ কিটিপটো মূৰত সোমাইছে । অতপৰে ভাবিবকে পৰা নাছিলো।

গজা---ভাবিব লাগে---(হাঁহে) ভাবি-চিন্তি কাম কৰিব লাগে বুজিছা ?

অখিল---মহাদেউ, মই তেন্তে এতিয়া উঠোহে । পিছত এদিন আহি আপোনাৰ ঘৰটো আৰু এবাৰ ভালকৈ চাই যাম ।

গজা---কিয় ? তুলি ক'লৈ যাবা ?

অখিল---এটা হোটেলত উঠিবগৈ লাগিল।

গজা---কি ক'লা ? হোটেলত কিয় থাকিবা ? মোৰ ইমানটো ঘৰ পৰি থাকোতে তুমি নিজৰ মানুহ হৈ হোটেলত কিয় উঠিবা। মানুহে শুনিলে মোক কি বুলিব ? মোৰ সুকীয়া আলহী থকা কোঠা আছে নহয়। এইবোৰ হবলা তোমাৰ বিছনা-পাতি ?

অখিল---হয় মহাদেউ ।

গজা---বোৱাৰী, অ' বোৱাৰী ?

তৰু---দেউতা (আহে) কি হ'ল ?

গজা---তোৰ নিজৰ পেহাদেৱেৰে আহিছে আৰু তই আলেঙে আলেঙে ফুৰিছ। পেহাদেৱেৰ যে এতিয়া হোটেলত উঠিবলৈ বিচাৰিছে কথাটো উচিত হবনে ?

তৰু---জানো ?

গজা---কি জানো ? নহা মিতিৰ আপোন বুলি আহিছে মোৰ এইহেন ঘৰ থাকোতে তেওঁ

হোটেলত থাকিব কিয় ? তোৰ বদনাম হব নে মোৰ বদনাম হব। তিথৰৰ হতুৱাই বিছনা-পত্ৰবোৰ আলহী-কোঠালৈ নিয়াৰ ব্যৱস্থা কৰ।

তৰু---নিয়াওঁ দেউতা।

গজা---অখিল, তুমি পিছে এটা বেয়া কাম কৰিলা নহয় ?

অখিল---কি বেয়া কাম কৰিলো মহাদেউ।

গজা---তোমাৰ পৰিবাৰকো লগতে লৈ নাহিলা কিয় ?

তৰু---দেউতাই ঠিকেই কৈছে। পেহীদেউকো লগতে আনিব পাৰিলেহেঁতেন।

গজা---এসাজ লগে-ভাগে দুখী-সুখী হিছাপে একে-লগে খালোহেঁতেন। আৰু মোৰ ঘৰ-বাৰী-খনো দুয়ো ভালদৰে চাই যাব পাৰিলাহেঁতেন। এবাৰ তেওঁকো লগত আনিব। গুৰুজনাই কৈছেই নহয় পুৰুষে-তিৰিয়ে হৈবা একমতি।

তৰু---যোৱাবেলি আহোঁতে পেহীদেৱে পাকে-পতি ঘৰটোকে বখানিলে।

গজা---নবখানিব। যাৰ নজৰ আছে, সি ঘৰ কি বুজে তেওঁ বখানিবই লাগিব। পিছে বোৱাৰী।

তৰু---দেউতা।

গজা---বজাৰ-বেহানি ?

তৰু---তেখেত কলেজৰ পৰা আহকচোন বাৰু ?

গজা---সি-বা আহি পায় কেতিয়া ? হেৰ' তিথৰ ?

তিথৰ---দেউতা।

গজা---বজাৰ কৰিব পাৰিবি ?

তিথৰ---কিয় নোৱাৰিম ? পিছে মাছ হলে নেপাব দেউতা। ওলালেও দৰাবকে ভয় লাগে।

গজা---হেৰৌ মাছ নালাগে।

তিথৰ---তেনেহলে মঙহকে আনিব লাগিবনেকি ?

গজা---আকৌ যদি পাঠি ছাগলীৰ মঙহ আন---হেৰৌ সেইবোৰ আনিব নালাগে, এযোৰ পাৰ চৰাইকে লৈ আহগৈ।

তিথৰ---পাৰ চৰাই এযোৰতনো কি মঙহ পৰিব, এটা হাঁহেই আনিমনেকি ?

গজা---হেৰৌ হাঁহৰ লেকেটা মঙহ কোনে খাব ? ভাল চাই পাৰ এযোৰ আনিবি যা। অখিল ব'লা ভিতৰলৈ যাওঁ। ভালদৰে বহি-মেলি সুত লগাই কথা পাতোগৈ। বোৱাৰী---চাহ মোৰ কোঠালৈকে পঠাবি।

তৰু---পেহাই এই পৰত চাহ-পানী নধৰে নহয়।

গজা---হয়নেকি ? পিছে মোলৈহে পঠাবিচোন।

(অখিল আৰু গজানন এফালে ভিতৰ সোমায়)

তৰু---তিথৰকাই। এই বিছনা-পত্ৰবোৰ আলহী কোঠাত থোৱাগৈ।

তিথৰ---নিওঁ বাৰু। আইদেউ আজি আপুনিহে পেহাক বচালে। নহলে চাপলি মেলিব লাগিলহয়। হোটেললৈ জলকীয়া গুৰি সিঁচা আঞ্জা খাবলৈ।

তৰু---হেই এইটো। দেউতাই গম পালে পচতি পাৰি দিব।

তিথৰ---এহ মোৰ কাহানিবাই সজ হৈছে। দেখিছো লাহে লাহে সজ হৈ আহিছে।

(হাঁড়ি বিছনা আৰু চুটকেছ লৈ যায়)

(আন ফালৰ পৰা বিপুল আহে)

বিপুল---হেৰা আলহী আহিল নে নাই ?

তৰু---আহিল। পিছে আজি আলহীৰ আধ্যা পৰিছিলেই। কথমপিহে ৰক্ষা।

বিপুল---কিয় দেউতাই কিবা বেয়াকৈ ক'লেনেকি ?

তৰু---পিছত কম বাৰু। অ' এটা কথা নহয়, মা-দেউতাই তেনো আমাক বৰ বেয়া পাইছে।

বিপুল---কিয় ?

তৰু---আমি হেনো দেউতাৰ জৰুৰী চিঠিৰ উত্তৰ দিয়া নাই।

বিপুল---ক'তা আজিতো চাৰি-পাঁচ মাহে শহুৰ দেউতাহঁতৰ কাৰো চিঠিকে পোৱা নাই, আমিহে দি আছো।

তৰু---কিন্তু দেউতাই হেনো চিঠি দিছে।

বিপুল---চিঠি দিলে নাপাম কিয় ?

তৰু---চিঠিবোৰ দেউতাৰ মাৰফৎ নাছিল চাগে। দেউতাই হয়তো ঠিকনা ভুল বুলি চিঠিবোৰ উভতাই দিছে।

বিপুল---সেয়ে হৈছে। পিছে এইদৰে চিঠিবোৰ নোপোৱাটো বৰ বেয়া কথা হৈছে দেই। মা-দেউতাহঁতে ভুল বুজাৰ কথাই। কিন্তু তাতোকৈ ডাঙৰ কথা হৈছে যদি চৰকাৰী বা বিশ্ববিদ্যালয়ৰপৰা অহা কিবা চিঠি এনেদৰে উভতি গৈছে।

(তিখৰ বজাৰলৈ যোৱাৰ বেশত মোনা লৈ আহে)

তিখৰকাই, আজি পিয়ন অহা চাইছিলিনে ?

তিখৰ---(কপালত হাত চাপৰ মাৰি) বোপাদেউতা, তেনেই পাহৰিলো। নহয় বোপাদেউতা, মোক কামটোৰপৰা পেঞ্চন দিয়ক। মোৰ ভুল হব। আনক বচাবলৈ যাওঁতে নিজেই ক'ৰবাত মৰিব লাগিব।

বিপুল---এৰা, এইদৰে নহব। এটা কাম কৰা যাওক।

তৰু----কি ?

বিপুল---মই চিন্তা কৰি আছো। মোৰ নাম লিখা চিঠিৰ বাকচ এটা আমাৰ পদূলিত আঁৰি দিয়া যাওক। দেউতাতো আজিকালি বাহিৰলৈ নেযায়েই। বাহিৰত চিঠিৰ বাকচটো থাকিলে চকুত নপৰিব। পিয়নে বাকচত চিঠি দি গ'লে চিঠি আৰু নেহেৰাব।

তৰু---আপুনি যি ভাল দেখে কৰক। মই হলে বিবুধি হৈছো।

তিখৰ---আইদেউ, বজাৰৰ গইছা ?

বিপুল---তিখৰকাই! তই যাব নালাগে। ময়েই পাক মাৰি লৈ আহোগৈ। তই আইদেৱৰক সহায় কৰি দেগৈ।

তিখৰ---(মোনা দি) দেউতাই কিন্তু ভাল চাই পাব চৰাই এযোৰ আনিবলৈ কৈছে।

তৰু----অলপ গৰম মচলাও আনিব।

বিপুল---হব বাৰু। মই আহোঁ দিয়া। বজাৰৰ লেঠা মাৰিহে পেহাদেউক দেখা কৰিম।

(বিপুল ওলাই যায় তৰু ভিতৰ সোমায়)

তৰু---হেৰি দেউতাৰ বাবে Horlicksৰ বটল এটাও আনিব।

তিখৰ---(চিঞৰি) বোপাদেউতা। ভাল পাৰ চৰাই নাপালে এটা ভাল চাই হাঁহকে উঠাব।

(তিখৰ ভিতৰ সোমায়)

আঁৰ-কাপোৰ

এসপ্তাহৰ পিছত

(একে দৃশ্য-সজ্জা। মঞ্চ পোহৰ হোৱাৰ লগে লগে একোছা নৰসিংহ লৈ ভিতৰৰ পৰা গজানন আহে)

গজানন---তিখৰ। অ' তিখৰ।

তিখৰ ---(ভিতৰৰপৰা) গৈছো দেউতা। (আহে) দেউতা!

গজা---হেৰ' এইখিনি বোৱাৰীক দেগৈ।

তিখৰ----এইবোৰনো কি পালে দেউতা ?

গজা---হেৰ' গৰু! চহৰৰ চুৰা খাই খাই নৰসিংহ চিনি নোপোৱা হলি। বাৰীত যে সেইবোৰ ঠাহ খাই আছে দুডাল ছিঙি আনিবলৈ তোৰ আক্‌কেল নহয় হবলা। সিদিনালে আবেলি ভেবেলিলতাই বাৰীখনকে আগুৰি পেলাইছে। সেইবোৰ আনি দিবলৈ তোৰ আজৰি নাই নহয় কেৱল আলুগুটি চিনি পোৱা হলি।

তিখৰ---এপোলা আনিলে দেখোন ?

গজা----অ' এতিয়া একোছাৰ ৰস উলিয়াই জালুক

দুটামান বটি দি জোল অকণ কৰিবলৈ দেগৈ। মাছ আছে যদি অলপ পেলাই দিব। নৰসিংহৰ জোল খালে গাৰ বিষ মৰে। তেজ পৰিষ্কাৰ হয়। বাকীখিনি শুকুৰাই গুৰি কৰি টেকেলি এটাত ভৰাই থবলৈ কবি। বৰ আপুৰুগীয়া বস্তু। লাগ বুলিলে পাবলৈ নাই।

তিখৰ——দেউতা! আইদেউৰ বোধকৰো বন্ধা-বঢ়া হলেই। আজি দেওবাৰ নহয়---বোপা-দেউতাই ছাগলী মঙহ আনি বঢ়ে পুৰাতেই দিলেহি।

গজা——হেৰৌ দেওবাৰ পৰিলেই মঙহ খাব লাগিবনে? তহঁত আটায়ে চাহাব হলি। চাহাবে দেও-বাৰটো ৰাখিছে গিৰ্জাত প্ৰাৰ্থনা কৰিবলৈ আৰু তহঁতে ছাগলীৰ মঙহ গিলিবলৈ। খাৰ-খৰিছা, তহঁতৰ জিভাত নলগা হ'ল। হেই, ভেবা লাগি কি চাই আছ সেইখিনি থ আই-দেৱেৰক মাত—

(উচপ খাই তিখৰৰ প্ৰস্থান)

মাহেকে-পষেকে বা অলপ বন-পাচলিৰ আঞ্জাকে ৰান্ধো। নাই—কতু-টেকীয়া, ঔ টেঙা, খাৰ-খাৰলি এইবোৰৰ গোন্ধকে নোপোৱা হলো। কেৱল ডাইল, মচলা দিয়া ভাজি, আৰু দেওবাৰ পৰিলেই গৰম মচলাৰে ছাগলীৰ মঙহ। হেৰ' পঠাৰ মঙহ নে পাঠীৰ মঙহ খুৱাইছ—জাত-কুল সোপাকে খেদালি।

(তৰু আৰু পাছে পাছে তিখৰৰ প্ৰবেশ)

তৰু—দেউতাই বিচাৰিছিল হেনো?

গজা—মাছ অনা নাই হবলা?

তৰু——নাই।

গজা—মঙহ ৰান্ধিছ।

তৰু——দেওবাৰৰ দিনা----

গজা—দেওবাৰৰ দিনা মঙহ খালে পুণ্য হয়নেকি?

তৰু——(নিমাত)

গজা---পিছে পঠাৰ নে পাঠীৰ?

তৰু——কেলেই পাঠীৰ হব? তেখেতে আগত থাকি কটাই আনিছো বুলিছে।

গজা---হয় হয়। আগত থাকি কটাই আনিছে! তাতকৈ আগত থাকি ৰন্ধাই নানিলে কিয়? আৰু জুতি লাগিলহয়। বোৱাৰী! দুই-এক দেওবাৰে মঙহ নাখালে নহয়নেকি?

তৰু——মই পুতেৰক কম বাৰু।

গজা----এই নৰসিংহখিনি লৈ যা। তাৰে একোছাৰ ৰস উলিয়াই জালুক দুটামান দি মোক এখন আঞ্জা ৰান্ধি দিবি। আলহীকো দিবি।

তিখৰ—দেউতাৰ গাৰ বিষ। নৰসিংহৰ জোলে বিষ মাৰে। বুজিছে আইদেউ?

তৰু——আজি দেখোন ভাজি-ভুজা কেবাখনো হ'ল।

গজা——তাৰ মানে আজি আৰু নাৰান্ধ? মই বাৰীত আগকেইটা ছিঙোতেই চোৱাইছিল। নহলেনো এনেহেন অঁাচোৰটো খাওঁনে? বোলো—"আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধিঃ ঠিক আছে নালাগে ৰান্ধিব। মই নৰসিংহৰ জোলো নাখাওঁ মঙহৰ জোলো নেখাওঁ। মোক সুদা ভাত দিবি। লোণ-তেলেৰেই খাম। এই গৰু! এইবোৰ নি জাবৰৰ দ'মত পেলাই দেগৈ যা।

তৰু——কেলেই দেউতা? মইনো নেৰান্ধো বুলিলো কেতিয়া? তিখৰকাই পাতখিনি ভিতৰলৈ লৈ ব'লা।

তিখৰ——দেউতাই বলে নোৰবাখিনি মোকে চেলেকিবলৈ দিব। (পাতখিনি লৈ যায়। গজাননৰ ফালে উভতি চাই কয়) দেউতা ধপাত!

গজা—মোৰ কোঠালৈকে লৈ আহ।

(তৰু আৰু তিখৰ এফালে ভিতৰলৈ যায়। আনফালে গজানন নিজৰ কোঠালৈ যায়।)

লগে লগে বাহিৰৰ পৰা "বাপুটি" সোমাই আছে। ভিতৰৰ পৰা তিখৰে ধপাত লৈ আছে। বাপুটিক দেখে)

বাপুটি----হেৰৌ আইদেউ আছে নে নাই ?

তিখৰ----এ বাপুটি ! আছে আছে।
আইদেউ ! এই নিমন্ত্ৰণীয়া বাপুটি আহিছে। (এই বুলি তিখৰ গজাননৰ কোঠালৈ সোমাই ধপাত দি আকৌ উভতি আহে। ভিতৰৰ পৰা তৰুও আহে)

তৰু---অ' বাপুটি দেখোন !

বাপুটি---এৰা বিয়া মাতিবলৈ আহিলো আইদেউ।

তৰু---কাৰ বিয়া ?

বাপুটি----কিয় কৃষ্ণনৰ ঘৰৰ ? বিয়াৰ কথা শুনা নাই জানো ? বৰ ল'ৰাই বিজাতি এজনী আনি ঘৰ সুমুৱালেহি নহয়---কেঞ্চাৰীত কিবা ৰেজিণ্টাৰী বিয়া পাতি। এইবাৰ কিন্তু মাক-বাপেকে নিজে ছোৱালী চাই মাজু ল'ৰালৈ বিয়া পাতিছে। হওঁতে হলে বৰ হাউচকৈ বিয়া পাতিছে দেই।

তৰু----হয়নে ?

বাপুটি----এ কৈছেহে আকৌ। যিখন ৰভাচালি দিছে আমাৰ দুখন বিহুৰ ৰাইজ সাঙুৰিব। ইমূৰৰ পৰা সিমূৰলৈকে মণিবকে নোৱাৰি।

তৰু----এৰা, কৃষ্ণনৰ হাউলীও ডাঙৰ নহয়।

বাপুটি---আৰু যে ৰভাখন সজাইছে---কৃষ্ণ কৃষ্ণ কি চাব আইদেউ ! যেন ইন্দ্ৰপুৰী ! কলিকতাৰ পৰা ৰভা সজোৱা মানুহেই যাৰ-যোল্লজন আহিছে। গধূলি লাইট জ্বলালে যে এহ্ চাবলগীয়া হব আৰু। যাবচোন আইদেউ গধূলি এবাৰ ঘুৰাৰ চলেৰে চাই আহিবগৈ।

তৰু----ধনী মানুহ কৰো বুলিলেনো কি কৰিব নোৱাৰে।

বাপুটি----হওঁতে হয়। পিছে কৃষ্ণনৰ মনটিও ডাঙৰ দেই।

তৰু----জীয়েকহঁত আহিছে নে নাই ?

বাপুটি----দুজনী আজি এমাহৰ আগতেই আহিছে। ডাঙৰজনীহে আহি পোৱাহি নাই দেখোন। আহিব। সৰুজনীয়েটো আজি এমাহে জোৰণৰ বস্তু গোটাই উৰাজাহাজেৰে কলিকতালৈ মাকো মাৰিয়েই আছে।

তৰু---জোৰোণৰ সাজ কলিকতাৰ পৰা আনিছে ?

বাপুটি----তাকে নকলোনো কি ? কত ফেশ্যনৰ গহনা, কত ধৰণৰ শাৰী সাজ-পাৰ বুজিছে আইদেউ, জোৰণৰ বস্তু নিবলৈকে হলেও অকলে ২।৪ খন মটৰ গাড়ী লাগিব।

তৰু----আমাৰ কিং খাপ, অসমীয়া পাটৰ ৰিহা-মেখেলা ক'ৰ শিপিনীৰে কৰাইছে ?

বাপুটি---সেইবোৰৰ কথা হলে শুনাই নাই আইদেউ।

তৰু---অসমীয়া গহনা-গাঁঠৰি এৰা ? গেজেৰা, ডুগ-ডুগী আদি-----

বাপুটি----সেইবোৰো কৰা নাই যেন লাগিছে।

তিখৰ---ঢোলবিৰি, থুৰিয়া এৰা ?

তৰু---ৰ'বাচোন কথাই, মিছা-মিছি কথা সুধি নাথাকিবা। অ' বাপুটি অলপ বহা দেই। মই জোলখন নমাই থৈ আহো। আৰু অলপ বিয়াৰ কথা শুনিমহি। বিয়াৰ আয়োজনৰ কথা শুনি গহনা-গাঁঠৰি, সাজ-পাৰবোৰ চাওঁ চাওঁ লাগিছে----

বাপুটি----যাব যাব সেইবোৰ চাবলৈকে ডঠেলি চোৱা মানুহৰ দৰে আইসকলৰ সোঁত বৈয়ে আছে। মাজু জীয়েকৰ পুৱাৰ পৰা গধূলি লৈকে সেইবোৰ দেখুওৱাই কাম হৈ পৰিছে।

তৰু----বাৰু বহা দেই তিখৰকাই মুঢ়া এটা আগবঢ়াই দিয়া। (তিখৰে দিয়ে। তৰু যায়)

তিখৰ---বাপুটি ! বিয়াৰ জা-জলপান শকতেই হব কিজানি।

বাপুটি——এঃ কৈছাহে । লুচি, ডালি, তৰকাৰী, অম্বল, দৈ, ক্ৰীম—জোনে যি খায় সেইবোৰতো আছেই তাৰ উপৰিও কলিকতাৰ পৰা মিঠাই কৰা কাৰিকৰ আনিছে । এতিয়াৰ পৰাই চাহ-জলপান চলিয়েই আছে ।

তিখৰ——বাপুটিয়ে কিজানি ঘৰ-বাৰী এৰি তাতেই সত্ৰ পাতিছে ।

বাপুটি——আজি প্ৰায় এমাহে˙˙

তিখৰ——এমাহৰ পৰাই চলাইছে।

বাপুটি——এঃ নহয়হে । আজি এমাহে মানুহকে মাতি শেষ কৰিব পৰা নাই। আঁঠুৰ জোৰা লৰি গৈছে ।

বাপুটি--দূৰৰবোৰ শেষ কৰি কালিৰ পৰাহে ওচৰৰ-খিনি ধৰিছো । বিয়াও পাতিছে দিয়া । বিয়াত হেনো মিলিটেৰী বেণ্ড পাৰ্টিও আহিব ।

তিখৰ——বাপুটি । ডাঙৰ মানুহৰ ঘৰৰ বিয়াত হেনো নঙলামুখত টেকেলা ৰাখে। যাকে-তাকে বোলে সোমাবকে নিদিয়ে ? হয়নে ?

বাপুটি——ছেঃ নিমন্ত্ৰণ কৰা মানুহক আকৌ বাটত আগুৰিব কিয় ? (ভিতৰৰ পৰা গজানন আহে)

গজানন——তিখৰ ! কাৰ লগত বকলা মেলিছ হোঃ। অ' আমাৰ বাপুটি দেখোন ! পিছে আজি কাৰ হাজিৰা মাৰিছা ?

বাপুটি——ফুকনৰ ঘৰৰ বিয়াৰ দেউতা ।

গজা——ল'ৰাৰ নে ছোৱালীৰ ?

বাপুটি---মাজুটি ল'ৰাৰ ।

গজা——অ' ডাঙৰটিয়েটো কেছাৰীতহে বিয়া পাতিলে ।

বাপুটি---হয় দেউতা। এইবাৰ কিন্তু ফুকন-ফুকননীয়ে নিজে চাই ছোৱালী পছন্দ কৰিছে।

গজা——ছোৱালীৰ ঘৰ ক'ত ?

বাপুটি——শিৱসাগৰত—পিছে ছোৱালী আমাৰ চান্দ-মাৰীৰ মোমায়েকৰ বঙলাৰ পৰাই দান কৰিব ।

গজা——ইমানখিনি ভাটিয়ালেই যেতিয়া ফুকনৰ ঘৰতে ৰাখি নাপাতিলে কিয় ? একেখন ৰভাৰ তলিতে একে জা-জলপানেৰেই কামটো সামাধা হলহেঁতেন। বাপুটি। মই এইবোৰ পছন্দ নকৰো । পিতৃ-মাতৃৰ ঘৰাই ভিঠাৰ পৰা কইনা দান হব লাগে । সেয়েহে আমাৰ সাতামপুৰুষীয়া দস্তুৰ । পিছে বিয়া কেতিয়াকৈ ?

বাপুটি——অহা শুকুৰবাৰে ।

তিখৰ——বিয়ালৈ বোলে পকা-মিঠে কৰা কলিকতীয়া কাৰিকৰ আনিছে ।

গজা——তোৰ হবলা জলপানৰ কথা শুনি জিভাৰ পানী ৰাখিব নোৱৰা হৈছ । পিছে, বাপুটি, জোৰোণ কেতিয়া ?

বাপুটি——একেদিনাই জোৰণো, বিয়াও ।

গজা——হাতী মাৰি ভুকুকাত ভৰাব খুজিছে ।

বাপুটি——আজিকালি দেউতা এই দস্তুৰ চলিছেই।

গজা——চলিছে বুলিয়েই চলাবানে ? আমাৰ জানো এটা ঐতিহ্য নাই—এটা ৰীতি-নীতি নাই। আজিকালিতো বহুত ধৰণেই চলিছে ।

গজা——মালা-বদল, ৰেজিষ্টাৰী, কুটাৰী—

বাপুটি——দেউতা ! এই ক্ষিটাৰী নে কি বুলিলে ?

গজা——এই তোমাৰ কটকটিত বহি পিছত কইনা তুলি লৈ গ'লেই—হৈয়েই গ'ল বিয়া—হেৰা এইবোৰ চলিল বুলিয়েই চলিব দিবানে ? সেইয়া শুনিলাই নহয় কইনা বোলে শিৱ-সাগৰৰ পৰা আহি চান্দমাৰী পালেই । তেতিয়াহলে কইনায়ে সাজি-কাচি আহি দৰাক বিয়া কৰাই লৈ নাযায় কিয় ?

বাপুটি——হওঁতে দেউতাই সজ কথাকে কৈছে ।

গজা——ক'লে কি হ'ব ? শুনে কোনে ?

(বাপুটিয়ে মোনাৰপৰা তামোল-পাণ দুখিলা-মান উলিয়াই সক বটা এটাত শৰাই চাক-নিয়ে চিঠি পিন মাৰি আগবঢ়াই দিয়ে)

বাপুটি—দেউতা এইয়া ফুকনৰ ঘৰৰ বিয়াৰ নিমন্ত্ৰণী।

গজা—অ' এইটো ৰটা লৈ বিয়া পাতিবলৈ আহিছা। ক'ত্তা তামোল-পাণ কেইটাৰ মূৰকেইটাও দেখোন চিকুণোৱা নাই। পাণকেইপাট ক্যালেণ্ডাৰ ভাৰৰ পৰা নোধোৱা-নোমোচাকৈ পঠিয়াইছে। বৰ বিয়াখন পাতিছে দিয়া। পিছে, নিমন্ত্ৰণী চিঠিত কাৰ নাম আছে ?

বাপুটি—এইবোৰ নিমন্ত্ৰণী চিঠিত নাম-ধাম একো নাথাকে নহয়। কেৱল বিয়াৰ দিন, তাৰিখ জানিবলৈহে দিয়ে। একেখন চিঠিকেই সকলোকে দেখুৱাই যাম।

গজা—তাতকৈ মই এটা সজ উপায় দিওঁ সেইটো কৰা।

বাপুটি—কি দেউতা ?

গজা—এটা ঢেপাঢোল কোবাই আলিবাটে-আলিবাটে চিঠিখন পঢ়ি কৈ নোযোৱা কিয় ? ঘৰে ঘৰে সোমাই কষ্ট কৰাৰ কি ফয়দা আছে।

বাপুটি—দেউতা !

গজা—পিছে বিয়াতনো মাতিলা কাক ?
(তৰুৱে হাত মচি মচি লৰি আহি শহুৰেকক দেখি দূৰতে থমকি ৰয়)

বাপুটি—আপোনালোকৰ ঘৰক—আপোনাক, আপোনাৰ পো-বোৱাৰী, নাতি-পুতি—

তিখৰ—লণ্ডৱা লিক্‌চৌ

গজা—হেই এইটো মনে মনে থাক। আপোনালোকৰ ঘৰ মানে কি ? ফৰ্দি আনিছা ?

বাপুটি—আনিছো। ফৰ্দি এখন নোলোৱাকৈ এনে দায়িত্বৰ কাম কিবা মুখে মুখে কৰিব পাৰিনে ? ফৰ্দি আছে দেউতা।

গজা—চাওঁ, ফৰ্দিখন উলিওৱাচোন—ফৰ্দিত বা আমাৰ নাম আছেনে নাই।

বাপুটি—এইখন ফৰ্দি।

গজা—মাতি যোৱাচোন—

বাপুটি—গোটেই ফৰ্দিখন মতাৰ কথা কৈছে নে এই চুবুৰিটোৰ নামখিনি মাতিলেই হব।

গজা—এই চুবুৰিটোৰ নামখিনিকে মাতচোন।

বাপুটি—শুনিব দেউতা—

১। সূৰ্যৰাম দাস—দাৰোগাৰ ঘৰ।
২। হৰকান্ত শৰ্মা—কেৰাণীৰ ঘৰ।
৩। মুহিধৰ বৰা—পেস্কাৰৰ ঘৰ।
৪। মুকুণ্ড ৰাম বৰুৱা—ঠিকাদাৰৰ ঘৰ।

গজা—বিনন্দ বৰুৱাৰ কি হ'ল ?

বাপুটি—তেখেত দেহান্তৰী হল।

গজা—বাৰু মাতি যোৱা।

বাপুটি—৫। অপূৰ্বৰাম চৌধাৰী—উকীলৰ ঘৰ।
৬। বিপুল হাজৰিকা—প্ৰফেচাৰৰ ঘৰ।
(লগে লগে তৰুৱে জিভা মেলি মুখ ঢাকে)
হেইয়া নকৈছো, আপোনালোকৰ ঘৰৰ নাম ফৰ্দিত বাদ পৰিব পাৰেনে ?

গজা—কোন হাজৰিকাৰ ঘৰ বুলিলা ?

বাপুটি—বিপুল হাজৰিকাৰ ঘৰ।

গজা—বিপুল হাজৰিকাৰ ঘৰ ? বিপুল হাজৰিকাৰ ঘৰ ক'ত আছে ?

বাপুটি—কিয় বোপাৰ নাম জানো বিপুল হাজৰিকা নহয় ?

গজা—গজানন হাজৰিকা মৰিলিনেকি ? গছতকৈ গজালি ডাঙৰ হ'ল ? বাপুটি—

বাপুটি—মোক যিদৰে ফৰ্দি কৰি দিছে সেইমতে মাতি ফুৰিছো। মোৰ জগৰ নধৰিব দেউতা।

গজা—তোমাৰ জগৰ ক'ত ? তুমি হাজিৰা কৰা মানুহ। য'তে ত'তে তামোল-পাণখিনি ছটিয়াই ফৰ্দিখন উভোতাই দিব পাৰিলেই তোমাৰ হাজিৰা গজিল। তোমাৰ দায়িত্বও নাই জগৰো নাই। কিন্তু ফুকন জনা-শুনা মানুহ। জনা-শুনা মানুহ হৈ এইখন ফৰ্দি কৰিছে। নীতি-নিয়ম সকলো গ'ল।

টেমি হেন বটা এটা দি বিয়া মাতে .। তামোলকেইটা থুৰিয়া নাই। ঘৰৰ মানুহ এজন লগত নাই। এইদৰে বিয়া মাতিছে। ফন্দি ভুল বুলি কৰা। দেশ-দস্তুৰ মতে বিয়া মাতিব নোৱাৰিলে কেছ্‌ৰিত বিয়া পাতিবলৈ দিবা। খৰচ-পাতিও কমিব, নীতি-নিয়ম পালন কৰাৰো প্ৰয়োজন নহব। (তিখৰে গজাননৰ কথাত হয়ভৰ দি যাব) বাপুটি! যোৱা তামোল-পাণ উভতাই লৈ থোৱা। ফুকনক কবা এই ফন্দি ভুল।

বাপুটি——হয় দেউতা।

(সেমেনা সেমেনি কৰি প্ৰস্থান)

গজা——বিয়া পাতিছে। বিয়া পাত, সবাহ পাত পাতি থাক। কিন্তু লোকক অপমান কৰি-বলৈ যাব কিয় ?

তৰু——দেউতা, কি হৈছে ?

গজা——বাপুটিয়ে ফুকনৰ ঘৰৰ বিয়া মাতিবলৈ আহিছিল তামোল-পাণ ওভোতাই দিছো।

তৰু——কিয় দেউতা ?

গজা——ভুল ফন্দি এখন দি হাজিৰা খোৱা মানুহ পঠাই বিয়া মাতি বৰ মানুহ বোলাবলৈ আহিছিল।

তিখৰ——বেছ কৰিছে দেউতাই। এইবোৰ পাবত গজা মানুহ।

তৰু——তামোল-পাণ উভোতাই নিদি বিয়ালৈ নগ-লেই হলহেঁতেননেকি ?

গজা——বোৱাৰী! সঁচা কথা খোলোচাকৈ কব লাগে। মুখত এটা পেটত এটা দস্তুৰ ভাল নহয়। ই আপোচ। আপোচ কৰি কৰিয়েই অসমীয়া জাতিটো ৰসাতলে গৈছে। মই ভুল দেখি সহ্য কৰি থকা মানুহ নহয়। মই ছখন মুখেৰে কথা চোবোৱা গজানন হাজৰিকা নহওঁ—মই এক মুখৰ এক কথাৰ গজানন হাজৰিকা।

(বেগেৰে প্ৰস্থান। তিখৰ সাউৎকৰে ভিতৰ সোমায়। তৰু কিংকৰ্তব্যবিমূঢ় হৈ চাই থাকে। মঞ্চ এন্ধাৰ হয়) Fade out

Fade in

(অলপ পিছত মঞ্চ পোহৰ হয়। তিখৰে হামিয়াই হিক্‌তিয়াই থাকে)

তিখৰ——উস্ আজি দেখোন বৰকৈ টোপনি ধৰিছে। দিন-দুপৰতে এইকাল টোপনিয়ে জোকাবহি পায়নে ?

তৰু——(ভিতৰৰ পৰা) অ' তিখৰকাই!

তিখৰ——কি হ'ল আইদেউ।

তৰু——মই তোমাক বিচাৰি ফুৰিছো। তুমি ইয়াত বহি আছাহি।

তিখৰ——নহয় আইদেউ, আজি দেখোন গাটো কিবাকিবি লাগিছে। চকু দুটা মেলি থাকিবই পৰা নাই। টানি টানি নিছে। আইদেউ, নৰসিংহৰ জোল খালে নিচা ধৰে-নেকি ?

তৰু——ইচ্ এতিয়া নৰসিংহৰ গাত লাগিল। এদোণ চাউলৰ ভাত অকলে গিলিলে গা গধুৰ লাগিবই। ঘৰটো সাৰি-পুচি থবা দেই। আলহীৰ কোঠাটোও সাৰি থবা।

তিখৰ——হব আইদেউ। এক দণ্ড কাল ভাগৰ মাৰিয়েই সকলো ঠিক কৰি পেলাম। আপুনি চিন্তাই নকৰিব।

তৰু——বাৰু, দেউতাক ধপাত দিলা ?

তিখৰ——দেউতাক দিলো। দেউতাই আৰাম কৰি আছে। কোনো চিন্তা নাই—ঠিক আইদেউ। (তৰু ভিতৰ সোমায়। তিখৰে বেঞ্চতে দীঘল দিয়ে আৰু একান্তমনে গায়—)

"বুঢ়া ভাই হৰি গুণ গাই নাচা

বুঢ়া ভাই

হৰিগুণ গাই নাচা।"

বুবুল——ককাই সেইটো কি গীত গাইছা ?

তিখৰ—অ' বুবুল, তোমাক কিয় ? মই বুঢ়া মানুহ।

তিখৰ—বুঢ়া মানুহৰ গীত গাইছো।

বুবুল—চিনেমাৰ গীত গাব জানা ?

তিখৰ—ইচ্ চিনেমাৰ গীত ? মোৰ লাজ লাগে। সেইবোৰ অবাইচ গীত।

বুবুল—বাৰু তোমাৰ গীতটোকে গোৱাচোন—

তিখৰ—বুঢ়া ভাই হৰি গুণ----(গীত গায়)

বুবুল—অ' মই বুজিছো। মই কৈ দিম।

তিখৰ—কি বুজিছা ? কাক কৈ দিবা ?

বুবুল—ককাদেউতাক!

তিখৰ—কি ক'বা ?

বুবুল—তুমি ককাক লগাই লগাই গীত গাইছা। মই কৈ দিম। মজাপালি দিব।

তিখৰ—টুটকীয়া কথা নলগাবা দেই। দেউতাক লগাই গীত গাবলৈ মোৰ কি হৈছে ? এইবোৰ গীত আমাৰ গঞা মানুহৰ মুখে মুখে। এই-বোৰ ভকতীয়া গীত (কাগজ ফলা দেখি) অ' এইবোৰ কি কৰিছা ? কাগজবোৰ ফালি ঘৰটো লেতেৰা কৰিছা কেলেই। আইদেৱে এইমাত্ৰ সাৰি চাফা কৰিবলৈ কৈ গৈছে—তুমি আকৌ আহিছা কাগজ ফালি লেতেৰা কৰিবলৈ। এইবোৰ উৎপাত ভাল নহয় দেই।

(এনে সময়তে গজানন সোমাই আহে। দুয়োৰে তালৈ ভ্ৰূক্ষেপ নাই)

বুবুল—মোৰ খুচি। আৰু লেতেৰা কৰিম যোৱা। কি কৰিবা। মোৰ ঘৰ মই যি কৰো তোমাৰ কি।

গজা—কাৰ ঘৰ বুলিলি বুবুল ?

বুবুল—চোৱাচোন ককা! তিখৰকায়ে তোমাক লগাই লগাই কি গীতবোৰ গাইছে।

গজা—সেইখন বিচাৰ পিছত হব। কিন্তু তই কি কৈছিলি ? এইটো কাৰ ঘৰ বুলিছিলি ?

বুবুল—তিখৰকায়ে বেয়া গীতবোৰ গাই আছে আকৌ।

তিখৰ—মই দেউতা—

গজা—তই মনে মনে থাক। বুবুল, তই এইটো কাৰ ঘৰ বুলি কলি ? এইভাল দেখিছ ? কাৰ ঘৰ বুলিছিলি ?

বুবুল—মোৰ ঘৰ, মোৰ ঘৰ যোৱা।

গজা—কাৰ ঘৰ ?

বুবুল—মোৰ ঘৰ—মোৰ ঘৰ—মোৰ ঘৰ।

(চিঞৰি লৰ মাৰে)

গজা—বু—বু—ল------

তৰু—(বেগাই সোমাই আহি) কি হ'ল দেউতা ? (কোনেও নেমাতে—নিতাল। তৰু বিবুধি হয়)

গজা—বোৱাৰী!

তৰু—দেউতা।

গজা—বুবুলক এইবোৰ কথা কোনে শিকালে ?

তৰু—কি কথা দেউতা ?

গজা—এখন ঘৰৰ ল'ৰা-ছোৱালীৰ মাত কথা, আচাৰ-ব্যৱহাৰৰ পৰাই সেইখন ঘৰ কেনে বুজিব পাৰি। নহয় জানো ?

তৰু—মই একো বুজি পোৱা নাই দেউতা। তিখৰকাই কি হৈছে। (তিখৰে একো নামাতে। মাথোঁ চকুৰে গজাননৰ ফালে দেখুৱায়)

গজা—অতি কষ্ট কৰি বিপুলক মই পঢ়ুৱাই-শুনাই প্ৰফেচাৰ কৰিলো। ভাল ঘৰৰ ছোৱালী বুলিয়েই তোকো মই বোৱাৰী কৰি আনিলো। কিন্তু কি হ'ল ? কি ফল ফলিল ? ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰা সি তাৰ মুখত এনে কথা ওলাল কেনেকৈ ? ঘৰত এজন আলহীও আছে। তোৰেই অওহী-বওহী। কিন্তু ল'ৰাৰ মুখত এনে গৰ্হিত কথা শুনিলে এইখন ঘৰৰ বিষয়ে তেওঁ কি ধাৰণা লৈ উভতিব। তোকতো বেয়া

নোবোলে । মোকহে কচিহীন, অশিক্ষিত বুলি বংশৰ কুৎসা ৰটিব ।

তৰু——বুজিলো দেউতা । বুবুলে কিবা নকৰলগীয়া কথা ক'লে । নালাগে আৰু তাক পচুৱাব । পুতেকক কৈ তাৰ নামটো স্কুলৰপৰা কটাই দিয়াওক । আজিকালি স্কুলবোৰলৈ ল'ৰা পঠালেই সমূলি নষ্ট হয় ।

গজা——ঘৰৰ ল'ৰাহে স্কুললৈ যায় । সি ল'ৰাঘৰতে বেয়া—সি স্কুলত গৈ ভাল হয় কেনেকৈ ? মই বৰ আচৰিত হৈছো——এইটো কেনেকৈ হবলৈ পালে । মোৰ মুখৰ ওপৰত এনে এষাৰ কথা কবলৈ সি সাহস পালে ক'ৰপৰা ?

তৰু——সি বাৰু কি ক'লে দেউতা কওকচোন । মই তাক সুদাই নেৰো ।

গজা——তিখৰ !

তিখৰ——দেউতা ।

গজা——বুবুলে মোৰ মুখৰ ওপৰতে এইটো তাৰ ঘৰ বুলি নকলেনে ? (তিখৰে মূৰ দুপিয়ায়)

তৰু——দেউতা আহক । আজিয়েই সকলো ঠিক কৰিম । কলেজৰ প্ৰফেচাৰ হলেই হ'লনে ? নিজৰ ল'ৰা যে ইফালে থিয়ৈ থিয়ৈ ৰসাতলে গৈছে তাৰ হুলে হুচ নাই ।

গজা——তহঁতৰ ল'ৰা । তহঁতৰ যি মন যায় তাকেই কৰিবি । মোৰ তাত মাতিবলৈ কিটো আছে । কিন্তু মই ভালদৰে বুজিছো এইখন ঘৰত মোৰ আৰু আদৰ নাই । মোৰ মতে কোনেও নচলে । মই মোৰ নিজৰ ঘৰতে দূৰৰ আলহী হৈছো । নালাগে—মোৰ কথা কোনেও শুনিব নালাগে । সন্ধিয়াৰ কাৰণে মোৰ বাবে একো ৰান্ধিব নালাগে । মই আজিৰ পৰা ভাতকে নাখাওঁ ।

তৰু——ভাত আকৌ নাখাব কিয় ? আমিনো বাৰু আপোনাৰ কি দায় লগালো । আপোনাৰ নাতি—তাক পোনাবলৈ আপুনিয়েই দুছাট ভালকৈ নোসোধালে কিয় ?

গজা——নালাগে, নালাগে । মোৰ কাৰণে কোনেও ভাবিব নালাগে । ময়ো আৰু কাৰো কাৰণে কেতিয়াও নাভাবো । নিজৰমতে সকলো চলি যাবি । মই ভাত নাখাওঁ বুলিছো নাখাওঁ ।

তৰু——এনে ল'ৰা মৰি গলেই ভাল আছিল । ঘৰখনৰ সি শান্তি নোহোৱা কৰিলে । ক'লৈ গ'ল সি— (বেগেৰে প্ৰস্থান)

গজা——তিখৰ !

তিখৰ——দেউতা ।

গজা——মোৰ সেই মূৰত লোৱা তেলটো আনচোন । মোৰ চকু দুটাৰে ধোঁৱা-কোঁৱা দেখিছো । প্ৰেচাৰ বেছি হৈছে যেন পাইছো ।

(তিখৰে লৰি গৈ তেলৰ বটল আনি তেল ঢালি দিয়ে । গজাননে মূৰত লয়—এনেতে অখিল বাহিৰৰপৰা আহে ।)

অখিল——মহাদেউ, কি হৈছে ? গা অসুখ কৰিছেনেকি ?

গজা——আজি গাটো বৰ ভাল নহয়হে । প্ৰেচাৰ বাঢ়িছে যেন পাইছো ।

অখিল——আজি বতৰটোও ডাৱৰীয়া । ডাৱৰীয়া বতৰত প্ৰেচাৰ থকা মানুহৰ গাটো অলপ বেয়া লাগেই মহাদেউ ।

গজা——পিছে, তুমি দুপৰীয়াৰ সাজ খায়েই ক'লৈ ঢাপলি মেলিলা ? তোমাক বিচাৰিছিলো । বোৱাৰীয়ে কলে, ওলাই গ'লা ।

অখিল——এইকেইদিন কামত ব্যস্ত থাকিলো নহয়—সেয়ে আজি অলপ সময় পাই নগৰখনকে এপাক চাই আহিলো । গুৱাহাটীখন যে কিমান বাঢ়িছে নেদেখিলে অনুমানকে কৰিব নোৱাৰি ।

গজা——গুৱাহাটী নগৰৰ কথা কৈছা ? ভাদৰ কলিগাই ভালৈ জগা নাই । এইখন নৰকত

পৰিণত হব।

অখিল—মহাদেউ, কাইলৈ পুৱাৰ বাছত ঘৰলৈ উভতো বুলি ভাবিছো।

গজা—কিন্তু, তোমাৰ কাম-কাজবোৰৰ লেঠা মৰিল জানো?

অখিল—এক প্ৰকাৰ গাত লাগিছে। আজি এসপ্তাহেই থাকিলো। আপোনালোকৰ নো আৰু কিমান আমনি দিম?

গজা—কিহৰ আমনিহে। তোমাৰ দৰে দহগণ্ডা আলহী ৰাখিবলৈ একো আমনি নাই। নিজৰ দৰে আছা খাইছা। বদ অভ্যাসো একো নাই। পিছে হেৰি নহয়—তুমি জানো মোৰ ঘৰ-বাৰীখন ভালদৰে চালা?

অখিল—অ' চালো। কণ আইটীয়ে আৰু প্ৰচাৰে মোক সকলোবোৰ দেখুৱাইছে।

গজা—সিহঁতে কি দেখুৱাবহে! সিহঁতে মোৰ এই ঘৰ-বাৰীৰ কথা কি জানে? ঘৰখনত সিহঁতে এটা গজাল মাৰি পাইছেনে? বাৰীখনত ক'ৰবাত এডাল জলকীয়াকে বাৰু রুইছেনে? সিহঁতে কি দেখুৱাব।

(এনেতে তৰুৱে বুবুলক হাতত ধৰি লৈ আহে)

তৰু—ক, ককাৰ আগত কাণত ধৰি ক—এনে কথা কেতিয়াও আৰু নকওঁ বুলি।

বুবুল—ককা তুমি ভাত নাখালে ময়ো নাখাওঁ।

গজা—মই নেখাওঁ বুলিছো নাখাওঁ, তোৰ কি হ'ল?

তৰু—ককাৰে ভাত খায় নাখায় তাত তোৰ কি হ'ল? তোক যি কবলৈ কৈছো তাকে ক। ক, মই কেতিয়াও আৰু এনে কথা নকওঁ।

বুবুল—(নিমাত)

তৰু—(বুবুলৰ গাত ধৰি) কবি নে নকৱ?

ববল—(কান্দি কান্দি) ককা আৰু নকওঁ।

গজা—নকৱ? বাৰু এইটো কাৰ ঘৰ?

বুবুল—ককাৰ ঘৰ।

গজা—কাৰ ঘৰ বুলিলি?

বুবুল—ককাৰ ঘৰ।

তৰু—তোৰ ঘৰ বুলি আৰু কবি নে নকৱ?

বুবুল—নকওঁ।

(অতপৰে অখিল নিবুধি। কথাটো বুজি হাঁহে)

অখিল—অ' বুবুলে হবলা এইটো তাৰ ঘৰ বুলি কৈছিল। হেৰৌ এইটো ককাৰহে ঘৰ। বাপেৰৰো নহয়, মাৰৰো নহয়, তোৰো নহয়। দেউতাৰে পাৰে যদি এনে এটা ঘৰ সাজকচোন। মহাদেউ, হস্তীৰো পিছলে পাৰ, সজ্জনৰো বুৰে নাও। সক ল'ৰা। জিভা পিছল খালে। তাৰ ওপৰত ৰোষ নাৰাখিব।

গজা—এঃ, মই গোটেই তাৰ কথাটোতে ধৰি আছো। বোৱাৰী! বুবুলৰ মুখখন শুকাই যোৱা যেন দেখিছো। মোৰ কোঠাৰ মেজতে "হৰলিক্স" আছে। এগিলাছ তাক ভালদৰে গুলি দেগৈ। বংশৰ ভৱিষ্যৎ—তাক ভালদৰে লাৰি-চাৰি সাৰ-জাবৰ দি থাকিলেহে—কি কোৱা অখিল।

(তৰুৱে বুবুলক লৈ যায়)

অখিল—আপোনাৰ মতৰ ওপৰতনো আৰু কিবা মাত মাতিবলৈ সুৰুঙা থাকে জানো? হেঃ হেঃ হেঃ

গজা—ৰবা, ৰবা। তুমি পিছে কাইলৈ যাবলৈকে ওলালা?

অখিল—হয় মহাদেউ। বাছৰ টিকট কৰি আনিলোৱেই। পুৱা ৬-৪৫ বজাত বাছ এৰেই।

গজা—এহ্ ততাতৈয়াকৈ টিকট কৰিব নালাগিছিল। ৰ'বা, এতিয়াই মোৰ ঘৰ-বাৰীখন তোমাক এবাৰ ভালদৰে দেখুৱাই লওঁ। অ' মোৰ ঘৰৰ নক্সা এখন কৰি লৈছা নে' নাই?

অখিল—মোটামুটিভাৱে মনতে পাগুলি লৈছো ।

গজা—নহয়, নহয় । কামৰ মানুহ । মুৰকত সকলো পাহৰি যাবা । মোৰ আলমাৰীত পুৰণি নক্সা আছে । তাৰ পৰা উলিয়াই দিম । নক্সাখন পিছত বহি, কৰি লবা ।

অখিল—হৰ মহাদেউ । (গজানন উঠে । অখিলো উঠে)

গজা—এইফালে আহা—সন্মুখৰ সীমা হৈছে তোমাৰ সৌ জামুডালৰ পৰা ইফালে সৌ ঔ জোপালৈ । (আকৌ ইমূৰলৈ ঘূৰি) এইফালে চোৰা-সৌ যে নাৰিকলৰ লানি দেখিছা সেয়ে মোৰ পাছফালৰ সীমা । আগফালে ১০০ ফুট পিছফালে ১১২ ফুট । বাৰি যোৱা । বাৰীত তোমাৰ কুঁজি ঠেকেৰাৰ পৰা আৰম্ভ কৰি আম, কঁঠাল, লেতেকু, পনিয়ল, জৰা টেঙা ।

(এজন পিয়ন সোমাই Letter box চিঠি দিয়ে)

গজা—সেইটো আকৌ কোন ? হেৰা তোমাক কি লাগে ? ক'ৰ মানুহ কি বিচাৰিছা ?

পিয়ন—মই চৰকাৰী পিয়ন ছাৰ ।

গজা—"ছাৰ" ! কি ছাৰ চেলাবলৈ আহিছাহে ? মই তোমাৰ মাষ্টৰ আছিলোনেকি ?

অখিল—আজিকালি ডাঙৰক "ছাৰ" কয়েই মহাদেউ ।

গজা—কিয় ক'ব । ছাৰ কিয় কব । হেৰা, তাত কি কৰিছা ? জেওৰাৰ কামি উলিয়াইছানেকি ?

পিয়ন—ডাকত অহা চিঠি থৈছো ।

গজা—কিহত থৈছা ?

পিয়ন—কিয়, Letter box ।

গজা—কি, তোমালোকে চৰকাৰী চিঠিৰ বাকচ আনি মোৰ নঙলাত আঁৰিছা ? কি মস্কিল । কি উন্তুগুলি ।

পিয়ন—চৰকাৰী চিঠিৰ বাকচ নহয় । প্ৰফেচাৰ বিপুল হাজৰিকাৰ চিঠিৰ বাকচ ।

গজা—কোনে তাত এই চিঠিৰ বাকচ আঁৰিছে ?

পিয়ন—আপোনালোকৰ কোনোবাই আঁৰিছে । আমি চিঠি দিয়া মানুহ, চিঠি দিছো । সেইবোৰ আমি কি জানো ? (যায়গৈ)

গজা—দেখিলা অখিল ? কি ভয়ানক কাণ্ড হ'ব ধৰিছে ? সি তাৰ নামত চিঠিৰ বাকচ আঁৰিছে । ইয়াৰ অৰ্থ কি ? এইটো তাৰ ঘৰ । দেখিলা তাৰ ইমান সাহ ? তলে তলে সিহঁত কিমান বাঢ়িছে দেখিলা । সি মোৰ ঘৰত তাৰ নামৰ Letter box আঁৰে । মই জীয়াই থাকোঁতেই সিহঁতৰ অত অত-পালি । মই মৰিলে সিহঁতে মোৰ ঘৰৰ চিন-চাব, নাম-গোন্ধ নোহোৱা কৰি দিব ।

অখিল—মহাদেউ আপুনি ইমান বিহ্বল হৈছে কিয় ?

গজা—মোৰ ঘৰৰ নঙলামুখত বিপুল হাজৰিকাৰ নামৰ Letter box আঁৰাৰ অৰ্থ কি ? তাৰ মানে মই গজানন হাজৰিকা মৰিলো । সিহঁতে মোক জীয়াই জীয়াই দাহ কৰিলে ।

অখিল—মহাদেউ, অলপ শান্ত হওকচোন । আপোনাৰ প্ৰেচাৰ আছে ।

গজা—ঘোৰ ষড়যন্ত্ৰ । মোৰ বিপক্ষে ইহঁতৰ ই মোৰ ষড়যন্ত্ৰ । মই এতিয়াহে বুজিছো—বুবুলে এখনি এইটো তাৰ ঘৰ বুলি কবলৈ ক'ত সাহস পালে । এইবোৰ মই ফেঁটি-সাপ পুহিছো । ই বেদখল—মোৰ ঘৰত বেদখল—মোৰ সম্পত্তিৰ ওপৰত বেদখল । মই কেতিয়াও সহ্য নকৰো ।

(লাহে লাহে আগুৱাই যায়)

অখিল—মহাদেউ, মহাদেউ !

গজা—মই জীয়াই থাকোতে মোৰ ঘৰত বেদখল । নহব নহব মই কেতিয়াও হবলৈ নিদিওঁ ।

এইটো মোৰ ঘৰ—এইটো মোৰ ঘৰ—এইটো মোৰ চৌহদ। ইয়াত কাৰো অধিকাৰ নাই—(Letter box আকুৱি থাকে। হঠাৎ পৰি যায়)—আহ্ !

অখিল—মহাদেউ ! কণ আইটী, তিখৰ—এইফালে আহ !

তৰু—কি হ'ল ? দেউতাৰ কি হ'ল ?

তিখৰ—কি হ'ল ? কি হ'ল ?

বিপুল—(বাহিৰৰ পৰা) ই কি ? কি হৈছে ? পেহাদেউ !

অখিল—পিয়নে Letter box ত চিঠি ভৰাই-ছিল। মহাদেৱে দেখা পাই—তেনেই উত্তাৱল হৈ পৰিল।

বিপুল—পেহাদেউ ! মই ডাক্তৰ মাতি আনো।

অখিল—বিপুল ! ডাক্তৰ মাতিব নালাগে। মহাদেউ আৰু নাই।

তৰু—দেউতা আৰু নাই, দেউতা, দেউতা (কান্দে) দেউতাৰ জীৱ শেষত নিজ চৌহদৰ বাহিৰতহে দেহান্তৰী হ'ল।

অখিল—কণ আইটী, নাকান্দিবি। মহাদেৱে সংসাৰৰ সকলো কাম সমাধা কৰি গৈছে। দুঃখ নকৰিবি।

বুবুল—(দৌৰি আহে আৰু কান্দি কান্দি কয়) ককা, এইটো তোমাৰ ঘৰ। মই কেতিয়াও আৰু তেনে কথা নকওঁ।

তৰু—আপুনি এইবোৰ কি কৰিলে ? চিঠি হেৰোৱাৰ বাট বন্ধ কৰিবলৈ গৈ আমি শেষত দেউতাকেই হেৰুৱালো।

(হুক্ হুকাই কান্দে)

বিপুল—সঁচা কণ আইটী ! ইমানদিনে আমাৰ চিঠিবোৰ হেৰাইছিল। আজিৰপৰা আমাৰ ঠিকনাও হেৰাল।

(করুণ সঙ্গীত বাজি উঠে)

মঞ্চ এন্ধাৰ হয়।

যৱনিকা